# কীৰ্ত্তন

আৰু

# নাম-ঘোষা

মহাপুৰুষ

শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ

বিৰচিত

নিউ বুক ষ্টল

গুৱাহাটী, অসম।

মূল্য—৮·০০ টকা

প্ৰকাশক—
শ্ৰীৰত্নেশ্বৰ দত্ত
নিউ বুক ষ্টল
গুৱাহাটী—১

প্ৰথম সংস্কৰণ
ইং ১৯৬৬ চন

শকবাব্দ—৫১৮

মুদ্ৰাকৰ—
শ্ৰীতীৰ্থনাথ পাল
নিউ শ্ৰীদুৰ্গা প্ৰেছ
২।১, বিধান সৰণী, কলিকতা—৬

# সূচী


| | বিষয় | | | পৃষ্ঠা |
|---|---|---|---|---|
| ১। | চতুৰ্ব্বিংশতি অৱতাৰ | ... | ... | ১ |
| ২। | নামাপৰাধ | ... | ... | ৭ |
| ৩। | পাষণ্ড মৰ্দ্দন | ... | ... | ১৪ |
| ৪। | ধ্যান বৰ্ণন | ... | ... | ২৮ |
| ৫। | অজামিল উপাখ্যান | ... | ... | ৩৩ |
| ৬। | প্ৰহ্লাদ চৰিত্ৰ | ... | ... | ৫০ |
| ৭। | গজেন্দ্ৰোপাখ্যান | ... | ... | ১০০ |
| ৮। | হৰমোহন | ... | ... | ১০৭ |
| ৯। | বলি ছলন | ... | ... | ১৩০ |
| ১০। | শিশু-লীলা | ... | ... | ১৪১ |
| ১১। | কালিয় দমন | ... | ... | ১৬৩ |
| ১২। | ৰাস-ক্ৰীড়া | ... | ... | ১৭২ |
| ১৩। | কংসবধ | ... | ... | ২১৩ |
| ১৪। | গোপী-উদ্ধৱ-সংবাদ | ... | ... | ২৫৩ |
| ১৫। | কুব্জীৰ বাঞ্ছা পূৰণ | ... | ... | ২৫৮ |
| ১৬। | অক্ৰূৰৰ বাঞ্ছা পূৰণ | ... | ... | ২৬২ |
| ১৭। | জৰাসন্ধৰ যুদ্ধ | ... | ... | ২৬৭ |
| ১৮। | কালযৱন বধ | ... | ... | ২৭৬ |
| ১৯। | মুচুকুন্দ স্তুতি | ... | ... | ২৮২ |
| ২০। | স্যামন্তক হৰণ | ... | ... | ২৯৩ |

| | বিষয় | | | পৃষ্ঠা |
|---|---|---|---|---|
| ২১। | নাৰদৰ কৃষ্ণ দৰ্শন | ... | ... | ৩০৮ |
| ২২। | বিপ্ৰপুত্ৰ আনয়ন | ... | | ৩১৮ |
| ২৩। | দামোদৰ বিপ্ৰোপাখ্যান | ... | ... | ৩২৮ |
| ২৪। | দৈৱকীৰ পুত্ৰ আনয়ন | ... | ... | ৩৪১ |
| ২৫। | বেদ স্তুতি | ... | ... | ৩৫০ |
| ২৬। | লীলা মালা | ... | ... | ৩৫৮ |
| ২৭। | শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ | ... | ... | ৩৭৮ |
| ২৮। | সহস্ৰ নাম বৃত্তান্ত | ... | ... | ৪২২ |
| ২৯। | উৰেষা বৰ্ণন | ... | ... | ৪৩৬ |
| ৩০। | ভাগৱতৰ তাৎপৰ্য্য | .. | . . | ৪৮২ |


## ওপৰঞ্চি


ঘুনুচা কীৰ্ত্তন ... ৪৭৮


---

## ॥ মুখবন্ধ ॥

"যদ্যপি ভকতি নৱবিধ মাধৱৰ
শ্ৰৱণ কীৰ্ত্তন তাতো মহাশ্ৰেষ্ঠতৰ ।"

শ্ৰৱণকীৰ্ত্তন ধৰ্ম্মৰ পাঠ আৰু প্ৰসঙ্গ এই দুটা মুখ্য ধৰ্ম্মাচৰণ। পাঠৰ ফল শ্ৰৱণ আৰু প্ৰসঙ্গৰ ফল কীৰ্ত্তন। পাঠ এজনে কৰে যদিও বাকী সমজ্যাৰ জনে শুনিবৰ কাৰণে কৰে। অকলশৰে বা লগলাগি নাম লোৱা বা হৰিগুণ গোৱাকে কীৰ্ত্তন বোলে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিয়ে ক্ষান্ত নাছিল আৰু প্ৰকৃতপক্ষে কোনো ধৰ্ম্ম প্ৰবৰ্ত্তকেই শ্ৰেষ্ঠত্ব প্ৰচাৰতে আত্মসন্তুষ্টি লাভ কৰিব নোৱাৰে। সেই শ্ৰেষ্ঠতৰ ধৰ্ম্মৰ আচৰণৰ সঁজুলি বা সাধন সামগ্ৰীও জন-সাধাৰণে হাতে তুলি পোৱাকৈ পৰম বস্তুৰূপে এৰি থৈহে তেওঁলোক উপশান্ত হয়। মহাপুৰুষীয়া ধৰ্ম্মৰ মহাপুৰুষ যুগলেও সেই কাৰণে ধৰ্ম্মাচৰণৰ সাধন সামগ্ৰীৰূপে চাৰিখন মূল গ্ৰন্থ এৰি থৈ গৈছে। শ্ৰীশঙ্কৰৰ দশম পুথিৰ সাধন ধাৰাৰ উপযোগিতা হল পাঠ। বৈকুণ্ঠৰ শাস্ত্ৰ মহাভাগৱত সমুদ্ৰৰ ঐৰাৱত সদৃশ দশমস্কন্ধ। দশমস্কন্ধ পাঠৰ পৰাই ভাগৱত পাঠৰ ফল শ্ৰৱণ ধৰ্ম্ম সম্যক সিজে। সেই দেখি দশমস্কন্ধ ভাগৱতৰ পদ ভাঙনি দশম পুথি ভাগৱত গ্ৰন্থৰ গাৰ বদল ৰূপে অসমৰ বৈষ্ণৱ সমাজৰ শ্ৰৱণ ভক্তি সাধনৰ সুচলৰ কাৰণে শঙ্কৰ মহাপুৰুষে ৰচনা কৰিলে। দশম পুথিৰ প্ৰধান উদ্দেশ্য পাঠ আৰু পাঠৰ ফল শ্ৰৱণ-ভক্তি।

শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্মৰ দ্বিতীয় সাধন প্ৰসঙ্গ। হৰিনাম আৰু কৃষ্ণলীলা গানৰ সুমধুৰ ধ্বনিৰে ৰস-সমাহিত হৰলৈ বা ভক্তিৰসৰ অনিন্দ্য

মজিবলৈ স্বয়ং কীৰ্ত্তন কৰিব লাগিব। শ্ৰৱণৰ পৰা মনৰ সংশয় গুচে আৰু তাৰ ফলত ভক্তিৰ উদয় হয়। সেই দেখি 'হৰি ভকতিৰ আদি জানিবা শ্ৰৱণ" বুলি কোৱা হৈছে! শ্ৰৱণৰ পৰিপূৰক বা পোষক সাধন হল কীৰ্ত্তন। আত্মনিবেদন ৰূপ ভক্তি সমাহিত অৱস্থা কীৰ্ত্তনেহে পোৱাই দিয়ে। কীৰ্ত্তনৰেই আনুষ্ঠানিক সংজ্ঞা হল নাম প্ৰসঙ্গ। এই প্ৰসঙ্গ কেৱল নাম উচ্চাৰণৰ দ্বাৰাও হব পাৰে। পিছে কৰ্ণৰো অভিৰাম হব লাগে এই বুলি সুৰ তালত গাব পৰা কাব্য ৰসসিক্ত ৰচনা সমূহৰ প্ৰয়োজন হয়। শ্ৰীশঙ্কৰে বৈষ্ণৱ-সাধকৰ এই প্ৰয়োজন সাধিব পৰাকৈ যি ললিতকান্ত ৰচনা দি গ'ল তাৰ নামে কীৰ্ত্তন-পুথি।

ভক্তিক হৃদয়ত দৃঢ় প্ৰতিষ্ঠিত কৰিবলৈ প্ৰতিষ্ঠিত হোৱাৰ পিছত পৰিপাক হবলৈ তত্ত্বজ্ঞান আৰু উপদেশৰ প্ৰয়োজন। এই জ্ঞান আৰু উপদেশ মুখ্যতঃ গুৰুৰ কৃপা।

"মহন্তৰ মুখে কথা শুনা প্ৰথমত
তেবেসে পুৰুষে পায় ভকতিৰ তত্ত"।

গুৰু-কৃপা হলেও অনুশীলনৰ কাৰণে তত্ত্ব আৰু উপদেশৰ শাস্ত্ৰৰ প্ৰয়োজনো সমানে থাকে। এই প্ৰয়োজন পূৰাইছে শ্ৰীমাধৱৰ ভক্তি ৰত্নাৱলী আৰু নাম-ঘোষাই। ভক্তি ৰত্নাৱলী ভক্তি তত্ত্বৰ শাস্ত্ৰ। নাম-ঘোষা মূলতঃ উপদেশৰ শাস্ত্ৰ। নাম ঘোষাৰ উক্তি ভঙ্গীতো উপদেশৰ সুৰ এটা আগৰ পৰা গুৰিলৈকে আছে। মধ্যম পুৰুষৰ সম্বোধন আৰু অনুজ্ঞা নাম-ঘোষাৰ এটা বিশেষ ভঙ্গী। 'ৰাম বুলি শুদ্ধ কৰা' সন্তোষ অমৃত পান কৰা, বিষয়ৰ আশা পৰিহৰা, ভাবিয়ো ভাৱক ভাই, মনে মুখে এক কৰি সদা বোলা ৰাম, জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে ইত্যাদি উপদেশময় উক্তি নাম-ঘোষাৰে ঘোষাই ঘোষাই বিয়াপি

আছে। ৰত্নাৱলীত সেইদৰে আছে নৱবিধ ভক্তি একশৰণ আদি তত্ত্বৰ বিশদ আলোচনা। অসমৰ ভাগৱত ধৰ্ম্মৰ পাঠ, প্ৰসঙ্গ, তত্ত্ব আৰু উপদেশ এই মুখ্য চাৰি প্ৰয়োজন সাধিছে ক্ৰমান্বয়ে দশম, কীৰ্ত্তন, ৰত্নাৱলী আৰু নামঘোষাই। এই কাৰণেই মহাপুৰুষীয়া ধৰ্ম্মত এই কেইখনক মুখ্য চাৰি গ্ৰন্থ বুলি স্বীকাৰ কৰা হয়।

অৱশ্যে এই খিনিতে এবাৰ 'কিন্তু বাণী' শুনাই থোৱা ভাল হব। পাঠ, প্ৰসঙ্গ, তত্ত্ব আৰু উপদেশৰ পোষক গ্ৰন্থ ৰূপে দশম, কীৰ্ত্তন, ৰত্নাৱলী আৰু নামঘোষাক বৰ্ণনা কৰিছোঁ যদিও এই বিভাজন ইটোৰ গাত সিটো নলগা বিধৰ হব নোৱাৰে। কীৰ্ত্তনতো উপদেশ আছে দশমৰ পদেৰেও কীৰ্ত্তন বা নাম-প্ৰসঙ্গ কৰিব নোৱাৰা নহয়। সেই দৰে নাম-ঘোষাতো ভক্তি তত্ত্বৰ আলোচনা আছে। মুঠ কথা হৈছে ঘাই উদ্দেশ্য লৈ। ঘাই উদ্দেশ্যৰ ফালৰ পৰা বিচাৰ কৰিলেহে এই বিভাজনৰ যৌক্তিকতাৰ গম ধৰিব পাৰি।

কীৰ্ত্তন পুথি ভাগৱতৰ নৱনীত সদৃশ। ভগৱন্তৰ পতিত-পাৱন আৰু ভক্তানুগ্ৰহ গুণ যি বিলাক আখ্যানত প্ৰকাশ পাইছে সেই আখ্যান কেইটা বিশেষ সমাদৰ কৰি কীৰ্ত্তন পুথিৰ কাৰণে বাচি লোৱা হৈছে। তাকে কৰোতে ভাগৱতৰ কেইবাটাও স্কন্ধৰ আখ্যান আৰু বিষয় বস্তু কীৰ্ত্তনত থাপিত কৰা হৈছে। সমস্ত ভাগৱতত সাৰতত্ত্ব ৰূপে ভগৱন্তৰ তিনটা গুণৰ মাহাত্ম্য কথিত হৈছে। সেই তিনটা গুণেই জৰ্জ্জৰিত মানৱকুলৰ পৰমাশা আৰু সান্ত্বনাৰ স্থল বুলিব পাৰি। ভগৱন্ত কৃষ্ণ দুষ্ট দৈত্য বিনাশক, তেওঁ ভকতিৰ বশ্য সবাতোকৈ তেওঁ পতিত পাবন আৰু দুখী জনৰ প্ৰতি কৃপালু দৰিদ্ৰ নাৰায়ণ।

জগতৰ অশুভ অশান্তি অন্যায় আৰু অসত্য এই বোৰেই দুষ্ট

দৈত্য। বিভিন্ন নামত একো একোটা, অসুৰ দৈত্যৰ নাম দি এই অশুভক ৰূপ দিয়া হৈছে। মানুহে সংসাৰত উপজিবৰ দিনাৰ পৰাই অশুভ অসত্য হিংসা অন্যায়ত সৈতে মুখামুখী হব লাগে। অসত্যলৈ ধাউতি হয়, হিংসাৰ প্ৰতি প্ৰৱণতা জন্মে, ঔদ্ধত্য ক্ষমতালৈ লোভ হয়। এই দৈত্যবোৰেই অন্তৰৰ শিশুৰূপী ভগবান জনক বিনাশ কৰিব খোজে। ভগৱন্ত শ্ৰীকৃষ্ণৰ আশ্ৰয় ললেহে সেই অসুৰবোৰৰ পৰা ৰক্ষা পাব পাৰি। তেওঁহে অশুভ-পাপক ধ্বংস কৰিব পাৰে। কালিয় দমন, কংসবধ, শিশুলীলাৰ অঘ, বক-পুতনা-বধ আদি এই জাতীয় আখ্যান বা লীলা। প্ৰহ্লাদ চৰিত্ৰ, বলিছলন, ৰাস ক্ৰীড়া আদি লীলামালাত ভগৱন্তই নিজ ভকতৰ বশ্য যদুপতি ৰূপে ভক্তিৰ মাহাত্ম্য দেখুৱাইছে। অজামিল উপখ্যানত গজেন্দ্ৰোপাখ্যানত পতিত পাৱন আৰ্ত্তত্ৰান কাৰী ৰূপে পতিত আৰু আতুৰ জনৰো হিয়াত অসীম বলৰ সঞ্চাৰ কৰিছে। দামোদৰ বিপ্ৰাখ্যানত দুখী জনকো আকোৱালি ধৰি ভক্তিত ধন-দৌলতৰ অপ্ৰয়োজনীয়তা প্ৰমাণ কৰি দৰিদ্ৰৰ নাৰায়ণ ৰূপে একেজন গোসাঁয়ে নিজৰ যশ প্ৰকট কৰিছে। কীৰ্ত্তন পুথিৰ প্ৰত্যেকটো কাহিনীতে গূঢ় তাৎপৰ্য্য একোটা লুকাই আছে। প্ৰতিটো তাৎপৰ্য্য ভক্তি মাৰ্গৰ একো একোটা আদৰণীয় আৰু অনুশীলন যোগ্য সাধন। কীৰ্ত্তন পুথি ৰচিবৰ সময়ত গ্ৰন্থৰ এটা শৃঙ্খলা মনত ভাবি লৈছিল নে নাই জনা নাযায়। ইয়াৰ বিভিন্ন অংশ বিভিন্ন সময়ত ৰচনা কৰা হৈছিল। প্ৰত্যেক খণ্ডকে একোটা স্বকীয় গোট বুলিয়ে-ধৰিব পাৰি। ৰচনা কৰোঁতেও কিজানিঃ স্বান্ত "সুখায় কৃষ্ণক ভকতি ক'ৰিতে প্ৰৱন্ধে" উদ্দেশ্যেৰে শ্ৰীশঙ্কৰে কাপ কাঠী লৈছিল। বিভিন্ন সময়ৰ ৰচনা গোট হলেও পদ কৰ্ত্তাৰ কবি কৰ্ম্মৰ অন্তৰালত এটা প্ৰেৰণা আৰু কল্পনা

আছিল। কীৰ্ত্তন পুথি মূলতঃ এখন বাচনি। বাচ বিচাৰ কৰি আহৰণ কৰিবৰ সময়ত এটা নীতিৰ দ্বাৰা পৰিচালিত হোৱাৰ সম্ভাৱনা লুই কৰিব নোৱাৰি। এই নীতি কি আছিল ?

এই নীতি অনুধাবণ কৰিবলৈ হলে কীৰ্ত্তন পুথিৰ পোণৰ বাৰ অধ্যায় অৰ্থাৎ চতুৰ্ব্বিংশতি অৱতাৰ, নামাপৰাধ, পাষণ্ডমৰ্দন আৰু ধ্যানবৰ্ণন এই চাৰিখণ্ড ভালকৈ অধ্যয়ণ কৰিব লাগিব। শ্ৰীশঙ্কৰৰ মহাপ্ৰয়াণৰ পিছত সিচঁৰিত হৈ থকা কীৰ্ত্তনৰ খণ্ডবিলাক সজোৱাৰ ভাৰ পৰিছিল যোগ্য অনুবৰ্ত্তী শ্ৰীমাধৱৰ গাত। দীৰ্ঘকালৰ সাহাৰ্য্যৰ গুণত মাধৱদেৱে গুৰুৰ উদ্দেশ্য আৰু নীতিৰ অকথিত অংশৰো ভূ পাইছিল। সম্ভৱতঃ সেই কাৰণেই বিশেষ উদ্দেশ্য আৰু পৰিশৃঙ্খলাৰ অনুৰোধত এই চাৰিখণ্ড কীৰ্ত্তন পুথিৰ সিংহদ্বাৰ ৰূপে পোনতে সন্নিবিষ্ট কৰিলে। এই কেইটা অধায়ত আমি কি গূঢ়াৰ্থ পাওঁ ?

প্ৰথমতেই পাওঁ ভজনীয় ঈশ্বৰৰ স্বৰূপ। ঈশ্বৰৰ স্বৰূপ সম্বন্ধে তত্ত্ববিচাৰ সকলো ধৰ্ম্ম আৰু কৰ্ণাচৰণৰ আধাৰ কথা। ভজনীয় ঈশ্বৰ জনাৰ স্বৰূপ সম্বন্ধে যেনে ধৰণৰ শ্ৰদ্ধা থাকে সেই অনুসাৰে উপাসনা প্ৰণালী বা সাধন ধাৰাই বাট লয়। কীৰ্ত্তন পুথিতো সেই কাৰণে জয় জয়তে ব্ৰহ্মৰূপী সনাতন নাৰায়ণক প্ৰণাম কৰি তেওঁৰ বিভিন্ন অৱতাৰৰ বৰ্ণন কৰা হৈছে। অৱতাৰ বাদ ঈশ্বৰৰ পৰমেশ্বৰত্ব স্থাপন কৰাৰ এটা নিৰ্ণয় মাথোন। বহুৰূপে প্ৰকট হৈয়ো সনাতন ব্ৰহ্মৰূপে পৰমেশ্বৰ এজনেই। মূলতঃ উপাস্যও সেই জনেই। শ্ৰীকৃষ্ণক কিন্তু সেই সনাতন নাৰায়ণ ৰূপেই অভেদ বুলি ধৰা হৈছে। এই অভেদত্ব দেখুৱাবলৈ সুকীয়া প্ৰযত্ন শ্ৰীশঙ্কৰে কৰা নাই যদিও প্ৰকাৰান্তৰে তাক

স্পষ্ট ৰূপে স্থাপন কৰিছে। অৱতাৰ বৰ্ণনৰ আৰম্ভনতে 'সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ' বুলি সেই সনাতন নাৰায়ণৰ বিভিন্ন জন্ম কৰ্ম্ম ( অবতাৰ ) কবলৈ আৰম্ভ কৰিলে পিছে গৈ সামৰণিত কলে "কৃষ্ণৰ ৰহস্য জন্ম শুণা সৰ্ব্বজনে"। তাৎপৰ্য্যত নাৰায়ণ আৰু কৃষ্ণ এক বুলি থোৰতে বুজাই থলে। কীৰ্ত্তনৰ পিছৰ অংশত শ্ৰীকৃষ্ণৰ যি লীলা বৰ্ণন আছে প্ৰকৃত স্থলত সিও ব্ৰহ্মৰূপী সনাতন জনৰে লীলা এই কথাও নোকোৱাকৈয়ে প্ৰকাশ পালে। সেই ব্ৰহ্মৰূপীজন আৰু কপট নৰৰূপীজন একে নাৰায়ণেই। এটা ৰূপত তেওঁ সকলোৰে প্ৰতি উদাসীন, ভক্তৰ অনুগ্ৰহাৰ্থে পৰিগৃহীত ৰূপ। নামাপৰাধত নামৰ অপৰাধ কোৱাৰ ছলেৰে কলিত শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা হৈছে। 'সবাতো অধম সি পাপমতি' যি জনে ঈশ্বৰৰো দ্ৰোহ আচৰে "ভজিলে তাকো নিস্তাৰে হৰি" এই পৰম আশাৰ বাণীৰে নামাপৰাধ আৰম্ভ হৈছে বুলিব লাগে। কীৰ্ত্তন গ্ৰন্থৰ অজামিল উপাখ্যান, কংসবধ আদিয়ে এই তত্ত্বৰে কেবল ৰূপ দিছে। পাষণ্ড মৰ্দ্দনত চণ্ডালাদিৰো শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্মৰ অধিকাৰ, ঈশ্বৰ ভজনত অগ্ৰজ অন্ত্যজ বিচাৰ নাই এই মহান সত্য ঘোষণা কৰি গজেন্দ্ৰ মোক্ষত পশুযোনি পৰ্য্যন্ত ( অন্ত্যজৰ কথাই নাই ) ঈশ্বৰৰ কৃপাই পৰশে গৈ তাকে দেখুৱাইছে। এনে হৰিনাম বা হৰি ভক্তি বিশ্বাস নোহোৱাজন পুতৌ কৰিবৰ যোগ্য পাষণ্ড।

চতুৰ্থখণ্ডৰ ধ্যান বৰ্ণন এটা গুৰুত্বপূৰ্ণ অধ্যায়। নামৰ মাহাত্ম্য কে লোৱাৰ পিছত যেন ই এটা সতৰ্কবাণী। মুখে নাম নহয় মনে মুখে ৰাম নাম। এনে নাম গ্ৰহণহে উদ্ধাৰৰ কাৰণ। হৃদয়ত এক নিষ্ঠ গভীৰ ধ্যানৰ দ্বাৰা পৰিপুষ্ট নাম হিয়া ভাণ্ডাৰৰ পৰা মুখেৰে বাজ

হব লাগে কীর্ত্তনৰ অংশবোৰ প্ৰসঙ্গত ব্যৱহাৰ কৰাৰ কাৰণে ৰচনা কৰা হৈছে, কিন্তু সেই নাম প্ৰসঙ্গ ভাটৌৰ আবৃত্তি নহৈ যে ধ্যান পূৰ্ব্বক হব লাগে। তাৰে ইঙ্গিত দিছে ধ্যান বৰ্ণন অংশই।

এই দৰে কীৰ্ত্তন পুথিৰ বিষয়ে চিন্তা কৰিবলগীয়া বহুত আছে। গভীৰ ভাবে অধ্যয়ন কৰিলে নতুন তত্ত্ব কথা বহুত খুচৰি উলিয়াব পৰা যাব। সাহিত্যিক সৌন্দৰ্য্যৰ সমালোচনা আৰু ঐতিহাসিক বিশ্লেষণ কিছু হৈছে কিন্তু আধ্যাত্মিক গুৰুত্বৰ ফালৰ পৰা কীৰ্ত্তনৰ অধ্যয়ন আৰু আলোচনা ভালকৈ হৈছে বুলি কব নোৱাৰি।

তাৰ কাৰণে কীৰ্ত্তনৰ নিভুৰ্ল সংস্কৰণৰ আৱশ্যক। নিউ বুক ষ্টলৰ বৰ্ত্তমান সংস্কৰণে সেই অভাব পূৰাব বুলি আশা কৰিছোঁ। পুথিৰ ছপা পৰিষ্কাৰ আৰু আখৰবোৰ ডাঙৰ হোৱাত নিত্য পাঠৰ উপযোগী সংস্কৰণ হৈছে। কীৰ্ত্তন পুথি নিজ মহিমাৰেই বহুল প্ৰচাৰৰ অধিকাৰী। ভাল সংস্কৰণ এটাই সেই প্ৰচাৰ আৰু অধিক কৰিব এই আশা ৰল। ইতি—

২৯ বহাগ
১৮৮৯ শক } শ্ৰীতীৰ্থনাথ শৰ্ম্মা

# শ্রীকৃষ্ণায় নমঃ

॥ শ্লোক ॥

কৃষ্ণায় বাসুদেবায় দেবকী-নন্দনায় চ।
নন্দ-গোপকুমারায় গোবিন্দায় নমো নমঃ॥

নমঃ পঙ্কজ-নাভায় নমঃ পঙ্কজ-মালিনে।
নমঃ পঙ্কজ-নেত্রায় নমস্তে পঙ্কজাঙ্ঘ্রয়ে॥

বসুদেব-সুতং কৃষ্ণং কংস চাণূরমর্দ্দনম্।
দেবকীপরমানন্দ, কৃষ্ণং বন্দেজগদ্গুরুম্॥
হরি রাম রাম।

মূকং করোতি বাচালং পঙ্গুং লঙ্ঘয়তে গিরিম্।
যৎকৃপা তমহং বন্দে পরমানন্দ মাধবম্॥

# কীৰ্ত্তন-ঘোষা

## প্ৰথম ভাগ

## চতুৰ্ব্বিংশতি-অৱতাৰ

॥ শ্ৰীকৃষ্ণায় নমো নমঃ ॥

ঘোষা ॥ জয় হৰি গোৱিন্দ নাৰায়ণ ৰাম কেশৱ হৰি ।
ৰাম ৰাম কেশৱ হৰি ॥ ১

পদ ॥ প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন ।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥
তযু নাভি-কমলত ব্ৰহ্মা ভৈলা জাত ।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত ॥ ১
মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমতে ।
উদ্ধাৰিলা বেদ প্ৰভু প্ৰলয় জলতে ॥
সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া ।
নধৰিলে সাগৰে তোমাৰ মৎস্য কায়া ॥ ২
কূৰ্ম্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে ।
লক্ষ প্ৰহৰৰ পথ জুৰিলা শৰীৰে ॥
কৰিলেক স্তুতি পৰি সুৰাসুৰ নাগে ।
ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠভাগে ॥ ৩
দিব্য যজ্ঞ বৰাহ স্বৰূপ ভৈলা তুমি ।
লীলায় দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি ॥

তোমাক কৰিলা যুদ্ধ হিৰণ্যাক্ষ বীৰি।
অপ্ৰয়াসে দৈত্যক মাৰিলা দান্তে ছিৰি ॥ ৪
আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ।
নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ ॥
কৰিলা নিৰ্ভয় পাইলা ত্ৰিদশে উল্লাস।
ভক্ত প্ৰহ্লাদক প্ৰভু কৰিলা আশ্বাস ॥ ৫
বামন স্বৰূপে অদিতিৰ বাক্য পালি।
ইন্দ্ৰক থাপিলা ছলে বলিক নিকালি ॥
ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতি।
তযু পাদোদকে গঙ্গা ভৈলা উতপতি ॥ ৬

---

ঘোষা ॥ যদুমণি যাদৱ যাদৱ যাদৱানন্দ হৰি ॥ ২

পদ ॥ ভৈলাহা পৰশুৰাম নামে অৱতাৰ।
প্ৰদক্ষিণ কৰি ভূমি তিনি সাতবাৰ ॥
ক্ষত্ৰিয়ক কাটিলা পৰশু কৰে ধৰি।
নিক্ষত্ৰিয় কৰিলা সমস্তে বসুন্ধৰী ॥ ৭
শ্ৰীৰাম ৰূপে কৌশল্যাত অৱতৰি।
বনবাস খপিলা পিতৃৰ বাক্য ধৰি ॥
বিৰাধ কৱন্ধ মাৰীচৰ লৈলা প্ৰাণ।
খৰ-দুষণক প্ৰভু কৰিলা নিৰ্য্যাণ ॥ ৮
এক পাট শৰে বালী সঙ্কলিলা জীৱ।
তোমাৰ প্ৰসাদে ৰাজা ভৈলন্ত সুগ্ৰীৱ ॥

লঙ্কাত পশিলা সাগৰত বান্ধি সেতু।
ৰাৱণ বধিলা সীতা হৰণৰ হেতু॥ ৯
বধিলা ৰণত আনো ৰাক্ষস অনেক।
ভক্ত বিভীষণক কৰিলা অভিষেক॥
অগ্নিত পৰীক্ষা আনি কৰিলা সীতাক।
ব্ৰহ্মাদেৱে স্তুতিবাণী বুলিলা তোমাক॥ ১০
সম্বৰিলা সীতা দশৰথৰ বচনে।
অযোধ্যাক আসিলা সভাৰ্য্যে ৰঙ্গমনে॥
কৰিলাহা ৰাজ্য দশ হাজাৰ বৎসৰ।
লগে স্বৰ্গ নিলা সবে অযোধ্যা নগৰ॥ ১১
ৰোহিণীত ভৈলা হলিৰাম অৱতাৰে।
দ্বিবিদৰ প্ৰাণ লৈলা মুষ্টিৰ প্ৰহাৰে॥
প্ৰলম্ব মুষ্টিক ৰুক্ম দন্তবক্ৰ বীৰ।
লীলায়ে মাৰিয়া ভাৰ হৰিলা ভূমিৰ॥ ১২
বৌধ অৱতাৰে বেদপন্থ কৰি ছন্ন।
বামানয় শাস্ত্ৰে মুহি আছা সৰ্ব্বজন॥
নিচিন্তে চৰণ নাম নলৱে তোমাৰ।
সদায় প্ৰমত্ত লোক পাষণ্ড আচাৰ॥ ১৩
কলিৰ শেষত হৈবা কল্কি অৱতাৰ।
কাটি ছিণ্ডি ম্লেচ্ছক কৰিবা বুন্দামাৰ॥
সবাকে বধিবা বৌধগণ যত আছে।
কলিৰ শেষত সত্য প্ৰৱৰ্ত্তাইবা পাছে॥ ১৪

ঘোষা ॥ নৰহৰি গোৱিন্দ গোৱিন্দ গোৱিন্দ ৰাম ॥ ৩

পদ ॥ সনতকুমাৰে অৱতাৰে তুমি হৰি।
ফুৰিলা দুষ্কৰ ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি ॥
পৃথু ৰাজা তোমাত সুধিলা মহাজ্ঞান।
সমস্তে তত্ত্বক তুমি কৰিলা ব্যাখ্যান ॥ ১৫
ভৈলাহা নাৰদ ঋষি নামে অৱতাৰ।
পঞ্চৰাত্ৰ নামে তন্ত্ৰ কৰিলা প্ৰচাৰ ॥
যাক আচৰিলে মহা মোক্ষপদ পায়।
হৰিৰ কীৰ্ত্তন কৰি ফুৰা বীণা বায় ॥ ১৬
ভৈলা আৰো অৱতাৰ নৰনাৰায়ণ।
কৰিলা দুষ্কৰ তপ চিত্তৰ শোধন ॥
তোমাক মুহিবে কামদেৱ আইলা সাজি।
দৰ্পচূৰ কৰিলা উলটি গৈলা লাজি ॥ ১৭
কপিল স্বৰূপে আৰো ভৈলা অৱতাৰ।
গুপ্ত ভৈল জ্ঞান তাক কৰিলা প্ৰচাৰ ॥
তোমাৰ প্ৰসাদে যোগ জানি দেৱহূতি।
তোমাৰ চৰণ চিন্তি লভিলা মুকুতি ॥ ১৮
দত্তাত্ৰেয় নামে ভৈল অত্ৰিৰ তনয়।
পুছিলন্ত যোগ যদু অলৰ্ক হৈহয় ॥
তিনিয়ো ৰাজাত কৈলা যোগৰ যুগুতি।
তোমাৰ প্ৰসাদে পাইলা পৰম মুকুতি ॥ ১৯
যজ্ঞ অৱতাৰে ভৈলা দেৱতাৰ ৰায়।
যাম নাম দেৱগণ লগত সহায় ॥

স্বায়ম্ভুৱ মনুৰ দিনত তুমি হৰি।
ইটো ত্ৰিজগতক আছিলা ৰক্ষা কৰি ॥ ২০
পুত্ৰ ভৈলা নাভিৰ ঋষভ নামে তুমি।
জড় যোগচৰ্য্যা কৰি পৰ্য্যটিলা ভূমি ॥
পৰম জ্ঞানীৰ পন্থ দেখাইলা আপুনি।
পৰম পদক পাৱে যাক জানি-শুনি ॥ ২১
অৰাজক ভৈল নষ্ট হোৱৈ সবে প্ৰজা।
দেখি তুমি ভৈলা পৃথু নামে আদি ৰাজা ॥
পৃথিৱীক ধৰিয়া দুহিলা সবে ৰস।
জগতকে ব্যাপিলে তোমাৰ মহাযশ ॥ ২২
সাগৰ মথন্তে অমৃতৰ ঘট ধৰি।
ধন্বন্তৰি নামে অৱতাৰ ভৈলা হৰি ॥
যত বৈদ্য-শাস্ত্ৰচয় কৰিলা প্ৰকাশ।
যাহাক জানিলে হৰে ব্যাধিৰ বিনাশ ॥ ২৩
ধৰিলাহা সংসাৰ মোহনী নাৰীবেশ।
দুষ্ট দৈত্যগণক মুহিলা হৃষীকেশ ॥
ভকত দেৱক পান কৰাইল অমৃত।
তোমাৰ প্ৰসাদে ইন্দ্ৰ ভৈলা কৃত্যকৃত্য ॥ ২৪

---

ঘোষা ॥ মাধৱ ৰাম হৰি যাদৱ ৰাম হৰি ॥ ৪

পদ ॥ ব্যাস নামে ভৈলা সত্যৱতীৰ সন্ততি।
দেখিলাহা প্ৰজা ভৈলা আতি অল্পমতি ॥

---

পাঠান্তৰ : জড় যোগচৰ্য্য কৰি প্ৰৱটিলা ভূমি ॥ ( ২১-২ )

কৰিলা অনেক শাখা চাৰিও বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ কৰিলা বিস্তৰ॥ ২৫
গজেন্দ্ৰক গিলে ঘোৰ গ্ৰাহে বলে ধৰি।
তোমাত শৰণ লৈলা আৰ্ত্তনাদ কৰি॥
শুণ্ডে মেঢ়াই পদ্মগোট উপৰক তুলি।
কৰিলা অনেক স্তুতি ত্ৰাহি হৰি বুলি॥ ২৬
শুনি শীঘ্ৰে চড়ি তুমি গৰুড়ৰ স্কন্ধে।
ভকতক ৰাখিবাক আসিলা প্ৰবন্ধে॥
গৰুড়ৰ নামি তুমি পৰম বিক্ৰমে।
শুণ্ডে ধৰি তৰক তুলিলা গ্ৰাহে সমে॥ ২৭
আথেবেথে চক্ৰে ছিৰিলাহা গ্ৰাহমুখ।
তোমাৰ প্ৰসাদে গজেন্দ্ৰৰ গৈলা দুখ॥
হস্তী গুচি তৈতে চতুৰ্ভুজ ৰূপ ভৈলা।
গলে বনমালা হাতে চাৰি অস্ত্ৰ লৈলা॥ ২৮
তোমাক নমিলা গৈয়া দণ্ডৱতে পৰি।
পাৰিষদ হুয়া বৈকুণ্ঠক গৈলা লৰি॥
তোমাৰ প্ৰসাদে গ্ৰাহো শাপক নিস্তৰি।
বিমানে স্বৰ্গক গৈলা দিব্য ৰূপ ধৰি॥ ২৯
হয়গ্ৰীৱ নামে আৰো ভৈলা অৱতাৰ।
তপ্ত সুৱৰ্ণৰ সম শৰীৰ তোমাৰ।
তোমাৰ সুন্দৰ সিটো নাসিকাৰ হন্তে।
বাজ ভৈলা চাৰি বেদ নিশ্বাস কাঢ়ন্তে॥ ৩০
সপত্নী মাতৃৰ বাক্যে বিদাৰিলা মন।
ধ্ৰুৱে আসি আৰাধিলে তোমাৰ চৰণ॥

ত্ৰৈলোক্যৰ উপৰে তাহাঙ্ক থৈলা থাপি।
গোধিকাৰ পুচ্ছভাগে দেখিয়ো অদ্যাপি॥ ৩১
দেৱে দৈত্যে আনিবাক নোৱাৰে মন্দৰ।
অপ্ৰয়াসে আনি তুমি মথিলা সাগৰ॥
দানৱক যুঝিলা দেৱৰ হুয়া ভিতি।
তোমাৰ প্ৰসাদে ইন্দ্ৰে সাধিলা জয়তি॥ ৩২
কৃষ্ণৰ ৰহস্য জন্ম শুনা সৰ্ব্বজনে।
মোক্ষ পদ সাধে আৰ শ্ৰৱণ কীৰ্ত্তনে॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
বোলা হৰি হৰি পাপ যাউক অধোগতি॥ ৩৩

॥ চতুৰ্ব্বিংশতি অৱতাৰ সমাপ্ত॥

---

## দ্বিতীয় ভাগ

# নাম-অপৰাধ

ঘোষা॥ কৰিয়ো হৰিৰ চৰণে ৰতি।
কলিত হৰিৰ নামেসে গতি॥ ৫

পদ॥ পদ্ম-পুৰাণৰ স্বৰ্গ-খণ্ডত।
নিৰূপি আছা কলিধৰ্ম্ম যত॥
তাক শুনা আতি একান্ত চিত্তে।
যাৰ ইচ্ছা আছে ভৱ তৰিতে॥ ৩৪

আছে চাৰি সিদ্ধ জ্ঞানী পৰম।
ব্ৰহ্মাৰ চাৰিও পুত্ৰ প্ৰথম॥
তাসম্বাক চাই নাৰদ ঋষি।
পুছিলা সংশয় কথা হৰিষি॥ ৩৫
ঈশ্বৰ ভগৱন্ত কৃপাময়।
কহিছা যিটো মহা পাপচয়॥
কেনমতে হোৱে বিনাশ তাৰ।
কলিত কেনে পুণ্যে পাৰে পাৰ॥ ৩৬
কহিয়া ছেদিয়ো সংশয় যত।
চাৰিও তোৰা মহাভাগৱত॥
শুনিয়া সনতকুমাৰ মুনি।
দিলন্ত উত্তৰ মনত গুণি॥ ৩৭
গোৱিন্দৰ প্ৰিয় নাৰদ শুনা।
ভাগৱত ধৰ্ম্ম আপুনি জানা॥
হৌক মোক্ষ বুলি সবে লোকৰ।
কৰিলা প্ৰশ্ন সংসাৰতে পৰ॥ ৩৮
যেনমতে পাৰে পাপৰ পাৰ।
শুনা সাৱধানে উত্তৰ তাৰ॥
সদায় এড়িলে আচাৰ-ধৰ্ম্ম।
নভৈল কিছো যাৰ জাতি-কৰ্ম্ম॥ ৩৯
শঠবুদ্ধি যিটো জগত বঞ্চে।
দম্ভ অহঙ্কাৰ সদা সুগুচে॥
সুৰাপানি চাটুকাৰ চাণ্ডাল।
নিষ্ঠুৰ বাক্য ঘোলে সৰ্ব্বকাল॥ ৪০

পুত্ৰ দাৰা ধন আত্মেসে ৰতি।
সবাতো অধম যি পাপমতি॥
সিসবো পাপত হোৱে তৰণ।
যদি হৰিপদে লৱে শৰণ॥ ৪১
দেৱতো উত্তম করুণাকৰ।
মুকুতি পাৱে যাত চৰাচৰ॥
যিটো থাকে তান দ্ৰোহ আচৰি।
ভজিলে তাকো নিস্তৰে হৰি॥ ৪২
যিটো মন্দমতি অধম নৰে।
হৰিৰো মহা অপৰাধ কৰে॥
নামত শৰণ লৱে বাৰেক।
নামে হৰে তাৰ সবে পাতেক॥ ৪৩
সুহৃদ হৰিনাম সমস্তৰে।
তাৰো অপৰাধ যিজনে কৰে॥
তাহাৰ ৰক্ষাৰ নাহি উপায়।
অৰণ্যে সিটো অধোগতি যায়॥ ৪৪
হৰিয়ো ৰাখিবে নোৱাৰে তাক।
শুনিয়া নাৰদে বুলিলা বাক॥
নামৰ কোন অপৰাধগণ।
লোকৰ যিটো পুণ্য কৰে ছন্ন॥ ৪৫
পাপক সঞ্চি যায় অধোগতি।
কহিয়ো নামৰ দ্ৰোহ সম্প্ৰতি॥

---

পাঠান্তৰ: নামে তাৰো সবে দূৰে পাতেক॥ (৪৩-৪)

শুনি মুনি বাক্য বুলিলা তথা।
পুছিলা পৰম ৰহস্য কথা ॥ ৪৬
পূৰ্ব্বত কহিলা মোত শঙ্কৰে।
প্ৰকাশিবো আক তোমাৰ তৰে ॥
শুনা যেন যেন দ্ৰোহ নামৰ।
হৰি হৰি বোলা সমস্ত নৰ ॥ ৪৭

---

ঘোষা ॥ ঘুষিয়ো হৰি হৃদি ৰূপ ধৰি।
নাহি আন পুণ্য নামক সৰি ॥ ৬

পদ ॥ ভকতক নিন্দা কৰে অধম।
জানিবা নামৰ দ্ৰোহী পৰম ॥
যাত হন্তে ভৈল নামৰ খ্যাতি।
তাৰ কি নিন্দা নামে সহে আতি ॥ ৪৮
গুণ নাম যত বিষ্ণু শিৱৰ।
তাক ভিন্ন বুদ্ধি কৰে যি নৰ ॥
নামৰ সিয়ো মহা অপৰাধী।
নৰকত পৰে দৈৱে নবাধি ॥ ৪৯
যিটো পাপী কৰে গুৰুক হেলা।
বেদকো যদি নিন্দে কোনো বেলা ॥
নামৰ ইয়ো দুয়ো অপৰাধ।
ভুঞ্জিবে যাতনা নাহিকে বাধ ॥ ৫০
'হৰিৰ নামে কৰে অৰ্থবাদ।
'নামৰ মহিমা কৰে উচ্ছাদ ॥

সিজন নামৰ দ্ৰোহী পৰম।
নৰকে পৰে নাহি তাৰ জন্ম॥ ৫১
নামত বলে কৰে পাপবুদ্ধি।
অষ্টাঙ্গ যোগে নাহি তাৰ শুদ্ধি।
নাম-অপৰাধী সিয়ো পৰম।
ভুঞ্জিবে যাতনা অনেক জন্ম॥ ৫২
ধৰ্ম্ম হোম ব্ৰত তীৰ্থত স্নান।
যতেক আছে মহাযজ্ঞ দান॥
আকে এড়ে কৰে নামক সৰি।
কতনো যাতনা ভুঞ্জিবে মৰি॥ ৫৩
নামক কীৰ্ত্তন কৰন্তে আনে।
আন মন কৰি সুশুনে কাণে॥
অধক যাইবে সিয়ো হুইবে কলা।
বাইবেক কাণত তপত শলা॥ ৫৪
নাহিকে শ্ৰদ্ধা নপাতে কাণ।
তাক যিটো দেই নামক দান॥
নামৰ দ্ৰোহী নাহি তাত পৰে।
ভুঞ্জাইবে যাতনা যম-কিঙ্কৰে॥ ৫৫
শুনিয়া নামৰ মহিমা নিতি।
তথাপি নামত নকৰে প্ৰীতি॥
নামৰ দ্ৰোহী সিয়ো অহঙ্কাৰী।
ভুঞ্জিবে কাকে জিহ্বা উভাৰি॥ ৫৬

---

পাঠান্তৰ: আন কথা পাতি সুশুনে কাণে॥ (৫৪-২)

এহি দশ অপৰাধ নামৰ।
আমাত কৃপায়ে কহিলা হৰ॥
পূৰ্ব্বত সমস্ত মুনিৰ আগে।
তোমাতো আয়ে কৈলো অনুৰাগে॥ ৫৭
নামৰ দ্রোহ নেৰে যিটো জানি।
পাপত পচে সিয়ো মন্দ প্রাণী॥
মাতৃক ক্রোধে ত্যজি যেন অন্ন।
দুখ মাত্র পাৱে বালকগণ॥ ৫৮
এৰিয়া অপৰাধ দেৱ-ঋষি।
নামত যতন কৰা হৰিষি॥
নামেসে কৰিবে পৰম সিদ্ধি।
হৰিৰ নাম জগতৰ নিধি॥ ৫৯
পুছিলা নাৰদ মুনি দুনাই।
যাহাৰ বিজ্ঞান বৈৰাগ্য নাই॥
সদায় মজি আছে বিষয়তে।
এৰাইবে নামৰ দ্রোহ কিমতে॥ ৬০
সনতকুমাৰে দিলা উত্তৰ।
নামৰ দ্রোহী যিটো পাপী নৰ॥
সততে ফুৰে হৰিনাম গাই।
তেৱেসে নামৰ দ্রোহ এৰাই॥ ৬১
স্বৰূপ শুনা ঋষি উদাসীন।
যি জন নাম-অপৰাধে হীন॥
হৰিৰ তেৱে একে নামে তৰে।
শুনে বা ভণে বা মনত স্মৰে॥ ৬২

কহিলা ৰহস্য মোত শঙ্কৰে।
আক যিটো নৰে কীৰ্ত্তন কৰে॥
মুকুতি পাৱে এৰাই অপৰাধ।
কহিলো নাৰদ নাহিকে বাধ॥ ৬৩
পৰম বান্ধৱ হৰিৰ নাম।
যি জনে আক লৱে অবিশ্ৰাম॥
তাৰ সাত কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতৰো লেখা॥ ৬৪
প্ৰথমে দহিবে পাতেকচয়।
কৰিবে মহাপুণ্য অভ্যুদয়॥
কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণতো কৰাইবে প্ৰেম ভকতি॥ ৬৫
উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো কৰিবে দহি নিৰ্য্যাণ॥
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবেক তেন্তেয়েৰে এক কৰি॥ ৬৬
তেৱেসে নাম হুইবে উপশান্ত।
কহিলো পৰম তত্ত্ব একান্ত॥
নাম বিনে নাহি কলিত গতি।
কলিৰ লোক হৈব পাপমতি॥ ৬৭
অন্যত্ৰ ধৰ্ম্মে নাহি অধিকাৰ।
জানিবা কলিত নামেসে সাৰ॥
কলিত সদা সুস্থমৰে হৰি।
হেলাত মৰে আত্মাঘাত কৰি॥ ৬৮

কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
মনুষ্য জন্মক নপায় সেহ্বে॥
আকো ব্যৰ্থ কৰা কিনো অভাগী।
মাণিকক বিকা কাচক লাগি॥ ৬৯
কেতিক্ষণে কিবা পৰে বিঘাত।
তথাপি চেতন নাহিকে গাত॥
আজি কালি কিবা মিলে মৰণ।
হৰিৰ নামত লৈয়ো শৰণ॥ ৭০
নকৰিবা নিন্দা মোক মহন্তে।
আসিল শাস্ত্ৰ বাৰাণাসী হন্তে॥
তাহাকে চাই নিবন্ধিলো পদ।
হৰি হৰি বুলি তৰা আপদ॥ ৭১

॥ নাম-অপৰাধ সমাপ্ত ॥

---

## তৃতীয় ভাগ

# পাষণ্ড-মৰ্দ্দন

ঘোষা॥ কলিৰ ধৰ্ম্ম হৰিৰ নাম জান।
পাপীৰ নিন্দাত নেদিবা কাণ॥ ৭

পদ॥ কহিলা শুকে বেদান্তৰ মৰ্ম্ম।
শুনা পৰীক্ষিত কলিৰ ধৰ্ম্ম॥
কলিসে শ্ৰেষ্ঠ চাৰি যুগ মাজে।
প্ৰশংসে কলিক জ্ঞানী সমাজে॥ ৭২

অপ্ৰয়াসে সিজে কলিত পুণ্য ।
কলিৰ শুনা কেন মহাগুণ ॥
কৰিয়া কীৰ্ত্তন কলিত আতি ।
পাৱে বৈকুণ্ঠক ছত্ৰিশ জাতি ॥ ৭৩
সত্য যুগে কৰি ধ্যান সমাধি ।
ত্ৰেতাত সমস্তে যজ্ঞে আৰাধি ॥
দ্বাপৰে পূজি নানা ভক্তিভাৱে ।
কলিত কীৰ্ত্তনে সি গতি পাৱে ॥ ৭৪
সত্যযুগে যত আছিল প্ৰাণী ।
কলিত জন্মিবো বোলে কৈসানি ॥
হৰিনাম ঘুষি কলি যুগত ।
নিশ্চয় হুইবেক লোক ভকত ॥ ৭৫
দোষৰ নিধি কলি যদি পাপী ।
আছে মহাগুণ আত তথাপি ॥
কেৱল কীৰ্ত্তনে সংসাৰ তৰি ।
বন্ধ ছিণ্ডি হ'ৱে আপুনি হৰি ॥ ৭৬
কলিত কীৰ্ত্তনে হ'ৱে ভকত ।
আত পৰে লাভ নাহি লোকত ॥
আমাৰ বোলে চিত্ত নেদে থাৰি ।
একাদশ স্কন্ধ চায়া বিচাৰি ॥ ৭৭
কলিৰ লোক আতি পাপমতি ।
নসাধে একো ধৰ্ম্মে আৰ গতি ॥
ৰাম-নাম যিটো সততে গাৱে ।
সেহিসে হাততে মুকুতি পাৱে ॥ ৭৮

দুষ্ট চিত্তে যদি হৰি স্মৰে।
তথাপিতো তাৰ পাতক হৰে ॥
অনিচ্ছাত যেন অগনি পোলে।
বিষ্ণু-ধৰ্ম্মোত্তৰ আগমে বোলে ॥ ৭৯
ঘোৰ সংসাৰৰ মুখ্য আয়ুধি।
হেন হৰি-নাম এৰি বিবুধি ॥
লভিবে মুকুতি কোন উপায়।
মিছাত পণ্ডিত ফুৰে বোলাই ॥ ৮০
নাৰদে কহন্ত মুনিক মাতি।
আচাৰ্য্য আচাৰ্য্য দেখিয়ো আতি ॥
হৰি হেন নাম আছে বিয়াপি।
সংসাৰত পৰি মৰে তথাপি ॥ ৮১
হৰি-নামে নামে নামে নিছয়।
মোহোৰ জীৱন নাৰদে কয় ॥
কলিৰ কালে আউৰ আতপৰ।
নাই নাই নাই গতি লোকৰ ॥ ৮২
নাৰদে দিলন্ত তিনি কতপা।
আক নমানিবে কোননো লপা ॥
নাৰদৰ বাণী শিলাৰ ৰেখা।
বৃহত নাৰদী বিচাৰি দেখা ॥ ৮৩
সমস্ত লোকৰ ধৰ্ম্মক এৰি।
বিষ্ণুৰ নামক সততে ৰড়ি ॥
সিজনে যি গতি পাৱয় সুখে।
সকলে ধাৰ্ম্মিকো নপাৱে দুখে ॥ ৮৪

জানিয়া হৰিক সততে স্মৰ।
ক্ষণেকো নপাসৰিবাহা নৰ ॥
যত মহাপুণ্য মহাপাতক।
ই দুইৰ কিঙ্কৰ জানা প্ৰত্যেক ॥ ৮৫
যদি তথাপি চিত্ত নেদে থাৰি।
পদ্ম-পুৰাণত চাৱা বিচাৰি ॥
বৃহত সহস্ৰ নামত আছে।
নপাইলে আমাক নিন্দিবা পাছে ॥ ৮৬
কহিলা শুকে পৰমাৰ্থ বাণী।
মহাভাগৱত শাস্ত্ৰ প্ৰমাণি ॥
নেৰিবা কীৰ্ত্তন দুষ্টৰ বোলে।
পৱিত্ৰ কৰা হৰি হৰি বোলে ॥ ৮৭

ঘোষা ॥ হৰিয়ো হৰি ৰাম মুৰাৰি।
কীৰ্ত্তনৰ নিন্দা শুনিতে নাৰি ॥ ৮

পদ ॥ চাণ্ডালে কৰিছে হৰি-কীৰ্ত্তন।
বুলিয়া নিন্দে যিটো অজ্ঞ জন ॥
তাক সম্ভাষণ যি জনে কৰে।
আজন্মৰ পুণ্য তেথনে হৰে ॥ ৮৮
বিষ্ণুৰ গুণ নাম অলঙ্কৃত।
অন্ত্যজো যিবা কৰি আছে গীত ॥
তাক নিন্দা কৰে যিটো কুমতি।
পুণ্যক নাশি যায় অধোগতি ॥ ৮৯

আমাৰ বোলে পতিয়ান নাই।
দেখিয়ো সুত-সংহিতাক চাই॥
ৰজো গুণে কৰে কৰ্ম্মত প্ৰীতি।
কৰ্ম্মীৰ দম্ভ ভাব বাঢ়ে নীতি॥ ৯০
কৰি হিংসা ধৰ্ম্ম নুপজে বোধ।
নুগুছে যেহেন সৰ্পৰ ক্ৰোধ॥
হাসে বৈষ্ণৱক যিটো নিশ্চল।
পাছত সমূলঞ্চে যাই তল॥ ৯১
শ্ৰী ধন জন যৌৱন মদে।
অন্ধ হোৱে বিদ্যা গৰ্ব্বৰ পদে॥
বিষ্ণু বৈষ্ণৱক ঝপাই নিন্দে।
হৰিনামে তাৰ কাণত বিন্ধে॥ ৯২
হৰি ভকতক যিজনে হাসে।
নুবুজি বেদৰ অৰ্থ বিনাশে॥
জগততে বিষ্ণু আছন্ত ব্যাপী।
শুনিয়ো তাহাঙ্ক নুবুজে পাপী॥ ৯৩
স্ত্ৰী মদ্য মাংস সেৱাৰ কথা।
কই মৰে কৰে জন্মক বৃথা॥
নুবুজে বেদ অভিপ্ৰায় গূঢ়।
কৰ্ম্মক কৰিবে নজানে মূঢ়॥ ৯৪
মূৰ্খ হুয়া বোলে মঞি পণ্ডিত।
নষ্ট কৰি ফুৰে আনৰ চিত্ত॥
নিষ্কামে কৰিয়া সমস্তে কৰ্ম্ম।
বিষ্ণুত অৰ্পিব সিসব ধৰ্ম্ম॥ ৯৫

শ্ৰৱণ কীৰ্ত্তন তাহাৰ ফল।
মিছাতে নজানি নিন্দে নিশ্চল
আমাৰ বোলে অপ্ৰত্যয় যাহা।
একাদশ স্কন্ধ বিচাৰি চাহা॥ ৯৬
বিষ্ণু বৈষ্ণৱৰ নিন্দা শুনিয়া।
নুগুচে কাণত আঙ্গুলি দিয়া॥
সমস্ত পুণ্য নষ্ট হৰে তাৰ।
নৰকত পড়ে নাহি নিস্তাৰ॥ ৯৭
বিষ্ণু বৈষ্ণৱক কৰে ধিস্কাৰ।
কাটিবে আন্টিলে জিহ্বাক তাৰ॥
শাস্তি কৰিবাক যেৱে নপাৰি।
গুচিবে কাণত অঙ্গুলি গাৰি॥ ৯৮
নিন্দা শুনি যিটো তৈৰ নুগুচে।
কল্পেক মানে নৰকত পচে॥
যাইবাক যদি নাহি আন থান।
তথাতে এৰিব আপুন প্ৰাণ॥ ৯৯
তেৱেসে হৰে প্ৰায়শ্চিত্ত আতি।
দক্ষৰ যজ্ঞত কহিলা সতী॥
আমাৰ বোলে অপ্ৰত্যয় যাহা।
চতুৰ্থ স্কন্ধত বিচাৰি চাহা॥ ১০০
যত তপ ধৰ্ম্ম বেদ বেদাঙ্গ।
হৰিনাম বিনে নাহি সসাঙ্গ॥
হেন হৰিনামে নাহি বিশ্বাস।
কিমতে এড়াইবা মৃত্যুৰ ত্ৰাস॥ ১০১

দ্বাদশ স্কন্ধৰ তত্ত্ব উদ্ধৰি।
কহিলন্ত শুকে উপসংহৰি॥
জ্ঞানতো কৰ্ম্মতো কৰি সম্প্ৰতি।
হৰি কীৰ্ত্তনেসে পৰম গতি॥ ১০২
উৰেষা বাৰাণসী ঠাৱে ঠাৱে।
কবিৰ গীত শিষ্টসবে গাৱে॥
তথাপিতো আথি ফুটিল তাৰ।
হৰি কীৰ্ত্তনক কৰে ধিস্কাৰ॥ ১০৩
শুনা সৰ্ব্বজনে কহো সাক্ষাত।
মূঢ়ৰ বোলত নাহি সঞ্জাত॥
বোলোক আসি ভাগৱত চাই।
তেৱেসে তাৰ বুঝি মুনিষাই॥ ১০৪
পুৰাণ সূৰ্য্য মহাভাগৱত।
বেদান্তৰ ইটো পৰম তত্ত্ব॥
আক নুবুজি ফুৰে নিন্দা কৰি।
তাৰ মুখ দেখি বুলিবা হৰি॥ ১০৫

ঘোষা॥ ত্ৰাহি ৰাম হৰি মোৰে।
মই মজিলো এ দুঃখ ঘোৰে॥ ৯

পদ॥ কীৰ্ত্তন মহিমা শুনা উৎসুকে।
বাৰ্হ্ৰয় স্কন্ধত যি কৈলা শুকে॥
সমস্ত ধৰ্ম্মত কৰি বিশিষ্ট।
হৰি কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ॥ ১০৬

অনাদৰি আন ধৰ্ম্ম সম্প্ৰতি।
দিয়ো উপদেশ হৰি ভকতি॥
ব্যাসৰ শুনি চিত্ত শান্ত ভৈলা।
প্ৰথম স্কন্ধত নাৰদে কৈলা॥ ১০৭
চাৰিয়ো বেদক ব্ৰহ্মায় আনি।
বিচাৰিলা তিনি বাৰ প্ৰমাণি॥
এহিমানে মাত্ৰ পাইলন্ত সাৰ।
হৰি কীৰ্ত্তনেসে তৰি সংসাৰ॥ ১০৮
হেন জানি ৰাজা একান্ত মনে।
কৰিয়ো যতন হৰি কীৰ্ত্তনে॥
ৰাজাত কহন্ত শুকে প্ৰবন্ধে।
বিচাৰি দেখিয়ো দ্বিতীয় স্কন্ধে॥ ১০৯
আতি লৱলেশ বিষয় সুখ।
আকে লাগি হোৱে হৰি বিমুখ॥
নকৰে ৰতি হৰি কীৰ্ত্তনত।
আপোন কৰ্ম্মে সিটো ভৈলা হত॥ ১১০
সিটো চাণ্ডালক গৰিষ্ঠ মানি।
যাৰ জিহ্বাগ্ৰে থাকে হৰি-বাণী॥
সমস্তে তীৰ্থতে কৰিলে স্নান।
কৰিল সবে তপ হোম দান॥ ১১১
সেহিসে কুলীন বেদক বুজে।
যাহাৰ মুখে হৰিনাম বীজে॥
পৰম তত্ত্ব জানি দেৱহূতি।
তৃতীয় স্কন্ধত কৰিলা স্তুতি॥ ১১২

নলাগে লীন মুকুতিক তথা।
নাহি হৰি-পদ-পঙ্কজ যথা॥
কৰ্ণৰ অমৃত হৰি-চৰিত।
ভকতৰ মুখে শুনিবো নিত॥ ১১৩
হৰি-কথামৃত কণাৰ বাৰে।
দুনাই আত্মাজ্ঞান সুমৰাৰে॥
নলাগে বৰ নমাগোহো তাক।
চতুৰ্থ স্কন্ধত পৃথুৰ বাক॥ ১১৪
জৰা মৰণ সময় দুখে।
তযু গুণনাম থাকোক মুখে॥
মাগন্ত ঋত্বিজে বৰ প্ৰবন্ধে।
নাভিৰ যজ্ঞত পঞ্চম স্কন্ধে॥ ১১৫
পঞ্চম মহাপাপী যিটো জন।
তাৰো প্ৰায়শ্চিত্ত হৰি কীৰ্ত্তন॥
তাকে লাগি ভৈল হৰিৰ মতি।
ইটো মোৰ ভৈল ৰাখো সম্প্ৰতি॥ ১১৬
ব্ৰহ্ম-বধী গুৰু-বধী যতেক।
পিতৃ-মাতৃ-বধী পাপী অনেক॥
কুকুৰ খায় হেন ম্লেচ্ছগণে।
সিয়ো শুদ্ধ হৰে হৰি কীৰ্ত্তনে॥ ১১৭
চাণ্ডালো হৰিনাম লৈলে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ॥
পাপৰ আলু উভাৰয় নামে।
আক হেলা'কৰি মৰে কি কামে॥ ১১৮

নামৰ মহিমা জানি সমূলি।
জগতৰে মোক্ষ হুইবেক বুলি॥
পূৰ্ব্বত আক গোপ্য কৰি থৈল।
দেখিয়ো ষষ্ঠ স্কন্ধে শুকে কৈল॥ ১১৯
নলাগে দেব দ্বিজ ঋষি হুইবে।
নলাগে সদ্বৃত শাস্ত্র জানিবে॥
মিছাত মৰে আন কৰ্ম্ম কৰি।
হৰন্ত ভকতিতে তুষ্ট হৰি॥ ১২০
যক্ষ ৰক্ষ যত ব্ৰজ-বাসী।
পক্ষী মৃগগণো চাণ্ডালো আসি॥
একান্তে কৰিয়া হৰি ভকতি।
মহাসুখে পাইলা পৰম গতি॥ ১২১
সপ্তম স্কন্ধত প্ৰহ্লাদ-বাণী।
দেখিয়ো বিচাৰ কৰিয়া আনি॥
মুৰ্খৰ কথা সবে পৰিহৰি।
সদায় ডাকিয়া ঘুষিয়ো হৰি॥ ১২২

ঘোষা॥ **ৰামেসে জীৱন ৰামেসে প্ৰাণ।**
**ৰাম বিনে নাহি বান্ধৱ আন॥** ১০

পদ॥ মন্ত্ৰ তন্ত্ৰ আনো দ্ৰব্য অনেক।
দেশ কাল পাত্ৰ ছিদ্ৰ যতেক॥
পূৰ্ণ নুহি যত যজ্ঞৰ অঙ্গ।
হৰি-নামে কৰে তাকো সসাঙ্গ॥ ১২৩

বামনৰ আগে শুক্ৰৰ বাক।
অষ্টম স্কন্ধত দেখিওঁ তাক ॥
ভকত জনেসে মোৰ হৃদয়।
ময়ো ভকতৰ হিয়া নিছয় ॥ ১২৪
মঞি বিনে ভকতে নিচিন্তে আন।
ভকত বিনে মোৰো নাই ধ্যান ॥
দুৰ্ব্বাসাৰ আগে কৈলা মুৰাৰি।
নৱম স্কন্ধত চাৱা বিচাৰি ॥ ১২৫
মুকুতি ৰসকো স্ৰৱে ভকতি।
তাক এড়ি কৰে জ্ঞানত ৰতি ॥
দুখ মাত্ৰ পাৱে পাছেসে জানে।
কাষ্ঠ পতানক যেহেন বানে ॥ ১২৬
ব্ৰজৰ তৃণ হৈবো মহাভাগ।
পাইবো গোপিকাৰ ৰেণুক লাগ ॥
যাৰ মিত্ৰ ভৈলা জগতপতি।
ব্ৰহ্মায় কৰিলা কৃষ্ণক স্তুতি ॥ ১২৭
ব্যভিচাৰী দুষ্টা ব্ৰজ-যুৱতী ॥
তথাপি কৃষ্ণত ভৈলা ভকতি ॥
জানিলো পাপীয়ো ভজোক মাত্ৰ।
এতেকে ভৈল মুকুতিৰ পাত্ৰ ॥ ১২৮
কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক ॥
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
নচাৱ ভকতি জাতি অজাতি ॥ ১২৯

নন্দৰ ব্ৰজে যত গোপীজাক।
সদা বন্দো তাক পদ-ধূলাক॥
শুগুচে হৰি-নাম দিনে ৰাতি।
জগতকে কৰে পৱিত্ৰ আতি॥ ১৩০
উদ্ধৱে বন্দিলা গোপীৰ ধূলি।
আবে মূঢ়জনে নিন্দে কি বুলি॥
শৰীৰ শবক মঞি বোলে চিত্তে।
মমত কৰে পুত্ৰ ভাৰ্য্যা বিত্তে॥ ১৩১
তীৰ্থ বুদ্ধি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি॥
বৈষ্ণৱত নাহি সিসব মতি।
গৰুত অধম কৃষ্ণ বদতি॥ ১৩২
একান্তে মৰে কৰ্ম্ম মাত্ৰ কৰি।
হৃদয়ে থাকিয়া বিদূৰ হৰি॥
শ্ৰৱণ কীৰ্ত্তনে যাৰ অভ্যাস।
নছাড়ন্ত হৰি তাহাৰ পাশ॥ ১৩৩
মিছা তৰ্কবাদে ভৈলো আন্ধাৰ।
নপাওঁ জ্ঞান-পন্থ কৰি বিচাৰ॥
মাধৱ বামন গোৱিন্দ বুলি।
কৈসানি মুকুত হৈবো সমূলি॥ ১৩৪
দশম স্কন্ধত বেদৰ স্তুতি।
আক নমানিবে কোন যুগুতি॥
পাষণ্ডেসে নিন্দে বেদৰ বাণী।
তাৰ সম্ভাষণ এৰিবা জ্ঞানি॥ ১৩৫

কৰ্ম্ম তপ জ্ঞানে সাধে যি গতি।
দানে সন্ন্যাসে বা পাৰে সম্প্ৰতি॥
ভকতে সুখে বসি পাৰে তাক।
উদ্ধৱৰ আগে কৃষ্ণৰ বাক॥ ১৩৬
পৰম অহিংসা ধৰ্ম্ম সন্ন্যাসে।
নপাৰে যি মোক জ্ঞান অভ্যাসে॥
ভকতেসে কৰে আমাক বশ্য।
কহিলো উদ্ধৱ ইটো ৰহস্য॥ ১৩৭
গৰু গোপিকা বৃক্ষ পশুগণ।
নাহি জন্মান্তৰে কিছো সাধন॥
এহি জন্মে মাত্ৰ কৰি ভকতি।
পাইলেক সকলে মোহোৰ গতি॥ ১৩৮
অশুদ্ধ মনৰ কৰ্ম্মসকল।
স্ৰৱে যেন আৰাঁ ঘটৰ জল॥
কৃষ্ণৰ বাক্য পাষাণৰ ৰেখা।
একাদশ স্কন্ধ বিচাৰি দেখা॥ ১৩৯
বোলন্ত শুকে কিনো ভৈল খেদ।
পাষণ্ডে কৰিবে বুদ্ধিক ভেদ॥
কলিত হৰিৰ কীৰ্ত্তন এৰি।
ফুৰিবে লোকে আন কৰ্ম্ম কৰি॥ ১৪০
পাইবেক শ্ৰম তপ ধৰ্ম্ম কৰি।
একান্তে যিটো সুস্মৰে হৰি॥
জ্ঞানত কৰ্ম্মত কৰিয়া নৰ।
হৰি কীৰ্ত্তনক কৰা সাদৰ॥ ১৪১

দ্বাদশ স্কন্ধত এহিসে কৈল।
তথাপি মূঢ়ৰ বোধ নভৈল॥
কৰে উপালম্ভ হৰি কীৰ্ত্তনে।
আত্মাঘাত কৰি মৰে আপুনে॥ ১৪২
বিষ্ণু ভকতক দেখিয়া হাসৈ।
আপুনিয়ো নষ্ট আনকো নাশৈ॥
কীৰ্ত্তন শুনিয়া সম্যকে মৰৈ।
জানিবা নিতে মহাপাপ কৰৈ॥ ১৪৩
হৰি-ধ্বনি শুনি বিহ্বল হুই।
হিয়াত তাৰ লাগো যেন জুই॥
সমস্ত শাস্ত্রত কৰিয়া সাৰ।
পাষণ্ড-মৰ্দ্দন নাম ইহাৰ॥ ১৪৪
এহিসে মৰ্দ্দিবে পাষণ্ড মতি।
জানিবা কলিত নামেসে গতি॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে॥
হৰি হৰি বোলা সমস্ত জনে॥ ১৪৫

॥ পাষণ্ড মৰ্দ্দন সমাপ্ত ॥

চতুৰ্থ ভাগ

# ধ্যান-বৰ্ণন

ঘোষা ॥ ত্ৰাহি গোপাল কৃপাল স্বামী।
মজিলো ভৱ-জলধিত আমি ॥ ১১

পদ ॥ একমনে শুনা হৰিৰ ধ্যান।
বৈকুণ্ঠ নামে আছে মহাথান ॥
শাৰী শাৰী ৰঞ্জে বিমানচয়।
বৈদুৰ্য্য হীৰা মৰকতময় ॥ ১৪৬
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি।
নজানি তাত পশি দিন ৰাতি ॥
চাৰু সৰোবৰ নিৰ্ম্মল জল।
সুগন্ধি পদ্ম শোভে উতপল ॥ ১৪৭
আছে ৰাজহংস সমূহে ৰঞ্জি।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি ॥
পাৰে পাৰিজাত মলয়া বায়।
চটকে তেজে সুললিত বায় ॥ ১৪৮
ভ্ৰমৰগণে গায়ে হৰি-গীত ॥
বৈষ্ণৱগণ শুনি আনন্দিত ॥
হেন বৈকুণ্ঠৰ মাঝত পাছে।
উচ্ছ্ৰিত ৰত্ন মন্দিৰেক আছে ॥ ১৪৯
বৈদূৰ্য্য স্তম্ভ স্ফটিকৰ বাৰ।
মাণিকে কপাট হীৰাৰ দ্বাৰ ॥

কাটিলা জিঞ্জিৰি সুৱৰ্ণাৱলী।
বিচিত্ৰ মণি মৰকত স্থলী ॥ ১৫০
পদ্মৰাগ ৰত্নে লগাইল চৌতি।
কোটি সূৰ্য্য যেন গৃহৰ জ্যোতি ॥
বিচিত্ৰ চন্দ্ৰতাপ আছে টনি।
আঁৰিল মুৰাৰি মুকুতা মণি ॥ ১৫১
হেন মন্দিৰে ৰত্ন সিংহাসনে।
আছন্ত বসি প্ৰভু নাৰায়ণে ॥
চৌপাশে সেৱে পাৰিষদ যত।
মৌক্তিক ছত্ৰ ধৰি উপৰত ॥ ১৫২
ধৱল চামৰে দুই পাশে বিঞ্চে।
সঘনে সুৰভি কুসুম সিঞ্চে ॥
চৰণে অনেক ভকতিভাৱে।
উপাসন্ত লক্ষ্মী জগত-মাৱে ॥ ১৫৩
চৈতন্য মূৰ্ত্তি শুদ্ধ ৰূপ ধৰি।
পৰম আনন্দে আছন্ত হৰি ॥
আতি চমৎকাৰ ৰূপ বিপুল।
কন্দৰ্প কোটি যাক নোহে তুল ॥ ১৫৪
কোটি ইন্দু সম আছা প্ৰকাশি।
স্মৰণে দহৰে পাতেক-ৰাশি ॥
ভকতৰ বন্ধু জগত-বাপ।
বোলা হৰি হৰি হৰোক পাপ ॥ ১৫৫

---

সাঁচিপাতৰ পাঠ : কাটিলা ঝিজিৰি সুৱৰ্ণেবলি ( ১৫০-

ঘোষা ॥ করুণা সিন্ধু, ভকত বন্ধু।
ৰূপে তুল্য নাই কোটি ইন্দু ॥ ১২

পদ ॥ থিৰ বুদ্ধি কৰি ভকত জনে
প্ৰত্যেক অঙ্গক চিন্তিবে মনে ॥
চৰণ পদ্ম দেখি সুখী হুই।
অৰুণ আতি পদ-তল দুই ॥ ১৫৬
অঙ্কুশ পদ্ম ধ্বজ বজ্র যৱ।
দেখি চিহ্ন তাতে মিলে উৎসৱ ॥
চৰণ পঙ্কজ আছে প্ৰকাশি।
অঙ্গুলি পান্তি তাৰ ভৈল পাশি ॥ ১৫৭
দেখিয় ৰত্নৰ পাকৰি নয়।
প্ৰকাশে তাতে নখ-চন্দ্ৰচয় ॥
ৰতনে উজ্জ্বল উৰুন্টি যত।
নূপুৰ প্ৰকাশে পদ-পিষ্ঠত ॥ ১৫৮
ৰত্নৰ হোড়ৰ ৰঞ্জে জঙ্ঘাত।
ঊৰু কৰী-কৰ জ্বলে সাক্ষাত ॥
কটিত প্ৰকাশে বসন পীত।
বান্ধিছা মেখলা ৰত্নে ৰঞ্জিত ॥ ১৫৯
নাভি সৰোৰুহ ৰুচিৰ কান্তি।
হৃদয় প্ৰকাশে শ্ৰীবৎ পান্তি ॥
উৰুস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিত যেন সোণাৰ ৰেখা ॥ ১৬০

পীতবস্ত্রে শোভে শ্যামল কায়।
তড়িত জড়িত জলদ প্ৰায় ॥
বহল হৃদয় মুকুতা হাৰ।
প্ৰকাশে জিলিমিলি পেচান্দাৰ ॥ ১৬১
চিকিমিকি কৰে ৰত্নৰ জালা।
আপাদ-লম্বী গলে বনমালা ॥
তাহাৰ মধুগন্ধে হুয়া ভোল।
বেঢ়িয়া মধুকৰে কৰে ৰোল ॥ ১৬২
চাৰু চতুৰ্ভুজ শোভে সুঠান।
ললিত বলিত নীল মোলান ॥
কেয়ূৰ কঙ্কণ বলয়া তাত।
প্ৰকাশে নৱ কিশলয় হাত ॥ ১৬৩
ৰত্নৰ শলকা অঙ্গুলি পান্তি।
অঙ্গুষ্ঠিচয় তাতে কৰে কান্তি ॥
অৰুণ নখ চন্দ্ৰমাৰ শাৰী।
শঙ্খ চক্ৰ গদা পঙ্কজধাৰী ॥ ১৬৪
গলত গলপাতা সাতসৰি।
উৰে নৱগুণ পীত উত্তৰী ॥
শ্যামল শৰীৰে শোভে অধিক।
ময়ূৰপুচ্ছ যেন চিকমিক ॥ ১৬৫
কম্বুকণ্ঠে শোভে কৌস্তুভ মণি।
প্ৰকাশে প্ৰভাতৰ সূৰ্য্য যেনি ॥

পাঠান্তৰ : প্ৰভাতে উদিত আদিত্য জিনি ॥ (১৬৬-৩)

পূৰ্ণচন্দ্ৰ কচি মুখমণ্ডল ।
কৰ্ণত মকৰ দোলে কুণ্ডল ॥ ১৬৬
তাৰে ৰশ্মি জ্বলে গণ্ড পাণ্ডুৰ ।
ৰুচিৰ চিবুক চাৰু অধৰ ॥
প্ৰৱালে ৰত্নে যেন কৰে কান্তি ।
সুন্দৰ দন্ত মুকুতাৰ পান্তি ॥ ১৬৭
সদায় নুগুচে ঈষত হাস ।
নাসা তিলফুল সম প্ৰকাশ ॥
অৰুণ লোচন পঙ্কজ পাশি ।
ধনু সম আছে ভ্ৰূ প্ৰকাশি ॥ ১৬৮
ৰত্নময় কৰে তিলকে কান্তি ।
কপালে লম্বিত অলকা পান্তি ॥
ৰঞ্জে শিৰে ৰত্নময় মুকুট ।
চূড়ামণি ৰত্নে প্ৰকাশে জুট ॥ ১৬৯
তাৰে মাজে ৰত্ন পঙ্কজ মালা ।
উজ্জ্বল মুখ লাগি তাৰ জ্বালা ॥
হেন মনোহৰ ৰূপ নিৰেখি ।
থাকিব সমস্ত অঙ্গক দেখি ॥ ১৭০
মস্তকৰপৰা পাদ পৰ্য্যন্তে ।
নমাইব মনক দুনাই দেখন্তে ॥
অঙ্কুশ পদ্ম ধ্বজ বজ্ৰ যৱে ।
প্ৰদক্ষিণে নমি পৰিব পাৰে ॥ ১৭১

---

পাঠান্তৰ : ১। ধ্বজ বজ্ৰ যৱ পঙ্কজ ধাৰে ।
২। ধ্বজ বজ্ৰাঙ্কুশ পঙ্কজ যৱে । (১৭১-৩)

এতেকে হুইবেক পৰম সিদ্ধি।
হৰিসে জানা ভকতৰ নিধি॥
হেলায় সংসাৰ তৰিবা পুনু।
নকৰা বিফল মনুষ্য তনু॥ ১৭২

দৃঢ় কৰি ধৰা হৰিৰ পায়।
পাপ-সাগৰত এহিসে নায়॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥ ১৭৩

॥ ধ্যান-বৰ্ণন সমাপ্ত॥

---

## পঞ্চম ভাগ

# অজামিল উপাখ্যান

ঘোষা॥ জয় জগন্নাথ অনাথ-বন্ধু।
মাধৱ মুকুন্দ ৰাম॥ ১৩

পদ॥ হৰিৰ নামৰ শুনিয়ো মহিমা
সাৱধান কৰি চিত্ত।
অজামিল নামে আছিল ব্ৰাহ্মণ
বেশ্যাত হুয়া পতিত॥
বিপ্ৰৰ ঔৰসে বেশ্যাৰ গৰ্ভত
দশ পুত্ৰ জাত ভৈল।

সাঁচিপাতৰ পাঠ :—বিপ্ৰৰ সম্বাৰে (১৭৪-৩)

আতি দায়াতৰে কনিষ্ঠ পুত্ৰৰ
নাৰায়ণ নাম থৈল ॥ ১৭৪

জাতি কুল ক্ৰিয়া সমস্তে ত্যাগিল
মিলিল কৰ্ম্ম-বিপাক ।
যত মহাপাপ সমস্তে সিজিল
পোষন্তে পুত্ৰ ভাৰ্য্যাক ॥
অনেক অধৰ্ম্ম কৰন্তে বিপ্ৰৰ
আয়ু ভৈলা সমাপত ।
ভয়ঙ্কৰ তিনি গোটা যমদূত
আগে ভৈল উপগত ॥ ১৭৫

হাতে পাশ জৰী চক্ষু টেৰ কৰি
থুলন্তৰ তাৰ জাঙ্গ ।
কৃষ্ণবৰ্ণ কায় দেখি ধাতু যায়
হাতত লোহাৰ ডাঙ্গ ॥
ব্ৰাহ্মণক ধৰি জীৱ বাজ কৰি
বান্ধিলেক হাত তুলি ।
ভয়ে অজামিলে পুত্ৰক ডাকিলে
আইস নাৰায়ণ বুলি ॥ ১৭৬

মৰন্তে বিপ্ৰৰ মুখত শুনিয়া
হৰিৰ কীৰ্ত্তন বাণী ।
প্ৰভু নাম লৱে বুলি খেদি আইল
বিষ্ণু-দূত চাৰি প্ৰাণী ॥

যমৰ দূতক খেদায়া বিপ্ৰৰ
কাটিলা বান্ধ হাতৰ।
কোন তুমিসব বুলিয়া সোধয়
ডৰিয়া যম-কিঙ্কৰ ॥ ১৭৭

সবাৰো সুন্দৰ শ্যাম কলেৱৰ
পীতবস্ত্ৰে আতি ৰঙ্গে।
চাৰিৰো প্ৰসন্ন বদন মণ্ডলে
পূৰ্ণ চন্দ্ৰমাকো গঞ্জে ॥

পদ্মপত্ৰ সম আয়ত লোচন
ভ্ৰূ-যুগে কৰে কান্তি।
নাসা তিলফুল অধৰ বান্ধুল
দশন মুকুতা পান্তি ॥ ১৭৮

শিৰত ৰত্নৰ কিৰীটি কৰ্ণত
মকৰ কুণ্ডল জ্বলে।
চাৰিৰো আজানু- লম্বিত পদ্মৰ
মালা শোভা কৰে গলে ॥

হিয়াত শ্ৰীবৎস ৰত্নে বিৰচিত
গজ মুকুতাৰ হাৰ।
চাৰু চতুৰ্ভুজ কেয়ূৰ কঙ্কণ
কৰে আতি জাতিকাৰ ॥ ১৭৯

শঙ্খ চক্ৰ গদা পদ্ম সাৰঙ্গ ধনু
সবে ধৰি আছে হাতে।

ৰত্নৰ মেখলা কটি-মাজে জ্বলে
সোণাৰ কিঙ্কিণী তাতে ॥
কৰীকৰ সম উৰু নিৰুপম
পাৱে নৱ পদ্মকোষ ।
সমান বয়স চাৰিৰো দেখন্তে
মনত মিলে সন্তোষ ॥ ১৮০

সূৰ্য্য সম সবে জ্বলন্তে আছাহা
সমস্তে দিশ প্ৰকাশি ।
মহাপাপী ইটো বিপ্ৰক নেহেন্তে
কিসক বাধিলা আসি ॥
হেন শুনি হাসি চাৰি বিষ্ণু-দূতে
দিলন্ত পাছে উত্তৰ ।
কোন পাপ পুণ্য একো নজানস
শুনৰে যম-কিঙ্কৰ ॥ ১৮১

মৰিবাৰ বেলা ইটো অজামিলে
নাৰায়ণ নাম লৈল ।
কোটি জনমৰ যত মহাপাপ
তাৰো প্ৰায়চিত্ত ভৈল ॥
ব্ৰহ্ম-বধ পিতৃ- বধ সুৰাপান
অগম্যা গমন কৰে ।
গৰু তিৰী মাৰে সুৱৰ্ণক হৰে
মিত্ৰৰ দ্ৰোহ আচৰে ॥ ১৮২

সংসাৰত যত আনো অসংখ্যাত
আছে মহাপাপীগণ।
সবাৰো এহিসে মুখ্য প্ৰায়চিত্ত
হৰিৰ নাম কীৰ্ত্তন॥
মাধৱৰ মতি হোৱে তাক প্ৰতি
যি ফুৰে নাম সুমৰি।
ইটো মোৰ দাস নছাৰন্ত পাশ
ৰাখিয়া ফুৰন্ত হৰি॥ ১৮৩

---

ঘোষা॥ তাৰিয়া নিয়ো নাথ-নাৰায়ণ
চৰণে শৰণ লৈলো॥ ৭৪
পদ॥ হৰিৰ কীৰ্ত্তনে মহা পাতেকক
যিমতে কৰে নিৰ্য্যাণ।
আন প্ৰায়চিত্তে পৱিত্ৰ কৰিবে
নোৱাৰে তাৰ সমান॥
যিটো পাতকৰ প্ৰায়চিত্ত কৰে
তুনাই তাতে মন মজে।
চিত্তৰ শোধন হৰিৰ কীৰ্ত্তন
পাপৰ আলু উভঞ্জে॥ ১৮৪
পুত্ৰ নাম ধৰি উপহাস্য কৰি
হেলাত যি বোলে হৰি।

তাহাৰ সমস্ত পাতেক পলাই
জানা আক নিষ্ঠ কৰি ॥
পৰে বা পিছলে সৰ্পে বা দংশয়
জ্বৰ তাপে পীড়া কৰে।
এতেকতো যদি হৰিনাম লয়ে
যম-যাতনাক তৰে ॥ ১৮৫

হৰিনামে সবে পাতেক দহয়ে
জ্ঞানে বা অজ্ঞানে বোলে।
যেন হুতাশন শুখান কাষ্ঠক
আতি অপ্ৰয়াসে পোলে ॥
প্ৰমাদত থাকি যিটো হৰি বোলে
সিয়ো সবে দুখ তৰে।
যেন মহোসুদ্ধ নজানি ভুঞ্জিলে
তাৰো গৰ্ভৰোধ হৰে ॥ ১৮৬

প্ৰভুৰ নামৰ অনন্ত মহিমা
কতেক কহিবো আমি।
হেন হৰিনামে লৈলেয়ো ৰাক্ষস
কিনো তোৰা অধোগামী ॥
ব্ৰাহ্মণক এৰি জীৱ ৰক্ষা কৰি
সত্বৰে ঐৰ অন্তৰ।
শুনি দূতচয় হুয়া মহাভয়
পশিলা যম-নগৰ ॥ ১৮৭

নাৰায়ণ নাম বুলিবাৰ ফলে
নিস্তৰিল অজামিল।
বিষ্ণুক চিন্তিয়া চতুৰ্ভুজ ৰূপ
বৈকুণ্ঠত আৰোহিল ॥

পাছে দূতগণে যমৰ আগত
দুখ সাখী দেই কান্দি।
কৈৰ চাৰি সিদ্ধে আসি কাঢ়ি লৈলে
পাপীক আনন্তে বান্ধি ॥ ১৮৮

সিটো অজামিলে বুলিলেক মাত্ৰ
আইস পুত্ৰ নাৰায়ণ।
এতেকতে আসি কাঢ়ি তাক লৈলে
তযু আজ্ঞা কৰি ছয় ॥

আমাৰ পৰয়া কাঢ়িয়া লৈলেক
কত অধিকাৰী আছে।
হেন শুনি যমে বিষ্ণুক স্মৰিয়া
মাতিলা দূতক পাছে ॥ ১৮৯

শুনা দূতগণ প্ৰভু নাৰায়ণ
আছন্ত জগত স্বামী।
যাহাৰ আজ্ঞাক শিৰত ধৰিয়া
প্ৰজাক নিয়মো আমি ॥

তানে দূতচয় সদায় ভ্ৰময়
বৈষ্ণৱক ৰক্ষা কৰি।

মাধৱৰ বেশ- ভূষণে ভূষিত
হাতে চাৰি অস্ত্ৰ ধৰি ॥ ১৯০
দেৱ ঋষি নৰ সিদ্ধ বিদ্যাধৰ
অসুৰ চাৰণগণে।
হৰিৰ নামৰ গোপ্য মহিমাক
তেসম্বো কেৱে নজানে ॥
ব্ৰহ্মা হৰ মনু কপিল কুমাৰ
শুক ভীষ্ম বলিৰায়।
প্ৰহ্লাদ নাৰদ জনক আমিসি
বাহুজন সমুদায় ॥ ১৯১

পৰম গুপুত হৰি-নাম-ধৰ্ম্ম
জানি আছো শুদ্ধভাৱে।
যাক আচৰিলে ঠাৱতে বসিয়া
দুৰ্ল্লভ মুকুতি পাৱে ॥
হৰিত ভকতি কৰে সৰ্ব্বদায়
কৰিয়া কীৰ্ত্তন কৰ্ম্ম।
মনুষ্য লোকত এহিমানে মাত্ৰ
পুৰুষৰ শ্ৰেষ্ঠ ধৰ্ম্ম ॥ ১৯২

হৰিনাম ধৰ্ম্ম স্মৰণ মহিমা
দেখিয়ো দূত সম্প্ৰতি।
পাপী অজামিলে নাৰায়ণ বুলি
পাইলে কেন সদ গতি ॥

হেন বিষৰিষি ঘিটো জ্ঞানীসবে
ফুৰে হৰি-গুণ গাই।
কুল উদ্ধৰিল আপুনো তৰিল
এড়াইল মায়াৰ দায়॥ ১৯৩

---

ঘোষা॥ হৰি বোল হৰি বোল আহে লোকাই।
হৰি বিনে নাই গতি॥ ১৫

পদ॥ হৰিৰ চৰণ চিন্তিয়া বেড়ায়ে
হৰি-নাম লয়ে ডাকি।
সিদ্ধ মুনিগণে তাৰ যশ গায়ে
প্ৰশংসে স্বৰ্গত থাকি॥
মাধৱৰ আসি কৌমুদকী গদা
ৰক্ষা কৰি ফুৰে তাকে।
তাহাৰ ওচৰ নচাপিবি কেহোঁ
দূতগণ মোৰ হাকে॥ ১৯৪

বৈষ্ণৱক দেখি আন্তৰি পলাইবে
ভয়ে চপৰাইবে মুণ্ড।
শুহি মাধৱৰ গদাৰ কোবত
ছুইবেক হাড় খুখুণ্ড॥
কীৰ্ত্তনৰ ধ্বনি যিথানত শুনি
তাৰো নচাপিবি পাশ।

বিষ্ণুদূতচয় তথায় ভ্ৰময়
কৰিবেক সৰ্ব্বনাশ ॥ ১৯৫

যাহাৰ জিহ্বায়ে নোবোলে বিষ্ণুৰ
গুণ নাম সৰ্ব্বক্ষণ।
যিজনৰ মনে হৃদয় পদ্মত
নিচিন্তে কৃষ্ণ-চৰণ ॥
যিজনৰ শিৰে নকৰে প্ৰণাম
কৃষ্ণৰ পদ কমলে।
তাতে মোৰ দায় নেৰিবি সদায়
বান্ধি আন হাতে গলে ॥ ১৯৬

হৰি চৰণত সদায় বিমুখ
নুশুনে কৃষ্ণৰ কথা।
মাধৱৰ একো কৃত্য নকৰয়
শ্ৰম কৰি ফুৰে বৃথা ॥
কৃষ্ণৰ কীৰ্ত্তন নকৰি থাকয়
আনসে কথা চোবাই।
সিটো পাপিষ্ঠক ঝাণ্টে বান্ধি আন
লোহাৰ ডাঙ্গে কোবাই ॥ ১৯৭

নৰকৰ পথ ইটো গৃহবাস
আতেসে যাহাৰ ৰতি।
ভাৰ্য্যাক পুত্ৰক পুষিবে যতনে
এৰে ত্ৰিজগত পতি ॥

বিষ্ণুৰ চৰণ নিচিন্তি সদায়
ধনকেসে কৰে ধ্যান।
সিটো পাতকীক সুধিবে নলাগে
যাতনাক লাগি আন॥ ১৯৮

কৃষ্ণ-কথা এৰি সাতে পাঞ্চে বেঢ়ি
আন কথা কই থাকে।
অমৃতক এড়ি যেন বিষ্ঠা ভুঞ্জে
গাৰি-শূকৰৰ জাকে॥

সিটো পাপীসবে দেৱে ভৈল হন্ত
চিন্তে আপোনাৰ মাৰ।
উপজি মৰিব যাতনা ভুঞ্জিব
নাহিকে তাৰ নিস্তাৰ॥ ১৯৯

বিষ্ণুৰ নামৰ মহিমা দেখিয়া
দূতগণ গেল ডৰি।
হৰি ভকতক দেখিবেক লাগি
ডৰাই সেই দিন ধৰি॥

শুক নিগদতি শুনা কুৰুপতি
কহিলো পৰম সাৰ।
হৰিনাম বিনে পাপ সাগৰত
কাহাৰো নাহি নিস্তাৰ॥ ২০০

মহা যোগীজনো ব্ৰহ্ম চিন্তে যদি
হৰিৰ নাম নলয়ে।

সিটো ভ্রষ্ট হুয়া সংসাৰত পৰে
চাৰি বেদে হেন কৰে ॥
ধৰ্ম্ম অৰ্থ কাম যিটো অভিলাষে
যি চাৰে মোক্ষৰ পথ ।
সিয়ো হৰিনাম কীৰ্ত্তন কৰিসে
পাৰে সব মনোৰথ ॥ ২০১

নামৰ মহিমা নজানি ঋষিয়ে
আন প্ৰায়চিত্ত বিৰে ।
মৃত সঞ্জীৰনী নজানি যি বৈদ্যে
আন ঔষধক দিয়ে ॥
জগন্তৰে মোক্ষ হৈবেক বুলিয়া
জানিয়ো ইটো নকৰে ।
সংসাৰ দুৰ্ল্লভ হেন হৰিনাম
হেলাতো কতো নলৰে ॥ ২০২

হৰিৰ নামৰ গোপ্য মহিমাক
পূৰ্ব্বত অগস্তি ঋষি ।
মলয় গিৰিত বিষ্ণুক অৰ্চ্চন্তে
কহিলা মোত হৰিষি ॥

নাই কাল দেশ নিয়ম ইহাত
অশৌচতো নাই দোষ ।
শয়নে ভোজনে সদা হৰি বোলা
তেজিয়া আন আক্ৰোশ ॥ ২০৩

হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বা অগ্রে থাকে যাৰ।
গঙ্গা গয়া কাশী প্রয়াগ সেতুক
যাইবাক নলাগে তাৰ॥
কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে
এড়া সবে আন কাম।
আল জাল এৰি পাপক সংহৰি
ডাকি বোলা ৰাম ৰাম॥ ২০৪

---

ঘোষা॥ জয় নিৰঞ্জন পাতেক ভঞ্জন
মাধৱ মুকুন্দ ৰাম॥ ১৬

পদ॥ পৰম মঙ্গল হৰিৰ কীৰ্ত্তন
যাহাৰ থাকে মুখত।
তাৰ তেতিখণে ভস্ম হুয়া যায়
মহাপাপ কোটি শত॥
তাৰদেকে মহা- পাতেক হস্তীৰ
থাকে মহাগৰ্ব্ব-মদ।
যাৰে ৰামনাম প্রমত্ত সিংহৰ
নুশুনে ধ্বনি শৰদ॥ ২০৫
ৰাম হেন ইটো দুগুটি অক্ষৰ
সদায় আদৰে গায়ে।

সংসাৰ সাগৰ তৰি গিটো নৰে
দুৰ্লভ মুকুতি পাৱে ॥
তুইবে মলমতি লোকৰ নিচ্চয়
গুচিবে সবে আচাৰ ।
কলিযুগে আৰ অন্যত্ৰ ধৰ্ম্মত
কাৰো নাহি অধিকাৰ ॥ ২০৬

আন ধৰ্ম্ম এড়ি হৰিনাম ৰড়ি
সুখে পাৱে যেন গতি ।
সমস্তে ধাৰ্ম্মিক অনেক প্ৰবন্ধে
নপাৱে তাক সম্প্ৰতি ॥
সদায় বিষ্ণুক স্মৰিয়ো ক্ষণেকো
নপাসৰিবাহা নৰ ।
যত মহাপাপ যত মহাপুণ্য
ই দুইৰ সবে কিঙ্কৰ ॥ ২০৭

দোষৰ নিধান কলিযুগ আত
এক মহাগুণ আছে ।
কেৱল কীৰ্ত্তনে সংসাৰৰ বন্ধ
এড়াই মোক্ষ পাৱে পাছে ॥
হৰিৰ নামেসে নামেসে নামেসে
জীৱন আৱে আমাৰ ।
কলিযুগে আন গতি নাই নাই
নাই জানা সাৰে সাৰ ॥ ২০৮

আউৰ বেদাগম বিস্তৰ শাস্ত্ৰত
নাই কিছো প্ৰয়োজন।
ধৰ্ম্মক আশায় অনেক তীৰ্থক
কি কাৰ্য্যে কৰে গমন॥
যদি অভিলাষ কৰা সৰ্ব্বজন
আপুন মোক্ষ কাৰণ।
গোবিন্দ গোবিন্দ বুলিয়া বেকতে
কৰিয়ো হৰি কীৰ্ত্তন॥ ২০৯

ইটো হৰি-নামে লোকৰ যতেক
পাতেক নিৰ্য্যাণ কৰে।
ততেক পাতেক প্ৰবন্ধে কৰিতে
নপাৰে পাতেকী নৰে॥
ব্ৰহ্মচাৰী গৃহ- বাসী বনবাসী
সন্ন্যাসী যতেক যতী।
হৰিৰ কীৰ্ত্তন এৰি কেহো নৰে
নপাৰে পৰম গতি॥ ২১০

সূৰ্য্য গ্ৰহণত এক কৌটি ধেনু
ব্ৰাহ্মণক দেই দান।
প্ৰয়াগ গঙ্গাক জলত নিবাস
কৰে দশ কল্পমান॥

---

পাঠান্তৰ: যতী, জটী—দুয়োটা শব্দৰে অৰ্থ কৰিব পাৰি।

অযুতেক যজ্ঞ কৰে মেৰু সম
সুবৰ্ণক দেই দান।
এক শত ভাগো গোবিন্দ নামৰ
সবেয়ো নুহি সমান ॥ ২১১

হৰি হেন ইটো দুগুটি অক্ষৰ
উচ্চৰিলে একবাৰ।
মোক্ষৰ পথক যাইবাক লাগিয়া
সিয়ো ভৈল কাছ পাৰ ॥

হৰিৰ নামৰ সমস্ত মহিমা
কহিবে কাৰ শকতি।
যদি চাৰি মুখে ব্ৰহ্মায় কহন্ত
তভো নুহি সমাপতি ॥ ২১২

কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে
শুনিয়োক সৰ্ব্বজন।
হেন জানি আন আল-জাল এৰি
কৰিও হৰি-কীৰ্ত্তন ॥

কোন দিন ইটো শৰীৰ পড়য়
কেতিথনে নেই যম।
আউৰ কি সেহ্বৰে ভাৰত ভুমিত
হুইবাহা মনুষ্য জন্ম ॥ ২১৩

কোটি কোটি জন্ম অন্তৰে যাহাৰ
থাকে মহাপুণ্য ৰাশি।

সি সি কদাচিত্ত মনুষ্য হোৱয় 
ভাৰতবৰ্ষে আসি ॥
দেৱৰ দুৰ্লভ ইহেন জন্মক 
*বৃথা কৰা কোন কামে।
গৃহত থাকিয়া হৰিক স্মৰিয়া 
মোক্ষ সাধা হৰিনামে ॥ ২১৪
কৌটি এক ৰাজ- সূয় অশ্বমেধ 
যজ্ঞে আক নুহি সৰি।
হেন হৰিনাম নলয়ে হেলাত 
মৰে আত্মাঘাত কৰি ॥
হেন বেদবাণী সত্য হেন জানি 
আসনত সুখে থাকি।
আপুনাক তাৰা পুৰুষ উদ্ধৰা 
হৰি হৰি বোলা ডাকি ॥ ২১৫

॥ অজামিল উপাখ্যান সমাপ্ত ॥ *

ষষ্ঠ ভাগ

# প্ৰহ্লাদ-চৰিত্ৰ

ঘোষা ॥ ৰাম মুৰাৰি প্ৰভু ৰঘুনাথ ।
কৃষ্ণক প্ৰণামো দ'য়াই মাথ ॥১৭

পদ ॥ বোলন্ত শুকে শুনা পৰীক্ষিত ।
ভক্ত প্ৰহ্লাদৰ কহো চৰিত ॥
যুধিষ্ঠিৰ আগে নাৰদে কৈল ।
শুনিয়ো প্ৰহ্লাদৰ যেন ভৈল ॥ ২১৬
ব্ৰহ্মাৰ মানস চাৰি তনয় ।
ভ্ৰমন্ত আকাশে আনন্দময় ॥
পঞ্চ-বৰিষীয়া শিশু সঙ্কাশ
নাহিকে বস্ত্ৰ সবে দিগবাস ॥ ২১৭
আনন্দে লোকক চাহান্তে ফুৰি ।
দিনেক দেখিলা বৈকুণ্ঠপুৰী ॥
আতি আনন্দিত বিষ্ণুৰ থানে ।
সবে চতুৰ্ভুজ পুৰুষ মানে ॥ ২১৮
যতেক ৰমণী লক্ষ্মী প্ৰত্যেক ।
কল্পতৰু সম বৃক্ষ যতেক ॥
বৈমানিকগণ পৰম ৰঙ্গে ।
হাতত তাল নাৰীগণ সঙ্গে ॥ ২১৯

---

পাঠ :—ঘোষা ১৭ : সাঁচিপাতত 'দয়াই' শব্দ আছে। মূৰ নত কৰা অৰ্থত 'দোৱাই' শব্দৰ উচ্চাৰণ থিক ৰাখিবলৈ দ'য়াই লিখা হৈছে।

ভ্ৰমৰৰাজে গাৱে হৰিগীত।
যতেক পক্ষী তাতে দিয়া চিত্ত॥
নকৰে আৰাৱ থাকে নিচুকি।
কৃষ্ণৰ কীৰ্ত্তন শুনে উৎসুকি॥২২০
সুগন্ধ বায়ুক কৰে ধিক্কাৰ।
সিবেলা মনক মোহে আমাৰ॥
গাৱন্ত কৃষ্ণৰ গুণ চৰিত।
আনন্দতে দ্ৰৱে সবাৰো চিত্ত॥২২১
চৰি ৰত্নময় দিব্য বিমানে।
যতেক সুন্দৰী পদ্মিনী মানে॥
হাস লাস কৰি দৰশে গায়।
বৈষ্ণৱ জনৰ নুপুজে ভায়॥২২২
হৰিৰ গৃহে মহালক্ষ্মী মাৱে।
হাতে ফুৰাই পদ্ম ভ্ৰমন্ত পাৱে॥
দেখিয় ফটিক বাৰৰ গুণি।
সাঞ্জে গৃহ যেন লক্ষ্মী আপুনি॥ ২২৩
গোৱিন্দৰ গুণ চৰিত্ৰ বাঝে।
শুনে গ্ৰাম্য কথা যিটো নিলাজে॥
বৈকুণ্ঠ নযায় সিটো ভাগ্যশূন্য।
কুকথায় হৰে সমস্তে পুণ্য॥২২৪
তম নৰকে হৱে চিৰবাস।
আপুনি চিন্তে আপুনাৰ নাশ॥
দেৱৰ বাঞ্ছনী মনুষ্য জন্ম।
উপজে আত যত জ্ঞান ধৰ্ম্ম॥ ২২৫

নকৰে কীৰ্ত্তন ইহাক পায়া।
জানিবা তাক বন্ধে বিষ্ণুমায়া॥
হেন জানি আন আলাপ এড়ি।
বোলা হৰি হৰি সমাজে বেড়ি॥ ২২৬

---

ঘোষা॥ পুণ্ডৰীকাক্ষ কৰা কৃপা
ৰাম কৰা দায়া কমললোচন
নেড়ো যেন অৰুণ চৰণ॥১৮

পদ॥ দূৰতে ধৰ্ম্মক পৰিহৰি।
যিটো চিন্তে হৃদি ৰূপ ধৰি॥
নিতান্তে কীৰ্ত্তন মাত্ৰ কৰে।
বৈকুণ্ঠত থাকে সিটো নৰে॥ ২২৭
অন্যো অন্যে হৰি-কথা গাৱে।
শিহৰে শৰীৰ প্ৰেমভাৱে॥
আনন্দে লোতক পৰে ঝৰি।
গেৰি পাৰি বোলে ৰাম হৰি॥ ২২৮
বৈকুণ্ঠ নগৰী নিৰুপম।
নাহি যাত কালৰ বিক্ৰম॥
তাক পায়া ভকতসকলে।
মজিলা আনন্দ সিন্ধু-জলে॥ ২২৯
বৈকুণ্ঠত কেশৱে সাক্ষাত।
শুতি থাকা অনন্ত শয্যাত॥
লক্ষ্মীৰ কোলাত থৈয়া ভৰি।
লক্ষ্মীয়ো জান্তন্ত হাতে ধৰি॥ ২৩০

মূৰ্ত্তি ধৰি বেদ শাস্ত্ৰগণ।
কৰে বেৰি মহিমা কীৰ্ত্তন॥
চৈধ্য ভুৱনৰ বন্দ্য স্থান।
যাক কৃষ্ণে কৰিলা নিৰ্ম্মাণ॥ ২৩১
হেন বৈকুণ্ঠত চাৰি মুনি।
ভ্ৰমন্ত কীৰ্ত্তন ধ্বনি শুনি॥
কৃষ্ণৰ আবাস পাইলা পাছে
ৰত্নময় দ্বাৰসব আছে॥ ২৩২
লগাই আছে হীৰাৰ কপাট।
ৰত্নে বিৰচিত যত বাট॥
হেন দ্বাৰচয় ছড়াই পাছে।
দেখন্ত দুইগোটা দেৱ আছে॥ ২৩৩
সপ্তম দ্বাৰৰ দুই পাশে।
দুইৰো শিৰে কিৰীটি প্ৰকাশে॥
পদ্মনেত্ৰ বদন মণ্ডল।
শোভে গণ্ড মকৰ-কুণ্ডল॥ ২৩৪
সুন্দৰ নাসিকা অল্প হাস।
চাৰু শ্যাম তনু পীতবাস॥
যেন কুন্দকৰি দন্তপান্তি।
কেয়ূৰ কঙ্কণে কৰে কান্তি॥ ২৩৫
দুইৰ চতুৰ্ভুজ আতি জ্বলে।
বনমালা শোভে বক্ষস্থলে॥
সেৱে তাক ভ্ৰমৰে গুঞ্জৰি।
দুয়ো দিব্য গদা আছে ধৰি॥ ২৩৬

দেখি পাছে হেন দুয়ো দ্বাৰী।
বিবস্ত্ৰে আসন্ত সিদ্ধ চাৰি॥
নুসুধি পৈশন্ত অভ্যন্তৰ।
কোপে দুয়ো কম্পান্ত অধৰ॥ ২৩৭
মুখ কৰি ভ্ৰূকুটি কুটিল।
বেতে ঠেলি চাৰিকো খেদিল॥
কৃষ্ণৰ কিঙ্কৰে এহু ভণে।
হৰি হৰি বোলা সৰ্ব্বক্ষণে॥ ২৩৮

---

ঘোষা॥ ৰাম কৃষ্ণ কহ নিতে।
ভাই ধৰি হৰিপদ চিত্তে॥ ১৯

পদ॥ দেখিয়া পাছে হেন চাৰি সিদ্ধ।
দেখন্তে শিশু বয়সত বৃদ্ধ॥
কৃষ্ণ দৰশন আশা ভঙ্গে।
কোপে চক্ষু পকাই মাত্তন্ত খঙ্গে॥ ২৩৯
বৈষ্ণৱ বোলা তোৰা দুয়োজন।
বৈকুণ্ঠবাসীৰ নুহি লক্ষণ॥
প্ৰশান্ত পুৰুষ আনন্দময়।
তাহান্তে তোমৰা কৰা সংশয়॥ ২৪০
পাৰিষদ বোলাই কৰস চটি।
নুহিকে বৈষ্ণৱ দুয়ো কপটী॥
বৈকুণ্ঠৰো আনা দুৰ্যশ বৰ।
ঐৰপৰা তোৰা দুইহন্তো পৰ॥ ২৪১

অসুৰ যোনিত উপজ মৰি।
হেন শুনি জয় বিজয় ডৰি॥
চৰণত ধৰি পৰি ভূমিত।
কাতৰ কৰে হুয়া ভয়-ভীত॥ ২৪২
তোমাসাক বাধি কৰিলো পাপ।
মিলোক যিবা দিলা চণ্ড শাপ॥
আপুন কৰ্ম্মে যাওঁ অধোগতি।
প্ৰভুৰ পাৱে নছাড়োক মতি॥ ২৪৩
তোমাসাত মাগো এতেকে বৰ।
এহি বুলি দুয়ো কৰে কাতৰ॥
হেন আথান্তৰ শুনিয়া হৰি।
আসন্ত বজাই অভ্যন্তৰ এৰি॥ ২৪৪
অনেক পাৰিছেদে লক্ষ্মী মাৰে।
পাছতে চলি যান্ত ভূমিপাৰে॥
শুক্ল চামৰে বিঞ্চে দুই কাছে।
উপৰে শ্বেত ছত্ৰ ধৰি আছে॥ ২৪৫
তাতে চন্দ্ৰকান্তে স্ৰৱে শিশিৰ।
চলি যান্ত হৰি গতি গম্ভীৰ॥
লক্ষ্মীৰ ছটা শ্যাম উৰুস্থলে।
আপাদলম্বী বনমালা গলে॥ ২৪৬
গুঞ্জৰে মধুকৰে কৰি যত্ন।
শিৰত কিৰীটি অমূল্য ৰত্ন॥
উন্নত নাসা সুপ্ৰসন্ন মুখ।
কমল নেত্ৰক দেখন্তে সুখ॥ ২৪৭

মকৰ কুণ্ডলে প্ৰকাশে গণ্ড।
শ্যামল চাৰু চাৰি ভুজদণ্ড॥
কেয়ূৰ কঙ্কণ প্ৰকাশে তাত।
শ্ৰীবৎস মুকুতা হাৰ হিয়াত॥ ২৪৮
পীতবস্ত্ৰে শোভে শ্যামল কায়।
সুগুচে সদয় হাস্য সদায়॥
অমূল্য মেখলা কটিৰ মাজে।
চৰণে ৰত্নৰ নূপুৰ বাজে॥ ২৪৯
কৌস্তুভ মণি শোভে কণ্ঠমাজে।
দুপাশে নানা দিব্য যন্ত্ৰ বাজে॥
মিলাৱে সমাধি তাৰ শৰদে।
ধৰিছ মূৰ্ত্তি ভকতৰ পদে॥ ২৫০
গৰুড়ৰ স্কন্ধে হস্তক থৈই।
ফুৰান্ত পদ্ম আউৰ হাতে লৈই॥
পাৰিষদগণ চলে উপাসি।
আসন্ত বৈকুণ্ঠপুৰ প্ৰকাশি॥ ২৫১
অদ্ভুত মূৰ্ত্তি চাৰি সিদ্ধে দেখি।
নাহিকে তৃপিতি চান্ত নিৰেখি॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥ ২৫২

---

পাঠান্তৰ: ঈষত হাস্য, মুখত হাস্য, (২৪৯-২)

ঘোষা ॥ পদ্মপাণি জীৱ-মোহন ৰাম।
সুখে দুখে মুখে যো নো ছাৰে ৰাম নাম ॥ ২০

পদ ॥ পৰম আনন্দে চাৰি সিদ্ধে দেখি পাছে।
শিৰে প্ৰণামিয়া পৃথিৱীত পৰি আছে ॥
কৃষ্ণ পাদপদ্ম তুলসীৰ পায়া গন্ধ।
ক্ষোভ ভৈল চিত্ত মহা মিলিল আনন্দ ॥ ২৫৩
প্ৰেমভাৰ উপজি দ্ৰৱিল আতি চিত্ত।
হৰিষে লোতক বহে তনু ৰোমাঞ্চিত ॥
দেখিল কৃষ্ণৰ মুখ শ্যাম পদ্ম-কোষ।
সুন্দৰ অধৰ হাসে মিলাৱে সন্তোষ ॥ ২৫৪
তাসম্বাৰ ভৈল মনবাঞ্ছিত পূৰণ।
চাহিল কৃষ্ণৰ দুনাই দুখানি চৰণ ॥
আৰকত নখ-পান্তি আছে প্ৰকাশন্তে।
চিত্তত চিন্তিলা তাক বাহিৰব হন্তে। ২৫৫
আছিলন্ত ধৰি হৃদয়ত কতো বেলি।
কৃষ্ণক সমুখে দেখি আছা চক্ষু মেলি ॥
কৰ-যোৰে চাৰি সিদ্ধে আনন্দক পাই।
কৰিবে লাগিলা স্তুতি মাধৱক চাই ॥ ২৫৬
সমস্ত ভূতৰ যদি তুমি হৃদিগত।
তথাপি কৰ্ম্মীৰ মনে নুহিকা বেকত ॥
ভকতেসে পাৰে খুজি তুমি অন্তৰ্য্যামী।
কিনো ভাগ্য তোমাক নয়নে দেখো আমি ॥ ২৫৭
পিতৃমুখে তযু গুণ শুনিলো যৈসানি।
সেই দিনে হিয়াত পশিল, চক্ৰপাণি ॥

তুমি পৰমাত্মা-তত্ত্ব জানিলো সম্প্ৰতি।
সত্য মূৰ্ত্তি ধৰি সাধা ভকতৰ গতি॥ ২৫৮
তোমাক নপাই অনুৰাগ বাঢ়ে যাৰ।
সেহিসে ভকতি যোগে ছিণ্ডে অহঙ্কাৰ॥
তাহাৰেসে গুচে বিষয়ত অনুৰাগ।
হৃদয়ত বিচাৰি তোমাক পাৱে লাগ॥ ২৫৯
তোমাৰ পাৱত লৈলে যিজনে শৰণ।
তযু গুণ নাম কৰে শ্ৰবণ কীৰ্ত্তন॥
মোক্ষ প্ৰসাদক প্ৰভু তোমাত নমাগে।
ছাৰ স্বৰ্গসুখ কোন তাসম্বাৰ আগে॥ ২৬০
তযু গুণ গান যদি কৰ্ণে থাকে ভৰি।
সদায় বদনে যদি বোলে ৰাম হৰি॥
চৰণক চিন্তে চিত্তে বিঘিনিকো নগণি।
নাৰেকী যোনিক তেৰে আমাৰ বাঞ্ছনী॥ ২৬১
দেখাই দিব্য ৰূপ ইটো আতি চমৎকাৰ।
সাধিলা আনন্দ কিনো নেত্ৰৰ আমাৰ॥
অজ্ঞজনে নলয়ে তোমাৰ গুণ নাম।
আমি হেৰা পৰি প্ৰভু কৰিলো প্ৰণাম॥ ২৬২
তোমাৰ পাৱত লৈলে একান্ত ভকতি।
এতেকে প্ৰসাদ দিয়া আমাক সম্প্ৰতি॥
কৃষ্ণৰ কিঙ্কৰে বোলে শুনা সৰ্ব্বলোক।
ডাকি হৰি হৰি বোলা পাতেক ছাড়োক॥ ২৬৩

ঘোষা ॥ **গতি মোৰ গতি মোৰ গোৱিন্দ দেৱ।**
**মাধৱ বিনে গতি নাহি কেৱ ॥ ২১**

পদ ॥ কৰিলা স্তুতি চাৰি মহামুনি।
চাৰিকো মাধৱে মান্তন্ত গুণি ॥
পাৰিষদ জয় বিজয় মোৰ।
কৰিলে মহা অপৰাধ ঘোৰ ॥ ২৬৪
বিহিলা উচিত দণ্ড ইহাক।
কদৰ্থিলে দুয়ো আতি আমাক ॥
সেৱকে যদি কৰে অপকাৰ।
পাৱে অপযশে স্বামীক তাৰ ॥ ২৬৫
ক্ষমিয়ো মোক চাৰি মহাশিষ্ট।
ব্ৰাহ্মণগণ মোৰ মহা ইষ্ট ॥
বিপ্ৰ সেৱাতেসে আমাৰ খ্যাতি।
চাণ্ডালকো কৰে পৱিত্ৰ আতি ॥ ২৬৬
তোৰাৰ ইন্দ্ৰে কৰে অপৰাধ।
কাটিবো ইন্দ্ৰকো নাহিকে বাধ ॥
বিপ্ৰৰ মুখে ভুঞ্জো যেন কৰি।
বহ্নিত হোমে নুহি তাঙ্ক সৰি ॥ ২৬৭
আমাৰ তনু যত বিপ্ৰগণ।
তাসম্বাৰ দ্ৰোহ চিন্তে যিজন ॥
যমৰ দূতে তাক কৰে দণ্ডি।
গৃধ্ৰগণে খাই মাংসক ছিণ্ডি ॥ ২৬৮
পাৰন্ত গালি যদি বিপ্ৰে আসি।
প্ৰণাম কৰে যিটো তাঙ্ক হাসি ॥

সম্মুখি প্ৰবোধে সাধু বচনে।
কৰিলেক বশ্য মোক সিজনে॥ ২৬৯
পাৰিষদ জয় বিজয় দুই।
তোমাসাৰ শাপে অসুৰ হুই॥
দুনাই বৈকুণ্ঠক জাণ্টে আসোক।
হেন অনুগ্ৰহ কৰিয়ো মোক॥ ২৭০
আছন্ত যদি সবে খেদ চিন্তি।
কৃষ্ণ বাক্যামৃতে ভৈল তৃপিতি॥
কৃষ্ণৰ বাক্যক কৰি বিচাৰ।
নুবুজিলা কিছু আশয় তাৰ॥ ২৭১
মিলিল আনন্দ দ্ৰৱিল চিত্ত।
লোতক ঝৰে তনু ৰোমাঞ্চিত॥
কৃতাঞ্জলি কৰি কৃষ্ণক চাই।
মাতন্ত চাৰিও মুনি দুনাই॥ ২৭২
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে কহে।
জানা চিৰকাল দেহা নৰহে॥
কৃষ্ণৰ কীৰ্ত্তনে সাধিয়ো গতি।
বোলা হৰি হৰি একান্ত মতি॥ ২৭৩

---

ঘোষা॥ ৰাম ৰাম গোবিন্দ।
ত্ৰাহি ত্ৰাহি মুকুন্দ॥ ২২

পদ॥ তোমাৰ বচন স্বামী।
নুবুজিলো কিছু আমি॥

আপুনি ঈশ্বৰ হুয়া।
বোলাহা কৰিয়ো দায়া॥ ২৭৪
ত্ৰিজগতে কৰে সেৱ।
বোলা মোৰ বিপ্ৰে দেৱ॥
যত দেৱ দ্বিজ ভূমি।
সবাৰে দেৱতা তুমি॥ ২৭৫
ধৰ্ম্মৰ পৰম গুহ্য।
তুমি জগতৰে পূজ্য॥
যাৰ ৰূপ হিয়ে ধৰি।
দুস্তৰ মৃত্যুক তৰি॥ ২৭৬
তাঙ্ক আনে কৰে দায়া।
কোনে বুজিবেক মায়া॥
মান কৰি ব্ৰাহ্মণক।
শিক্ষা দিয়া সামান্যক॥ ২৭৭
ধৰ্ম্ম-পথ ৰক্ষা কৰি।
সৃষ্টি প্ৰৱৰ্ত্তাৱা হৰি॥
তযু পাৰিষদ দুই।
তাকো শপো মুনি হুই॥ ২৭৮
কৰিলো দাৰুণ পাপ।
দণ্ডিয়ো জগত-বাপ॥
এহি বুলি মৌন ভৈলা।
মাধৱে বুলিবে লৈলা॥ ২৭৯
মুনিগণ এড়া তাপ।
আমিসে দিয়াইলো শাপ॥

বৈৰভাৱে চিন্তি মোক।
দুনাই পাইবে এহি লোক॥ ২৮০
বোলো মহা মন তুষ্টি।
শুনি চাৰি সিদ্ধে উঠি॥
মাধৱক প্ৰদক্ষিণি।
প্ৰণামিলা বাৰ তিনি॥ ২৮১
লৈয়া তান্তে অনুমতি।
আকাশে কৰিলা গতি॥
বৈষ্ণৱৰ শ্ৰীক চাই।
মনে প্ৰশংসন্তে যায়॥ ২৮২
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে॥
অন্তকে পাইলেক পৰা।
ৰাম হৰি বুলি তৰা॥ ২৮৩

ঘোষা॥ পৰমানন্দ কৰা কৃপা ভৃত্যক সম্প্ৰতি।
তুমি বিনে নাই আন গতি॥ ২৩
পদ॥ পাছে জয় বিজয়ক হৰি।
কৰিলা আশ্বাস দুইক ধৰি॥
অসুৰ-যোনিক যাহা তয়।
নকৰিবা মনে কিছু ভয়॥ ২৮৪
তোৰা দুইৰ থাকোক কল্যাণ।
মঞি দুখ কৰিবো নিৰ্য্যাণ॥

ব্ৰহ্মশাপ নকৰো উছন।
আছে পদে মোৰো প্ৰয়োজন॥ ২৮৫
সুমৰিয়ো পুৰাণি কথাক।
চিন্তি আছো মঞি আপুনাক॥
আমাৰ পাশক আসা লক্ষ্মী।
তাঙ্কো নিবাৰিলা দুয়ো দেখি॥ ২৮৬
ক্ৰোদ্ধে বুলিলন্ত লক্ষ্মী শাপি।
হুয়োক অসুৰ দুয়ো পাপী॥
হেন্ জানি হ'ৰা দুয়ো দৈত্য।
ভকতৰ ভয় আছে কৈত॥ ২৮৭
বৈৰভাৱে চিন্তিবাহা মোক।
অল্পকালে পাইবা এহি লোক॥
দুখৰ কৰিবো মঞি অন্ত।
এহি বুলি পাছে ভগৱন্ত॥ ২৮৮
লক্ষ্মী সমে গৈয়া ধীৰে ধীৰে।
প্ৰৱেশিলা ৰত্নৰ মন্দিৰে॥
পাছে দুয়ো মুখ্য পাৰিষদ।
এড়ি সবে বৈকুণ্ঠ সম্পদ॥ ২৮৯
শ্ৰীহত হুয়া অধোমুখে।
বিমানৰ পৰা পড়ে দুখে॥
হেন দেখি বৈকুণ্ঠক ছনি।
কৰে সবে হাহাকাৰ ধ্বনি॥ ২৯০
পাছে দুয়ো এড়ি নিজ কায়।
কাশ্যপৰ বীৰ্য্যে লৈলা ঠাই॥

স্বামীৰ সংযোগে পাছে দিতি।
অনুক্ৰমে ভৈলা গৰ্ভ্তৱতী॥ ২৯১
কৃষ্ণৰ কিঙ্কৰে এহু ভণে।
নেড়িবা কীৰ্ত্তন একো জনে॥
কেতিখণে পড়ে ইটো কায়।
হৰি হৰি ঘুষিয়ো সদায়॥ ২৯২

---

ঘোষা॥ হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ।
কলিত নাই জপ যজ্ঞ যন্ত্ৰ॥ ২৪
পদ॥ দিতিৰ গৰ্ভে দুয়ো ভৈলা যাত।
হিৰণ্যকশিপু নামে প্ৰখ্যাত॥
হিৰণ্যাক্ষ নামে কনিষ্ঠ তাৰ।
যুদ্ধত বৰাহে চিন্তিলা মাৰ॥ ২৯৩
শুনিয়া হিৰণ্য ভ্ৰাতৃৰ বধ।
ক্ৰোদ্ধে আৰকত চক্ষু তবধ॥
শূলক তুলি গৰ্জ্জে দৈত্যনাথ।
দশন কামুৰি ঝঙ্কাৰে মাথ॥ ২৯৪
দানৱগণক মাতে সম্বধি।
মাৰিবো বৰাহক শূলে বিন্ধি॥
বধিলে আমাৰ ভ্ৰাতৃ কনিষ্ঠ।
দেৱ ব্ৰাহ্মণৰ চিন্তা অনিষ্ট॥ ২৯৫
পৃথিৱীক লাগি কৰা গমন।
তপ জপ যজ্ঞ কৰিয়ো ছন্ন॥

বিষ্ণুসে সবাৰো জানা আশ্ৰয়।
গৰু ব্ৰাহ্মণৰ কৰা প্ৰলয়॥ ২৯৬
হেনয় আজ্ঞা কৰি দৈত্যৰাজ।
ভ্ৰাতৃৰ পাছে কৰি প্ৰেতকাৰ্য্য॥
কথায়ে আশ্বাস কৰি দৈত্যক।
তপক মনে গৈলা মন্দৰক॥ ২৯৭
আকাশ চাই উৰ্দ্ধবাহু দুই।
থাকিলা ভূমিক অঙ্গুষ্ঠে ছুই॥
জঁটাৰ দীপিতি দেখন্তে ত্ৰাস।
প্ৰলয় সূৰ্য্যৰ যেন প্ৰকাশ॥ ২৯৮
ব্ৰহ্মাক চিন্তিয়া আছা মনত।
বহি গৈলা দিব্য বৰিষ শত॥
ঢাকিল তনু উঁই মাটি তুলি।
শৰীৰৰ মাংস খাইলে সমূলি॥ ২৯৯
গাজিল তাক ঢাকি বেৰু-ঝাৰ।
তথাপি কটাক্ষ নাহিকে তাৰ॥
শিৰত বহ্নি বঝাই তপময়।
তাৰ তপে ভৈলা জগতে ভয়॥ ৩০০
সঘনে ভূমি কম্পে নিৰন্তৰ।
থলকিল ত্ৰাসে সাতো সাগৰ॥
সঞ্চৰে তাৰা-গ্ৰহ অসংখ্যাত।
দশোদিশে ভৈলা উল্কাপাত॥ ৩০১
হেন দেখি ভৈল ত্ৰিদশে ত্ৰাস।
স্বৰ্গ এৰি গৈলা ব্ৰহ্মাৰ পাশ॥

কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে॥ ৩০২

ঘোষা॥ কৃষ্ণ যদুপতি।
ৰামে মোৰ গতি॥ ২৫

পদ॥ ব্ৰহ্মাক প্ৰণামি বুলিলন্ত দেৱঝাক।
সৃষ্টি নষ্ট যাই কেনে নৰাখা আমাক॥
দৈত্যেন্দ্ৰৰ দেখি ঘোৰ তপৰ দীপিতি।
স্বৰ্গত থাকিবে কাৰ বাপৰ শকতি॥ ৩০৩
ব্ৰহ্মপদ তোমাৰ কৰিবে খোজে ছন্ন।
ভিন্ন সৃষ্টি কৰিবাক দৈত্যৰ যতন॥
হেন জানি বিধি কৰিয়োক প্ৰতিকাৰ।
যাৱে নতু নষ্ট হোৱে সমস্তে সংসাৰ॥ ৩০৪
হেন শুনি ব্ৰহ্মা লড়িলন্ত হংস-যানে।
তপ কৰি আছে দৈত্যপতি যিটো থানে॥
তপৰ মহিমা দেখি ভৈলন্ত বিস্ময়।
বোলন্ত উঠিয়ো আৰে কাশ্যপ-তনয়॥ ৩০৫
শৰীৰৰ মাংসক খাইলেক তোৰ উঁই।
তথাপি আৰাধ মোক একচিত্ত হুই॥
হেন তপ কৰন্তা নাহিকে সংসাৰত।
যেহি লাগে বৰ আৰে লৈয়ো অভিমত॥ ৩০৬
এহি বুলি ব্ৰহ্মা জলে কৰিলন্ত শান্তি।
ভৈল অঙ্গ পূৰ্ণ শুদ্ধ সুৱৰ্ণৰ কান্তি॥
বজ্ৰসম সুদৃঢ় তৰুণ কলেৱৰ।
উঠিল মাটিৰপৰা পাছে দৈত্যেশ্বৰ॥ ৩০৭

ব্ৰহ্মাক দেখিলা হংস-যানে আছা চড়ি।
মিলিল আনন্দ প্ৰণামিলা পায়ে পড়ি॥
হৰিষ-লোতক বহে ৰোমাঞ্চিত গায়ে।
কৰিলা অনেক স্তুতি-নতি নম্ৰভাৱে॥ ৩০৮
বিধাতাক বোলে যদি মোক দিবা বৰ।
তুমি স্ৰজি আছা যত প্ৰাণী নিৰন্তৰ॥
কাতো হন্তে নুহিবেক মোহোৰ মৰণ।
ত্ৰৈলোক্যৰ লোকে লৌক আমাত শৰণ॥ ৩০৯
নমৰিবো ৰাত্ৰিত দিনত মৃত্যু নৌক।
অস্ত্ৰে-শস্ত্ৰে বধিবাক নপাৰোক মোক॥
মিলোক মহিমা মোত তোমাৰ সমান।
দিয়ো এহি বৰ ব্ৰহ্মা নমাগোহো আন॥ ৩১০
ব্ৰহ্মায় বোলন্ত হাসি শুন দৈত্যেশ্বৰ।
যদ্যপি দুৰ্ল্লভ বাপ ইটো মহাবৰ॥
তথাপিতো দিলো তোৰ বাঞ্ছা হৌক সিদ্ধি।
এহি বুলি নিজ থানে চলি গৈলা বিধি॥ ৩১১
হেন বৰ পায়া বল বাঢ়িল অশেষ।
ভ্ৰাতৃ-বৈৰী বুলি কৰে মাধৱক দ্বেষ॥
তিনিয়ো লোকক বশ্য কৰি দৈত্যপতি।
কাঢ়ি লৈলা বলে মহেন্দ্ৰৰ অম্ৰাৱতী॥ ৩১২
ভয়ে দাৰুণক ত্ৰিজগতে কৰে সেৱ।
ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ বিনে থাটে সবে দেৱ॥
এহিমতে দিব্য ভোগ ভুঞ্জি আসৰিশ।
বহি গৈল অসংখ্যাত সহস্ৰ বৰিষ॥৩১৩

দেৱতাগণৰ আৰ নাহি সুখ শান্তি ।
নপান্ত উপায় একো মনে গুণি গাস্থি ॥
কৃষ্ণৰ চৰণে সবে লৈলন্ত শৰণ ।
হৰি বিনি নাই আন দুৰ্গতি তাৰণ ॥ ৩১৪
এহি বুলি বায়ু ভক্ষি নিদ্ৰা পৰিহৰি ।
মাধৱক আৰাধন্ত কষ্ট-ব্ৰত ধৰি ॥
কহে কৃষ্ণ কিঙ্কৰ শঙ্কৰে কৃষ্ণ-কথা ।
বোলা হৰি হৰি জন্ম নকৰিয়ো বৃথা ॥ ৩১৫

---

ঘোষা ॥ এ ৰাম হৰি নিৰঞ্জন ॥ ২৬

পদ ॥ দেৱে যেৱে উপাসন্তে আছে ।
পড়িলা আকাশী বাণী পাছে ॥
দেৱগণ নকৰিবা ভয় ।
কৰিবোহো দৈত্যৰ প্ৰলয় ॥ ৩১৬
ইটো দুখ হৈব উপশান্তি ।
শুনা তাৰ মৰণৰ খ্যান্তি ॥
তানে পুত্ৰ বৈষ্ণৱ প্ৰহ্লাদ ।
তাঙ্ক কৰে যৈসানি বিবাদ ॥ ৩১৭
তেৱে তাক কৰিবো নিৰ্য্যাণ ।
ভকতেসে জানা মোৰ প্ৰাণ ॥
তান পীড়া শৰীৰে নসহে ।
ভকতৰ দুখে হৃদি দহে ॥ ৩১৮
নিৰ্ভয়ে থাকিয়ো দেৱগণ ।
অল্পতে সিজিবে প্ৰয়োজন ॥

দেৱগণ নিবৰ্ত্তিয়া গৈলা।
দৈত্যেন্দ্ৰৰ চাৰি পুত্ৰ ভৈলা॥ ৩১৯
প্ৰহ্লাদ বৈষ্ণৱ ভৈলা আতি।
বিষ্ণুক স্মৰন্তে দিনে ৰাতি॥
ইন্দ্ৰিয়ক কৰিয়া নিয়ম।
প্ৰাণীক দেখন্ত আত্মা সম॥ ৩২০
ৰূপ গুণ বিদ্যাত পাৰ্গত।
নাই গৰ্ব্ব তথাপি মনত॥
দুখত উদ্বেগ নাই চিত্ত।
নাহি স্পৃহা সুখত কিঞ্চিত॥ ৩২১
অসুৰ স্বভাৱ এড়িলন্ত।
কাম জিনি ভৈলা উপশান্ত॥
মহাবৈৰী হুয়া দেৱঝাক।
সাধু বুলি বখানন্ত যাক॥ ৩২২
পঞ্চ বৰিষতে মহামতি।
ক্ৰীড়া এড়ি কৰন্ত ভকতি॥
নিতান্তে হৰিক কৰে ধ্যান।
হৰি বিনে নেদেখন্ত আন॥ ৩২৩
সদায় কৃষ্ণৰ গুণ কহে।
চিত্তত ধৰিলা কৃষ্ণ-গ্ৰহে॥
নেড়ে মনে গোৱিন্দৰ পাৱ।
কৃষ্ণতে উপজে প্ৰেমভাৱ॥ ৩২৪
কৃষ্ণক চিন্তন্তে দ্ৰৱে মন।
কেহো বেলা কৰন্ত ক্ৰন্দন॥

কেহো বেলা হাসন্ত আহ্লাদে।
কতো গুণ গায়ন্ত প্ৰহ্লাদে॥ ৩২৫
গোৱিন্দক আনন্দে ডাকন্ত।
লাজ এড়ি কতোহো নাচন্ত॥
হৰিবুদ্ধি হোৱে আপুনাক।
কতো কৰে কৃষ্ণৰ চেষ্টাক॥ ৩২৬
আনন্দে লোতক যায় বহি।
নমাতি থাকন্ত কতো ৰহি॥
হৰিষতে তনু লোমাঞ্চিত।
কৃষ্ণত একান্ত ভৈলা চিত্ত॥ ৩২৭
এহিমতে কৰন্ত ভকতি।
আন বিষয়ত নাই মতি॥
কৃষ্ণৰ কিঙ্কৰে এহু ভনে।
হৰি হৰি বোলা সৰ্ব্বজনে॥ ৩২৮

---

ঘোষা॥ ৰাম হৰি ৰাম হৰি গোপাল গোপাল॥ ২৭

পদ॥ ষণ্ডামৰ্ক নামে দুয়ো শুক্ৰৰ তনয়।
প্ৰহ্লাদক পঢ়াৱন্ত শাস্ত্ৰ বামানয়॥
পঢ়ে আনো অসংখ্যাত দৈত্যৰ ছৱাল।
মনত প্ৰহ্লাদে তাক নমানন্ত ভাল॥ ৩২৯
একদিনা দৈত্যেন্দ্ৰে পুত্ৰক কোলে লৈই।
কিবা পঢ়ি আছ বুলি আনন্দে সোধয়॥
কাক ভাল মান বাপ কহিওঁ সত্বৰে।
বুলিলন্ত প্ৰহ্লাদে পিতৃক অনন্তৰে॥ ৩৩০

শুনা পিতৃ ইটো গৃহ অন্ধকূপ সৰি।
তপোবনে একচিত্তে আৰাধিয়ো হৰি॥
সংসাৰ সাগৰে ভাল নাই আত পৰে।
হেন শুনি পাছে হাসি মাতে দৈত্যেশ্বৰে॥ ৩৩১
কোনোবা বৈষ্ণৱে আৰ কৰে মতি-ভেদ।
ভালমতে শিশুক পঢ়ায়ো অৰিছেদ॥
শুনি ষণ্ডামৰ্কে প্ৰহ্লাদক ঘৰে আনি।
হাসিয়া পুছন্ত বাপ কহ সত্যবাণী॥ ৩৩২
কোনে তোক হেন বিপৰ্য্যয় বুদ্ধি দিল।
কিবা তোৰ মনত আপুনি সম্পজিল॥
শুনিবাক ইচ্ছা কহ কুলেৰ নন্দন।
প্ৰহ্লাদে কহিলা কৰি কৃষ্ণক বন্দন॥ ৩৩৩
ব্ৰহ্মা আদি কৰি যত দেৱতা পণ্ডিত।
যাহাৰ পথত হন্ত মায়ায় মোহিত॥
যাৰ মায়া বিভৱৰ নাহি পৰিছেদ।
হেন হৰি কৰন্ত আমাৰ বুদ্ধি ভেদ॥ ৩৩৪
চুম্বকৰ কাছে লোহা ভ্ৰমে যেন ঠানে।
ভিন্ন ভৈল বুদ্ধি মোৰ বিষ্ণু সন্নিধানে॥
এহি বুলি গুৰুক প্ৰহ্লাদ মৌন ভৈলা।
শুনি ষণ্ডামৰ্কে তাঙ্ক গৰ্জ্জিবাক লৈলা॥ ৩৩৫
আন বেত কোবাই মাৰো আৰে দুৰাচাৰ।
মন্দবুদ্ধি আমাৰো অনাইলে খিলিঙ্কাৰ॥
উপজিলি তঞি দৈত্য কুলৰ কণ্টক।
ভৈলি বিপক্ষয় ক্ষয় কৰিলে কুলক॥ ৩৩৬

এহিমতে অনেক উপায়ে দেখাই ভয়।
প্রহ্লাদক শিখাৱন্ত শাস্ত্র বামানয় ॥
জানিলেক শাস্ত্র গুৰুগণে হেন জানি।
দৈত্যেন্দ্রৰ আগে প্রহ্লাদক দিলে আনি ॥ ৩৩৭
পিতৃৰ চৰণে পড়ি আছে মহামতি।
দুই হাতে তুলি আশ্বাসিলা দৈত্যপতি ॥
কোলাত বৈসায়া ঘনে ঘনে ঘ্রাণি শিৰ।
হাসি প্রহ্লাদক কথা সোধে মহাবীৰ ॥ ৩৩৮
কিবা সুশোভন পাঠ পঢ়ি আছা তাত।
গুৰুত শিখিলে যিবা কহিওঁ আমাত ॥
শুনিয়া প্রহ্লাদে পাছে কহন্ত সাদৰি।
পাতেক ছাত্ৰোক ডাকি বোলা হৰি হৰি ॥ ৩৩৯

---

ঘোষা ॥ ও হৰি চৰণে লাগোঁ শৰণ মাগোঁ
গোপাল গোৱিন্দ।
ভৱসিন্ধু মাঝে মজিলো মাধৱ
সুমৰি নাসে নিন্দ ॥ ২৮

দুলড়ী ॥ শ্রৱণ কীর্ত্তন স্মৰণ বিষ্ণুৰ
অর্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহ অর্পণ ॥
নৱবিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম।
হেন শুনি পাছে হিৰণ্যকশিপু
ক্রোধে কাম্পে যেন যম ॥ ৩৪০

গুৰুৰ পুত্ৰক চাই দৈত্যপতি
পাৰিবে লাগিলা গালি।
শুনৰে অধম ব্ৰাহ্মণ শিশুক
এহিসে পাঠ শিখাইলি॥
ষণ্ডমাৰ্কে বোলে জানো নিশিখাৱে
ইটো নপঢ়াইলো আমি।
তোমাৰ তনয় স্বভাৱে বোলয়
কোপ এড়া দৈত্যস্বামী॥ ৩৪১
শুনিয়া হিৰণ্য- কশিপু দুনাই
সোধয় কথা পুত্ৰতে।
গুৰু নিশিখাইলে হেন বিমঙ্গল
বাণী বোল কেনমতে॥
প্ৰহ্লাদে বোলন্ত শুনিয়োক তাত
বিষয়ীৰ নাহি গতি।
গুৰু উপদেশে আপুনাত হন্তে
নুপজে কৃষ্ণত ৰতি॥ ৩৪২
আপুনি বিষয়ী হুয়া যিটো জনে
বিষয়ীক গুৰু মানে।
যেন অন্ধলোক অন্ধে উপদেশে
বিষ্ণুক সিটো নজানে॥
বৈষ্ণৱক যেৱে নকৰে উপাসা
মোহে অন্ধ মূঢ়মতি।
শুনা পিতৃ তেৱে কৃষ্ণৰ চৰণে
নোছোৱে তাহাৰ মতি॥ ৩৪৩

হেন শুনি মহা- ক্ৰোদ্ধে দৈত্যৰাজ
জ্বলি গৈল অহঙ্কাৰী।
মাটিক লাগিয়া পুত্ৰক পেহ্লাইলা
কোলাৰ পৰা আছাৰি॥
ৰাক্ষসগণক ক্ৰোদ্ধে আদেশয়
মাৰ পাপিষ্ঠক বেড়ি।
ভ্ৰাতৃবৈৰী বিষ্ণু তাকেসে স্মৰে
আমাত সৌহৃদ্য এড়ি॥ ৩৪৪
প্ৰচণ্ড আদেশ শুনিয়া আশেষ
ৰাক্ষস উঠিলা ৰাগি।
হাতে শূল ধৰি খেখট কৰিয়া
ধাইলে প্ৰহ্লাদক লাগি॥
কাট মাৰ বুলি বেড়িয়া সন্ধানে
দিলেক শূলৰ জাক।
বিষ্ণুক স্মৰি প্ৰহ্লাদ কুমাৰে
কটাক্ষো নকৰে তাক॥ ৩৪৫
ভোথা হুইয়া শূল পড়িল উফড়ি
দেখি আছে সৰ্ব্বজনে।
হেন অদভুত দেখি দৈত্যপতি
পৰম শঙ্কিত মনে॥
দিগ্‌গজগণক আদেশ কৰিলে
দিগজে ভিড়িল দান্তে।
জলত বুড়ালা উপৰে পৰ্ব্বত
পেহ্লায়া কতোহো জান্তে॥ ৩৪৬

মহা সৰ্পগণে বেড়িয়া দংশয়
তাৰো দান্ত গৈল ভাগি।
পৰ্ব্বত শিখৰে তুলিয়া কতোহো
পেহ্লাৰে মাটিক লাগি॥
গাত খানি কতো পোতে প্ৰহ্লাদক
কৰাৱে বিষক পান।
হাতে গলে বান্ধি অগ্নিত পেহ্লাৰে
তথাপি নযায় প্ৰাণ॥ ৩৪৭
বিষ্ণুৰ চৰণ চিন্তিয়া প্ৰহ্লাদে
আছন্ত নিৰ্ভয় ভাৱে।
দেখি দৈত্যপতি মনত চিন্তয়
শ্ৰুতি নাহিকয় গাৱে॥
আছোক মৰিব ভয়ো নুপজয়
নেড়য় আমাৰ পাশ।
ইহাৰ বিৰোধে জানিলো অৱশ্যে
মোহোৰ হৈব বিনাশ॥ ৩৪৮
দুৰন্ত চিন্তায় শ্ৰী হানি ভৈল
নমাইল মলিন মুখ।
পাছে ষণ্ডমাৰ্কে বিৰলে বুঝাৱে
দৈত্যেন্দ্ৰৰ দেখি দুখ॥
প্ৰহ্লাদ-চৰিত্ৰ ৰচিল শঙ্কৰে
কৃষ্ণৰ কিঙ্কৰে আৰে।
বোলা হৰি হৰি সংসাৰক তৰি
বৈকুণ্ঠক যাইবা যেৱে॥ ৩৪৯

ঘোষা ॥ কেশৱ শিৱ শিৱ ঘুষিওঁ সদায়।
ৰাম-নাম বিনে বান্ধৱ নাই ॥ ২৯

পদ ॥ কিয় দৈত্যপতি আছা মনত বিকলে।
তিনিয়ো লোকক তুমি জিনিছা একলে ॥
তযু কটাক্ষতে কাম্পে দিগপালগণ।
তোমাৰ চিন্তাৰ কিছু নেদেখো কাৰণ ॥ ৩৫০

হেন জানি হুয়ো ৰাজা মনত সন্তোষ।
শিশু ছাৱালৰ কিছু নধৰিবা দোষ।
বৰুণৰ পাশে বান্ধি থৈয়ো কতোকাল ॥
আপুনি বয়স ভৈলে বুদ্ধি হুইবে ভাল ॥ ৩৫১

এহি হৌক বুলি পাছে মাতে দৈত্যেশ্বৰ।
শিখায়োক আক ৰাজনীতি নিৰন্তৰ ॥
হেন শুনি গুৰুপুত্ৰে আনি প্ৰহ্লাদক।
মহাযত্নে পঢ়াৰন্ত দৈত্যৰ শাস্ত্ৰক ॥ ৩৫২

তাক ভাল নমানন্ত প্ৰহ্লাদৰ মনে।
কৰিলা নিবিড় চিত্ত কৃষ্ণৰ চৰণে ॥
পঢ়ায়া-শুনায়া গুৰু গৃহ-কৰ্ম্মে যান্ত।
দৈত্যৰ শিশুক সবে মাতিয়া শিখান্ত ॥ ৩৫৩

দৈত্য-শিশুগণো সবে আন ক্ৰীড়া এড়ি।
প্ৰহ্লাদক গৌৰৱ কৰিয়া থাকে বেড়ি ॥
দয়ায়ে প্ৰহ্লাদে দেন্ত হিত উপদেশ।
শুনিয়োক বাণী দৈত্য-দানৱ নিশেষ ॥ ৩৫৪

অসাৰ সংসাৰ আত নাহিকে বিশ্বাস।
জানি হৰি ভকতিক কৰিয়ো অভ্যাস॥
মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।
অৰ্দ্ধেক নিষ্ফলে যায় জানিবা নিদ্ৰাত॥ ৩৫৫
বিংশতি বৰিষ আৰো যায় ওমলন্তে।
নেয় দশ বৰিষ ধনক উপাৰ্জ্জন্তে।
বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য্য সাধিবাক নাহিকে শকতি॥ ৩৫৬
শৰীৰক পীড়ে ব্যাধি চক্ষুয়ে নাকলে।
আশা-পাশে থাকিয়া গৃহত থাকি গলে॥
হেন জানি শিশুসব এড়া আন কৰ্ম্ম।
ধৰিযো কুমাৰ কালে ভাগৱত ধৰ্ম্ম॥ ৩৫৭
দুৰ্ল্লভ মনুষ্য তনু নকৰা বিফল।
চিন্তা মনে মাধৱৰ চৰণ কমল॥
হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ।
মায়াময় ইটো পুত্ৰ-ভাৰ্য্যা কলেৱৰ॥ ৩৫৮
আৰ অৰ্থে ব্যৰ্থে কেনে আয়ু পাত।
সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত॥
হেন জানি অসুৰ-স্বভাৱ সবে এড়ি।
সমস্ত প্ৰাণীক পূজা বিষ্ণু-বুদ্ধি কৰি॥ ৩৫৯
তেৱেসে অল্পতে তুষ্ট হৈবা নাৰায়ণে।
কোননো দুৰ্ল্লভ আছে হৰি সুপ্ৰসন্নে॥
হেন জানি বিষয়ত হুয়োক বিমুখ।
পশু শৰীৰতো পায় বিষয়ৰ সুখ॥ ৩৬০

বাল্য-ক্রীড়া এড়ি কৰা মাধৱৰ ধ্যান।
নাৰদৰ মুখত শুনিলো ইটো জ্ঞান॥
স্বৰূপ কহিলো আত নকৰা সংশয়।
বোলা হৰি হৰি হোক পাপৰ প্ৰলয়॥ ৩৬১

---

ঘোষা॥ নমো মধু-মুৰ-মথন ৰাম।
সংসাৰ তাপ কৰা উপশাম॥ ৩০

পদ॥ শুনিয়া পাছে দৈত্য-শিশুজাক।
প্ৰহ্লাদক হেন বুলিলা বাক॥
অন্তেষপুৰে থাকা মহাভাগ।
কিমতে পাইলা নাৰদক লাগ॥ ৩৬২
কহিলা কেনে ঋষি তত্ত্বভেদ।
কৰিয়ো আমাৰ সংশয় ছেদ॥
বুলিলা প্ৰহ্লাদে হেন বচন।
শুনা পূৰ্ব্বকথা বালকগণ॥ ৩৬৩
যৈসানি পিতৃ তপস্যাক গৈল।
দেখি দেৱগণ বিস্ময় ভৈল॥
জানিল পিতৃক খাইলেক উই।
নগৰ বেঢ়ি লগাইলেক জুই॥ ৩৬৪
দানৱগণ ভয় হুৱা বৰ।
পুত্ৰ-ভাৰ্য্যা এড়ি দিলা লৰ॥
মিলিল দৈত্যৰ আপদ ঘোৰ।
ইন্দ্ৰে ধৰিলেক মাতৃক মোৰ॥ ৩৬৫

আপোন থানক নেন্ত আজুৰি।
কান্দন্ত সতী মুখে বস্ত্র ঘূৰি ॥
পাৰে আৰ্ত্তবাৰ ৰাজ-মহিষী।
দেখিয়া বুলিলা নাৰদ ঋষি ॥ ৩৬৬
ইহাঙ্ক এড়া এড়া সুৰপতি।
একে পৰস্ত্রী আৰো মহাসতী ॥
মাতিলা ইন্দ্রে নাৰদক পাছে।
এইৰ উদৰে শিশু এক আছে ॥ ৩৬৭
তাক মাৰি দিবো এইক মেলানি।
শুনিয়া নাৰদে বুলিলা বাণী ॥
নিষ্পাপ পুৰুষ আছে গৰ্ব্ভত।
সাক্ষাতে ইটো মহাভাগৱত ॥ ৩৬৮
তোমাৰ মাৰিবে নাহি শকতি।
এড়িলা হেন শুনি সুৰপতি ॥
মাতৃক পাছে প্ৰদক্ষিণ কৰি।
স্বৰ্গক গৈলন্ত মোক সাদৰি ॥ ৩৬৯
মাতৃক ঋষি আশ্ৰমতে থৈলা।
আশ্বাস কৰি বুলিবেক লৈলা ॥
যাৱদেকে নাসে তোমাৰ স্বামী।
নিৰ্ভয়ে থাকিয়ো পালিবো আমি ॥ ৩৭০
শুনিয়া মাৱে ভয় পৰিহৰি।
থাকিলা ঋষিক শুশ্রূষা কৰি ॥
দায়ালু নাৰদ পিতৃ-সমান।
মাতৃক দিলন্ত পৰম জ্ঞান ॥ ৩৭১

ভক্তিৰ লক্ষণ সব কহিলা।
গৰ্ব্ভতে মোক উপদেশ দিলা॥
মাতৃ পাসৰিলা লভিয়া স্বামী।
ঋষিৰ প্ৰসাদে সুমৰো আমি॥ ৩৭২
কহিলো তোৰাত সবে স্বৰূপ।
জানি হিয়ে ধৰা কৃষ্ণৰ ৰূপ॥
আতপৰে ধৰ্ম্ম লোকত নাই।
কেতিখণে পড়ে ক্ষণিক কায়॥ ৩৭৩
এড়িওঁ আত অহম্মম ভাৱ।
দৃঢ় কৰি ধৰা কৃষ্ণৰ পাৱ॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে॥ ৩৭৪

---

ঘোষা॥ দুৰাচাৰ মন মোৰ ৰাম হৰি বোল।
ৰাম হৰি বোল ৰাম হৰি বোল॥ ৩১

পদ॥ কৃষ্ণৰ চৰণে হুইবে যিমতে ভকতি।
শুনা সাৱধানে তাক থিৰ কৰি মতি॥
বিষ্ণু ভকতৰ সঙ্গ লৈব প্ৰথমতে।
গুৰুমানি শুশ্ৰূষা কৰিব ভালমতে॥ ৩৭৫
লৈয়া-উপদেশ মাধৱক আৰাধিব।
যতেক সুকৃতি মানে কৃষ্ণতে অৰ্পিব॥
কৃষ্ণকথা শ্ৰৱণত শুদ্ধ হুই মন।
সৰ্ব্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন॥ ৩৭৬
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত॥

হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেৱেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ॥ ৩৭৭
হৰিৰ সেৱাত কিছু নাহিকে প্ৰয়াস।
আপুনি লৈছন্ত হৰি হৃদয়ত বাস॥
আপুনি জীৱৰ সাখা কৃষ্ণ কৃপাময়।
তাঙ্ক এড়ি সামান্যক সেৱে দুৰাশয়॥ ৩৭৮
ধন জন প্ৰাণ পুত্ৰ যত পৰিয়াৰ।
সমস্তে অবস্তু অণুমাত্ৰো নুহি সাৰ॥
হেন অনুমানি মাধৱত কৰা ৰতি।
ইহ পৰলোকে কৃষ্ণ-চৰণেসে গতি॥ ৩৭৯
নলাগে ভক্তি দেৱ দ্বিজ ঋষি হুইবে।
নলাগে সদৃত শাস্ত্ৰ বিস্তৰ জানিবে॥
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱলে কীৰ্ত্তনে তুষ্ট হন্ত নাৰায়ণ॥ ৩৮০
যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ দৈত্য ব্ৰজবাসী।
পক্ষী মৃগ বিষ্ণু ভৈলা কৃষ্ণক উপাসি॥
জানি সবে দৈত্য-শিশু হুয়ো একমতি।
কৃষ্ণত কৰিয়ো সবে একান্ত ভকতি॥ ৩৮১
এহিমাত্ৰ মহা পুৰুষাৰ্থ পুৰুষৰ
শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ॥
সমস্ত ভূতকে দেখিবেক নাৰায়ণ।
আতপৰে আন ধৰ্ম্ম সবে বিড়ম্বন॥ ৩৮২
হেন শুনি নিৰন্তৰে দৈত্যশিশুগণ।
প্ৰহ্লাদৰ উপদেশে ভেদিলেক মন॥

গুৰুৰ শিক্ষাত আৰ কেহো নেদে মতি।
ভাগৱত ধৰ্ম্মত সবাৰো ভৈলা ৰতি ॥ ৩৮৩
শুনে কৃষ্ণ-কথাক মনত চিন্তে হৰি।
ৰাম-নাম গায়ে বায়ে বেঢ়িয়া চাপৰি ॥
দেখি ক্রোধে ষণ্ডামৰ্কে দণ্ডি কৰে আনি।
তথাপি আটাস পাৰি বোলে ৰাম-বাণী ॥ ৩৮৪
অদ্ভুত দেখিয়া দুয়ো গুৰু গৈলা ডৰি।
দিলেক লৰড় প্ৰহ্লাদৰ হাতে ধৰি ॥
ৰাজাত বিনাৱে তয়ু পুত্ৰ ভৈলা নষ্ট।
আনো সব শিশুক কৰিলে সবে ভ্ৰষ্ট ॥ ৩৮৫
নপঢ়য় শাস্ত্ৰ আৰো প্ৰভু একো ছাত্ৰ।
মাৰণক নগণয় ৰাম বোলে মাত্ৰ ॥
আমাক দণ্ডিবা পাছে আসি দিলো জান।
বোলা হৰি হৰি হৌক পাপৰ নিৰ্য্যাণ ॥ ৩৮৬

---

ঘোষা ॥ ৰামপদে ভজ ভাই।
ঘুষিওঁ ৰাম সদায় ॥ ৩২

পদ ॥ হিৰণ্যকশিপু শুনিয়া হেন।
ক্রোধত আতি কাম্পে যম যেন ॥
ঝঙ্কাৰে মাথা কৰি আতি দৰ্প।
লাথি পাই যেন ফোফাই সৰ্প ॥ ৩৮৭
প্ৰহ্লাদ আছা অৱনত কায়।
কৃতাঞ্জলি কৰি পিতৃক চাই ॥

অসুৰে গৰ্জ্জয় কটাক্ষে চাই।
খাইবো আজি তোৰ মুণ্ড পুতাই ॥ ৩৮৮
শুনৰে অধম নগণ মোক।
দেখাইবো আজি যমপুৰী তোক ॥
ত্ৰিদশে কাম্পে দেখি মোৰ খঙ্গ।
কৰস কেনে তঞি আজ্ঞা ভঙ্গ ॥ ৩৮৯
শুনিয়া প্ৰহ্লাদে বাণী।
সবাতো বৰ প্ৰভু চক্ৰপাণি ॥
আছোক তুমি আমি কোন জন।
ব্ৰহ্মা আদি সেৱে যাৰ চৰণ ॥ ৩৯০
তেহেন্তে পৰম ঈশ্বৰ দেৱ।
বিষ্ণুত পৰে আন নাহি কেৱ ॥
আপুন মায়াৰ বলে অনন্তে।
স্ৰজন্ত-পালন্ত সংহাৰ অন্তে ॥ ৩৯১
জানি পিতৃ এড়া অসুৰ কাম।
আপুন মন কৰা উপশাম ॥
শত্ৰু মিত্ৰ সবে কৰিয়ো সম।
এহিসে কৃষ্ণৰ ভক্তি উত্তম ॥ ৩৯২
নিজিনি শৰীৰৰ শত্ৰুচয়।
জিনিলো দশোদিশ কেহো কয় ॥
জানিয়া পিতৃ এড়া অহঙ্কাৰ।
ভজিয়ো হৰিক কৰিলো সাৰ ॥ ৩৯৩
শুনিয়া হিৰণ্যে বোলে বচন।
জানিলো তোৰ মৰিবাক মন ॥

মোকে বিকৰ্থস অৰে বৰ্ব্বৰ।
মোত পৰে কোন আছে ঈশ্বৰ॥ ৩৯৪
পেহ্লাইবো কাটি হাতে খাণ্ডা ধৰি।
দেখো কেনমতে ৰাখই হৰি॥
হৰিসে যদি জগতৰ ঈশ।
কৈত আছে হৰি কহ উদ্দিশ॥ ৩৯৫
শুনিয়া প্ৰহ্লাদে বোলন্ত বাণী।
ব্যাপক বিভু প্ৰভু চক্ৰপাণি॥
সবাতে আছন্ত জগত স্বামী।
স্ফটিকৰ স্তম্ভে দেখোহো আমি॥ ৩৯৬
শুনি দৈত্যপতি দান্ত কামুৰি।
ডাবৰ খড়্গক লৈলা আজুৰি॥
আসনৰ পৰা আটোপে উঠি।
ভাঙ্গিলা স্তম্ভক হানিয়া মুঠি॥ ৩৯৭
তম্ভৰ ভিতৰে শুনিলে নাদ।
প্ৰলয় মেঘৰ যেন সম্বাদ॥
ফুটিল কটাহ ভৈল বিস্ময়।
ত্ৰিদশে বোলন্ত মিলে প্ৰলয়॥ ৩৯৮
যত বড়া দৈত্য আছে চৌপাশে।
কাম্পি পৃথিৱীত পড়িল ত্ৰাসে॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে॥ ৩৯৯

---

**পাঠান্তৰ:** মোত পৰে আছে আন (আউৰ) ঈশ্বৰ ॥ ৩৯৪-৪

ঘোষা ॥ ওঁ হৰি নৰহৰি হৰিয়ো কুমতি।
অন্তকালে হৰিৰ চৰণে গতি ॥ ৩৩

পদ ॥ শুনি দৈত্যেন্দ্ৰৰ ভৈল অন্তৰীক্ষ ধাতু।
কোনে দিলে আটাস নেদেখি তাৰ হেতু ॥
সত্য কৰিবাক লাগি নিজ ভৃত্যবাণী।
তম্ভতে দিলন্ত দেখা প্ৰভু চক্ৰপাণি ॥ ৪০০
অদ্ভুত দেখিয়া দৈত্যপতি ভৈল চুপ।
নুহি সিংহ নুহি ইটো মনুষ্যৰ ৰূপ ॥
ঘোৰ মূৰ্ত্তি ধৰি নৰসিংহ ভৈলা বাজ।
মহাত্ৰাসে কাম্পে দেখি দানৱ সমাজ ॥ ৪০১
তপ্ত সুৱৰ্ণৰ বৰ্ণ জ্বলে চক্ষু দুই ।
পৰ্ব্বত সমান কায় আছে স্বৰ্গ ছুই ॥
শৰীৰৰ লোম চন্দ্ৰসম শুক্লবৰ্ণ।
তুলি আছে উৰ্দ্ধক তবধ দুই কৰ্ণ ॥ ৪০২
বাইলা মুখ আতি গিৰি গহ্বৰ পৰায়।
প্ৰচণ্ড বতাস যেন নিশ্বাস বজায় ॥
প্ৰকাশয় কেশ শিৰে ৰবিৰ কিৰণ।
ভ্ৰূকুটি কুটিল মুখ বিকট দশন ॥ ৪০৩
লহ লহ কৰে জিহ্বা যেন ক্ষুৰ ধাৰ।
জ্বলে বাহু শত তীক্ষ্ণ নখে জাতিকাৰ ॥
বহল হৃদয় দীৰ্ঘ গ্ৰীৱা কৃশ কটি।
জিহ্বা মেলি আছা দুই দশন প্ৰকটি ॥ ৪০৪
হেন দেখি দৈত্যেন্দ্ৰে মনত গুণে ডৰি।
আমাক বধিবে হৰি আইল মায়া কৰি ॥

মনে বিমৰিষি পাছে গদাক উচাই।
দানৱ মাতঙ্গ গৈলা নৃসিংহক ধাই॥ ৪০৫
নেদেখিয় দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে।
লুকাই পতঙ্গ যেন অগনিৰ ঝাসে॥
ছিদ্ৰ চাই পাক ফুৰে দৈত্য দুৰাচাৰ।
নৃসিংহক দিলে ঘোৰ গদাৰ প্ৰহাৰ॥ ৪০৬
এড়াইলন্ত নৰসিংহে কাতি কৰি কায়
পাঞ্জৰত ফুৰে দৈত্য পতঙ্গ পৰায়॥
গদায় সহিতে ধৰিলন্ত দিয়া চাম্প।
গৰুড়ৰ হাতত বাজিল যেন সাপ॥ ৪০৭
এড়াইলা হাতৰ দৈত্য আৰি মুৰি কৰি।
লীলায় এড়িলা তাক আপুনি নৃহৰি॥
দেখি দেৱগণে আতি কৰে হৃদি খেদ।
হৰি হৰি নভৈল দুখৰ পৰিছেদ॥ ৪০৮
দৈত্যেশ্বৰে বোলে বল কটালিলো আৰ।
কৈক যাইবে নৰসিংহ কৰিবো দোহাৰ॥
এহি বুলি খাণ্ডা-বাৰু ধৰি সেহি ছেগে।
শ্ৰম কৰি পক্ষী যেন ধাইল মহাবেগে॥ ৪০৯
ঘোৰ নাদ তেজৈ অৰ্দ্ধে-উৰ্দ্ধে ফুৰে পাক।
বাৰুতে লুকায় কায় নাকলিয় তাক॥
প্ৰহাৰিবে লাগি ছিদ্ৰ চাহে মহাসুৰ।
বোলা হৰি হৰি পাপ হোক মষিমুৰ॥ ৪১০

ঘোষা ॥ হৰি ৰাম মুকুন্দ মুৰাৰি মোৰ গতি।
কৃষ্ণ কৃপা কৰা প্ৰভু ত্ৰাহি ৰঘুপতি। ৩৪

পদ ॥ দানৱ ফুৰন্তে যেৱে আছে।
দেখি খঙ্গে নৰসিংহে পাছে ॥
কম্পাই শিৰ কেশৰ উল্লাসি।
তুলিলা আটাস ঘোৰ হাসি ॥ ৪১১
স্বৰ্গকো ভেদিলা ঘোৰ ৰিঙ্গে।
বেগে জাম্প দিলা নৰসিংহে ॥
আলগতে দৈত্যক ধৰিল।
নাই মাত চেতন হৰিল ॥ ৪১২
সৰ্পে যেন ধৰিলা ইন্দুৰ।
নিশবদ দানৱ দন্দুৰ ॥
সাধিবাক লাগি দেৱকাজ।
দ্বাৰৰ কৰিল তাক বাজ ॥ ৪১৩
চিত কৰি উৰুত থাপিল।
নখে তাৰ হিয়া বিদাৰিল ॥
যেহেন সপক পাৱে ভিৰি।
গৰুড়ে পেহ্লাৱে ঠোটে ছিৰি ॥ ৪১৪
চক্ষু পকাই দৈত্য অস্তকাৰী।
চেলেকন্ত জিহ্বায় কৰাৰি ॥
ৰুধিৰে দিগিধ দেহা হুই।
শিৰত মেহ্ৰাইলা আন্ত দুই ॥ ৪১৫
দেখি দৈত্য কটক কিটাইল।
অস্ত্ৰ শস্ত্ৰ ধৰি ক্ৰোদ্ধে ধাইল ॥

নৃসিংহে পেহ্লাইলা দৈত্যেন্দ্ৰক।
গৈলা খেদি দানৱগণক ॥ ৪১৬
কাকো নখে কৰি দুই ছিৰ।
টোকৰে ছিগিলা কাৰো শিৰ ॥
কাকো গোড়ে মাৰি ঘৰাকাতি।
সংহৰিলা দানৱ পদাতি ॥ ৪১৭
দৈত্য জিনি তেজিলা আটাস।
পলাই দিগ্‌গজ হুয়া ত্ৰাস ॥
ঝঙ্কাৰন্ত শিৰৰ কেশৰ।
উড়াই সবে বিমান স্বৰ্গৰ ॥ ৪১৮
খলকি সাগৰ শ্বাস লাগি।
বেগত পৰ্ব্বত পড়ে ভাগি ॥
নৃসিংহৰ চৰণৰ গতি।
টলবল কৰে বসুমতী ॥ ৪১৯
চক্ষুৰ ৰশ্মিত ভৈলা ছন্ন।
নিষ্প্ৰভ সমস্তে গ্ৰহগণ ॥
দৈত্যেন্দ্ৰৰ দিব্য সিংহাসনে।
বসিলা নৃসিংহ কোপমনে ॥ ৪২০
খুজি আৰ নপান্ত যুঁজাৰ।
ক্ৰোদ্ধে মুখ দেখি অন্ধকাৰ ॥
দেখি ত্ৰিজগতে ভৈলা ভয়।
আজি যোনো মিলয় প্ৰলয় ॥ ৪২১
শুনি পাছে দৈত্যৰ নিৰ্য্যাণ।
ৰঙ্গে আইল দেৱৰ বিমান ॥

জোকাৰন্ত আকাশক ছানি।
কৰে দেৱে দুন্দুভিৰ ধ্বনি ॥ ৪২২
দেৱৰ সুন্দৰীগণে আসি।
পুষ্প বৰিষন্ত হাসি হাসি ॥
প্ৰধান গন্ধৰ্ব্বে গীত গায়ে।
বিদ্যাধৰে মৃদঙ্গ বজায়ে ॥ ৪২৩
অপেস্বৰাগণে কৰে নৃত্য।
ভৈলন্ত ত্ৰিদশ কৃতকৃত্য ॥
কহে কৃষ্ণ কিঙ্কৰ শঙ্কৰে।
বোলা হৰি হৰি নিৰন্তৰে ॥ ৪২৪

---

ঘোষা ॥ হৰি মাধৱ মধুৰিপু মুৰাৰি ৰাম।
কৃষ্ণৰ চৰণে কৰো পড়িয়া প্ৰণাম ॥ ৩৫

পদ ॥ অনন্তৰে শিৰত ধৰিয়া কৃতাঞ্জলি।
ব্ৰহ্মা ৰুদ্ৰে আদি দেৱগণ আইলা চলি ॥
বৈকুণ্ঠৰপৰা পাৰিষদগণে আসি।
থাকি গৈলা নৃসিংহৰ চৌপাশে উপাসি ॥ ৪২৫
পৃথকে পৃথকে স্তুতি কৰিবাক লৈলা।
প্ৰথমতে ব্ৰহ্মা কৰযোৰে আগ ভৈলা ॥
প্ৰণামো অনন্ত তুমি দুৰন্ত শকতি।
লীলায়ে সংহৰি প্ৰভু কৰা সৃষ্টি স্থিতি ॥ ৪২৬
কমনে জানিবো তযু বীৰ্য্য পৰাক্ৰম।
এহি বুলি ব্ৰহ্মাদেৱ পড়িল নিজম ॥

অনন্তৰে শঙ্কৰে বুলিলা স্তুতি-বাণী।
মাৰিলা অসুৰ ইটো আমি অল্প প্ৰাণী॥ ৪২৭
তোমাৰ কোপতে হোৱে জগতে প্ৰলয়।
ভক্ত প্ৰহ্লাদক প্ৰভু পালিবে লাগয়॥
এহি বুলি মহাদেৱ থাকিলা নিচুকি।
আগবাঢ়ি ইন্দ্ৰে স্তুতি কৰিলা উৎসুকি॥ ৪২৮
দৈত্যে আক্ৰমিলে প্ৰভু আমাৰ হৃদয়।
সোপনে সচেতে আমি দেখো দৈত্যময়॥
দানৱক মাৰি প্ৰভু গুচাইলা দুৰ্গতি।
কোননো নসাধে প্ৰভু তোমাৰ ভকতি॥ ৪২৯
ঋষিগণে নমি বোলে ভৈল মহা ৰঙ্গ
কৰিলেক পাতকী আমাৰ তপভঙ্গ॥
তাক বধি সাধিলা আমাৰ মনোৰথ।
থাপিলা দুনাই জগন্নাথ ধৰ্ম্মপথ॥ ৪৩৪
পিতৃগণে নমি নৃসিংহক বোলে বাক।
পুত্ৰগণে দেয় শ্ৰাদ্ধ যতেক আমাক॥
দৈত্যেন্দ্ৰে আপুনি ভুঞ্জে সবে কাঢ়ি নিয়া।
কিনো ৰঙ্গ ভৈলো তাৰ বিদাৰিলা হিয়া॥ ৪৩১
নাগগণে বোলে নৃসিংহক আগবাঢ়ি।
ভাল ভাল স্ত্ৰীক সবে আনিলেক কাঢ়ি॥
সাধিলা আনন্দ তাৰ হৃদয় বিদাৰি।
প্ৰণামো অনন্ত ভকতৰ ভয়হাৰী॥ ৪৩২
বৈতালিকগণে বোলে শুনিওঁ গোসাঁই।
দেৱৰ সভাত ফুৰো তযু গুণ গাই॥

তাকো নিষেধিলে দুষ্ট দানৱ দুৰ্ব্বাৰে।
তাক মাৰি ব্যাধি যেন গুচাইলা আমাৰে॥ ৪৩৩
পাৰিষদগণে বোলে চৰণে নমিলোঁ।
তোমাৰ নৃসিংহ ৰূপ আজিসে দেখিলোঁ॥
তযু ভৃত্য ইটো দৈত্য ভৈলা শাপ পায়া।
নমাৰিলা আক প্ৰভু কৰিলাহা দায়া॥ ৪৩৪
এহিমতে আনো দেৱে কৰিলন্ত স্তুতি।
যুধিষ্ঠিৰ ৰাজাত নাৰদ নিগদতি॥
তথাপি নুগুচে নৃসিংহৰ মহাক্ৰোধ।
দেখি দেৱগণে দেই লক্ষ্মীক প্ৰবোধ॥ ৪৩৫
স্বামীৰ গুচায়ো কোপ জগতৰ মাৱ।
শুনি লক্ষ্মীদেৱী উঠি চালিলন্ত গাৱ॥
নৃসিংহৰ মহা ভয়ঙ্কৰ ৰূপ দেখি।
ডৰে উলটিয়া দেৱী মুন্দিলন্ত আখি॥ ৪৩৬
পাছে প্ৰহ্লাদক ব্ৰহ্মা লগাইলন্ত মাত।
নৃসিংহৰ কোপ বাপ কৰা উপশান্ত॥
পৰম ভকত তঞি হিৰণ্যতনয়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয়॥ ৪৩৭

---

ঘোষা॥ ওঁ হৰি ৰাম নাৰায়ণ যাদৱানন্দ
দূৰ কৰা মোৰ মায়া।
বিষয় ব্যাধিৰ ঔষধ মাগো
ভকতি অমিয়া॥ ৩৬

ছুলড়ী ॥ ব্ৰহ্মাৰ বচন সাদৰি প্ৰহ্লাদ
ধীৰে ধীৰে গৈলা চলি।
ভূমিত পড়িয়া কৃষ্ণক নমিলা
শিৰে ধৰি কৃতাঞ্জলি ॥
পাৱত পড়িয়া আছয় প্ৰহ্লাদ
দেখি নৰসিংহে হাসি।
স্নেহত স্ৰৱিল নয়নৰ নীৰ
তুলিলা হাতে উল্লাসি ॥ ৪৩৮
হস্তপদ্ম তলে পৰশিল শিৰ
পৰম নিৰ্ভয় দিয়া।
দেখি প্ৰহ্লাদৰ তনু ৰোমাঞ্চিত
আনন্দে নধৰে হিয়া ॥
হৰিষে লোতক স্ৰৱে প্ৰহ্লাদৰ
চৰণ চিন্তিয়া আছে।
জুৰি দুই হাত গদগদ মাত
স্তুতি কৰিলন্ত পাছে ॥ ৪৩৯
ব্ৰহ্মা সিদ্ধ মুনি আজিয়ো নজানে
পূজিবে তোমাৰ পাৱ।
কিবা স্তুতি নতি কৰিবোহো আমি
অসুৰ ক্ৰূৰ স্বভাৱ ॥
ধন জন তপ প্ৰভাৱে তোমাক
আৰাধিবে শখ্য নাই।
গজেন্দ্ৰে কেৱলে ভকতি কৰিলে
পৰম আপদ পাই ॥ ৪৪০

যিসব চাণ্ডালে কায় বাক্য মনে
সদায় স্মৰে হৰি।
আছে বাত্ৰব্ৰত যিটো ব্ৰাহ্মণৰ
সিসিস শ্ৰেষ্ঠ তাতো কৰি॥
যিটো মহা গৰ্ব্বে বিপ্ৰে আপুনাক
পৱিত্ৰ কৰিবে নাৰে॥
ভকত চাণ্ডালে আপোনাক তাৰে
পুৰুষ সবে উদ্ধাৰে॥ ৪৪১
তুমি জগজীৱ তোমাক পূজিলে
মিলে আপুনাত যাই।
যেন মুখ শ্ৰীক প্ৰতিবিম্ব মুখে
দেখিয়ে দৰ্পণ চাই॥
হেন জানি মঞি মতি অনুসাৰে
ভজিলো তোমাৰ পাৱ।
ব্ৰহ্মা আদি দেৱ- গণো ডৰে মৰে
এড়িওঁ ক্ৰোদ্ধ স্বভাৱ॥ ৪৪২
ভয়ঙ্কৰ কোপ দেখিয়া তোমাৰ
প্ৰভু মোৰ ভই নাই।
সংসাৰ চক্ৰৰ নিকাৰ দেখন্তে
সদায় ধাতু উড়াই॥
তোমাৰ চৰণ ছত্ৰৰ ছায়াক
কৈসানিনো নিবা মোক।
কহিয়ো উপায় কিমতে এৰাই
নিদাৰুণ দুখ শোক॥ ৪৪৩

তযু হস্তপদ্ম শিৰে দিলা মোৰ
কি ভৈল আতি আহ্লাদ।
ব্ৰহ্মা হৰ লক্ষ্মী দেৱী নতু পান্ত
তেসম্বো হেন প্ৰসাদ ॥
সমস্ত ভূতৰে তুমিসি আতমা
সুহৃদ পৰম গুৰু।
তথাপি সেৱাৰ অনুৰূপে কৃপা
কৰা যেন কল্পতৰু ॥ ৪৪৪
কিমতে ভকতি কৰো পঞ্চেন্দ্ৰিয়ে
পঞ্চ দিগি লাগি ধৰে।
যেন গৃহস্থক অনেক সপত্নী-
সকলে আকুল কৰে ॥
ভৱ বৈতৰণী মাজে মজিলোহোঁ
নেড়ে মোক শোক ভয়।
তোমাৰ চৰণে শৰণ লৈলোহোঁ
কৃপা কৰা কৃপাময় ॥ ৪৪৫
আৰো বহুবিধ স্তুতি কৰি আগে
প্ৰহ্লাদ পড়িয়া আছে।
ভৈলন্ত প্ৰসন্ন ক্ৰোদ্ধভাৱ এড়ি
হৰি হাসিলন্ত পাছে ॥
প্ৰহ্লাদক চাই আনন্দে বোলন্ত
তিনিয়ো লোকৰ স্বামী।
বোলা হৰি হৰি পাপ দূৰ কৰি
হুয়োক বৈকুণ্ঠগামী ॥ ৪৪৬

ঘোষা ॥ স্বামী ৰাম নেড়ো আৰ চৰণ তোমাৰ।
দূৰ কৰা সংসাৰ নিকাৰ ॥ ৩৭

পদ ॥ বোলন্ত প্ৰহ্লাদ উঠ উঠ।
তোৰ ভক্তি ভৈলো মহা তুষ্ট ॥
লৈয়ো বৰ তোৰ যেন মন।
ব্যৰ্থ নুহি মোৰ দৰিশন ॥ ৪৪৭
মোক দেখিলেক যিটো জন।
নাহি তাৰ পুনৰাগমন ॥
ভকতৰ পূৰো মনোৰথ।
দেঞ কাম মোক্ষ ধৰ্ম্ম অৰ্থ ॥ ৪৪৮
এহি বুলি প্ৰলোভন্ত বৰে।
নবাঞ্ছন্ত প্ৰহ্লাদ কুমাৰে ॥
ভক্তিসি পৰম লাভ জানি।
বিষ্ণুক বোলন্ত হাসি বাণী ॥ ৪৪৯
জানো প্ৰভু পৰীক্ষা আমাক।
সিহেতু বুলিলা হেন বাক ॥
বাঞ্ছে ফল কৰি তযু কৃত্য।
সিটো বাণিজ্যৰ নুহি ভৃত্য ॥ ৪৫০
তোমাৰ অকাম ভৃত্য আমি।
তুমিয়ো নিষ্কাম মোৰ স্বামী ॥
নাহি কাম আমাৰ অন্যথা।
নুহি ৰাজ-সেৱকৰ যথা ॥ ৪৫১
শুনি নৰসিংহে হাসিলন্ত।
জানো তঞি ভকত একান্ত ॥

তথাপিতো ইটো মন্বন্তৰ।
হুয়া থাকা দৈত্যৰ ঈশ্বৰ॥ ৪৫২
শুনিবি সদায় মোৰ কথা।
মোৰ ৰূপ চিন্তিবি সৰ্ব্বথা॥
কীৰ্ত্তনে পলাইবে পাপচয়।
ভোগ ভুঞ্জি পুণ্য কৰা ক্ষয়॥ ৪৫৩
তোৰ যশে ব্যাপিবে জগতে।
ৰাত্রি দিনে মোক সুমৰন্তে॥
সবে কৰ্ম্মবন্ধে হুইবা হীন।
অন্তকালে মোত যাইবা লীন॥ ৪৫৪
তোৰ মোৰ কথা যিটো নৰে।
তোক মোক সময়ত স্মৰে॥
সিয়োজনে মোক পাইবে আসি।
প্ৰহ্লাদে মাতিলা পাছে হাসি॥ ৪৫৫
তযু পাৰে মাগো এক বৰ।
তুমি প্ৰভু জগত ঈশ্বৰ॥
তোমাক নিন্দিলে পিতৃ মোৰ।
সিজিল পাতেক মহাঘোৰ॥ ৪৫৬
তাত হন্তে পিতৃ নিস্তৰোক।
এতেক প্ৰসাদ দিয়ো মোক॥
তুমি দীন দায়াশীল দেৱ।
তোমাৰ চৰণে কৰো সেৱ॥ ৪৫৭
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
নেড়িবা কীৰ্ত্তন একো নৰে॥

আজি কালি মিলিবে মৰণ।
হৰি হৰি বোলা সৰ্ব্বজন॥ ৪৫৮

---

ঘোষা॥ ওঁ হৰি নমো দামোদৰ,
যাদব দুখ নিবেদিবো কত।
নভৈল ভকতি ইটো মনুষ্য জন্মত॥ ৩৮

পদ॥ নৃসিংহে বোলন্ত হাসি শুনিয়ো প্ৰহ্লাদ।
দিবাক নলাগে তোক ইসব প্ৰসাদ॥
পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ।
একৈশ পুৰুষ তাৰ হৈবেক নিস্তাৰ॥ ৪৫৯
যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।
কীট পতঙ্গকো তথা কৰয় পৱিত্ৰ॥
নকৰে প্ৰাণীক হিংসা নাহি একো স্পৃহা।
আমাতে অৰ্পণা কৰে আপুনাৰ দেহা॥ ৪৬০
ভকততে শ্ৰেষ্ঠ তঞি পাইলি বাঞ্ছা সিদ্ধি।
কৰিয়ো পিতৃৰ প্ৰেত কাৰ্য্য যেন বিধি॥
মোতে চিত্ত দিয়া কাৰ্য্য কৰিয়ো সন্তোষে।
তেৰে কি কৰিবে আৰ সংসাৰৰ দোষে॥ ৪৬১
নৃসিংহৰ আদেশে প্ৰহ্লাদ দৈত্যৰাজ।
কৰিলেক পিতৃৰ যতেক প্ৰেতকাৰ্য্য।
ব্ৰহ্মায়ে দেখন্ত পাছে নৃসিংহ প্ৰসন্ন।
ত্ৰিদশে সহিতে উঠি বুলিলা বচন॥ ৪৬২

দৱ দেৱ জগন্নাথ কৰো নমস্কাৰ।
পাপিষ্ঠক মাৰি প্ৰীতি সাধিলা আমাৰ॥
যাতে বৰ পায়া কাকো কটাক্ষো নকৰে।
আচৰিল দ্ৰোহ মহা দৈত্যে জগতৰে॥ ৪৬৩
তাহাৰ তনয় মহা বৈষ্ণৱ প্ৰহ্লাদ।
গুচাইল তোমাৰ ক্ৰোধ মিলাইল আহ্লাদ॥
নৃসিংহে বোলন্ত ব্ৰহ্মা শুনিয়ো উত্তৰ।
আউৰ বাৰ দৈত্যক নিদিবা হেন বৰ॥ ৪৬৪
স্বভাৱে দুৰ্জ্জন দৈত্য একোৱে নমানে।
যেন বিষ বাঢ়য় সৰ্পৰ দুগ্ধ পানে॥
এহি বুলি নৰসিংহ ভৈলা অন্তৰ্দ্ধান।
প্ৰহ্লাদে কৰিলা ত্ৰিদশক বহু মান॥ ৪৬৫
প্ৰথমতে ব্ৰহ্মাক নমিলা দৈত্যেশ্বৰ।
শঙ্কৰকো নমিলন্ত তাত অনন্তৰ॥
জানন্ত বিষ্ণুৰ অংশ আনো যত দেৱ।
একে থানে সবাকে কৰিলা পৰি সেৱ॥ ৪৬৬
পাছে শুক্ৰ আদি কৰি মুনিগণ যত।
উঠিলন্ত ব্ৰহ্মা লৈয়া সবাক লগত॥
প্ৰহ্লাদক কৰিলেক ৰাজ্য অভিষেক।
দিলা সবে অধিকাৰ পিতৃৰ যতেক॥ ৪৬৭
দৈত্য দানৱৰ ৰাজা ভৈলন্ত প্ৰহ্লাদ।
স্বৰ্গ গৈলা দেৱগণ দিয়া আশীৰ্ব্বাদ॥
শুকমুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
কহিলো তোমাত সবে প্ৰহ্লাদ চৰিত্ৰ॥ ৪৬৮

নৃসিংহৰ লীলা ইটো বধ দৈত্যেন্দ্ৰৰ।
প্ৰহ্লাদৰ পুণ্যকথা শুনে যিটো নৰ॥
তাহাৰ মৃত্যুৰ হন্তে নাই আৰ ত্ৰাস।
অপ্ৰয়াসে ছিণ্ডে সংসাৰৰ কৰ্ম্মপাশ॥ ৪৬৯
শুনা সৰ্ব্বজনে কহে কৃষ্ণৰ কিঙ্কৰে।
নাহি আন ধৰ্ম্ম আৰ কীৰ্ত্তনত পৰে॥
বৈকুণ্ঠক যাইবা যেৱে যাতনাক তৰি।
নিৰন্তৰে ডাকিয়া ঘুষিওঁ হৰি হৰি॥ ৪৭০
নমো নমো নাৰায়ণ সংসাৰ কাৰণ।
যোগীগণে সেৱা কৰে যাহাৰ চৰণ॥
যাহাৰ মায়াৰ গতি নজানন্ত কেৱ।
হেন হৰি চৰণে কৰিলো মঞি সেৱ॥ ৪৭১
কৃষ্ণ-পদ যুগল ধৰিয়া এক মনে।
কৃষ্ণৰ কীৰ্ত্তন কৰিয়োক সৰ্ব্বজনে॥
হেন জানিয়োক হৰি-চৰণেসে গতি।
প্ৰহ্লাদ চৰিত্ৰ এহিমানে সমাপতি॥ ৪৭২

॥ প্ৰহ্লাদ চৰিত্ৰ সমাপ্ত ॥

---

সাঁচিপাতত থকা 'প্রহ্রাদ' আৰু 'সণ্ডামৰ্ক' যথাক্ৰমে 'প্ৰহ্লাদ' আৰু 'ষণ্ডামৰ্ক' লিখা হৈছে।

সপ্তম ভাগ

# গজেন্দ্রোপাখ্যান

ঘোষা ॥ ৰাম ৰাম ৰাম। হৰি ৰাম ৰাম ॥ ৩৯

পদ ॥ ৰাজাক সাদৰি মুনি বুলিলা বচন।
শুনা পৰীক্ষিত কুৰুকুলেৰ নন্দন ॥
পৰম মধুৰ মাধৱৰ গুণচয়।
শুনা সাৱধানে হৌক পাপৰ প্ৰলয় ॥ ৪৭৩
ক্ষীৰ সাগৰৰ মাজে ত্ৰিকুট পৰ্ব্বত।
প্ৰকাশন্তে আছে তিনি লোকত বেকত ॥
সুৱৰ্ণ ৰজত লোহা জলে তিনি শৃঙ্গ।
চক্ষুত চমক লাগে দেখিতে বিৰিঙ্গ ॥ ৪৭৪
আনো যত শৃঙ্গ ৰত্নে কৰে তিৰিমিৰি।
দশোদিশ প্ৰকাশিয়া শোভে শুক্ল গিৰি ॥
অযুত যোজন জুৰি আছে গিৰিবৰ।
উচ্ছিত দেখিয় দশ হাজাৰ প্ৰহৰ ॥ ৪৭৫
ক্ষীৰ সাগৰৰ ঢৌ চৌভিতি উথলে।
পখালে পৰ্ব্বত সুশীতল গন্ধ-জলে ॥
থানে থানে আছে ভুমি অনেক উদ্যান।
ফুলে জকমক গন্ধে নাহিকে সমান ॥ ৪৭৬
নদী নদ অশেষ বিশেষ সৰোবৰ।
ফটিক নিৰ্ম্মল জল দেখি মনোহৰ ॥
বিদ্যাধৰীসবে স্নান কৰে অনুক্ষণ।
পদ্মিনী সবৰ বাসে সুগন্ধি চন্দন ॥ ৪৭৭

পৰম আমোদ গন্ধ উথলে সদায় ।
দশোদিশ জুৰি তাৰ বায়ু বহি যায় ॥
দেখি সুশোভন তৰু যত উপবনে ।
যাত নিতে ক্রীড়ে দেৱ দিব্য নাৰীগণে ॥ ৪৭৮
শাল তাল তমাল মন্দাৰ পাৰিজাত ।
চম্পক অশোক আনো পুষ্প অসংখ্যাত ॥
আম জাম লেম্বু জৰা জামীৰ খাজুৰী ।
বেল নাৰিকেল কল তাম্বুল পাকৰি ॥ ৪৭৯
অগৰু চন্দন পদ্ম সৰল সোণাৰু ।
আনো যত তৰু তৃণ সবে কল্পতৰু ॥
ষড়ঋতু এককালে হৱন্ত উদয় ।
ভ্রমৰে গুঞ্জৰে কুলি পঞ্চম পূৰয় ॥ ৪৮০
বহয় মলয়া বায়ু আমোদিত মন ।
নৃত্য গীত কৰে তৈতে অপেস্বৰাগণ ॥
হৰি গুণ গীত গায়ে গন্ধৰ্ব্ব কিন্নৰে ।
পাপ দূৰ হোক হৰি বোলা নিৰন্তৰে ॥ ৪৮১

—॥ ১ ॥—

ঘোষা ॥ ৰাম দামোদৰ হৰে ।
প্রভু সেৱকে কাতৰ কৰে ॥ ৪০

পদ ॥ বনৰ সিটো বিতোপন নাম ।
কহিলো যাহাৰ নাহি উপাম ॥
তাহাৰ মাজে সৰোবৰ এক ।
সাগৰ সঙ্কাশ দেখি প্রত্যেক ॥ ৪৮২

সুৱৰ্ণময় পদ্মে আছে জড়ি।
ভ্ৰমৰে মধু পিঐ তাত পড়ি॥
ৰাজহংস আদি যতেক পক্ষী।
পড়ি পড়ি থাকে নযাই উপেক্ষি॥ ৪৮৩
কুমুদ সিন্ধি উতপল ফুল।
ফুলি আছে গন্ধে নাহিকে তুল॥
চৌভিতি বেঢ়ি আছে উপবনে।
কহিবে তাৰ নাম কোনজনে॥ ৪৮৪
কদম্ব ৰঘু নাগেশ্বৰ গাছে।
ফুলে জকমক বেঢ়িয়া আছে॥
মালতী মধাই জাই যুতি যত।
পাৰিজাত মুখ্য বৃক্ষ সমস্ত॥ ৪৮৫
বহয় মলয়া বসন্ত বায়।
কোকিলে ঘনে ঘনে কাঢ়ে ৰায়॥
সেহি বনমাজে গজেন্দ্র আছে।
অনেক হস্তী ফুৰে আগে পাছে॥ ৪৮৬
যতেক বৃক্ষ বেত্ৰ বাঁস খৰি।
ফুৰন্তে ভাঙ্গি নেই মড়মড়ি॥
যাৰ গন্ধ পাই সিংহ পলাই।
যতেক পশু ডৰে জীউ থাই॥ ৪৮৭
মদ-জল ধাৰেই বহিয়া যাই।
ভ্ৰমৰে যাক সেৱে সৰ্ব্বদাই॥
চৰন্তে ফুৰন্তে ক্ৰীড়ন্তে যাই।
ৰহিল গজেন্দ্রে ভাগৰ পাই॥ ৪৮৮

দুই গুণে পীড়িলে ৰবি কিৰণে।
লড়িলা দুনাই জলপান মনে॥
পৰ্ব্বত কাম্পে গজেন্দ্ৰৰ ভিৰে।
পদ্মৰ গন্ধ পাইল জল-তীৰে॥ ৪৮৯
চৌভিতি হস্তী-মাঝে গজৰাজে।
পশিলা ৰঙ্গে সবে জলমাঝে॥
পদ্মৰ গন্ধে সুগন্ধিত জল।
পিলেক তৃষায়ে হুয়া বিকল॥ ৪৯০
অগাধ জল আতিশয় জুৰ।
গজেন্দ্ৰে ঘনে ঘ'ন পাৰে বুৰ॥
হস্তিনী সমে কৰে জল-ক্ৰীড়া।
খণ্ডিল সমস্তে ৰৌদ্ৰৰ পীড়া॥ ৪৯১
হস্তী-হস্তিনীক কৰাৱে স্নান।
পিয়াৱে জল গৃহস্থৰ ঠান॥
দায়ায়ে পুত্ৰ ভাৰ্য্যা সমে ৰঙ্গে।
গৰ্ব্বে জলক্ৰীড়া কৰে মাতঙ্গে॥ ৪৯২
বিষয় সুখত ভৈলেক ভোল।
নেদেখে মৃত্যু আসি পাইলে কোল॥
জলত গজেন্দ্ৰ ক্ৰীড়ে উৎসাহে।
দেখিল তাক পাছে মহা গ্ৰাহে॥ ৪৯৩
ক্ৰোধে ধায়া আসি দিলে কামোৰ।
সিবেলা দুইহানো ভৈল আজোৰ॥
গজেন্দ্ৰক গ্ৰাহে আজোৰে টানে।
হস্তীয়ো গ্ৰাহক টানিয়া আনে॥ ৪৯৪

যতেক বল আছে যানে দিল।
গ্ৰাহ গজেন্দ্ৰৰ যুদ্ধ মিলিল॥
দেখিয়া দুইৰ যুদ্ধ বিপৰীত।
ত্ৰিদশ দেৱ ভৈলা ভয়ে ভীত॥ ৪৯৫
দেখিলা সবে আতি অসদৃশ।
যুদ্ধতে সহস্ৰ গৈল বৰিষ॥
জগতে আছে এক দৃষ্টি কৰি।
কৃষ্ণ বুলি যায়ো সংসাৰ তৰি॥ ৪৯৬

— ॥ ২ ॥ —

ঘোষা ॥ কৃষ্ণ ৰাম জগবন্ধু, জয় জগন্নাথ।
তোমাৰ চৰণ বন্দি ৰৌক মোৰ মাথ॥ ৪১

পদ ॥ শুক নিগদতি কথা শুনা নৃপবৰ।
মিলিল অদ্ভুত যুদ্ধ গ্ৰাহ-গজেন্দ্ৰৰ॥
আকাশত দেৱগণে দেখন্ত বিস্ময়।
গ্ৰাহ গজেন্দ্ৰৰ কাৰো নাহি ভঙ্গ জয়॥ ৪৯৭
কতোকালে গজেন্দ্ৰৰ বল ভৈল হানি।
গ্ৰাহৰ বাঢ়িল বল পিয়া স্বাদ পানী॥
শ্ৰান্ত ভৈলা গজৰাজ যুঁজিতে নপাৰে।
চিহৰে হস্তিনীচয় বেঢ়ি চাৰি পাৰে॥ ৪৯৮
আনো যত দান্তাল স্বামীৰ ঘোৰ দুখে।
ৰাখিতে নপাৰে কাৰো বাক্য নাসে মুখে॥
দেখিলা গজেন্দ্ৰে আপুনাৰ মৃত্যুভয়।
ৰাখিবে নপাৰে, আৰ ভাৰ্য্যা-পুত্ৰচয়॥ ৪৯৯

সঙ্কট বেলাত্ত তাৰ সদবুদ্ধি ভৈল।
কি ভৈল কি ভৈল বুলি গুণিবাক লৈল॥
আমি হেন গজেন্দ্ৰ জগতে যাক কহে।
মহাগৰ্ব্বে ভ্ৰমন্তে পাইলেক জলগ্ৰাহে॥ ৫০০
সহস্ৰ বৎসৰ যিটো যুঁজে অপ্ৰয়াসে।
জানিলোহো বন্দী ভৈলো বিধাতাৰ পাশে॥
আমাক ৰাখিবে আৰে কমন বান্ধৱে।
অন্তকালে গতি মোৰ কেৱলে মাধৱে॥ ৫০১
মহা বলৱন্ত কাল ভুজঙ্গক ভয়।
যাক সেৱা কৰন্ত সদায় যোগিচয়॥
পলাই জগতৰ মৃত্যু যি প্ৰভুক ডৰে।
যাক ভয়ে চন্দ্ৰ-সূৰ্য্য পৱন সঞ্চৰে॥ ৫০২
হেন জগন্নাথ অনাথৰ ইষ্টদেৱ।
হৰি বিনে আৰৰ তাৰন্তা নাহি কেৱ॥
এহি বুলি মৰণত নভৈলা বিকল।
শুণ্ডে মেৰায় ধৰিলন্ত সুৱৰ্ণ কমল॥ ৫০৩
পৰম আনন্দে মাধৱত দিয় চিত্ত।
গজেন্দ্ৰে কৰিলা স্তুতি আতি বিপৰীত॥
যাক শুনি তৰি ভৱ নৰক দুৰ্ঘোৰ।
অন্তকালে মাধৱ বান্ধৱ গতি মোৰ॥ ৫০৪
শুণ্ডে মেৰাই পদ্মগোট উপৰক তুলি।
কৃষ্ণত শৰণ লৈলা ত্ৰাহি হৰি বুলি॥
তাক শুনি ভকত বৎসল কৃপাময়।
চক্ৰ তুলি গজেন্দ্ৰক বুলিলা নিৰ্ভয়॥ ৫০৫

আথেবেথে চলিলন্ত গৰুড়ৰ স্কন্ধে।
ভকতক ৰাখিবাক আসিলা প্ৰৱন্ধে॥
গৰুড়ৰ নামি ভূমি পৰম বিক্ৰমে।
শুণ্ডে ধৰি তৰক তুলিলা গ্ৰাহে সমে॥ ৫০৬
চক্ৰ ধৰি তেখনে ছিৰিলা গ্ৰাহমুখ।
হৰিৰ প্ৰসাদে গজেন্দ্ৰৰ গৈল দুখ॥
হস্তী গুচি তৈতে চতুৰ্ভুজ ৰূপ ভৈলা।
গলে বনমালা হাতে চাৰি অস্ত্ৰ লৈলা॥ ৫০৭
কৰিলা প্ৰণাম পাছে দণ্ডৱতে পড়ি।
পাৰিষদ হুয়া বৈকুণ্ঠক গৈলা লৰি॥
কৃষ্ণ দৰশনে গ্ৰাহো শাপক নিস্তৰি।
দিব্যৰূপ ধৰিয়া স্বৰ্গক গৈলা লৰি॥ ৫০৮
শুনা কৃষ্ণ-কথা জন্ম নকৰিয়ো বৃথা।
হৰিৰ চৰিত্ৰ আত নাহি অন্যৰথা॥
দুৰ্ল্লভ মনুষ্য জন্ম পাই কত ভাগে।
সত্বৰে সংসাৰ সিন্ধু তৰিবাক লাগে॥ ৫০৯
যত ধন জন সবে বিষ্ণু মায়া।
আকাশত প্ৰকাশে মেঘৰ যেন ছায়া॥
কৃষ্ণ-কথা শ্ৰৱণ-কীৰ্ত্তনে ভৱতৰি।
হেন জানি সদায়ে ঘুষিয়ো হৰি হৰি॥ ৫১০

॥ গজেন্দ্ৰোপাখ্যান সমাপ্ত ॥

— ॥ ৩ ॥—

অষ্টম ভাগ

## হৰমোহন

ঘোষা ॥ মুখে বোল ৰাম কৃষ্ণ সনাতন হৰি।
হৰি-হৰ লীলা কথা শুনা কর্ণ ভৰি। ৪২

পদ ॥ পৰীক্ষিত ৰাজাত বদতি মুনি শুকে।
শুনা কৃষ্ণ-কথা কহে পৰম উৎসুকে ॥
বিপৰীত স্ত্রী-মায়া দেখি মাধৱৰ।
শুনা যেনমতে কামাতুৰ ভৈলা হৰ ॥ ৫১১
শুনিলন্ত হৰে পাছে কথা বিপৰীত।
স্ত্রী-ৰূপ ধৰি হৰি হৰিলা অমৃত ॥
দেৱক ভুঞ্জাইলা দানৱৰ আশা ভঙ্গ।
শুনি ত্রিনয়নৰ মনত মহাৰঙ্গ ॥ ৫১২
নয়নে দেখিবো বিষ্ণু ভৈলা যেন নাৰী।
এহি বুলি বৃষভত চড়ি ত্রিপুৰাৰি ॥
লগ লাগি উমাযো বসিলা স্বামী কাছে।
দেখি নন্দী আদি কৰি যত ভূত আছে ॥ ৫১৩
কৈলাস ছানিয়া সবে কোবাবে নিশান।
দণ্ড ছত্রে বাদ্যে ভণ্ডে ধৰিলা যোগান ॥
আকাশৰ পথে গৌৰীনাথ গৈল লড়ি।
বিষ্ণুৰ পুৰীক আণ্টাইলেক দৰদৰি ॥ ৫১৪
বৃষভৰ নামি হৰ আৰো গৌৰীমায়।
বিষ্ণুক আদৰি দুয়ো ভৈলা ভূ'মপায় ॥
মাধৱৰ মন্দিৰক দূৰতে আকলি।
প্রণামিলা শঙ্কৰে কৰিয়া কৃতাঞ্জলি ॥ ৫১৫

বস্তুৰ মন্দিৰে স্বৰ্ণৰ সিংহাসনে।
কৰন্ত প্ৰকাশ বসি দেৱ নাৰায়ণে॥
সুনন্দ কুমুদ নন্দ পাৰিষদগণে।
চতুৰ্ভিতি বেঢ়ি সেৱে কৃষ্ণৰ চৰণে॥ ৫১৬
জগত জননী লক্ষ্মী আছন্ত উপাসি।
শঙ্কৰক দেখি প্ৰভু তুলিলন্ত হাসি॥
বসিবাক লাগি বঢ়াই দিয়াইলা আসন।
সভাৰ্য্যে বসিলা তাতে দেৱ ত্ৰিনয়ন॥ ৫১৭
আদৰিলা হৰি যেন বিধি ব্যৱহাৰ।
কৰিলা পাৰ্ব্বতী সমে শিৱক সৎকাৰ॥
শঙ্কৰে কৰিলা হৃষীকেশক সেৱলি।
আৰম্ভিল স্তুতি পাছে কৰি কৃতাঞ্জলি॥ ৫১৮

— ॥ ৪ ॥ —

ঘোষা॥ ত্ৰাহি ৰাম নিৰঞ্জন নিৰাকাৰ হৰি।
কৰা কৃপা নাথ সেৱকৰ মন পূৰি॥ ৪৩
পদ॥ নমো নমো মাধৱ বিধিৰ বিধিধাতা।
তুমি জগতৰ গতি মতি পিতা মাতা॥
তুমি প্ৰিয়তম জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥ ৫১৯
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
স্বৰ্ণ-কুণ্ডলে যেন নুহিকে অন্তৰ॥
তুমি পশু-পক্ষী সুৰ নৰ তৰু তৃণ।
অজ্ঞানত মূঢ় সবে দেখে ভিন্ন ভিন্ন॥ ৫২০

তোমাৰেসে মায়ায়ে মোহিত সৰ্ব্বক্ষণে।
তুমি আত্মা তোমাক নজানে একোজনে ॥
সমস্ত ভূতৰ তুমি আছা হৃদয়ত।
তত্ত্ব নপাই তোমাক বিচাৰে বাহিৰত ॥ ৫২১
তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান ॥
নমাগোহো সুখ ভোগ নমাগো মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি ॥ ৫২২
মুখে লৌক নাম মোৰ কৰ্ণে তব কথা।
হৃদয়ত পাদপদ্ম থাকোক সৰ্ব্বথা ॥
সজনৰ সঙ্গ নুগুচোক সৰ্ব্বক্ষণে।
এতেক প্ৰসাদ মাগো তোমাৰ চৰণে ॥ ৫২৩
শুনা যি কাৰণে আইলো গোচৰ আমাৰ।
দেখি আছো তোমাৰ বিবিধ অৱতাৰ ॥
সম্প্ৰতি ধৰিলা প্ৰভু যিটো নাৰীবেশ।
তাক দেখিবাক লাগি আইলো হৃষীকেশ ॥ ৫২৪
যিটো নাৰীবেশ ধৰি মোহিলা দানৱ।
দেৱবো অমৃত পান সাধিলা মাধৱ ॥
সেহি নাৰী-ৰূপক দেখিবে অভিলাষে।
কতূহলে সভাৰ্য্যে আসিলো তযু পাশে ॥ ৫২৫
ভৃত্য হেন মানি যেবে কিছু আছে দায়া।
দেখায়ো আমাক কেনমত স্ত্ৰী-মায়া ॥
ভকতৰ মনোৰথ কৰিয়ো পূৰণ।
হেন শুনি হাসি মাতিলন্ত নাৰায়ণ ॥ ৫২৬

দৈত্যে নিলে অমৃত দেৱৰ দেখি ক্লেশ।
সিকাৰণে শঙ্কৰ ধৰিলো নাৰীবেশ॥
কামুকজনৰ তাত মহা কতূহল।
তুমি মহাযোগীৰ দেখিবে কোন ফল॥ ৫২৭
ঘোৰ নাৰীমায়া সৰ্ব্ব মায়াতে কুচিত।
মহা সিদ্ধ জ্ঞানীৰো কটাক্ষে হৰে চিত্ত॥
দৰশনে কৰে মহা যোগ সিদ্ধি ভঙ্গ।
জানি জ্ঞানীগণে কামিনীৰ এড়ে সঙ্গ॥ ৫২৮
সিটো স্ত্ৰী মায়াক দেখিবে কোন কাজ।
তুমি ভোল ভৈলে হাসিবেক সামৰাজ॥
এতেকেসে বোলো ক্ষমিয়োক পশুপতি।
হেন শুনি হাসি হৰ হৰিত বদতি॥ ৫২৯
মহাযোগ বলে সদ্ধ কৰি আছো কায়া।
ব্ৰহ্মময় দেখো কি কৰিবে পাৰে মায়া॥
দহি আছো মদনক আউৰ শঙ্কা নাই।
মাধৱে মাতিলা হাসি শঙ্কৰক চাই॥ ৫৩০
দেখাইবো তোমাক আজি সেই নাৰীবেশ।
এহি বুলি অন্তৰ্দ্ধান ভৈলা হৃষীকেশ॥
আগত নাহিকা হৰি ভৈলা কোন ভিতি।
চতুৰ্ভিতি চান্ত হৰে পাৰ্ব্বতী সহিতি॥ ৫৩১
বিদুৰক লাগি চান্ত উঠি হুয়া থিৰ।
চাপৰি চাহন্ত নেত্ৰ বলাই সদাশিৱ॥
উঠন্ত বৈসন্ত মাত্ৰ কৰি উসমিস।
কৈক গৈলা কৃষ্ণ এঁকো নপান্ত উদ্দিশ॥ ৫৩২

এহিমতে চান্ত হৰে আকুলিতভাৱে।
ভণিল শঙ্কৰে গোৱিন্দৰ দুই পাৱে॥
শুনা সৰ্ব্বজন মহাভাগৱত পদ।
ডাকি হৰি হৰি বোলা ছাড়োক আপদ॥ ৫৩৩

—॥ ৫ ॥—

ঘোষা॥ নমো নন্দসুত তোমাৰ চৰণে
শৰণে পশিলো আমি।
সংসাৰ সাগৰে মজিলো গোপাল
কৃপা কৰা মোক স্বামী॥ ৪৪

দুলড়ী॥ পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমানে।
ফল ফুল ধৰি জক মক কৰি
আছে যত বৃক্ষমানে॥
শিৰীষ সেউতী তমাল মালতা
লবঙ্গ বাগী গুলাল।
কৰবাৰ বক কাঞ্চন চম্পক
ফুল ভৰে ভাঙ্গে ডাল॥ ৫৩৪
শেৱালি নেৱালি পলাশ পাৰলি
পাৰিজাত যুতি জাই।
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰে সীমা সংখ্যা নাই॥

---

পাঠান্তৰ ঘোষা: জয় জয় ৰাম জয় শ্ৰীৰাম
জয় সত্ৰাজুন হৰি॥ ৪৪

কনৌৰু কানাৰি কদম্ব বাবৰি
নাগেশ্বৰ সিংহচম্পা।
অশোক অপাৰ দেৱনা মন্দাৰ
মণিৰাজ ৰাজচম্পা॥ ৫৩৫
কুন্দ কুৰুবক কেতেকী তগৰ
গন্ধে মোহে বহুদূৰ।
গুটিমালী ভেন্টি ৰঙ্গীন ৰেৱতী
মকুৱা মাধৈ ধুন্থুৰ॥
চন্দন অগৰু দিব্য কল্পতৰু
দেৱদাৰু পদ্মবিচি।
প্ৰতি গাছে গাছে ভিণ্ডি বান্ধি আছে
সুৱৰ্ণ মাণিকে খচি॥ ৫৩৬
মণি মৰকত থলী নানামত
দীপ্তি কৰে তাৰ কাছে।
মহা মনোহৰ দিব্য সৰোবৰ
তাৰ মাজে মাজে আছে॥
চাৰিও কাষৰে প্ৰৱাল বাথৰে
বান্ধিল বিচিত্ৰ কৰি।
বৈদূৰ্য্যৰ বাট ফটিকৰ ঘাট
মৰকত খাটথৰি॥ ৫৩৭
সুৱৰ্ণ কমল ভেঁট উতপল
ফুলি ফুলি আছে ৰঙ্গি।
শোভে চক্ৰবাক ৰাজহংস-জাক
মৃণাল ভুঞ্জে উভঙ্গি॥

কোণ্চা কঙ্ক বক ঝিঝিল্ল চটক
ভ্রমন্ত নির্ভয় ভাব।
অমৃত সমান জল কবি পান
তেজে সুললিত বাব॥ ৫৩৮
চাবিয়ো পাবত দিব্য পুষ্প যত
গন্ধে দশোদিশ বাসে।
অনেক ভ্রমবে বেঢ়িয়া গুঞ্জবে
মধুপান অভিলাষে॥
যত দিব্য পক্ষী ফল মূল ভক্ষি
কাঢ়য় সুস্বব বাব
কুহু কুহু ধ্বনি কোকিলব শুনি
বহয় মলয় বাব॥ ৫৩৯

—॥ ৬ ॥—

ঘোষা॥ এ হবি নাবায়ণ॥ ৪৫

ছবি॥ হেন দিব্য উপবন দেখিলন্ত ত্রিনয়ন
দিব্য কন্যা এক আছে তাতে।
কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্রৈলোক্য মোহে
ভণ্টা খেড়ি খেলে দুয়ো হাতে॥
তপ্ত সুবর্ণব সম জ্বলে দেহা নিকপম
ললিত বলিত হাত পাব।
চক্ষু কমলব পাসি মুখে মনোহব হাসি
সঘনে দবশে কামভাব॥ ৫৪০

ঊৰ্দ্ধত খেপন্ত ভণ্টা কৰন্ত কটাক্ষ ছটা
লীলা গতি দেখাই ফুৰে পাক।
সোলকে উচ্ছল খোপা খসে পাৰিজাত থোপা
বাম হাতে সম্বৰন্ত তাক ॥
কৰ্ণৰ কুণ্ডল দোলে স্তন হলফল কৰে
গলে ৰত্নমালা ঝিকি পাৰে।
ৰত্নৰ কঙ্কণগণ সিয়ো কৰে ৰণ্‌ঝন
প্ৰকাশে হৃদয় হেমহাৰে ॥ ৫৪১
কণ্ঠে জ্বলে সাতেসৰি লয়লাসে কাঢ়ে ভৰি
আগবাঢ়ি পাছ গুচি যান্ত।
পিন্ধি শাড়ী খোণ্টা জালি যেন মৈৰা কৰে চালি
হৰক কটাক্ষ কৰি চান্ত ॥
দৰশন্ত কাখ পিঠি খণোহো সমুখ দৃষ্টি
চাই লাজে যান্ত চকু মুদি।
ভ্ৰমন্ত অনেক ভাৱে উৰুৱাৱে বস্ত্ৰ বাৱে
উচ কুচ সবে হোৱে উদি ॥ ৫৪২
কঙ্কালে কিঙ্কিণী বাজে চৰণ কমল মাজে
ৰত্নৰ নূপুৰ কণ-ঝুণ।
হালে আতি মধ্যদেহ সংসাৰ মোহিন বেশ
একো অঙ্গে নাহি খতিখুন ॥
মুখচন্দ্ৰে সম শোভে পদ্মৰ সুৰভি লোভে
বেঢ়ি মধুকৰে কৰে ৰোল।
শৰীৰৰ ভাস বেশ নেত্ৰৰ কটাক্ষ ক্লেশ
দেখি শম্ভু আতি ভৈলা ভোল ॥ ৫৪৩

পূর্ব্ব শত্রু হেন জানি কামদেৱে বাণ হানি
মনক মর্দ্দিলা মহেশৰ।
নাই শ্রুতি বুদ্ধি জ্ঞান কামানলে শোষে প্রাণ
লাজ কাজ এড়িলা শঙ্কৰ ॥
সবে যোগ ধ্যান গৈল কন্যাক মাতিবে লৈল
প্রাণেশ্বৰী চাপ মোৰ পাশ।
আথৰেক মাত মোক জন্মৰ সাফল হৌক
দেখি থাকো তোৰ লয়লাস ॥ ৫৪৪
আৰ কি তোমাত বাজ মোক্ষতো নাহিকে কাজ
আন কোন ছাৰ স্বর্গ সুখ।
তুমি বিনা নাই আন তুমি মোৰ যোগ ধ্যান
থাকিবো তোমাৰ চাই মুখ ॥
নকৰা মানিনী মান মদনে দহয় প্রাণ
বোলা বান্ধে আশ্বাস আমাক।
বোলন্ত অনেক বোল কন্যাতেসে হুয়া ভোল
পাসৰিলা পাশতে উমাক ॥ ৫৪৫
যত আছে ভূতগণ কাহাতো নাহিকে মন
কেৱলে কন্যাত মাত্র হিয়া।
স্বামীৰ দেখিয়া ভাৱ হাসন্ত পাৰ্ব্বতী মাৱ
চাপৰি মুখত বস্ত্র দিয়া ॥
আনো যত অনুচৰ বৈলক্ষিল নিৰন্তৰ
শঙ্কৰৰ দেখি হেন কাম।
শুনা সমজ্যাৰ লোক কলিত সদগতি হোক
ডাক ছাৰি বোলা ৰাম ৰাম ॥ ৫৪৬

—॥ ৭ ॥—

ঘোষা ॥ দেহু দেখা ৰাম নয়ন ভৰিয়া চাওঁ ।
অকৃণ পাৱৰ বলাই লৈয়া মৰি যাওঁ ॥ ৪৬ ॥

পদ ॥ শুক মুনি বদতি শুনিয়োক ৰাজা পাছে ।
হৰক নমাতি কন্যা এহিমতে আছে ॥
ভেণ্টা খেড়ি খেলন্তে হাতৰ পৰা পৰি ।
গৈল গুটি বেগে কতো দূৰক উফৰি ॥ ৫৪৭
তাক দেখি যান্ত কন্যা বেগ ধৰি ধাই ।
কটিৰ বসন বায়ু নিলে উৰুৱাই ॥
ভৈল তনু উদাস বেকত গুপ্ত অঙ্গ ।
লাজে আঠু সাবটি কৰন্ত অঙ্গ ভঙ্গ ॥ ৫৪৮
হুয়া কুঁজী-মুজুৰী অঙ্গক হাতে ঢাকে ।
লাজে চকু মুদি কতো অধোমুখে থাকে ॥
আৰ হুইবে লাগি ওচৰত নাহি গাছ ।
হাস্য কৰি কতো টেৰ কৰি চান্ত পাছ ॥ ৫৪৯
দৰশন্ত ভাৱ শঙ্কৰৰ মোহ হেতু ।
দেখিলা কন্যাৰ গুপ্ত অঙ্গ বৃষকেতু ॥
ভৈলন্ত ব্যামোহ মন মদনে দহয় ।
পাৰ্ব্বতীক লাগি এড়িলন্ত লাজ ভয় ॥ ৫৫০
বহ্নিৰ সংযোগে যেন উথলিল ঘৃত ।
দুঃসহ মদন বাণে জৰ্জ্জৰিত চিত্ত ॥
একো নেদেখন্ত কামাতুৰ ভৈলা বৰ ।
কন্যাক ধৰিবে মনে দিলন্ত লৰৰ ॥ ৫৫১
খট মট কৰি বাজে গলে মুণ্ডমাল ।
কঙ্কালৰ সুৰ্লাকি পৰিল ব্যাঘ্ৰছাল ॥

ভৈল উলঙ্গত তাকো নচান্ত চাপৰি।
দেখি পলাইবাক লৈলা কন্যায়ো লৰবি॥ ৫৫২
হাসি লাছে আঁৰ হস্ত ইগাছে সিগাছে।
ভোল হুয়া শঙ্কৰো খেদন্ত পাছে পাছে॥
হস্তিনীক যেন মত্ত হস্তী যায় খেদি।
পলান্ত সুন্দৰী শঙ্কৰক লাগ নেদি॥ ৫৫৩
প্ৰাণ যায় শঙ্কৰৰ কাম উতপাতে।
মহাবেগে খোপাত ধৰিল বামহাতে॥
ৰহ প্ৰাণেশ্বৰী বুলি কৰি আলিঙ্গন।
মহাকাম ভোলে দিলা মুখত চুম্বন॥ ৫৫৪
আৰি-মুৰি কৰি কন্যা নথাকি থমকি।
বাহুৰ মধ্যৰ পৰা পৰিল হুসকি॥
হুনাই লৰৰ দিলা বিমুকুত কেশে।
পাছন্ত খেদন্ত হৰে উলঙ্গত বেশে॥ ৫৫৫
পাকে অন্তৰস্তে যান্ত শৰীৰ দেখাই।
কতো আঁৰ হস্ত কন্যা হাসি মুচুকাই॥
কতো ঘন স্তন ভৰে ছলে দেখাই যান্ত।
ৰহ প্ৰাণেশ্বৰী বুলি শঙ্কৰে চেষ্টান্ত॥ ৫৫৬
নাহি শ্ৰুতি বুদ্ধি যেন বাতুল লক্ষণ।
নাৰীময় দেখন্ত সমস্তে বৃক্ষগণ॥
দাৰুণ মদন বাণে কৰে লটি ঘটি।
কন্যা বুলি ধৰিলন্ত বৃক্ষক সাবটি॥ ৫৫৭

ঘোষা ॥ ইবাৰ কৰুণাময় নকৰ নৈৰাশ।
ছোড় মায়া কৰ দায়া ভৈলো তযু দাস ॥ ৪৭

পদ ॥ ইবাৰ নেড়াস প্ৰাণেশ্বৰী যাইবি কৈই।
চেঙ্কাস্ত বিবাণী কামবাণে মূৰ্চ্ছা গই ॥
সৰস বদনে বাঙ্কে দিয়ো মোক চুমা।
কৰা আলিঙ্গন কি কৰিবতে পাৰে উমা ॥ ৫৫৮
কিয়নো নেদস প্ৰাণেশ্বৰী মোক লাগ।
যেই লাগে সেই দিবে পাৰো মোত মাগ ॥
কৈলাসৰো পাতিবো তোমাক অধিকাৰী।
সেৱা কৰি থাকিবে যতেক দিব্যনাৰী ॥ ৫৫৯
নকৰিবো দন্দবাদ নপাৰিবো গালি।
মঞি দাস তোমাৰ থাকিবো আজ্ঞা পালি ॥
তোমাৰে কৰিয়া দিবো পাৰ্ব্বতীকো চেড়ী।
আউৰ নোযাস প্ৰাণেশ্বৰী মোক এৰি ॥ ৫৬০
দেখিবে নপাৰা যদি আমাৰ কুবেশ।
জটাক মুণ্ডাঞি তেবে কৰিয়ো আদেশ ॥
সৰ্প গুচাই পিন্ধো আনি দিব্য অলঙ্কাৰ।
মুণ্ডমালা পেলাই আৰো গলে হেমহাৰ ॥ ৫৬১
ব্যাঘ্ৰছাল এড়ি পিন্ধো দেৱাঙ্গ বসন।
ভস্ম গুচাই ঘষো গাৱে অগৰু চন্দন ॥
যেহি লাগে বোল বাঙ্কে তাকে মঞি কৰোঁ।
মুখ চাই নমাত আতেসে বৰে হাৰো ॥ ৫৬২
কতনো কৰিলো তোৰ ঘোৰ অপৰাধ।
এভো হেন কৰ বাঙ্কে বচন নবাধ ॥

দাম্তে খেৰ কামোৰো সাৰট হাত তুলি।
তোৰ মোৰ হৌক ক্ৰীড়া কৌতূহল কেলি॥ ৫৬৩
স্ত্ৰী বুলি বৃক্ষক চুম্বন্ত আ'ঙ্কাৰালি।
দেখিয়া হাসন্ত নাৰী-ৰূপ বনমালী॥
অনন্তৰে হৰে চক্ষু মেলি চাইলা পাছে।
দেখন্ত মুহিকা কন্যা ধৰি আছে গা'ছ॥ ৫৬৪
তাক এড়ি সুন্দৰীক খেদন্ত দুনাই।
যেন মত্ত হস্তী হস্তিনীক খেদি যাই॥
লাগ নেদি ৰমণীয়ো পলান্ত লৰৰি।
মহাবেগে শঙ্কৰে খেদন্ত ভৰি ভৰি॥ ৫৬৫
নযাই নুপুহাই মদনৰ উতপাতে।
পাইলো পাইলো বুলি কতো চাব দেন্ত হাতে॥
আঙ্গুলিৰ আগে গৈয়া চোৱে উচ কুচ।
অন্তৰন্ত কন্যা হৰ পড়ি যান্ত মূছ॥ ৫৬৬
পুৰাতন শত্ৰু কামদেৱে ছিদ্ৰ পাই।
প্ৰহাৰন্ত পুষ্পবাণ দুনাই দুনাই॥
মদনৰ শৰ হৰ হৃদয়ত ফুটি।
মহাদুখে মাটিত পাৰন্ত লোটালুটি॥ ৫৬৭
কতো উঠি কন্যাক কৰন্ত কাউবাউ।
অঙ্গুলি বেন্তন্ত লঞ পালটিয়া চাঞ॥
তোৰসে নিমিত্তে কৰে মদনে দগধ।
মৰিঞ যেবে মৰো তোমাতেসে লাগে বধ॥ ৫৬৮
মহাপাপ প্ৰাণী-হত্যা তাকো শঙ্কা নাই।
কোননো সাধিবে স্বৰ্গ আমাক মৰাই॥

এতো পাশ চাপ আসি কৰো আলিঙ্গন।
তোমাৰ সাফল্য হৌক এ নৱ যৌৱন ॥ ৫৬৯
নেদেখয় কেৱে ঐত কিয় কৰা লাজ।
নাহি আন পুৰুষ নিৰ্জ্জন বনমাজ ॥
তথাপি যেবে নাহস আপুনি চাপো কোল।
এহি বুলি লাসে লাসে যান্ত হুয়া ভোল ॥ ৫৭০

—॥ ৯ ॥—

ঘোষা ॥ প্ৰাণ হৰি নেই বুলি ডাক ছাড়ে ত্ৰিপুৰাৰি।
হৰক মুহিয়া যান্ত মোহন মুৰাৰি ॥ ৪৮

পদ দেখি হাসি সুন্দৰী পলান্ত লাগ নেদি।
নযা নযা বুলি বৃষধ্বজে যান্ত খেদি ॥
গিৰি গুহা বন নদ নদী সৰোবৰ।
খেদিয়া ফুৰন্ত হৰে দ্বীপ দ্বীপান্তৰ ॥ ৫৭১
আছে ঋষিগণৰ আশ্ৰম অসংখ্যাত।
পলান্তে খেদন্তে দুয়ো প্ৰৱেশিলা তাত ॥
মদনৰ পীড়াত এড়িলা সবে লাজ।
খেদিয়া ফুৰন্ত আশ্ৰমৰ মাজে মাজ ॥ ৫৭২
আউল জাউল হুয়া আখি-মুখ ঢাকি জটে।
বিবস্ত্ৰে কন্যাক হৰে খেদে উলঙ্গটে ॥
দেখি ঋষিপত্নীগণে হাসে নিৰন্তৰে।
কেহো মুখে বস্ত্ৰ দিয়া পশে অভ্যন্তৰে ॥ ৫৭৩
উন্মত্ত পাগল কিনো ভৈল মহাদেৱ।
কেনমতে আক্ষ সুৰাসুৰে কৰে সেৱ ॥

উলঙ্গটে খেদন্ত কাহাৰ বউ জীউ।
লাজ কাজ মৰ্য্যদা এড়িল সদাশিউ ॥ ৫৭৪
এহি বুলি জুমাজুমে হাসে সবে সখী।
ঋষিগণে শঙ্কৰক কামাতুৰ দেখি ॥
বিষ্ণু বিষ্ণু বুলি সবে চপৰাইলা মাথ।
কিনো বিপৰ্য্যয় ভোল ভৈলা গৌৰীনাথ ॥ ৫৭৫
কেহো বোলে শঙ্কৰৰ কোনে মায়া বুজা।
পাদ্যে অৰ্ঘ্যে আসা আগবাঢ়ি কৰো পূজা ॥
এহি বুলি উঠি যান্ত কতো ঋষিগণ।
লৰড়ন্তে কৰযোৰে বোলন্ত বচন ॥ ৫৭৬
তুমি চৰাচৰ গুৰু জগতৰ বাপ।
সৰ্ব্বজ্ঞান হুয়া কেনে কৰা ঘোৰ পাপ ॥
ক্ষণেক বিশ্ৰাম কৰা আমাৰ থানত।
যতেক বোলন্ত মানে নপশে কাণত ॥ ৫৭৭
কামিনী হৰিলে চিত্ত কামে ভৈলা ভোল।
নুশুনন্ত একোয় ঋষিৰ মাত বোল ॥
ৰমণীৰ পাছে পাছে ফুৰন্ত লৰড়ি।
গায় দেখাই সুন্দৰী পলান্ত ভবি ভৰি ॥ ৫৭৮
নপাৱন্ত লাগ তান নাহি সুখ শান্তি।
খেদন্তে খেদন্তে আতি ভৈল হাবাহাম্বি ॥
উগুল থুগুল চিত্ত মদনে বিকল।
বহিবে লাগিলা শঙ্কৰৰ বিন্দুজল ॥ ৫৭৯
হস্তিনীক খেদন্তে হস্তীৰ যেন স্ৰ'ৱে।
যেন গিৰি শিখৰৰ গেৰু-ধাৰা ৰুৱে ॥

সেইমতে শঙ্কৰৰ বিন্দু যাই পড়ি।
দেখি ঋষিগণে অন্তৰিলা তাঙ্ক এড়ি॥ ৫৮০
পিঠি দিয়া কতো সুমৰন্তে হৰি ৰাম।
মহাযোগী মহেশ্বৰ আন হেন কাম॥
এহি বুলি ঋষি সবে গৈলা ঘৰাঘৰি।
সুমৰহ ৰাম-কৃষ্ণ সনাতন হৰি॥ ৫৮১

—॥ ১০ ॥—

ঘোষা॥ এ হৰি কি প্ৰাণ হৰি পশিলো শৰণে।
কৰা কৃপা নাথ মোক অৰুণ চৰণে॥ ৪৯

পদ॥ যৈত যৈত শঙ্কৰৰ বিন্দু পৰি গৈল।
ভূমি গুচি শুদ্ধ সুৱৰ্ণময় ভৈল॥
যিটো বৃক্ষ লতাক বিন্দুৰ ছিটা ছোৱে॥
কাষ্ঠ গুচি তেখনে সুৱৰ্ণময় হোৱে॥ ৫৮২
তথাপি খেদন্তে হৰ হুয়া উলঙ্গট।
পাক ফুৰি পাইলা গৈয়া বৈকুণ্ঠ নিকট॥
পৰিয়া আণ্টাইল যেন্নে বিন্দু আছে যত।
তেবেসে চেতন পাইলা হৰৰ গাৱত॥ ৫৮৩
চাপৰি চাহন্ত ছাল নাহিকে কটিত।
লাজে অধোমুখ হুয়া বসিলা মাটিত॥
পাছে ব্ৰহ্মজ্ঞান চিন্তি চিত্ত থিৰ কৰি।
নাক কাণ ছুয়া সুমৰন্ত ৰাম হৰি॥ ৫৮৪

মদনৰ পীড়াক এড়াইলা মহাযোগী।
ব্যাধিৰ সকাশ পাইল যেন চিৰৰোগী॥
গ্রহ শুচি গৈলে যেন স্বস্থ হোৱে বাউল।
মনত গুণন্ত বসি জগতৰ ৰাউল॥ ৫৮৫
মোৰ কাজে আজি হস্রাইলো ভূতগণ।
কেনমতে পাৰ্ব্বতীৰ পতিয়াইবো মন॥
বুলিয়ন্ত ফুৰিলা কাহাৰ নাৰী সঙ্গে।
গৃহত পশিবে বান্ধে নিদিবন্ত খঙ্গে॥ ৫৮৬
লঘু ভৈলো মাধৱৰ শুশুনিলো হাক।
উমাৰ আগত চাটু বুলিলো কন্যাক॥
এবে কেনমতে তান আগে হুইবো থিয়।
কৰন্ত অশেষ চিন্তা দেৱ সদাশিৱ॥ ৫৮৭
বিচাৰি চাহিলো দোষ নাহিকে আমাৰ।
যাৰ মায়া পাশে বদ্ধ সমস্তে সংসাৰ॥
হেন হৰি মোহিলে আপুনি নাৰী হুই।
আত অনুশোচ আৰ কৰো কোন মুই॥ ৫৮৮
কটাক্ষতে স্রজন্ত ব্রহ্মাণ্ড কোটি কোটি।
একটি ডিম্বৰ মধ্যি ৰুদ্র এক গুটি॥
যাহাৰ অঙ্গত চৰাচৰ ভৈল ৰাজ।
হেন হৰি মোহিলা ইহাত কোন লাজ॥ ৫৮৯
বিষ্ণুৰ আগত মঞি পৰম অজ্ঞানী।
জিনিলোহো মায়াক বুলিলো গৰ্ব্ববাণী॥
ইহে অহঙ্কাৰে কৰে হৃদয়ত তাপ।
হৰি হৰি স্মৰণে খণ্ডোক ইমো পাপ॥ ৫৯০

এহি বুলি মৌন ভৈলা দেৱতা ঈশান।
কৰিবে লাগিলা মনে মাধৱক ধ্যান॥
শুনা সৰ্ব্বজন মন কৰা উপশাম।
পাতেক ছাড়োক ডাকি বোলা ৰাম ৰাম॥ ৫৯১

—॥ ১১ ॥—

ঘোষা॥ এ যাদবানন্দ দায়াশীল হাৰ হৰি।
কৰা দায়া দোষ ক্ষমা কৰি॥ ৫০

ছবি॥ অনন্তৰে দেৱ হৰি তুনাই নিজৰূপ ধৰি
শঙ্কৰৰ আগে উপসন।
মুখে কৰি অল্প হাসি হৰক সম্মুখি আসি
বুলিলন্ত প্ৰশংসা বচন॥
শুনা শুনা শূলপাণি জানো তুমি মহাজ্ঞানী
তৰিলা দুস্তৰ মায়া ঘোৰ।
তুমিসে তত্ত্বক জানা নাই আৰ তুমি বিনা
আৰৱ পৰম প্ৰিয় মোৰ॥ ৫৯২
শুনা শুনা জ্ঞানশালী তোমাৰেসে বাক্য পালি
দেখাইলো দুস্তৰ স্ত্ৰীমায়া।
আত নকৰিবা খেদ কিঞ্চিতেকো নাহি ভেদ
তোমাৰ আমাৰ একে কায়া॥
শুনা ভূতনাথ হৰ তুষ্ট হুয়া দেঞ বৰ
হোক মায়া তোমাৰ অধীন।
সুখে থাকি নিজ থানে মহাকল্প অৱসানে
মোহোৰ শৰীৰে যাইবা লীন॥ ৫৯৩

---

পাঠঃ ঘোষা॥ "যাদৱ মাধৱ দেৱ হৰি। কৰা কৃপা দোষ ক্ষমা কৰি॥ ৫০

এহি বুলি বনমালী শঙ্কৰক আকোৱালি
সমজ্যাক নিলন্ত সাদৰি।
কৰিলন্ত সতকাৰ দিব্য বস্ত্ৰ অলঙ্কাৰ
পাৰ্ব্বতীক দিলা মান কৰি॥
আনো যত ভৃঙ্গগণ তুষিয়া সবাৰো মন
কৰিলন্ত যথোচিত কাম।
পাছে হৰে মহাতুষ্টি পাৰ্ব্বতী সহিতে উঠি
দণ্ডৱতে কৰিলা প্ৰণাম॥ ৫৯৪
বিষ্ণুত মেলানি মাগি লড়িলা গৃহক লাগি
ভাৰ্য্যায়ে সহিতে শূলধৰ।
চড়িয়া বৃষভ ৰথে শীঘ্ৰে আকাশৰ পথে
আৰোহিলা কৈলাস শিখৰ॥
বসিলা সমাজ পাতি বোলন্ত উমাক মাতি
আপুনি দেখিলা প্ৰাণজায়া।
ভৈলোহো বাতুল প্ৰায় মোৰ শ্ৰুতি জ্ঞান নাই
কেন কৰিলেক বিষ্ণুমায়া॥ ৫৯৫
মুঞি জগতৰ পতি মোৰ ভৈল হেন গতি
আৰ কোন থিৰ হৈবে আত।
হেন জানা স্বৰূপত চৰাচৰ আছে যত
সবে বন্দী বিষ্ণুৰ মায়াত॥
সহস্ৰ বৎসৰ মানে আছিলোহো যোগ ধ্যানে
দেখি তুমি পুছিলা আমাক।
গাৱে ভস্ম জটা ধৰি অনেক তপস্যা কৰি
আউৰ তুমি আৰাধা কাহাক॥ ৫৯৬

এড়ি লোভ ক্রোদ্ধ কাম কাহাৰ জপাহা নাম
আৰৰ আছন্ত কোন দেৱ।
তোমাত কহিলো আমি আছন্ত জগত স্বামী
সুৰাসুৰে যাক কৰে সেৱ॥
প্রত্যেকে দেখিলা আজি যাহাৰ মায়াত বাজি
হুয়া মোহ এৰিলোহো লাজ।
কামবাণে ভৈলো আউল চেষ্টাই ফুৰো যেন বাউল
হসুৱাইলো বৈকু সমাজ॥ ৫৯৭
কপট যুৱতী বেশ মুহিলন্ত হৃষীকেশ
পাসৰিলো তোমাক পাশত।
কন্যাক ফুৰিলো খেদি গিৰি গুহা বন নদী
অনেক ঋষিৰ আশ্রমত॥
নেদেখিল কৈৰ লোকে কোনে নাহাসিলে মোকে
লঘু হুইবে নথাকিল ঠাই॥
এভো মোৰ কাম্পে হিয়া হেন জানা প্রাণ-জায়া
হৰিৰ মায়াত বড়া নাই॥ ৫৯৮
যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথকে কেহো নোহে।
যিজন ভকতিহীন সি দেখে হৰিক ভিন্ন
হৰিৰ মায়ায়ে তাক মোহে॥
হৰিসে পৰম দেৱ হৰিকেসে কৰো সেৱ
ত্রজন্তা পালন্তা দেৱ হৰি।
হৰি-পদ হিয়ে ধৰি হৰি-নাম সদা স্মৰি
তেবেসে হৰিৰ মায়া তৰি॥ ৫৯৯

হেন জানি তুমি দেৱী  হৰিৰ চৰণ সেৱি
এড়া লোভ মোহ ক্রোধ কাম।
নকৰিয়ো জন্ম বৃথা  শুনা সদা হৰি-কথা
কৰিয়ো কীৰ্ত্তন হৰি-নাম ॥
হৰিৰ চৰণ মনে  চিন্তিয়োক সৰ্ব্বক্ষণে
কৰিয়ো ভকতি ভালমতে।
তেবেসে সংসাৰ তৰি  হৰিৰ প্ৰসাদে গৌৰী
পাইবা মোক্ষ মোহোৰ লগতে ॥ ৬০০

—॥ ১২ ॥—

ঘোষা ॥ এ গৰুড় কেতু প্ৰাণহেতু ৰাম, তুমি নাৰায়ণ।
জানি লৈলো তোমাতে শৰণ ॥ ৫১
ছবি ॥ শঙ্কৰৰ হেন বাণী  পাৰ্ব্বতী গোসানী শুনি
আনন্দতে শিহৰাইলা গাৱ।
উঠি কৰযোৰে গৌৰী  ফুৰি প্ৰদক্ষিণ কৰি
নমিলা শিৱৰ দুই পাৱ ॥
তুমি প্ৰভু সৰ্ব্বজান  দিলা মোক দিব্যজ্ঞান
সাৰ্থক তোমাৰ মঞি জায়া।
কিনো ভাগ্যৱতী আমি  তোমাৰ প্ৰসাদে স্বামী
তৰিলো দুস্তৰ ঘোৰ মায়া ॥ ৬০১
এবেসে জানিলো সাৰ  ভকতিত পৰে আৰ
নিস্তাৰ কৰন্তা আন নাই।
মিছাতেসে মূঢ়জনে  খপে আল জাল মনে
হৰিনামে মোক্ষপদ পাই ॥

---

পাঠঃ ঘোষা ॥ ৰাম ৰাম ৰঘুনাথ এ। ৰাম ৰাম অহাড়োক মুখে ॥ ৫১

আৰ চিন্তা নাই মোৰ তৰিলো সংসাৰ ঘোৰ
কৌতূহলে হৰি-নাম-নাৱে।
এহি বুলি পাছে গৌৰী হৰিত ভকতি ধৰি
থাকিলন্ত জগতৰ মাৱে॥ ৬০২
শুক মুনি নিগদতি শুনিয়োক কুৰুপতি
কৈলো মঞি হৰিৰ চৰিত্ৰ।
কপট যুৱতী বেশে যেনমতে হৃষীকেশে
মুহিলন্ত শঙ্কৰৰ চিত্ত॥
দৈত্যৰো মুহিযা মন যেনমতে নাৰায়ণ
ভুঞ্জাইলা অমৃত দেৱতাক।
পুছিলা যতেক মানে কহিলো তোমাৰ স্থানে
সাৰশেষ কৃষ্ণৰ কথাক॥ ৬০৩
অকপটে যিবা ভনে যিবা শুনে একমনে
শুনিওঁ তাহাৰ যেন ফল।
খণ্ডয় চৌষষ্টি ৰোগ মিলে আসি যত ভোগ
মনোৰথ কৰয় সাফল॥
সমস্ত পাপক বাধে আপুনাৰ মোক্ষ সাধে
এক কোটি পুৰুষ উদ্ধাৰে
কৈলো মঞি স্বৰূপত নাহি আন সংসাৰত
হৰি কথা শ্ৰৱণত পৰে॥ ৬০৪
পৰীক্ষিত হেন জানি চিন্তিয়োক চক্ৰপাণি
হৰিৰ কথাত কৰা ৰতি।
সংহৰিয়ো আন কাম জপিয়ো হৰিৰ নাম
ইহ-পৰলোকে হৰি গতি॥

অশাশ্বত মৰ্ত্ত্যলোক জন্মৰ সাফল হৌক
কৰিয়োক হৰিৰ ভকতি।
আৰো যেহি মানে লাগে পুছিয়োক মহাভাগে
কহো কৃষ্ণ কথাক সম্প্ৰতি॥ ৬০৫
নমো নমো দামোদৰ সংসাৰৰ বিঘ্নিহৰ
ভকত অভয় দাতা দেৱ।
ভাগৱত পদ ছবি ৰচিলা শঙ্কৰ কবি
কৃষ্ণৰ চৰণে কৰি সেৱ॥
শুনিয়োক বুদ্ধলোক নিন্দা নকৰিবা মোক
যদি দেখা পদত দূষণ।
আমি সমস্তৰে শিষ জানি কৰা বিমৰিষ
মহন্তৰ ক্ষমাসে ভূষণ॥ ৬০৬
কৃষ্ণে দিলা যেন মতি যেন ৰড়ে সৰস্বতী
বিৰচিলো সেহি অভিপ্ৰায়।
যতেক চটক দেখা যাৰ যেনমত পখা
তাৰ অনুসাৰেসে উড়ায়॥
শুনা সৰ্ব্বজনে তত্ত্ব ইটো মহাভাগৱত
তিনিয়ো লোকত সাৰোত্তৰ।
যত মহাযজ্ঞ দান কৌটি কৌটি তীৰ্থস্থান
কেহো আৰ নপাৰে ওচৰ॥ ৬০৭
কৃষ্ণকথা যিবা ভণে যিবা শুনে এক মনে
যমৰ ভাৱন কৰি চুৰি।
পুৰুষ উদ্ধাৰ কৰি সংসাৰ-সাগৰে তৰি
অন্তকালে পাৱে বিষ্ণুপুৰী॥

শঙ্কৰে ৰচিলা গীত আপুনাৰ চিন্তা হিত
শুনা সমজ্যাৰ যত জন।
এড়ি আল জাল কাম ডাকি বোলা ৰাম ৰাম
সমাপত মহেশ-মোহন॥ ৬০৮

—॥ ১৩ ॥—

॥ হৰমোহন সমাপ্ত ॥

---

নৱম ভাগ

## বলি-ছলন

ঘোষা॥ বোলা ৰাম-ৰাম ভাবিয়ো ৰাম ৰাম।
পৰম মধুৰ বাণী লৈতে অনুপাম॥ ৫২

পদ॥ শুক মুনি বদতি শুনিয়ো পৰীক্ষিত।
বামনৰ বাক্যে বলি সুতল-পুৰীত॥
নিয়মিলা দানৱক বিষ্ণুধৰ্ম্ম কৈই।
আপুনি থাকিলা পাছে মোক্ষ গৃহ লৈই॥ ৬০৯
দিব্য ভোগ যতেক আপুনি লৱে লাগ।
বৈষ্ণৱ বলিৰ তাত নাহি অনুৰাগ॥
এড়িলা বিষয় ভোগ প্ৰহ্লাদৰ নাতি।
সদায় থাকন্ত দিব্য সভা এক পাতি॥ ৬১০

মাধৱৰ চক্রে আসি ভৈল সভাসদ।
যাহাৰ ভয়ত দৈত্যগণ নিশবদ ॥
প্রহ্লাদে কহন্ত শুনি থাকা কৃষ্ণ-কথা।
দ্বাৰত আপুনি হৰি থাকন্ত সর্ব্বথা ॥ ৬১১
শ্যামল শৰাৰ শিৰে কিৰীটি উজ্জ্বল।
কমললোচন চাৰু মকৰ কুণ্ডল ॥
কণ্ঠত কৌস্তুভ কৰে কঙ্কণ কেয়ূৰ।
কটিত মেখলা পাদ–পঙ্কজে নূপুৰ ॥ ৬১২
গাৱে পীতবস্ত্র যেন অগনিৰ জ্বালা।
আপাদ লম্বিত গলে জ্বলে বনমালা ॥
প্রসন্ন বদনে হৰি কৰে ধৰি গদা।
বলিৰ সমুখ হুয়া থাকন্ত সর্ব্বথা ॥ ৬১৩
হৰি দৰশনত নির্ম্মল ভৈল মতি।
কৃষ্ণৰ চৰণে অনুক্ষণে বাঢ়ে প্রীতি ॥
ভৈলন্ত বিমুখ বলি বিষয় সুখত।
সদায় কৃষ্ণৰ নাম সুগুচে মনত ॥ ৬১৪
উঠি কতো কীর্ত্তন কৰন্ত তাল ধৰি।
দৈত্যগণে বাৰে বেঢ়ি চৌপাশে চাপৰি ॥
প্রহ্লাদে শিখান্ত গাৱে গোবিন্দৰ গীত।
পৰম আনন্দে দৈত্যপতি কৰে নৃত্য ॥ ৬১৫
গোবিন্দক দেখিয়া আনন্দে দ্রৱে চিত্ত।
হৰিষ লোতক ঝৰে তনু ৰোমাঞ্চিত ॥
হোন্ত নিশৱদ গদ গদ কৰে মাত।
প্রেমভাৱ উপজে পড়ন্ত ঢাত ঢাত ॥ ৬১৬

ভকতৰ বশ্য হৰি আকলিয়া বলি।
কতো আতি আনন্দে হাসন্ত খলখলি॥
কতো হকহক কৰি কৰন্ত ক্ৰন্দন।
কতো গীত গান্ত বিৰোচনৰ নন্দন॥ ৬১৭
কতো হৰি বুলি গেড়িয়ান্ত ইন্দ্ৰসেন।
উঠি উঠি পড়ন্ত নাচন্ত বাউল যেন॥
কতো মৌন হুয়া পৃথিৱীত পড়ি থাকে।
কৰয় কীৰ্ত্তন তাঙ্ক বেঢ়ি দৈত্যজাকে॥ ৬১৮
হেন ভক্তিভাৱে দৈত্যেন্দ্ৰৰ দিন যায়।
বলি সম ভাগ্যৱন্ত ত্ৰৈলোক্যত নাই॥
জগতকে পৱিত্ৰ কৰন্ত দৈত্যপতি।
হৰিয়ো বিস্ময় দেখি বলিৰ ভকতি॥ ৬১৯
অন্তৰীক্ষে মহিমা বখানে সিদ্ধ মুনি।
হেনতো বৈষ্ণৱ নতু দেখি নতু শুনি॥
সদায় থাকন্ত দামোদৰ যাৰ কাছে।
বলি সম ভাগ্যৱন্ত আন কোন আছে॥ ৬২০
মাধৱৰ পাৰত অৰ্পিলে আপুনাক।
বলিসে জিনিলে ইটো দুৰ্জ্জয় মায়াক॥
এহি বুলি পুষ্প বৰিষন্ত ঘনে ঘনে।
বোলা হৰি হৰি সবে সভাসদগণে॥ ৬২১

— ॥ ১৪ ॥ —

ঘোষা ॥ ত্ৰাহি হৰি পড়িলো পাৱে
উপায় পৰমানন্দ দিয়া।
নসহে সংসাৰ তাপে
আৰ মোৰ হিয়া ॥ ৫৩

ছুলড়ী ॥ শুক মুনি নিগদতি শুনিয়োক কুৰুপতি
বৈষ্ণৱ বলিৰ দেখি কৰ্ম্ম।
বড়া বড়া দৈত্যগণ কৰে হেন আলোচন
কিনো বিপৰীত ভৈল ধৰ্ম্ম ॥
ইটো মূৰ্খ দৈত্যৰাজ এড়িলেক ৰাজকাজ
শত্ৰুৰ সদায় লৱে নাম।
আন নাই হৰি বিনি নাচে গাৱে ৰাত্ৰি দিনি
কৰে কিনো গৰিহিত কাম ॥ ৬২২
ছাৰিল দৈত্যৰ নীতি ভৈল বিষ্ণুৰসে ভিতি
জানা আক পাইলেক বিবুদ্ধি।
হৰি বুলি মৰে মাত্ৰ নভৈল কিছোৰো পাত্ৰ
যেন ভৈল শোভৰ আবুদ্ধি ॥
আটাসতে গল ফাৰে যেন কাণে সূচি তাৰে
সৰ্ব্বদায় শুনে কৃষ্ণ-কথা।
কিবা কদৰ্থনা চাঞো আসা উঠি ঘৰে যাঞো
হৰিনাম নুশুনোহো যথা ॥ ৬২৩
কুলধৰ্ম্মে ভৈল হীন যেন বাতুলৰ চিন
আহান সেৱাত নাই ফল।
হেন কৰ্ণাকৰ্ণি কৰি উঠি গৈলা ঘৰাঘৰি
কতো কতো দানৱ নিশ্চল ॥

শ্রৱণে আনন্দ কৰে কীৰ্ত্তনে পাতেক হৰে
হৰি-নাম মুকুতি-দায়ক।
পাতকে শুনিবে নেদে যেন কিলাই কোবাই খেদে
দুষ্ট শঠ অধৰ্ম্মীজনক ॥ ৬২৪
পৰম মঙ্গল ৰাম, নাম ইটো অনুপাম
বৈষ্ণৱৰ যাক শুনি তুষ্টি।
দৈত্যগণ দুৰাচাৰে তাক কি শুনিতে পাৰে
উচপিচ কৰি গৈল উঠি॥
বলিৰ নুশুনে হাক দানৱৰ বিচেষ্টাক
মাধৱৰ চক্রে দেখি আছে।
জ্বলে যেন সূৰ্য্য কোটি বিস্বাদ শৰদে উঠি
ক্রোদ্ধে খেদি গৈলা পাছে পাছে ॥ ৬২৫
কৃষ্ণৰ কিঙ্কৰে ভণে শুনিয়োক সৰ্ব্বজনে
থিৰ বুদ্ধি কৰি গুণা মনে।
আজি কালি কৰি দিন গৈল আয়ু ভৈল ক্ষীণ
যাইবে লাগে যমেৰ কৰণে॥
যতেক সংসাৰ নয় সবে স্বপ্ন মায়াময়
অন্তকে কেশত আছে ধৰি।
ভাৰতত জন্ম পাই বিলম্বক নুযুৱাই
সদায় ঘুষিয়ো হৰি হৰি ॥ ৬২৬

— ॥ ১৫ ॥ —

ঘোষা ॥ ও হৰি দেহু দৰিশন শিৱ সনাতন
তোমাৰ চৰণে ধৰোঁ।
তুৱা গুণ নাম ছাৰি আন কাম
কৰিয়া মিছাতে মৰোঁ ॥ ৫৪

ছুলড়ী ॥ দৈত্যৰ পুৰীত পশিল ত্বৰিত
বাঘে যেন ধৰে খেদি।
যত দ্রোহিয়াৰ ৰাখ নাই তাৰ
পেহ্লাৱে মাথাক ছেদি ॥
কাৰো নাক কাণ কৰে থান থান
কাৰো কঙ্কালত কাটে।
হাত ভৰি টেঙ্গি কাৰল চৌৰাঙ্গি
পড়ি গড়াগড়ি বাটে ॥ ৬২৭
কাৰো জিহ্বা আনি কাটে টানি টানি
ধৰি দুয়ো চক্ষু কাঢ়ে।
কাৰো দান্ত সাৰে কদৰ্থিয়া মাৰে
দৈত্যৰ লাগ নাছাড়ে ॥
কাৰো বুক ছিৰি তপত কধিৰি
ভুঞ্জাৱে গৃধ্র শৃগাল।
অধৰ্ম্মে গ্ৰসিল ক্ষণেকে নশিল
দৈত্য ভৈল বুন্দামাল ॥ ৬২৮
বিষ্ণুৰ চক্ৰৰ নভৈল ভাগৰ
হস্তী যেন মাৰে মাথি।
পুত্ৰ ভাৰ্য্যা এড়ি মৰো জীওঁো কৰি
কতো পলায় প্ৰাণ ৰাখি ॥

তিনিয়ো লোকত ভ্ৰময় ভয়ত
চক্ৰো পাছে পাছে ফুৰে।
হেৰ পাইলে বুলি ভয়তে সমূলি
দানৱে দান্ত মুঘুৰে ॥ ৬২৯

ব্ৰহ্মাত লাগিল শৰণ মাগিল
হান্তে-দান্তে খেড় তুলি।
চক্ৰক ডৰাই কেহো নেদে ঠাই
বলিৰ দ্ৰোহীয়া বুলি ॥

বুদ্ধি ভৈল চুৰি পলাইবাৰ পুৰী
কহিতো নপালে খুজি।
বলিৰ চৰণে পশিল শৰণে
দুনাই সবে মান্য বুজি ॥ ৬৩০

ভণিল শঙ্কৰে শুনা সবে নৰে
যতেক বিষয় ভোগ।
পুত্ৰ ভাৰ্য্যা ধন শৰীৰ স্বজন
সবাৰো আছে বিয়োগ ॥

তাৰ চিন্তা এড়ি চিন্তিয়োক হৰি
অন্তকে পাইলেক পৰা।
এড়ি আন কাম বেড়ি বোলা ৰাম
সুখে ভৱ-নদী তৰা ॥ ৬৩১

— ॥ ১৬ ॥ —

ঘোষা ॥ গৰুড়কেতু ত্ৰাণহেতু ৰাম, তুমি নাৰায়ণ।
জানিয়া লৈলো তোমাত শৰণ ॥ ৫৫ ॥

ছবি ॥ এহিমতে চক্ৰে ধৰি কাটি মাৰি বশ্য কৰি
কতো দানৱক দিলে আনি।
দৈত্যগণো ত্ৰাস হুয়া কাণ মুণ্ড নলাড়িয়া
থাকিল বলিৰ আজ্ঞা পালি ॥

কৃপাময় দৈত্যপতি শিক্ষা দেন্ত প্ৰতি প্ৰতি
শুনিয়োক সমস্তে দানৱ।
যিটো হৰি-কথা কৰে হৰিনাম সদা গাৱে
সি সি মোৰ পৰম বান্ধৱ ॥ ৬৩২

কৰযোৰে বোলো হেৰা অসুৰ স্বভাৱ এৰা
হৰি ভকতিত দিয়া চিত্ত।
মুখে হৰিনাম স্মৰে হৃদয়ত ৰূপ ধৰে
তাহাৰ ভৃত্যৰো মঞি ভৃত্য ॥

শুনিয়োক জ্ঞাতিলোক সবে কৃপা কৰা মোক
হৰি স্মৰি হুয়ো পৰিত্ৰাণ।
তুহি তেবে পাইবা ফল এহি বুলি মহাবল
ভকতিৰ পাতিলা দেৱান ॥ ৬৩৩

কোনে হৰি-কথা কৰে কোনে ক'ত নাম লৱে
নিতে কৰে ওৱাচিল বান্ধি।
যাহাৰ নূপূৰে ভাই তাহাৰ জীৱন নাই
চেঙ্গি দিয়া মাৰে প্ৰাণ টান্ধি ॥

ফুৰে পাইক ঘৰে ঘৰে সবংশকে বেঢ়ি ধৰে
যাহাৰা নলয়ে হৰিনাম।
সৰ্ব্বস্ব আগ্ৰহি লয়ে জীয়ে মানে সাঙ্কি থয়ে
গালত লগায়ে বৰ চাম॥ ৬৩৪
কীৰ্ত্তনত চিত্ত নেদি গ্ৰাম্যকথা কৰে যদি
তাহাৰো কাণত সূচি তাৰে।
হৰি ভকতিক এড়ি হাসৈ উপহাস্য কৰি
চৰৰতে তাৰো গাল ফাৰে॥
স্মৰিবে নাই ইছা ডৰত ভোটকে মিছা
জানি তাৰো জিহ্বা বিন্ধে টানি।
যিটো থাকে মৌন হুই তাৰো গালে দেই জুই
কেনে নোবোলস হৰি-বাণী॥ ৬৩৫
অৱসৰ নাই ৰাতি প্ৰতি ঘৰে ঘৰে মাতি
ফুৰে কটোৱাল বাটে বাটে।
ফাকটে বজায়ে ভেৰী জাগ জাগ নিদ্ৰা এড়ি
হৰি বোল হৰি বোল ঝাণ্টে॥
ৰাজাৰ দণ্ডিত থাকি সুতলপুৰক ঢাকি
নিৰন্তৰে কৰে হৰি ঘোষ।
আন গৃহ-কৃত্য এড়ি হৰি বুলি পাৰে গেড়ি
শুনি মিলে বলিৰ সন্তোষ॥ ৬৩৬

—॥ ১৭ ॥—

ঘোষা ॥ হৰি ৰাম হৰি ৰাম ঘুষিয়ো ভাই
সংসাৰ সাগৰে তৰ ।
ৰাম পাৰ নাৱ কাহুতে আছই
মিছাত ডুবিয়া মৰ ॥ ৫৬ ॥

দুলড়ী ॥ এহিমতে তৈত আছে যত দৈত্য
এড়িলে আন আলাপ ।
কৰে হৰি ধ্বনি হৰি কথা শুনি
শৰীৰ ভৈল নিষ্পাপ ॥
কৃষ্ণৰ চৰণ সেৱি অনুক্ষণ
অক্ষয় পুণ্যক সঞ্চে ।
বলিৰ প্ৰসাদে আতি অপ্ৰমাদে
সুতলপুৰত বঞ্চে ॥ ৬৩৭
সিটো দৈত্যেশ্বৰে মাধৱত পৰে
নিচিন্তিলে আন কাম ।
শয়নে ভোজনে সচিতে সোপনে
নেড়িলে হৰিৰ নাম ॥
সুদৃঢ় ভকতি- ভাৱে দৈত্যপতি
কৰিলে কৰ্ম্ম নিৰ্ম্মূল ।
সংসাৰক তৰি পুৰুষ উদ্ধাৰি
নিস্তাৰিলা দৈত্যকুল ॥ ৬৩৮
বলিৰ সদৃশ নাই সুপুৰুষ
বৈষ্ণৱতে সাৰোত্তৰ ।
যাৰ যশৰাশি থাকিল প্ৰকাশি
যাৱে চন্দ্ৰ দিবাকৰ ॥

শুক নিগদতি কহিলো সম্প্ৰতি
বলিৰ চৰিত্ৰ যত।
যিবা শুনে পঢ়ে তাকো পাপে এড়ে
সুখে তৰে সংসাৰত ॥ ৬৩৯

নমো নাৰায়ণ জগত কাৰণ
খণ্ডিয়ো সংসাৰ ভয়।
কৃষ্ণৰ কিঙ্কৰে ভণিল শঙ্কৰে
ভাগৱত পদচয় ॥
শুনা বুদ্ধ লোক ক্ষমিয়োক মোক
পদত দূষণ দেখি।
যাৰ জ্ঞান নাই যিমনে চেঞ্চাই
মূৰ্খৰ দোষ নেলেখি ॥ ৬৪০
মোৰ পদ বুলি নেড়িবা সমূলি
বিচাৰি দেখিবা পাছে।
মোক্ষৰ নিদান অমৃত সমান
কৃষ্ণ-কথা আতে আছে ॥
হেন অনুমানি কৃষ্ণৰ কাহিনী
শুনিয়া হুয়ো সন্তোষ।
আন কাম এড়ি সমজ্যায়ে বেঢ়ি
কৰিয়োক হৰি ঘোষ ॥ ৬৪১

— ॥ ১৮ ॥ —

॥ বলি-ছলন সমাপ্ত ॥

## দশম ভাগ

# শিশু-লীলা

ঘোষা ॥ কৃষ্ণ গোপাল করুণাময় ৰাম ৰাম হৰি ॥ ১ ॥

পদ ॥ কৃষ্ণ ৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্র গদা পদ্ম কৰত তোমাৰ ॥
পীতবস্ত্রে শোভে অতি শ্যাম কলেৱৰ।
কমললোচন চাৰু অৰুণ অধৰ ॥ ১
সুন্দৰ নাসিকা কর্ণে মকৰ-কুণ্ডল।
কণ্ঠত কৌস্তুভ শিৰে কিৰীটি উজ্জ্বল ॥
আপাদ-লম্বিত বনমালা জ্বলে গলে।
শোভে অতি শ্রীবৎস বহল বক্ষস্থলে ॥ ২
চাৰু চাৰি ভুজ জ্বলে আজানু-লম্বিত।
কৰী-কৰ সম উৰু বর্ত্তুল বলিত ॥
চৰণ কমল যেন নৱ পদ্মকোষ।
দেখি ভকতৰ মিলে পৰম সন্তোষ ॥ ৩
প্রসন্ন বদনে জ্বলে অলকা তিলক।
বসুদেৱে দেখিলন্ত অদ্ভুত বালক ॥
পড়ি দুয়ো প্রাণী পাছে কৰিলন্ত স্তুতি।
পিতৃত কহিলা প্রভু সমস্তে যুগুতি ॥ ৪
ভৈলা শিশু-ৰূপ তৈতে প্রভু নাৰায়ণ।
কোলে লৈয়া বসুদেৱ লড়িল তেখন ॥

ভাঙ্গিলা নিহল ভৈল মেলান কপাট।
দেখি ভয়ে যমুনা আপুনি দিলে বাট॥ ৫
বৰিষে কণিকা মেঘে ওপৰত গাজে।
ফণায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে॥
যশোদাৰ তৈতে উপজিল যোগমায়া।
আতি অচেতনে নিদ্ৰা গৈল নন্দজায়া॥ ৬
তাহানে শয্যাত নিয়া থৈলন্ত তোমাক।
বসুদেৱে আনিলন্ত নন্দেৰ কন্যাক॥
শিশুভাৱে গোকুলত ক্ৰীড়িলা আপাৰ।
সাধিলা অনেক প্ৰীতি নন্দ যশোদাৰ॥ ৭
অচিন্ত্য মহিমা হৰি পুৰুষ পুৰাণ।
লীলা কৰি অনেক দৈত্যৰ লৈলা প্ৰাণ॥
কংসৰ আদেশ পাই যত দৈত্য আসে।
ভুমি অগনিত যেন পুড়ি মৰে ঝাসে॥ ৮
আসিলেক পূতনা মোহিনী নাৰী বেশে।
স্তন দিয়া শিশু মাৰি ফুৰে দেশে দেশে॥
কোলে ধৰি তোমাক দিলেক স্তন দান।
স্তনপানে পূতনাৰ শুষিলাহা প্ৰাণ॥ ৯
শকটৰ তলে থৈলা যশোদা শুৱাই।
লাথি হানি পেহ্লাইলা শকট ওভটাই॥
হেন দেখি যশোদা সুন্দৰী মহাদুখে।
আথেবেথে কোলে লৈয়া স্তন দিলা মুখে॥ ১০
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে যুগুতি।
ৰাম নাম বিনা নাই কাহাৰো মুকুতি॥

হেন জানি নিৰন্তৰে এড়া আন কাম।
পাতেক ছাড়োক ডাকি বোলা ৰাম ৰাম॥ ১১

—॥ ১৯ ॥—

ঘোষা॥ পাৰ কৰা ৰঘুনাথ সংসাৰ-সাগৰে॥ ২॥

পদ॥ চক্রবাত অসুৰে তোমাক নিলে হৰি।
আকাশতে মাৰিলা গলত চিপি ধৰি॥
তোমাক হিয়াত লৈয়া পড়িল ভুমিত।
জুৰাইল তোমাক দেখি যশোদাৰ চিত্ত॥ ১২
ছলে হাসি তুলি তুমি দেখাইলা মাৰন্ত।
মুখৰ ভিতৰে আছে সমস্তে জগত॥
কম্পিল হৃদয় যশোদাৰ হেন দেখি।
পৰম বিস্ময় হুয়া মুদিলন্ত আখি॥ ১৩
বসুদেৱে পঠাইল আসিল গৰ্গ ঋষি।
গোপ্য কৰি জাতকৰ্ম্ম কৰিলা হৰিষি॥
কহিলা নন্দৰ আগে যত গুণগ্ৰাম।
বিধিমতে থৈলন্ত তোমাৰ কৃষ্ণ নাম॥ ১৪
আণ্ঠু কাঢ়ি ৰিঙ্গ পাৰি ফুৰা ব্ৰজ মাজে।
সোণাৰ ঘুণ্ডৰাচয় কঙ্কালত বাজে॥
বৃষৰ শুনিয়া নাদ চমকি উলটি।
আথে বেথে ধৰা গৈয়া মাৰক সাৰটি॥ ১৫

থিউদাঙ্গা দিয়া কতো তুমি দামোদৰে।
আনাট কৰিয়া ফুৰা গোৱালৰ ঘৰে॥
আনন্দতে সমস্তে গোৱালীগণে আসি।
তোমাৰ অকীৰ্ত্তি যশোদাত দেই সাখী॥ ১৬
কি ভৈল তোমাৰ ইটো তনয় দুৰ্জ্জন।
কৃষ্ণৰ নিমিত্তে আৰ নাহিকে জীৱন॥
গাই নতু দোহন্তে দামুৰি মেলে গৈই।
গৃহ পশি চুৰি কৰি খান্ত দধি দৈই॥ ১৭
বানৰকো খুৱাৱে গোবিন্দ কিনো চাণ্ড।
বানৰে নেখাই যেবে কোবাই ভাঙ্গে ভাণ্ড॥
ঢুকি যেৱে নপাৱে মনত নাহি তুষ্টি।
সিকিয়াৰপৰা আনে উৰলত উঠি॥ ১৮
শৰীৰৰ ৰত্নগণে ফুৰে পসৰায়।
আন্ধাৰত খুজি পাৱে লুকান নযায়॥
বস্তুক নপালে ধৰি মাৰন্ত ছৱালি।
গৃহত ভৰ্চ্ছিয়া পলাই যান্ত বনমালী॥ ১৯
মাৱৰ কোলাত আছা তুমি জগন্নাথ।
সভয় নয়ন হুয়া চপৰাইলা মাথ॥
হেন শুনি যশোদা কৃষ্ণক নোবোলয়।
আনন্দে আছন্ত হাসি পুত্ৰ-মুখ চাই॥ ২০
ডৰিবাৰ দেখিয়া পুত্ৰক বৰনাৰী।
বুকত সাবটি ধৰিলন্ত চুমা পাৰি॥
মাধৱৰ শিশু-লীলা শুনা সৰ্ব্বলোক।
বোলা হৰি হৰি মহা পাতেক ছাড়োক॥ ২১

ঘোষা ॥ কেশৱ কৃষ্ণ করুণা-সিন্ধু।
ত্রাহি জগন্নাথ অনাথ বন্ধু ॥ ৩

পদ ॥ এহিমতে ব্রজে আনন্দে ফুৰি।
কৰন্ত ক্রীড়া শিশু-ৰূপ ধৰি ॥
যত গোপ শিশু বলাই আদি।
সবে ভৈল গৈয়া কৃষ্ণৰ বাদী ॥ ২২
যশোদাৰ আগে দিলেক খল।
খাইলেক কৃষ্ণে মাটি একদল ॥
শুনিয়া যশোদা সুন্দৰী হাসি।
পুত্রৰ হাতত ধৰিলা আসি ॥ ২৩
কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাৰিবো ছাল ॥
শুনিয়া কৃষ্ণৰ হৰিল মাত।
চক্ষু টেৰ কৰি মাৰক চান্ত ॥ ২৪
ভয়তে যেন কাম্পে হাত উৰি।
যশোদা দেখে পুত্র গৈলা উৰি ॥
মুখক চাহন্তে লাগয়ি বেথা।
কেনে মাটি খাইলে সোধন্ত কথা ॥ ২৫
লগৰে শিশু বোলে সমুদায়।
বলায়ো বোলে তোৰ শ্রেষ্ঠ ভাই ॥
মাতন্ত কৃষ্ণে যশোদাক চাই।
মিছা মাতে সবে শুনিয়ো আই ॥ ২৬
কদাচিত্তো মঞি নখাঞো মাটি।
দদা বলভদ্রে বোলন্ত ঘাটি ॥

পতিয়ান নাই চায়া বিচাৰ।
হেন শুনি মাতে যশোদা নাৰী॥ ২৭
বাউ বেস্ত যেবে মাটি নখাইলি।
শুনিয়া শিশু-ৰূপী বনমালী॥
চায়া মুখ বুলি মাৰক মাতি।
বাইলন্ত বেস্ত প্ৰকাশিয়া আতি॥ ২৮
যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্তে জগত গৰ্ব্ভতে আছে॥
সাতো খান দ্বীপ সাতো সাগৰ।
গিৰি বন নদী গ্ৰাম নগৰ॥ ২৯
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণো তৈতে কৰে প্ৰকাশ॥
সমস্ত জীৱ জ্যোতি তেজ জল।
সত্ত্ব ৰজস্তম ইন্দ্ৰিয় বল॥ ৩০
বল বুদ্ধি কাল কৰ্ম্ম যতেক।
সবাকো গৰ্ব্ভতে দেখে প্ৰত্যেক॥
যতেক ধেনু গোপ গোপীজাক।
যশোদা তৈতে দেখে আপুনাক॥ ৩১
পৰম শঙ্কাক পাইলন্ত আতি।
অদ্ভুত দেখিয়া মাতন্ত সতী॥
কিবা ভ্ৰম ভৈলো মোহক পায়া।
দেখিলো স্বপ্ন কিবা দেৱমায়া॥ ৩২
কিবা জানে মায়া মোৰে তনয়।
কৰিবে সুৱাৰো একো নিশ্চয়॥

তুহিকস্ত মোৰ পুত্ৰ মানুষ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ॥ ৩৩
এহি বুলি চিত্ত দঢ়ায়া আতি।
কৰযোৰে কৰে কৃষ্ণক স্তুতি॥
যিটো ব্ৰহ্ম তুই তৰ্ক-গোচৰ।
নপাৰে বচনে মনে ওচৰ॥ ৩৪
নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তানে চৰণ॥
মঞি যশোদা মোৰ পুত্ৰ স্বামী।
ব্ৰজৰ সবে অধিকাৰী আমি॥ ৩৫
হেন অহম্মম সদায়ে কৰোঁ।
যাহাৰ মায়াত উপজো মৰোঁ॥
হেন জগন্নাথ হুয়োক গতি।
খণ্ডিয়োক আবে মোৰ কুমতি॥ ৩৬
গুণস্ত শুনি ত্ৰিজগত পতি।
বিষ্ণু হেন মোক জানিলা সতী॥
কৰিলা বৈষ্ণৱী মায়া বিস্তাৰ।
গুচিল বিষ্ণু-মায়া যশোদাৰ॥ ৩৭
কৃষ্ণত পুত্ৰবুদ্ধি ভৈল জাত।
ধুলা জাৰি তুলি লৈলা কোলাত॥
পাৰন্ত চুমা মুখে তন দিয়া।
মোৰে আয়ু লৈই পুতাই জীয়া॥ ৩৮
ব্ৰহ্মায়ো নজানে যাৰ মহিমা।
চাৰি বেদে কহি নপাৰে সীমা॥

হেন মাধৱক তনয় পাইল।
যশোদা নন্দে কিনো তপসাইল॥ ৩৯
সুনন্দ আদি যত যোগীগণ।
চিন্তিয়ো নেদেখে যাৰ চৰণ॥
হেন পৰ-ব্ৰহ্ম যশোদা-সুত।
ভৈলন্ত কিনো আতি অদ্ভুত॥ ৪০
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
শুনা শিশু-লীলা সমস্ত জনে॥
যেবে সুখে যাইবা বৈকুণ্ঠপুৰী।
সদায়ে ডাকিয়া ঘুষিয়ো হৰি॥ ৪১

ঘোষা॥ হো করুণাসিন্ধু!
ৰাম কৃষ্ণ ৰঘুপতি॥ ৪॥

পদ॥ দিনেক যশোদা নন্দজায়া।
আপুনি মথন্ত দধি গৈয়া॥
কৃষ্ণৰ শৈশৱ লীলা স্মৰি।
কৃষ্ণ-গুণ গাৱন্ত সুন্দৰী॥ ৪২
ক্ষৌণি বস্ত্ৰ পিন্ধি দিব্য কাছে।
কটিত মেখলা বান্ধি আছে॥
পুত্ৰ-স্নেহে স্রৱে দুয়ো স্তন।
আজোড়ন্তে লড়ে ঘনে ঘন॥ ৪৩
ৰুণ ঝুণ কৰেৰ কঙ্কণ।
শ্ৰম জলে উজ্জ্বল বদন॥
কৰ্ণত কুণ্ডল দোলে আতি।
খসি পড়ে খোপাৰ মালতী॥ ৪৪

এহিমতে মথন্ত প্ৰয়াসি।
মাৰক ধৰিলা কৃষ্ণে হাসি॥
মথনিত ধৰিয়া নিষেধি।
মথিবাক নেদে আৰ দধি॥ ৪৫
হাসি কোলে লৈল নন্দজায়া।
দিলা তন পুত্ৰমুখ চায়া॥
দেখন্ত উতলি দুগ্ধ পড়ে।
পুত্ৰ এড়ি গৈলন্ত লৰৰড়ে॥ ৪৬
তন পিবে নপায়া কৃষ্ণৰ।
কাম্পে কোপে অৰুণ অধৰ॥
দশন কামুড়ি আতি চাণ্ড।
শিলায়ে ভাঙ্গিলা দধি-ভাণ্ড॥ ৪৭
মহাকোপে কোঠা পশিলন্ত।
সিঞ্চিৰাই লৱনু ভুজন্ত॥
আসিলা যশোদা নমাই ক্ষীৰ।
দেখে হাণ্ডি ভাঙ্গিলা দধিৰ॥ ৪৮
জানিলা পুত্ৰৰ কৰ্ম্ম গোপী।
হাসিয়া দেখিলা পশি খুপি॥
উড়ল উপৰে চড়ি হৰি।
ভুঞ্জন্ত লৱনু চুৰি কৰি॥ ৪৯
শিকিয়াৰ পৰা নমাই আনি।
বানৰক দেন্ত দলি হানি॥
শঙ্কিত নয়নে নাই সাৰি।
দেখিয়া যশোদা লৈলা বাড়ি॥ ৫০

মাৰিবে আসন্ত জানি ডৰে।
দিলা লড় নামি উড়লৰে॥
পাছে পাছে যশোদা খেদন্ত।
ভয়ে লাগ মারক নেদন্ত॥ ৫১
যাক যোগী নপান্ত ধ্যানত।
হেন হৰি পলান্ত ভয়ত॥
পুত্ৰক খেদন্ত মহাসতী।
শ্ৰোণী-ভৰে আক্ৰমিলা গতি॥ ৫২
বেগত মেলান ভৈলা খোপা॥
খসি পড়ে মালতীৰ থোপা॥
গোৱিন্দে মাৱৰ শ্ৰম দেখি।
ৰহিলা কান্দন্তে মুদি আখি॥ ৫৩
সভয় নয়নে কাম্পে ডৰে।
যশোদা ধৰিলা আসি কৰে॥
ভাণ্ড ভাঙ্গি আজি যাইবে কথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা॥ ৫৪
সকলে লৱন্থু কৈলি নাশ।
শুনি প্ৰভু ভৈলা মহাত্ৰাস॥
দেখি বাড়ি এড়িলাহা সতী।
কৃষ্ণক বান্ধিতে ভৈলা মতি॥ ৫৫
নাহি আদি অন্ত পূৰ্ব্বাপৰ।
পূৰ্ণব্ৰহ্ম জগত-ঈশ্বৰ॥
তাহাঙ্ক তনয় মানি বলে।
যশোদা বান্ধন্ত উড়ুখলে॥ ৫৬

বান্ধন্ত কৃষ্ণক আনি ধৰি।
নোজোড়ে আঙ্গুল দুই জৰী॥
আৰো জৰী আনি জোড়া দিল।
সিয়ো দুই আঙ্গুল নাটিল॥ ৫৭
হেন দেখি আৰো জৰী আনি।
যশোদা বান্ধন্ত টানি টানি॥
শৰীৰৰ বল দিয়া আটে।
তথাপি আঙ্গুলা দুই নাটে॥ ৫৮
গৃহত যতেক পাইস জৰী।
এহিমতে জোড়ায়া সুন্দৰী॥
উড়ুখলে সমে বান্ধে চাপি।
নাটে দুই আঙ্গুল তথাপি॥ ৫৯
হেন দেখি হাস গোপীগণে।
যশোদা বিস্ময় ভৈলা মনে॥
শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিলা শ্ৰমে ৰহি॥ ৬০
হেন দেখি প্ৰভু নাৰায়ণ।
স্নেহে লৈলা আপুনি বন্ধন॥
জগতৰ আপুনি ঈশ্বৰ।
তুমি বশ্য ভৈলা ভকতৰ॥ ৬১
ব্ৰহ্মা লক্ষ্মীদেৱী মহাদেৱে।
নপাইলা প্ৰসাদ হেন কেৱে॥
যশোদা প্ৰসাদ যেন পাইল।
ইটো গোপী কিনো তপসাইল॥ ৬২

ভকতৰ বশ্য তুমি হৰি।
সুখে পাৱে গৃহতে সুমৰি ॥
ভণিল শঙ্কৰে কৃষ্ণপদে।
হৰি হৰি বোলা সভাসদে ॥ ৬৩

ঘোষা ॥ ৰাম গোপাল হৰি, কৃষ্ণ গোবিন্দ হৰি ॥ ৫ ॥

পদ ॥ কৃষ্ণে দেখিলন্ত মাৱ গৃহকৰ্ম্মে গৈল।
অণ্ঠু কাঢ়ি উড়ুখল টানিবাক লৈল ॥
অৰ্জ্জুনত লাগি ভৈল উড়ল পথালি।
কঙ্কাল ফান্দিয়া বল দিলা বনমালী ॥ ৬৪
কাম্পে দুয়ো গোটা বৃক্ষ উড়ুখল লাগি।
উভৰি পড়িল চম চম কৰি ভাগি ॥
শাপ এড়াই দুয়ো পাছে কুবেৰ তনয়।
কৃষ্ণক নমিয়া গৈল আপুনি নিলয় ॥ ৬৫
নিৰ্ঘাত শঙ্কিয়া খেদি গৈলা গোপঝাক।
বন্দী হুয়া আছা নন্দে দেখিলা তোমাক ॥
হাসিলন্ত কোনে হেন কৰিলেক বুলি।
বান্ধ মেলি কৃষ্ণক কোলাত লৈলা তুলি ॥ ৬৬
কিনো আতি নন্দ যশোদাৰ মহাভাগ।
পূৰ্ণব্ৰহ্ম তোমাক গৃহতে পাইলা লাগ ॥
ভকতৰ আনন্দ বঢ়ায়া সৰ্ব্বক্ষণে।
শিশু-লীলা অনেক কৰিলা নাৰায়ণে ॥ ৬৭
কেহো বেলা গোপীগণে পাছে গাৱে গীত।
তাসম্বাৰ প্ৰীতি সাধি কতো কৰা নৃত্য ॥

ঘালাড়ি কৰাহা কতো গোপীৰ বচনে।
ছায়া-পুতলাক যেন নচাৱে যতনে ॥ ৬৮
কেতো বেলা গোপিকাৰ শুনি আজ্ঞাবাণী।
পাদুক পীড়াক প্ৰভু ধৰি থাকা আনি ॥
কোন কৰ্ম্ম নকৰিলা হৰি গোকুলত।
ভকতৰ বশ্য হেন দেখায়া লোকত ॥ ৬৯
কোনে ফল লয়ে বুলি ডাকিলা পসাৰি।
ধান্য দিয়া ফল তুমি খুজিলা মুৰাৰি ॥
তোমাৰ হস্তক ভৰি দিলা ফল বাছি।
সুৱৰ্ণে ৰতনে তাইৰ উপচিল পাচি ॥ ৭০
আসিল দানৱ গোট বৎস ৰূপ ধৰি।
লাঙ্গুলে সহিতে তাৰ ধৰি পাছ ভৰি ॥
আলগতে ফুৰাই-মেলি হানিলাহা দলি।
কপিত্থত পৰি যমপুৰে গৈল চলি ॥ ৭১

ঘোষা ॥ ৰাম চৰণে ধৰোঁ।
স্বামী আমি যেন তৰো ॥ ৬ ॥

পদ ॥ বকাসুৰে কৃষ্ণক গিলিলে ঠোঁঠে ধৰি।
দেখি গোপ শিশুগণ যেন গৈল মৰি ॥
পাছে তাৰ তালুত লাগিল যেন জুই।
পেহ্লাইল বকে ছাদি বিমূৰ্চ্ছিত হুই ॥ ৭২
দুনাই ঠোঁঠে গিলিবাক আসে খদি তাক।
লীলায়ে ছিৰিলা যেন বিৰণ পতাক ॥
সবান্ধৱে ধেনুকক নিলা ৰসাৰ্ত্তল।
গোপ-শিশুসবক ভুঞ্জাইলা তাল ফল ॥ ৭৩

ময়ৰ তনয় ব্যোম গোপৰূপ ধৰি।
গোপ-শিশুসবক নিলেক চুৰি কৰি॥
গহ্বৰত থৈলা নিয়া ঢাকিয়া শিলায়।
তাক মাৰি শিশুসব আনিলা মেলায়॥ ৭৪
গোপ গৰুঝাকক বেঢ়িলে বনজুই।
তোমাত শৰণ সবে লৈলে ত্ৰাস হুই॥
চক্ষু মুদাই সবাকো ক্ষণেকে যোগবলে।
গোকুলক লাগিয়া আনিলা অবিকলে॥ ৭৫
নন্দক গিলন্তে সর্পে ৰাখিলাহা হৰি।
তোমাৰ পৰশে সর্পে দিব্যৰূপ ধৰি॥
শাপ এড়াই গৈলা বিদ্যাধৰৰ নিলয়।
দেখি গোপগণ ভৈলা পৰম বিস্ময়॥ ৭৬
শয়ন সময়ে সৱে গোপ-গোপীগণ॥
যোগবলে বৈকুণ্ঠক নিলা নাৰায়ণ।
বৈকুণ্ঠবাসীৰ সবে মহিমা দেখাই।
গোকুলক লাগি হৰি আনিলা দুনাই॥ ৭৭
নন্দক নিলন্ত বৰুণৰ দূতে ধৰি।
বৰুণৰ পৰা তাঙ্ক আনিলা উদ্ধাৰি॥
তোমাৰ মহিমা নন্দে কহিলা ব্ৰজত।
শুনিয়া বিস্ময় ভৈলা সবাৰো মনত॥ ৭৮
ইন্দ্ৰে কৰিলন্ত সাতদিন বৰিষণ।
এক হাতে উভাৰি ধৰিলা গোৱৰ্দ্ধন॥
দুৰ্ঘোৰ ভয়ত নিস্তাৰিলা গোপপুৰ।
কৰিলা লীলায়ে মহেন্দ্ৰৰ দৰ্পচুৰ॥ ৭৯

সুৰভি সহিতে ইন্দ্ৰে ভৈলন্ত প্ৰত্যেক।
গোৰ ইন্দ্ৰ পাতিয়া কৰিলা অভিষেক॥
অনেক ভকতি কৰি দুয়ো স্বৰ্গে গৈলা।
সেই দিনে তোমাৰ গোৱিন্দ নাম থৈলা॥ ৮০
গোপ-কুমাৰিকা সৱে বস্ত্ৰ থৈয়া তীৰে।
বিবস্ত্ৰে নামিলা সৱে যমুনাৰ নীৰে॥
বস্ত্ৰ লৈয়া চড়িলাহা কদম্বৰ গাছে।
নানা উপহাস্য কৰি বস্ত্ৰ দিলা পাছে॥ ৮১
কৃষ্ণৰ কিঙ্কৰে গীত ভণিলা শঙ্কৰে।
নাহি আন ধৰ্ম্ম আৰ কীৰ্ত্তনত পৰে॥
শুনা সৰ্ব্বজনে ঐত কেদিন জীৱন॥
বোলা হৰি হৰি আছে যাৱত চেতন॥ ৮২

ঘোষা॥ ও কৃষ্ণ নমো ৰাম নিৰঞ্জন হৰি॥ ৭॥

পদ॥ দুষ্ট অঘে পাতিলেক কাপ।
বাট ভেন্টি ভৈলা ঘোৰ সাপ॥
পৰ্ব্বত সমান কলেৱৰ।
বাইল বেস্ত সম্যকে গহ্বৰ॥ ৮৩
তল ওঠ মাটিত পাতিল।
উৰ্দ্ধ ওঠ স্বৰ্গত লাগিল॥
জিহ্বাখান যেন ৰাজ আলি।
বৎস লৈয়া আইলা বনমালী॥ ৮৪
গোৰথ দামুৰি নিৰন্তৰ।
নজানিয়া পশিলা ভিতৰ॥

দেখি তুমি ভক্তৰ স্নেহত।
পশিলাহা অঘৰ গৰ্ভত ॥ ৮৫
দেখি আঁটি ধৰিলা দশনে।
তুলিলেক হাসি দৈত্যেগণে ॥
দেৱগণে কৰে হাহাকাৰ।
গল চুঙ্গি ভেল্টি বৈলা তাৰ ॥ ৮৬
পেট ফিঙ্কি বায়ু দিলে টান।
মূৰ্চ্ছা স্ফুটি বাঝ ভৈলা প্ৰাণ ॥
তথু পৰশনে কৰ্ম্মক্ষীণ।
অসুৰ তোমাতে গৈল লীন ॥ ৮৭
দেখি নিশবদ দৈত্যকুল।
হৰিসে বৰিসে দেৱে ফুল ॥
অমৃত নয়নে চাইলা হৰি।
জীলা সবে গোৰথ দামুৰি ॥ ৮৮
ৰঙ্গে বাঝ ভৈলা বংশী বাই।
ফুৰা সৱে দামুৰি চৰাই ॥
ব্ৰহ্মা আসি কৰিলাহা চুৰি।
নিলা সৱে গোৰথ দামুৰি ॥ ৮৯
মায়া কৰি থৈলাহা গহ্বৰে।
কাহাকো নেদেখি দামোদৰে ॥
ব্ৰহ্মা নিলা জানিলন্ত গুণি।
ভৈলা গৰু গোৰথ আপুনি ॥ ৯০
নিচিনিল গোৱালী গোৱালে।
এদিনাতো কৰি প্ৰতিপালে ॥

ব্ৰহ্মা আসি দেখিলন্ত পাছে।
গোৰখ দামুৰি সব আছে॥ ৯১
পৰম বিস্ময়ে আছে চায়া।
কৰিলাহা প্ৰভু পাছে মায়া
গোৰখ দামুৰি ৰূপ এড়ি।
ভৈলা সৱে চতুৰ্ভুজ হৰি॥ ৯২
সজল জলদ যেন শ্যাম।
সৱে পীতবস্ত্ৰে অনুপাম॥
কেয়ূৰ কঙ্কণে কৰে কান্তি।
হৃদয়ত শ্ৰীবৎসৰ পান্তি॥ ৯৩
কম্বুকণ্ঠে কৌস্তুভে শোভিত।
বনমালা আপাদ লম্বিত॥
জিলিমিলি জ্বলে বক্ষস্থলে।
শোভে কৰ্ণ মকৰ কুণ্ডলে॥ ৯৪
শঙ্খ চক্ৰ গদা পদ্ম ধৰি।
আছে সৱে চতুৰ্ভুজ হৰি॥
গাৱে গাৱে একো সৃষ্টিকৰে।
চৰাচৰ সমে সেৱা কৰে॥ ৯৫
মোহ হুয়া ব্ৰহ্মা ভৈল চুপ।
দেখন্ত গুচিল সবে ৰূপ॥
পূৰ্ব্বৱতে আছা মাত্ৰ হৰি॥
হংসৰ নামিলা ব্ৰহ্মা ডৰি॥ ৯৬
যেন সুবৰ্ণৰ দণ্ড প্ৰায়।
ভূমিত পেহ্লায় নিজ কায়॥

মাধৱৰ পাদ-পদ্ম দুই।
চাৰি মুকুটৰ অগ্রে ছুই॥ ৯৭
আনন্দতে নয়নৰ জলে।
সিঞ্চিলন্ত চৰণ কমলে॥
উঠি উঠি দুয়ো পাৱে ধৰি।
প্রণামন্ত মহিমা সুমৰি॥ ৯৮
মুকুন্দক চাই কম্পমপি।
মাথা দমাই কৃষ্ণ কৃষ্ণ জপি॥
প্রসাদিয়া অনেক ভকতি।
কৰিবে লাগিলা ব্রহ্মা স্তুতি॥ ৯৯
কৃষ্ণ-কথা শুনিয়ো সমাজে।
জন্ম লভি ভাৰতৰ মাজে॥
আক ব্যৰ্থ কৰা কোন কামে।
সাধিয়ো মুকুতি হৰিনামে॥ ১০০

ঘোষা॥ ৰাম নিৰঞ্জন, নিৰঞ্জন, নিৰঞ্জন হৰি।
হে নমো ৰাম নিৰঞ্জন হৰি॥ ৮॥

পদ॥ নমো গোপৰূপী মেঘ সম শ্যাম তনু।
গাৱে পীতবস্ত্র হাতে শিঙ্গা বেত বেণু॥
কৰ্ণত গুঞ্জাৰ থোকা মাথে মৈৰা পাখি।
বন্য পুষ্পমালা পিন্ধি ধেনু আছা ৰাখি॥ ১০১
এহি শৰীৰতে আছে যতেক মহিমা।
মনেয়ো কৰিবে তাক পাবে কোনে সীমা॥

আছোক পৰম ব্ৰহ্ম স্বৰূপ তোমাৰ।
তাক জানিবাক আৰ শকতি কাহাৰ॥ ১০২
জ্ঞানপথ এড়ি প্ৰভু তোমাৰ কথাক।
কায়বাক্যমনে সেৱে যিটো সাধুব্যাক॥
যদ্যপি অজিত তুমি তিনিয়ো জগতে।
তথাপি তোমাক জিনে সেহিসে ভকতে॥ ১০৩
মুকুতি ৰসক স্ৰৱে তোমাৰ ভকতি।
তাক এড়ি যিটো জ্ঞানপথে কৰে ৰতি॥
দুখ মাত্ৰ পাৱে যেন নিষ্ফল প্ৰয়াসে।
বাহানে পতান যেন তণ্ডুলক আশে॥ ১০৪
যিটোজনে ভুঞ্জে নিজ কৰ্ম্মৰ বিপাক।
অপেখিয়া থাকে প্ৰভু তোমাৰ কৃপাক॥
কায়বাক্যমনে সেৱে চৰণ তোমাৰ।
সি সি জন মুকুতি পদৰ অধিকাৰ॥ ১০৫
মঞি কেনে দুৰ্ব্বোধ দেখিয়ো ভগৱন্ত।
মায়াবীৰ ঈশ তুমি অনাদি অনন্ত॥
তোমাক পৰীক্ষো নিজ মায়াক প্ৰকটি।
অগনিৰ আগে যেন ক্ষুদ্ৰ ফিৰিঙ্গতি॥ ১০৬
অন্ধ ভৈল চক্ষু হেলা কৰিলো তোমাক।
মঞি ভিন্ন ঈশ্বৰ মানিলো আপুনাক॥
অজ্ঞৰ ক্ষমিয়ো দোষ জগত-নিবাস।
এহি কৃপা কৰা যেন বোলাওঁ তযু দাস॥ ১০৭
গৰ্ব্ভত থাকন্তে উদৰত ঘালে পাৱে।
তাৰ অপৰাধক নধৰে যেন মাৱে॥

তোমাৰ কুক্ষিত আমি যত চৰাচৰ।
হেন জানি ক্ষমিয়োক দোষ দামোদৰ॥ ১০৮
ইটো ব্ৰহ্মপদ প্ৰভু আমাক নলাগে।
কীট পটঙ্গত জন্ম হোক কৰ্ম্ম-ভাগে॥
তোমাৰ ভক্তৰ মাজে হুয়া এক জন।
সেৱা কৰি থাকো প্ৰভু তোমাৰ চৰণ॥ ১০৯
কিনো ধন্য ইটো ধেনু পোপী গোকুলৰ।
যাৰ তনপানে তৃপ্তি ভৈলা দামোদৰ॥
অশ্বমেধ আদি কৰি মহাযজ্ঞ যত।
তোমাক তুষিবে কেহো নুহিকে শকত॥ ১১০
কিনো ভাগ্য কিনো ভাগ্য ব্ৰজৰ প্ৰজাৰ।
তুমি পূৰ্ণব্ৰহ্ম হৰি মিত্ৰ ভৈলা যাৰ॥
কিনো ভাগ্য কৰি গোকুলৰ তৰু-তৃণে।
তোমাৰ চৰণ-ৰেণু চোৱে প্ৰতিদিনে॥ ১১১
দেখা সৰ্ব্বলোক কেন অজ্ঞানী বৰ্ব্বৰ।
তুমি পৰমাত্মা তোমাকেসে বোলে পৰ॥
শৰীৰক মঞি বুলি বুদ্ধি ভৈল হত।
হিয়াত হৰাইল তুমি খোজে বাহিৰত॥ ১১২
বৃন্দাবনে তৃণ হুইবো তেবে বৰভাগ।
পাইবো ব্ৰজবাসীৰ চৰণ-ৰেণু লাগ॥
আজিয়ো নপাৱে পদ-ৰজ বেদগণ।
হেন হৰি ভৈল ব্ৰজবাসীৰ জীৱন॥ ১১৩
মাৰিবাক দিলা তন পূতনা পাপিষ্ঠী।
দিলাহা মুকুতি তাইতো পৰিল সুদৃষ্টি॥

ব্ৰজ-বাসী তোমাতে অৰ্পিল প্ৰাণ-বিত্ত।
আক আবে কিবা দিবো খেদ কৰে চিত্ত॥ ১১৪

তাৰে ৰাগ লোভ ক্ৰোধ পুৰুষৰ চোৰ।
তাৰে গৃহ-বাস বন্দী-শাল মহাঘোৰ॥
মোহচয় ভৰিব নিহল ভৈল তাৰে।
তোমাক ভকতি নবে নতু কৰৈ যাৰে॥ ১১৫

তোমাৰ আগত কিবা বোলো বহুবাক।
যিটো বোলে জানো প্ৰভু নজানে তোমাক॥
কায়-বাক্য-মনে মই কৰিলোহো সাৰ॥
তথু মায়া বিভৱৰ নপাওঁ কিছু পাৰ॥ ১১৬

জানিবাহা ভৈলো প্ৰভু তোমাৰ কিঙ্কৰ।
তথু চৰণত সমৰ্পিলো কলেৱৰ॥
সমস্তৰে বুদ্ধি সাক্ষী সবে তুমি জানা।
আজি ধৰি প্ৰভু মোক দাস বুলি মানা॥ ১১৭

নমো কৃষ্ণ বৃষ্ণিকুল প্ৰকাশ নায়ক।
দেৱ দ্বিজ পৃথিবীৰ বুদ্ধি প্ৰদায়ক॥
দুষ্ট-দৈত্য-দানৱ-ৰাক্ষস-ক্ষয়ঙ্কাৰ।
তোমাৰ চৰণে প্ৰভু প্ৰণাম আমাৰ॥ ১১৮

কৰিল অনেক স্তুতি আৰু সৃষ্টিকৰে।
তাক নকহিলো পদ বাহুল্যক ডৰে॥
এহি বুলি প্ৰজাপতি ভৈল মোহ-হীন।
কৃষ্ণক কৰিল তিনিবাৰ প্ৰদক্ষিণ॥ ১১৯

প্ৰণাম কৰিয়া চৰণত পড়ি পড়ি।
মেলানি মাগিয়া নিজ স্থানে গৈলা লড়ি॥
ভনিল শঙ্কৰে কৃষ্ণ-চৰণত ধৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি॥ ১২০

---

একাদশ ভাগ

## কালিয় দমন

ঘোষা ॥ গোপাল ৰাম কৃষ্ণ বনমালা।
মাৰিলা অসুৰ দমিলা কালী ॥ ৯ ॥

পদ ॥ গোপশিশু সঙ্গে গৈল বজাই।
আগত গোধন বাংশী বজাই ॥
চাৰন্তে ফুৰন্তে গৰু গোৰক্ষ।
পাইলা যমুনাৰ তীৰৰ লক্ষ ॥ ১২১

কালীৰ হ্ৰদক তাক নজানি।
তৃষ্ণাতে সবে পিলা বিষ-পানী ॥
দাৰুণ বিষৰ লাগিল জাল।
মৰিল সবে বৎস বৎসপাল ॥ ১২২

দেখিয়া কৃষ্ণ অসন্তোষ পাইলা।
অমৃত নয়নে চাহি জীয়াইলা ॥
কালীক দমিবে কৰি যতন।
কটিত বান্ধিলা পীত বসন ॥ ১২৩

উঠিলা উচ্চ কদম্বৰ গাছে।
হ্ৰদৰ মাজে জাম্প দিলা পাছে ॥
ঢেউ উথলিল খলকি হ্ৰদ।
দশোদিশে গৈল তাৰ শবদ ॥ ১২৪

জলক্ৰীড়া কৰা বাহু আস্ফালি।
ক্ৰোধে খেদি আসি দেখিলা কালী॥
তনু সুকুমাৰ জলদ-শ্যাম।
প্ৰকাশে পীতবস্ত্ৰে অনুপাম॥ ১২৫
কমল-লোচন মুখ প্ৰসন্ন।
মুকুতাৰ শাৰী সম-দশন॥
উন্নত নাসা মুখে মন্দ হাস।
কণ্ঠত কৌস্তুভে কৰে প্ৰকাশ॥ ১২৬
হিয়াত জিলিমিলি কৰে কান্তি।
মধ্যত জ্বলৈ শ্ৰীবৎসৰ পান্তি॥
আজানু-লম্বিত বাহু দুখান।
চাৰু উৰু কৰ কটি সুঠান॥ ১২৭
জঙ্ঘা দুইক দেখি মিলে সন্তোষ।
দুখানি পাৱ নৱ পদ্মকোষ॥
আনন্দে জলক ফুৰা আস্ফালি।
মৰ্ম্মস্থলে আসি দংশিলা কালী॥ ১২৮
নজানি তোমাৰ পাপী প্ৰভাৱ।
লাঙ্গে মেহ্ৰাইলেক সমস্তে গাৱ॥
বিষ লাগি তুমি থাকিলা ঘুমি।
মনুষ্য চেষ্টাক দেখায়া তুমি॥ ১২৯
দেখি শিশুসৱ মৰিল প্ৰায়।
ধেনুগণে আউৰ তৃণ নখায়॥
কৃষ্ণক চাহিয়া থাকিল ৰহি।
চক্ষুৰ লোহ ধাৰে যায় বহি॥ ১৩০

আতি উৎপাত দেখি গোকুলে।
গোপ-গোপীজাক সমস্তে বোলে॥
জ্যেষ্ঠ বলভদ্রে লগে নগৈল।
কৃষ্ণৰ আজি ভৈতে কিবা ভৈল॥ ১৩১
নন্দ যশোদা বিয়াকুল মনে।
কৃষ্ণক চাহিবে পশিলা বনে॥
লগতে চলে গোপ-গোপীজাক।
হা কৃষ্ণ বুলি ছাড়ন্তে ডাক॥ ১৩২
ধ্বজ বজ্র যৱ অঙ্কুশ চাই।
কৃষ্ণৰ খোজ নিহালন্তে যায়॥
পুত্ৰ পুত্ৰ বুলি যশোদা চান্ত।
কৃষ্ণৰ খোজত পড়ন্তে যান্ত॥ ১৩৩
বেঢ়িয়া গোপ-গোপী নেয় ধৰি।
দেখিল পাছে পড়ি আছা হৰি॥
জলৰ মাজে মৃতকৰ বেশ।
নকৰন্ত আৰ চক্ষু নিমেষ॥ ১৩৪
দেখি গোপ-গোপী সম্যক মৰিল।
প্ৰাণ অন্তৰীক্ষ চেতন হৰিল॥
কৃষ্ণ কৃষ্ণ বুলি দিলেক গেড়ি।
কান্দে যমুনাৰ তীৰক বেঢ়ি॥ ১৩৫
যশোদা সুন্দৰী নন্দ গোৱালে।
পাড়ন্ত লোটাৰি পৰি নিচালে॥
কি ভৈল পুত্ৰ বুলি উকি দিয়া।
জলাতে [illegible] থাকবে [illegible]॥ ১৩৬

কৃষ্ণৰ সুন্দৰ বদন চাই।
যশোদা কান্দন্ত গুণ বৰ্ণাই॥
গোধূলি কোনে যাইবে বাংশী বাই।
কোনে মোক গৈয়া বুলিবে আই॥ ১৩৭
ধূলা জাৰি কাক কৰাইবো স্নান।
কোনে কৰিবেক গোৰস পান॥
কাক বিছাই দিবো শীতল তুলী।
ডাকিবো কাক জাগ কৃষ্ণ বুলি॥ ১৩৮
সুন্দৰ বদনে বজয়া বেণূ।
প্ৰভাতে কোনে চৰাইবেক ধেনু॥
কি ভৈল আজি মোৰ কৃষ্ণ বাপ।
মৰিও নেড়াইবো তোৰ সন্তাপ॥ ১৩৯
এহি বুলি কান্দে কৃষ্ণক চাই।
যশোদা নন্দে জাম্প দিবে যায়॥
দেখি বলভদ্ৰে বাধিলা হাসি।
এখনে আসিব কালীক নাশি॥ ১৪০
কৃষ্ণক লাগিয়া এড়া ক্ৰন্দন।
হেন শুনি সবে জুড়াইল মন॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥ ১৪১

ঘোষা॥ প্ৰণামো ৰাম দেৱ দয়াশীল।
আবেলে কৃষ্ণৰ কৃপা মিলিল॥ ১০
পদ॥ ভকতৰ দুঃখ দেখি গোপাল।
আজোট কৰি দিলা উকপাল

সৰ্পৰ বন্ধ এড়াই জগন্নাথে।
ডেৰে চড়িলন্ত কালীৰ মাথে॥ ১৪২
শতেক শিৰত নাচন্ত হৰি।
বায়ে বিদ্যাধৰে মৃদঙ্গ ধৰি॥
গন্ধৰ্ব্বে গীত গায়া বায়ে তাল।
পৰম আনন্দে নাচা গোপাল॥ ১৪৩
জগত আধাৰ তোমাৰ ভিৰে।
নাকে মুখে সিটো ছাদে কধিৰে॥
স্বামী মৰে দেখি নাগিনী-লোকে।
শিশু আগ কৰি আসিলা শোকে॥ ১৪৫
পড়িল ভূমিত কৃষ্ণৰ আগে।
কৰিয়া স্তুতি স্বামী-দান মাগে॥
কৰিলা দোষ স্বামী ইটো চণ্ড।
বিহিলা ইহাৰ উচিত দণ্ড॥ ১৪৫
দুৰ্জ্জন জনৰ চিন্তিবা মাৰ।
এহিসে কাৰ্য্যে তযু অৱতাৰ॥
পাতকী সৰ্প-জাতি দুৰাশয়।
তোমাৰ দণ্ডে পাপ ভৈল ক্ষয়॥ ১৪৬
কৰিলা দায়া দায়াশীল হৰি।
তোমাৰ ক্রোধৰৰে এবে মৰি॥
পূৰ্ব্বত কিনো তপ আছে কৰি।
যাহন্তে তুমি তুষ্ট ভৈলা হৰি॥ ১৪৭
সিহেতু হেন ভৈল ভাগ্যোদয়।
তোমাৰ পাইলে পদ-ধূল্যাচয়॥

যাহাক লক্ষ্মীদেৱী বাঞ্ছা কৰি।
আচৰিলা তপ ব্ৰতক ধৰি॥ ১৪৮
যিটো পদৰজ ভকতে পাই।
এৰি সাৰ্ব্বভৌম পদতো দাই॥
স্বৰ্গ ব্ৰহ্মপদ নকৰৈ বাঞ্ছা।
নকৰন্ত যোগ-সিদ্ধিকো ইচ্ছা॥ ১৪৯

মোক্ষতো অভিলাষ নাহি হৰি।
তোমাৰ চৰণ ৰেণুক এড়ি॥
পৰম ক্ৰোধী হুয়া ক্ৰুৰমতি।
হেন পদধূলা পাইলেক পতি॥ ১৫০

নপান্ত ব্ৰহ্মা আদি দেৱে যাক।
হেন জানি নাথ ৰাখা ইহাক॥
চৰণে প্ৰণামো হুয়ো সন্তোষ।
বাৰেক আৰ মৰষিয়ো দোষ॥ ১৫১

কৰিয়ো দায়া প্ৰভু এড়ৈ প্ৰাণ।
অনাথ স্ত্ৰীক দিয়ো স্বামী দান॥
কৰিল অনেক স্তুতি ভকতি।
শুনি তুষ্ট ভৈলা জগতপতি॥ ১৫২

প্ৰাণে নামাৰিলা তাতেসে থাকি।
কালীক খেদাইলা হ্ৰদৰ ভাকি॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্ত জনে॥ ১৫৩

ঘোষা ॥ ৰাম গোবিন্দ মুকুন্দ মুৰাৰি ॥ ৬৭

পদ ॥ ভৈল হ্ৰদ সিটো নিৰ্ম্মল জল।
দেখিয়া সবে ভৈল কৌতূহল ॥
সপুত্ৰ-বান্ধৱে খেদায়া কালী।
তীৰক পাছে গৈলা বনমালী ॥ ১৫৪

দেখিয়া যশোদা ধৰিলা গলে।
পুত্ৰ পুত্ৰ বুলি নেত্ৰৰ জলে ॥
তিয়াইলা কৃষ্ণৰ সৱে শৰীৰ।
নন্দে ধৰি আসি ঘ্ৰাণিলা শিৰ ॥ ১৫৫

কৃষ্ণক আলিঙ্গি আনন্দ পাইল।
নাছিল প্ৰাণ দুনাই যেন আইল ॥
বেঢ়ি গোপ গোপী চাৱে নিৰীক্ষ।
জুৰাইল শৰীৰ কৃষ্ণক দেখি ॥ ১৫৬

ভাই বুলি বলো সাবটি আসি।
প্ৰভাৱ জানিয়া তুলিলা হাসি ॥
এহিমতে সবে এড়ায়া শোক।
ৰজনী ভৈল জানি সবে লোক ॥ ১৫৭

যমুনা তীৰত বঞ্চিল ৰাতি।
ক্ষুধায়ে তৃষায়ে পীড়িলা আতি ॥
ঘুমুটি গৈলা হাৰাশাস্তি হুই।
বেঢ়িয়া বনত লাগিল জুই ॥ ১৫৮

অগনিৰ তাপ পাইলেক গাক।
জাগিল সবে গোপ গোপীজাক ॥

বহ্নিক দেখি ভৈলা সবে ত্ৰাস।
ত্ৰাহি কৃষ্ণ বুলি পাৰে আটাস॥ ১৫৯

বহ্নিত সবে পুৰি মৰো আমি।
প্ৰাণ দান দিয়া জগতস্বামী॥
তুমি বিনা আন নাই বান্ধৱ।
ভকত জনক ৰাখা মাধৱ॥ ১৬০

এহি বুলি সবে কৰে কোলাহাল।
বান্ধৱৰ দুঃখ দেখি গোপাল॥
ভয় নাই বুলি আপোন মুখে।
পিলা বনাগ্নিক পৰম সুখে॥ ১৬১

এড়াইলা সমস্তে দুৰ্ঘোৰ ভয়।
অনন্তৰে ভৈলা সূৰ্য্য উদয়॥
কৃষ্ণৰ কৰ্ম্ম আতি আচৰিত।
বিস্ময় ভৈল সমস্তৰে চিত্ত॥ ১৬২

নোহন্ত মানুষ নন্দ-তনয়।
পৰম পুৰুষ জানি নিশ্চয়॥
পাছে গোপগোপী কৃষ্ণক বেড়ি।
গোষ্ঠক লড়িল কৰন্তে খেড়ি॥ ১৬৩

কৃষ্ণগীত গান্ত বজায়া বেণু।
কৰিলেক আগ যতেক ধেনু॥
গোপীসবে কৃষ্ণ চৰিত্ৰ গাইল।
পৰম আনন্দে ব্ৰজক পাইল॥ ১৬৪

কৃষ্ণর কিঙ্করে শঙ্করে গায়।
কেতিক্ষণে পবে ক্ষণিক কায়॥
জানিয়া কৃষ্ণর চবণে ধবি।
সমস্ত সমাজে ঘুষিয়ো হবি॥ ১৬৫

॥ কালিয় দমন সমাপ্ত ॥

## দ্বাদশ ভাগ

# ৰাস-ক্ৰীড়া

ঘোষা ॥ বোলা হৰি হৰি ৰাম মুকুন্দ মুৰাৰি।
বিনা হৰিনামে ভৱ তৰিতে নপাৰি ॥ ১

পদ ॥ শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
কহো ৰাস-ক্ৰীড়া কথা কৃষ্ণৰ চৰিত ॥
শৰত কালৰ ৰাত্ৰি আতি বিতোপন।
ৰাস-ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন ॥ ১
ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিশ হন্তে।
কামাতুৰ স্ত্ৰীৰ যেন সন্তাপ মাৰ্জ্জন্তে ॥
অখণ্ড-মণ্ডল চন্দ্ৰ দেখিলন্ত হৰি।
কুঙ্কুমে অৰুণ লক্ষ্মী মুখপদ্ম সৰি ॥ ২
বনকো দেখিলা চন্দ্ৰ-ৰশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত ॥
শুনি কামে উত্ৰাৱল হুয়া গোপীগণে।
দিলেক লৰড় গীত ধ্বনি নিৰীক্ষণে ॥ ৩
কৰ্ণত কুণ্ডল দোলে বেগতে হাণ্টিতে।
চিত্তত ধৰিলা কৃষ্ণে চলে অলক্ষিতে ॥
কতো গোপী যায় গাই দোহনক এড়ি।
আথাতে থাকিল দুগ্ধ চক সৈতে পড়ি ॥ ৪
পিয়ন্তে আছিল শিশু তাহাকো নগণি।
পতি শুশ্ৰূষাকো এড়ি যায় কতো জনী ॥

কতো গোপী আছিল স্বামীৰ পৰিশস্তে।
আধা ভুঞ্জা হুয়া কতো যায় লৰড়স্তে ॥ ৫

কৃষ্ণৰ শ্ৰৱণে যেন হৰি-দাসগণে।
এড়ে কাম্য কৰ্ম্ম সবে তদগত মনে ॥

কৃষ্ণে হৰিলন্ত চিত্ত হৰাইল চেতন।
পিন্ধয় পাৰত নিয়া বস্ত্ৰৰ কঙ্কণ ॥ ৬

হাতত নূপুৰ আড়ে কঙ্কালত হাৰ।
কৰি বিপৰ্য্যয় পিন্ধে বস্ত্ৰ অলঙ্কাৰ ॥

তথাপি কৃষ্ণক পাইলা গোপিকাসকল।
ভকতৰ কৰ্ম্ম যেন নভৈল বিফল ॥ ৭

নিবাৰয় পতি পুত্ৰ ভ্ৰাতৃ আগ ভেণ্টে।
গোবিন্দে হৰিল চিত্ত তথাপি নোলটে ॥

বিমোহিত হুয়া সবে লৰড়ে গোপিনী।
হৰি ভকতক যেন নলঙ্ঘে বিধিনি ॥ ৮

যাইবে নপাই গৃহ-মধ্যে কতো গোপীগণ।
মনে ধৰি কৰিল কৃষ্ণক আলিঙ্গন ॥

অনেক জন্মৰ কৰ্ম্ম-বন্ধ কৰি ক্ষীণ।
এড়ি তনু তেখনে কৃষ্ণতে গৈলা লীন ॥ ৯

পুছে পৰীক্ষিতে শুনি মিলিল সংশয়।
জাৰ-বুদ্ধি মাধৱক সেৱৈ গোপীচয় ॥

তথাপি মোক্ষক পাইলা কিনো বিপৰ্য্যয়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয় ॥ ১০

ঘোষা ॥ ভয়হাৰী হৰি তাৰহু মুকুন্দ মুৰাৰি।
জনম মৰণ ক্লেশ সহিতে নপাৰি ॥ ১২

পদ ॥ শুক নিগদতি ৰাজা শুনা মহাশয়।
গোপিকাৰ মোক্ষ দেখি নুহিবা বিস্ময় ॥
দ্বেষ্য কৰি শিশুপালে লভিল মুকুতি।
বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি ॥ ১১
বিষ বুলি অমৃতক পিলে যিটো নৰ।
নুহিবেক হেন জানা অজৰ অমৰ ॥
যেন তেনমতে মাত্র স্মৰোক সতত।
এতেকে মুকুতি পাৱে কহিলো বেকত ॥ ১২
ব্ৰহ্মাদিৰো ঈশ কৃষ্ণ প্রভু ভগৱন্ত।
যাত হন্তে পাৱে মোক্ষ স্থাৱৰ পৰ্য্যন্ত ॥
নিকপায় হৰিৰ ভকতি নুহি বৃথা।
গোপী-গোপালৰ আৰে শুনা পাছ কথা ॥ ১৩
যেবে সৱে সমীপ পাইলেক গোপ-নাৰী।
তাসম্বাক বাক্যে মোহি বুলিলা মুৰাৰি ॥
কুশলে কি আইলা কৈয়ো ব্ৰজৰ কল্যাণ।
প্রিয় কৰ্ম্ম কৰো কিবা কহিয়ো নিদান ॥ ১৪
দুৰ্ঘোৰ ৰজনী প্রেত-পিশাচৰ গতি।
ঐত নাথাকিবা তোৰাসব স্ত্রীমতি ॥
তোমাসাক নেদেখিয়া পিতৃ-মাতৃচয়।
তাসম্বাৰ মনে মহা মিলিব সংশয় ॥ ১৫
দেখিলাহা ইটো বিকশিত বৃন্দাবন।
শশাঙ্কে ধৱল নৱ পল্লৱে শোভন ॥

উলটি ব্ৰজক যাহা কান্দে শিশুগণ।
তাসম্বাক প্ৰতিপালি পিয়ায়োক স্তন॥ ১৬
উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।
স্বামীক শুশ্ৰূষা কুল-স্ত্ৰীৰ মহাধৰ্ম্ম॥
যদিবা আমাক স্নেহে আইলা গোপীগণ।
মোক আৰে দেখিলা সিজিল প্ৰয়োজন॥ ১৭
বিদূৰতে থাকি কৰে শ্ৰৱণ কীৰ্ত্তন।
বাঢ়ে মোত ভকতি নিৰ্ম্মল হোৱে মন॥
দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়া গৃহতে থাকি কৰিয়ো ভকতি॥ ১৮
কৃষ্ণৰ অপ্ৰিয় বাণী শুনি গোপীগণ।
পাইলেক দুৰন্ত চিন্তা মলিন বদন॥
ওলমাইল মুখ আতি পায়া দুঃখ বৰ।
সঘনে নিশ্বাস কাঢ়ে শুখাইলা অধৰ॥ ১৯
কুচৰ কুঙ্কুম মানে লোতকে তিতিল।
থাকিল নিচুকি মুখে বচন হৰিল॥
চৰণে ভূমিক লেখে দেখে তমোময়।
বোলা হৰি হৰি হৌক পাপৰ প্ৰলয়॥ ২০

ঘোষা॥ গোপাল কৃষ্ণ কৰহু ত্ৰাণ।
তোমাক নেদেখি নসহে প্ৰাণ॥ ৩॥

পদ॥ শোকক তন্তায়া গোপীসকলে।
মলচিলা মুখ আখি আঞ্চলে॥
গদ গদ মাত মুখে নোলাই।
বুলিবে লাগিলা কৃষ্ণক চাই॥ ২১

ভকত-বৎসল তোমাক জানি।
কেনে বোলা হেন ঘাতুক বাণী॥
সমস্ত বিষয় এড়িয়া স্বামী।
ভজিলো তোমাৰ চৰণে আমি॥ ২২
ভজিয়ো আমাক মিলোক ভাগ।
নকৰা নাথ ভকতক ত্যাগ॥
কহিলা যিটো কুলস্ত্রীৰ কৰ্ম্ম।
তোমাতে থাকোক সিসৱ ধৰ্ম্ম॥ ২৩
জগতৰে বন্ধু আতমা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
তুমি আত্মা হেন জানি সম্প্ৰতি।
তোমাতেসে কৰে ভকতে ৰতি॥ ২৪
নলাগে পতি পুত্ৰ দুঃখ হেতু।
হুয়োক প্ৰসন্ন গৰুড়কেতু॥
কৰিছো আশা যিটো চিৰকাল।
নকৰিয়ো তাক ভঙ্গ গোপাল॥ ২৫
হৰিলা চিত্ত নথাকয় ঘৰে।
হস্ত দুই গৃহকৃত্য নকৰে॥
তোমাক এড়িয়া নচলে ভৰি।
ব্ৰজক গৈয়া কি কৰিবো হৰি॥ ২৬
জ্বলে কামানল তোমাৰ গীতে।
নুমায়োক তাক অধৰামৃতে॥
নুহি বিৰহতে দহিয়া তনু।
লভিবো তোমাৰ সমীপ পুনু॥ ২৭

হুয়োক প্ৰসন্ন জগন্নিবাস।
সবে তেজি কৈলো তোমাতে আশ॥
নমাৰা পুড়িয়া ঈষত হাসি।
পুৰুষভূষণ কৰিয়ো দাসী॥ ২৮
অলকে আবৃত তোমাৰ মুখ।
অধৰ সুধাক দেখন্তে সুখ॥
ভ্ৰুৰ যুগ তযু ঈষত হাসি।
দেখি তাক প্ৰভু ভৈলোহো দাসী॥ ২৯
তোমাৰ শুনিয়া অমৃত গীত।
নুহিবে মোহ কোন স্ত্ৰীৰ চিত্ত॥
আছোক আন বৃক্ষ পশু পক্ষী।
প্ৰেমে পুলকিত তোমাক দেখি॥ ৩০
দেৱৰ ৰক্ষক যেন মুৰাৰি।
ব্ৰজৰো তুমি দুঃখ-ভয়হাৰী॥
জানিয়া জুৰায়ো আমাৰ প্ৰাণ।
শিৰত হস্তপদ দিয়া দান॥ ৩১
কামে বশ্য হুয়া গোপী যতেক।
বুলিলা বিহ্বল বাক্য অনেক॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥ ৩২

ঘোষা॥ **গোবিন্দ দেৱ বিনে নাহি কেৱ।**
**গোবিন্দ দেৱ॥** ॥ ৪

পদ॥ গোপীৰ শুনিয়া আকুল বাণী।
**ভৈলন্ত সদয় সাৰঙ্গপাণি॥**

হাসিয়া বোলন্ত এড়িয়ো তাপ।
গোপীক ক্রীড়িলা জগত বাপ॥ ৩৩
*কৃষ্ণৰ সদয় দৃষ্টিক দেখি।*
প্রফুল্ল-মুখী ভৈলা সবে সখী॥
দৰশাই লীলা ভাৱ ভ্রূভঙ্গে।
কৃষ্ণৰ চৌপাশে বেঢ়িলা ৰঙ্গে॥ ৩৪
গোপীৰ মধ্যে শোভে দামোদৰ।
তাৰাৰ মধ্যে যেন শশধৰ॥
গলত অম্লান পঙ্কজ মালা।
বেঢ়িয়া গুণ গাৱে গোপবালা॥ ৩৫
আপুনি গাৱন্ত গীত মোহন।
ফুৰন্ত ৰঞ্জি দিব্য বৃন্দাবন॥
যমুনা বালি দেখি সুকোমল।
পদ্মগন্ধী বাতে আতি শীতল॥ ৩৬
গোপীগণ লৈয়া নামিলা তাত।
কৰিলা ক্রীড়া কৃষ্ণে অসংখ্যাত॥
বাহু মেলি কাকো আলিঙ্গি ধৰি।
কাৰো স্তন নখে পৰশে হৰি॥ ৩৭
মুখ চায়া কাৰো তোলন্ত হাস।
মাতন্ত কাকো কৰি পৰিহাস॥
লন্ত বস্ত্র কাঢ়ি বঢ়ায়া ৰঙ্গ।
বেকত কৰন্ত গুপুত অঙ্গ॥ ৩৮
ধৰিয়া কাৰো কণ্ঠে বাহু মেলি।
কৰিলা অনেক অনঙ্গ-কেলি॥

আনন্দে গোপীৰ বঢ়ায়া কাম।
ৰমিলা গোপীনাথ অবিশ্ৰাম॥ ৩৯
কৃষ্ণত হন্তে মহামান পায়া।
বুলিলা গৰ্ব্বে সব গোপজায়া॥
আমাৰ সম সুভাগিনী নাই।
ভৈলন্ত অধীন যাদব ৰায়॥ ৪০
গোপীৰ মহা অহম্মম ভাৱ
দেখি নহসিল কৃষ্ণৰ গাৱ॥
তাসম্বাৰ দৰ্প হৰিবে মনে।
ভৈলা অন্তৰ্দ্ধান তৈতে তেক্ষণে॥ ৪১
কৃষ্ণক নপাই পাছে গোপীচয়।
মিলিল সন্তাপ ভৈলন্ত ভয়॥
যেন যূথপক নেদেখি বনে।
কান্দে আৰ্ত্তৰাৱে হস্তিনীগণে॥ ৪২
কৃষ্ণক সদয় কটাক্ষ হাসে।
মোহন আলাপ গতি বিলাসে॥
হৰিল চিত্ত পাসৰিল মৰ্ম্ম।
কৰিবে লাগিলা কৃষ্ণৰ কৰ্ম্ম॥ ৪৩
কৃষ্ণৰ স্থানে কৰৈ লীলা গতি।
সদয় হাস্যে চাৱৈ কাকো প্ৰতি॥
মইসে কৃষ্ণ জান গোপীগণ।
অন্যো অন্যে গোপী বোলৈ বচন॥ ৪৪
একত্ৰ হুয়া মহা প্ৰেম ভাৱে।
গোবিন্দ গুণ আৰ্ত্তৰাৱে গাৱে॥

বিচাৰি ফুৰে পশি বৃন্দাবনে।
কৃষ্ণ কৃষ্ণ বুলি উন্মত্ত মনে॥ ৪৫
যিটো হৰি আছা জগত ব্যাপি।
বৃক্ষত তাঙ্ক সোধে পাশ চাপি॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥ ৪৬

ঘোষা॥ **কৈত পাইবো প্ৰাণ গোপাল আম।**
**হৰাইলো অৰুণ লোচন স্বামী॥ ৫ ॥**

পদ॥ উচ্চ বৃক্ষ দেখি সোধে সাদৰি।
শুনিয়ো অশ্বত্থ বট পাকড়ি॥
যাহন্তে দেখিলা নন্দ-কুমাৰ।
নেন্ত চুৰি কৰি চিত্ত আমাৰ॥ ৪৭
হে কুৰুবক অশোক চম্পা।
কহিয়ো কথা কৰা অনুকম্পা॥
মানিনীৰ দৰ্প কৰিয়া চূৰ।
জানাহা কৃষ্ণ যান্ত কতো দূৰ॥ ৪৮
ওবা তুলসী সন্নিধান দিয়া।
তুমি গোবিন্দৰ চৰণ প্ৰিয়া॥
যাহন্তে দেখিলা নন্দ-কুমাৰ।
প্ৰাণতো অধিক প্ৰিয় আমাৰ॥ ৪৯
হে জাই যূথী সখা মালতী।
কৃষ্ণ পৰশে কি লভিলা গতি॥
সমস্তে গোপীৰ জীৱন ধন।
দেখিলা যাহন্তে নন্দ-নন্দন॥ ৫০

হে আম জাম বেল বকুল।
নাহি উপকাৰী তোমাৰ তুল॥
কৃষ্ণৰ বিৰহে দেখো আন্ধাৰ।
কোৱা কৈক গৈলা প্ৰাণ আমাৰ॥ ৫১
কিনো তপ অবা কৰিলা ভূমি।
কৃষ্ণৰ চৰণ পৰশে তুমি॥
মিলি আছে মহা আনন্দ ভাৱ।
দেখো ৰোমাঞ্চিত তোমাৰ গাৱ॥ ৫২
পূৰ্ব্বতো বৰাহে আছে আলিঙ্গি।
তুমি সৰ্ব্বকালে কৃষ্ণৰ সঙ্গী॥
দেখিছা কৃষ্ণক জানো নিশ্চয়।
কহিয়ো আমাত হুয়ো সদয়॥ ৫৩
মৃগপত্নী সখী দেখিলা হৰি।
তোমাৰ নেত্ৰৰ আনন্দকৰি॥
যান্ত প্ৰিয়া সমে গতি বিলাসে।
হেৰা কুন্দ গন্ধ কুঙ্কুম বাসে॥ ৫৪
কতো গোপী বোলে শুনিয়ো বাণী।
লতাত কৃষ্ণৰ পুছো কাহিনী॥
কৃষ্ণৰ নখৰ পৰশ পাই।
দেখো পুলকিত সমস্তে কায়॥ ৫৫
বোলে বাক্য সমে উন্মত্ত ভাৱে।
কৃষ্ণক বনত বিচাৰি চাৱে।
কৃষ্ণগুণ গান্তে প্ৰেম উপজে॥
কৃষ্ণতে মন সমুদায় মজে॥ ৫৬

সমস্তে বিহ্বল হুয়া গোপীনী।
কৰৈ কৃষ্ণলীলা কতো আপুনি ॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে ॥ ৫৭

ঘোষা ॥ বন্দো মন্দৰধাৰী।
গতি মতি মোৰ তুমি মুৰাৰী ॥ ৬ ॥

পদ ॥ পূতনাৰ বেশে কতোজনী দেয় স্তন।
কতো শিশু কৃষ্ণ হুয়া শোষয় জীৱন ॥
কতো গোপী থাকৈ যেন শকট আকাৰে।
কৃষ্ণ হুয়া ওভোটাৱে চৰণ প্ৰহাৰে ॥ ৫৮
কতো গোপী বসে শিশু কৃষ্ণৰূপ ধৰি।
তৃণাৱৰ্ত্ত হুয়া কতো গোপী নেই হৰি ॥
কৃষ্ণ হুয়া কেহোজনী ফুৰৈ আঁঠু কাঢ়ি।
কঙ্কালত ঘুঘুৰা ঘাঘৰ কৰে সাৰি ॥ ৫৯
কতো কতো হুই ৰাম-কৃষ্ণ দুই ভাই।
কতো বৎস হুই তাকে ফুৰন্ত চৰাই ॥
কতো গোপী বক যেন চুপি থাকে ভিৰি।
কৃষ্ণ হুয়া কতোজনী তাক মাৰে ছিৰি ॥ ৬০
কতো জনী কৃষ্ণ হুয়া বাৱে বংশী তুলি।
বেঢ়িয়া প্ৰশংসে কতো ধন্য ধন্য বুলি ॥
বাংশীৰ নিস্বানে গাইক ডাকে নাম ধৰি।
কতো গোপীগণ আসে হাম্বাৰাৱ কৰি। ৬১
কতো জনী বাহু থৈয়া গোপিকাৰ গলে।
কৃষ্ণময় হুয়া কতো আনন্দতে চলে ॥

জান গোপীগণ মই কৃষ্ণ যদুপতি।
দেখ দেখ ইটো মোৰ কেনে লীলাগতি ॥ ৬২
নকৰিবা ভয় বুলি কতো গোপী মাতে।
মই কৃষ্ণ আছো কি কৰিব বৃষ্টি বাতে ॥
গাৰব আঞ্চল তুলি থাকে এক কৰে।
ধৰিলো মন্দৰ হেৰ চাপ নিৰন্তৰে ॥ ৬৩
কেহো বোলে কালি দমো মই যদুনাথে।
ভৰি দিয়া উঠে কতো গোপিকাৰ মাথে ॥
সত্বৰে অস্তুৰ ঐৰ সৰ্প দুৰাচাৰ।
দুষ্টক দণ্ডিবে লাগি মোৰ অৱতাৰ ॥ ৬৪
কেহোজনী বোলে অৰে দেখ গোপীচয়।
বনজুই বেঢ়িলেক মিলিল সংশয়।
চক্ষু মূদি থাকা সবে সাধিবো কল্যাণ।
মঞি কৃষ্ণে এতিক্ষণে নিবো নিজস্থান ॥ ৬৫
কেহো বোলে দেখ দেখ দধিৰ বিলাই ॥
ভাণ্ড ভঙ্গা কৃষ্ণক ধৰিলো খেদি পাই ॥
আৰ যেন নখাস লৱনু চুৰি কৰি।
উৰুখলে বান্ধে কেহো গোপিকাক ধৰি ॥ ৬৬
এহিমতে কৃষ্ণ-চেষ্টা কৰি গোপাগণে।
কৃষ্ণক খোজন্তে ফুৰে পশি বৃন্দাবনে।
দেখিল কৃষ্ণৰ খোজচয় পৃথিবীতে।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে অলঙ্কৃত ॥ ৬৭
পাছে সবে গোপিকা পঞ্জাল নেই গুড়ি।
দেখে কৃষ্ণ খোজে স্ত্ৰীৰ খোজ আছে পৰি ॥

দেখি দুঃখ অধিকে আকুল ভৈল মন।
ঘোলা হৰি হৰি আছে যাৱত চেতন॥ ৬৮

ঘোষা॥ আৰ নেদেখিবো ৰে জীৱেৰ জীৱন বনমালী।
কোথা গৈল গোপাল হৃদয়ে অগ্নি জ্বালি॥ ৭॥

পদ দেখ সখী খোজে কোনজনী যায় সঙ্গে।
কৃষ্ণৰ কান্ধত হাত দিয়া লীলা ৰঙ্গে॥
নিশ্চয়ে জানিলো আৰাধিলে দেৱ হৰি।
তাইক লগে নেন্ত আমি সমস্তকে এড়ি॥ ৬৯
দেখা সখীসব ধন্য কৃষ্ণ-পদ-ধূলি।
ব্ৰহ্মা হৰে শিৰে ধৰে শুদ্ধ হওঁ বুলি॥
আসা আমি কৰো এহি ধূলা অভিষেক।
দেখিবো পৱিত্ৰ হুয়া কৃষ্ণক প্ৰত্যেক॥ ৭০
আউৰজনী বোলে কিবা কহ গোপীগণ।
তাইৰ খোজ দেখিয়া আকুল কৰে মন॥
কৃষ্ণৰ অধৰামৃত সৰ্ব্বস্ব সবাৰে।
চুৰি কৰি নিয়া তাই ভুঞ্জে একেশ্বৰে॥ ৭১
আবে ঐত তাইৰ খোজ নাকলিয়া ভালে।
তৃণে বিন্ধিলেক সুকোমল ভৰি-তলে॥
প্ৰাণতো অধিক প্ৰিয়া দুঃখ পাৱে বুলি।
কোলাত লইয়া যান্ত আলগাই তুলি॥ ৭২
গোপীক ৰহস্ত কিনো কামাতুৰ হৰি।
দেখা দেখা ঐত পোত গৈয়া আছে ভৰি॥
ঐত নমাই থৈলন্ত প্ৰিয়াক মহাশয়।
দেখা তাইৰ অৰ্থে আনিলন্ত পুষ্পচয়॥ ৭৩

পাৰিলা গেড়ুৱা চড়াই ফুল ভৰি ফান্দি।
অৰ্দ্ধেক ভৰিৰ খোজ হেৰা আছে বান্ধি॥
হেৰা দেখা তাইক ঐত উকত বৈসাই।
বান্ধিলন্ত খোপা কামাতুৰ যদুৰায়॥ ৭৪
আঁৰিল খোপাত তাইৰ ফুল চতুৰ্ভিতি।
দেখা আছিলন্ত বসি গোপিকা সহিতি॥
শুক নিগদতি ৰাজা শুনিয়ো শ্ৰৱণে।
পূৰ্ণকাম হৰি ক্ৰীড়িলন্ত যি কাৰণে॥ ৭৫
দেখাইলন্ত দুঃখ কামাতুৰ পুৰুষৰ।
স্ত্ৰীৰ দুৰ্জ্জন ভাৱ শুনা আতপৰ॥
চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহা গৰ্ব্বভাৱ তাইৰ বাঢ়িল মনত॥ ৭৬
কৃষ্ণৰ আশায়ে আইলা যত গোপীঝাক।
সবাকো এড়িয়া কৃষ্ণে ভজিলা আমাক॥
সমস্তে নাৰীত শ্ৰেষ্ঠ আপোনাক মানি।
মহাদৰ্পে কৃষ্ণক বুলিলা হেন বাণী॥ ৭৭
চলিতে নপাৰো আউৰ আমি এক ভৰি।
যৈকে মন নিয়া আবে যেন লাগে কৰি॥
শুনি হেন হৰিয়ো বুলিলা তাইক হাসি।
যাইবে যেৱে নপাৰা কান্ধত উঠা আসি॥ ৭৮
শুনি উঠিবাক তাই গৈলা কাছি পাৰি।
দেখি অন্তৰ্দ্ধান ভৈলা তথাতে মুৰাৰি॥
কান্দে আৰ্ত্তৰাৱে গোপী কৃষ্ণক নেদেখি।
হা নাথ কৈক গৈলা আমাক উপেক্ষি॥ ৭৯

তোমাৰেসে দাসী মই জানা নাৰায়ণ।
অনাথৰ নাথ মোক দিয়া দৰিশন॥
গোপাগণে গোৱিন্দৰ খোজ নেয় গুড়ি।
সমীপতে দেখে স্ত্ৰী কান্দে দুঃখে পৰি॥ ৮০
সমস্ত সখীত তাই কহিলা বৃত্তান্ত।
যেনমতে তাইক এড়িলন্ত কৃষ্ণ কান্ত॥
শুনিয়া বিস্ময় আতি ভৈলা যত সখী।
নিবৰ্ত্তিল সবে ঘোৰ অন্ধকাৰ দেখি॥ ৮১
কৃষ্ণতে অৰ্পিল মন কৃষ্ণৰ আলাপ।
কৃষ্ণ-গুণ গায়া কৰে কৃষ্ণৰ বিলাপ॥
পতি পুত্ৰ গৃহ শৰীৰকো নুস্মৰে।
কৃষ্ণময় হুয়া কৃষ্ণ চেষ্টা মাত্ৰ কৰে॥ ৮২
কৃষ্ণপদ পঙ্কজে নিবিড় কৰি চিত্ত।
দুনাই যমুনাৰ সবে নামিলা বালিত॥
কৃষ্ণক প্ৰাৰ্থয় গোপী এক ঠাই হুই।
বোলা হৰি লাগোক পাপৰ মুণ্ডে জুই॥ ৮৩

ঘোষা॥ মোহন দেহু দৰিশন গোপাল প্ৰাণ
পেখো মুখ কোমল।
সংসাৰ তাৰণ তোমাৰ চৰণ
নভজি জন্ম বিফল॥৮

পদ॥ কৃষ্ণতে নিৰাশা হুয়া গোপীচয়
বালিত নামি দুনাই।
কৃষ্ণ দৰশন মনে গীত গায়ে
কৃষ্ণৰ গুণ বৰ্ণাই॥

তোমাৰ জনম নিমিত্তে অধিকে
গোকুল বাঢ়ে সম্পূৰ্ণে।
লক্ষ্মীয়ো সাক্ষাতে ব্ৰজত বঞ্চন্ত
সুখে আছে সৰ্ব্বজনে॥ ৮৪
তোমাতেসে প্ৰাণ স্থম্পি গোপীচয়।
চাই ফুৰো দশোদিশ।
গুচোক নিকাৰ প্ৰাণৰ বল্লভ
দেখা দিয়া জগদীশ॥
শৰত কালৰ বিকাশ পদ্মৰ
উদৰৰ শ্ৰীক নিন্দে।
হেনয় নেত্ৰৰ কটাক্ষে আমাক
মাৰিছা তুমি গোবিন্দে॥ ৮৫
নিকিনিলা দাসী ভজিলোহো আসি
গীততে হুয়া দগধ।
কটাক্ষে মাৰিলে বধ কি নালাগে
অস্ত্ৰে কাটিলেসে বধ॥
বিষময় জল অঘ পূতনাত
ৰাখিলা বৃষ্টিতো হন্তে।
চক্ৰবাত বন বহ্নি আনো ভয়ে
তাৰিলা তুমি অনন্তে॥ ৮৬
আবে কেনে মন- মথৰ হাতত
আমাক মৰাৱা স্বামী।
তোমাৰ চৰণ যেন দেখা পাওঁ
পুনৰপি জীওঁ আমি॥

তুহিকা যশোদা- নন্দন গোবিন্দ
নিশ্চয়ে বুলিলো বাক।
তুমি সমস্তৰে বুদ্ধি সাক্ষী সখি
প্ৰাৰ্থিলা ব্ৰহ্মা তোমাক॥ ৮৭
জগত ৰাখিবে লাগি যদুকুলে
আপুনি ভৈলা উদিত।
শুনা মহাভাগ ভকতক ত্যাগ
কৰিবে তুহি উচিত॥
বিনাশে সংসাৰ ভয় ভকতৰ
পূৰে মনোৰথ যত।
হেন হস্ত-পদ আনি প্ৰাণনাথ
দিয়োক আসি শিৰত॥ ৮৮
হে ব্ৰজ-জন দুঃখহাৰী হৰি
আমি কিঙ্কৰীক ভজ।
মোহন হসিত কটাক্ষে সহিত
দেখায়ো মুখ পঙ্কজ॥
সমস্ত প্ৰাণীৰ পাপ হৰে যিটো
আছিল কালীৰ ফণে।
কামক মৰ্দ্দিয়া হেন পাদ-পদ্ম
অৰ্পিয়ো আমাৰ স্তনে॥ ৮৯
পঙ্কজলোচন নেদেখি তোমাৰ
মৰো হেৰা সবে দাসী।
মধুৰ বচনে অধৰ অমৃতে
আমাক জীয়ায়ো আসি॥

তযু কথামৃতে দগধকো জীয়াৱে
শ্ৰৱণে দেয় মুকুতি।
সকাম কৰ্ম্মক আতি তুচ্ছ কৰি
জ্ঞানী কৰে তাক স্তুতি॥ ৯০
যিটোজনে সদা হেন কথা কৰে
সিসি আনি দেয় জীৱ।
ভৈলোহো হেনয় সুহৃদে বঞ্চিত
দেখা দিয়া সদাশিৱ॥
শুনিয়ো কপটী সঙ্কেত আলাপ
নুগুচে আৰ হিয়াৰ।
তোমাৰ সদায় হাস্য দৰশনে
মোহিল মন আমাৰ॥ ৯১
তোমাকেসে লাগি মৰো গোপীচয়
স্নেহে বিয়াকুল মতি।
তুমি পুনু প্ৰভু কপট আচৰা
আমাত কোন যুগুতি॥
ব্ৰজ হন্তে ধেনু চাৰিবাক যাহা
আমাৰ মনে আসুখ।
জানো পাদপদ্মে তৃণ শিলা লাগি
প্ৰাণনাথে পাস্ত দুঃখ॥ ৯২
তোমাৰ চিন্তায়ে দিন বহি যায়
গোধূলি গোপাল আসি।
অলকা আবৃত গো-ৰজে ৰঞ্জিত
দেখাৱা মুখ প্ৰকাশি॥

পুনু পুনু দেখাই বদন পঙ্কজ
মনত অৰ্পা মদন।
তোমাৰ সঙ্গতি নপাই দুঃখে ৰাতি
জাগিয়া চিন্তো চৰণ ॥ ৯৩

আমাৰ হৃদয়ে জানি কৃপাময়
এড়িয়ো কপট মতি।
দিয়া দৰিশন আমাৰ জীৱন
ৰাখিয়োক প্ৰাণপতি ॥

কৃষ্ণৰ কিঙ্কৰে ভণিলা শঙ্কৰে
হৰিপাৱে কৰা ৰতি।
শুনা সৰ্ব্বজন এড়া আন মন
ঘুষিয়ো হৰি সম্প্ৰতি ॥ ৯৪

ঘোষা ॥ পদ্মপাণি হামি কাহে যাওঁ কৃষ্ণ কৈত পাওঁ।
গোবিন্দ বিনে বৃথা জনম গোৱাওঁ ॥ ৯ ॥

পদ ভকত কামদ পাদপদ্ম মনোৰম।
সেৱা সময়ত যিটো আতি সুখতম ॥
হৰয় বিপদ যাক কৰিলে স্মৰণ।
আমাৰ স্তনত হেন অৰ্পিয়ো চৰণ ॥ ৯৫
বিনাশে সমস্তে শোক সুৰতি বঢ়াৱে।
সাৰ্ব্বভৌম ৰাজাৰ সুখকো পাসৰাৱে ॥
সুললিত বাংশী আতি চুম্বি আছে যাক।
হেনয় অধৰামৃত দিয়োক আমাক ॥ ৯৬

তোমাৰ সংযোগে মনে মিলে মহাসুখ।
ক্ষণেকে নেদেখি পাওঁ আতি চিন্তা দুঃখ॥
এতেকে সবাকো ত্যজি ভজিলো তোমাক।
এড়িলা কোননো সতে তুমি আমাসাক॥ ৯৭
যেবে দিৱসত তুমি ফুৰা বৃন্দাবনে।
তোমাক নেদেখি যুগ যায় অৰ্দ্ধক্ষণে॥
সন্ধ্যাত তোমাৰ মুখ দেখি এড়াওঁ ক্লেশ।
কিনো মন্দ ব্ৰহ্মা তাতো স্ৰজিলা নিমেষ॥ ৯৮
তযু গীতে আতি মন মোহিলে আমাৰ।
পতি পুত্ৰ ভ্ৰাতৃকো কৰিলো পৰিহাৰ॥
আমাৰ সাধিবা গতি মনে হেন মানি।
তোমাৰ সমীপ পাইলো প্ৰভু চক্ৰপাণি॥ ৯৯
তুমি বিনা আছে আৰ ধূৰ্ত্ত কোন জন।
মাতি আনি নিশাত এড়িলা নাৰীগণ॥
কাহাক দূষিবো ইসি অভাগ্য কপাল।
আমাৰ হৃদয় ৰোগ গুচায়ো গোপাল॥ ১০০
তোমাৰ সুমৰি সিটো ৰহস্য আলাপ।
কৰে কামানলে আতি হৃদয়ত তাপ॥
লক্ষ্মীৰ নিবাস সিটো দেখি উৰঃস্থল।
চুনাই চুনাই হোৱে মন আমাৰ বিহ্বল॥ ১০১
ব্ৰজৰ জনৰ দুঃখ হৰিবাক প্ৰতি।
ভৈলা অৱতাৰ হৰি তোমাৰ সম্প্ৰতি॥
হেন জানি ক্ষণেকো নেড়িবা যদুৰায়।
তোমাক নেদেখি হেৰা প্ৰভু প্ৰাণ যায়॥ ১০২

হে প্ৰভু তযু পাদ-পদ্ম সুকুমাৰ।
লাসে লাসে ধৰা যাক স্তনত আমাৰ॥
সিটো পাৰে বিজুবনে ফুৰা কেন কৰি।
শিলা খোলা লাগি পীড়া কৰিবেক ভৰি॥ ১০৩
ইহাকেসে সুমৰন্তে মন মোহ যায়।
তুমিসি আমাৰ জীৱ প্ৰাণ সমুদায়॥
এতেক বোলন্তে উপজিল প্ৰেমভাৰ।
কান্দে কৃষ্ণ বুলিয়া পাৰিয়া দীৰ্ঘৰাৱ॥ ১০৪
গাৱে গীত কতো নয়নৰ বহে নীৰ।
হা কৃষ্ণ কৃষ্ণ বুলি চিত্ত নোহে স্থিৰ॥
কৃষ্ণক নেদেখি গোপী সমস্তে বিহ্বল।
বোলা হৰি হৰি পাপ যাওক ৰসাতল॥ ১০৫

ঘোষা॥ হেৰ পাইলো পাইলো ৰে প্ৰাণধন মুকুন্দ মুৰাৰি।
দিয়া দেখা দামোদৰ জীৱন হামাৰি॥ ১০॥

পদ॥ গোপিকাৰ দেখি প্ৰেমভাৱ বিপৰীত।
ভৈলন্ত গোপাল আতি ব্যাকুলিত চিত্ত॥
আনন্দ বঢ়ায়া গোপীগণৰ মনত।
পৰম মধুৰ মূৰ্ত্তি ভৈলন্ত বেকত॥ ১০৬
হাসো হাসো কৰে আতি বদন কমল।
শ্যাম তনু পীতবস্ত্ৰে দেখিতে উজ্জ্বল॥
চিকিমিকি কৰে অলঙ্কাৰৰ দীপিতি।
গলত পদ্মৰ মালা দেখন্তে তৃপিতি॥ ১০৭
দেখি ৰূপ মদনৰো মোহন সাক্ষাত।
উঠিল আনন্দে সবে গোপী অসংখ্যাত॥

গুচিল বিৰহ দুঃখ দ্ৰৱ ভৈল চিত্ত।
প্ৰাণক দেখিয়া যেন তনু উল্লসিত॥ ১০৮
কতো গোপীগণ গৈয়া কৃতাঞ্জলি কৰি।
থাকিল কৃষ্ণৰ হস্ত-পঙ্কজত ধৰি॥
কতো আথেবেথে গৈয়া ধৰে বাহু কান্ধে।
কতো গোপী গৈয়া মোহ হুয়া গলে বান্ধে॥ ১০৯
আগ হুয়া কেহো চোবা লবে মুখ পাতি।
চক্ষু পকাই চাবে কতো কৰি মুখ কাতি॥
মদনে মৰ্দ্দয় কতো গোপিকাৰ মন।
স্তনত অৰ্পয় নিয়া কৃষ্ণৰ চৰণ॥ ১১০
এক দৃষ্টি কৰি কতো কতো গোপীগণে।
মুখ পঙ্কজত পিয়ে তবধ নয়নে॥
নাহিকে তৃপিতি যদি পিয়ন্ত সততে।
কৃষ্ণৰ চৰণ যেন চিন্তন্ত ভকতে॥ ১১১
নেত্ৰে চায়া কেহোজনী নিয়া হৃদয়ক।
কৃষ্ণক আলিঙ্গি ভৈলা সৰ্ব্বাঙ্গে পুলক॥
বহৱে আনন্দে নয়নৰ নীৰ ঝৰি।
মহাযোগীজনে যেন আছে ধ্যান কৰি॥ ১১২
এহিমতে কৃষ্ণক চাহান্তে গোপীগণ।
মিলি গৈল উৎসৱ শীতল তনু মন॥
এড়াইল বিৰহ-তাপ আনন্দে ভৰিল।
ভকতক পাই যেন সংসাৰী তৰিল॥ ১১৩
শোক এড়ি গোপীগণে বেঢ়িলে চৌভিতি।
মধ্যত কৰন্ত কৃষ্ণে অধিকে দীপিতি॥

পাছে সবে গোপিকাক লৈয়া বনমালী।
আনন্দে নাম্বিল গৈয়া যমুনাৰ বালি ॥ ১১৪
পুষ্পিত মন্দাৰ কুন্দ গন্ধে হুয়া ভোল।
মধুমত্ত অনেক ভ্ৰমৰে কৰে ৰোল ॥
শৰত-চন্দ্ৰৰ কান্তি আতি সুকোমল।
দেখি মহা সন্তোষিত গোপিকাসকল ॥ ১১৫
তথাতে বসিয়া মাধৱক মধ্য কৰি।
ভৈল পূৰ্ণকাম সবে সন্তাপ পাসৰি ॥
প্ৰাণ-বন্ধু মাধৱক কৰিয়া সম্মান।
আঞ্চল পাতিয়া দিলা বসিবাৰ স্থান ॥ ১১৬
বসিলন্ত তাতে অন্তৰ্য্যামী দেৱ হৰি।
ত্ৰিভুৱন মোহন মধুৰ ৰূপ ধৰি ॥
কৰিলা শুশ্ৰূষা গোপীগণে মান্য কৰি।
কতো লৈয়া কোলাত কৃষ্ণৰ জান্তে ভৰি ॥ ১১৭
কান্ধত বাহুক থৈয়া কতোজনী ঘষে।
কতো লীলা-কটাক্ষে চাহাৰে প্ৰেম-ৰসে ॥
কতোহো প্ৰণয়-কোপে দেয় সন্নিধান।
বোলা হৰি হৰি হোক পাপৰ নিৰ্য্যাণ ॥ ১১৮

ঘোষা ॥ শাৰঙ্গপাণি প্ৰভু ভগৱন্ত।
নজানো তোমাৰ মায়াৰ অন্ত ॥ ১১ ॥

পদ ॥ পাছে গোপীগণে আতি সাদৰি।
কৃষ্ণৰ ৰঙ্গে জান্তে হাত ভৰি ॥

ছলে পৰিহাস কৰিয়া তথা।
প্ৰণয় কোপে সোধে সবে কথা॥ ১১৯
কতো মনুষ্যে ভজে ভজন্তাক।
নভজে যিবা কেহো ভজে তাক॥
ভজন্তা নভজন্তা দুইকো আসি।
নভজয় কোনে কৈয়ো প্ৰকাশি॥ ১২০
গোপীৰ শুনি গূঢ় অভিপ্ৰায়।
দিলন্ত উত্তৰ যাদৰৰায়॥
শুনা সখীসব আমাৰ বাক।
যিজনে মাত্ৰ ভজে ভজন্তাক॥ ১২১
সুহৃদ নুহি নাহি তাৰ ধৰ্ম্ম।
আপোন অৰ্থে কৰে মাত্ৰ কৰ্ম্ম॥
যিজনে ভজে নচাই উপকাৰ।
সুহৃদ সেহি ধৰ্ম্ম সিজে তাৰ॥ ১২২
ভজে নভজে দুইতো নেদে মন।
আছে চাৰি বিধ শুনা লক্ষণ॥
যিটো ব্ৰহ্ম-জ্ঞানী দেখে সবে মিছা।
যিজন পূৰ্ণভোগে নাহি ইচ্ছা॥ ১২৩
গুৰু-দ্ৰোহী যিটো একো নমানে।
যিটো মহামূৰ্খ কিছু নজানে।
নভজে দুইকো এহি চাৰি জন।
কহিলো নিষ্ঠে মঞি গোপীগণ॥ ১২৪
কৃষ্ণৰ বাক্য শুনি সবে সখী।
কৰে হাস্য অন্যো অন্যে নিৰেখি॥

বোলন্ত হুনাই কৃষ্ণে বুজি কাজ ।
সখীসব আমি চাৰিতো বাজ ॥ ১২৫
ভকতেসে মোৰ সুহৃদ প্ৰাণ ।
যিহেতু নভজো শুনা নিদান ॥
সদায় চিন্তোক মোক নপাই ।
বিহ্বল যেন ধন হৰুৱাই ॥ ১২৬
তোমৰাসবো মোৰ অৰ্থে আতি
এড়িলা বেদ ধৰ্ম্ম যত জ্ঞাতি ॥
বাঢ়োক তোমাৰ প্ৰেম-ভকতি ।
ভৈলো অন্তৰ্দ্ধান এহি যুগুতি ॥ ১২৭
নকৰা অসূয়া স্বৰূপ জানি ।
আছোক ইটো শুনা সত্যবাণী ॥
দুস্ত্যজ গৃহৰ এড়িয়া আশ ।
ভজিলা মোক কৰি অভিলাষ ॥ ১২৮
ভৈলোহো বশ্য মই তোমাসাৰ ।
চিৰকালে শুজা নযায় ধাৰ ॥
যেবে সবে এড়া আপুনি দায় ।
তেবেসে মোৰ ঋণ শুজা যায় ॥ ১২৯
অমৃত বৰিষে কৃষ্ণৰ বাক ।
জুৰাইল শুনি সবে গোপীজাক ॥
এড়াইলা সমস্তে বিৰহ তাপ ।
বোলা হৰি হৰি পলাওক পাপ ॥ ১৩০

ঘোষা ॥ ৰাম কৰে ৰাসকেলি গোপাল গোপী সঙ্গে।
হৰি বোল হৰি বোল নিৰন্তৰে ৰঙ্গে ॥ ১২ ।

পদ ॥ শুক নিগদতি পাছে গোৱিন্দ তহিতে।
আৰম্ভিলা ৰাস-ক্ৰীড়া গোপিকা সহিতে ॥
দুয়ো গোপী মাজে এক ভৈলন্ত মাধৱ।
প্ৰৱৰ্ত্তিলা তথা ৰাস-ক্ৰীড়া মহোৎসৱ ॥ ১৩১

ভৈলন্ত মণ্ডলাকাৰ হাতে গলে ধৰি।
সবে বোলে মোকেসে আলিঙ্গি আছে হৰি ॥
আসিলা সভাৰ্য্যে যত দেৱগণ মানে।
জুৰিয়া আকাশ আসি অসংখ্য বিমানে ॥ ১৩২

মাধৱৰ ৰাস-ক্ৰীড়া চাৱে এক দৃষ্টি।
বাৱে দেৱে দুন্দুভি কৰিয়া পুষ্পবৃষ্টি ॥
প্ৰধান গন্ধৰ্ব্বে অপেস্বৰায়ে সহিত।
মহাৰঙ্গে গাৱে গোৱিন্দৰ গুণগীত ॥ ১৩৩

কৃষ্ণ সমে নাচে সবে সন্তোষে গোপিনী।
বলয়া নূপুৰ বাজে ঝমকে কিঙ্কিণী ॥
প্ৰকাশ কৰন্ত কৃষ্ণ গোপীৰ মধ্যত।
সুৱৰ্ণ মণিৰ মাজে যেন মৰকত ॥ ১৩৪

কৃষ্ণ সমে ৰঙ্গে আতি নাচে গোপীজাক।
নানা ভঙ্গি চৰণ চলায়া ফুৰে পাক ॥
হস্তকো নচাৱে তুলি কৰি লয়-লাস।
ভ্ৰূৱযুগ ক্ষেপিয়া কটাক্ষে কৰে হাস ॥ ১৩৫

ঝলমল কুণ্ডল গলতে আসি পড়ে।
হাসে কৃশ কঙ্কাল স্তনৰো বস্ত্ৰ লড়ে॥
শিথিল মেখলা খোপা মুখে ঘৰ্ম্ম-জল।
গায়ে কৃষ্ণ-গুণ গীত গোপিকাসকল॥ ১৩৬
কৃষ্ণৰ অসংখ্য মূৰ্ত্তি জ্বলে মেঘ-নয়।
প্ৰকাশে বিজুলী যেন তাতে গোপীচয়॥
ঘৰ্ম্মজলে কণিকা গৰ্জ্জনে ভৈল গীত।
আকাশৰ পৰা দেৱে দেখে বিপৰীত॥ ১৩৭
কৃষ্ণ আলিঙ্গন পায়া অশেষ হৰিষ।
কৃষ্ণ-গুণ-গীতে পূৰিলেক দশো দিশ॥
এহিমতে নৃত্যগীতে কৃষ্ণক' তুষিল।
সাধু সাধু বুলিয়া মাধৱে প্ৰশংসিল॥ ১৩৮
তাসম্বাকো বহুমান দিলন্ত মাধৱ।
আনন্দে আকুল মিলে মহা মহোৎসৱ॥
গোপীৰ বৃত্তান্ত কথা শুনা আত পৰে।
বোলা হৰি হৰি সামাজিকে নিৰন্তৰে॥ ১৩৯

ঘোষা॥ পদ্মপাণি গোপীৰঞ্জন দুঃখভঞ্জন দেৱ।
তোমাৰ চৰণ বিনে গতি নাহি কেৱ॥ ১৩॥

পদ॥ কতো গোপী ভৈলা আতি ভাগৱে আকুল।
সোলকয় বলয়া খোপাৰ খসে ফুল॥
কৃষ্ণতে আউজি জিৰায়য় কৰি কেলি।
আতি প্ৰীতি কন্ধত ধৰিয়া বাহু মেলি॥ ১৪০

উৎপল সুগন্ধি কৃষ্ণ বাহু কন্ধে লই।
ঘনে ঘনে কতো গোপ-ৰমণী সুঙই ॥
ৰোমাঞ্চিত তনু আনন্দিত আতি মন।
ভোল হুয়া দেয় কৃষ্ণ বাহুত চুম্বন ॥ ১৪১
নাচন্তে চলন্তে লড়ে মকৰ কুণ্ডল।
তাৰ ৰশ্মি শোভিত কৃষ্ণৰ গণ্ড-স্থল ॥
তাতে লগাই কতো গোপী পাতে মুখ আনি।
নৃত্যৰ ভঙ্গিত চোবা দেন্ত চক্ৰপাণি ॥ ১৪২
নাচন্তে শবদ কৰে নূপুৰ মেখলা।
মহা শ্ৰান্ত হুয়া কতো কতো গোপবালা ॥
কৃষ্ণ-হস্ত-পঙ্কজ পৰম সুখকৰ।
তাক ধৰি থৰে নিয়া স্তনৰ উপৰ ॥ ১৪৩
লক্ষ্মীৰ-ৰমণ যিটো ঈশ্বৰ মুৰাৰি।
তাহাঙ্ক বল্লভ পাইলে যত গোপ-নাৰী ॥
কৃষ্ণে ধৰি আছে কণ্ঠে দুয়ো বাহু মেলি।
পৰম উৎসৱে আত কৰে ৰাস-কেলি ॥ ১৪৪
অলকা পঙ্কতি চাৰু কৰ্ণ উতপলে।
শোভে সবে বদন পঙ্কজ ঘৰ্ম্ম-জলে ॥
কৃষ্ণে সমে নাচে আতি উৎসৱে গোপিনী।
বাজয় বলয়া বাদ্য নূপুৰ কিঙ্কিণী ॥ ১৪৫
গোপীৰ নৃত্যত ভৈল ভৰি কৰতাল।
বেঢ়িয়া গুঞ্জৰে যেন ভ্ৰমৰে গীতাল ॥
শিৰকো কম্পাৰে খসে খোপাও আউল।
ভুষ্ট হুয়া কেশে বৰিষয় যেন ফুল ॥ ১৪৬

এহিমতে গোৱিন্দে নৃত্যৰ দেন্ত ভঙ্গি।
কতো গোপিকাক গৈয়া ধৰন্ত আলিঙ্গি॥
কতো গোপিকাৰ কৰে পৰশন্ত স্তন।
কটাক্ষে নিৰেখি কাকো কৰন্ত চুম্বন॥ ১৪৭
আপোন লাৱণ্য-কলা কৌশল সুগন্ধি।
সমস্তে গোপীত অৰ্পি ক্রীড়িলা প্রবন্ধি॥
নপাৰিলা-গোপীগণে মোহিবে কৃষ্ণক।
ছায়ায়ে সহিতে যেন ওমলে বালক॥ ১৪৮
কৃষ্ণৰ ক্রীড়াত বিমোহিত গোপ-বালা।
খসে অলঙ্কাৰ কাৰো ছিণ্ডি পৰে মালা॥
সোলকয় খোপা নবান্ধয় তাক তুলি।
নসম্বৰে বস্ত্র কতো কুচৰো কাঞ্চলি॥ ১৪৯
দেৱ-নাৰীগণে দেখি কেশৱৰ কেলি।
মোহ হুয়া পড়ে বিমানতে ঢলি ঢলি॥
ক্রীড়া দেখি চন্দ্রো কামে বিমোহিত আতি।
তন্তাইলন্ত ৰথ নুপুহায় সিটো ৰাতি॥ ১৫০
যত গোপী তত কৃষ্ণ হুয়া কৰে ক্রীড়া।
সমস্তে গুচাইলা গোপিকাৰ কাম-পীড়া॥
পূৰ্ণকাম হৰি ভৈলা ভকতৰ বশ্য।
হৰি হৰি বুলি তৰা কহিলো ৰহস্য॥ ১৫১

ঘোষা॥ যাদৱ জগজ্জীৱন ৰাম।
আপুনি গোপীৰ পুৰিলা কাম॥ ২৫

পদ॥ ৰতি-শ্রান্ত ভৈল যত গোপিনী।
দেখি হস্ত-পদ্মে হৰি আপুনি॥

কৃপায়ে সবাৰো মাজিলা মুখ।
মিলিল মনে মহোৎসৱ-সুখ ॥ ১৫২
কৃষ্ণকো বেঢ়ি আসে সবে সখী।
অমৃত সমান হাস্য নিৰেখি ॥
কৰি পূজা ৰঙ্গে ৰঞ্জিয়া চিত্ত।
গাইলন্ত গোবিন্দৰ গুণ গীত ॥ ১৫৩
তাসম্বাৰ শ্ৰম গুচাইবে প্ৰতি।
সঙ্গে লৈয়া সব ব্ৰজ-যুৱতী ॥
যমুনা-জলত নামিলা হৰি।
চৌভিতি ভ্ৰমৰে সেৱে গুঞ্জৰি ॥ ১৫৪
শ্ৰান্ত হুয়া যেন মাতঙ্গ-ৰাজে।
হস্তিনী সমে ক্ৰীড়ে জল মাজে ॥
গোপালো লোক মৰ্য্যাদাক এড়ি।
কৰন্ত গোপী সমে জলখেড়ি ॥ ১৫৫
কৃষ্ণক আৱৰি গোপীসকল।
হাসিয়া সিঞ্চে যমুনাৰ জল ॥
বদন-পদ্ম চায়া এক দৃষ্টি।
কৰিলা দেৱে দেখি পুষ্পবৃষ্টি ॥ ১৫৬
জলত গোপীক কৃষ্ণে ক্ৰীড়িলা।
ভ্ৰমন্ত যেন গজেন্দ্ৰৰ লীলা ॥
গোপীগণ লৈয়া উঠিয়া পাছে।
ভ্ৰমন্ত বনে যমুনাৰ কাছে ॥ ১৫৭
জলে স্থলে পুষ্প সুৰভি বাসে।
চৌপাশে গোপী চলে লয়লাসে ॥

ভ্ৰমৰে যোগান ধৰে গুঞ্জৰি।
কৰিলা ৰাস-ক্ৰীড়া দেৱ হৰি॥ ১৫৮
এহিমতে যত শৰত ৰাতি।
শশাঙ্কে ধৱল শীতল আতি॥
সবাতো ক্ৰীড়িলা গোপী সহিত।
বিস্ময় হুয়া পুছে পৰীক্ষিত॥ ১৫৯
ধৰ্ম্মক ৰাখিবা অধৰ্ম্ম নাশি।
ইকাৰ্য্যে ভৈলা অৱতাৰ আসি॥
ধৰ্ম্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপনাৰী॥ ১৬০
হোৱন্ত হৰি যদি পূৰ্ণকাম॥
কৰিলা কেনে গৰিহিত কাম॥
ছেদিয়ো সংশয় কৈয়ো বৃত্তান্ত।
দিলন্ত শুনিয়া শুকে সিদ্ধান্ত॥ ১৬১
শুনিয়ো সৰ্ব্বজনে ৰাস-ক্ৰীড়া
বঞ্চিবা যেবে সংসাৰৰ পীড়া॥
কৃষ্ণৰ কিঙ্কৰে কহে সম্প্ৰতি।
বোলা হৰি হৰি একান্ত-মতি॥ ১৬২

ঘোষা॥ ৰাম ৰাম বুলি তৰা।
ভাই অন্তকে পাইলেক পৰা॥ ১৫

পদ॥ পৰম-ঈশ্বৰে কৰে অকৰ্ম্ম।
তেজস্বীত কিছু নাহি অধৰ্ম্ম॥

সৰ্ব্বভক্ষ বহ্নি সবাকো শোষে।
তথাপিতো কিছু নোছোৱে দোষে॥ ১৬৩
ঈশ্বৰ স্বুহি যিটো মূঢ়-মতি।
ইকৰ্ম্ম কৰি যাইবে অধোগতি॥
হৰক দেখি বিষ খায় আনে।
সিজনে যেন মৰি যায় প্ৰাণে॥ ১৬৪
দেহত যাৰ নাহি অহঙ্কাৰ।
তাৰেসে কৰ্ম্মত গুচে বিচাৰ॥
জগতৰে হৰি পৰম ঈশ।
ইকৰ্ম্মে তাঙ্ক কৰিবেক কিস॥ ১৬৫
যাৰ পাদ-পদ্ম চিন্তি সাম্প্ৰতে।
ছিণ্ডে কৰ্ম্ম-বন্ধ হেলে ভকতে॥
ধৰিছা লীলা তনু হেন হৰি।
শুনা কথা তাস্ত সংশয় এড়ি॥ ১৬৬
জগত অন্তৰ্য্যামী নাৰায়ণ।
তান কোন পৰ-দাৰ-গমন॥
যাহাৰ স্মৰণে পাতক মোষে।
তাঙ্ক কি কৰিবে ইসব দোষে॥ ১৬৭
শৃঙ্গাৰ-ৰসে যাৰ আছে ৰতি।
আকে শুনি হোক নিৰ্ম্মল মতি॥
ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি॥ ১৬৮
মোহিলা গোপক কৃষ্ণৰ মায়া।
কাছতে আছে দেখে নিজ জায়া॥

নকৰে অসূয়া কৃষ্ণক কের।
জগত ঈশ হেন কৃষ্ণ দেৱ॥ ১৬৯
যেবে হৈবে খোজে প্ৰভাত ৰাতি।
বোলন্ত যায়োক গোপীক মাতি॥
কৃষ্ণক এড়িবে নাহিকে মন।
আসুখে গৃহক কৰে গমন॥ ১৭০
ইটো ৰাস-ক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনে যিটো নৰ॥
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কামসাগৰে সুখে হৈবে পাৰ॥ ১৭১
ইটো কামজয় কৃষ্ণৰ কথা।
শুনা নৰদেহা নকৰা বৃথা॥
কৃষ্ণৰ কিঙ্কৰে কহে প্ৰলাপ।
বোলা হৰি হৰি হৰোক পাপ॥ ১৭২

ঘোষা॥ এ যাদৱ যাদৱ দীন দয়াল।
তুমিসি আমাৰ গতি মুকুতি গোপাল॥ ১৬

পদ॥ এহিমতে ক্ৰীড়াতে ৰজনী যায় ক্ষয়।
দিন ভৈলে বিৰহে আকুল গোপীচয়॥
কৃষ্ণ যান্ত বনে তাঙ্ক নেদেখি আসুখে।
কৃষ্ণ-গুণ গায়া দিন বঞ্চে মহাদুঃখে॥ ১৭৩
নিস্তাৰ কাৰণ নাহি হৰিনাম বিনা।
কতো গোপী বোলে সখী কৃষ্ণকথা শুনা॥

বাম বাহুত বাম কপোল থাপিয়া।
মধুৰ বেণুক আনি অধৰে অৰ্পিয়া॥ ১৭৪
ৰন্ধ্ৰ মধ্যে কোমল আঙ্গুলিচয় চালি।
যেতিক্ষণে বাংশীডাক দেন্ত বনমালী॥
তাক শুনি দেৱনাৰী সমস্তে মূৰ্চ্ছিত।
কাম-বাণে চিত্তে আতি হুয়া জৰ্জ্জবিত॥ ১৭৫
বস্ত্ৰ নসম্বৰে মহা মোহ হুয়া পড়ে।
স্বামীৰ কাছতে পাছে লজ্জা হোৱে বড়ে॥
হেন হৰি বিৰহ সহিবো কেন মতে।
আউৰ গোপী বোলে সবে সখীৰ আগতে॥ ১৭৬
যাৰ উৰঃস্থলে ছটা দেখিয়া লক্ষ্মীৰ।
শ্যামল মেঘত যেন বিজুলী সুস্থিৰ॥
হেন হৰি যেখনে বাংশীক নাদ কৰে।
গৰু মৃগগণৰো তেখনে চিত্ত হৰে॥ ১৭৭
দান্তে তৃণ ধৰি কৰ্ণ উপৰক তুলি।
চক্ষু মুদি থাকে যেন চিত্ৰৰ পুতলী॥
আমি কেনে জীওঁ হেন কৃষ্ণক নেদেখি।
আউৰ গোপী বোলে শুনা শুনা সবে সখী॥ ১৭৮
মাথাত ময়ূৰ-পুচ্ছ পল্লৱ কৰ্ণত।
মল্লবেশ হৰি গেৰু ঘষিয়া গাৱত॥
নাম ধৰি ধেনুক ডাকন্ত বাংশী ৰাৱে।
নদীসবো শুনি স্তম্ভি থাকে মৌনভাৱে॥ ১৭৯
আমি যেন নপায়া কৃষ্ণৰ পাদৰেণু।
কম্পাৱে তৰঙ্গ হস্ত প্ৰেমে পুনু পুনু॥

কতো গোপী বোলে সখীসব শুন শুন।
গোপগণে যেখনে বৰ্ণায়ে কৃষ্ণ-গুণ॥ ১৮০
বাংশীৰ নিস্বানে হৰি ডাকি আনা ধেনু।
শুনি তৰু-লতা প্ৰেমে পুলকিত তনু॥
ফল ফুল ভৰে নম্ৰ হুয়া মধু সৰে।
ভৈল আত্মা সাক্ষাতে বৃক্ষৰ ভাৱে কৰে॥ ১৮১
কিমতে বৰ্ত্তিবো হেন কৃষ্ণক নেদেখি।
আউৰ গোপী বোলে মোৰ কথা শুনা সখি॥
দিব্য গন্ধ তুলসীৰ কৰি মধু পান।
ভ্ৰমৰে গুঞ্জৰি ধৰে কৃষ্ণক যোগান॥ ১৮২
সুন্দৰ অধৰে যেৱে কৰে বাংশী-ধ্বনি।
মোহ হোৱে কমল বনৰো পক্ষী শুনি॥
হৰিক উপাসে আসি স্থিৰ কৰি চিত্ত।
চক্ষু মুদি আনন্দতে মৌনে শুনে গীত॥ ১৮৩
পক্ষীয়ো মোহক যায় যাৰ বাংশী শুনি।
কিমতে ধৰিবো প্ৰাণ হেন হৰি বিনি॥
কেহো গোপী বোলে সখী শুনিয়ো কাহিনী।
ৰামে সমে পৰ্ব্বতত চড়ি চক্ৰপাণি॥ ১৮৪
সবাকো হৰিষ কৰাই পূৰি বাংশীনাদ।
মিত্ৰ বুলি মেঘে কৰে মধুৰ সম্বাদ॥
ছত্ৰ ধৰি উপৰে বৰিষে দিব্য ফুল।
হেন হৰি বিয়োগে কি নুহিবো আকুল॥ ১৮৫
কতো গোপী যশোদাত কহয়ে অদ্ভুত।
বেণু বাদ্যে কুশল তোমাৰ প্ৰিয় সুত॥

যেখনে বাংশীক চুম্বি তোলে স্বৰজাতি।
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱো মোহ হোৱে আতি ॥ ১৮৬
শুনি থাকে একচিত্তে নমায়া কন্ধৰ।
নিশ্চয় কৰিবে নোৱাৰন্ত তাল স্বৰ ॥
হেন হৰি বিয়োগে কিমতে ধৰো প্ৰাণ।
বোলা হৰি হৰি হোক পাপৰ নিৰ্য্যাণ ॥ ১৮৭

ঘোষা ॥ ত্ৰাহি হৰি কি এ কৃষ্ণ!
গোপাল কৃপাল পাৱে ধৰো।
কৰা হৰি করুণা ইবাৰ যেন তৰো ॥ ২৮

পদ ॥ কেহো বোলে সখী মোৰ বাক্যে কৰা মতি।
ধ্বজত ফুৰন্তে হৰি লীলা-গজ-গতি ॥
ধ্বজ বজ্ৰ পঙ্কজ খোজতে বান্ধি যায়।
কৰন্ত ভঙ্গিক যেৱে আমাসাক চাই ॥ ১৮৮
কৃষ্ণৰ কটাক্ষ-কামে মনক মৰ্দ্দয়।
থাকো থিয় হুয়া আমি যেন বৃক্ষচয় ॥
খসে খোপা সম্বৰিবে বস্ত্ৰকো নোৱাৰি।
শুনা সখী বুলি মাতে আউৰ গোপনাৰী ॥ ১৮৯
এক প্ৰিয় গোপৰ কান্ধত হস্ত থই।
গৰুক গণন্ত কদাচিতো মণি লই ॥
পিন্ধিয়া গলত গন্ধ তুলসী মালাক।
যেৱে সেহি বেলাত বাংশীৰ দেন্ত ডাক ॥ ১৯০

শুনি কৃষ্ণসাৰ হৰিণৰ ভৰ্য্যাগণে।
কৃষ্ণৰ সমীপ চাপে উত্ৰাৱল মনে॥
গুণ সমুদ্ৰক পায়্যা নাযায় পুনৰপি।
এড়িলো গৃহৰো আশা যেন আমি গোপী॥ ১৯১
হেন হৰি বিয়োগে কিমতে প্ৰাণ ৰৱে।
যশোদাক চাই কতো গোপী কথা কৰে॥
কুন্দ পুষ্পে ভূষি তনু মলয়া চন্দনে।
গোধনে আবৃত হুয়া তোমাৰ নন্দনে॥ ১৯২
হৰিষ বঢ়ায়া যেৱে ক্ৰীড়ে যমুনাত।
গাৱে গীত গন্ধৰ্ব্বে মলয়া বহে বাত॥
পুষ্পচয় সিঞ্চে শিৰে কৰিয়া সন্মান।
হেন হৰি বিৰহে কিমতে ধৰো প্ৰাণ॥ ১৯৩
আনন্দে কহয় কৃষ্ণ আসিবাক দেখি।
আমাৰ সুহৃদ হৰি হেৰা আইলা সখী॥
গোধূলি গোধন সবে কৰি একে ঠাই।
আইল প্ৰাণ গোৱিন্দ বাংশীত গীত গাই॥ ১৯৪
পথত প্ৰণামে ব্ৰহ্মা আদি দেৱঝাক।
আমাক হিংসায়ে নেদে শীঘ্ৰে আসিবাক॥
জুৰুৱাইবে লাগি পাছে আমাৰ হৃদয়।
দৈৱকী-নন্দন-চন্দ্ৰ ভৈলন্ত উদয়॥ ১৯৫
কতো আথে বেথে বোলে গোপিকা বচন।
দেখ গোৱিন্দৰ মদে চঞ্চল লোচন॥
কুণ্ডলৰ কান্তি জ্বলে বদন পাণ্ডুৰ।
যেন সন্ধ্যা সময়ে উদিত শশধৰ॥ ১৯৬

আমাৰ দিনৰ তাপ হৰিয়াক প্ৰতি।
আইল বনমালী গজৰাজ-লীলা-গতি॥
এহিমতে ব্ৰজৰ যুৱতী প্ৰতি নিত।
একান্তে অৰ্পিলো গোপালতে প্ৰাণ চিত্ত॥ ১৯৭
দিনসব বঞ্চে গোবিন্দৰ গুণ গাই।
তাসম্বাৰ সম ভাগ্যৱতী আউৰ নাই॥
পাইলে মহোদয় কৰ্ম্মবন্ধ ছেদ ভৈলা।
মহামুনি গুৰু শুকে নৃপতিত কৈলা॥ ১৯৮
ইটো ৰাস-ক্ৰীড়া কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়॥
আক শুনে ভণে যিটোজনে অবিশ্ৰাম।
বাঢ়িবে ভকতি আতি জিনিবেক কাম॥ ১৯৯
কৃষ্ণৰ কিঙ্কৰে কহে শুনা নিৰন্তৰ।
কলিযুগে ভাগ্যে ভাৰতত ভৈলা নৰ॥
হৰি ভকতিত যেৱে কৰা দৃঢ়মতি।
ইজন্মত নিশ্চয়ে পৰম পাইবা গতি॥ ২০০
ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিয়ো বেদৰ জানা এহি সাৰ তত্ত্ব॥
ৰাম নাম অমৃত সততে কৰা পান।
বোলা হৰি হৰি কেতিক্ষণে পৰে প্ৰাণ॥ ২০১

ঘোষা ॥ যাদৱ জগমোহন ৰাম।
ভকত বৎসল তোমাৰ নাম ॥ ১৮

পদ ॥ শৰতকালে চন্দ্ৰাৱলী ৰাতি।
দিব্য ৰাস-ক্ৰীড়া কৰিলা আতি ॥
পঞ্চম ৰাগে গীত গাইলা হৰি।
শুনি মোহ ভৈল গোপ-সুন্দৰী ॥ ২০২
ঘৰ বাড়ী এড়ি লৱড়ে ভোলে।
স্তন হলফল কুণ্ডল দোলে ॥
বাইলাহা বাংশী পশি বৃন্দাবনে।
চৌপাশে বেঢ়ি নাচে গোপীগণে ॥ ২০৩
জয় কৃষ্ণ বুলি বাৱে চাপৰি।
গোপীৰ মধ্যে প্ৰকাশন্ত হৰি ॥
যেহেন সুৱৰ্ণ মণি মাজত।
প্ৰকাশি আছে মহা মৰকত ॥ ২০৪
দোধো গোপী মাজে এক গোপাল।
নূপুৰৰ বাদ্য ভৰি কৰতাল ॥
হাতত হাতে ধৰি গোপনাৰী।
নাচিল অনঙ্গ-ৰঙ্গে মুৰাৰি ॥ ২০৫
সজল মেঘ মাধৱৰ কায়।
গোপীগণ ভৈলা বিজুলী প্ৰায় ॥
অলঙ্কাৰে কৰে মধুৰ ঘোষ।
শুনিয়া মনত মিলে সন্তোষ ॥ ২০৬
গোপীৰ গলে ধৰি বাহু মেলি।
কৰিলা অনেক অনঙ্গ কেলি ॥

শ্ৰম দেখি কতো আঁচলে বিচে।
যমুনা জলে নামি জল সিচে॥ ২০৭
পূৰিলা গোপী-গণ-মনোৰথ
ক্ৰীড়া দেখি চন্দ্ৰো ৰাখিলা ৰথ॥
মোহিত ভৈলা যত দিব্য নাৰী।
ৰাখিলা গোপীক যক্ষক মাৰি॥ ২০৮
ধায়া আসিলেক অৰিষ্ট বীৰে।
মেদিনী নসহে খুৰাৰ ভিৰে॥
দেখি আস্ফালিলা শিঙ্গত ধৰি।
তাৰো প্ৰাণ নৈলা ঘাৰ মুচৰি॥ ২০৯
খেদি আসিলেক কেশী অসুৰ।
হ্ৰেষনি শুনি কাম্পে গোপপুৰ॥
লাঙ্গুৰ ছাটিত মেঘ উড়াই।
দেখিয়া প্ৰভু তাক গৈলা ধাই॥ ২১০
পাছে চণ্ড বেগে অসুৰে আসি।
হানিলেক লাঠি ভৰি উল্লাসি॥
এড়াইলা তাঙ্ক শ্ৰম কৰি হৰি।
আছাৰি পেল্লাইলা পাৰত ধৰি॥ ২১১
আসিল কেশী চুনাই বেক্ত ৰাই।
বাম বাহু তাৰ মুখে ভৰাই॥
বঢ়াইলা প্ৰভু আতি বৰ বেগে।
ভেদিল গল যেন গৰ্ভ-ৰোগে॥ ২১২
ভূমিত পড়িল চেতন হৰি।
চক্ষু ওলটায়া আছাড়ে ভৰি॥

মবিল অসুৰ ছাৰ্ন্দি ৰুধিৰ।
বাঝ ভৈল বাহু ফাটি শৰীৰ ॥ ২১৩
কেশীবধ দেখি হাসি হৰিষে॥
ব্ৰহ্মা আদি দেৱে পুষ্প বৰিষে ॥
কংসৰ বোলে যত দৈত্য আসে।
মৰে জুইত যেন পতঙ্গ ঝাপে ॥ ২১৪
এহিমতে সবে অসুৰ মাৰি।
ফুৰিলা বৃন্দাবনে গৰু চাৰি ॥
গো-ধূলি পড়ি ৰঞ্জে মুখ আখি।
মাথাত পিন্ধিলা মৈৰাৰ পাখি ॥ ২১৫
গুঞ্জাৰ থোপা কৰ্ণত আৰি।
কাষত লৈলা শিঙ্গা বেত বাড়ি ॥
মোহন বাংশী বেৰটিত থই।
ব্যঞ্জন ভাত বাম হাতে লই ॥ ২১৬
ভোজন কৰা তুমি যদুৰাজে।
বসিয়া ৰঙ্গে গোপশিশু মাজে॥
কোনে বুঝিবেক তোমাৰ লীলা।
কটাক্ষে ভুমিৰ ভাৰ হৰিলা ॥ ২১৭
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
গোপাল কেলি শুনা সৰ্ব্বজনে ॥
মোক্ষ পাইবা যেবে সংসাৰ তৰি।
সঘনে ডাকি বোলা হৰি হৰি ॥২১৮

॥ ৰাস-ক্রীড়া সমাপ্ত ॥

## ত্ৰয়োদশ ভাগ

# কংস-বধ

ঘোষা ॥ হৰিসে আতমা হৰিসে বন্ধু ।
তৰি হৰিনামে সংসাৰ সিন্ধু ॥ ১৯

পদ ॥ কেশীক বধিয়া আছন্ত হৰি ।
বৰিষে পুষ্প দেৱে স্তুতি কৰি ॥
সেহি বেলা আসি নাৰদ ঋষি ।
কৃষ্ণক বুলিলা মহা হৰিষি ॥ ২১৯
হে কৃষ্ণ কৃষ্ণ প্ৰণামো আমি ।
সমস্তে ভূতৰ আতমা তুমি ॥
পুৰাণ পুৰুষ ঈশ্বৰ সাক্ষী ।
সমস্তে সৃষ্টিক আছাহা ৰাখি ॥ ২২০
ভকতজনৰ ৰক্ষাৰ হেতু ।
দুষ্টক নাশিবা গৰুড়কেতু ॥
কেশীবধ শুনি মিলিল ৰঙ্গ ।
হ্ৰেষণি শুনি দেৱে দেয় ভঙ্গ ॥ ২২১
স্বৰ্গত থাকিবে নোৱাৰে কেৱ ।
কেশীক বধিয়া তাৰিলা দেৱ ॥
প্ৰভাতে কালি মথুৰাক যাইবা ।
ধোবাক মাৰিয়া ধনু ভাঙ্গিবা ॥ ২২২
চাণুৰ মুষ্টিক প্ৰমুখ্যে মাল ।
কুবলয়াপীড় হস্তী বিশাল ॥
কংসক বধিবা জগতস্বামী ।
পৰশুই দিনা দেখিবো আমি ॥ ২২৩

কালযৱনক নৰকাসুৰ ।
মাৰিবাহা পাঞ্চজন অসুৰ ॥
কৰিবা বিহা কন্যা ভগৱন্ত ।
মৃগৰ শাপক কৰিবা অন্ত ॥ ২২৪
সত্যভামা সমে স্যমন্ত-মণি ।
পাইবাহা প্ৰভু জাম্বৱন্ত জিনি ॥
মৃতক পুত্ৰক দিয়া বিপ্ৰক ।
লীলায়ে বধিবা নৃপ পৌণ্ড্ৰক ॥ ২২৫
কেশীক বধি কৰি বৃন্দামাল ।
মাৰিবা দন্তবক্ৰ শিশুপাল ॥
পাণ্ডৱৰ হাতে সমৰ জিনি ।
মৰাইবা অষ্টাদশ অক্ষৌহিণী ॥ ২২৬
কৰিবা কৰ্ম্ম যত দ্বাৰকাত ।
দেখিবো আনন্দে থাকি তথাত ॥
কেৱল জ্ঞানমূৰ্ত্তি তুমি স্বামী ।
তোমাত শৰণ পশিলো আমি ॥ ২২৭
পৰম পুৰুষ সন্তৰ গতি ।
যদুশ্ৰেষ্ঠ হেৰা কৰো প্ৰণতি ॥
আনন্দে নাৰদে এতেক কই ।
গৈলন্ত কৃষ্ণত মেলানি লই ॥ ২২৮
গোৱিন্দো কেশী অসুৰক মাৰি ।
ব্ৰজৰ আনন্দ বঢ়ায়া হৰি ॥
থাকিল কৃষ্ণে নানা লীলা কৰি ।
সমস্ত সমাজে বুলিয়ো হৰি ॥ ২২৯

ঘোষা ॥ ৰাম বনমালী গোপাল বনমালী ॥ ২০

পদ ॥ গৈলন্ত নাৰদ ঋষি কংসৰ সমাজ ।
নিচিন্তি আছস কেনে এভু ভোজৰাজ ॥
তোমাক মাৰিবাক লাগি দেৱৰ যতন ।
দৈৱকীৰ গৰ্ভে উপজিলা নাৰায়ণ ॥ ২৩০

বসুদেৱে গোকুলত থৈলা চুৰি কৰি ।
নন্দ-ঘৰে বাঢ়ন্ত তোমাৰ প্ৰাণ-বৈৰী ॥
কৃত্যা কৰি আনি দিলা নন্দৰ কন্যাক ।
কহিলো সম্ভেদ কথা দঢ়াই আপোনাক ॥ ২৩১

শুনি কংসে খাণ্ডা তুলি উঠি গৈল ৰাগি ।
বসুদেৱ মহন্তক কাটিবাক লাগি ॥
উঠি দেৱ-ঋষি তাঙ্ক আনিলা নিবাৰি ।
আঙ্ক নকাটিবি তই কৃষ্ণক নমাৰি ॥ ৩৩২

পিতৃ হত শুনি লাগ নিদিব তোমাকে ।
উলটি বসিল কংস নাৰদৰ হাকে ॥
বসুদেৱ দৈৱকীক বান্ধিয়া নিহলে ।
কৰিলেক বন্দী উগ্ৰসেনক নিশ্বলে ॥ ২৩৩

পাছে দেৱঋষি গোকুলক গৈলা বহি ।
বুলিলা কৃষ্ণক স্তুতি আকাশত ৰহি ॥
ভাৰ সংহাৰন্তা আউৰ নাহি তুমি বিনা ।
কংসক বধিবা প্ৰভু পৰশুই দিনা ॥ ২৩৪

দিবা উগ্ৰসেনক কংসৰ ৰাজ্য-ভাৰ ।
বসুদেৱ দৈৱকীৰো খণ্ডিবা নিকাৰ ॥

তোমাৰ মনুষ্য-লীলা দেখিবো হৰিষি।
এহি বুলি স্বৰ্গক গৈলেক দেৱ-ঋষি॥ ২৩৫
অক্ৰূৰক পাঞ্চিলা ভোজৰ নিজ নাহা।
কৃষ্ণক আনিবে তুমি গোকুলক যাহা॥
শিশু ধৰি তোমাৰে আমাৰে মিত্ৰৰতি।
ইটো কাৰ্য্য সাধি মোক দিয়ো দানপতি॥ ২৩৬
শুনি দানপতিৰ আনন্দ ভৈল আতি।
প্ৰভাতে লড়িলা মথুৰাত বঞ্চি ৰাতি॥
কৃষ্ণক দেখিবো আজি কিনো সুপ্ৰভাত।
জানিলো প্ৰসন্ন ভৈলা বিধাতা আমাত॥ ২৩৭
নয়নে দেখিবো মঞি চৰণ-কমল।
আজিসি জন্মৰ মোৰ হৈবেক সফল॥
দণ্ডৱতে পৰিবোহো কৃষ্ণৰ চৰণে।
কৃষ্ণে মোক আশ্বাসিবা মধুৰ বচনে॥ ২৩৮
খুড়া বুলি কৃষ্ণে মোক কৰিবে আহ্লাদ।
ব্ৰহ্মাৰ দুৰ্ল্লভ তেৱে লভিবো প্ৰসাদ॥
হেন মনে গুণি ৰথে চড়িল অক্ৰূৰ।
গধূলিকা বেলাত পশিল গোপ-পুৰ॥ ২৩৯
মাধৱৰ খোজচয় দেখিলা ভূমিত।
ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে সুশোভিত॥
ৰথৰ নামিয়া বেগে কৃষ্ণ কৃষ্ণ বুলি।
শিৰে আনি ঘষিল খোজৰ যত ধূলি॥ ২৪০
পাছে গৈয়া কৃষ্ণক দেখিলা আনন্দতে।
কৃষ্ণ কৃষ্ণ বুলিয়া পড়িল দণ্ডৱতে॥

কৃষ্ণে ধৰিলন্ত তাঙ্ক আঙ্কোৱালি তুলি।
সতকাৰ কৰিলা অক্রূৰ খুড়া বুলি॥ ২৪১

অক্রূৰে ভকতি-পথে যতেক বাঞ্ছিলা।
কৃষ্ণো তান সবে মনোৰথক পূৰিলা॥
কহিলন্ত অক্রূৰে কংসৰ বিচেষ্টাক।
মথুৰাক যাইবাক সাজিল গোপঝাক॥ ২৪২

শকটে উঠিয়া লড়ি নন্দ গোপ ৰাজ।
ৰজনী প্ৰভাতে ৰাম কৃষ্ণ ভৈল বাজ॥
কৃষ্ণক যাইবাৰ শুনি গোপী নিৰন্তৰ।
মিলিল বিষাদ সবে বঝাইল গৃহৰ॥ ২৪৩

সলোতক নয়ন মনত মহাদুঃখে।
জুমা জুমি কৃষ্ণক চাহৰে ঊৰ্দ্ধমুখে॥
কৃষ্ণৰ বিজয় কথা শুনা সাৱধানে।
বোলা হৰি হৰি যাৰে প্ৰাণ থাকে মানে॥ ২৪৪

ঘোষা॥ এ জয় হৰি জয় ৰাম॥ ২১

পদ॥ গোপৰূপে নন্দৰ তনয়।
শুভক্ষণে কৰিলা বিজয়॥
বাজৈ শিঙ্গা শঙ্খৰ নিস্বান।
কংসবধে কৰিলা প্ৰয়াণ॥ ২৪৫

ৰথে চড়ি লড়িলা মুৰাৰি।
পড়ি পড়ি কান্দে গোপনাৰী॥
হৰিৰ বিৰহে দেহা তাৰে।
যেন ভৈল বাতুল স্বভাৱে॥ ২৪৬

কৃষ্ণ কৃষ্ণ বুলি গেড়ি দেয়।
আমাৰ প্ৰাণক কোনে নেয়॥
ক্ৰূৰ অক্ৰূৰ ভৈল বৈৰী।
জীৱ কাঢ়ি নেয় কেন কৰি॥ ২৪৭
কিনো হৰি নিদাৰুণ ভৈলা।
গোকুল অনাথ কৰি গৈলা॥
কৃষ্ণ বিনে কি কৰৈ জীৱনে।
আউৰ কোনে যাইব বৃন্দাবনে॥ ২৪৮
প্ৰভাতে ৰাখিবে কোনে ধেনু।
কোনে বাইবে সুললিত বেণু॥
কোনে চাইবে কটাক্ষে নিৰেখি।
জুড়াইবে হৃদয় কাক দেখি॥ ২৪৯
কোনে দিবে বাংশীৰ নিস্বান।
কি দেখি ৰাখিব আৰে প্ৰাণ॥
আমাৰ জীৱনে নাই সুখ।
আউৰ নেদেখিবো কৃষ্ণমুখ॥ ২৫০
নীল আকুঞ্চিত যাৰ কেশ।
শিৰে ৰত্ন কিৰীটি সুবেশ॥
ভ্ৰুৱ যুগ মদনৰ চাপ।
দৰশনে হৰৈ হৃদি তাপ॥ ২৫১
ৰুচিকৰ কমললোচন।
সুধা-সম মধুৰ বচন॥
সুষম ললাট গণ্ড-স্থল।
চাৰুকৰ্ণে মকৰ-কুণ্ডল॥ ২৫২

নাসা তিল-কুসুম-সুন্দৰ।
শোভে আতি অৰুণ অধৰ॥
দশন দাড়িম্ব-বীজ পান্তি।
হাস্যে নিন্দে চন্দ্রমাৰ কান্তি॥ ২৫৩
কম্বু-কণ্ঠে কৌস্তুভ প্ৰকাশে।
সূৰ্য্য যেন উদিত আকাশে॥
সিংহবন্ধ স্কন্ধ সুপ্ৰসন্ন।
ভুজযুগ ৰত্নৰ মোলান॥ ২৫৪
কেয়ূৰ কঙ্কণ তাতে জ্বলে।
ৰত্নৰ গুলিয়া শোভে গলে॥
হিয়াত শ্ৰীবৎস কৰে কান্তি।
যেন মেঘে বলাকাৰ পান্তি॥ ২৫৫
পীতবস্ত্রে শোভে তনু কালা।
আপাদ লম্বিত বনমালা॥
তাতে পড়ি অনেক ভ্ৰমৰে।
মধুলোভে বেঢ়িয়া গুঞ্জৰে॥ ২৫৬
বক্ষঃস্থলে মুকুতাৰ হাৰ।
আকাশী গঙ্গাৰ যেন ধাৰ॥
ৰত্নৰ মেখলা কটি মাজে।
সোণাৰ কিঙ্কিণী তাতে বাজে॥ ২৫৭
কৰিকৰ উৰু নিৰুপম।
চৰণ পঙ্কজ মনোৰম॥
ধ্বজ বজ্ৰ অঙ্কুশে অঙ্কিত।
ৰত্নময় নূপুৰে ৰঞ্জিত॥ ২৫৮

ভকতৰ হৃদয় ৰঞ্জন।
নেদেখিবো সি হেন চৰণ ॥
কন্দৰ্প কোটিকো ৰূপে জিনি।
গোকুলে প্ৰকাশে যদুমণি ॥ ২৫৯
কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
নাহি গতি কীৰ্ত্তনত পৰে ॥
জানিয়া কৰিয়ো একচিত্ত।
হৰি হৰি ঘোষা প্ৰতি নিত ॥ ২৬০

ঘোষা ॥ এ প্ৰাণ হৰি গৈল এড়ি ॥ ২২

পদ ॥ হেন হৰি ভৈলোহো বঞ্চিত।
কিমতে ধৰিবো আৰে চিত্ত ॥
সুপ্ৰভাত মথুৰা পুৰীৰ।
মুখ-পদ্ম দেখিবে স্বামীৰ ॥ ২৬১
জীৱন জীৱন প্ৰাণ পতি।
আজি পাইবে কোন ভাগ্যৱতী ॥
কিনো সুপ্ৰসন্ন ভৈল বিধি।
হাতে পাইলে গোকুলৰ নিধি ॥ ২৬২
মুখ-পদ্ম চন্দ্ৰ নোহে সৰি।
আনন্দে দেখিবে নেত্ৰ ভৰি ॥
পাইব গৈয়া নাগৰী সুন্দৰী।
আউৰ দুনাই নাসিবন্ত হৰি ॥ ২৬৩
সৌহৃদ্য ভাঙ্গিল ক্ষণেকতে।
উপাসন্ত লক্ষ্মী কেনমতে ॥

কিনো নিদাৰুণ নাৰায়ণ।
সুবুলিলা প্ৰবোধ-বচন ॥ ২৬৪
পতি পুত্ৰ এড়ি ভৈলো চেড়ী।
কোন সতে গৈলা তুমি এড়ি ॥
কিনো বজ্ৰে বান্ধিলেক হিয়া।
ভকতক গৈলা দুঃখ দিয়া ॥ ২৬৫
আমি মৰো তোমাৰ বিৰহে।
জানি কেনমতে হৃদি সহে ॥
এহি বুলি কান্দে গোপনাৰী।
ৰাম কৃষ্ণ বুলি গেড়ি পাৰি ॥ ২৬৬
নেত্ৰৰ লোতক পড়ে ধাৰে।
ঘনে ঘনে নিশ্বাস ফোকাৰে ॥
হৰি বিনা নভাষে বচনে।
নপাসৰে সচিতে সপোনে ॥ ২৬৭
ৰাত্ৰি দিনে গায়ে হৰিগীত।
কৃষ্ণতে অৰ্পিল প্ৰাণ চিত্ত ॥
কায়স্থ শঙ্কৰে এভু ভণে।
হৰিকথা শুনা সৰ্ব্বজনে ॥ ২৬৮
হৰিৰ কীৰ্ত্তন মুখে কৰা।
মাধৱৰ ৰূপ হিয়ে ধৰা ॥
অল্প পুণ্যে নপাই হেন জানি।
সদা নছাড়িবা ৰামবাণী ॥ ২৬৯
পাপী জনে হৰি নুস্মৰে।
পাতকে মুখত চেপি ধৰে ॥

আনে সুমৰন্তে শুনি মৰে।
পাপে চিত্ত উচপিচ কৰে॥ ২৭০
হৰি ধ্বনি শুনি কাণ ফাটে।
নিন্দা কৰি ফুৰে হাটে বাটে॥
হেন জানি পাপক সংহৰি।
সদায়ে ঘোষিয়ো হৰি হৰি॥ ২৭১

ঘোষা॥ হৰিবোল হৰিবোল মাধৱ ৰাম॥ ২৩

পদ॥ ৰথে তুলি ৰাম-কৃষ্ণ দোভাই।
অক্রূৰে লই যান্ত ঘোড়া ডকাই॥
বায়ুৰ বেগে যাক নোহে তুল।
পাইল গৈয়া পাছে যমুনাৰ কূল॥ ২৭২
মধ্যাহ্ন সন্ধ্যা কৰিবাক প্ৰতি।
ৰাখিলা ৰথ তৈতে দানপতি॥
দোভাইক ৰথে লৈয়া তৰু-তলে।
নামিলা গৈয়া যমুনাৰ জলে॥ ২৭৩
বুড় দিয়া মন্ত্ৰ জপিলা পাছে।
দেখন্ত ৰাম কৃষ্ণ ঐতে আছে॥
ৰথত নাহিকা বুলি উঠিলা।
দোভাইক ৰথতে হুনাই দেখিলা॥ ২৭৪
পূৰ্ব্বৱতে বসি আছন্ত দুই।
হুনাই বুড় দিলা বিস্ময় হুই॥
জলৰ মাজত দেখন্ত পাছে।
সহস্ৰেক ফণে অনন্ত আছে॥ ২৭৫

মৃণাল ধৱল যেন শৰীৰ।
নীল বস্ত্ৰে দেখি আতি ৰুচিৰ॥
ফণাৰ মণি কৰে তিৰি মিৰি।
শৃঙ্গে সমে যেন কৈলাস গিৰি॥ ২৭৬
চৌপাশে সৰ্পগণে বেঢ়ি আছে।
তাহান কোলাত দেখন্ত পাছে॥
পৰম পুৰুষ আছন্ত বসি।
প্ৰকাশে মুখ যেন পূৰ্ণশশী॥ ২৭৭
মেঘ সম শ্যাম বসন পীত।
ৰত্নৰ কিৰীটি শিৰে শোভিত॥
কৰ্ণত মকৰ জ্বলে কুণ্ডল।
ধনু সম শোভে ভ্ৰুৱ যুগল॥ ২৭৮
অৰুণ নেত্ৰ কমলৰ পাসি।
সুগুচে মুখে সদা অল্প হাসি॥
নাসা তিল ফুল সম সুন্দৰ।
বৰ্ত্তুল ৰাতুল চাৰু অধৰ॥ ২৭৯
পৱাল ৰত্নে যেন আছে গঢ়ি।
প্ৰকাশে দন্ত যেন কুন্দকঢ়ি॥
কম্বুকণ্ঠে শোভে কৌস্তুভ মণি।
প্ৰকাশে প্ৰভাতৰ সূৰ্য্য জিনি॥ ২৮০
আজানুলম্বিত স্থূল ভুজ চাৰি।
শঙ্খ-চক্ৰ-গদা-পঙ্কজধাৰী॥
কৰয় কেয়ূৰ কঙ্কণে কান্তি।
বক্ষঃস্থলে শোভে শ্ৰীবৎস পান্তি॥ ২৮১

আপদলক্ষ্মী বনমালা গলে।
মুকুতাৰ হাৰ হিয়াত জ্বলে॥
ৰত্নৰ মেখলা কটিৰ মাঝে।
তাতে সুৱৰ্ণৰ কিঙ্কিণী বাজে॥ ২৮২
চাৰু উৰু জানু জঙ্ঘা যুগল।
দুখানি চৰণ যেন কমল॥
আঙ্গুলি পান্তি তাৰ ভৈল পাসি।
আৰকত নখে আছে প্ৰকাশি॥ ২৮৩
ৰত্নৰ নূপুৰে আতি ৰঞ্জিত।
যাত ভকতৰ সদায় চিত্ত॥
সুনন্দ নন্দ আদি কৰি পাছে।
চৌপাশে পাৰিষদে সেৰি আছে॥ ২৮৪
শঙ্কৰ ব্ৰহ্মা যত প্ৰজাপতি।
কৰযোৰে সবে কৰয় স্তুতি॥
আপুনি লক্ষ্মী আৰাধন্ত পাৱ।
অক্ৰূৰে দেখি শিহৰাইল গাৱ॥ ২৮৫
আনন্দতে পড়ে নেত্ৰৰ পানী।
কণ্ঠৰো নোলায় গদগদ বাণী॥
পৰম ভক্তি কৰি মহাভাগে।
কৃতাঞ্জলি কৰি পড়িল আগে॥ ২৮৬

ঘোষা॥ মাধৱ ৰাম মুকুন্দ মুৰাৰি॥ ২৪

পদ॥ শিৰে প্ৰণামি পাছে দানপতি।
কৰিবে লাগিলা কৃষ্ণক স্তুতি॥

নমো নাৰায়ণ কৰোহো সেৱ।
স্রষ্টাৰো স্রষ্টা তুমি আদি দেৱ॥ ২৮৭
তোমাৰ নাভিত ভৈলন্ত বিধি।
যাত হন্তে ভৈল কাৰ্য্যৰ সিদ্ধি॥
যত পঞ্চ ভূত ইন্দ্রিয় দেৱ।
তোমাৰ ৰূপক নজানে কেৱ॥ ২৮৮
নজানি লোকে আন দেৱ পূজে।
সিও বিধিহীনে তোমাকে যজে॥
যেহেন নদ নদী সমুদায়।
অনেক পথে সাগৰক যায়॥ ২৮৯
মায়ায়ে মোহিত সবাৰো মন।
তোমাৰ নিচিন্তে কেৱে চৰণ॥
যাৰ নষ্ট হুইবে সংসাৰ বন্ধ।
তোমাৰ ভক্তিক তাৰ প্ৰবন্ধ॥ ২৯০
ৰূপ দেখাই মোক কৰিলা দায়া।
জানিলো এড়াইলা সংসাৰ মায়া॥
নমো হৃষীকেশ জগতপতি।
তুমি বিনে নাই আমাৰ গতি॥ ২৯১
কৰিলা অনেক স্তুতি বিনয়ে।
নকৈলো পদ বিস্তৰক ভয়ে॥
জলত পাছে দেখা দিয়া হৰি।
ভৈলা অন্তৰ্দ্ধান ৰূপ সংহৰি॥ ২৯২
বিষ্ণুক নেদেখি পাছে অক্ৰূৰে।
জলৰ উঠিল আক্তি সত্বৰে॥

মধ্যাহ্ন সন্ধ্যা করি মহাশয়।
গৈলন্ত ৰথক হুয়া বিস্ময় ॥ ২৯৩
অক্রূৰত হৰি সোধন্ত হাসি।
বিস্ময় ভৈলা কেনে তুমি আসি ॥
দেখিলা কিবা কৈত অদভুত।
সত্বৰে কহিয়ো গান্দিনীসুত ॥ ২৯৪
অক্রূৰে কৃষ্ণক মাতিলা পাছে।
সমস্তে অদ্ভুত তোমাতে আছে ॥
যিজনে নজানে তত্ত্ব তোমাৰ।
সমস্ত জগত অদ্ভুত তাৰ ॥ ২৯৫
এহি বুলি বীৰে ৰথ ডকাইল।
দিনান্তে গৈয়া মথুৰাক পাইল ॥
পথত যাহন্তে পথিকে দেখি।
আনন্দে কৃষ্ণক চাহে নিৰীক্ষি ॥ ২৯৬
পাছে মথুৰাৰ সমীপ পাই।
নামিল ৰাম কৃষ্ণ দুয়ো ভাই ॥
অক্রূৰৰ হাতে ধৰিয়া হৰি।
বুলিলা হেন বাণী হাস্য কৰি ॥ ২৯৭
ৰথ লৈয়া আগে চলিয়ো ঘৰ।
পাছেসে পশিবো আমি নগৰ ॥
ইঠাইতে জিৰাওঁ আমি গোপঝাক।
শুনিয়া অক্রূৰে বুলিলা বাক ॥ ২৯৮
তোমৰ দোভাইক এড়িয়া স্বামী।
নযাইবো নযাইবো গৃহক আমি ॥

নকৰা প্ৰভু ভকতক ত্যাগ।
কোটি পুৰুষৰ মিলোক ভাগ॥ ২৯৯

গৃহক মোৰ চলা সমুদায়।
পবিত্ৰ কৰিয়ো পদ-ধুলায়॥
শিৰত ধৰি তযু পাদোদক।
লভিলো বুলি মহা ঐশ্বৰ্য্যক॥ ৩০০

পাইলেক পৰম জ্ঞানীৰ গতি।
ভকতক দায়া কৰা সম্প্ৰতি॥
আমাক বিমুখ নকৰা স্বামী।
তোমাক এড়িবে নোৱাৰো আমি॥ ৩০১

মাধৱে বোলন্ত শুনা অক্ৰূৰ।
তুমি আগে যায়ো মথুৰাপুৰ।
জগতৰে বৈৰী মাৰি কংসক।
অৱশ্যে তোমাৰ যাইবো গৃহক॥ ৩০২

হেন শুনি পাছে অক্ৰূৰ বীৰে।
বিতুষ্ট মনে গৈল ধীৰে ধীৰে॥
কৃষ্ণ আসিবাৰ কংসত কৈলা।
মেলানি মাগিয়া গৃহক গৈলা॥ ৩০৩

একে মনে শুনা কৃষ্ণৰ কথা।
মনুষ্য জন্মক নকৰা বৃথা॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে॥ ৩০৪

ঘোষা ॥ গোবিন্দ যদুদেৱ দীন দয়াশীল।
তুমিসে বান্ধৱ কৃষ্ণ আৰেসে জানিল ॥ ২৫

পদ ॥ অক্ৰূৰক পঠায়া গৃহক আগ কৰি।
লৈয়া গোপগণ সঙ্গে ৰঙ্গে ৰাম হৰি ॥
পৰম উৎসুকে প্ৰৱেশিলা মথুৰাত।
সিটো বিতোপন পুৰী দেখিলা সাক্ষাত ॥ ৩০৫

স্ফটিকে গঠিত পুৰ দ্বাৰ দুহি খাট।
লগাই আছে সুৱৰ্ণৰ বৃহত কপাট ॥
হেনময় তোৰণ চিড়লে অলঙ্কৃত।
চতুৰ্ভিতি গড়খাই দেখি ভয় ভীত ॥ ৩০৬

বহুবিধ উদ্যান শোভিত কাছে কাছে।
শাৰী শাৰী গৃহসব প্ৰকাশন্তে আছে ॥
হীৰা মৰকত ৰত্নে ৰঞ্জে ঠাৱে ঠাৱে।
শোভা কৰে পাৰাৱত ময়ূৰৰ ৰাৱে ॥ ৩০৭

ৰাজপথ চৌপন্থাক সাঞ্জি মাঞ্জি আতি।
পদূলি পদূলি দীপ ঘট আছে পাতি ॥
হেন নগৰত পশি গোপগণ সঙ্গে।
ৰাজপথে চলি যান্ত ৰাম কৃষ্ণ ৰঙ্গে ॥ ৩০৮

মিলিল উৎসৱ শুনি নাৰীগণ যত।
চাহিবাক লাগি সবে চাৰিলা গৃহত ॥
কৃষ্ণক দেখিবে কাৰো উত্ৰাৱল চিত্ত।
পিন্ধে বস্ত্ৰ অলঙ্কাৰ কৰি বিপৰীত ॥ ৩০৯

এক কর্ণে কুণ্ডল কঙ্কণ এক কৰে।
বিমোহিত হুয়া আসে বস্ত্রো নসম্বৰো॥
অঞ্জনে ৰঞ্জিল মাত্র এগোটা লোচন।
কতো কতো নাৰীগণে এড়িল ভোজন॥ ৩১০
পিয়ন্তে আছিল স্তন শিশুক এড়িল।
কৃষ্ণক দেখিবে মনে গৃহত চড়িল॥
ৰাজপথে চলি যান্ত লীলায়ে মাধৱ।
তাসম্বাৰ নয়নৰ বঢ়ায়া উৎসৱ॥ ৩১১
কমললোচন হাসি কটাক্ষে চাহান্ত।
সমস্তে নাৰীৰ মন হৰিল একান্তে॥
যাৰ গুণ কথাক শ্রৱণে আছো শুনি।
নেত্রে ভৰি দেখো হেন কৃষ্ণক আপুনি॥ ৩১২
কৃষ্ণক কটাক্ষ হাস্যে বৰিষে অমৃত।
পূৰি মনোৰথ সবে ভৈল কৃতকৃত্য॥
নয়নৰ পথে নিয়া কৰি অভ্যন্তৰ।
আনন্দ-মূৰ্ত্তিক আলিঙ্গয় নিৰন্তৰ॥ ৩১৩
মনৰ এড়াইল পীড়া আনন্দে ভৰিল।
তনু ৰোমাঞ্চিত নেত্রে লোতক ঝৰিল॥
সুপ্রীতি প্রফুল্ল মুখ-পদ্ম যত নাৰী।
গৃহৰ উপৰে চৰি হুয়া দুই শাৰী॥ ৩১৪
ৰাম মাধৱৰ শিৰে পুষ্প বৰিষন্ত।
মুখ কমলক যেন নয়নে পিয়ন্ত॥
দধি দূৰ্ব্বাক্ষত উপায়ন পুষ্প গন্ধে।
পাদুসি পাদূলি দ্বিজে পূজিলা প্রবন্ধে॥ ৩১৫

অন্যো অন্যে নাৰীগণে সম্বোধি কহয় ।
কিনো পুণ্য কৰিলে ব্ৰজৰ গোপীচয় ॥
দেখিয়ো আনন্দে যেন আছে মূৰ্ত্তি ধৰি ।
হেন ৰাম মাধৱক দেখে নেত্ৰ ভৰি ॥ ৩১৬
গোপী-সম ভাগ্যৱতী আউৰ কেহো নাই ।
কহে সবে নাৰীগণে অন্যো অন্যে চাই ॥
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বজন ।
বোলা হৰি হৰি আছে যাৱত চেতন ॥ ৩১৭

---

ঘোষা ॥ প্ৰাণ বান্ধৱ মাধৱ ৰাম ।
দেহু দেখা হৰি কৰো প্ৰণাম ॥ ২৬

পদ ॥ পথত ৰাম কৃষ্ণ মহাভাগ ।
যাহন্তে ধোবাক পাইলন্ত লাগ ॥
খুজিলন্ত বস্ত্ৰ মাতি ধোবাক ।
দিয়ো ভাল বাছি বস্ত্ৰ আমাক ॥ ৩১৮
আজি যেবে বস্ত্ৰ কৰস দান ।
হৈবেক পৰম তোৰ কল্যাণ ॥
এহি বুলি বস্ত্ৰ খোজন্ত হৰি ।
দুৰ্ম্মুখ ধোবা মাতে ক্ৰোধ কৰি ॥ ৩১৯
কিনো মহামূঢ় তোৰা গোৱাল ।
পৰ্ব্বত বনত থপস কাল ॥
মৰিবাক লাগি নাহিকে ত্ৰাস ।
ৰাজাৰ বস্ত্ৰক পিন্ধিবে চাস ॥ ৩২০

প্ৰাণ লৈয়া পলা ঐৰ অন্তৰি।
ৰাজদূতে পাইলে দণ্ডিবে ধৰি॥
দৈৱকীসুতে শুনি হেন বাণী।
মাৰিলা ধোবাক চৰৰ টানি॥ ৩২১
ছিণ্ডিল মুণ্ড চৰৰতে তাৰ।
যতেক ধোবা লগৰীয়া আৰ॥
বস্ত্ৰ পেলাই সবে দিলে লৰড়।
দেখিয়া কৃষ্ণে ৰঙ্গ ভৈল বড়॥ ৩২২
ভাল বাছি বস্ত্ৰ লৈলা দোভাই।
গোৱালসবক দিলে পেলাই॥
বেশকাৰে আসি পিন্ধাই বস্ত্ৰক।
কছাইল ৰঙ্গে ৰাম মাধৱক॥ ৩২৩
তাত তুষ্ট কৃষ্ণ ভৈল-অধিক।
দিলন্ত পৰম ঐশ্বৰ্য্য শ্ৰীক॥
সাৰূপ্য মুকুতিকো দিলা তাক।
বুলিলা অনেক আশ্বাস বাক॥ ৩২৪
সুদাম নামে মালাকাৰ আছে।
তাহাৰ বাড়ীত পশিল পাছে॥
দূৰতে দেখে আসে কৃষ্ণ ৰাম।
কৰিলা সুদামে পড়ি প্ৰণাম॥ ৩২৫
আস আনি দিল । আথে বেথে।
বসিল তাত ৰঙ্গে জগন্নাথে॥
পাদ্য অৰ্ঘ্য গন্ধ ধূপ লগাই।
কৰিল পূজা লৈলা দুয়ো ভাই॥ ৩২৬

ভূমিত পড়ি বোলে মালাকাৰ।
পিতৃ দেৱ ঋষি তুষ্ট আমাৰ॥
আজিসে জন্ম সাফলিলো আমি।
কুলকো পৱিত্ৰ কৰিলা স্বামী॥ ৩২৭
জগতৰে মুখ্য কাৰণ হুই।
ভৈলা অৱতাৰ তোমাৰা দুই॥
ভকতজনৰ ৰক্ষাৰ হেতু।
দুষ্টক নাশাহা গৰুড়কেতু॥ ৩২৮
জগতৰে আত্মা সুহৃদ দেৱ।
তোমাৰ শত্ৰু মিত্ৰ নাহি কেৱ॥
সমস্ত ভূততে আছা বিয়াপি।
ভজন্তাক প্ৰভু ভজা তথাপি॥ ৩২৯
কৰিয়ো আজ্ঞা আমি তযু ভৃত্য।
তোমাৰা দুইৰো কৰো কিবা কৃত্য॥
যাক পাঞ্চা তুমি কাৰ্য্যক লাগি।
প্ৰসাদ পাইলে সেই মহাভাগী॥ ৩৩০
এহি বুলি বুজি কৃষ্ণ ইঙ্গিত।
আনিয়া সৌৰভী পুষ্পে ৰচিত॥
পিন্ধাইলা দুইকো অঙ্গে মুঞ্জমালা।
পুষ্পে ভূষিলেক যত গোৱালা॥ ৩৩১
ভকতি তাৰ দেখি কৃষ্ণ ৰাম।
বোলন্ত লৈয়োক বৰ সুদাম॥
শুনিয়া মালী বোলে জোৰ হাতে।
থাকোক অচলা ভক্তি তোমাতে॥ ৩৩২

বিষ্ণু ভকতেসে হৈবে বান্ধাৱ।
ভূত দায়া জোনো ছাড়ো মাধৱ॥
এহি বুলি মৌন ভৈল সুদাম।
দিলন্ত বৰ সবে কৃষ্ণ ৰাম॥ ৩৩৩
বুলিলা আৰো ভক্তি তাৰ দেখি।
নেৰোক তোমাক অচলা লক্ষ্মী॥
বল আয়ু যশ দিলো সমৃদ্ধি।
সৰ্ব্বকালে হৌক বংশৰ বৃদ্ধি॥ ৩৩৪
সুদামক দিয়া এতেক বৰ।
বজাইল তৈৰ ৰাম দামোদৰ॥
আনন্দে বেঢ়ি যায় গোপগণে।
হৰি হৰি বোলা সমস্ত জনে॥ ৩৩৫

---

ঘোষা॥ সেরক বুলিয়া পালিয়ো ৰাম
চৰণে শৰণ লৈলোঁ।
তোমাত ভকতি নকৰি কৃপাল
জনম বিফল কৈলোঁ॥ ২৭

পদ॥ সুদামাক বৰ দিয়া দামোদৰ
ৰাজপথে চলি যান্ত।
চন্দনৰ পাত্ৰ সহিতে যুৱতী
কুব্জাক দেখিলন্ত॥

ওচৰ চাপিয়া পুছন্ত হাসিয়া
সৰ্ব্ব-সুখ-দাতা হৰি।
তই কোন কাৰ চন্দন লৈ যাহ
কৈয়ো কথা শীঘ্ৰ কৰি॥ ৩৩৬
দোভাইক চন্দন দিয়ো আজি তোৰ
হৈবেক কল্যাণ আসি।
সৈৰিন্ধ্ৰী বোলয় শুনিয়ো সুন্দৰ
মই কংসৰায়ৰ দাসী॥
ভোজ নৃপতিৰ আতি প্ৰীতিকৰ
মোহোৰ চন্দন মাত্ৰ।
তোৰা দুই বিনে ইটো চন্দনৰ
আছে আন কোন পাত্ৰ॥ ৩৩৭
সুকুমাৰ ৰূপ দেখি মোহ ভৈলা
কৃষ্ণৰ সুৰস মাতে।
দোভাইৰো শৰাৰ চন্দনে ৰঞ্জিলা
যুৱতী আপোন হাতে॥
এতেকে প্ৰসন্ন ভৈলা ভগৱন্ত
যিটো ভকতৰ গতি।
কৰিলন্ত মতি সিটো কুবুজাক
ঋজু কৰিবাক প্ৰতি॥ ৩৩৮
তাইৰ দুই ভৰি দুপাৱে জাপিয়া
চিবুকত ধৰি হাতে।
উপৰক তুলি চমু কৰিলন্ত
তিনিয়ো লোকৰ নাথে॥

কৃষ্ণ-পৰশনে তেতিক্ষণে তাই
ভৈ গৈল দিব্য সুন্দৰী।
কামাতুৰ হুয়া হাসিয়া মাতয়
কৃষ্ণৰ বস্ত্রত ধৰি ॥ ৩৩৯
তুমি চিত্ত মোৰ মথিলা মাধৱ
এৰিবে নপাৰো আমি।
আসা গৃহে যাওঁ হুয়োক প্রসন্ন
তিনিয়ো লোকৰ স্বামী ॥
ৰামৰ আগত কৃষ্ণৰ বস্ত্রত
ধৰিয়া প্রার্থন্তে আছে।
সমস্তে গোপৰ মুখ চায়া হৰি
হাসি মাতিলন্ত পাছে ॥ ৩৪০
আমি পথিকৰ তুমিসে আশ্রয়
যায়োক আজি গৃহক।
তোমাৰ থানক অৱশ্যে আসিবো
বধিয়া দুষ্ট কংসক ॥
এহি বুলি তাইক মধুৰ বচনে
আশ্বাসি পঠাইলা হৰি।
বাণিজাৰুগণে দোভাইক পূজিলা
অনেক দ্রব্যে সাদৰি ॥ ৩৪১
কৃষ্ণ দৰশনে কামে বিমোহিত
সমস্তে পুৰ যুৱতী।
বসন বলয়া স্খলকিল খোপা
তাত নাহি কাৰো মতি ॥

চিত্ৰৰ পুত্তলী আছে যেন ৰহি
কৃষ্ণত অৰ্পিয়া মন।
আন কাম এৰি বোলা হৰি হৰি
সমজ্যাৰ যত জন ॥ ৩৪২

---

ঘোষা ॥ জগন্নাথ অনাথক থাপিয়ো চৰণে।
তোমাক বান্ধাৱ মানি পশিলো শৰণে ॥ ২৮

পদ ॥ এহিমতে ৰামকৃষ্ণ ভ্ৰমন্তে পথত।
ধনুৰ্যাগ-শালা পাইলা পুছিয়া লোকত ॥
দেখিলা কংসৰ দিব্য ধনু কৃষ্ণে পাছে।
যেন ইন্দ্ৰধনুখণ্ড প্ৰকাশন্তে আছে ॥ ৩৪৩
আনন্দে গোবিন্দে ধৰিবাক যান্ত তাক।
দেখিয়া ৰখীয়া সেনাগণে দেয় হাক ॥
তথাপি লীলায়ে বামহাতে তুলি ধৰি।
নিমিষেকে ধনুত লগাইলা গুণ হৰি ॥ ৩৪৪
অপ্ৰয়াসে টানিয়া ভাঙ্গিলা ধনুখণ্ড।
যেন মত্ত মাতঙ্গে ভাঙ্গিল ইক্ষুদণ্ড ॥
তাৰ ঘোৰ শবদে পূৰিল দিশ পাশ।
শুনি কংসৰায়ৰ অদ্ভুত ভৈল ত্ৰাস ॥ ৩৪৫
দেখিয়া ৰখীয়াসিটো কটক কিটাইল।
অস্ত্ৰ-শস্ত্ৰ ধৰি ক্ৰোধে মাধৱক ধাইল ॥
বেঢ়িলেক চতুৰ্ভিতি ধৰ মাৰ বুলি।
খণ্ডে ভাঙ্গা ধনু ৰাম-কৃষ্ণে লৈলা তুলি ॥ ৩৪৬

সমস্তে সেনাক মানে মাৰিলা লোভাই।
কংসে পঠাইলেক যিবা মাৰিলা কোবাই ॥
ধনুৰ শালাৰ হন্তে বাজ হুয়া দুই।
নগৰ চাহান্তে ফুৰে মহা হৃষ্ট হুই ॥ ৩৪৭

প্ৰভাৰে প্ৰগল্‌ভ ৰূপ দেখি নিৰুপম।
সবে বোলে ইটো দুই দেৱতো উত্তম ॥
অনন্তৰে সূৰ্য্য পাইলা অস্তগিৰি গই।
নিবৰ্ত্তিলা ৰাম কৃষ্ণ গোপগণ লই ॥ ৩৪৮

নগৰৰ বাজত ৰহিলা বাসা কৰি।
ৰঙ্গে ৰাম কৃষ্ণ দুই পখালিলা ভৰি ॥
গোপগণ সঙ্গে লৈয়া ভুঞ্জি দধি-ভাত।
বঞ্চিলা ৰজনী সুখে সুতিয়া শয্যাত ॥ ৩৪৯

ধনুৰ্ভঙ্গ ৰথীয়া সেনাৰ শুনি বধ।
নাসে নিদ্ৰা কংস ভৈলা ভয়তে তবধ ॥
দেখে নানা বিমঙ্গল চিত্ত নোহে স্থিৰ।
ছায়াত নেদেখে সিটো আপোনাৰ শিৰ ॥ ৩৫০

ধূলি কৰ্দ্দমত নিজ খোজক নাকলে।
আকাশত দেখে কতো দুই চন্দ্ৰ জ্বলে ॥
স্বপ্নত মৃতকে আসি কৰে আলিঙ্গন।
গৰ্দ্দভত চড়ি কৰে বিষক ভোজন ॥ ৩৫১

ওৰ ফুল মালা পিন্ধি হুয়া দিগম্বৰ।
তৈল ঘষি দক্ষিণক যায় একেশ্বৰ ॥

আনো নানা বিমঙ্গল দেখে সিটো ৰাতি।
ভয়তে নপাইলে নিদ্রা কংসে সিটো ৰাতি॥ ৩৫২
অনন্তৰে কংসৰায় উঠি প্ৰভাতত।
কৰাইলন্ত মল্ল মহোৎসৱ ক্ৰীড়া যত॥
সজাইলেক উচ্চ মঞ্চ ৰঙ্গশালা বেঢ়ি।
বাৰে ঢাক ঢোল ভেৰী কৰে নানা খেড়ি॥ ৩৫৩
মঞ্চে চড়ি বসিল যতেক পুৰবাসী।
থান লৈয়া বসিল নৃপতিগণো আসি॥
মন্ত্ৰীগণ সমে কংস চড়িল মঞ্চত।
নুগুচয় ভয় তাৰ ক্ষণেকো মনত ৩৫৪
মল্ল বাদ্য শুনি কাছি পাৰি যত মাল।
মাল গুৰু সমে প্ৰৱেশিলা ৰঙ্গশাল॥
চাণুৰ মুষ্টিক কুট তোশল অপৰ।
শলনামে আইল আৰো মল্ল ভয়ঙ্কৰ॥ ৩৫৫
কৰ দিয়া নন্দো গোপগণ সমন্বিতি।
মঞ্চে চড়ি বসিলন্ত হুয়া এক ভিতি॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
বোলা হৰি হৰি সবে হোক সদগতি॥ ৩৫৬

---

ঘোষা॥ গোপাল কৃপাল কৰুণাময়।
হৰিয়ো হৰি ভকতৰ ভয়॥ ৪০

পদ॥ কহন্ত নৃপতিত শুক মুনি।
ৰাম কৃষ্ণে মল্ল-দুন্দুভি শুনি॥

কৰিয়া শৌচ ভৈলা কাছ-পাৰ।
শুনিয়ো আৰে কেনে অৰ্থ তাৰ॥ ৩৫৭
ধনু ভাঙ্গি সেনা মাৰিলো তাৰ।
দেখাইলো নিজবীৰ্য্য আপোনাৰ॥
তথাপি পিতৃৰ নোছোড়ে বন্ধ।
আমাকো মাৰিবে কৰে প্ৰবন্ধ॥ ৩৫৮
মমাৰ বধে আউৰ দোষ নাই।
এহি বুলি লড়ি গৈলা দোভাই॥
ৰঙ্গৰ দ্বাৰ পাইলা গৈয়া পাছে।
কুৱলয়া পীড় বাটতে আছে॥ ৩৫৯
অম্বষ্ঠ হাতিয়াৰে আছে খুম্পি।
ৰহিয়াছে সিটো কৃষ্ণক চুম্পি॥
দেখি কৃষ্ণে তাৰ বুজি ইঙ্গিত।
মেৰ্হ্রাইলন্ত পীত বস্ত্ৰ কটিত॥ ৩৬০
কুটিল অলকা বান্ধিল তুলি।
মাতিলা শুনৰে অম্বষ্ঠ বুলি॥
যাইবো ৰঙ্গশাল সত্বৰ কৰি।
পন্থ ছাড়ি দেস ঐৰ অন্তৰি॥ ৩৬১
বাট নেদ যেবে শুনা দুৰ্ন্দুৰ।
কুঞ্জৰ সমে নিবো যমপুৰ॥
হেন শুনি পাছে অম্বষ্ঠ ৰাগি।
খুম্পিল হস্তীক কৃষ্ণক লাগি॥ ৩৬২
ধাই গৈল হস্তী কালান্ত-প্ৰায়।
ধৰিল কৃষ্ণক শুণ্ডে মেৰ্হ্রাই॥

এড়াইল আছোট কৰিয়া উঠি।
মাতঙ্গক কৃষ্ণে মাৰিলা মুঠি॥ ৩৬৩
ভৰিৰ মাজত লুকাইল তাৰ।
ক্ৰোধিল কুঞ্জৰে পায়া প্ৰহাৰ॥
নেদেখি সিটো ফোপায় যেন নাগ।
শুঙ্গি শুঙ্গি পাইল কৃষ্ণক লাগ॥ ৩৬৪
ধৰিলা কৃষ্ণক শুণ্ডে মেহ্রাই।
বাজ ভৈলা কৃষ্ণে বলে এড়াই॥
লাঙ্গুত ধৰি তাৰ চক্ৰপাণি।
একশত হাত নিলন্ত টানি॥ ৩৬৫
সৰ্পক আঝোৰে যেন গৰুড়ে।
কৃষ্ণক ধৰিবে চাহাৰে শুড়ে॥
ইকাতি সিকাকি কৰন্তে যাই।
টানি নেন্ত কৃষ্ণে শ্ৰমে এড়াই॥ ৩৬৬
নপাৰে ধৰিতে সিটো কৃষ্ণক।
যেন দামুৰিক টানে বালক॥
অনন্তৰে তাৰ লাঙ্গুৰ এড়ি।
ভৈলন্ত সম্মুখ হস্তীক হৰি॥ ৩৬৭
চাপৰ মাৰিয়া যান্ত লৰড়ে।
খেদি নেন্ত হস্তী গোড়ত গোড়ে
লীলায়ে পড়িয়া উঠিলা হৰি।
পড়িল বুলি হস্তী ক্ৰোধ কৰি॥ ৪৬৮
পৃথিবীত সিটো ভিৰিল দান্তে।
গাৱৰ সব বল দিয়া ঝাণ্ডে॥

নাহিক কৃষ্ণ দেখি হস্তী কোপে।
ধাইলেক কৃষ্ণক তুনাই আটোপে॥ ৩৬৯

উপৰে হাতিয়াৰে খুম্পি যাই।
ধৰিলা শুণ্ডত মাধৱে পাই॥
প্ৰমত্ত সিংহে যেন লীলা কৰি।
পাড়িলা ভূমিত হস্তীক হৰি॥ ৩৭০

পাৱে ভিৰি তাক কৰি আক্ৰান্ত।
লৈলন্ত উভাৰি হস্তীৰ দান্ত॥
হস্তী হস্তিয়াৰ দুইকো জপাই।
মাৰিলন্ত গজ-দন্তে কোবাই॥ ৩৭১

মৰা কুবলয়া পীড়ক এড়ি।
পশিলা ৰঙ্গশালা ৰাম হৰি॥
চৌপাশে গোপগণে বেড়ি যান্ত।
দোভাইৰ কান্ধত হস্তীৰ দান্ত॥ ৩৭২

প্ৰকাশে কৃষ্ণৰ মুখ কমল।
দেখিয় তাতে ঘৰ্ম্মবিন্দুৰ জল॥
ৰুধিৰ ছিটা তাৰ মাঝে মাঝে।
পদ-পঙ্কজত নূপুৰ বাজে॥ ৩৭৩

শ্যামল তনু তাতে পীতবাস।
কমল লোচন সুগুচে হাস॥
ভুলিল সমাজে কৃষ্ণক চাই।
বোলা হৰি হৰি হৰি সদায়॥ ৩৭৪

ঘোষা ॥ হে কৃষ্ণ কৰা কৃপা পৰমানন্দ।
নজানো ভকতি মই মলমতি মন্দ ॥ ৩০

পদ ॥ কৰিলা প্ৰকাশ ৰামে সমে সমাজত।
দেখে দশ প্ৰকাৰে কৃষ্ণক সিবেলাত ॥
মালে বোলে কিনো বজ্ৰময় কলেৱৰ।
অন্যজনে বোলে এহেন্তেসে নৰবৰ ॥ ৩৭৫

নাৰীগণে বোলে মূৰ্ত্তি ধৰিলা মদনে।
আমাৰেসে বন্ধু বুলি মানে গোপগণে ॥
আমাৰেসে শাস্তা বোলে দুষ্ট ৰাজাচয়।
বসুদেৱ দৈৱকীও বোলয় তনয় ॥ ৩৭৬

কংসে বোলে এহি কৃষ্ণ অন্তক আমাৰ।
অজ্ঞানীসকলে বোলে নন্দৰ কুমাৰ ॥
যোগীগণে বোলে এহেন্তেসে ব্ৰহ্মতত্ত্ব।
বৃষ্ণিবংশে বোলে এন্তে কুলৰ দৈৱত ॥ ৩৭৭

ধৰি মল্লবেশ পিন্ধি ৰত্ন আভৰণ।
ৰঙ্গ মধ্যে প্ৰকাশন্ত ৰাম নাৰায়ণ ॥
কাছিয়া আছন্ত যেন নট দুই প্ৰায়।
নভৈলা তৃপিতি লোক দুইৰো ৰূপ চাই ॥ ৩৭৮

নয়নে পিৱয় যেন চেলেকে জিহ্বায় ॥
বাহুৱে আলিঙ্গি নাসিকায় শুঙ্গে প্ৰায় ॥
অন্যো অন্যে বোলে যেন কথা আছো শুনি।
সেহিতো কৃষ্ণক দেখো নয়নে আপুনি ॥ ৩৭৯

নাৰায়ণ-অংশ তুয়ো জানিবা সাক্ষাত।
বসুদেৱ গৃহে দৈৱকীত ভৈল জাত॥
গোকুলত থৈলন্ত বাঢ়িল নন্দঘৰে।
পুতনাক বধিলা এহেন্তে দামোদৰে॥ ৩৮০
চক্রবাত দৈত্যক মাৰিলা চিপি গল।
ভাঙ্গিলা অৰ্জ্জুন মাজে টানি উড়ুখল॥
অঘ বক ধেনুক কেশীৰ লৈলা প্ৰাণ।
গোপ গৰু বনাগ্নিত কৰিলাহা ত্ৰাণ॥ ৩৮১
কালিক দমিলা গৰ্ব্ব গুচাইলা ইন্দ্ৰৰ।
সাত দিন একে হাতে ধৰিলা মন্দৰ॥
ৰাখিলা গোকুল মহা বাত-বৃষ্টি হন্তে।
বঢ়াইবা যাদৱ বংশ এন্তে ভগৱন্তে॥ ৩৮২
এহিতো হৰ্সিত মুখ দেখি অনুক্ষণে।
এড়াইলা বিৰহ তাপ সুখে গোপীগণে॥
আনে শ্ৰেষ্ঠ এন্তে ৰাম কমললোচন।
প্ৰলম্ব প্ৰমুখ্যে মাৰিলন্ত দৈত্যগণ॥ ৩৮৩
এহিমতে লোকে যেবে কৰে গলাৰাৱ।
বাৱন্তে আছন্ত বাদ্য বঢ়ায়া উৎসৱ॥
শুনি নসহিল তাক চাণুৰ বিবুদ্ধি।
বুলিবে লাগিলা ৰাম কৃষ্ণক সম্বোধি॥ ৩৮৪
শুনি বাহু যুদ্ধত কুশল দুই ভাই।
দেখিবাক লাগি ৰাজা অনাইল মতাই॥
মহা হৰষিত মনে সবে গোপগণে।
মল্ল যুদ্ধ ক্ৰীড়ি গৰু চাৰি ফুৰা বনে॥ ৩৮৫

হেন জানি আসা তুমি আম্মি বন্ধ ধৰো ।
নৃপতিৰ প্ৰীতি সাধি মল্লযুদ্ধ কৰো ॥
সৰ্ব্বভূতময় ৰাজা শাস্ত্ৰত কহয় ।
ৰাজা তুষ্ট ভৈলে সৰ্ব্বজন তুষ্ট হয় ॥ ৩৮৬
শুনি কৃষ্ণে দিলা তাক উচিত উত্তৰ ।
ভোজ নৃপতিৰ আমি প্ৰজা বনচৰ ॥
তুল্যবল সহিতে ক্ৰীড়িবো যথোচিত ।
সাধিবো ৰাজাৰ যেন প্ৰীতি মনোনীত ॥ ৩৮৭
কৰিবোহো বাহুযুদ্ধ সমুচিত কৰ্ম্মে ।
তেবেসে নপাইব সভাসদক অধৰ্ম্মে ॥
কৃষ্ণৰ কিঙ্কৰে কহে ছাড়া আন কাম ।
পলাওক পাতক ডাকি বোলা ৰাম ৰাম ॥ ৩৮৮

ঘোষা ॥ ৰাম পাৱে কৰা ৰতি ।
ভাই ! ৰামৰ নামেসে গতি ॥ ৩১

পদ ॥ শুনিয়া চাণুৰে বোলে কৃষ্ণক ।
শুহিকা গোপাল তুমি বালক ॥
গজ সহস্ৰৰ বলে অধিক ।
মাৰিলা লীলায়ে হেন হস্তীক ॥ ৩৮৯
এহেন্তে ৰাম মহা বলীয়াৱ ।
মঞি সমে তুমি কৰা প্ৰহাৰ ॥
মুষ্টিক সহিতে যুজোক বল ।
আম্মাৰ শুহি হুয়ো মহামল ॥ ৩৯০

শুনি কৃষ্ণে কৰি নিশ্চিত মতি।
সমুখ ভৈলা চাণুৰক প্ৰতি ॥
মুষ্টিককো ধাইল ৰোহিণীসুত।
মিলিল মল্লযুদ্ধ অদভুত ॥ ৩৯১
হাতত হাতে মাল-বান্ধে বান্ধি।
দুই পাৱে দুই পাৱক ছান্দি ॥
আজোৰে অন্যো অন্যে বলে ধৰি।
মুষ্টিতে মুষ্টি মাৰে দৃঢ় কৰি ॥ ৩৯২
শ্ৰমে দুয়ো দুই জানুত হানে।
মুণ্ডত মুণ্ডে ঠেকা মাৰে টানে ॥
হিয়াত হিয়া মাৰে ঠাট কৰি।
আজুৰি নেয় কতো হাতে ধৰি ॥ ৩৯২
মাৰে গলদঙ্গা হুঁ হুঁ বুলি।
বাহুয়ে আটিয়া আছাৰে তুলি ॥
ছান্দিয়া হাতে পাৱে পড়ি দুই।
বাগৰ পাৰে একপিণ্ড হুই ॥ ৩৯৪
বান্ধৰ চোটে ভাঙ্গে কলেৱৰ।
এবায়া কতোহো হোৱে অন্তৰ ॥
ক্ৰোধে চক্ষু পকাই সঘনে চান্ত ॥
তৰ্জ্জন্ত গৰ্জ্জন্ত কামুৰি দান্ত ॥ ৩৯৫
বলী নিৰ্ব্বলীৰ যুদ্ধ দেখিয়া।
পুৰবাসী স্ত্ৰীৰ নসহে হিয়া ॥
অন্যো অন্যে বোলে ইটো অকৰ্ম্মে।
ৰাজসমাজকো পাৱে অধৰ্ম্মে ॥ ৩৯৬

ৰাজায়ো কৰাৰে অন্যায় যুদ্ধ ।
তাকো চাই আছে সবে অবোধ ॥
ইটো দুই মাল বজ্রৰ সাৰ ।
মাধৱ ৰাম অতি সুকুমাৰ ॥ ৩৯৭
নতু প্ৰৱেশন্ত যৌৱন কাল ।
আসম্বাক যুজে দুৰ্জ্জয় মাল ॥
সভাকো ধিক্কাৰ থাকোক আতি ।
কহয় কথা অন্যো অন্যে মাতি ॥ ৩৯৮
দেখিয়ো কৃষ্ণৰ বদন ইন্দু ।
ব্যাপিয়া আছে ধৰ্ম্মজল বিন্দু ॥
জ্বলে সমে যেন পঙ্কজ কোষ ।
যুজন্ত শত্ৰুক কৰি আক্ৰোশ ॥ ৩৯৯
কেহোজনী বোলে কিনো অসুখ ।
কিয়নো নোচোৱা ৰামৰ মুখ ॥
অৰুণ নেত্ৰ পঙ্কজৰ জ্যোতি ।
কৰিছা ক্ৰোধ মুষ্টিকক প্ৰতি ॥ ৪০০
কেহো বোলে সখী দেখিয়ো তুমি ।
ধন্য ধন্য সিটো বজ্ৰৰ ভূমি ॥
পুৰাণ পুৰুষ এহেন্তে হৰি ।
ফুৰন্ত যৈত নানা ক্ৰীড়া কৰি ॥ ৪০১
অৱতৰি বিষ্ণু আছা মহীত ।
ইহাঙ্কো মৰাৰে মাল সহিত ॥
ইটো সমাজক আছো ধিক্কাৰ ।
বোলা হৰি হৰি তৰা সংসাৰ ॥ ৪০২

ঘোষা ॥ ৰামেসে গতি ভজ মোক্ষ মতি,
ৰামেসে গতি ৰামেসে গতি ॥ ৩২

পদ ॥ অভাগী কিনো আম্মি সবে সখী।
যুদ্ধ সময়ত কৃষ্ণক দেখি ॥
কি পুণ্য কৰিলে ব্ৰজৰ নাৰী।
অনুক্ষণে দেখে হেন মুৰাৰি ॥ ৪০৩

যাহাৰ ৰূপৰ নাহি সমান।
অনুদিনে কৰে নয়নে পান ॥
মথন্তে দধিক দোহন্তে গাই।
কৰন্তে গৃহৰ কৃত্য সদায় ॥ ৪০৪

কৃষ্ণৰ গায়ে গুণ নাম গীত।
সততে কৃষ্ণত অৰ্পিয়া চিত্ত ॥
পৰে প্ৰেমভাৱে লোতক ঝৰি।
ধন্য ধন্য কিনো ব্ৰজ সুন্দৰী ॥ ৪০৫

প্ৰভাতে যাহন্তে ব্ৰজৰ হন্তে।
গৰু সমে সন্ধ্যা বেলা আসন্তে ॥
কৃষ্ণৰ বংশীৰ শুনন্তে ৰায়।
বঝায় গোপীসব আকুল ভায় ॥ ৪০৬

কৃষ্ণক দেখি মিলে মহাসুখ।
চাহয় ঈষত হসিত মুখ ॥
সদয় দৃষ্টি চান্ত বনমালী।
কতনো কৰিলে পুণ্য গোৱালী ॥ ৪০৭

শুনিয়া সবে সুৰস্ত্ৰীৰ বাণী।
দৈৱকী বসুদেৱ দুয়ো প্ৰাণী॥
নজানি দুয়ো তনয়ৰ বল॥
পুত্ৰশোকে দুয়ো ভৈল বিহ্বল॥ ৪০৮
ঝৰিয়া পড়ে নয়নৰ নীৰ।
জমক দেখি চিত্ত নোহে স্থিৰ॥
পুত্ৰক চাই কৰে হাহাকাৰ।
দেখে দুয়ো দশোদিশ আন্ধাৰ॥ ৪০৯
দেখিয়া ভকতৰ ভয়হাৰী।
শত্ৰু বধিবাক মনে মুৰাৰি॥
কৰিল নিষ্ঠুৰ প্ৰহাৰ ধাই।
মূৰ্চ্ছিত চাণুৰ চেতন নাই॥ ৪১০
সন্ধুকি যেন শেনগোট উঠি।
মাৰিলা কৃষ্ণক ঝাৰলে মুঠি॥
নটলিলা হৰি পায়া প্ৰহাৰ।
ধৰিলন্ত দুয়ো বাহুত তাৰ॥ ৪১১
তুলি উপৰক ফুৰাইল পাক।
আস্ফালিলা বলে মাটিত তাক॥
মুকুত কেশ হাড় বিহৰিল।
ইন্দ্ৰধ্বজ যেন চাণুৰ পড়িল॥ ৪১২
মুষ্টিককো ৰামে দিলা চাপৰ।
ৰুধিৰ ছাদি পীড়া পাইল বৰ॥
ভূমিত পড়িল প্ৰাণক ছাড়ি।
পাড়ে বৃক্ষ যেন বায়ু উভাড়ি॥ ৪১৩

আসিল দেখি আউৰ কূট নামে।
বাম মুষ্টি হানি মাৰিল ৰামে ॥
তোশল শল ধাইল ক্রোধ কৰি।
লাঠি হানি দুইকো বধিলা হৰি ॥ ৪১৪
চাণূৰ মুষ্টিক কূট তোশল।
মাৰিলা শলকো দেখি বিহ্বল ॥
আউৰ মল্ল ভয় হুয়া বড়।
প্ৰাণ ৰাখি সবে দিলা লৰৰ ॥ ৪১৫
দেখিয়া পাছে ৰাম কৃষ্ণ ৰঙ্গে।
আনিয়া গোপগণ লৈয়া সঙ্গে ॥
দেখায়া মল্লযুদ্ধ বিপৰীত।
নাচন্ত লোকৰো ৰঞ্জিয়া চিত ॥ ৪১৬
ৰুণ-ঝুণ কৰে নুপুৰ পাৱে।
উৎসৱ কৰি মল্ল বাদ্য বাৱে ॥
অঙ্গ ভঙ্গ কৰি তাহাৰ ছেৱে।
কৰন্ত নৃত্য আতি আদি দেৱে ॥ ৪১৭
দেখিয়া সমাজে তুলিল হাসি।
কৰে সাধুবাদ দাস্ত প্ৰকাশি ॥
সবে ৰঙ্গ ভৈল কংসত বাজে।
হৰি চৰিত্ৰক শুনা সমাজে ॥ ৪১৮
কেতিক্ষণ পৰা ধৰিলে কালে।
মনুষ্য জন্ম নেনা আলে জালে ॥
শঙ্কৰে কহে এড়া আন কাম।
স্মৰিয়ো ঘনে ঘনে ৰাম ৰাম ॥ ৪১৯

ঘোষা ॥ এ হাৰ ৰাম নিৰঞ্জন যদুপতি।
তুমিসি মাধৱ মোৰ অগতিৰ গতি ॥ ২৩

পদ ॥ আৱিলন্ত কৃষ্ণে যেবে বৰ বৰ মাল।
মল্লবাদ্য বাইবে নিষেধিলা কংস কাল ॥
বল্কিবে লাগিল মহাক্রোধে অন্ধ হুই।
কিনো অসজ্জন বসুদেৱসুত দুই ॥ ৪২

নগৰৰ বাজ কৰি খেদায়ো আমাৰ।
দুষ্ট বসুদেৱক সত্বৰ কৰি মাৰ ॥
গোৱালৰ ধনক আগ্রহি সবে লৈয়ো।
দুৰ্ম্মতি নন্দক লোহা লগাই বান্ধি থৈয়ো ॥ ৪২১

পিতৃ উগ্রসেনক সত্বৰে মাৰ নিয়া।
নাৰাখিবি যত আৰ আছে লগৰীয়া ॥
শুনি কদৰ্থনা বাণী কৃষ্ণ কৃপাময়।
জ্বলি গৈল ক্রোধে আতি নসহে হৃদয় ॥ ৪২২

লঘিমা গুণক আশ্রইলা কৃষ্ণদেৱে।
কংসৰ উচ্ছ্রিত মঞ্চে উঠিলন্ত ডেৱে ॥
দেখি কংস আসনৰ উঠি তাৎক্ষণে।
ধৰিলেক খাণ্ডা বাৰু যুজিবাক মনে ॥ ৪২৩

বাৰুক জঙ্কাৰে লুম্ফি ফুৰাৱে খাণ্ডাক।
যেন শেনগোটে আকাশত ফুৰে পাক ॥
অচিন্ত্য মহিমা হৰি লীলায়ে হাসিয়া।
আলগতে কংসক ধৰিলে চাম্প দিয়া ॥ ৪২৪

ঘুচিল প্ৰভাৱ তাৰ হত ভৈল দৰ্প।
গৰুড়ৰ হাতে যেন বন্দী ভৈল সৰ্প॥
কিৰীটি সহিতে তাৰ ধৰিয়া চুলত।
ভূমিতে পাড়িয়া উঠিলাহা উপৰত॥ ৪২৫
জগতৰ ভৰত মৰিল কংসৰায়।
চুলে ধৰি সমাজত ফুৰাইল ষষাই॥
হস্তীক আঝোৰে যেন মত্ত সিংহৰাজে।
দেখি হাহাকাৰ কৰে সকল সমাজে॥ ৪২৬
পিয়ন্তে বোলন্তে সিটো পথত ভ্ৰমন্তে।
নিশ্বাস কাঢ়ন্তে নিশা শয়ন কৰন্তে॥
ভয়তে আগতে দেখে কৃষ্ণক সদায়।
সিহেতু কৃষ্ণৰ ৰূপ পাইলে কংসৰায়॥ ৪২৭
কঙ্ক আদি কৰিয়া কংসৰ আঠ ভাই॥
ভাইৰ মান সাধো বুলি ক্ৰোধে গৈলা ধাই॥
পৰিঘে মাৰিলা কোবাই ৰঙ্গে হলধৰে।
পৰ্ব্বত পশুক যেন মাৰিলা শঙ্কৰে॥ ৪২৮
আকাশক ছানি বায়ে দেৱৰ দুন্দুভি।
ব্ৰহ্মা আদি দেৱে পুষ্প সিঞ্চিলা সুৰভি॥
বুলিলা প্ৰশংসা বাণী আকাশৰ পৰা।
উৎসৱে নাচিবে লৈল যতেক অপ্সৰা॥ ৪২৯
ৰাজ-নাৰী নিৰন্তৰে বঝাইলা কান্দন্তে।
হা স্বামী! বুলি আতি হিয়া থাকুৰন্তে॥
স্বকী স্বকী স্বামীক আলিঙ্গি কান্দে ধৰি
নয়নৰ লোতক ধাৰায়ে পড়ে ঝৰি॥ ৪৩০

তাসম্বাক কৃষ্ণে আশ্বাসিয়া পঠাই ঘৰ।
কৰাইল কংসৰ প্ৰেতকাৰ্য্য নিৰন্তৰ॥
অনন্তৰে ভগৱন্ত ভকতৰ গতি।
পাতিলন্ত নিয়া উগ্ৰসেনক নৃপতি॥ ৪৩১
ছোড়িলা বন্ধন হৰি পিতৃৰ মাতৃৰ।
কৰিলা বন্দন দুইকো পাৱে ছুইয়া শিৰ॥
ভকত বৎসল হেন লোকক দেখাই।
বোলা হৰি হৰি তৰা পাতক খেদাই॥ ৪৩২

কংস-বধ সমাপ্ত

চতুৰ্দ্দশ ভাগ

# গোপী-উদ্ধৱ সংবাদ

ঘোষা ॥ মাধৱ মধুসূদন ৰাম।
ভকত বৎসল কৰো প্ৰণাম ॥ ১

পদ ॥ বিৰহে আকুল গোপীক জানি।
উদ্ধৱক মাতি বুলিলা বাণী ॥
আমাৰ পৰম তুমি ভকত।
যায়ো গোকুলক চড়ি ৰথত ॥ ১
বচন সন্দেশ গোপীক কই।
প্ৰবোধ দিবা কতো দিন ৰই ॥
গৈলন্ত উদ্ধৱ গোপনগৰী।
আদৰিলা নন্দে আতি সাদৰি ॥ ২
যশোদা কান্দন্ত কৃষ্ণক স্মৰি।
চক্ষুৰ লোহ পড়ে সৰসৰি ॥
সোধন্ত ৰাম মাধৱৰ কথা।
এড়িলন্ত কৃষ্ণে আমাৰ বেথা ৩
মাৱ বাপ পাই নাইলা হুনাই।
আমাক কৰিল অনাথ প্ৰায় ॥
এহি বুলি দুয়ো কান্দন্ত আতি।
উদ্ধৱে প্ৰবোধ দিলন্ত মাতি ॥ ৪

দেখিবা কৃষ্ণক নকৰা খেদ।
কৰিব হৰি দুঃখ পৰিচ্ছেদ॥
উদ্ধৱৰ বোলে দুয়ো জুড়াইল
কৃষ্ণৰ কথাতে ৰাতি পুহাইল॥ ৫
গোপীগণো আতি ব্যাকুল চিত্ত।
গায়ে উজাগৰে কৃষ্ণৰ গীত॥
কাহাৰো হৰি বিনা নাহি স্বস্থ।
ওলায়া দেখে সুৱৰ্ণৰ ৰথ॥ ৬
কোন আসিআছে নন্দৰ পুৰ।
জোনো কংসদূত আইল অক্ৰুৰ॥
নিলেক কমললোচন স্বামী।
যাহাৰ বিৰহে মৰোহো আমি॥ ৭
ইবাৰ কিবা মাংস নেয় কাটি।
মৰিল কংস দিবে পিণ্ড বাটি॥
ডাকিয়া পাৰে অক্ৰূৰক গালি।
হা হৰি বুলি কান্দে গোৱালী॥ ৮
দেখিলা সবে উদ্ধৱক পাছে।
ৰূপে মনোহৰ জ্বলন্তে আছে॥
আজানুলম্বিত বাহু দুখান।
নৱ পদ্ম যেন জ্বলে লোচন॥ ৯
গায়ে পীতবস্ত্ৰ কৰ্ণে কুণ্ডল।
পদ্ম সম শোভে মুখ মণ্ডল॥
গলত জ্বলে নৱ পদ্ম-মালা।
বিস্ময় ভৈলা যত গোপবালা॥ ১০

ইটো কোনজন হৰিৰ বেশ।
জোনো আসিয়াছে কৃষ্ণ সন্দেশ॥
বিৰলে নিয়া উদ্ধৱক মাতি।
বেঢ়িয়া বসিল সমাজ পাতি॥ ১১
জানিলো তুমি মুখ্য হৰিদাস।
পঠাইলা পিতৃ মাতৃৰ পাশ॥
মুনিৰো দুস্ত্যজ বন্ধুৰ স্নেহ।
জানো আনি আছা কৃষ্ণ সন্দেশ॥ ১২
মুহি গোকুলক স্মৰিবা কেনে।
পুষ্প চুম্বি এড়ে ভ্ৰমৰে যেনে॥
স্ত্ৰীতো তেনে পুৰুষৰ চিত্ত।
বুজিলো কৃষ্ণৰ আমি ইঙ্গিত॥ ১৩
এড়িলা স্নেহ প্ৰভু সমুদায়।
মথুৰা নগৰী সুন্দৰী পাই॥
এহি বুলি সবে লজ্জাক এড়ি।
কান্দন্ত কৃষ্ণৰ গুণ সুমৰি॥ ১৪
কৃষ্ণক লাগি আতি প্ৰেমভাৱে।
কৃষ্ণৰ সবে গুণগীত গাৱে॥
কৃষ্ণতে সবে নিমজাইল মন।
কাহাৰো গাৱত নাহি চেতন॥ ১৫
উদ্ধৱে গোপীৰ দেখিয়া ভাৱ।
বিস্ময় হুয়া শিহৰাইল গাৱ॥
নন্দৰ ব্ৰজে যত গোপীজাক।
শিৰে বন্দো তান পদধূলাক॥ ১৬

ৰাত্রি দিনে গায়ে হৰি চৰিত্র।
তিনিয়ো লোকক কৰে পবিত্র॥
বোলন্ত অনেক প্রবোধ বাক।
ক্রন্দন আবে এড়া গোপীঝাক॥ ১৭
কিনো তোৰাসবে কৰিলা পুণ্য।
সদায়ে গোৱা গোবিন্দৰ গুণ॥
হৰিত মজিল আতি হৃদয়।
কিনো তোমাসাৰ ভাগ্য উদয়॥ ১৮
হৰিৰ অৰ্থে পতি পুত্র এড়ি।
কৰিলা পূজা যেন সবে চেড়ী॥
জানিলো সংসাৰ তৰিলা সুখে।
বৰ্ণাইবো আৰ কত মোৰ মুখে॥ ১৯
কহিলা কৃষ্ণৰ সন্দেশ বাক।
জুড়াইল শুনি সবে গোপীঝাক॥
উদ্ধৱত কথা সোধে দুনাই।
সুখে কি আছন্ত কৃষ্ণ গোসাই॥ ২০
আমাৰ কথা কি পৰে মনত।
যেন ক্রীড়া ৰাত্রি ভৈল বনত॥
আৰ কি আসিব নন্দৰ পুৰ।
কৈসানি দেখিবো মুখ প্রভুৰ॥ ২১
পড়িল কান্দন্তে চক্ষুৰ পানী।
উদ্ধৱে প্রবোধি বুলিলা বাণী॥
এড়া অনুশোচ দেখিবা হৰি।
ৰাম বুলি যায়ো সংসাৰ তৰি॥ ২২

শুনা সৰ্ব্বজন কৃষ্ণৰ বাণী।
ভক্তক স্নেহ কৰা চক্ৰপাণি॥
কামাতুৰ ভাৱে ভজিয়া হৰি।
এতেকে তৰিল গোপৰ নাৰী॥ ২৩
তাহাঙ্ক সান্ত্বনা কৰাইলা পাছে।
ভক্তৰ ইষ্ট কোন দেৱ আছে॥
আলাস ত্যজিয়া ভজিয়ো হৰি।
সমস্ত নৰে ডাকি বোলা হৰি॥ ২৪

গোপী-উদ্ধৱ সংবাদ সমাপ্ত॥

পঞ্চদশ ভাগ

# কুঁজীৰ বাঞ্ছা-পূৰণ

ঘোষা ॥ প্ৰণামো বান্ধৱ মাধৱ ৰাম
তুমি অগতিৰ গতি।
ছাড়ে জোনোমোৰ মুখে নাৰায়ণ
তোমাৰ চৰণে ৰতি ॥ ১

পদ ॥ শুক নিগদতি শুনা কুৰুপতি
কৃষ্ণৰ মনুষ্য লীলা।
গোপিকাক শান্ত কৰি মথুৰাক
উদ্ধৱ যেবে আসিলা ॥
মদনে দগধ সৈৰিন্ধ্ৰীক দেখি
পাছে হৰি অন্তৰ্য্যামী।
উদ্ধৱ সহিতে তাইৰ মন্দিৰক
লড়িলা জগত স্বামী ॥ ১
সৈৰিন্ধ্ৰীৰ সিটো বিচিত্ৰ মন্দিৰ
সূৰ্য্য যেন কৰে কান্তি।
স্বৰ্ণ আসনে ৰঞ্জিত ভাজনে
প্ৰকাশে প্ৰদীপ পান্তি ॥
স্বৰ্ণ খাটত বিছাই হংস তুলি
পুষ্প সিঞ্চি আছে ছানি।
মুকুতা মুৰালি খোপা আৰি চাৰু
চন্দ্ৰতাপ আছে টানি ॥ ২

মলয় চন্দন সুগন্ধিত ঘ্ৰাণ
মালতী চম্পা শিৰীষ।
অগৰু ধূপৰ ধুম্ৰে আমোদিত
বাসয় দিশ বিদিশ॥
চৌপাশে পুতলা লিখিছে বাৰত
কৰন্তে আছে সুৰত।
যাক দেখি হোৱে কামী পুৰুষৰ
কামে চিত্ত উনমত্ত॥ ৩
হেন মন্দিৰৰ মধ্যত সুন্দৰী
বসিয়া আছে আসনে।
চৌপাশে বেড়িয়া সেৱা কৰি আছে
সালঙ্কৃতা দাসীগণে॥
কৃষ্ণকেসে মনে চিন্তি আছে আতি
কেতিক্ষণে পাইবো বুলি।
সেহি বেলা আসি মাধৱো মিলিল
দেখিলেক মাথা তুলি॥ ৪
উল্লাসি উৎসৱে আগবাঢ়ি গৈলা
সখীগণ লৈয়া সঙ্গে।
আসনে বৈসাই সাদৰে কৃষ্ণক
পূজিল যুৱতী ৰঙ্গে॥
উদ্ধৱক আতি সতকাৰ কৰি
আসন দিলা বঢ়াই।
আসনক মান্য কৰি হাত দিয়া
বসিলা মাটিতে যাই॥ ৫

মনুষ্য চেষ্টাক দেখাই কৃষ্ণে পাছে-
শয্যাত ভৈলা প্ৰবেশ।
সৈৰিন্ধ্ৰীয়ো আনি দিব্য অলঙ্কাৰ
পিন্ধিল বস্ত্ৰ বিশেষ ॥
মধুপীয়া গন্ধে চন্দনে কুঙ্কুমে
ভূষিত কৰিয়া লাস।
কৰ্পূৰ তাম্বুল ভুঞ্জি অনুৰাগে
চাপিলা কৃষ্ণৰ পাশ ॥ ৬
কটাক্ষ ছটায়ে কৃষ্ণক চাহিয়া
হাসিয়া লাজে নমাতে।
আইস বুলি কৃষ্ণে কঙ্কণে ভূষিত
কৰত ধৰিয়া হাতে ॥
শয্যাক আনিয়া অশেষ ক্ৰীড়িলা
কৃষ্ণে পূৰি তাইৰ মতি।
চন্দন অৰ্পণ পুণ্যেসে পাইলন্ত
ঈশ্বৰ কৃষ্ণক পতি ॥ ৭
কৃষ্ণৰ চৰণ ধৰি ঘনে ঘন
শুঙ্গয় এড়িয়া ব্ৰীড়া।
হৃদয় স্তনত চক্ষুত ঘষিয়া
এড়াইলা মদন পীড়া ॥
আনন্দ মূৰ্ত্তিক দুইহাতে হিয়াত
আলিঙ্গি ভৈল নিষ্পাপ।
মোক্ষতো অধিক আনন্দ মিলিল
তৰিল সংসাৰ তাপ ॥ ৮

দুৰ্লভ কৃষ্ণক পতি পাই তাই
আগত কৰে গোচৰ।
দিনা কতিপয় থাকা নাথ ঐত
চৰণে কৰো কাতৰ॥
তযু অঙ্গ সঙ্গ এড়িবে নপাৰো
আপুনি মুহিলা চিত্ত।
কৃষ্ণে তাইক পাছে সম্মান কৰিয়া
পূৰিয়া মন বাঞ্ছিত॥ ৯
বস্ত্র অলঙ্কাৰে দিয়া মন তুষি
সৈৰিন্ধ্রীক হৰি ৰঙ্গে।
আপোন গৃহক চলি গৈলা পাছে
উদ্ধৱক লৈয়া সঙ্গে॥
কৃষ্ণৰ কিঙ্কৰে ৰচিলা শঙ্কৰে
শুনিয়োক সবে নৰ।
অতি অল্প সেৱা মাত্রকে সন্তোষ
হোৱয় কৃষ্ণ ঈশ্বৰ॥ ১০
চন্দন অৰ্পণ বিনে কুবুজাৰ
আন কিছু পুণ্য নাই।
এতেকতে কেন দেখিয়ো পৰম
প্রসাদ পাইলেক তাই॥
যিটো অনুক্ষণে শ্রৱণে কীৰ্ত্তনে
ভজে একচিত্ত কৰি।
তাহাৰ ভাগ্যক কহন নযায়
ডাকি বোলা হৰি হৰি॥ ১১

**কুব্জীৰ বাঞ্ছা পূৰণ সমাপ্ত**

ষষ্ঠদশ ভাগ

## অক্রূৰৰ বাঞ্ছা পূৰণ

ঘোষা ॥ গোপাল কৃপাল পালিয়ো ৰাম
পাপ-পয়োধিত মৰো।
ইজন্মত নাথ নভৈল ভকতি
পাতকী কিমতে তৰোঁ॥ ১

পদ ॥ আত অনন্তৰে ৰাম উদ্ধৱক
কৃষ্ণে লৈয়া দুইকো সঙ্গে
অক্রূৰৰ প্ৰীতি সাধিবাক প্ৰতি
লড়িলা মনত ৰঙ্গে॥
তিনি নৰোত্তম বান্ধৱ পৰম
আসন্ত দেখি অক্রূৰে।
পৰম আনন্দে আলিঙ্গিয়া আগ-
বাঢ়িলা আসি সাদৰে॥ ১
ৰামক কৃষ্ণক পড়ি প্ৰণমিলা
তাঙ্কো প্ৰণমিলা দুই।
আসনে বৈসাই তিনিকো অৰ্চ্চিলা
অক্রূৰে বিস্ময় হুই॥
দোভাইৰ পাৱক পখালি শিৰত
লৈয়া পাদোদক জল।
গন্ধে পুষ্পে ধূপে বসনে পূজিয়া
কৰিলা জন্ম সাফল॥ ২

পৰম সাদৰে কৃষ্ণৰ চৰণে
কোলাত লৈয়া ঝান্তিলা।
প্ৰণতি পূৰ্ব্বকে স্তুতি কৰিবাক
অক্রূৰে পাছে লাগিলা॥
সাধিলা আনন্দ কিনো নাৰায়ণ
সবান্ধৱে বধি কংস।
দুঃখৰ উদ্ধাৰ কৰি পুনৰপি
বঢ়াইবাহা যদুবংশ॥ ৩
তোমাৰ ভকতি পথক পাষণ্ডে
কৰয় যেবে উচ্ছন।
সন্তৰ ৰক্ষাৰ হেতু অৱতাৰ
হোৱা তেবে নাৰায়ণ॥
সম্প্ৰতি আপুনি বসুদেৱ গৃহে
ৰাম সমে অৱতৰি।
দুৰ্জ্জন ৰাজাক বধিয়া মাধৱ
উদ্ধাৰিলা বসুন্ধৰী॥ ৪
আজি মোৰ গৃহ তীৰ্থতো অধিক
পৱিত্ৰ ভৈল অশেষ।
যিহেতু সাক্ষাতে জগতৰ গুৰু
আপুনি ভৈলা প্ৰবেশ॥
কোননো পণ্ডিতে এড়িয়া তোমাক
আনক ভজিবে যায়।
ভকত জনক আপোনাকো দিয়া
জানো ইটো অভিপ্ৰায়॥ ৫

ভকতেসে প্ৰভু তোমাৰ বান্ধৱ
দিয়া মনোৰথ সিদ্ধি।
ব্ৰহ্মাৰ দুৰ্ল্লভ তোমাক দেখিলো
কিনো সুপ্ৰসন্ন বিধি॥
সুত বিত্ত দাৰা বিষয় জঞ্জাল
ছিণ্ডা মোৰ মোহজৰী।
তোমাৰ চৰণে নিতান্তে চিন্তিয়া
ফুৰো কৃপা কৰা হৰি॥ ৬
অনেক ভকতি কৰিলন্ত স্তুতি
নয়নৰ পৰে পানী।
অক্ৰূৰৰ মন মোহি হৰি পাছে
হাসিয়া বুলিলা বাণী॥
তুমি গুৰু পিতৃ সুহৃদ আমাৰ
আমি তযু পুত্ৰচয়।
ৰক্ষণ পোষণ কৰিবা সদায়
আমাত হুয়া সদয়॥৭
যত নদী নদ সিও তীৰ্থ হয়
শিলাৰ প্ৰতিমা দেৱ।
তেসম্বে পৱিত্ৰ কৰে ঘেৰে পুনু
বহুকালে কৰে সেৱ॥
দেখিল মাত্ৰকে ভকতে পৱিত্ৰ
কৰে লোক নিৰন্তৰ।
দেৱে তীৰ্থে জানা ভকত জনৰ
অনেক হোৱে অন্তৰ॥৮

হেনয় পৰম বন্ধুজন তুমি
সুহৃদতে সাৰতৰ।
হস্তিনাপুৰৰ পৰা পাণ্ডৱৰ
বাৰ্ত্তাক আনা সত্বৰ॥
মৰিলন্ত পাণ্ডু পাঞ্চ পুত্ৰ সমে
কুন্তী ভৈলা দুঃখভাগী।
ধৃতৰাষ্ট্ৰে বোলে আনিল শুনিলো
হস্তিনাপুৰক লাগি॥৯
পাণ্ডৱক পুনু হিংসা কৰে ৰাজা
আপোন পুত্ৰ নিদান।
যেন ভাল মন্দ জানি আসা খুড়া
সাধিবো মই কল্যাণ॥
অক্ৰূৰক হেন প্ৰবোধ বুলিয়া
প্ৰণয়ে ৰঞ্জিয়া চিত্ত।
আপোন গৃহক চলি গৈলা পাছে
উদ্ধৱ ৰাম সহিত॥১০
তাহান চৰণে ভকতি কৰিলে
সিজিবে সমস্তে কাম।
হৰিসে পৰম বান্ধৱ জানিয়া
লৈয়ো তান সদা নাম॥
শুনা সৰ্ব্বজন কেদিন জীৱন
তথাপি মুগুণা মনে
হেন জানি কৃষ্ণ চৰণে শৰণ
লৈয়ো অকপট মনে॥১১

তাহন্ত বিনে আন ব্ৰহ্মাণ্ড মধ্যত
তাৰন্তা নাহিকে কেৱ।
জানি তানে সদা গুণ-নাম গায়া
কৃষ্ণক কৰিয়ো সেৱ ॥
কৃষ্ণৰ কিঙ্কৰে কহয় শঙ্কৰে
নেড়িবা মুখত নাম।
আলজাল এড়ি সমজ্যায়ে বেড়ি
ডাকি বোলা ৰাম ৰাম ॥১২

ইতি—অক্ৰূৰৰ বাঞ্ছা পূৰণ সমাপ্ত ॥

## সপ্তদশ ভাগ

# জৰাসন্ধৰ যুদ্ধ

—※※—

ঘোষা ॥ নমো দামোদৰ হৰি।
নিয়োক দাস উদ্ধাৰি ॥ ১

পদ ॥ বোলন্ত শুকে শুনা পৰীক্ষিত।
কহিবো কৃষ্ণৰ আৰো চৰিত ॥
মৰিল কংস তাৰ ভাৰ্য্যা দুই।
পিতৃ-গৃহে গৈল বিধবা হুই ॥ ১
শুনিয়ো পিতৃ কি কহিবো আমি।
মাৰিলন্ত কৃষ্ণে আমাৰ স্বামী ॥
শুনি জৰাসন্ধে ক্রোধিল আতি।
তেইশ অক্ষৌহিনী সাজি পদাতি ॥ ২
বেঢ়িল চতুৰ্ভিতি মথুৰাক।
দেখি ভয় ভৈল যাদৱ-ঝাক ॥
নৰ-নাৰীগণো আসি লৰড়ি।
সেনাক চাৱে ৰণ চাঙ্গে চড়ি ॥ ৩
সাগৰ-সঙ্কাশ দেখি পদাতি।
ত্রাসতে কম্পিল হৃদয় আতি ॥
বুলিলা মাধৱে নির্ভয় বাণী।
কৰিলা আলোচ জ্ঞাতিক আনি ॥ ৪

কৃষ্ণৰ বাক্যে সবে ভৈল স্বস্থ ।
বৈকুণ্ঠৰপৰা নামিল ৰথ ॥
আইল অস্ত্রচয় চক্র প্রমুখ্যে ।
কৃষ্ণক নমিলা আসি দাৰুকে ॥৫
পড়িল লাঙ্গল মূষল বাণ ।
কৰিলা দোভায়ে পাছে প্রয়াণ ॥
ৰথে চড়ি কৃষ্ণে বেগে বজাইল ।
শৰ কৰি শত্রু-সেনা ভঙ্গাইল ॥৬
কাটিলা ৰথ হস্তীপতিচয় ।
শোণিতে নদী প্রবহাইলা তয় ॥
পৰম লীলায়ে শত্রু সংহৰি ।
ফুঙ্কিল পাঞ্চজন্য উচ্চ কৰি ॥৭
পাছে বলো ঘোৰ সমৰ কৰি ।
মাগধ-ৰাজাক জীৱন্তে ধৰি ॥
মাৰিবাক চান্ত কোবাই সমূলি ।
বাধিলা কৃষ্ণে আক ৰাখা বুলি ॥৮
কৃষ্ণৰ বচনে ৰাখিলা কন্ধ ।
দেশক পাছে গৈল জৰাসন্ধ ॥
নযায় মুপুহায় কৃষ্ণত হাৰি ।
আনিলা সবে ৰাজ হাঙ্কাৰি ॥৯
দড়ায়া আপোনাক মাস তিনি ।
লড়িল সাজি তেইশ অক্ষৌহিনী ॥
বেঢ়িল গৈয়া ছুনাই মথুৰাক ।
যমুনা তীৰে বৈল ৰাজা-ঝাক ॥১০

কাঠ-গড় বান্ধি বহিল ৰাতি ।
নাচে গাৱে ৰঙ্গে যত পদাতি ॥
মাধৱে পাছে সবে বাৰ্ত্তা পাইল ।
দুনাই যুজিবাক মাগধ আইল ॥১১
যদু বীৰগণো আনিলা মাতি
আলোচন্ত কৃষ্ণে সমস্তে ৰাতি ॥
আপোন সেনা তিনিভাগ কৰি ।
নিয়োজিলা সবে বীৰক হৰি ॥১২
সাৰণ গদক বলো দদাক ।
পঠাইলা বাম পাশে যুজিবাক ॥
উদ্ধৱ সাত্যকি অনেক ৰথে ।
বেঢ়িলে সেনাক দক্ষিণ পথে ॥১৩
কতো সেনা লৈয়া কৃষ্ণে আটোপে ।
সম্মুখে মাগধক ধাইলন্ত কোপে ॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে ।
বোলা হৰি হৰি সমস্ত জনে ॥১৪

ঘোষা ॥ এ হৰি নাৰায়ণ মাধৱে গতি ।
কৃষ্ণৰ চৰণে মোৰ নছাড়োক মতি ॥২

পদ ॥ মাগধ ৰাজাৰ সেনা সাগৰ সঙ্কাশ ।
সুখে বহি পায়া আছে পথত প্ৰয়াস ॥
কতো হাসে মাতে কতো আছে নিদ্ৰাপৰি
হয় হস্তী ৰথ বান্ধি আছে সাৰি সাৰি ॥১৫

নাহি যুদ্ধ সাজ হয়-হস্তীৰ পিঠিত ।
নতু আনি জোড়ে ঘোড়া ৰথ যুঁৱলিত ॥
শুদা হাতে বসি আছে যত ৰাজাচয় ।
সিবেলাত নতু হোন্ত আদিত্য উদয় ॥১৬
হেন ঊষা সময়ত পাছে যদুৰায় ।
পশিলা সেনাৰ মাঝে নিশান কোবাই ॥
সিংহ-নাদ কৰি হৰি ধনুক টঙ্কাৰি ।
বৰষিলা দিব্য অস্ত্ৰচয়ক মুৰাৰি ॥১৭
কালান্তক সম দেখি কৃষ্ণক প্ৰত্যেক ।
থকবক কৰে আতি নৃপতি যতেক ॥
নাহি স্মৃতি বুদ্ধি চাৰে উলটি পালটি ।
মাধৱৰ শৰে আসি ফুটে চটচটি ॥১৮
বাম পাশে খেদি আসি বলো মহাবলী ।
শত্ৰুৰ সেনাক সবে লইযান্ত নিডলি ॥
সাত্যকি দক্ষিণ পথে আসি দিলে ধাৰ ।
কৰিবাক লাগিলা শত্ৰুক বুন্দামাৰ ॥১৯
কৰন্ত ক্ৰন্দন আতি তিনি ভিতি বেঢ়ি ।
মহাভয়ে কতো সেনা পলায় ৰণ এড়ি ॥
কতো প্ৰাণ ছাৰি পৰে পৃথিবীত ঢলি ।
শত্ৰুক সন্মুখ হুয়া ধাৰে কতো বলী ॥২০
ৰাজাগণে দেখে সেনা বিভঙ্গে ভাগিল ।
অনা যুদ্ধ কাছে ৰণ কৰিবে লাগিল ॥
কতো বাসা এড়ি পলাই পশিলা বনত ।
ত্ৰাহি বুলি পড়ে কতো কৃষ্ণৰ আগত ২১

যিটো ৰাজাগণে আগ বাঢ়ি দিলে ৰণ।
তাৰ স্কন্ধ ছেদ কৰিলন্ত নাৰায়ণ ॥
মাগধৰ সেনাগণ সাগৰ সঙ্কাশ।
ক্ষণেকে ভাগিল সবে হুয়া মহাত্রাস ॥২২
বলভদ্র সাত্যকি মাধৱ মহাৰথ।
খেদিলে পাছত পাঞ্চ প্রহৰৰ পথ ॥
হয় হস্তী ৰথ ৰত্ন লাগে মানে পাইল।
মথুৰাত নিয়া যদুৰাজাত যোগাইল ॥২৩
মাধৱত যুদ্ধ হাৰি জৰাসন্ধ নৃপ।
ৰাজাগণ সমে গৈল বাণৰ সমীপ ॥
প্রাণ-মিত্র বুলি বাণে কৰিলা সৎকাৰ।
জৰাসন্ধে নিবেদিল দুঃখ আপোনাৰ ॥২৪
শুনা দৈত্য-পতি কিনো ভৈলা বিসঙ্গতি।
ৰাত্রি চুৰি কৰি আসি গোপাল দুর্ম্মতি ॥
জিনিয়া খেদিলা মোক বহু দূৰ পথ।
নিলেক মোহোৰ সবে হয় হস্তী ৰথ ॥২৫
তোমাৰ পাশক আইলো শুনা দৈত্য-ৰায়।
কৃষ্ণক যুজিবে মোৰ হুয়োক সহায় ॥
তুমি সম প্রাণমিত্র নাহিক আমাৰ।
কৃষ্ণ শত্রু সাগৰত কৰা মোক পাৰ ॥২৬
কৃষ্ণৰ কিঙ্কৰে গীত ভণিল শঙ্কৰে।
নাহি আন ধর্ম্ম আৰ কীর্ত্তনত পৰে ॥
শুনা সর্ব্বজন আৰ কেদিন জীৱন।
বোলা হৰি হৰি আছে যাৱত চেতন ॥২৭

ঘোষা ॥ ৰাম হৰি ৰাম হৰি ৰাম হৰি ৰাম।
নমো ৰাম হৃষীকেশ হৃষীকেশ হৰি ॥৩

পদ ॥ পাছে বলি-সুত বাণ।
দিলা হেন সম্বিধান ॥
মোৰ যত ৰাজ্য-ভাৰ।
তোমাৰেসে অধিকাৰ ॥২৮
এহি বুলি দৈত্য-পাত।
অসংখ্যাত হয়-হস্তী ॥
দিলে দৈত্য সেনা ৰথ।
পূৰি তাৰ মনোৰথ ॥২৯
সিটো সেনা লৈয়া সঙ্গে।
মাগধ চলিলা ৰঙ্গে ॥
ৰথ ধ্বজ গজ বাজী।
পৰম প্ৰাৰম্ভে সাজি ॥৩০
লগে গৈয়া সেনা-জাক।
বেঢ়িলেক মথুৰাক ॥
ধৰ মাৰ কৰে ৰোল।
বাৱে বেঢ়ি ঢাক ঢোল ॥৩১
মথুৰাবাসীৰ ভয়।
দেখি কৃষ্ণ কৃপাময় ॥
বীৰগণ কৰি সাজ।
নগৰৰ ভৈল বাজ ॥৩২
বলভদ্ৰে ক্ৰোধি-বাগি।
ধাইলা মাগধক লাগি ॥

কৰিলা দুৰ্ঘোৰ ৰণ ।
সংহৰিলা বৈৰগণ ॥৩৩
যত আইল ৰাজা-জাক ।
একলে গোপাল তাক ॥
মাৰিলা সমৰ মাজে ।
হত ভৈল সামৰাজে ।৩৪
বলভদ্রে জৰাসন্ধে ।
যুজিলন্ত মাল-বন্ধে ॥
প্ৰহাৰে অনেক ভাৱে ॥
ছান্দি ধৰি পাৰে পাৰে ॥৩৫
পাছে বলো সন্ধুকিয়া ।
মাগধক আস্ফালিয়া ॥
এড়াইলা উলটা বন্ধে ।
লাঙ্গল ভেজাইল কন্ধে ॥৩৬
আজুৰি আনিয়া কাছে ।
মুষল উচ্ছায়া পাছে ॥
মুণ্ড ভাঙ্গিবাক চান্ত ।
সেহি বেলা শুনিলন্ত ॥৩৭
পড়িল আকাশী বাক
নমাৰা নমাৰা আক ॥
শুনি বলো সৰ্ব্বজান ।
ৰাখি মাগধৰ প্ৰাণ ॥৩৮
এড়িলা দাৰুণ যুদ্ধ ।
ৰথে চড়ি হলাযুধ ॥

কৃষ্ণে সমে লড়ি গৈলা।
মথুৰাত প্ৰবেশিলা॥ ৩৯
এহিমতে ৰাম-হৰি।
বিপক্ষক ক্ষয় কৰি॥
যত পাইলা অলঙ্কাৰ।
কিৰীটি কুণ্ডল হাৰ॥৪০
যাদৱ ৰাজাক দিলা।
মনুষ্যৰ দেখাই লীলা॥
কৰিলন্ত ক্ৰীড়া হৰি।
ভকতৰ প্ৰীতি কৰি ৪১
পাছে জৰাসন্ধ ৰাজা।
যুদ্ধ হাৰি হুয়া লজ্জা॥
দেশে গৈলা অধোমুখে।
নযায় নুপুহায় দুঃখে॥৪২
দুনাই দুনাই দেয় ধাৰ।
হাৰিলা সতেৰ বাৰ॥
তথাপি নভৈল লজ্জা।
আৰকা যোৱাৰে প্ৰজ্ঞা॥ ৪৩
সাধিবো ইবাৰ জয়।
এহি বুলি দুৰাশয়॥
সাজে চতুৰঙ্গ দল।
নজানে কৃষ্ণৰ বল॥৪৪
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে॥

মাধৱৰ জন্ম কৰ্ম্ম ।
আতপৰে নাহি ধৰ্ম্ম ॥৪৫
অদ্যাপি নুপজে বুদ্ধি ।
কলিযুগে মহৌষধি ॥
কৃষ্ণ ৰাম নাম বাণী ।
কেনে হেলা কৰা জানি ॥৪৬
যত মহা যজ্ঞ দান
তপ জপ তীৰ্থ-স্নান ॥
কেহো নোহে আক সৰি ।
ডাকি বোলা হৰি হৰি ॥৪৭

—০—

ইতি জৰাসন্ধৰ যুদ্ধ সমাপ্ত ॥

### অষ্টদশ ভাগ

## কালযৱন-বধ

ঘোষা ॥ ৰঘুপতি হৌক গতি,
তোমাৰ চৰণে নাৰায়ণ।
দাস বুলি দামোদৰ দিয়োক শৰণ ॥৪

পদ ॥ সেহি সময়ত যৱনৰ মহাৰাজা ॥
লগে লৈয়া সাজি ম্লেচ্ছ তিনি কোটি প্ৰজা ॥
নামে কালযৱন ৰণত অনিৰ্ব্বাৰ ॥
নাৰদে পঠাইলে মাধৱক দিলে ধাৰ ॥৪৮
তিনি কোটি ম্লেচ্ছে বেঢ়িলেক মথুৰাক।
দেখি সচকিত ভৈল যত যদুজাক ॥
দেখি বলো সমে আলোচন্ত দামোদৰ।
মিলিল প্ৰমাদ দাদা যাদৱ বংশৰ ॥৪৯
বেঢ়িলে আমাক দেখা যৱন দুৰ্ব্বাৰ।
কিবা আজি-কালি জৰাসন্ধ দেয় ধাৰ ॥
যৱনক যুজন্তে মাগধ যেবে আসে।
নেয় চোসে বাসে জোনো বংশকো বিনাশে ॥৫
হেন জানি সাজিয়ো দুৰ্গম দ্বাৰকাক
মনুষ্য নপাৰে যেন তাক লঙ্ঘিবাক ॥
এহি বুলি সাগৰ মধ্যত দামোদৰ।
বাৰ প্ৰহৰৰ পথ নিৰ্ম্মিলা নগৰ ॥৫১
বিশ্বকৰ্ম্মে শিল্প কৰ্ম্ম জানে যত মানে।
দ্বাৰকাত সবাকো দেখিয় বিদ্যমানে ॥

বিবিধ উদ্যান কল্পতরু উপবন।
দিব্য সাৰোবৰ দীৰ্ঘি দেখি বিতোপন ॥৫২
আকাশ লঙ্ঘিয়া আছে গড়ৰ দুৱাৰ।
স্ফটিক কপাট তাৰ পাশত সোণাৰ ॥
স্বৰ্ণ ৰজতে জ্বলে গৃহৰ আৰম্ভ।
স্ফটিক আটাল মৰকত দিল স্তম্ভ ॥৫৩
সুৱৰ্ণৰ ঘটচয় উপৰে প্ৰকাশে।
বিচিত্ৰ পতকাচয় বতাসে উল্লাসে ॥
সুধৰ্ম্মা-সভাক পঠাই দিল পুৰন্দৰ।
যাত আৰোহিলে হোৱে অজৰ-অমৰ ॥৫৪
বৰুণে পঠাইল হয়চয় শুক্লবৰ্ণ।
মানোজয় বেগ সবে শ্যাম এক কৰ্ণ ॥
কুবেৰে পঠাইলা অষ্টনিধিৰ ভাণ্ডাৰ।
কি কহিবো মহিমা কৃষ্ণৰ দ্বাৰকাৰ ॥৫৫
দশদিগপালৰ বিভৱ আছে যত।
সিবেলা সমস্তে আনি অৰ্পিলা কৃষ্ণত ॥
সেহি দ্বাৰকাক লাগি কৃষ্ণে অবিকলে।
মথুৰাৰ প্ৰজাক নিলন্ত যোগবলে ॥৫৬
মথুৰাক আসি ৰামে সমে আলোচিলা।
সুগন্ধ পদ্মৰ মালা গলত পিন্ধিলা।
শুধা হাতে নগৰ-দ্বাৰৰ ভৈলা বাজ ॥
যৱনক দেখাই চলি যান্ত যদুৰাজ ॥৫৭
মাধৱৰ জন্ম কৰ্ম্ম শুনা সবে নৰে।
কলিযুগে নাহি গতি কীৰ্ত্তনত পৰে ॥

দুৰ্লভ মনুষ্য জন্ম নকৰিয়ো বৃথা।
কৰা হৰি কীৰ্ত্তন এড়িয়া গ্ৰাম্য কথা ॥৫৮
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
ইহ পৰলোকে হৰি চৰণেসে গতি ॥
গৈল প্ৰাণ প্ৰায় জানা যেন আছা মৰি।
আন চিন্তা এড়ি ডাকি বোলা হৰি হৰি ॥৫৯

—০—

ঘোষা ॥ মাধৱ মধু- সূদন দেৱ
দাস উদ্ধাৰিয়া নিয়ো
তুমিসি পৰম গুৰু নাৰায়ণ
মোক উপদেশ দিয়ো ॥৫

পদ ॥ কালযৱনৰ আগে লীলা কৰি
চলি যান্ত হৃষীকেশ।
দেখিলা যৱনে পাছে মাধৱৰ
পৰম সুন্দৰ বেশ ॥
শৰৎ কালত ভৈলন্ত উদিত
যেন পূৰ্ণিমাৰ চান্দ।
সুকুমাৰ শ্যাম তনু পীতবস্ত্ৰে
দেখিতে অতি সুছান্দ ॥৬০
সদায়ে ঈষৎ হাসি সুশুচয়
প্ৰফুল্ল মুখ-কমলে।
নৱ পদ্ম সম আয়ত অৰুণ
লোচন-যুগল জ্বলে ॥

শিৰত কিৰীটি প্ৰকাশে অমূল্য
ৰত্নগণে আছে গঢ়ি।
নাসা তিল ফুল অধৰ ৰাতুল
দান্ত-পান্তি কুন্দ-কড়ি ॥৬১
কৰ্ণত মকৰ কুণ্ডল দোলয়
কপালে অলকা পান্তি।
কম্বু-কণ্ঠ মাজে কৌস্তুভ শোভয়
নৱ আদিত্যৰ কান্তি ॥
প্ৰলম্ব বৰ্ত্তুল স্থূল ভুজ চাৰি
কেয়ূৰ কঙ্কণে শোভে।
গলে বনমালা আপাদ-লম্বিত
ভ্ৰমৰ নছাড়ে লোভে ॥৬২
সুন্দৰ হৃদয়ে প্ৰকাশে শ্ৰীবৎস
কঙ্কালে মেখলা জ্বলে।
কৰিকৰ সম উৰু নিৰূপম
নূপুৰ পদ-কমলে ॥
সংসাৰ-মোহন হেন ৰূপ দেখি
বোলয় কালযৱন।
এহি গোট কৃষ্ণ জানিলো নাৰদে
কহিল যেন লক্ষণ ॥৬৩
শুদা হাত ভৰি গতি চলি যায়
ময়ো যাওঁ অস্ত্ৰ এড়ি।
এহি বুলি উঠি ধাইলেক যৱনে
ৰহ বুলি পাৰে গেড়ি ॥

যোগীগণে যাক ধ্যানতো নেদেখে
খেদে হেন মাধৱক ।
হাতে পাৱে হেন দেখাই আপোনাক
নিলন্ত তাক দূৰক ॥৬৪
পাছত যৱনে আক্ষেপ কৰয়
যদুকুলে ভৈলি জাত ।
পলায়ন ধৰ্ম্ম তুহিকে উচিত
পালটি আমাক মাত ॥
এতেক বোলন্তে গিৰি গহ্বৰত
পশিলন্ত নাৰায়ণ ।
পাছত যৱনে পশিয়া দেখয়
শুতি আছে একজন ॥৬৫
আমাক দূৰক আনিয়া শয়ন
কৰিলি যেন সজ্জনে ।
কৃষ্ণ হেন মানি মাৰিলেক লাথি
দুৰ্জ্জন কালযৱনে ॥
চিৰকাল শুতি আছে মুচুকুন্দ
উঠিয়া বসিল জাগি ।
কিছু কিছু কৰি চক্ষু মেলি চাইল
চাৰিয়ো দিশক লাগি ॥৬৬
যৱনক পাছে আগতে দেখিয়া
ক্ৰোধ-দৃষ্টি কৰি চাইল ।
তেতিক্ষণে তাৰ শৰীৰত লাগি
অগনি-কুণ্ড উধাইল ॥

ক্ষেণেকতে ভস্ম ভৈ গৈল যৱন
আপুন গাৱৰ জুই ।
পৰীক্ষিত ৰাজা শুকত সোধন্ত
আতি অদভুত হুই ॥৬৭

সিটো কোন জন যৱনক যিটো
ভস্ম কৰিলেক তথা ।
কিহেতু শুতিয়া আছে কিবা নাম
কহিয়ো আমাত কথা ॥
কৃষ্ণৰ কিঙ্কৰে ভণিলা শঙ্কৰে
শুনা সবে সভাসদে ।
আন চিন্তা এড়ি ডাকি বোলা হৰি
বৈকুণ্ঠে যাইবাৰ পদে ॥৬৮

—ঃ০ঃ—

ইতি—কালযৱন বধ সমাপ্ত ॥

উনবিংশ ভাগ

## মুচুকুন্দ স্তুতি

—ঃ০ঃ—

ঘোষা ॥ ৰামক নাম আতি অনুপাম ।
ৰামক নাম ৰামক নাম ॥৬

পদ ॥ ৰাজাত কহন্ত শুকে কথাক ।
মান্ধাতাৰ পুত্ৰ জানিবা তাক ॥
ইক্ষ্বাকু বংশত ভৈলন্ত জাত ।
মুচুকুন্দ নামে জগতে খ্যাত ॥৬৯
অসুৰত ভয়ে দেৱতা জাক ।
ৰাজাক বোলন্ত ৰাখা আমাক ॥
নৃপতি পাছে ভৈলা স্বৰ্গপাল ।
ৰাখিলা ত্ৰিদশক চিৰকাল ॥৭০
যেবে সেনাপতি কাৰ্ত্তিক ভৈলা ।
ৰাজাক দেৱে বুলিবাক লৈলা ॥
এবে মুচুকুন্দ কৰা বিশ্ৰাম ।
কৰিলা আমাৰ দুষ্কৰ কাম ॥৭১
সমস্ত ৰাজ-ভোগ পৰিহৰি ।
ৰাখিলা আমাক নিদ্ৰাক এড়ি ॥
তোমাৰ আৰে পুত্ৰ-পত্নীগণ ।
জ্ঞাতি মিত্ৰ আৰু সেৱক জন ॥৭২
পৃথিবীত কেহো নাহিকে ভালে ।
সবাকো সংহৰি নিলেক কালে ॥

মোক্ষ ব্যতিৰেকে নৈলৈয়োক বৰ ।
বিষ্ণুসে মোক্ষৰ হোন্ত ঈশ্বৰ ॥৭৩
বুলিলা দেৱক ৰাজা প্ৰণামি ।
নালাগে বৰ নিদ্ৰা কৰো আমি ॥
বোলন্ত এহি হোক দেৱগণে ;
নিদ্ৰাত জগাৱে আসি যিজনে ॥৭৪
হুইবেক ভস্ম তয়ু দৰশনে ।
মৰিল যৱন এহি কাৰণে ॥
পাছে মাধৱে কৰি অল্প হাসি ।
নৃপতিক দেখা দিলন্ত আসি ॥৭৫
ৰাজা মুচুকুন্দে কৃষ্ণক দেখি ।
পৰম বিস্ময়ে চান্ত নিৰেখি ॥
উদিত চন্দ্ৰৰ যেন প্ৰকাশ ।
শ্যামল দেহে শোভে পীত বাস ॥৭৬
শ্ৰীবৎস-পান্তি শোভে বক্ষঃস্থলে ।
সূৰ্য্য-সম জ্বলে কৌস্তুভ গলে ॥
কৰ্ণত মকৰ দোলে কুণ্ডল ।
পদ্ম-সম শোভে মুখ-মণ্ডল ॥৭৭
অৰুণ-লোচন পঙ্কজ পাসি ।
স্ফুৰুচে সদা মুখে অল্প হাসি ॥
দশন পান্তি মুকুতাৰ সাৰি ।
প্ৰলম্ব থূল জ্বলে ভুজ চাৰি ॥৭৮
প্ৰকাশে কণ্ঠত পদ্মৰ মালা ।
কটিত বস্ত্ৰৰ শোভে মেখলা ॥

পদ-যুগ যেন পঙ্কজ কোষ ।
শুনি সুৱৰ্ণৰ নূপুৰ ঘোষ ॥৭৯
ত্ৰৈলোক্যত ৰূপে নাহিকে সম ।
মৃগেন্দ্ৰৰ যেন লীলা বিক্ৰম ॥
শৰীৰৰ জ্যোতি লাগি আখিত ।
দেখি মুচুকুন্দ ভৈলা শঙ্কিত ॥৮০
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে ।
কৃষ্ণ কথা শুনা সমস্ত জনে ॥
কৰিয়ো কীৰ্ত্তন আলাস এড়ি ।
বোলা হৰি হৰি সমাজে বেঢ়ি ৮১

—ঃ*ঃ—

ঘোষা ॥ ৰাম কৃষ্ণ গোবিন্দ ।
ত্ৰাহি হৰি মুকুন্দ ॥৭

পদ ॥ পাছে মুচুকুন্দ ৰায় ।
সোধে মাধৱক চাই ॥
কোন তুমি থাকা কৈত ।
কি কাৰ্য্যে ভ্ৰমিছা ঐত ॥৮২
পদ্ম পত্ৰ সম ভৰি ।
কণ্টকত কেন কৰি ॥
ফুৰা গিৰি গহ্বৰত ।
নুবুজো তোমাৰ মত ॥৮৪
কিবা ইন্দ্ৰ সূৰ্য্য শশী ।
মূৰ্ত্তি ধৰি আছা আসি ॥

ব্ৰহ্মা বিষ্ণু ত্ৰিনয়ন ।
তাসম্বাৰ একজন ॥৮৪
আসি আছা তুমি স্বামী ।
মূৰ্ত্তি দেখি বোলো আমি ॥
জন্ম কৰ্ম্ম গোত্ৰ নাম ॥
কৈয়ো যদি আছে কাম ৮৫
আমাৰ শুনিয়ো কথা ।
ইক্ষ্বাকু বংশত তথা ॥
মান্ধাতাত ভৈলো জাত ।
মুচুকুন্দ নামে খ্যাত ॥৮৬
উজাগৰে শ্ৰান্ত হুয়া ।
গহ্বৰত আছো শুয়া ॥
মোক জগাই কোন জনে ।
ভস্ম ভৈল তাৰক্ষণে ॥৮৭
তোমাক দেখিলো পাছে ।
দেহা প্ৰকাশন্তে আছে ॥
তোমাৰ দুঃসহ জ্যোতি ।
নিষ্প্ৰভ কৰিলে আতি ॥৮৯
দেখি মহা চমৎকাৰ ।
সুধিবে নোৱাৰো আৰ ॥
এহি বুলি মৌন ভৈলা ।
মাধৱে কহিবে লৈলা ॥৮৯
মোৰ জন্ম কৰ্ম্ম যত ।
কোনে কহি পাৰে অন্ত ॥

তথাপিতো নৃপবৰ।
শুনা কথা ইজন্মৰ ॥৯০
প্ৰাৰ্থিলন্ত প্ৰজাপতি।
ধৰ্ম্মক ৰাখিবে প্ৰতি।
যদুকুলে ভৈলো যাত।
বসুদেৱ মোৰ তাত ॥৯১
আতেসে পণ্ডিত লোকে।
বসুদেৱ বোলে মোকে ॥
কালনেমি দৈত্যবংশ।
ভৈল আসি ৰাজা কংস ৯২
লালায়ে মাৰিলো তাক।
আনো যত দৈত্য জাক ॥
বধিলো সমৰে সবে।
দুৰ্জ্জন যৱন এৱে ॥৯৩
তযু তেজে ভস্ম ভৈল।
মহা ভাৰ দূৰ গৈল ॥
তোমাকেসে দায়াতৰে।
আইলো ঐকে একেশ্বৰে ৯৪
তুমি মোৰ প্ৰিয়তৰ।
যেহি লাগে লৈয়ো বৰ ॥
কহিয়োক অভিপ্ৰায়।
ভক্তৰ দুৰ্লভ নাই ॥৯৫
কৃষ্ণৰ কিঙ্কৰে ভণে।
শুনিয়োক সৰ্ব্বজনে ॥

সমস্ত সমাজে ঢাকি ।
হৰি হৰি বোলা ডাকি ॥৯৬

—•—

ঘোষা ॥ ও হৰি নমো নাৰায়ণ চৰণে
মাগো তৰণ উপায় ।
তোমাৰ ভকতি বিনে বাসুদেৱ
বৃথা আয়ু বহি যায় ॥৮

পদ ॥ পাছে মুচুকুন্দে কৃষ্ণক জানিলা
গৰ্গৰ বাক্য সুমৰি ।
পড়ি স্তুতি আতি কৰিবে লাগিলা
চৰণে প্ৰণাম কৰি ॥
মায়ায়ে মোহিত হুয়া যিটো জন
নভজে প্ৰভু তোমাক ।
সুখক আশায়ে গৃহবাসে থাকে
দৈৱে বঞ্চিলেক তাক ॥৯৭
ভাৰতে দুৰ্লভ নৰ দেহা পায়া
নভজে তোমাৰ পাৱ ।
গৃহ-অন্ধকূপে পড়িয়া থাকয়
পশুৰ যেন স্বভাৱ ॥
ৰাজ্য-শ্ৰী-মদে ভৈলোঁহো প্ৰমত্ত
দেহে আত্মা-বুদ্ধি ভৈল ।
পুত্ৰ-দাৰা-ধন আহাৰ চিন্তায়ে
বিফলে জনম গৈল ॥৯৮

গৃহ ঘট-সম দেহত নৃপতি
বোলাও কৰি চটি মতি।
তোমাক নগণি হয় হস্তী ৰথে
পৃথিবী ফুৰো পৰ্য্যটি ॥
বিষয়-চিন্তায়ে পৰম প্ৰমত্ত
থাকে মহামোহ দৰ্পে।
তুমি অপ্ৰমত্ত হেলে মাৰা তাক
এন্দুৰক যেন সৰ্পে ॥৯৯
সুৱৰ্ণৰ ৰথে যিটো হস্তী স্কন্ধে
ফুৰয় ৰাজা বোলাই।
কালে প্ৰাণ গৈলে সেহিটো শৰীৰ
হোৱে বিষ্ঠা পলু ছাই ॥
যিটো সাৰ্ব্বভৌম সিংহাসনে থাকে
সামৰাজে সেৱা কৰে।
স্ত্ৰীৰ অধীন হুয়া প্ৰভু সিটো
গৃহতে থাকিয়া মৰে ॥১০০
দুনাই ইন্দ্ৰ হৈবো বুলিয়া অনেক
কৰে কায়-ক্লেশ দুঃখ
সিটো অভিলাষ ব্যৰ্থ হোৱে তাৰ
কহিতো নাহিকো সুখ ॥
যাহাৰ সংসাৰ গুচিবেক তাৰ
মিলয় সাধু-সঙ্গতি।
যেৱে সাধু-সঙ্গ ভৈল তেৱে প্ৰভু
তোমাত উপজে মতি ॥ ১০১

কিনো অনুগ্ৰহ কৰিলা মাধৱ
গুচাই মোৰ ৰাজ্য-ভাৰ ।
মহা জ্ঞানীগণে আকেসে বাঞ্ছয়
মনত বিৱেক যাৰ ॥
নবাঞ্ছোহো আন মাধৱ তোমাৰ
চৰণ-সেৱাত পৰে ।
মুকুতি দাতাক আৰাধি খুজিবে
আন বৰ কোন নৰে ॥ ১০২
হেন জানি প্ৰভু যত সুখ ভোগ
দূৰতে ত্যজিয়া থৈলো ।
পৰম পুৰুষ তোমাৰ চৰণে
সদায়ে শৰণ লৈলো ॥
সংসাৰ-চক্ৰত চিৰকাল ভ্ৰমো
তোমাৰ নভৈল বোধ ।
একোৱে প্ৰকাৰে সুখ-শান্তি নাই
নিজিনিলো কাম-ক্ৰোধ ॥ ১০৩
প্ৰণত-পালক তোমাৰ চৰণে
লৈলোহো আৱে শৰণ ।
ভয় শোক মৃত্যু গুচয় যিমতে
ৰক্ষা কৰা নাৰায়ণ ॥
হেন স্তুতি কৰি মুচুকুন্দ ৰাজা
কৃষ্ণক প্ৰণামি আছে ।
প্ৰণত পালক দেৱ সনাতন
ৰাজাক মাতিলা পাছে ॥ ১০৪

ভণিলা শঙ্কৰে শুনা সৰ্ব্ব নৰে
নকৰিয়ো জন্ম বৃথা ।
শ্ৰৱণন্তে সুখে মোক্ষ-পদ পায়
শুনা হেন কৃষ্ণ-কথা ॥
হৰিৰ কীৰ্ত্তন কৰিয়া পাপৰ
মুণ্ডত মাৰিয়ো বাড়ি ।
আন কাম এড়ি বোলা হৰি হৰি
পলাওক পাতক ছাড়ি ॥ ১০৫

—০*০—

ঘোষা ॥ মন ৰাম বোল ৰাম বোল বোল ৰাম
চিন্ত চিত্তে চতুৰ্ভুজ চতুৰ্ভুজ হৰি ॥ ৯

পদ ॥ মাধৱে বোলন্ত শুনা সাৰ্ব্বভৌম ৰায় ।
তোমাৰ নিৰ্ম্মল মতি ভৈল সমুদায় ॥
প্ৰলোভিলো বৰ লোৱা বুলি বাৰম্বাৰ ।
তথাপিতো কিছু বাঞ্ছা নভৈল তোমাৰ ॥১০৬
বৰ দিবে চাহিলো তোমাৰ দায়া পদে ।
ভকতক লজ্ঘিবাক নপাৰে শ্ৰী-মদে ॥
যোগক অভ্যাসে যিটো ভকতিক এড়ে ।
তাহাৰেসে মন দুনাই বিষয়ত পড়ে ॥১০৭
মোত চিত্ত দিয়া পৰ্য্যটিয়ো বসুমতী ।
তোমাৰ আমাত আছে একান্ত ভকতি ॥
ক্ষেত্ৰিয়ৰ ধৰ্ম্মত থাকিয়া নৃপবৰ ।
কৰিয়াছা বধ তুমি জন্তু বহুতৰ ॥১০৮

শ্রৱণে-কীৰ্ত্তনে মোক কৰিয়া আশ্ৰয় ।
তপ কৰি এৱে সিটো পাপ কৰা ক্ষয় ॥
আউৰ জনমত তুমি হুইবা দ্বিজবৰ ।
মোক পাইবা আসি ৰাজা ত্যজি কলেৱৰ ॥১০৯
পূৰ্ব্বতো অনেক যজ্ঞে যজি আছা মোক ।
মঞি ৰক্ষা কৰিবো নির্ভয়ে চলিয়োক ॥
হেন অনুগ্ৰহ আজ্ঞা পায়া মাধৱৰ ।
কৰিলা কৃষ্ণক প্ৰদক্ষিণ নৃপবৰ ॥১১০
চৰণে প্ৰণামি ৰাজ ভৈল গহ্বৰেৰ ।
দেখে ক্ষুদ্ৰ ভৈলা সবে বৃক্ষ পশু নৰ ॥
পাইল কলিযুগে আসি মানি মহাৰথ ।
ধৰিলন্ত উত্তৰ দিশক লাগি পথ ॥১১১
ভৈলন্ত নিঃশঙ্ক তপ আচৰিবে মনে ।
কৰিলা একান্ত চিত্ত কৃষ্ণৰ চৰণে ॥
বদৰিকাশ্ৰমে গৈয়া ধৰিয়া সমাধি ।
থাকিলন্ত মুচুকুন্দ কৃষ্ণক আৰাধি ॥১১২
পাছে দুনাই আসিয়া মাধৱ মথুৰাক ।
মাৰিলন্ত তিনিকোটি যৱন সেনাক ॥
তাৰ ধনমানে সবে বলদ যোড়াইল ।
দ্বাৰকাত নিয়া যদু ৰাজাত যোগাইল ॥১১৩
তেইশ অক্ষৌহিণী সেনা সাজিয়া প্ৰবন্ধে ।
সেহি সময়তে খেদি আইল জৰাসন্ধে ॥
পৰম আটোপে মহাকোপে আসে ধাই ।
দেখি লড় দিলা ৰাম-কৃষ্ণ দুয়ো ভাই ॥১১৪

মনুষ্য-চেষ্টাক দেখাই যেন ভয়াতুৰ ।
ভৰি-গতি দুয়ো পলাই গৈলা বহু দূৰ ॥
হেন দেখি ৰঙ্গে আসি মাগধ নিস্খলে ।
ধৰ বুলি পাছে পাছে খেদে সমদলে ॥১১৫
পলাইবে নোৱাৰি যেন ৰাম দামোদৰে ।
আৰোহিলা পৰ্ব্বতৰ উচ্ছ্রিত শিখৰে ॥
পৰ্ব্বতক বেঢ়িয়া সসৈন্যে জৰাসন্ধে ।
লগাইলেক জুই তাত অনেক প্ৰবন্ধে ॥১১৬
এঘাৰ যোজন সিটো পৰ্ব্বত উচ্ছ্রিত ।
তাৰপৰা ডেৰে দুয়ো পড়িলা ভূমিত ॥
নলক্ষিলে কেৰে শত্ৰু-সেনা তাসম্বাক ॥
ৰঙ্গে ৰাম কৃষ্ণ দুয়ো গৈলা দ্বাৰকাক ॥১১৭
দগ্ধ ভৈলা ৰাম-কৃষ্ণ মানি মহাবলী ।
জৰাসন্ধে সসৈন্যে দেশক গৈলা চলি ॥
নজানিয়া ঈশ্বৰৰ বলৰ প্ৰমাণ ।
শত্ৰু বুদ্ধি খেদে সিটো পৰম অজ্ঞান ॥১১৮
কৃষ্ণৰ কিঙ্কৰে গীত ভণিল শঙ্কৰে ।
কৃষ্ণৰ কীৰ্ত্তন নছাড়িবা একো নৰে ॥
পাপ-সাগৰত ইসে কৰিবে নিস্তাৰ ।
বোলা হৰি হৰি হোক পুৰুষ উদ্ধাৰ ॥১১৯

ইতি মুচুকুন্দ স্তুতি সমাপ্ত ॥

—o—

## বিংশ ভাগ

# দ্বাৰকা-লীলা

## স্যমন্তক-হৰণ।

ঘোষা ॥ ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ ॥ ১

পদ ॥ শুকমুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
কৃষ্ণক কলঙ্ক দিয়া ডৰি সত্ৰাজিত ॥
আপোনাৰ কন্যা আনি দিলেক কৃষ্ণক।
স্যমন্তক মণি দিলা লগত যৌতুক ॥১

শুকত সোধন্ত দুনাই ৰাজা পৰীক্ষিত।
দিলে কিবা কলঙ্ক কৃষ্ণক সত্ৰাজিত ॥
কৈত পাইলে স্যমন্তক মণি মহাৰত্ন।
কিহেতু কৃষ্ণক কন্যা দিলা কৰি যত্ন ॥২

শুক নিগদতি শুনিয়োক পৰীক্ষিত।
সূৰ্য্যৰ পৰম ভক্ত সখা সত্ৰাজিত ॥
তুষ্ট হুয়া সূৰ্য্যে স্যমন্তক তাঙ্ক দিলা
সত্ৰাজিতে মহামণি কণ্ঠত পিন্ধিলা ॥৩

সূৰ্য্যে যেন প্ৰকশিয়া আসে দ্বাৰকাক।
ৰশ্মিয়ে চক্ষুক পীড়ে দেখি প্ৰজাজাক ॥
আসন্ত আদিত্য বুলি মনত শঙ্কিয়া।
কৃষ্ণৰ পাশক সবে যায় লৰৰিড়িয়া ॥৪

সভাত খেলন্ত পাশা প্ৰভু পীতাম্বৰ ।
আথে বেথে দেয় জান প্ৰজা নিৰন্তৰ ॥
নমো নাৰায়ণ শঙ্খ চক্ৰ গদাধৰ ।
অৰবিন্দ লোচন গোবিন্দ দামোদৰ ॥৫

তোমাক দেখিবে লাগি ত্ৰিজগত পতি ।
আসন্ত আদিত্য হেৰা দেখিয়ো সম্প্ৰতি ॥
সবাৰো চক্ষুক পীড়ি আসে ৰশ্মি-জালে ।
তোমাক অন্বেষ কৰে দশোদিগ-পালে ॥৬

পুৰাণ পুৰুষ তুমি সনাতন হৰি ।
যদু-কুলে অৱতৰি আছা ছদ্ম কৰি ॥
তাতেসে আসন্ত সূৰ্য্যে দেখিবে তোমাক ।
বোলা হৰি হৰি উদ্ধাৰিয়ো আপোনাক ॥

ঘোষা ॥ গোপাল গোবিন্দ যদুনন্দন ।
কৃষ্ণৰ চৰণে লৈলো শৰণ ॥২

পদ ॥ শুনিয়া হাসি চাহি চক্ৰপাণি ।
নোহন্ত আদিত্য বুলিলা বাণী ॥
মণিৰ ৰশ্মি হুয়া প্ৰকাশিত ।
গৃহক লাগি আসে সত্ৰাজিত ॥৮

সত্ৰাজিত পাছে গৃহক পাইল ।
অনেক মাঙ্গল্য-বাদ্য বজাইল ॥
দেৱৰ গৃহে পশি প্ৰণিপাতে ।
নিবেদিলা মণি বিপ্ৰৰ হাতে ॥৯

মণিৰ মহিমা কি কৈবো আৰ ।
সুৱৰ্ণ নিতে স্ৰৱে অষ্ট ভাৰ ॥
যিখানে থাকে সিটো স্যমন্তক ।
নাহিকে দুৰ্ভিক্ষ মাৰি-মৰক ॥১০

নাহিকে ব্যাধি ব্যাঘ্ৰ-সৰ্প ভয় ।
একো উপসৰ্গ নোপজে তয় ॥
দিনেক মণি খুজিলন্ত হৰি ।
নিদিলা সত্ৰাজিতে গহ কৰি ॥১১

প্ৰসেন নামে তাৰ ভাতৃ আছে ।
কণ্ঠত মণিক পিন্ধিয়া পাছে ॥
ঘোড়াত চড়ি মহাৰঙ্গ-মনে ।
মৃগক মাৰি ফুৰে বিজু বনে ॥১২

দেখি সিংহে তাক নখে বিদাৰি ।
ঘোড়ায়ে সহিতে পেলাইলা মাৰি ॥
কণ্ঠৰ মণিক ছিণ্ডিয়া লই ।
চড়িলা গিৰি-শৃঙ্গে সিংহ গই ॥১৩

দেখি জাম্বৱন্ত বীৰ বিড়িঙ্গ ।
লৈলন্ত মণিক মাৰিয়া সিংহ ॥
স্যমন্ত মণিক গৰ্ত্তক নিলা ।
ওমলাইবে লাগি শিশুক দিলা ॥১৪

বিচিত্ৰ মণিগোট ধৰি ধাই ।
বাটত শিশু ফুৰে ওমলাই ॥

কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে ॥১৫

ঘোষা ॥ বনমালী জগমোহন ৰাম।
সুখে দুখে মুখে জোনো ছাড়ো ৰাম-নাম ॥৩

পদ ॥ ভাতৃক নেদেখি অনন্তৰে সত্রাজিত।
মহাশোকে ক্রন্দন কৰিল বিপৰীত ॥
স্যমন্তক পিন্ধি গৈলা বনক ভৈয়াই।
জানিলো মাৰিলে কৃষ্ণে নির্জ্জনত পাই ॥১৬

খুজি নপাই ভাইক মাৰি কৃষ্ণে নিলা মণি।
শুনি সৰ্ব্বলোকে আকে কৰে কণা-কণি ॥
বেকত নকৰে কেহো মাধৱক ডৰে।
পাইলেক কলঙ্ক মোক জানি দামোদৰে ॥১৭

কিমতে দুৰ্যশ গুচাও গুণি ভগৱন্ত।
লগে লৈয়া নগৰীয়া সেনা অপৰ্য্যন্ত ॥
প্রসেনৰ পথে চলি যান্ত বনমালী।
প্রবন্ধে ঘোড়াৰ সিটো খোজক নিহালি ॥১৮

কতো দূৰে গৈয়া পাছে দেখিল মহীত।
প্রসেন পড়িয়া আছে ঘোড়ায়ে সহিত ॥
সিংহে মাৰি মণি নিলা জানি বনমালী।
উঠিলা পৰ্ব্বতে তাৰ খোজক নিহালি ॥১৯

মৰি পড়ি আছে সিংহ দেখিলা মুৰাৰি।
জানিলো ভালুকে মণি নিলা আঙ্ক মাৰি ॥

দেখি সৰ্ব্বজন ভৈল মনত নিঃশঙ্ক।
মিছাত পাইলন্ত কৃষ্ণে দাৰুণ কলঙ্ক ॥২০

খোজ গুড়ি ভালুকৰ গৰ্ত্ত পাইলা হৰি।
ঘোৰ অন্ধকাৰে আছে গৰ্ত্তক আৱৰি ॥
দেখি সবে সেনাগণ বাহিৰত থই।
একেশ্বৰে গৰ্ত্তে কৃষ্ণে প্ৰবেশিলা গই ॥২১

তথাত মণিক কৃষ্ণে দেখিলন্ত পাছে।
হাতে লৈয়া ধাই শিশু ওমলান্তে আছে ॥
কাঢ়ি লৈবে লাগি হৰি সমীপ চাপিলা।
হেন দেখি ভয়ে ধাই ধাউ-গেড়ি দিলা ॥২২

কোথাৰ মনুষ্য গোটে মণি নেয় হৰি।
আবে ঋক্ষৰাজ লাগ লোৱা ঝাণ্ট কৰি ॥
এহি বুলি ধাই আতি কৰে আৰ্ত্তনাদ।
বোলা হৰি হৰি ছাড়া বিষয়-বিষাদ ॥২৩

ঘোষা। ৰাম কৃষ্ণ কৃপাল।
ত্ৰাহি হৰি গোপাল ॥৪

পদ। হেন শুনি জাম্বৱন্ত।
ধাইলা মহা বলৱন্ত ॥
নিচিনি স্বামীক পাছে।
ধৰিলন্ত যুদ্ধ-কাছে ॥২৪

সামান্য মনুষ্য বুলি।
মহাক্ৰোধে গৈলা জ্বলি ॥

নাজানি প্ৰভাৱ আতি।
লগাইলেক হংতা-হতি ॥২৫
দুয়ো হুয়া মহাক্ৰুদ্ধ।
লগাইলেক ঘোৰ যুদ্ধ ॥
দুয়ো মাতঙ্গৰ লীলা।
বৰিষে পৰ্ব্বত-শিলা ॥২৬
কতো বেলি হানে গাছ।
কতো কোপে চাপি কাছ ॥
যুজিলন্ত মাল-বান্ধে।
ধৰি ভৰি ভৰি ছান্দে ॥২৭
দুইকো দুইৰো নাহি তুষ্টি।
হানে বজ্ৰ সম মুষ্টি ॥
মাংসৰ কাৰণে যেন।
যুজন্ত দুগোটা শেন ॥২৮
কেহো বলে নুহি ক্ষীণ।
যুজন্ত আঠাইশ দিন ॥
কৃষ্ণৰ প্ৰহাৰ পাই।
পাছে মহা ঋক্ষ-ৰায় ॥২৯
শ্ৰান্ত ভৈলা মহাদুঃখে।
নিশ্বাস বজাইলা মুখে ॥
ভাগে যেন কটি স্কন্ধ।
শৰীৰৰ ছিণ্ডে বান্ধ ॥৩০
গোড়ে ঘৰ্ম্ম যায় বহি।
ক্ষণেকে তম্ভিলা ৰহি ॥

সমস্ত সমাজে ঢাকি ।
হৰি হৰি বোলা ডাকি ॥৩১

---

ঘোষা ॥ ত্ৰাহি দেৱ দামোদৰ যাদৱানন্দ
দীন দয়াশীল স্বামী ।
কৰাহা নিস্তাৰ তোমাৰ চৰণে
শৰণ পশিলো আমি ॥৫

পদ ॥ কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ
পৰম বিস্ময় মনে ।
স্বামী হেন জানি বুলিবে লাগিলা
প্ৰণামি কৃষ্ণ-চৰণে ॥
জানিলো তোমাক জগত ঈশ্বৰ
তুমি সনাতন হৰি ।
সমস্ত ভূতৰ তুমি প্ৰাণ-বল
জগতকে আছা ধৰি ॥৩২
স্ৰষ্টাৰো স্ৰষ্টা তুমি সৰ্ব্ব দ্ৰেষ্টা
উদ্ধাৰি ধৰিলা তুমি ।
জীৱৰ নিয়ন্তা পৰম আতমা
মৃত্যুৰো অন্তক তুমি ॥
জানিলো তোমাক সেহি ৰঘুনাথ
যিটো ইষ্টদেৱ মোৰ ।
সীতাৰ সন্তাপে জগতৰ বাপে
কৰিলা প্ৰয়াণ ঘোৰ ॥৩৩
যাৰ মহাক্ৰোধে কটাক্ষতে গ্ৰাহে
সাগৰে কল্লোল কৰে ।

লঙ্কাক লাগিয়া মাজে বাট দিলা
ডুবিয়া আতি সাগৰে।
জানকীৰ হেতু বান্ধিলাহা সেতু
দহিলা লঙ্কা নগৰী।
ৰাৱণৰ মাথ কাটিলাহা নাথ
আনিলা সীতা উদ্ধাৰি ॥৩৪
আগে নিচিনিলো এবেসে জানিলো
তেন্তে তুমি শ্রীৰাম।
অজ্ঞানীক মোক প্ৰভু ক্ষমিয়োক
চৰণে কৰো প্ৰণাম ॥
এতেক বুলিয়া নমি জাম্বৱন্তে
আছে কৃতাঞ্জলি কৰি।
শুনা সৰ্ব্বজন নেড়িবা কীৰ্ত্তন
ডাকি বোলা হৰি হৰি ॥৩৫

ঘোষা ॥ হৰিৰ চৰণ চিন্তিয়ো চিত্ত হৃদয়ে সৰ্ব্বথা।
মুখে ৰাম বোলা কৰ্ণে শুনা কৃষ্ণ-কথা ॥৬

পদ ॥ হেন স্তুতি বাণী শুনি দৈৱকী-তনয়।
চাইলা দায়া-দৃষ্টি ভকতক কৃপাময় ॥
মাৰ্জ্জিলা অমৃত হাতে সমস্তে শৰীৰ।
ভৈলন্ত নিৰুজ জাম্বৱন্ত মহাবীৰ ॥৩৬
মেঘৰ গম্ভীৰ ধ্বনি দিলন্ত সন্নিধান।
মণি হেতু ঋক্ষৰাজ আইলো তযু স্থান ॥
তুমি আনি আছা মহামণি স্যমন্তক।
মিছাতে সমস্তে দেয় আম্মাক কলঙ্ক ॥৩৭

পৰম ভকত তুমি জানোহো তোমাক ।
দিয়া মণি মোক মই নেওঁ দ্বাৰকাক ॥
গুচোক দুৰ্যশ দেখাওঁ লোকত প্ৰত্যয় ।
শুনি আনন্দিত জাম্বৱন্ত মহাশয় ॥৩৮

তানে কন্যা ৰত্ন আছে নামে জাম্বৱতী ।
কৃষ্ণক বিবাহ দিলা ৰঙ্গে ঋক্ষপতি ॥
লগত যৌতুক আনি দিলন্ত স্যমন্ত ।
পৰম আনন্দ দেখি ভৈল ভগৱন্ত ॥৩৯

গৰ্ত্তৰ বাজত যত প্ৰজা আছে ৰহি ।
কৃষ্ণক চাহন্তে বাৰ দিন গৈল বহি ॥
নাসিবাৰ দেখি ভৈলা পৰম দুঃখিত ।
নিৰৰ্ত্তিয়া জান দিলা দ্বাৰকাপুৰীত ॥৪০

গৰ্ত্তত পশিলা মণি হেতু যদুৰাই ।
বাৰ দিন তথাতে আছিলো বাট চাই ॥
উলটি নাসিল কৃষ্ণ কিবা অথান্তৰ ।
বোলা হৰি হৰি তৰা সংসাৰ-সাগৰ ॥৪১

ঘোষা ॥ ত্ৰাহি যদু-নন্দন দেৱ
পাৱে পৰি মঞি কৰো সেৱ ॥৭

পদ ॥ বসুদেৱে হেন শুনি ।
তৰধ ভৈলন্ত গুণি ॥
ৰুক্মিণী মূৰ্চ্ছিতা অতি ।
কান্দন্ত দৈৱকী সতী ॥৪২

শোকে যায় প্ৰাণ ফুটি ।
ভূমিত পাৰন্ত লুটি ॥
পুত্ৰ হকৰাও জ্ঞানো ।
শ্যামল সুন্দৰ তনু ॥৪৩
পীতবস্ত্ৰে শোভে কায় ।
মেঘত বিজুলী প্ৰায় ॥
মুখ চন্দ্ৰো নুহি সৰি ।
কমল-লোচন হৰি ॥৪৪
কৰ্ণত কুণ্ডল দোলে ।
বনমালা শোভে গলে ॥
ভ্ৰমৰে নছাড়ে লোভে ।
শিৰত কিৰীটি শোভে ॥৪৫
কণ্ঠত কৌস্তুভ-মণি ।
প্ৰভাতৰ সূৰ্য্য জিনি ॥
একো অঙ্গে নুহি রুজ ।
আজানু-লম্বিত ভুজ ॥৪৬
কেয়ূৰ কঙ্কণে ৰঞ্জে ।
পাদ-পঙ্কজক গঞ্জে ॥
ৰত্নৰ নূপুৰ বাজে ।
মেখলা কটিৰ মাজে ॥৪৭
কোটি কন্দৰ্পক জিনি ।
প্ৰকাশন্ত যদুমণি ॥
হেন কৃষ্ণ মোৰ বাপ ।
এড়াওঁ কৈত তান তাপ ॥৪৮

যতেক বান্ধৱ জ্ঞাতি ।
কৰন্ত বিলাপ আতি ॥
সমস্তে নগৰী লোকে ।
কৰন্ত বিলাপ শোকে ॥৪৯
সত্ৰাজিত ধূমকেতু ।
তইসে নাশৰ হেতু ॥
নাৰীগণে পাৰে গালি ।
সত্ৰাজিত পুত্ৰ খালি ॥৫০
কৃষ্ণক কলঙ্ক দিয়া ।
এভু পাপী আছ জীয়া ॥
দ্বাৰকা-পুৰক ছানি ।
কৰে হাহাকাৰ ধ্বনি ॥৫১
কৃষ্ণৰ কিঙ্কৰে ভণে ।
শুনিয়োক সৰ্ব্বজনে ॥
কৃষ্ণৰ কীৰ্ত্তন কৰি ।
ডাকি বোলা হৰি হৰি ॥৫২

ঘোষা ॥ ও হৰি দীন-দায়াল
গোপাল পালিয়া নিয়া
তোমাৰ নাম মুখে ফুৰো গায়া,
তোমাৰ চৰণ চিন্তোক হিয়া ॥৮

পদ ॥ পাছে যদু-বংশ যতেক আছে ।
কৃষ্ণ আসন্তোক মনত বাঞ্ছে ॥
যাৰ যেন শক্য পাৰিল মানে ।
পূজিলা দুৰ্গাক বলি-বিধানে ॥৫৩

মায়াক আৰাধি সাধন্ত বৰ।
সত্বৰে আসন্তোক দামোদৰ ॥
পঢ়ি স্তুতি স্তোত্ৰ কৰে মঙ্গল।
সিটো আশীৰ্ব্বাদ ভৈল সাফল ॥৫৪
ভাৰ্য্যায়ে সহিতে আসিলা হৰি।
শ্ৰীৰাত স্যমন্ত-মণিক ধৰি ॥
দেখন্ত সৱে আইল যদুৰাই।
মৰি উপজিল যেন তুনাই ॥৫৫
লগতে কন্যাক আসিলা লই।
সমস্ত সুহৃদে বেঢ়িলা গই ॥
পৰম ৰঙ্গে কৰে শুভ শুভ।
শিৰত সিঞ্চিলা অক্ষত দূব ॥৫৬
পাছে দিব্য সভা মাধৱে পাতি।
অনাইলন্ত সত্ৰাজিতক মাতি ॥
যিমতে মণিক পাইলন্ত তথা।
ৰাজ সমাজত কহিলা কথা ॥৫৭
সাক্ষী কৰি হৰি সবে সভাতে।
দিলা মণি সত্ৰাজিতৰ হাতে ॥
হাতত মণি লৈয়া সত্ৰাজিত।
ভৈলন্ত লাজ আতি বিপৰীত ॥৫৮
কৰে অনুতাপ মন আসুখে।
গৃহক চলি গৈল অধোমুখে ॥
আপুনি কৃষ্ণক বিৰোধ কৰি।
ৰাত্ৰি দিনে চিন্তে নিদ্ৰাক এড়ি ॥৫৯

মই মহামূঢ় পাপী নিশংস।
মিছাত কৃষ্ণক দিলো কলঙ্ক ॥
কিমতে এড়াইবো লোকৰ তাপ।
কেনে তুষ্ট হোন্ত জগত-বাপ ॥৬০

কিমতে কৃষ্ণৰ ৰঞ্জিবো চিত্ত।
গুণন্ত এহি বুলি সত্ৰাজিত ॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
হৰি হৰি বোলা সমস্ত নৰে ॥৬১

ঘোষা ॥ হৰি ৰাম ৰাম ৰাম ৰাম ৰাম হৰি
ডাকিয়া ঘোষিয়ো শীঘ্ৰ কৰি ॥৯

পদ ॥ দেওঁ কন্যা বিবাহ কৃষ্ণক।
দিবো মণি স্যমন্ত যৌতুক ॥
তেৱেসে সন্তুষ্ট হোন্ত হৰি।
নেদেখো উপায় আত কৰি ॥৬২

হেন মনে নিয়ম কৰিয়া।
মণি সমে কন্যা দিলে নিয়া ॥
পায়া সত্যভামাক অচ্যুতে।
কৰিলা বিবাহ বিধিৰতে ॥৬৩

ৰূপে গুণে জগততে ধন্যা।
খুজিলে অনেকে সিটো কন্যা ॥
কাহাকো নিদিলে সত্ৰাজিত।
কৃষ্ণে পাই ভৈল কৃতকৃত্য ॥৬৪

শশুৰক বুলিলা বচন ।
নাহিকে মণিত প্ৰয়োজন ॥
তোমাতে থাকোক স্যমন্তক ।
তুমি সত্ৰাজিত অপুত্ৰক ॥৬৫
তোমাৰ সৰ্ব্বস্ব সৱে মোৰ ।
নিয়া মণি এড়া চিন্তা ঘোৰ্ ॥
শুনি সত্ৰাজিত ৰঙ্গ ভৈলা ।
স্যমন্তক লৈয়া ঘৰে গৈলা ॥৬৬
অনন্তৰে জগতৰে নাহ ।
কৰি সত্যভামাক বিবাহ ॥
ক্ৰীড়িলা আনন্দে নাৰায়ণ ।
যিটো শুনে স্যমন্ত-হৰণ ॥৬৭
এড়ায় কলঙ্ক মহা পাপ ।
দূৰে যায় সংসাৰৰ তাপ ॥
হোৱে সিদ্ধি মনৰ বাঞ্ছিত ।
জানি শুনা কৃষ্ণৰ চৰিত ॥৬৮
কহে কৃষ্ণ-কিঙ্কৰে শঙ্কৰে ।
কীৰ্ত্তন নেড়িবা একো নৰে ॥
আতপৰে নাহিকে উপায় ।
বেদৰ এহিসে অভিপ্ৰায় ॥৬৯
মায়াময় পুত্ৰ দাৰা গেহ ।
কেতিক্ষণে পৰে ইটো দেহ ॥
আক নেদেখয় কিনো অন্ধ ।
বিষয়ত তথাপি প্ৰবন্ধ ॥৭০

আন চিন্তা সবে পৰিহৰা ।
মিছা মোৰ মোৰ কৰি মৰা ॥
অন্তকে কেশত আছে ধৰি ।
জানি ডাকি বোলা হৰি হৰি ॥৭১

ইতি স্যমন্ত-হৰণ সমাপ্ত ॥

—০—

## একবিংশ ভাগ

# নাৰদৰ কৃষ্ণ-দৰ্শন

ঘোষা ॥ কমল-লোচন কৃষ্ণ ৰাম ৰঘুপতি ।
কি ৰাম হৰি গতি কি ৰাম ৰঘুপতি ॥১

পদ ॥ শিশুপাল প্ৰমুখ্যে নৃপতিগণ জিনি ।
ভীষ্মক দুহিতা হৰি আনিলা ৰুক্মিণী ॥
ৰুক্মক মুণ্ডিলা হৰি পৰম বিক্ৰমে ।
অষ্ট মহিষীক বিহা কৰিলা প্ৰথমে ॥১

গৰুড়ত চড়ি নৰকক দিলা ধাৰ ।
তাক মাৰি পাইলা কন্যা ষোড়শ হাজাৰ ॥
সবাকো পঠাইল প্ৰভু দ্বাৰকাক প্ৰতি ।
সত্যভামা সমে পাছে গৈলা অমৰাৱতী ॥২

অদিতিক দিলা নিয়া অমৃত কুণ্ডল ।
তোমাক অৰ্চ্চিল আসি দেৱ আখণ্ডল ॥
বাসৱে সহিতে হৰি কহি কথা-মাত ।
খুজিলে ভাৰ্য্যাৰ পদে প্ৰভু পাৰিজাত ॥৩

ইন্দ্ৰে নিদিলন্ত তাক জানিল মুৰাৰি ।
আনিলন্ত বলে পাৰিজাতক উভাৰি ॥
দেখি খেদি আসি ইন্দ্ৰে কৰিলা সমৰ ।
বাসৱক লীলায়ে ভঙ্গাইলা দামোদৰ ॥৪
উলটি পলাইল ইন্দ্ৰ তোমাৰ প্ৰহাৰে ।
কইলা পাৰিজাত সত্যভামাৰ দুৱাৰে ॥

ষোড়শ হাজাৰ কন্যা আনি ভিনে ভিনে।
দ্বাৰকাত বিবাহ কৰিলা একে দিনে ॥৫
সিটো দিব্য পতনী যতেক বৰনাৰী।
ততেক শৰীৰ ধৰি ক্ৰীড়িলা মুৰাৰি ॥
চৌৰাশী অধিক তেৰ হাজাৰ প্ৰমাণ।
সালঙ্কৃতা কৰি নিতে কৰন্ত গো-দান ॥৬
ইন্দ্ৰদেৱে পুৰস্কাৰ কৰিয়া তোমাক।
দ্বাৰকাক পঠাই দিল সুধৰ্ম্মা-সভাক ॥
তাত বসিবাক যাহা প্ৰত্যেকে উৎসুকে।
আগত যোগান্ত আনি ৰথক দাৰুকে ॥৭
ৰথত চড়িয়া দাৰুকৰ ধৰি হাতে।
সাত্যকি উদ্ধৱ সমে বসন্ত সভাতে ॥
গুৰু শুক্ৰ সমে যেন আকাশত শশী।
সভাক ৰঞ্জিয়া প্ৰভু ৰঙ্গে থাকা বসি ॥৮
দেখিয়া প্ৰণামে যিটো সুধৰ্ম্মা সভাক।
যদুগণে আনন্দে চটকি ফুৰে তাক ॥
তোমাৰ প্ৰসাদে নুভুঞ্জিল কোন ভোগ।
মিলে দ্বাৰকাত যত বস্তু দেৱ-ভোগ ॥৯
পঢ়াইলা যাদৱ বংশে যতেক কুমাৰ।
তাক সংখ্যা কৰিবেক শকতি কাহাৰ ॥
তাসম্বাৰ শুনিয়ো পঢ়োৱা ওজা-যত।
তিনি কোটি চৌৰাশী হাজাৰ এক্‌শত ॥১০
ভণিল শঙ্কৰে শুনিয়োক সৰ্ব্বজন।
এক চিত্তে কৰা সৱে হৰিৰ কীৰ্ত্তন ॥

আতপৰে ধৰ্ম্ম আৰ নাহি সংসাৰত।
ৰাম ৰাম ঘুষিয়োক বসি আসনত ॥১১

ঘোষা ॥ কেশৱ কৃষ্ণ বিষ্ণু বনমালী।
নিয়ো কৃপাময় সেৱক পালি ॥২

পদ ॥ ষোড়শ হাজাৰ কন্যাক ভিন্নে।
কৰিলা হৰি বিহা একদিনে ॥
কৃষ্ণৰ আশ্চৰ্য্য মহিমা শুনি।
দ্বাৰকাক গৈলা নাৰদ মুনি ॥১২

দেখিলা ঋষি দিব্য পুৰী পাছে।
সুৱৰ্ণময় গড়ে বেঢ়ি আছে ॥
সাগৰ বেঢ়ি ভৈল গড়খাই।
দেখি বিপক্ষৰ ধাতু উৰাই ॥১৩

দিব্য সৰোবৰ পুষ্পিত বনে।
পড়িয়া নাদ ত্যজে পক্ষীগণে ॥
চম্পা পৰিজাত-সুৰভি-বাসে।
নৱ লক্ষ দেৱ-গৃহ প্ৰকাশে ॥১৪

কতো স্ফটিকৰ কতো ৰজত।
সুৱৰ্ণময় কতো মৰকত ॥
সূৰ্য্য সম জ্বলে গৃহৰ কান্তি।
ৰঞ্জে আতি ধ্বজ-পতাকা পান্তি ॥১৫

তাৰ অন্তঃপুৰ দেখিলা পাছে।
প্ৰবন্ধে বিশ্বকৰ্ম্মে নিৰ্ম্মি আছে ॥

ষোড়শ হাজাৰ দিব্য আৱাস ।
সূৰ্য্য সম জ্বলে লঙ্ঘি আকাশ ॥১৬

তাহাৰ মধ্যে এক গৃহ পশি ।
ৰত্নৰ দীপিতি দেখন্ত ঋষি ॥
প্ৰৱালৰ স্তম্ভ বৈদূৰ্য্য-ফলি ।
স্বৰ্ণৰ কাঠি-কামি মাগুলী ॥১৭

ইন্দ্ৰনীল ৰত্নে লগাইল বাৰ ।
মাণিক কপাট হীৰাৰ দ্বাৰ ॥
ৰত্নৰ চাৰু কুণ্ডকথ জালে ।
ধূপ ধূম্ৰচয় বজাই বোম্বালে ॥১৮

মেঘ বুলি তাত ময়ূৰগণে ।
গৃহত পড়িয়া নাচে সঘনে ॥
প্ৰকাশে চন্দ্ৰতাপ অসংখ্যাত ।
আৰিছে মুকুতা মুৰাৰি তাত ॥১৯

তলত ৰত্নময় সিংহাসন ।
বিছাই হংস-তুলি বিতোপন ॥
তাতে শুতি আছা জগতপতি ।
উপাসি আছন্ত ৰুক্মিণী সতী ॥২০

ৰত্নময় দণ্ড চামৰ ধৰি ।
স্বামীক বিঞ্চন্ত লাসে সুন্দৰী ॥
সমান-বয়সী সহস্ৰ দাসী ।
লগন্ত যোগানে আছে উপাসি॥২১

ঘোষা ॥ মাধৱ মুকুন্দ দীন দয়াল।
প্ৰণত-পালক তুমি গোপাল ॥৩

পদ ॥ চৌপাশে প্ৰকাশে ৰত্ন প্ৰদীপ।
চাপিলা হৰিষে ঋষি সমীপ ॥
নাৰদক দেখি উঠিলা হৰি।
প্ৰণমিলা পাৱে শিৰে সাদৰি ॥২২
কৃতাঞ্জলি স্তুতি বুলিলা বাণী।
আপুনি আসনে বৈসাইলা আনি ॥
লক্ষ্মী পানী দেন্ত ভৃঙ্গাৰ ধৰি।
ধুৱাইলা ঋষিৰ চৰণ হৰি ॥২৩
লৈলা পাদোদক শিৰত আনি।
বুলিলা অমৃত-মধুৰ বাণী ॥
পবিত্ৰ আজি ভৈলো ঋষিৰাজ।
কৰিয়ো আজ্ঞা সাধো কোন কাজ ॥২৪
শুনিয়া নাৰদে মাতিলা হাসি।
তোমাৰ চৰণ দেখিলো আসি ॥
ব্ৰহ্মা আদি যত পৰম জ্ঞানী।
চিন্তে হিয়ে যাক প্ৰবন্ধে আনি ॥২৫
সংসাৰ-কূপে পড়ে যিটো জন।
তাৰো অৱলম্ব্য তযু চৰণ ॥
হেন পাদ-পদ্ম চিন্তো সদায়।
তোমাৰ গুণ মুখে ফুৰো গাই ॥২৬
তোমাৰ পাৱে নছাৰোক মতি।
দিয়ো এহি বৰ জগতপতি ॥

এহি বুলি তৈৰ উঠিলা ঋষি।
দেখিলা পাছে আৰ গৃহ পশি ॥২৭
কৰিয়া কৃষ্ণে হাস-পৰিহাস।
ভাৰ্য্যায়ে সহিতে খেলান্ত পাশ ॥
কাষতে উদ্ধৱ আছে নিৰেখি।
উঠিলা কৃষ্ণে নাৰদক দেখি ॥২৮
আসনে বসাই ধুৱাইলা ভৰি।
কেতিক্ষণে আইলা পুছন্ত হৰি ॥
তুমি সৰ্ব্ব পূৰ্ণ কাম সন্ন্যাসী।
অপূৰ্ণ-কামী আমি গৃহবাসী ॥২৯
তথাপি বোলা কি কৰিবো আমি।
জন্মক মোৰ সাম্ফলিয়ো স্বামী ॥
শুনিয়া নাৰদ বিস্ময় ভৈলা।
তৈৰ উঠি আউৰ গৃহক গৈলা ॥৩০
দেখন্তে ঋষি তৈত যদুৰায়।
আছন্ত বসি শিশু ওমলাই ॥
দেখিলা পাছে আৰ গৃহ পশি।
স্নানত উদ্যমে আছন্ত বসি ॥৩১

ঘোষা ॥ ত্ৰাহি সদাশিৱ শাৰঙ্গপাণি।৪

পদ ॥ আউৰ ঘৰে গৈয়া দেখন্ত ঋষি।
কৰন্ত গোবিন্দে হোম হৱিষি ॥
ব্ৰহ্ম-ভোজ দেন্ত কতো গৃহত।
ভুঞ্জন্ত আনি অৱশেষ যত ॥৩২

কতো গৃহে আছা সন্ধ্যা উপাসি ।
গায়ত্ৰী জপা মৌন হুয়া বসি ॥
ছাড়ন্ত খাণ্ডা-বাৰু কতো ঘৰে ।
কতোহো ফুৰন্ত ৰথ উপৰে ॥৩৩
ঘোড়া লৰড়ান্ত কতো প্ৰবন্ধে ।
ফুৰন্ত কৃষ্ণ কতো হস্তী-স্কন্ধে ॥
কতো ঘৰে আছা খাটত সুতি ।
চপয় পঢ়ি ভাটে কৰে স্তুতি ॥৩৪
উদ্ধৱ প্ৰমুখ্যে মন্ত্ৰী সহিতে ।
কৰন্ত মন্ত্ৰণা কতো গৃহতে ॥
সহস্ৰ সংখ্যাত ৰমণী সঙ্গে ।
কৰন্ত কতো জল-ক্ৰীড়া ৰঙ্গে ॥৩৫
অনেক বিপ্ৰ অনাই দামোদৰে ।
কৰন্ত ধেনু-দান কতো ঘৰে ॥
ভাৰ্য্যাক মাতি পৰিহাস কৰি ।
কতো ঘৰে ৰঙ্গে হাসন্ত হৰি ॥৩৬
শুনন্তে আছন্ত কৈতো পুৰাণ ।
কৰন্ত কৈতো অৰ্থ উপাদান ॥
কতো ঘৰে বসি আসন ধৰি ।
আত্মাক চিন্তিয়া আছন্ত হৰি ॥৩৭
কৰন্ত দ্বন্দ্ব কৈতো লক্ষ্মী-পতি ।
কৰন্ত কৃষ্ণে কৈতো মিত্ৰৰতি ॥
কৈতো আলোচন্ত বলো সহিত ।
চিন্তন্তে আছন্ত সন্তৰ হিত ॥৩৮

কতো ঘৰে আজি উৎসৱ কৰি।
কৰন্তে পুত্ৰৰ বিবাহ হৰি॥
বিহা দেন্ত কন্যা কৈতো মুৰাৰি।
দুনাই আনন্ত কৈতো বহাৰি॥৩৯

কৈতো শ্বাশুৰীক পঠাই জীৱ।
কান্দন্ত বসি দেৱ সদাশিৱ॥
কৰন্ত কতো গৃহে যজ্ঞ-কাম।
প্ৰতিষ্ঠান্ত কৈতো কূপ আৰাম॥৪০

ঘোটকতে চড়ে কৈতো মুৰাৰি।
ফুৰন্ত পবিত্ৰ মৃগক মাৰি॥
ধৰিয়া বেশ কৈতো ভৰি খুম্পি।
যজ্ঞ কাৰ্য্য বুজি ফুৰন্ত চুম্পি॥৪১

ঘোষা॥ গোবিন্দ গোপাল গৰুড়-কেতু
ভকতৰ ভয়-ভঞ্জন হেতু॥৫

পদ॥ দেখিয়া নাৰদে তুলিলা হাসি।
আমাকো প্ৰভু ভুৰুকুৱা আসি॥
তোমাৰ চৰণ সেৱাৰ বলে।
তযু যোগ-মায়া জানো সকলে॥৪২

জানিয়ো প্ৰভু মই তযু দাস।
কৰিয়া তোমাৰ যশ প্ৰকাশ॥
তিনিও লোকে ফুৰো বীণা বাই।
তোমাৰ পৱিত্ৰ চৰিত্ৰ গাই॥৪৩

মাধৱে বোলন্ত শুনিয়ো মুনি ।
যেন ভক্ত তুমি জানো আপুনি ॥
লোকক শিখাও ই ধৰ্ম্ম-ভেদ ।
নকৰা মুনি আত কিছু খেদ ॥৪৪
বোলন্ত শুকে শুনা পৰীক্ষিত ।
মুনিৰ মাধৱে মুহিলা চিত্ত ॥
দেখিয়া কৃষ্ণৰ গৃহ-সম্পদ ।
পৰম বিস্ময় ভৈলা নাৰদ ॥৪৫
কৃষ্ণত আতি সতকাৰ পাই ।
লড়িলা তৈৰপৰা বীণা বাই ॥
কৃষ্ণৰ চৰণ চিন্তন্তে যান্ত ।
গোবিন্দৰ গুণ সদায় গান্ত ॥৪৬
কৃষ্ণৰ মনুষ্য-লীলা চৰিত্র ।
জগতকে ইটো পবিত্র ॥
যিটো শুনে ভণে আক সঘনে ।
তাৰ ভক্তি হৈব কৃষ্ণ-চৰণে ॥৪৭
শুনা সৰ্ব্বজন শঙ্কৰে কহে ।
চিৰকাল ইটো দেহা নৰহে ॥
হাটে-বাটে কৈত মিলে মৰণ ।
সদায়ে নেড়িবা হৰি-চৰণ ॥৪৮
নাৰদত বিষ্ণু আছন্ত কই ।
বৈকুণ্ঠত মই নাথাকো ৰই ॥
যোগীৰো হিয়া এড়ি সমুদায় ।
থাকো ভকতৰ কীৰ্ত্তন চাই ॥৪৯

জানিয়া এড়া সৱে ভাষ ভুষ ।
ভাগ্যেসে ভাৰতে ভৈলা মানুষ ॥
আক বৃথা কৰা বিষয়-ভোলে ।
মাণিকক বিকা কাচৰ মোলে ॥৫০
মিছাত পুত্ৰ দাৰা বুলি মৰা ।
আপুনি গুণা আইলা কৈৰ পৰা ॥
সবে মায়াময় স্বপ্নৰ সৰি ।
জন্ম সাফলি বোলা হৰি হৰি ॥৫১

ইতি নাৰদৰ কৃষ্ণ-দৰ্শন সমাপ্ত ॥

—ঃ*ঃ—

অষ্টাবিংশ ভাগ

# বিপ্র-পুত্র আনয়ন।

ঘোষা ॥ মন বোল ৰাম শ্ৰীৰাম জয় জয় ৰাম ॥১

পদ ॥ শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
এক দিনা যেন ভৈলা দ্বাৰকাপুৰীত ॥
এক বিপ্ৰ-পত্নীৰ উপজি পুত্ৰগুটি।
ভূমিক ছুইলেক মাত্ৰ প্ৰাণ গৈল ছুটি ॥১
মৃতক পুত্ৰক বিপ্ৰে কোলে কৰি লই।
কান্দিল অনেক ৰাজ-দুৱাৰত থই ॥
ৰাজাকো ভৎর্সন্ত আতি কৰি অহঙ্কাৰ।
ইটো দুষ্ট দুৰ্জ্জন ক্ষত্ৰিয়-কুলাঙ্গাৰ ॥২
কোথেৰ পাপীষ্ঠ ব্ৰহ্ম-দ্বেষী মন্দ-কৰ্ম্ম।
শঠ-বুদ্ধি কৰে ইটো অনেক অধৰ্ম্ম ॥
পৰম লুভীয়া ৰাজা জগতকে মোষে।
মৰিল তনয় মোৰ ইহাৰেসে দোষে ॥৩
এহি বুলি গৈল নিজ গৃহক উলটি।
এহিমতে উপজি মৰিল আৰগুটি ॥
তাকো আনি পেহ্লাইলন্ত ৰাজাৰ দুৱাৰে
পূৰ্ব্বৱতে নিন্দিলন্ত বচন-প্ৰহাৰে ॥৪
এহিমতে বিপ্ৰৰ মৰিল্ পুত্ৰ নৱ।
ভৎর্সন্ত ব্ৰাহ্মণে দুৱাৰত পেলাই শৱ ॥
আছন্ত অৰ্জ্জুন বসি কেশৱৰ কাছে।
হেন শুনি ব্ৰাহ্মণক মাতিলন্ত পাছে ॥৫

কি কাৰণে পুত্ৰ শোকে কান্দা দ্বিজবৰ।
তোমাৰ ৰাজ্যত তেবে নাহি ধনুৰ্দ্ধৰ॥
যাহাৰ ৰাজ্যত শোকে কান্দে দ্বিজগণ।
সুহিকে ক্ষত্ৰিয় সিটো নটৰ লক্ষণ॥৬
বুজিয়োক বিপ্ৰ আবে মোৰ কেন কক্ষা।
তোমাৰ পুত্ৰক মই কৰিবহো ৰক্ষা॥
ৰাখিবে নোৱাৰো যেবে শুনা মহাভাগ।
অগণিত প্ৰবেশি কৰিবো তনু ত্যাগ॥৭
শুনি বিপ্ৰে অৰ্জ্জুনক বুলিলা বচন।
যাক ৰাখিবাক নোৱাৰিলা নাৰায়ণ॥
ৰাম কামদেৱ অনিৰুদ্ধে নাটে যাক।
তাত যত্ন কৰা ইটো মিছা গৰ্ব্ব-বাক॥৮
অৰ্জ্জুনে বোলন্ত মই নোহো হলায়ুধ।
নোহো বাসুদেৱ কামদেৱ অনিৰুদ্ধ॥
আমাৰ অৰ্জ্জুন নাম দশোদিশে জানে॥
গাণ্ডীৱ ধনুক মোৰ জগতে বাখানে॥৯
শঙ্কৰকো তুষি আছো মোৰ পৰাক্ৰমে।
যদি কোপে আটোপে আসন্ত সাজি যমে॥
তাঙ্কো জিনি তোমাৰ পুত্ৰক দিবো আনি।
গৈলন্ত সন্তাত দ্বিজে শুনি হেন বাণী॥১০
অৰ্জ্জুনৰ বচনত হুয়া ভয়হীন।
প্ৰীত হুয়া গৃহত আছন্ত কতো দিন॥
প্ৰসৱৰ কাল আসি মিলিল দুনাই।
ত্ৰাহি ধৰঞ্জয় বুলি ব্ৰাহ্মণে চেঞ্চাই॥১১

ঘোষা ॥ ৰাখা কি দয়াময় মোক যদুৰায়।
তোমাৰ ভকতি বিনা বৃথা আয়ু যায় ॥২

পদ
শুনি পাৰ্থে আথে-বেথে গৈল ডড় হুই।
কৰিলন্ত আচান্ত পৱিত্ৰ জল ছুই ॥
ইষ্টদেৱ শঙ্কৰক নমিলা অৰ্জ্জুন।
দিব্য অস্ত্ৰ স্মৰি গাণ্ডীৱত দিলা গুণ ॥১২
টঙ্কাৰিয়া দিব্য অস্ত্ৰচয়ক ঝাকিলা।
অধে উৰ্দ্ধে সিটো সূতি-গৃহক ঢাকিল।
নাথাকিল সন্ধি ছাইলা আঞ্জৰ-পাঞ্জৰ।
গৃহক ঢাকিয়া সৰে সাজিলা পিঞ্জৰ ॥১৩
সেহি বেলা উপজিল বিপ্ৰৰ কুমাৰ।
পৃথিবীত পড়িয়া কান্দিলা বাৰম্বাৰ ॥
তেখনে অদৃশ্য ভৈল শৰীৰে সহিতে।
নাকলিলা কেৱে তাক আগতে তহিতে ॥১৪
দেখি পাছে বিপ্ৰে পুত্ৰ শোকৰ জমক।
কেশবৰ আগত ভৎসিলা অৰ্জ্জুনক ॥
মই কেন মূঢ় দেখিয়োক সৰ্ব্বজনে।
কৰিলো সঞ্জাত নপুংসকৰ বচনে ॥১৫
সংবশে কেশৱে নোৱাৰিলে ৰাখিবাক।
আৰ কোনে পৰিত্ৰাণ কৰিবে আমাক ॥
বিধিৰ বিপাকে যিটো দৈবে ভৈল নাশ।
কিনো মূৰ্খ তই তাক ৰাখিবাক চাস ॥১৬
ধিক ধনঞ্জয় ধিক গাণ্ডীৱ তোমাৰ।
মিছা কাৰ্য্যে কিসক কৰিলি অঙ্গীকাৰ ॥

বিকর্থনা অনেক বুলিলা দ্বিজবৰ ।
শুনি নসহিল অৰ্জ্জুনৰ কলেৱৰ ॥১৭
ধনু তুলি ধৰি পাছে মহাবিদ্যা কৰি ।
তেখেনে আটাইল গৈয়া যমৰ নগৰী ॥
পাত পাত কৰি বিচাৰিলা মহাভাগ ।
বিপ্রৰ পুত্ৰক তৈতো নপাইলন্ত লাগ ॥১৮
ইন্দ্রৰ নগৰে গৈয়া বিচাৰিলা পশি ।
তৈতো বিপ্র পুত্ৰক নপাইলা মহাযশী ॥
অগনি বৰুণ বায়ু চন্দ্র নৈঋতিৰ ।
সবাৰো থানক বিচাৰিলা মহাবীৰ ॥১৯
বিত বিত কৰিলন্ত সাতো পাতালক ।
তৈতো খুজি নপাইলন্ত বিপ্রৰ পুত্ৰক ॥
একো স্থানে বিচাৰিবে নথাকিল ঠাই ।
উলটিয়া দ্বাৰকাক আসিলা তুনাই ॥২০
ভ্ৰষ্ট ভৈল অঙ্গীকাৰ জানিয়া নিশ্চয় ।
অগণিত জাম্প দিবে যান্ত ধনঞ্জয় ॥
হেন দেখি সখিক ধৰিলা হৰি আসি ।
মৰিবাক নিদিয়া বুলিলা পাছে হাসি ॥২১
দেখাইবো দ্বিজৰ সবে পুত্ৰক তোমাক ।
নকৰিবা জাস সখি ৰাখা আপোনাক ॥
তোমাৰ বিপুল কীৰ্ত্তি থাকিবে লোকত ।
মোহোৰ বচনে নকৰিবা প্ৰাণ হত ॥২১
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্রতি ।
হৰি নাম বিনা আৰ নাহি কাৰো গতি ॥

বেদৰ প্ৰমাণ বাণী জানি সৰ্ব্বজন।
বোলা হৰি হৰি কৰি অনেক যতন ॥২৩

ঘোষা শ্ৰীৰাম মাধৱ ৰাঘৱ ৰঘুপতি ॥৩

পদ অৰ্জ্জুনক বুলি হেন বাণী।
দিব্য ৰথে চড়ি চক্ৰপাণি ॥
ধৰিল উত্তৰ দিশ পথ।
অৰ্জ্জুনে ডাকন্তে যান্ত ৰথ ॥২৪
সাতোখান পৃথিবী এড়াইল।
গৈয়া সাতো সাগৰ ছড়াইল ॥
ধৰি মহা মনোজয় গতি।
ভৈলা লোকালোকৰ সিভিতি ॥২৫
প্ৰবেশিলা ঘোৰ অন্ধকাৰে।
ঘোড়া আৰ যাইবাক নপাৰে ॥
হেন দেখি যোগেশ্বৰ হৰি।
আগক হানিলা চক্ৰ ধৰি ॥২৬
মহা ৰশ্মিপুঞ্জে পসৰাই।
আগত আন্ধাৰ ফাড়ি যায় ॥
যেন ৰাঘৱৰ শৰ জাকে।
বিদাৰয় ৰাক্ষস সেনাকে ॥২৭
হাজাৰেক সূৰ্য্য যেন জ্বলে।
তাহাৰ পাছত ঘোড়া চলে ॥
ঘোৰ তম তৰিয়া সত্বৰে।
জ্যোতিপুঞ্জ পাইলা তাত পৰে ॥২৮

ৰশ্মি লাগি চক্ষু ফুটৈ দেখি ।
মুদিলা অৰ্জ্জুনে দুই আখি ॥
তাক এড়ি জল পাইলা গই ।
ঘোৰ ঊৰ্ম্মি বায়ু উথলয় ॥২৯
পাছে ধনঞ্জয়ে যদুৰাজে ।
প্ৰৱেশিলা সেহি জল মাজে ॥
দুয়ো গৈয়া দেখিলা প্ৰত্যেক ।
স্ফটিকৰ স্তম্ভ হাজাৰেক ॥৩০
দিব্য গৃহ প্ৰকাশন্তে আছে ।
পশিলা ভিতৰ তাৰ পাছে ॥
অনন্তক গৈয়া ভৈলা ভেট ।
তুলি আছে হাজাৰেক ফেট ॥৩১
ফণা মণি কৰে তিৰি মিৰি ।
প্ৰকাশন্ত যেন শুক্ল গিৰি ॥
তান শৰীৰত সুখাসনে ।
প্ৰকাশন্ত বসি নাৰায়ণে ॥৩২
সুন্দৰ শৰীৰ মেঘ শ্যাম ।
পীত বস্ত্ৰে আতি অনুপাম ॥
প্ৰসন্ন বদন মনোহৰ ।
আয়ত লোচন ৰুচিকৰ ॥৩৩
শিৰত কিৰীটি ৰত্নময় ।
তাৰ ৰশ্মি শোভে কেশচয় ॥
জ্বলে গণ্ড মকৰ কুণ্ডলে ।
প্ৰকাশে শ্ৰীবৎস বক্ষঃস্থলে ॥৩৪

কণ্ঠত কৌস্তুভ নৱ সূৰ্য্য ।
প্ৰলম্ব বৰ্ত্তূল অষ্ট ভুজ ॥
কেয়ূৰ কঙ্কণে সুশোভিত ।
বন-মালা আপাদ-লম্বিত ॥৩৫
পদ দুই পঙ্কজৰ কান্তি ।
পাসি ভৈল আঙ্গুলিৰ পান্তি ॥
জ্বলে আতি নখ-চন্দ্ৰচয় ।
ভকতৰ প্ৰকাশে হৃদয় ॥৩৬
সুনন্দ প্ৰমুখ্যে পাৰিষদে ।
চৌপাশে উপাসে নিশবদে ॥
চক্ৰ আদি অস্ত্ৰে মূৰ্ত্তি ধৰি ।
সেৱা কৰে বিষ্ণুক আৱৰি ॥৩৭
পুষ্টি আদি দেৱগণ কাছে ।
মাধৱক আৰাধন্তে আছে ॥
ভণিল শঙ্কৰে কৃষ্ণ পদে ।
হৰি হৰি বোলা সভাসদে ॥৩৮

ঘোষা

ৰাম বোল ৰাম বোল লোকাই ।
ৰাম নাম বিনা বান্ধৱ নাই ॥৪

পদ

অদ্ভুত ৰূপ দেখি ধনঞ্জয় ।
কম্পিল শৰীৰ ভৈলন্ত ভয় ॥
আত্মাক কৃষ্ণে দৰশন পাই ।
পড়ি প্ৰণামিলা মাথা দোঁৱাই ॥৩৯

অৰ্জ্জুনো দণ্ডৱতে পড়ি আগে।
নমিলা গৈয়া আতি অনুৰাগে ॥
বিষ্ণুৰ পৰম মহিমা দেখি।
কৰিলা কৰযোৰ দুয়ো সখি ॥৪০
দেখিয়া পাছে দুইকো চক্ৰপাণি।
হাসিয়া হেন বুলিলন্ত বাণী ॥
তোমৰা নৰ নাৰায়ণ দুই।
ভৈলা অৱতাৰ মনুষ্য হুই ॥৪১
ধৰ্ম্মক দ্বিজক ৰাখিৱে লাগি।
ব্ৰহ্মাদেৰে আসি নিলন্ত মাগি ॥
পৃথিবীৰ সবে ভাৰ সংহৰি।
আসা মোৰ ঠাইক সত্বৰ কৰি ॥৪২
তোমৰা দুইক দেখিবাক মন।
আনিলো সৱে দ্বিজ পুত্ৰগণ ॥
ভৈলো দেখা দেখি এ চিৰকালে।
পৃথিবীক এড়ি আসা সকালে ॥৪৩
যদি পূৰ্ণকাম দুয়ো তোমৰা।
সৃষ্টিৰ অৰ্থে আসি তপ কৰা ॥
হাসিয়া এহি বুলি চক্ৰপাণি।
ব্ৰাহ্মণৰ দশ ছৱালি আনি ॥৪৪
দিলন্ত কৃষ্ণ অৰ্জ্জুনৰ হাতে।
নমিলা পাছে দুয়ো প্ৰণিপাতে।
তোমাৰ আজ্ঞাক পালিবো স্বামী।
থাকিয়ো গৃহক লড়িলো আমি ॥৪৫

এহি বুলি কৃষ্ণ অৰ্জ্জুন দুই ।
উঠিলা ৰথত আনন্দ হুই ॥
ব্ৰাহ্মণৰ সৱে পুত্ৰক লৈলা ।
পুৰাণী পথে দ্বাৰকাক গৈলা ॥৪৬
পাছে ধনঞ্জয় প্ৰতিজ্ঞা পালি ।
দিলন্ত দ্বিজৰ দশো ছৱালি ॥
মৰা পুত্ৰগণ পায়া ব্ৰাহ্মণে ।
পৰম আনন্দ মিলিল মনে ॥৪৭
সভাৰ্য্যে ওলায়া যেন নাচন্ত ।
অৰ্জ্জুন ধন্য বুলি প্ৰশংসন্ত ॥
কৃষ্ণৰ প্ৰসাদে বীৰ বিজয় ।
এড়াইল দাৰুণ মৰণ ভয় ॥৪৮
বিষ্ণুৰ তেজ দেখি ধনঞ্জয় ।
ভৈলন্ত মনত আতি বিস্ময় ॥
পৌৰুষ পুৰুষক কিছু নুই ।
কৃষ্ণৰ প্ৰসাদে সমস্তে হুই ॥৪৯
এহি বুলি বীৰে দঢ়াইয়া মতি ।
একান্তে কৰিলা হৰি ভকতি ॥
এহি মতে হৰি জগত গুৰু ।
সম্যকে ভকতৰ কল্পতৰু ॥৫০
দুৰ্জ্জন জনৰ চিন্তিয়া মাৰ ।
লীলায়ে ভূমিৰ হৰিলা ভাৰ ॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে ।
কৰিয়ো কীৰ্ত্তন সমস্ত জনে ॥৫১

আতপৰে ধৰ্ম্ম নাহিকে আন।
ব্যাসৰ বচন বেদ প্ৰমাণ॥
হেন জানি সুখে গৃহতে থাকি।
হৰি হৰি বোলা সমাজে ডাকি॥৫২

ইতি বিপ্ৰ-পুত্ৰ আনয়ন সমাপ্ত।

—:*:—

## ত্ৰয়োবিংশ ভাগ

# দামোদৰ-বিপ্ৰোপাখ্যান

—০—

ঘোষা ৰাম হৰি গোপাল গোবিন্দ।
যদুমণি মুকুন্দ গোবিন্দ ॥১

পদ ॥ শুক নিগদতি শুনা কুৰুপতি
কৃষ্ণৰ আৰো চৰিত্ৰ।
আছিল দৰিদ্ৰে বিপ্ৰ দামোদৰ
বৈষ্ণৱ আতি পৱিত্ৰ ॥
কৃষ্ণে এৰে তান মহা মিত্ৰৰতি
পঢ়ন্তে গুৰু-গৃহত।
খাইবে খুন্টিবাক একোৱে নাহিকে
বস্ত্ৰ-হীন শৰীৰত ॥১
আতি পতিব্ৰতা তাহান ব্ৰাহ্মণী
দুঃখে দণ্ডে যুগ যায়।
কাম্পন্তে আসিয়া স্বামীক বুলিলা
মুখৰ মাত নোলায় ॥
শুনিয়োক স্বামী মন্দভাগী আমি
সহিবো কত নিকাৰ।
দ্বাৰকাত আছে প্ৰভু নাৰায়ণ
পৰম মিত্ৰ তোমাৰ ॥ ২
দীন-দায়াকৰা জগত ঈশ্বৰ
সাক্ষাতে লক্ষ্মীৰ পতি।

তোমাৰ নিকাৰ দেখিয়া দিবন্ত
অনেক ধন-সম্পত্তি ॥
তাহান চৰণ চিন্তে যিটো জন
আপোনাক দেন্ত তাক।
নকৰা বিমন পাইবা বহু ধন
নবাধিবা মোৰ বাক ॥ ৩
ভাৰ্য্যাৰ বচন শুনিয়া ব্ৰাহ্মণে
দৃঢ় কৰিলন্ত মতি ॥
কৃষ্ণ-দৰশনে মোৰ মহা লাভ
যাইবো দ্বাৰকাক প্ৰতি ॥
ভাৰ্য্যাক বোলন্ত যি পাৰা সন্দেশ
আনি দিয়া ঝাণ্টে উঠি।
শুনিয়া ব্ৰাহ্মণী মাগি অনিলন্ত
চাউল-চিৰা চাৰি মুঠি ॥ ৪
কানিৰ টুপলি বান্ধি আনি দিলা
ব্ৰাহ্মণে কাষত লৈলা।
কৃষ্ণৰ চৰণ দেখিবাক প্ৰতি
দ্বাৰকাক লাগি গৈলা ॥
কৃষ্ণক দেখিবে কত বেলি পাওঁ
মনে গুণি দ্বিজবৰ।
সেনাৰ বাঝুক ছড়াই তিনি দ্বাৰ
পাইলা গৈয়া অভ্যন্তৰ ॥ ৫
ষোড়শ হাজাৰ আৱাস প্ৰকাশে
বৈকুণ্ঠপুৰ-সমান।

যদুগণ যাত পশিবে নপাৰে
কৃষ্ণৰ ৰহস্য স্থান ॥
তাৰ এক গৃহ পশিলা ব্ৰাহ্মণ
কেহোৱে বাধন্তা নাই ।
সব্যা ভাৰ্য্যা সমে সোণাৰ খাটত
শুতি আছা যদুৰায় ॥ ৬
মিত্ৰক দেখিয়া ভাৰ্য্যাক এড়িয়া
উঠি আসি আথে বেথে ।
দুহাতে সাবটি ধৰিলা আনন্দে
তিনিয়ো লোকৰ নাথে ॥
সখিক আলিঙ্গি অতি প্ৰীতি পাইলা
আনন্দে লোতক ঝৰে ।
সোণাৰ খাটত বসুৱাইলা নিয়া
ধৰিয়া আতি সাদৰে ॥ ৭
আপুনি চৰণ ধুৱাইলা বিপ্ৰৰ
পাদোদক লৈলা শিৰে ।
সুগন্ধি চন্দন কুঙ্কুমে সখিৰ
ঘষিলা সব শৰীৰে ॥
দীপ ধূপ লগাই পূজিলা বিপ্ৰক
কৰ্পূৰ তাম্বুল দিয়া ।
সাদৰে চামৰে বিঞ্চন্ত বিপ্ৰক
সব্যা মাধৱৰ প্ৰিয়া ॥ ৮
দেখিয়া অন্তেষ পুৰৰ লোকৰ
বিস্ময় ভৈ গৈল পাছে ।

ইটো মহা দুঃখী ভিক্ষুক ব্ৰাহ্মণে
কত পুণ্য কৰি আছে ॥
ত্ৰৈলোক্যৰ গুৰু লক্ষ্মীৰ নিবাস
আপুনি সেৱন্ত যাক ।
ভাৰ্য্যাক এড়িয়া তাঙ্ক আলিঙ্গন্ত
যেহেন শ্ৰেষ্ঠ দাদাক ॥ ৯

ঘোষা ॥ যাদৱানন্দ দয়াশীল ৰাম ।
হৰি হৰি দয়াশীল কেশৱ গোপাল ॥ ২

পদ ॥ পাছে হৰি হাস্য কৰি সখীৰ হাতত ধৰি
সুধিলন্ত কৰি সতকাৰ ।
গুৰুৰ গৃহৰ তথা সুমৰা পুৰণি কথা
যেন ভৈল আমাৰ নিকাৰ ॥
গুৰু-পত্নীগণে আসি আমাক বুলিলা হাসি
খড়ি লুড়ি দিয়ো শিষ্যগণ ।
আমি সবো হেন শুনি কটিত বান্ধিয়া ভুনি
আনন্দে লড়িলো ৰঙ্গমন ॥ ১০
অৰণ্যৰ পশি সান্ধি খড়ি লুড়ি বোজা বান্ধি
গৃহক চলিলো ৰঙ্গমনে ।
যাওঁ কথা-মাতে হাসি আকস্মিতে তৈতে আসি
পাইলে মহা বাত-বৰিষণে ॥
গৰ্জ্জনতে ভূমি লড়ে ঘনে ঘনে বজ্ৰ পড়ে
খাল বাম সম ভৈল আতি ।

নাকলিয়া একো পথ সূৰ্য্য পাছে গৈল অস্ত
ভৈল ঘোৰ অন্ধকাৰ ৰাতি ॥ ১১
পাছে আমি সবে শিষ্য নাকলিলো একো দিশ
বাত বৃষ্টি পীড়িলে আমাক ।
কাম্পে তনু তৰতৰি অন্যো অন্যে হাত ধৰি
বাট নপাই তৈতে ফুৰো পাক ॥
মাথাত খড়িৰ বোজা যান নাযায় একো খোজা
ফুৰন্তে ৰজনী গৈল ক্ষয় ॥
নযাওঁ কেহো কাকো এড়ি কিৰণে আন্ধাৰ ফেড়ি
ভৈল আসি আদিত্য উদয় ॥ ১২
সান্দীপনি দ্বিজৰাজে বিচাৰিয়া বন মাজে
ভৈল আসি আমাক প্ৰত্যেক ।
জাৰে কাম্পে শিষ্য যত শৰীৰত নাহি তত
দেখি খেদ কৰিলা অনেক ॥
আমাক বোলন্ত বাক শুনা সবে শিষ্যজাক
মোৰ পদে কিনো দুঃখ ভৈল ।
প্ৰাণতো এড়িলা আশ খপিলাহা বনবাস
গুৰুঋণ সবে সুজা গৈল ॥ ১৩
শুনা শিষ্য নিৰন্তৰ তুষ্ট হুয়া দিওঁ বৰ
জানা সব শাস্ত্ৰ এতিক্ষণে ।
পূৰ্ণ ভৈল মনোৰথ গৃহক ধৰিলো পথ
পাছে আমি সবে শিষ্যগণে ॥
আনো দুঃখ নানা মত গুৰু গৃহে পাইলো যত
প্ৰাণ সখি সুমৰাহা তাক ।

হেন শুনি দ্বিজবৰে কৰযোড়ে অনন্তৰে
কৃষ্ণক বুলিলা মৃদু বাক ॥ ১৪
শুনিয়োক পৰমব্ৰহ্ম আমাৰ সাফল জন্ম
সমস্ত পাতক ভৈল নাশ।
যি হেতু জগত-স্বামী তোমাৰ লগত আমি
গুৰু গৃহে কৰিলো নিবাস ॥
কাম মোক্ষ ধৰ্ম্ম অৰ্থ পাৱে আন মনোৰথ
যিটো চিন্তে তোমাৰ চৰণ।
আপুনি নিৰ্ম্মিলা শাস্ত্ৰ তাকো পঢ়া হুয়া ছাত্ৰ
ইটো কিনো ভৈল বিড়ম্বন ॥ ১৫

ঘোষা ॥ যদুৰায় চৰণে শৰণ দিয়ো।
জগজীৱ সেৱক পালিয়া নিয়ো ॥ ৩

পদ ॥ হেন শুনি হাসি বিপ্ৰত পুছন্ত
সৰ্ব্বজান হৃষীকেশ।
আমাক লাগিয়া আনি আছা যিবা
দিয়োক সখি সন্দেশ ॥
ভকত সকলে পূজে ফুলে জলে
তুষ্ট হওঁ তাকে পাই।
অভকতে যদি নানা দ্ৰব্য দেই
তাতো মোৰ তুষ্টি নাই ॥ ১৬
হেন জানি মিত্ৰ দিয়োক আমাক
যিবা দ্ৰব্য আছা আনি।

পৰম সঙ্কোচ ভৈল দ্বিজবৰ
কৃষ্ণৰ শুনিয়া বাণী ॥
চউল-চিৰা মুঠি নেদন্ত কৃষ্ণক
লাজে চপৰাই মাথ।
হেন দেখি পাছে মনত গুণয়
তিনিয়ো লোকৰ নাথ ॥ ১৭
ইটো দ্বিজবৰে পূৰ্ব্বতো আমাক
লক্ষ্মী কামে নাৰাধিলা।
ভাৰ্য্যাৰেসে প্ৰীতি সাধিবাক প্ৰতি
আমাৰ ঠাইক আসিলা ॥
মনুষ্য দুৰ্ল্লভ পৰম সম্পদ
দিবো আঙ্ক আজি আমি।
কানিৰ টুপলি বিচাৰি আনিলা
আপুনি জগত-স্বামী ॥ ১৮
ইটো কি বুলিয়া টুপলি মেলিয়া
সখিক বুলিলা বাক।
ইটো চাউল-চিৰা জগতে সহিতে
তৃপিতি কৰে আমাক ॥
এহি বুলি হৰি এক মুঠি ধৰি
ভুঞ্জিলন্ত আনন্দত।
আউৰ মুঠি ধৰি খাইবাক খোজন্তে
ধৰিলা লক্ষ্মী হাতত ॥ ১৯
যত লাগে মানে সবে সম্পত্তিক
এহি মুঠি দিবে পাৰে।

নাথায়োক আৰ বুলি লক্ষ্মী মাৰে
স্বামীক বুজাইলা ঠাৱে ॥
যেন শুনি হৰি চাউল-চিৰা এড়ি
থাকিলা হাসি নমাতি।
দিব্য ভোগ ভুঞ্জি কৃষ্ণৰ গৃহতে
ব্ৰাহ্মণো বঞ্চিলা ৰাতি ॥ ২০
শয়নক লাগি স্বৰ্ণ খাটত
বিচাই দিলা হংস তুলি।
মহা সুখে তাতে শুতিয়া আছিলা
আজি স্বৰ্গ পাইলো বুলি ॥
প্ৰভাততে উঠি লড়িলা ব্ৰহ্মণ
কৃষ্ণত মাগি মেলানি।
সখিক ধৰিয়া মাধৱে অনেক
বুলিলা মধুৰ বাণী ॥ ২১
আগ বঢ়াই নিয়া গৃহক পঠাইল
ব্ৰাহ্মণ চলিলা সুখে।
কৃষ্ণে নিদিলন্ত নুখুজিলা ধন
ব্ৰাহ্মণো আপোন মুখে ॥
মনত গুণন্ত দ্বিজত ভকতে
কিনো দেৱ বনমালী।
কোথেৰ দৰিদ্ৰ মঞি পাপী মোক
ধৰিলন্ত আঙ্কোৱালি ॥২২
আপোনাৰ খাটে নিয়া বসুৱাইলা
ঘষি ধুৱাইলন্ত ভৰি।

শ্ৰম দেখি লক্ষ্মী আপুনি বিঞ্চিলা
চামৰক কৰে ধৰি ॥
তিনিও লোকৰ ঐশ্বৰ্য্যক পাৱে
অৰ্চ্চিয়া যাৰ চৰণ ।
আমাৰ কুৎসিত সন্দেশকো খাইল
হেন প্ৰভু নাৰায়ণ ॥২৩
দৰিদ্ৰ ব্ৰাহ্মণে ধন পাইলে মোক
পাসৰিবে সমুদায় ।
এহি বুলি ধন নেদিলে আমাক
জানিলো কৃষ্ণ গোসাঁই ॥
হেন গুণি গান্থি যাহন্তে গৃহৰ
সমীপ পাইলন্ত পাছে ।
চন্দ্ৰ সূৰ্য্য সম অনেক বিমান
দেখন্ত তহিতে আছে ॥২৪
দিব্য উপবনে পড়ি পক্ষীগণে
সুললিত ৰাৱ তেজে ।
দীঘি সৰোবৰ পুষ্পিত উৎপল
প্ৰফুল্ল পঙ্কজে ৰঞ্জে ॥
দিব্য নৰ-নাৰী গণ ফুৰে তৈতে
পিন্ধি বস্ত্ৰ অলঙ্কাৰ ।
দেখিয়া ব্ৰাহ্মণে বিস্ময় ভৈলন্ত
ইটো দিব্য পুৰী কাৰ ॥২৫
মুহি মোৰ গৃহ কৈক আইলো বুলি
থমকি আছন্ত চাই ।

নৰ নাৰীগণো বিপ্ৰক বেঢ়িল
দিব্য বাদ্য ভগু বাই ॥
স্বামী আসিবাৰ শুনিয়া ব্ৰাহ্মণী
গৃহৰ বজাইল ৰঙ্গে।
সালঙ্কৃতা দাসী সহস্ৰেক বেঢ়ি
যোগানে লড়িলা সঙ্গে ॥২৬
দিব্য আভৰণে ভূষিতা সুন্দৰী
যাহন্ত যেন নাচন্তে।
ৰূপ ধৰি লক্ষ্মী যেন বাজ ভৈল
আপোন থানৰ হন্তে ॥
দিব্য পৰিচ্ছদে আগ বাঢ়ি আসি
স্বামীক দেখিলা গই।
আনন্দে লোতক বজাই আখি মুদি
থাকিলা থমিক ৰই ॥ ২৭
পতিক বুদ্ধিয়ে নমিলা ব্ৰাহ্মণী
মনে ধৰি আলিঙ্গিলা।
কন্যাগণ মধ্যে প্ৰকাশন্ত সতী
ভাৰ্য্যাকো দ্বিজে দেখিলা ॥
ভৈলা মহা প্ৰীতি ভাৰ্য্যায়ে সহিতি
এক ঠাই হুয়া আছে।
পৰম আনন্দে পশিলা মন্দিৰে
দ্বিজবৰ দিব্য কাছে ॥ ২৮

—•—

ঘোষা ॥ ত্ৰাহি ৰাম নিৰঞ্জন জীৱৰ জীৱন
মুকুন্দ ৰাম মুৰাৰি ।
তোমাৰ চৰণে, পশিলো শৰণে
নিয়োক মোক উদ্ধাৰি ॥ ৪

পদ ॥ সুবৰ্ণ কুৰলী মৰকত থলী
স্ফটিকৰ দ্বাৰ বাৰ ।
ৰত্নময় স্তম্ভ গৃহৰ আৰম্ভ
দেখি ভৈলা চমৎকাৰ ॥
দুগ্ধ-ফেন-সম শয্যা সব আছে
সোণৰ খাটে বিছাই ।
সুৱৰ্ণ আসন ভাজন যতেক
তাৰ সীমা সংখ্যা নাই ॥ ২৯
চন্দ্ৰতাপ সব টানিয়া আছয়
মুকুতাৰ মালা আঁৰি ।
দিব্য কন্যাগণে যাতায়াত কৰে
শুনি নূপুৰৰ সাৰি ॥
ৰত্নৰ অনেক প্ৰদীপ প্ৰকাশে
নজানয় ৰাত্ৰি দিন ।
ইন্দ্ৰতো অধিক পাইলা সমৃদ্ধিক
গুচিল দৰিদ্ৰ চিন ॥ ৩০
কৃষ্ণৰেসে কৃপা বোলন্ত ব্ৰাহ্মণে
আত নাহি আন হেতু ।
ভকতৰ অল্প বস্তুক বিস্তৰ
কৰন্ত গৰুড়কেতু ॥

আমাৰ সন্দেশ খাইলা হৃষীকেশ
চাউল চিৰা একমুঠি ।
এতেকতে মোক মহা সম্পত্তিক
দিলন্ত পৰম তুষ্টি ॥ ৩১
তাহান চৰণে সৌহৃদ্য সখিত্ব
মিত্র ভাব নুগুচোক।
জন্মে জন্মে মই তান দাস হৈবো
মোক মোহে নলজ্যোক ॥
এহি বুলি দ্বিজে ভুঞ্জিলা পৰম
ভোগ্যক পত্নী সহিত ।
কিছু কিছু কৰি বিষয় এড়ন্ত
কৃষ্ণত অৰ্পিয়া চিত্ত ॥৩২
অজিত বিষ্ণুক ভকতেসে জিনে
জানি দ্বিজ দামোদৰ ।
এক চিত্ত মনে কৃষ্ণৰ চৰণে
ভৈলন্ত ধ্যান তৎপৰ ॥
দৃঢ় ভক্তি কৰি ছিণ্ডি মোহ জৰী
কৰ্ম্ম বন্ধে ভৈলা হীন ।
পায়া মহোদয় দেখি ব্ৰহ্মময়
বিষ্ণুতে গৈলন্ত লীন ॥৩৩
পৰম পুৰুষ প্ৰভু নাৰায়ণ
ভকতৰ যেন নিধি ।
তাহান চৰণে ভকতি কৰিলে
অৱশ্যে হুইবেক সিদ্ধি ॥

মাধৱৰ ইটো পৱিত্ৰ কথাক
শুনিবে যাৰ প্ৰৱন্ধ ।
কৃষ্ণৰ চৰণে তাৰ ভক্তি বাঢ়ে
এড়াই সিটো কৰ্ম্ম বন্ধ ॥৩৪
ভণিল শঙ্কৰে কৃষ্ণৰ কীৰ্ত্তন
কৰিয়ো সবে সমাজে ।
ইটো কলি যুগে আন গতি নাই
হৰিৰ নামত বাজে ॥
বৃথা আয়ু যায় কৰিয়ো লোকাই
বৈকুণ্ঠ যাইবাৰ কাম ।
মায়াময় ইটো বিষয় এড়িয়া
ডাকি বোলা ৰাম ৰাম ॥৩৫

ইতি দামোদৰ বিপ্ৰোপাখ্যান সমাপ্ত ॥

চতুৰ্বিংশ ভাগ

# দৈৱকী-পুত্ৰ আনয়ন

ঘোষা ॥ ৰাম মাধৱ মুৰাৰী।
কৃষ্ণ মুকুন্দ দৈত্যাৰি ॥১

পদ ॥ শুক মুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
পাপৰ অন্তক ইটো কৃষ্ণৰ চৰিত ॥
অনন্তৰে দৈৱকী শুনিলা হেন বাণী।
গুৰুৰ মৃতক পুত্ৰ কৃষ্ণে দিলা আনি ॥১
হুয়া মহা বিস্ময় গুণন্ত বৰ নাৰী।
মোৰ ছয় তনয়ক কংসে আছে মাৰি ॥
হৃদয় ব্যাকুল কৰে তাসম্বাক স্মৰি।
চক্ষুৰ লোতক আতি পৰে সৰসৰি ॥২
মুখবো নোহ্লায় মাত গদ গদ বাণী।
বুলিলা বচন ৰাম গোবিন্দক আনি ॥
শুনিয়োক ৰাম শুনিয়োক দামোদৰ।
জানিলো তোমাৰা দুই জগত-ঈশ্বৰ ॥৩
প্ৰজন্তাৰো স্ৰষ্টা তুমি পৰম পুৰুষ।
কাৰ্য্যতে লক্ষিলো দুয়ো মুহিকা মানুষ ॥
খণ্ডিবাক লাগি পৃথিবীৰ মহাভাৰ।
মোহোৰ গৰ্ভত আসি ভৈলা অৱতাৰ ॥৪
জগত নিৰ্ম্মাণ কৰে তোমাৰেসে মায়া।
জানিয়া শৰণ লৈলো কৰিয়োক দায়া ॥

মৰা পুত্ৰ গুৰুৰ যমৰপৰা আনি ।
দিলাহা দক্ষিণা যেনমতে চক্ৰপাণি ॥৫
হেনমতে মোৰো মনোৰথ কৰা সিদ্ধি ।
পৰম ঈশ্বৰ দুয়ো বিধাতাৰো বিধি ॥
কংসে মাৰিলেক মোৰ পুত্ৰ ছয় গুটি ।
তাসম্বাক স্মৰি মোৰ প্ৰাণ যায় ফুটি ॥৬
তোমাসাৰ প্ৰসাদে দেখিবে যেৱে পাওঁ ।
তেবেসে দাৰুণ শোক সন্তাপ এড়াওঁ ॥
মাৱক মাতিলা ৰাম কৃষ্ণ দুই ভাই ।
আনি দিবো পুত্ৰগণ চিন্তা এড়া আই ॥৭
এহি বুলি ৰাম কৃষ্ণে যোগমায়া বলে ।
একে নিমিষেকে গৈয়া পশিল সুতলে ॥
ত্ৰৈলোক্য মোহন দিব্য ৰূপ হৃষীকেশ ।
বলিৰ সভাত গৈয়া ভৈলন্ত প্ৰৱেশ ॥৮
দেখে দৈত্যপতি আসিলন্ত বনমালী ।
আথেবেথে সমাজে উঠিলা গাৱ চালি ॥
আনন্দে আকুল ভৈলা কৃষ্ণ দৰশনে ।
সবংশে পড়িলা গৈয়া কৃষ্ণৰ চৰণে ॥৯
জগতৰে আত্মা মোৰ পৰম দৈৱত ।
কিনো মহাভাগ্য আসি ভৈলা উপগত॥
পৰম হৰিষে নয়নৰ পৰে পানী ।
মাথাত কৰিয়া সিংহাসন দিলা আনি ॥১০
বলভদ্ৰ সহিতে বসিলা তাতে হৰি ।
দুইৰো পাৱ পখালিলা বলি হাতে ধৰি ॥

সবংশে শিৰত আনি লৈলা পাদোদক ।
দিব্য বস্ত্ৰে ভূষণে অৰ্চ্চিলা মাধৱক ॥১১
বহুবিধ সন্দেশ অমৃত ভক্ষ দিলা ।
সবান্ধৱে আপোনাক কৃষ্ণতে অৰ্পিলা ॥
ভণিল শঙ্কৰে ধৰি কৃষ্ণৰ চৰণে ।
ৰাম ৰাম ঘোষিয়োক সভাসদগণে ॥১২

—০—

ঘোষা ॥ স্বামী মোক পাৰ কৰা করুণাসিন্ধু
সংসাৰ-সাগৰে ।
আউৰ আন গতি নাহিকে মাধৱ
বান্ধৱ তোমাত পৰে ॥২

পদ ॥ পাছে গোবিন্দক দেখি দৈত্যেন্দ্ৰৰ
আনন্দে চিত্ত নধৰে ।
উপজিল ভাৱ শিহঁৰিল গাৱ
নেত্ৰৰ লোতক ঝৰে ॥
দুইহাতে কৃষ্ণৰ চৰণে ধাৰয়া
তাতে মাথা থাপি থৈলা ।
গদগদ বাণী মুখৰ নোহ্লায়
স্তুতি কৰিবাক লৈলা ॥১৩
প্ৰণামো অনন্ত মহন্ত বিধাতা
প্ৰণামো কৃষ্ণ-চৰণে ।
সাংখ্য যোগ যিটো কৰিলা বিস্তাৰ
ব্ৰহ্মৰূপী নাৰায়ণে ॥

তথু দৰশন যদ্যপি দুৰ্ল্লভ
সুবুদ্ধি তোমাৰ লীলা।
আমি তামসিক অসুৰ জাতিৰ
গৃহতে আসি মিলিলা ॥১৪
ৰাক্ষস দানৱ দৈত্য ভূতচয়
পিশাচ প্ৰমথপতি।
তোমাক বিৰোধ কৰি অপ্ৰয়াসে
পাইলেক পৰম গতি ॥
দ্বেষত ভয়ত যিটো সিদ্ধি পাইলে
তামসিক দৈত্যজাক।
তোমাৰ লগত থাকিয়া সততে
দেৱে নপাৰন্ত তাক ॥১৫
আমাৰ পৰোক্ষ বান্ধৱ তুমিসি
মাধৱ জানিলো আমি।
হেন জানি মোত হুয়োক সন্তোষ
তিনিয়ো লোকৰ স্বামী ॥
গৃহ-অন্ধ-কূপে পড়ি আছো নাথ
কিমতে আক এড়াওঁ।
ফল-মূল ভুঞ্জি তোমাৰ চৰণ
চিন্তিয়া যেন বেড়াওঁ ॥১৬
তথু নাম মোৰ মুখে নছাড়োক
নেড়োক চিত্তে চৰণ।
হেন মনোৰথ সাধিয়ো মাধৱ
তোমাত লৈলো শৰণ ॥

ঐশ্বৰ্য্য জঞ্জাল নলাগে আমাক
ছিণ্ডা মোৰ মোহ-পাশ।
কৰা প্ৰভু দায়া জন্মে জন্মে হৈবো
তোমাৰ দাসৰো দাস ॥১৭
আজ্ঞা কৰিয়োক জীৱৰ ঈশ্বৰ
সম্প্ৰতি কি কৰো আমি।
হেন শুনি হাসি বলিক মাতিলা
তিনিয়ো লোকৰ স্বামী ॥
মৰীচিৰ ছয় আছিল তনয়
প্ৰথম মনুৰ দিনে।
ভৈলা সবে দেৱ তাসম্বাৰ আৱে
নাম শুনা ভিনে ভিনে ॥১৮
স্মৰ পৰিষ্বঙ্গ উদ্গীথ পতঙ্গ
ক্ষুদ্ৰভ্ৰূক আৰো ঘৃণি।
এহি ছয় জন পৰম পৱিত্ৰ
আছে কাম ক্ৰোধ জিনি ॥
যৈসানি ব্ৰহ্মায়ে নিজ দুহিতাক
ক্ৰীড়া কৰিবাক চান্ত।
দেখি ছয়ো জনে ব্ৰহ্মাক নিন্দিয়া
উপহাস্য কৰিলন্ত ॥১৯
অসুৰ যোনিক যাহা বুলি ব্ৰহ্মা
শাপ দিলা কোপ মনে।
হিৰণ্যকশিপু দৈত্যৰ তনয়
ভৈলা আসি ছয়োজনে ॥

পাছে দৈৱকীৰ গৰ্ভতে ছয়োক
ওপজায়া যোগ-মায়া ।
ধৰি কংস ৰায় সবাকো বধিলা
অধৰ্ম্ম একো নচায়া ॥২০
সম্প্ৰতি তোমাৰ কাষতে আছন্ত
ছয়ো মোৰ শ্ৰেষ্ঠ ভাই ।
আসম্বাক লাগি সদায়ে ক্ৰন্দন
কৰন্ত দৈৱকী আই ॥
সবাহাঙ্কে আজ দ্বাৰকাক নিবো
গুচাইবো মাৱৰ শোক ।
মোহোৰ প্ৰসাদে শাপ এড়াই আজি
ছয়ো যাইবে স্বৰ্গলোক ॥২১
এহিসে কাৰণে তোমাৰ পাশক
আসি আছো দৈত্য-পতি ।
শুনি বলি উঠি ছয়োক আগতে
যোগাইলা কৰি ভকতি ॥
কৃষ্ণৰ চৰণ দুহাতে ধৰিয়া
শিৰতে অৰ্চ্চিলা তুলি ।
আজিসে সমস্ত পাপ দূৰ ভৈল
জন্ম সাফলিলো বুলি ॥২২
শুনা সৰ্ব্বজন এড়ি আন মন
স্থিৰ কৰি এক মতি ।
কৃষ্ণ নাম বিনা ইটো কলিযুগে
নাহি নাহি আন গতি ॥

জানিয়া কৃষ্ণৰ চৰণে শৰণ
পশিয়ো সুদৃঢ় মতি।
বোলা ৰাম ৰাম ছাড়ি আন কাম
লভিবা পৰম গতি ॥২৩

---

ঘোষা ॥ কমল-লোচন কলুষ মোচন ॥৩

পদ ॥ পাছে বলি ৰায়ক আশ্বাস কৰি।
সবাহাঙ্কে লৈয়া উঠিলা হৰি ॥
দ্বাৰকাপুৰ পশি মহাভাগে।
ছয়ো ভাইক দিলা মাতৃৰ আগে ॥২৪
ছয়ো ছৱালক দৈৱকী দেখি।
পৰম আনন্দে চান্ত নিৰীক্ষি ॥
নিশ্চয়ে সবে মোৰ পুত্ৰ বুলি।
লৈলন্ত সবাকো কোলাত তুলি ॥২৫
পুত্ৰৰ স্নেহে স্ৰৱে দুয়ো স্তন।
কৰন্ত পুত্ৰৰ মুখ চুম্বন ॥
উৎসুকে পুত্ৰক পিয়াস্ত ক্ষীৰ।
ঘ্ৰাণন্ত ঘনে ঘনে পুত্ৰ শিৰ ॥২৬
আনন্দে দৈৱকী যেন নাচন্ত।
ইগুটি থৈয়া আৰ গুটি লন্ত ॥
বিষ্ণুৰ মায়ায়ে মোহিত চিত্ত।
দৈৱকী ভৈলা আতি আনন্দিত ॥২৭

একে দৈৱকীৰ স্তন বিশেষ।
কৃষ্ণৰ আৰো পীত অৱশেষ॥
সন্তোষে তাক পিলা ছয়োজনে।
কৃষ্ণৰ আৰো অঙ্গ পৰশনে ॥২৮
ঘোৰ ব্ৰহ্ম-শাপ তাহাকে তৰিল।
আমি দেৱ হেন ইটো স্মৰিল॥
পিতৃক মাতৃক কৰি বন্দন।
পড়ি প্ৰণামিলা কৃষ্ণ চৰণ ॥২৯
বলিৰ চৰণে কৰিয়া সেৱ।
স্বৰ্গক পাছে যান্ত ছয়ো দেৱ॥
চাহি আছে লোকে নিজম পড়ি।
ছয়োজনে যায় বিমানে চড়ি ॥৩০
দেখিয়া দৈৱকী ভৈল বিস্ময়।
আসিল মোৰ মৰা পুত্ৰ ছয়॥
স্বৰ্গক গৈল মোৰ স্তন খায়া।
জানিলো সকলে কৃষ্ণৰ মায়া ॥৩১
বোলন্ত শুকে শুনা পৰীক্ষিত।
কৃষ্ণৰ অদ্ভুত লীলা চৰিত॥
অনন্ত বীৰ্য্যৰ যত মহিমা।
কোনে কহি পাৰে তাহাৰ সীমা ॥৩২
পৰম মঙ্গল হৰি চৰিত্ৰ।
জগতৰে ইটো হৰে দুৰিত॥
যিবা জনে আক শুনে শুনাৱে।
কৃষ্ণৰ প্ৰসাদে মোক্ষক পাৱে ॥৩৩

কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে ।
কৰিয়ো কীৰ্ত্তন সমস্ত জনে ॥
কলিযুগে ইটো মহা উপায় ।
হৰিনাম লৈলে মুকুতি পায় ॥৩৪
বেদান্তৰো তত্ত্ব শুকৰ বাণী ॥
জানি হেলা এড়া সমস্তে প্ৰাণী ॥
যেবে সুখে যাইবা বৈকুণ্ঠ পুৰি ।
সদায় ডাকিয়া ঘোষিয়ো হৰি ॥৩৫

ইতি দৈৱকীৰ পুত্ৰ আনয়ন সমাপ্ত ॥

—ঃ*ঃ—

পঞ্চবিংশ ভাগ

## বেদ-স্তুতি

ঘোষা ॥ এ হৰি ৰাম হৰি অনন্ত মুৰাৰি।
ভকত বৎসল নিয়ো সেৱক উদ্ধাৰি ॥১

পদ ॥ জগত সহংৰি শুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে বাজ ভৈলা বেদগণ ॥
জগাইল বিষ্ণুক স্তুতি কৰি ভক্তি ভাৱে।
যেন-নট ভাটে চক্ৰৱৰ্ত্তীক জগাৱে ॥১
জয় জয় হৌক হৰি আনন্দ প্ৰকাশ।
সমস্তে জীৱৰ কৰা মায়াক বিনাশ ॥
তুমিসি সবাকে দিয়া চৈতন্য শকতি।
আমি বেদগণে আত প্ৰমাণ সম্প্ৰতি ॥২
দশ দিগপাল সমে জগত সমস্ত।
তোমাতেসে উপজে তোমাতে যায় অস্ত ॥
আতেসে সমস্ত ব্ৰহ্ম মন্ত্ৰগণে বড়ে।
যেন যৈত ভৰি দিলে পৃথিবীত পড়ে ॥৩
তুমিসি পৰম তত্ত্ব জানি জ্ঞানীগণে।
ছাড়ে পাপ তযু গুণ শ্ৰৱণ কীৰ্ত্তনে ॥
আনন্দ ব্ৰহ্মক যিটোজনে ভজে স্বামী।
তাহাৰ মহিমা আৰ কি কহিবো আমি ॥৪
মনুষ্য শৰীৰ পায়া যিটো নৰগণ।
নকৰে তোমাৰ যদি শ্ৰৱণ কীৰ্ত্তন ॥
বিফলে জনম গৈল ভৈল সৰ্ব্বনাশ।
জীৱন্ততে মৰা সিটো ভাথিৰ নিশ্বাস ॥৫

শৰীৰৰ ছয় চক্র চিন্তে যিটোজন।
তাহাৰ গুচোৱা মৃত্যু ভয় নাৰায়ণ॥
হৃদি-গত কৰি হৰি সম্প্রতি তোমাক।
কৰোহো উপাসা আমি সবে বেদ-জাক ॥৬
আপুনি স্রজিলা চৰাচৰ দেহা যত।
সমস্তে ঐশ্বৰ্য্য ভাৱে আছা সমস্তত॥
জীৱ অংশে তুমি প্রৱেশিলা গাৱে গাৱে।
আবে আমি তোমাক ভজোহো সৰ্ব্বভাৱে ॥৭
তোমাৰেসে অংশ আমি যত জীৱ-জাক।
তোমাৰ মায়ায়ে প্রভু বান্ধিলে আমাক॥
দিয়ো উপদেশ ভজো তোমাৰ চৰণে।
মায়াৰ বন্ধন ছিণ্ডো শ্রৱণ-কীৰ্ত্তনে ॥৮
জ্ঞান অভ্যাসকো কেহো নেদেখি বিশেষ।
শ্রৱণ-কীৰ্ত্তনে তৰে সংসাৰৰ ক্লেশ॥
তোমাৰ ভক্তৰ সঙ্গ পায়া অনুপম।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ কৰে তৃণ সম ॥৯
তুমিসি পৰম প্রিয় আত্মা নাৰায়ণ।
তযু পদ পঙ্কজে মজোক মোৰ মন॥
ভাৰতে মনুষ্য জন্ম নুহিকে সেহ্নৰে।
তোমাক নভজি আত্মাঘাত কৰি মৰে ॥১০
প্রেমভাৱে দুৰ্ল্লভ যে তোমাক স্মৰণ।
যেন তেন মতে কৰো শ্রৱণ-কীৰ্ত্তন॥
সদায় থাকোক মোৰ মন তযু পাৱে।
বোল হৰি হৰি আৰে প্রাণ থাকে যাৱে ॥১১

ঘোষা ॥ হৰি হৰিয়ো ক্লেশ হে
হৃষীকেশ করুণাসাগৰ।
মায়া-মহোদধি মাঝে মজিলোহো
মাধৱ মোক উদ্ধাৰ ॥২

পদ ॥ বুদ্ধি অহঙ্কাৰে আৱৰিলে আতি
মহামূঢ় ভৈলো স্বামী।
তোমাৰ অখণ্ড আনন্দ-ৰূপক
কিমতে জানিবো আমি ॥
দীন-দায়াশীল দিয়ো উপদেশ
তোমাৰ চৰণে ধৰো।
শ্ৰৱণ-কীৰ্ত্তন স্মৰণ-ভক্তিক
সদায়ে যিমতে কৰো ॥১২
মিছা তৰ্কবাদে ভৈলো অন্ধকাৰ
তাতে ভ্ৰমো মন্দ-মতি।
তযু জ্ঞান পন্থ খুজিয়া নপাওঁ
কৰা হৰি মোৰ গতি ॥
তযু নাম গুণ মুখে নছাড়োক
কৃপা কৰা চক্ৰপাণি।
মাধৱ বামন গোবিন্দ বোলন্তে
মুকুত হৈবো কৈসানি ॥১৩
তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসন্ত।
জগততো সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত ॥

এতেকেসে জ্ঞানী- গণে অৱশেষ
জগতকে বোলে হৰি।
আৰে জগজীৱ তোমাৰ চৰণে
ভজো হৃদয়ত ধৰি ॥১৪
যত তপ আছে সমস্তে কৰোক
পঢ়োক পৰ্ব্বতে উঠি।
সমস্তে তীৰ্থত স্নানিয়া ফুৰোক
বেদক পঢ়োক তুষ্টি ॥
যত যজ্ঞ আছে সমস্তে যজোক
কৰোক যোগ অভ্যাস।
হৰিৰ কীৰ্ত্তন নকৰি তথাপি
নেৰায় মৃত্যুৰ ত্ৰাস ॥১৫
নাহি দেহেন্দ্ৰিয় সমস্তে কৰ্ত্তাৰ
শক্তিক ধৰা অকলে।
তুমিসি সৰ্ব্বজ্ঞ তুমি সৰ্ব্বকৰ্ত্তা
তোমাক সেৱে সকলে ॥
যেন চক্ৰৱৰ্ত্তী ৰাজাক যোগাৱে
সামৰাজে কৰ-ভাৰ।
ব্ৰহ্মা আদি কৰি দেৱৰ ঈশ্বৰ
তযু পাৰে নমস্কাৰ ॥১৬
তোমাৰেসে মায়া- কৰ্ম্মে বন্দী হুয়া
সংসাৰে উপজো মৰো।
দুঃখ সাগৰত ত্ৰাণ কৰা হৰি
তোমাৰ চৰণে ধৰো ॥

তুমি অন্তৰ্য্যামী সমস্ত লোকৰ
তুমি মহেশ্বৰ দেৱ।
তুমিসি সৰ্ব্বজ্ঞ নৃসিংহ তোমাক
মনে কৰো আমি সেৱ ॥১৭
সংসাৰ চক্ৰক কৰৱতে ছিণ্ডে
নেড়ে মোহ শোক ভয়।
তোমাৰ চৰণে পশিলো শৰণে
ৰক্ষা কৰা কৃপাময় ॥
তুমি মহা গুৰু তোমাৰ চৰণে
মন যদি লৱে বাস।
তোমাৰ কৃপায়ে সবে সিদ্ধি হৈব
নলাগে জ্ঞান অভ্যাস ॥১৮
তুমি আত্মা হেন জানিয়া তোমাক
চিত্তে ভজে যিটোজন।
তুচ্ছ পুত্ৰ-দাৰা- বিষয়-ভোগত
নাহি তাৰ প্ৰয়োজন ॥
তোমাৰ নামক মুখে ফুৰে গাই
হিয়ে তযু ৰূপ ধৰি।
শুনে মানে ধ্বনি পলায় পাতক
ডাকি বোলা হৰি হৰি ॥১৯

ঘোষা ॥ **ৰাম হৰি করুণাময় তোমাৰ চৰণে ভজো।**
**স্বামী ছুনাই যেন সংসাৰে নমজো ॥৩**

পদ ॥ তোমাৰ চৰণ-চিন্তি যথাত ভকত থাকে
সেহি পুণ্য সেহি তীৰ্থ-স্থান।
তোমাৰ অমৃত কথা ধাৰায়ে বহয়ে যথা
তাক যিটো জনে কৰে পান ॥
এড়ায় সংসাৰ-ক্লেশ কুৎসিত বিষয়-সুখ
তাসম্বাৰ নুহি অভিলাষ।
একবাৰ মাত্ৰ তয়ু চৰণ চিন্তিলে যিটো
তাৰ সুখ নুহি গৃহবাস ॥২০
অসন্ত জগতখান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।
কৰ্ম্ম-জড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজে অভিপ্ৰায় ॥
তোমাৰ অদ্বৈত ৰূপ পৰম আনন্দ-পদ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰো দাস জানি আৱে নৰহৰি
আমাক নেড়িবা কদাচিত ॥২১
মুকুট কুণ্ডল যেন সুৱৰ্ণৰ ভিন্ন নুহি
মিছা মাত্ৰ নাম-ৰূপ যত।
অহঙ্কাৰ পঞ্চ ভূত তোমাত পৃথক নুহি
প্ৰভু পৰমাৰ্থ-বিচাৰত ॥
তোমাৰ কটাক্ষ দৃষ্টি পায়া নৃত্য কৰে মায়া
ভৰি তুলি মৰ্দ্দে মোৰ মাথ।

পৰম আতুৰ হুয়া তোমাত শৰণ লৈলো
মায়াক নিবাৰা জগন্নাথ ॥২২
সন্ন্যাসীৰ বেশ ধৰি লোকক বঞ্চিলো ছলে
ভৈলো ভোগ-চিন্তায়ে ব্যাকুল ।
ৰাত্রি দিনে মোহ মোৰ মনৰ দুগুচে আতি
নানাবিধ উদ্যমে আকুল ॥
অজ্ঞানী লোকৰ মান্য পায়া গৰ্ব্ব বাঢ়ি গৈল
লঙ্ঘিলোহো তোমাৰ আজ্ঞাক ।
দীন অনাথক কৃপা কৰাহা পৰমানন্দ
প্রভু আৰে ৰাখিয়ো আমাক ॥২৩
তোমাৰ পৰম জ্ঞান মাধব দিয়োক মোক
যিটো খণ্ড সুখে দুঃখে হীন ।
শুহি নাৰায়ণ দিয়া শ্ৰবণ কীৰ্ত্তন ভক্তি
নোহো যেন বেদৰ অধীন ॥
ব্রহ্মায়ো নপান্ত অন্ত তোমাক নজানে বেদে
আপুনিও নজানা সমূলি ।
এতেকে কেৱলে আমি তোমাৰ চৰণে স্বামী
ভজিলোহো জয় জয় বুলি ॥২৪
চাৰি বেদ অষ্টাদশ পুৰাণ যতেক শাস্ত্ৰ
পৰম বেদান্ত ভাগৱত ।
সনক সনন্দ মুনি যোগ জ্ঞান বিচাৰিয়া
উদ্ধাৰিলা তাৰ সাৰ তত্ত্ব ॥
আগম পুৰাণ যত বেদান্তৰ তাৎপৰ্য্য
জানি কৰা ভকতিক সাৰ ।

শ্ৰৱণ কীৰ্ত্তন বিনা আন পুণ্যে নপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ ॥২৫
শুনিয়োক বুদ্ধ জন জনম-মৰণ দুঃখ
তৰিবাৰ যাৰ ইচ্ছা আছে।
গোবিন্দৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তন কৰা
অন্তকে কেশত ধৰি আছে ॥
ইহেন মনুষ্য জন্ম সেহবে নাপাইবা আউৰ
চাৰি বেদে কহে নিষ্ঠ কৰি।
মাধৱৰ চৰণৰ কিঙ্কৰে শঙ্কৰে কহে
সদা ডাকি বোলা হৰি হৰি ॥২৬

ইতি বেদ-স্তুতি সমাপ্ত ॥

—০—

ষড়বিংশ ভাগ

# লীলা-মালা

—০—

ঘোষা ॥ বন্ধু ! মাধৱ হে,
তুৱা বিনে আছে আৰ তাৰক কে ?
বন্ধু ! মাধৱ হে ॥১

পদ ॥ শুক মুনি ৰাজাত কহন্ত বিদ্যমানে ।
কৃষ্ণ-লীলা-মালা আরে শুনা সাৱধানে ॥
শ্রৱণে-কীর্ত্তনে আৰ বৈকুণ্ঠক যায় ।
ধৰ্ম্ম অর্থ কাম মোক্ষ আত সবে পায় ॥১
ব্রহ্মায়ে প্রার্থিলা দেখি পৃথিবীৰ ত্রাস ।
লৈলা দৈৱকীৰ উদৰত হৰি বাস ॥
গর্ভেতে বিধাতা স্তুতি কৰিলন্ত আসি ।
দৈৱকী দেৱীক বাক্য বুলিলা আশ্বাসি ॥২
পাছে উপজিলা নিজ ৰূপে দামোদৰ ।
দেখি পিতৃ মাতৃ স্তুতি কৰিলা বিস্তৰ ॥
উপৰি জন্মৰ কথা নাৰায়ণে কৈলা ।
কংস-ভয়ে বসুদেৱে গোকুলত থৈলা ॥৩
দেখি পুত্র মুখ নন্দে আনন্দে বিহ্বল ।
তনয়ৰ জাত কৰ্ম্ম কৰাইলা সকল ॥
দৈত্যক বধিতে আৰম্ভিলা গোকুলত ।
পূতনাৰ চেতন শুষিলা প্রথমত ॥৪

শকটৰ তলে থৈলা যশোদা শুৱাই ।
পেহ্লাইলা পাৱে শকটক ওভটাই ॥
তুলিলাহা হামি যশোদাৰ পিয়া স্তন ।
গৰ্ভতে দেখিলা দেৱী চৌদ্ধয় ভুবন ॥৫
বিস্ময় দেখিয়া আখি মুদিলা সুন্দৰী ।
তাত পাছে চক্ৰবাতে নিলা চুৰি কৰি ॥
গলত চেপিয়া ধৰি পেহ্লাইলা শিলাত ।
মৰি গৈল দুষ্ট দৈত্য তোমাৰ লীলাত ॥৬
জাতকৰ্ম্ম কৰি গৰ্গ ঋষি থৈলা নাম ।
গোকুলত ক্ৰীড়ন্তে ফুৰন্তে কৃষ্ণ ৰাম ॥
নাচ বুলি পাঞ্চে গোপী বজায়া চাপৰি ।
কৰিলন্ত নৃত্য ভঙ্গী ভাৱে দেৱহৰি ॥৭
যশোদা সুধিলা ধৰি কিয় মাটি খাইলি ।
নখাইলো বুলিয়া বেন্ত বাইলা বনমালী ॥
গৰ্ভতে দেখিলা দেবী ভুবন চৌদ্ধয় ।
কৰিলন্ত স্তুতি আতি পৰম বিস্ময় ॥৮
স্তন পিবে নপাই কোপে কৃষ্ণ বৰ চাণ্ড ।
শিলা হানি দধিৰ ভাঙ্গিলা সৱে ভাণ্ড ।
সেহি অপৰাধে ধৰি বান্ধিলা সুন্দৰী ।
লাসে লাসে উড়ুখল টানি নিলা হৰি ॥৯
বৃক্ষত লাগিয়া ভৈলা উড়ল পথালি ।
অৰ্জ্জুনক উভঞ্জি পেহ্লাইলা বনমালী ॥
বুলিলেক স্তুতি দুয়ো কুবেৰ-নন্দন ।
নিজ স্থানে চলি গৈলা কৃষ্ণক বন্দন ॥১০

কোন ফল লৈবেক পসাৰী দিলে ডাক।
ধান্য লৈয়া যান্ত কৃষ্ণ ফল কিনিবাক ॥
কৃষ্ণৰ হস্তত ভৰি দিলা ফল বাছি।
সুবৰ্ণ ৰতনে তাইৰ উপচিল পাচি ॥১১
অনন্তৰে ৰাম-কৃষ্ণ গৈলা বৃন্দাবন।
শিশু সৱ সহিতে চাৰিলা বৎসগণ ॥
বহুবিধ শিশু-লীলা আচৰি প্ৰচুৰ।
লীলায়ে বধিলা তৈতে বৎস বকাসুৰ ॥১২
ঘোৰ সৰ্পৰূপে অঘে আছে মেলি বাই।
বৎস বৎসপালক গিলিলা লাগ পাই ॥
তাৰ গল ভেন্টিয়া বঢ়াইলা দেহা হৰি।
কৃষ্ণৰ সাৰূপ্য পাইলা অঘাসুৰ মৰি ॥১৩
তাত পাছে ব্ৰহ্মা আসি কৰিলন্ত চুৰি।
মায়া কৰি নিলা সবে গোৰক্ষ দামুৰি ॥
হুয়া গৰু গোৰক্ষ আপুনি পৰতেক।
সৰ্ব্বৰূপে ব্ৰজত বঞ্চিলা বৰিষেক ॥১৪
অনন্তৰে ব্ৰহ্মা আসি ভৈলা বিমোহিত।
সবে দিব্য চতুৰ্ভুজ ৰূপ বিপৰীত ॥
হৰিল চেতন একো নাহি হৃদি-সিদ্ধি।
পাছে পাৱে পড়ি স্তুতি কৰিলন্ত বিধি ॥১৫
গৈল তাল-বনে সবে গোৱাল সহিতে।
সবান্ধৱে ধেনুকাক বধিলা তহিতে ॥
গোপগণে তালক ভুঞ্জিলা কণ্ঠ ভৰি।
শঙ্কৰে ৰচিলা ডাকি বোলা হৰি হৰি ॥১৬

ঘোষা ॥ ত্ৰাহি গোবিন্দ অন্তকে গ্ৰাসে।
নাসে নাথ নিন্দ ত্ৰাহি গোবিন্দ ॥২

পদ ॥ বিষময় হ্ৰদ তাক নজানি।
মৰিল গৰু-গোপ পিয়া পানী ॥
কটাক্ষে জীয়াইলা দমিলা কালী।
হ্ৰদৰ খেদাইলা তাক নিকালি ॥১৭
ব্ৰজৰ প্ৰজা বন-জুইত মৰে।
ত্ৰাহি কৃষ্ণ বুলি আৰাৱ কৰে ॥
নাহি ভয় বুলি অগ্নিক পিলা।
ব্ৰজক গৈলা গজেন্দ্ৰৰ লীলা ॥১৮
হৰি কৰি ক্ৰীড়া গোপ সভাতে।
মৰাইলা প্ৰলম্ব বলোৰ হাতে ॥
মুঞ্জবনে গৰু গোপ পোড়ন্তে।
আনিলা কৃষ্ণে তাৰি তৈৰ হন্তে ॥১৯
বসন্ত সমে গ্ৰীষ্ম কাল গৈল।
বাৰিষা আসি উপস্থিত ভৈল ॥
বলো সমে সবে গোপক লই।
ক্ৰীড়িলা কৃষ্ণে বৃন্দাবনে গই ॥২০
আসিলা শৰত হৰিষ কৰি।
বৃন্দাবনে বেণু বজায়া হৰি ॥
গোপ সুন্দৰীৰ বস্ত্ৰক লই।
চড়িলা গোবিন্দ কদম্বে গই ॥২১
পাইলেক বৰ যত গোপ-বালা।
গোবিন্দ গৈলা যৈত যজ্ঞ-শালা ॥

গোৱালসকলে খুজিলা অন্ন ।
নিদিলা অহঙ্কাৰী বিপ্ৰগণ ॥২২
পত্নীৰ ভকতি দেখিয়া সৰ্ব্ব ।
ভাঙ্গিলা তাসম্বাৰ কৰ্ম্ম গৰ্ব্ব ॥
ভাঙ্গিলা কৃষ্ণে মুখ মহেন্দ্ৰৰ ।
পূজিলা গোৱৰ্দ্ধন গিৰিবৰ ॥২৩
কৰিলা বৃষ্টি ইন্দ্ৰে ক্ৰোধ কৰি ।
ৰাখিলা ব্ৰজ গোৱৰ্দ্ধন ধৰি ॥
কৃষ্ণৰ মহিমা দেখিয়া তয় ।
ভৈলা গোপ-গোপী মহা বিস্ময় ॥২৪
গৰ্গৰ বাক্যক সুমৰি নন্দে ।
বৰ্ণাইল কৃষ্ণৰ গুণ আনন্দে ॥
কৃষ্ণৰ অদ্ভুত মহিমা দেখি ।
সুৰভি ইন্দ্ৰে আসি অভিষেকি ॥২৫
গোৰ ইন্দ্ৰ পাতি কৰি প্ৰণাম ।
থৈলন্ত কৃষ্ণৰ গোবিন্দ নাম ॥
বৰুণৰ দূতে নিলেক হৰি ।
আনিলা নন্দক কৃষ্ণে উদ্ধাৰি ॥২৬
বিষ্ণু বুদ্ধি কৰি নন্দৰ পোক ।
দেখিল বৈকুণ্ঠ ব্ৰজৰ লোক ॥
চন্দ্ৰাৱলী ৰাত্ৰি শৰতকাল ।
আৰম্ভিলা ৰাস ক্ৰীড়া গোপাল ॥২৭
বাঢ়িল গৰ্ব্ব দেখি গোপিকাৰ ।
ভৈলা অন্তৰ্দ্ধান জগ-আধাৰ ॥

কান্দিল কৃষ্ণৰ গুণ বৰ্ণাই ।
তনু পুলকিত চেতন নাই ॥২৮
গোপীৰ আতি প্ৰেম ভকতিত ।
সবাৰ মধ্যত ভৈলা বিদিত ॥
সবাকো আশ্বাসি কৰিলা ক্ৰীড়া ।
এড়াইলা গোপীগণে কাম-পীড়া ॥২৯
শঙ্খচূৰ নামে যক্ষক মাৰি ।
ৰাখি আনিলন্ত গোপৰ নাৰী ॥
খেদি আসিলন্ত অৰিষ্ট ধাই ।
লীলায়ে মাৰিলা মাধৱে পাই ॥৩০
কংসত কহিলা নাৰদে পাছে ।
তোৰ প্ৰাণ বৈৰী ব্ৰজত আছে ॥
শুনিয়া কেশীক কংসে পাঠিলা ।
তাকো মাৰি কৃষ্ণে যমক দিলা ॥৩১
বুলিলা কংসে অক্ৰূৰক আনি ।
ব্ৰজক যাহা তুমি মহামানী ॥
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে ।
হৰি হৰি বোলা সমস্ত জনে ॥৩২

—০০—

ঘোষা ॥ ভাৱক ভাই ভজ ভগৱন্ত ।
কৰিবে হৰিসে দুঃখৰ অন্ত ॥৩

পদ ॥ নাৰদে পাছে গোকুলক আসি ।
নমিল কৃষ্ণৰ গুণ প্ৰকাশি ॥

কংসে পাঞ্চিলেক আসি অক্রূৰ।
সন্ধ্যা সময়ে পশি গোপ-পুৰ ॥৩৩
আকুল হুয়া আতি প্রেম ভাৰে।
কৃষ্ণ কৃষ্ণ বুলি পড়িলা পাৰে ॥
খুড়া বুলি কৃষ্ণে সাৰটি ধৰি।
কৰিলা সৎকাৰ আতি সাদৰি ॥৩৪
কংসৰ শুনিয়া নন্দে আদেশ।
লড়িলা শকটে গোপ নিশেষ ॥
গোপিকাক ৰাম-কৃষ্ণে আশ্বাসি।
সুৱৰ্ণৰ ৰথে চড়িলা আসি ॥৩৫
অক্রূৰে সত্বৰে ডাকিলা ৰথ।
কান্দে গোপী চাই কৃষ্ণৰ পথ ॥
মধ্যাহ্ন সন্ধ্যা কৰিবাক প্রতি।
মজিলা যমুনাত দানপতি ॥৩৬
দেখিলা অনন্ত সহস্র ফেট।
কোলাত কৃষ্ণক পাইলন্ত ভেট ॥
কৰিলন্ত স্তুতি পৰি অক্রূৰ।
প্ৰেৰেশিলা পাছে মথুৰা পুৰ ॥৩৭
গোপগণ সঙ্গে ৰঙ্গে মুৰাৰী।
ভ্ৰমন্তে দেখিলা মথুৰা নাৰী ॥
কন্দৰ্প কোটি যাক মুহি ভুল।
শাৰী শাৰী নাৰী বৰিষে ফুল ॥৩৮
বধিলা ধোবাক চৰৰ অস্ত্রে।
বেশকাৰে আসি ভুষিলা বস্ত্রে ॥

পিন্ধাইলা চন্দন কুঁজী সাদৰি ।
তাইৰ কুঁজ সম কৰিলা হৰি ॥৩৯
পিন্ধাইলা মালী অঙ্গে মুণ্ডমালা ।
দিলা সুদামাক বৰ গোপাল ॥
ভাঙ্গিলা কংসৰ ধনুক ধৰি ।
ৰথীয়া সেনাক বধিলা হৰি ॥৪০
বঞ্চিলা ৰাতি নগৰৰ মাজে ।
প্ৰভাতে শুনন্ত দুন্দুভি বাজে ॥
গৈলন্ত খেদিয়া নন্দ-কুমাৰ ।
কুবলয়া পীড়ে ভেন্টিলে দ্বাৰ ॥৪১
ভূমিত পাড়ি কাঢ়ি লৈলা দন্ত ।
কৰিলা কোবাই হস্তিৰ অন্ত ॥
স্কন্ধত গজ-দন্ত অনুপাম ।
পশিলা ৰঙ্গশালা কৃষ্ণ ৰাম ॥৪২
চৌপাশে উপাসে গোপ কুমাৰে ।
দেখিলা কৃষ্ণক দশ প্ৰকাৰে ॥
বলো মুষ্টিকক কৃষ্ণে চাণুৰ ।
মাৰি মাল দুইকো কৰিলা চুৰ ॥৪৩
আসিলা খেদি আৰো যত মাল ।
কৰিলা ৰাম-কৃষ্ণে তাৰো কাল ॥
নাচিলা কৃষ্ণে সমাজৰ মাজে ।
পাৱে ৰুণ ঝুন নূপুৰ বাজে ॥৪৩
দেখিয়া গৰজে কংস বিশাল ।
উচ্ছিত মঞ্চত চড়ি গোপাল ॥

কেশত ধৰি তাৰ ঘণ্টা লাড়ি ।
পাড়িলা ভূমিত উপৰে পড়ি ॥৪৫
মৰিলা কংস জগতৰ ভৰে ।
পাইলেক সাৰূপ্য সিটো কৃষ্ণৰে ॥
পিতৃ মাতৃ দুইৰো বন্ধন ছোড়ি ।
কৰিলা স্তুতি দুইকো কৰ-যোড়ি ॥৪৬
আনি উগ্ৰসেনক পাতিলা ৰাজা ।
পাছে আশ্বাসিলা যাদৱ প্ৰজা ॥
নন্দকো সৎকাৰ কৰিলা আতি ।
পঠাইলা প্ৰবোধিয়া বুলি মাতি ॥৪৭
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে ।
কৃষ্ণ কথা শুনা সমস্ত জনে ॥
কৃষ্ণ লীলামালা ইহাৰ নাম ।
সংসাৰ তৰা বুলি ৰাম ৰাম ॥৪৮

—০—

ঘোষা ॥ ৰাম স্বামী মাগোহো শৰণ হেৰা আমি ।
তোমাক নভজি প্ৰভু ভৈলো অধোগামী ॥৪

পদ ॥ পাছে উগ্ৰসেনক নৃপতি পাতি হৰি ।
নন্দকো কৰিলা শান্ত বচনে সাদৰি ॥
যেনমতে মানো বসুদেৱ দৈৱকীক ।
তুমি পোষ্টা পিতৃ দেখো তাহাতো অধিক ॥৪৯
অনন্তৰে নৱগুণ দিলা গৰ্গ ঋষি ।
পাছে গুৰুগৃহে বাসা কৰিলা হৰিষি ॥

জানিলা চৌষষ্ঠি কলা পাছে চক্রপাণি ।
দিলা গুৰু-দক্ষিণা মৃতক পুত্ৰ আনি ॥৫০
মথুৰাক আসি কৃষ্ণে পঠাই উদ্ধৱক ।
কৰাইলা আশ্বাস পাছে যশোদা নন্দক ॥
গোপী সমস্তক বাক্য সন্দেশ পঠাই ।
সান্ত্বনা কৰিলা কৃপাময় যদুৰায় ॥৫১
কুবুজাক ক্ৰীড়ি কৃষ্ণে জগত-ঈশ্বৰ ।
প্ৰৱেশিলা গোবিন্দো গৃহত অক্ৰূৰৰ ॥
অৰ্চ্চিলন্ত দানপতি পায়া মাধৱক ।
পাণ্ডৱক পাশক পঠাইল অক্ৰূৰক ॥৫২
জৰাসন্ধ ভয়ে যেন প্ৰভু যদুৰাজে ।
নিৰ্ম্মিলা দ্বাৰকাপুৰী পয়োনিধি মাজে ॥
নিলা তৈকে মথুৰাৰ প্ৰজা যোগবলে ।
মাৰিলাহা জৰাসন্ধ সেনাক সকলে ॥৫৩
বধিলা যৱন মুচুকুন্দক দেখাই ।
কৰিলন্ত স্তুতি মুচুকুন্দ মহাৰায় ॥
দিলন্ত প্ৰসাদ তাঙ্ক পৰম ভকতি ।
মুচুকুন্দে লভিলন্ত ভগৱন্ত গতি ॥৫৪
জৰাসন্ধ ভয়ে নৰ চেষ্টাক দেখাই ।
পশিলা পলাই দ্বাৰকাত দুয়ো ভাই ॥
ৰুক্মিণী পঠাইলা গোপ্য প্ৰেম-পত্ৰ লিখি ।
আতি সকৰুণ ভৈলা কৃষ্ণে তাঙ্ক দেখি ॥৫৫
বিপক্ষ নৃপতি সকলক জিনি ৰণে ।
ৰুক্মকো মুণ্ডিলা চক্ৰ ধৰি নাৰায়ণে ॥

দ্বাৰকাত পাতি সভা দেবতো অধিক।
কৰিলা বিবাহ মহোৎসৱে ৰুক্মিণীক ॥৫৬
ভৈলা কামদেৱ ৰুক্মিণীৰ গৰ্ভে জাত।
হৰিলা সম্বৰে তাক কৰিলা নিপাত॥
ভাৰ্য্যায়ে সহিতে তুনাই দ্বাৰকাক আইল।
পুত্ৰ দেখি ৰুক্মিণীৰ শৰীৰ জুড়াইল ॥৫৭
মণি হেতু জাম্বৱন্ত জিনি যদুপতি।
স্যমন্তক সমে পাইলা কন্যা জাম্বৱতী ॥
সত্ৰাজিতে দিলে সত্যভামাক ভয়ত।
মণিক যৌতুক দিলা কন্যাৰ লগত ॥৫৮
থৈলা সত্ৰাজিততে মাধৱে মণি পুনু।
তাক কাটি মণি পাছে দিলা শতধনু ॥
অক্ৰূৰত মণি থৈয়া ঘোঁড়ায়ে পলাইল।
তাক চক্ৰে কাটি কৃষ্ণে মণিক নপাইল ॥৫৯
দ্বাৰকা এড়িয়া পাছে পলাইল অক্ৰূৰ।
আনিলন্ত কৃষ্ণে তাঙ্ক তুনাই যদুপুৰ ॥
তাৰপৰা মণি লৈয়া দেখায়া জ্ঞাতিত।
এড়াইলা দুৰ্যশ প্ৰভু পাছে বিপৰীত ॥৬০
মিত্ৰবৃন্দা কালিন্দীক পাছে যদুনাহ।
ভদ্ৰা সত্যা লক্ষ্মণাক কৰিলা বিবাহ ॥
এই অষ্ট মহিষী কৃষ্ণৰ প্ৰিয় জায়া।
বোলা হৰি হৰি তৰা সংসাৰৰ মায়া ॥৬১

—o—

ঘোষা ॥ হেৰা হেলায় গোৱাইলো হৰি ইহেন জনম।
নভৈল ভকতি মঞি পাতকী পৰম ॥ ৫

পদ ॥ নৰকক মাৰি ৰূপে গুণে মহা ধন্যা।
ষোড়শ হাজাৰ প্ৰভু পাইলা দিব্য কন্যা ॥
স্বৰ্গৰো আনিলা হৰি পুষ্প পাৰিজাত।
দ্বাৰত ৰুৱাইলা সত্যভামাৰ সাক্ষাৎ ॥৬২

ৰুক্মিণীক কৰিলাহা প্ৰেমে পৰিহাস।
ভৈলন্ত ভয়তে দেৱী প্ৰাণতো নৈৰাশ ॥
চতুৰ্ভুজ হুয়া হৰি তুলি আঙ্কোৱালি।
ৰুক্মিণীক আশ্বাস কৰিলা বনমালী ॥৬৩

বুলিলন্ত কৃষ্ণে যত নিন্দা আপোনাক।
ওলটায়া ৰুক্মিণী বুলিলা স্তুতি তাক ॥
ভৈলা অনুৰাগ প্ৰভু চৰণত আতি।
ভৰিল দ্বাৰকা কেশৱৰ পুত্ৰ নাতি ॥ ৬৪

কৃষ্ণৰ সমান ৰূপ একৈক ভাৰ্য্যাত।
দশ দশ পুত্ৰ এক জীউ ভৈলা জাত ॥
বহুবিধ কৰি লীলা জগতৰে নাহে।
ৰুক্মক মৰাইলা আনিৰুদ্ধৰ বিবাহে ॥৬৫

উষাক ক্ৰীড়িলা কৃষ্ণ-নাতি অনিৰুদ্ধ।
বাণক ৰাখিবে লাগি ৰুদ্ৰে দিলা যুদ্ধ ॥
লীলায়ে ভঙ্গাইলা শঙ্কৰক ঘোৰ ৰণে।
চক্ৰবাণে বাহুক ছেদিলা নাৰায়ণে ॥৬৬

যুদ্ধত নোৱাৰি স্তুতি কৰিলন্ত হৰে ।
নৃগ নৃপতিক উদ্ধাৰিলা তাত পৰে ॥
ক্ৰীড়িলন্ত বলো ভদ্রে গোকুলক যাই ।
যমুনাকো আজুৰিলা লাঙ্গল ভেজাই ॥৬৭
চক্রে ধৰি খেদি গৈলা বাৰাণসী থান ।
সুদক্ষিণ পৌণ্ড্ৰকৰো কৃষ্ণে লৈলা প্ৰাণ ।
ৰৈৱত গিৰিত ক্ৰীড়া কৰি হলধৰ ।
সমৰে মাৰিলা দুষ্ট দ্বিবিদ বানৰ ॥৬৮
ধৰিলা শাম্বক কুৰু-বীৰগণে চাপি ।
খুজিলেক ৰামে গৈয়া নিদিলা তথাপি ॥
হস্তিনাপুৰক কোপে ওভতাওঁ বুলি ।
লাঙ্গল ভেজায়া বলো ধৰিলন্ত তুলি ॥৬৯
কৃষ্ণৰ গৃহস্থ ধৰ্ম্ম দেখি ঘৰে ঘৰ ।
পৰম বিস্ময় মন ভৈলা নাৰদৰ ॥
কেৱল ঈশ্বৰ মাত্ৰ দেখি দেৱ ঋষি ।
কৃষ্ণ গুণ গায়া চলি গৈলন্ত হৰিষি ।।৭০
নিশাত কৰন্ত কৃষ্ণে শয্যাত শয়ন ।
কণ্ঠক আলিঙ্গি শুতি থাকে পত্নীগণ ॥
ৰজনীৰ শেষ জানি বাৱে পক্ষাচয় ।
নাৰীগণো হোৱে কৃষ্ণ বিৰহত ভয় ॥৭১
কুকুৰা আৰাৱ কৰে তাকো পাৰে গালি ।
উঠি নিত্য-কৃত্য পাছে কৰি বনমালী ॥
চৌৰাশী অধিক তেৰ হাজাৰ প্ৰমাণ ।
ঘৰে ঘৰে প্ৰতিদিনে কৰন্ত গো-দান ॥৭২

দাৰুকে যোগান্ত ৰথ চড়ি গৈয়া তাতে।
সাত্যকি উদ্ধৱ সমে বসন্ত সভাতে॥
চতুৰ্ভিতি বেঢ়ি পাত্ৰ মন্ত্ৰী সভাসদ।
দেৱ-কাৰ্য্য সাধিবাক আসিলা নাৰদ॥৭৩
জৰাসন্ধে বান্ধি আছে নৃপতি বহুত।
কৃষ্ণত শৰণ মাগি পঠাই দিলা দূত॥
সেহিবেলা যুধিষ্ঠিৰে পঠাইলন্ত মাতি।
মন্ত্ৰীগণ সমে কৃষ্ণে আলচিলা আতি॥৭৪
উদ্ধৱ সহিতে কৃষ্ণ গৈলা ইন্দ্ৰপ্ৰস্থ।
পূৰিলন্ত পঞ্চ পাণ্ডৱৰ মনোৰথ॥
কৃষ্ণৰ কিঙ্কৰে কহে দুঃখ তেবে তৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি॥৭৫

—০৪৪০—

ঘোষা॥ পিয়ো পিয়ো ৰাম-নাম-অমৃত।
বৃথা কথা কই নমৰা চিত্ত॥৬

পদ॥ যুধিষ্ঠিৰ ৰাজা কৃষ্ণক পাই।
অৰ্চ্চিলন্ত আতি ভুনাই ভুনাই॥
ৰাজাকো কৃষ্ণে নমি প্ৰণিপাতে।
মৰাইলা মাগধ ভীমৰ হাতে॥৭৬
মেলায়া ভকত নৃপতিচয়।
দেখাইলা নিজ ৰূপ কৃপাময়॥

প্ৰসন্ন মুখ পঙ্কজৰ জ্যোতি।
কৌস্তুভ কণ্ঠে গলে গজমতি ॥৭৭
মকৰ কুণ্ডলে উজ্জ্বল গণ্ড।
প্ৰকাশে চাৰু চাৰি ভুজ দণ্ড ॥
কিৰীটি ৰত্নে শিৰে কৰে কান্তি।
উৰ স্থলে জ্বলে শ্ৰীবৎস-পান্তি ॥৭৮
শ্যাম তনু তাতে পীত বসন ॥
বিজুলি ৰঞ্জে যেন নৱ ঘন ॥
কটি-তটে কাঞ্চী-ৰত্নৰ জ্বালা।
আপাদলম্বী গলে বনমালা ॥৭৯
চৰণ-পঙ্কজে মঞ্জীৰ ঘোষ।
মিলাৰে ভক্তৰ মনে সন্তোষ ॥
সন্মুখে দেখি হেন হৃষীকেশ।
সমস্ত এড়াইলা বন্ধন ক্লেশ ॥৮০
আনন্দে দ্ৰৱিল সবাৰো চিত্ত।
লোতক ঝৰে তনু ৰোমাঞ্চিত।
আছিল মৰি ছুনাই যেন জীল।
আলিঙ্গিয়া যেন নয়নে পিল ॥৮১
চাহন্তে গৈল অনুৰাগ চড়ি।
প্ৰণাম কৰিলা চৰণে পড়ি ॥
হৰষিতে যেন পাইলা মুকুতি।
কৰিলা কৃষ্ণক অনেক স্তুতি ॥৮২
মাগিলা পৰম ভকতি-দান।
সবাকো কৰিলা কৃষ্ণে সন্মান ॥

তুষিয়া পঠাই দিলা নিজ ঘৰ ।
ৰাজসূয়ে আসি যোগাইলা কৰ ॥৮৩
কৰি ৰাজসূয়-যজ্ঞ নৃপতি ।
অৰ্চ্চিলা কৃষ্ণক মহা-ভকতি ॥
নিন্দিলা দেখি শিশুপাল বীৰ ।
কাটিলা কৃষ্ণে চক্ৰ হানি শিৰ ॥৮৪
তাৰ তেজ-পুঞ্জ আসিল লড়ি ।
মিলিল কৃষ্ণৰ চৰণে পড়ি ॥
সাৰূপ্য পায়া ভৈলা পাৰিষদ ।
বিস্ময় দেখি লোক নিশবদ ॥৮৫
পৰম মানী দুৰ্য্যোধন ৰায় ।
ভ্ৰমিলা সভাৰ সম্পত্তি চাই ॥
তুলিলা বস্ত্ৰ পানী বুলি স্থলে ।
স্থল হেন মানি পড়িলা জলে ॥৮৬
দ্ৰৌপদী সমে নাৰীগণে আসি ।
চাপৰি বজায়া তুলিলা হাসি ॥
ভীমৰ উপহাস্যে কুৰুৰাজ ।
মৰণ সমান ভৈ গৈল লাজ ॥৮৭
মৃতক যেন ভৈল কুৰুপতি ।
কৃষ্ণৰ কটাক্ষে ভ্ৰমিল মতি ॥
তোলাই ইটো কোপ কুৰু ৰাজাৰ ।
হৰিবো সমস্তে ভূমিৰ ভাৰ ॥৮৮
লাগোক বিবাদ কুৰু-পাণ্ডৱে ।
নমাতি থাকিলা বসি মাধৱে ॥

পাণ্ডৱৰ হাতে সমৰ জিনি ।
মৰাইলা অষ্টাদশ অক্ষৌহিণী ॥৮৯
হৰত বৰ পায়া শাল্ব ৰাজা ।
মাৰিবাক গৈলা যাদৱ প্ৰজা ॥
আকাশতে চলে শৌভ নগৰ ।
যদু-বীৰগণে দিলে সমৰ ॥৯০
হস্তিনাপুৰ হন্তে আসি পাই ।
কাটিলা শাল্বক যাদৱ-ৰায় ॥
ভাঙ্গিলা শৌভক ক্ষেপিয়া চক্ৰ ।
বধিলা বিদূৰথ দন্তবক্ৰ ॥৯১
তীৰ্থত স্নানিয়া ফুৰন্তে ৰাম ।
সূতক বধি কৰি মন্দ কাম ॥
বল্লল দৈত্যক মাৰি তহিত ।
কৰিলা সূত-বধ প্ৰায়শ্চিত্ত ॥৯২
দেখিয়া তুষ্ট ভৈলা ঋষিগণ ।
উগ্ৰশ্ৰৱা পাইলা ব্ৰহ্ম-আসন ॥
কহিলা মহাভাগৱত কথা ।
বোলা হৰি হৰি নমৰা বৃথা ॥৯৩

—০—

ঘোষা ॥ গোপীনাথ! তুৱা পাৱে নভৈল ভকতি।
ইজন্মতো মাধৱ গৈলোহো অধোগতি ॥৭

পদ ॥ দ্বাৰকাক গৈলন্ত দৰিদ্ৰ দামোদৰ।
অৰ্চ্চিলন্ত কৃষ্ণে কৰি পৰম সাদৰ ॥
গুৰু-গৃহে বাস কথা কহি মন-তুষ্টি।
খাইলা তান লৈয়া চাউল-চিৰা একমুঠি ॥৯৪
এতেক ঐশ্বৰ্য্য পাইলা ইন্দ্ৰেৰো দুৰ্ল্লভ।
হেনেসে ঈশ্বৰ কৃষ্ণ ভৃত্যৰ সুলভ ॥
সৰ্ব্বগ্ৰাস সূৰ্য্যৰ গ্ৰহণ আসি ভৈলা।
সমস্তে নৃপতিগণ কুৰুক্ষেত্ৰে গৈলা ॥৯৫
সপুত্ৰ বান্ধৱে যদুগণ গৈলা তথা।
কৈলা ৰাজাগণ অন্যো অন্যে কৃষ্ণ-কথা ॥
কৃষ্ণৰ যতেক পত্নী দ্ৰৌপদী সহিতি।
কহিলন্ত কৃষ্ণ-কথা পৰম পীৰিতি ॥৯৬
নাৰদ প্ৰমুখ্যে মুনিগণ আইলা তয়।
অৰ্চ্চিলন্ত তাসম্বাক কৃষ্ণ কৃপাময় ॥
পিতৃৰ কৰাইলা কৃষ্ণে যজ্ঞ মহোৎসৱ।
বান্ধৱক তুষি ভুষি পঠাইলা মাধৱ ॥৯৭
নন্দ যশোদাক মান্য কৰিলা একান্ত।
জ্ঞানে দানে গোপীক কৰিলা উপশান্ত ॥
কহিলা পিতৃত পাছে কৃষ্ণে মহাজ্ঞান।
মৃতক পুত্ৰক দৈৱকীক দিলা দান ॥৯৮
অৰ্জ্জুনক আনি বিহা দিলা সুভদ্ৰাক।
ভক্তক দেখিবে লাগি গৈলা মিথিলাক ॥

শ্রুতদেৱ জনকৰ পুৰি মনোৰথ।
কৈলা উপদেশি প্ৰেম-ভকতিৰ পথ ॥৯৯
ভকতিক পুছিলা নাৰদে মাধৱত।
নাৰায়ণে কহিলা বেদৰ সাৰ তত্ত্ব ॥
সংসাৰক তাৰে ভকতিসি জানি মনে।
কৈলা স্তুতি বেদ শিৰোৰত্ন মন্ত্ৰগণে ॥১০০
হৰি-ভকতিত পাই পৰম মুকুতি।
দিবে মাত্ৰ পাৰে আন দেৱতা ভুকুতি ॥
ভৃগু ঋষি আসি কৰি পৰীক্ষা পূৰ্ব্বত।
কৈলা কৃষ্ণ-গুণ মুনিগণৰ আগত ॥১০১
মহাকালপুৰ পশি কৃষ্ণ কৃপাময়।
আনি দিলা বিপ্ৰৰ মৃতক পুত্ৰচয় ॥
অৰ্জ্জুনৰ অঙ্গীকাৰ কৰিলা সাফল।
হেন নাৰায়ণ দেৱ ভকত বৎসল ॥১০২
ষোড়শ সহস্ৰ অষ্টাধিক এক শত।
কৃষ্ণৰ মহিষী সবে পৰম ভকত ॥
শুনিয়োক কৃষ্ণৰ যতেক পুত্ৰ ৰাশি।
একষষ্ঠি হাজাৰ লক্ষেক আৰো আশী ১০৩
তাসম্বাৰ পুত্ৰ নাতি ভৈল অপৰ্য্যন্ত।
তাক কহি কোনে আৰে পাইবেক অন্ত ॥
যদু-কুলে কেশৱে আপুনি অৱতৰি।
গঙ্গাক কৰিলা অল্প কীৰ্ত্তনত কৰি ॥১০৪
শত্ৰু মিত্ৰ উদাসীনে দিলা নিজ পদ।
ভাৰ হৰি মহন্তৰ খণ্ডিলা আপদ ॥

নুহিকে আশ্চর্য্য ইটো কর্ম্ম মাধৱৰ ।
সিকালত বেকত আছিলা দামোদৰ ॥১০৫
আকেসে আশ্চর্য্য দেখো শুনা পৰীক্ষিত ।
নাম মাত্র লৈলে তৰে দুর্ঘোৰ কলিত ॥
আৰো যাইবে নলাগে নৃপতি তপোবন ।
গৃহে গতি পাৱে কৰি শ্ৰৱন-কীৰ্ত্তন ॥১০৬
এহি মানে দশম স্কন্ধৰ কৃষ্ণ-লীলা ।
শুকমুনি ৰাজা পৰীক্ষিতক কহিলা ॥
শঙ্কৰে ৰচিলা ধৰি কৃষ্ণৰ চৰণ ।
লীলা-মালা নাম ইটো কৃষ্ণৰ কীৰ্ত্তন ॥১০৭
শুনা বুধ জন কেনে সুখে আছা বসি ।
কালে আসি পাইল চোৰা মনে বিমৰিষি ॥
ইহেন মনুষ্য জন্ম বৃথা যায় আয়ু ।
কেতিক্ষণে ছুটে জানা ইটো প্ৰাণবায়ু ॥১০৮
জানি হৰি ভকতিত সবে দিয়া মতি ।
হৰি কথা শ্ৰৱণত দৃঢ় কৰা মতি ॥
কলিত কীৰ্ত্তন বিনে গতি নাহি আৰ ।
ডাকি হৰি হৰি বোলা তেৱেসে নিস্তাৰ ॥১০৯

নীলা-মালা সমাপ্ত ॥

—ঃ*ঃ—

সপ্ত বিংশতি ভাগ

# শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ

—*০*—

ঘোষা ॥ মাধৱ পদ্মনাভ ভগৱন্ত ।
নাৰায়ণ নৰসিংহ অনন্ত ॥১

পদ ॥ বোলন্ত শুকে শুনা পৰীক্ষিত ।
এহিমতে কৃষ্ণে বলো সহিত ॥
সমস্তে দৈত্যৰ চিন্তিয়া মাৰ ।
লীলায়ে হৰিলা ভূমিৰ ভাৰ ॥১
গুণন্ত জগতৰ পতি পাছে ।
দুঃসহ মহা যদু-বংশ আছে ॥
ত্ৰৈলোক্য বিজয়ী এৰৈক বীৰ ॥
নুগুচিল কিছু ভাৰ ভূমিৰ ॥২
যিহেতু সবাৰো মঞি আশ্ৰয় ।
কাহাতো হন্তে নাহি পৰাজয় ॥
কন্দল লগাই তাসম্বাৰ মেলে ।
পৃথিবীৰ ভাৰ হৰিবো হেলে ॥৩
এহি গুণি পাছে যাদৱ কুলে ।
দিয়াইলা বিপ্ৰশাপ প্ৰভু ছলে ॥
মিলিল বিমঙ্গল দ্বাৰকাত ।
সবাৰো মনে কৰে উতপাত ॥৪
ব্ৰহ্মাৰ আৰৱি ত্ৰিদশ জাক ।
আসিল পাছে সবে দ্বাৰকাক ॥

কৃষ্ণৰ দৰশন অভিলাষে।
ৰহিলা বিমান জুৰি আকাশে ॥৫
মহা সমৃদ্ধি দেখি দ্বাৰকাৰ।
বিস্ময় ভৈল আতি দেৱতাৰ ॥
কৃষ্ণক পাছে দৰশন পাই।
অদ্ভুত ৰূপক আছিলা চাই ॥৬
তৃপিতি নাহি চান্ত এক দৃষ্টি।
কৰন্ত শিৰে পাৰিজাত বৃষ্টি ॥
কৃতাঞ্জলি কৰি এক যুগুতি।
তৈৰে পৰা সবে কৰন্ত স্তুতি ॥৭
নমো নমো কৃষ্ণ তযু চৰণে।
যাহাক পৰম ভকতজনে ॥
হৃদয়ত চিন্তে কৰি প্ৰবন্ধ।
অপ্ৰয়াসে তৰে সংসাৰ বন্ধ ॥৮
ত্ৰিগুণা মায়াক কৰি আশ্ৰয়।
আত্মাত সৃজা যত জীৱচয় ॥
স্ৰজন পালন কৰা আপুনে।
নোচোৱে তাৰ একো দোষ গুণে ॥৯
তোমাৰ শুনিয়া গুণ চৰিত্ৰ।
যিমতে হোৱয় লোক পৱিত্ৰ ॥
জ্ঞান দান তপ বেদ আচৰে।
সিমতে শুদ্ধি কৰিবাক নাৰে ॥১০
তোমাৰ ইসব লীলা চৰিত।
আক শুনে ভণে যিটো কলিত ॥

অনেক পুৰুষ কৰি উদ্ধাৰ।
সংসাৰৰ সুখে হোৱয় পাৰ ॥১১
ষোড়শ সহস্ৰ পত্নীসকলে।
অনেক ভাৱ দৰশায়া ছলে ॥
মনক মথিবে নোৱাৰে যাৰ।
হেন কৃষ্ণ পাৱে নতি আমাৰ ॥১২
কৃষ্ণক আগত দেখি প্ৰত্যেক।
কৰিলন্ত আৰো স্তুতি অনেক ॥
নকৈলো পদ বিস্তৰক ডৰে।
বোলা হৰি হৰি সমস্ত নৰে ॥১৩

—০*০—

ঘোষা ॥ শিৱ শাৰঙ্গধাৰী, মধুসূদন দৈত্যাৰী ॥১৪৯

পদ ॥ আকাশত থাকি ব্ৰহ্মা বোলে স্তুতি বাণী।
মাতন্ত কৃষ্ণক শুনা প্ৰভু চক্ৰপাণি ॥
খণ্ডিবাক লাগি পৃথিবীৰ মহাভাৰ।
দৈৱকীৰ গৰ্ভে আসি ভৈলা অৱতাৰ ॥১৪
দুষ্ট ৰাজাগণক মাৰিলা কৰি লীলা।
সন্তক ৰাখিলা প্ৰভু ধৰ্ম্মক স্থাপিলা ॥
সমস্ত লোকৰ কৰি পাপৰ প্ৰলয়।
দশোদিশে প্ৰকাশে তোমাৰ যশচয় ॥১৫
যদুকুলে অৱতৰি আছা দামোদৰ।
পঞ্চিশ অধিক গৈল শতেক বৎসৰ ॥

দেৱ-কাৰ্য্য লাগে মানে সাধিলা সকলে।
কুলক নাশিলা প্ৰায় বিপ্ৰ-শাপ ছলে ॥১৬
পৃথিবীক এড়ি আবে আসা নিজ স্থান।
আমি সব কিঙ্কৰক কৰা পৰিত্ৰাণ ॥
মাধৱে বোলন্ত শুনিয়োক প্ৰজাপতি।
পৃথিৱীক এড়িবে আমাৰো আছে মতি ॥১৭
কিন্তু যেবে যাও যদু-কুল নসংহৰি।
আৰ ভৰে দুনাই তল যাইব বসুন্ধৰী ॥
আগে আমি ইটো যদু-কুল কৰি ক্ষয়।
তেৱেসে চলিবো ব্ৰহ্মা তোমাৰ নিলয় ॥১৮
শুনি ব্ৰহ্মা প্ৰণামিল কৰি কৃতাঞ্জলি।
ত্ৰিদশে সহিতে নিজ স্থানে গৈলা চলি ॥
দ্বাৰকাত অনেক মিলাৰে উতপাত।
প্ৰত্যক্ষ দেখাৰে যেন প্ৰজাৰ বিঘাত ॥১৯
বুলিলন্ত বাণী কৃষ্ণে বংশক শুনাই ॥
প্ৰভাসক যাইবো আমি এড়ি ইটো ঠাই ॥
আমাৰ বংশত হুয়া আছে ঋষি-শাপ।
ঘোৰ উৎপাত দেখি মিলে হৃদি-তাপ ॥২০
আজি যাইবো প্ৰভাসক কৰিয়ো উদ্যোগ।
তৈতে স্নানি চন্দ্ৰে এড়াইলন্ত যক্ষা-ৰোগ ॥
দক্ষ-শাপ গুচিল পাইলন্ত পূৰ্ণ-কলা।
হেন জানি যদুগণ তৈকে লাগি চলা ॥২১
সবংশে আমিও গৈয়া তৈতে কৰি স্নান।
বিপ্ৰক ভোজন কৰাই দেওঁ মহাদান ॥

দানে পুণ্যে হুই ঘোৰ দুৰ্গতি নিস্তাৰ।
যেন মহা নাৱে সাগৰত কৰে পাৰ ॥২২
কৃষ্ণৰ বচন শুনি যত যদুগণ।
তীৰ্থক যাইবাক সবে উত্ৰাৱল মন ॥
লৰড়া লৰড়ি কৰি ভৈল কাছপাৰ।
ৰথত তুলিল আনি অনেক সম্ভাৰ ॥২৩
নিশান কোবাই সবে একস্থান ভৈল।
বাল্য-বৃদ্ধ-স্ত্ৰী মাত্ৰ নগৰত ৰৈল ॥
ভণিল শঙ্কৰে কৃষ্ণ চৰণত ধৰি।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি ॥২৪

—০—

ঘোষা ॥ পৰমানন্দ ৰাম জোনো ছাড়হু মোক।
হৰি জোনো তেজি যাহা মোক ॥৩

পদ ॥ যাইবে যদুগণ পাছে ভক্ত উদ্ধৱৰ কাছে
বিমঙ্গল দেখি কাম্পে কায়।
কৃষ্ণৰ বচন শুনি মনে বিমৰিষ গুণি
বুজিলন্ত সবে অভিপ্ৰায় ॥
বিৰলত হৰি-দাস কৃষ্ণৰ চাপিয়া পাশ
শিৰে প্ৰণমিলা পাৱ ছুই
অন্তৰ্গতে তনু তাৰে মাধৱক নম্ৰভাৰে
বুলিলন্ত কৃতাঞ্জলি হুই ॥২৫
যাদৱ-বংশক তুমি সংহৰি এড়িবা ভুমি
অৱশ্যে জানিলো আক আমি।

সিকাৰণে ঋষি-শাপ ব্যৰ্থ নকৰিলা বাপ
তুমি হুয়া জগতৰ স্বামী ॥
তোমাৰ চৰণ এড়ি নিমিষেকো প্ৰভু হৰি
থাকিবে নপাৰো একো স্থান ।
তুমি এড়িলাত মোৰ মিলিবে সন্তাপ ঘোৰ
অৱশ্যে ছাড়িবো মোৰ প্ৰাণ ॥২৬
তুমি জপ তপ পুণ্য তুমি বিনা দেখো শূন্য
দিনতে আন্ধাৰ ত্ৰিজগত ।
অনেক কাৰ্পুণ্য কৰো ধুয়ো চৰণত ধৰো
লৈয়া যায়ো আমাক লগত ॥
সম্যকে অমৃতময় তোমাৰ চৰিত্ৰচয়
তাক মাত্ৰ শুনে যিটো নৰে ।
তাহাৰ উপজে ভাৱ নছাড়ে তোমাৰ পাৱ
আন বিষয়কো পৰিহৰে ॥২৭
শয়ন ভোজন স্নানে তোমাৰ ৰহস্য স্থানে
সদা সেৱা কৰি থাকো আমি ।
তুমি জীৱ তুমি প্ৰাণ তুমি বিনা নাহি আন
কিমতে বৰ্ত্তিবো এড়ি স্বামী ॥
অৱশেষ উপহাৰ ছাড় বস্ত্ৰ অলঙ্কাৰ
তোমাৰেসে পিন্ধো সৰ্ব্বায় ।
তোমাৰ উচ্ছিষ্ট খায়া তৰিবো দুষ্টৰ মায়া
হেন সে আছিল অভিপ্ৰায় ॥২৮
যোগীগণে শ্ৰম কৰি প্ৰবন্ধে সমাধি ধৰি
সবে কৰ্ম্ম-বন্ধ কৰি ক্ষীণ ।

তেজিয়া সংসাৰ নয় দেখে সবে ব্ৰহ্মময়
তেৰেসে তোমাত যায় লীন ॥
আমি যত গৃহবাসী কৰ্ম্মপথে ভ্ৰমো আসি
ভজিলোহো চৰণে তোমাৰ ।
তোমাক হিয়াত স্মৰি তোমাৰ কীৰ্ত্তন কৰি
তোমাৰ কথায়ে হুইবো পাৰ ॥২৯
চৰণ ছত্ৰকো ইটো উপাসিয়া থাকে যিটো
সিটো এড়াই সংসাৰৰ তাপ ।
হেন পাদ-পদ্ম এড়ি ক্ষণেকে নিজীবো হৰি
নিয়ো-লগে জগতৰ বাপ ॥
অনেক কাপুৰ্ণ্য কৰি কৃষ্ণৰ আগত পড়ি
জুড়িলন্ত উদ্ধৱে ক্ৰন্দন ।
দেখি দুঃখ ভকতৰ আশ্বাসিয়া দামোদৰ
উদ্ধৱক বুলিলা বচন ॥৩০
স্বৰূপ জানিলা তুমি এড়িবাক চাওঁ ভূমি
সংহৰিলো পৃথিবীৰ ভাৰ ।
দেৱৰো সাধিলো কাজ তোমাক নাহিকে বাজ
কুলৰো চিন্তিল মহামাৰ ॥
সাত দিন অৱসানে সমস্তে দ্বাৰকা মানে
সাগৰৰ জলে যাইব তল ।
আমি এড়িলাত ভূমি ঐত নাথাকিবা তুমি
লোকত মিলিবে বিমঙ্গল ॥৩১
পীড়িবে দুৰ্জ্জন কলি সত্বৰে যায়োক চলি
এড়া বন্ধু বান্ধৱৰ স্নেহ ।

মঞি আত্মা হেন জানি আমাক বান্ধৱ মানি
দেখা ভিন্ন আপোনাৰ দেহ ॥
যত দেখা যত শুনা যতেক মনত গুণা
সবে মায়াময় স্বপ্ন-সম ।
সমস্তে জগতে হৰি জানিবা নিশ্চয় কৰি
গুচায়ো বুদ্ধিৰ ইটো ভ্ৰম ॥৩২
জ্ঞান-যোগ কৰ্ম্ম-যোগ পৰম ভকতি-যোগ
সমস্ত কহিলা উদ্ধৱত ।
সাংখ্য তত্ত্ব যত আছে উদ্ধৱে জানিলা পাছে
মাধৱৰ পদ-প্ৰসাদত ॥
দুনাই পুটাঞ্জলি ধৰি কৃষ্ণক প্ৰণাম কৰি
বুলিলন্ত হুয়া নম্ৰ কায়া ।
জানিলো তুমিসি সচা আন যত সবে মিছা
তথাপি দুস্ত্যজ মোহ-মায়া ॥৩৩
বিষয়ৰ দুঃখ জানি তথাপিতো একো-প্ৰাণী
নেড়ে দুনাই তাকে ভুঞ্জি মৰে ।
গলত বান্ধিয়া পাঘে কাটিবাক নেন্তে ছাগে
যেন নিলৰ্জ্জতা আতি কৰে ॥
অনেক ভৎৰ্সনি পাই উচ্ছিষ্ট ভুঞ্জিবে যাই
যেন অতি কুকুৰ নিৰ্গতে ।
কহিয়োক স্বৰূপত ইটো ঘোৰ বিষয়ত
বিৰকতি হোৱে কেনমতে ॥৩৪

—০—

ঘোষা ॥ নৰহৰি কি এ ৰাম, নিস্তাৰিয়া নিয়ো নাৰায়ণ
মাথাত ধৰিবো তুলি দুখানি চৰণ ॥৪

পদ ॥ উদ্ধৱক সম্বোধি মাতন্ত কৃষ্ণ পাছে।
কৰ্ম্ম-বন্ধ এড়াইবে প্ৰবন্ধ যাৰ আছে ॥
বৈষ্ণৱৰ সঙ্গ সিটো লৈবে প্ৰথমত।
মোহোৰ চৰিত্ৰ শুনিবেক ভকতত ॥৩৫
মোৰ নাম-কীৰ্ত্তন কৰিব সৰ্ব্বক্ষণে।
হৃদয়ত মোৰ ৰূপ চিন্তিবে যতনে ॥
মোৰ যশ গায়া যিটো কৰে গীত নৃত্য।
নাহি তাৰ চিন্তা সিটো ভৈল কৃতকৃত্য ॥৩৬
শুনিয়ো উদ্ধৱ আৰো ৰহস্য ভকতি।
কৰিবা অভ্যাস তুমি স্থিৰ কৰি মতি ॥
সমস্তে ভূততে ব্যাপি আছো মঞি হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি ॥৩৭
ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন এক দৃষ্টি তুল ॥
নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাকেসে পণ্ডিত বুলিও সৰ্ব্বজান ॥৩৮
বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণু-বুদ্ধি ভাৱে সৰ্ব্বদায়ে মান্য কৰে।
ঈৰিষা অসূয়া অহঙ্কাৰ তিৰস্কাৰ।
সবে নষ্ট হোৱে তেৱে তাৰক্ষণে তাৰ ॥৩৯
দেখি সখিগণে জোনো হাসে আসি বেঢ়ি।
মঞি সাধু ইটো চোৰ হেন লজ্জা এড়ি ॥

কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা বাম ।
জানিয়া সবাকো পড়ি কৰিবা প্ৰণাম ॥৪০
সমস্ত ভূতত বিষ্ণু বুদ্ধি নোহে যাৱে ।
কায়-বাক্য-মনে অভ্যাসিবা এহি ভাৱে ॥
বিষ্ণুময় দেখে যিটো সমস্তে জগতে ।
জীৱন্তে মুকুত হোৱে অচিৰ কালতে ॥৪১
সকল প্ৰাণীক দেখিবেক আত্ম-সম ।
উপায় মধ্যত ইটো অতি মুখ্যতম ॥
মোৰ ইটো ধৰ্ম্মৰ অল্পৰো নাহি হানি ।
যিহেতু সাক্ষাতে মই কৈলো তত্ত্ববাণী ॥৪২
দাম্ভিক শঠত নকহিবা ইটো তত্ত্ব ।
সদা উপদেশ দিবা বৈষ্ণৱজনত ॥
স্ত্ৰী-শূদ্ৰো কৰে যদি আমাত ভকতি ।
তাহাত কহিবা ইটো জ্ঞান মহামতি ॥৪৩
আক ভক্তি কৰি পঢ়ে যিটো জ্ঞানী লোকে ।
মহা শুদ্ধ হুয়া জ্ঞানোদ্দীপে দেখে মোকে ॥
জানিলা উদ্ধৱ যেন দিলো উপদেশ ।
তোমাৰ কি শোক মোহ গুচিল নিঃশেষ ॥৪৪
ব্ৰহ্মা হৰ হলায়ুধ লক্ষ্মী প্ৰিয়জায়া ।
পৰম সুন্দৰ মোৰ দেখা ইটো কায়া ॥
সবাতো অধিক মোৰ তুমি প্ৰিয়তম ।
নাহি আন বান্ধৱ উদ্ধৱ তুমি সম ॥৪৫
ভকতেসে মোৰ হৃদি জানিবা নিশ্চয় ।
ভকতজনৰ জানা আমিসে হৃদয় ॥

মঞি বিনা ভকতে নিচিন্তে কিছু আন।
ভকতত পৰে মই নিচিন্তোহো আন ॥৪৬

ঘোষা ॥ কমলাপতি হোক গতি।
ৰাম মোৰ মতি তোমাৰ চৰণে ॥৫

পদ ॥ উদ্ধৱে কৃষ্ণৰ শুনি বাণী।
কৃতাঞ্জলি ভৈলা মহামানী ॥
মাত্তিবে নোৱাৰি আছা ৰহি।
চক্ষুৰ লোতক পড়ে বহি ॥৪৭
স্নেহত ব্যাকুল ভৈল মন।
ধৈৰ্য্য ধৰি ভৈলা সন্ধুক্ষণ ॥
আগবাঢ়ি গৈলা ধীৰে ধীৰে।
কৃষ্ণৰ চৰণ চুই শিৰে ॥৪৮
বুলিলা কৰিয়া নমস্কাৰ।
গুচাইলা মোহ-অহঙ্কাৰ ॥
সূৰ্য্যৰ কাষত যিটো থাকে।
তাক কি আন্ধাৰে আৰ ঢাকে ॥৪৯
কিনো কৃপা ভৃত্যক কৰিলা।
বিজ্ঞান প্ৰদীপ মোক দিলা ॥
প্ৰভু এড়ি তোমাৰ পাৰক।
কোন জনে ভজিবে আনক ॥৫০
ছিণ্ডিলা সুদৃঢ় মোহ-পাশ।
বিষয়ত কৰিলা উদাস ॥

দূৰ ভৈল বান্ধৱৰ স্নেহ ।
দেখো ভিন্ন আপোনাৰ দেহ ॥৫১
নমো নমো যোগেশ্বৰ হৰি ।
ভৃত্যক শিখায়ো ভাল কৰি ॥
মুক্ত অৱস্থাতে মোৰ মন ।
নেড়ে যেন তোমাৰ চৰণ ॥৫২
মাধৱে বোলন্ত এহি হোক ।
বদৰিকাশ্ৰমক যায়োক ॥
অলকানন্দাক দৰশনে ।
এড়িবে সমস্তে পাপগণে ॥৫৩
পিন্ধিবাহা বাকলি বসন ।
বন্যফল কৰিবা ভোজন ॥
থাকিবাহা ইন্দ্ৰিয়ক দমি ।
হৈবা শান্ত মনক নিয়মি ॥৫৪
আমাক স্মৰিবা বাক্য মনে ।
মোৰ ৰূপ চিন্তিবা যতনে ॥
সংসাৰৰ বন্ধে হৈবা হীন ।
তেবে চিত্ত মোতে যাইবা লীন ॥৫৫
যিটো জ্ঞান শিখাইলো তোমাক ।
বিচাৰিয়া অভ্যাসিবা তাক ॥
পাইবা তাৰ অল্পতে প্ৰমাণ ।
এতিক্ষণে এড়া ইটো স্থান ॥৫৬
তৰিবাহা সংসাৰৰ ক্লেশ ।
দিবাহা আনকো উপদেশ ॥

ভণিল শঙ্কৰে কৃষ্ণ পদে।
হৰি হৰি বোলা সভাসদে ॥৫৭

—০—

ঘোষা ॥ এ ত্ৰাহি হৰি জগন্নাথ ॥৬

পদ ॥ হেন যেৱে বুলিলা মাধৱে।
কৰযোড়ে উঠিলা উদ্ধৱে ॥
বান্ধৱৰ স্নেহে ভৈলা হীন।
কৰিলা কৃষ্ণক প্ৰদক্ষিণ ॥৫৮
পড়ি প্ৰণামিলা মহাবীৰ।
কৃষ্ণৰ চৰণে থৈয়া শিৰ ॥
স্নেহে ভৈল আকুল স্বভাব।
লোতকে তিয়াইলা দুয়ো পাৱ ॥৫৯
আজি এড়ো প্ৰভুৰ চৰণ।
এহি বুলি যুড়িলা ক্ৰন্দন ॥
যদ্যাপি জনিলা মহাজ্ঞান।
তথাপিতো ছাড়ে যেন প্ৰাণ ॥৬০
ভৈলন্ত বিহ্বল আতি স্নেহে।
যাইবাক খোজন্তে হৃদি দহে ॥
কৃষ্ণক এড়িবে নপাৰন্ত।
চৰণত পড়িয়া কান্দন্ত ॥৬১
হৃদি তাপ কৰন্ত উদ্ধৱে।
চলা চলা বোলান্ত মাধৱে ॥

কৃষ্ণৰ সুদৃঢ় আজ্ঞা জানি।
উঠি আখি মুচি মহামানী ॥৬২
প্ৰভুৰ পাদুকা শিৰে বান্ধি।
প্ৰণামি লড়িলা কান্দি কান্দি ॥
আগক নবাঢ়ে তান ভৰি।
কৰন্ত প্ৰণাম ডুনাই পড়ি ॥৬৩
উঠি যান্ত ভৰি পাঞ্চ ছয়।
আৰকা পৰন্ত মহাশয় ॥
কৃষ্ণৰ বচনে উঠি যান্ত।
নযায় ভৰি উলটি চাহান্ত ॥৬৪
ধৰিবাক নোৱাৰন্ত চিত্ত।
দণ্ডৱতে পড়ন্ত ভূমিত ॥
ডুনাই উঠি কৰন্ত গমন।
কৃষ্ণৰ বিয়োগে দহে মন ॥৬৫
কৃষ্ণে যিটো শিখাইলন্ত জ্ঞান।
কৰিলা হৃদয়ে তাক ধ্যান ॥
কৃষ্ণৰ খৰম মাথে লৈয়া।
দ্বাৰকাৰ ৰাজ ভৈলা গৈয়া ॥৬৬
যাদৱ বংশক কৃষ্ণে আনি।
বুলিলা মাধৱে হেন বাণী ॥
দেখা কেন ঘোৰ উৎপাত।
দ্বাৰকাত মিলিবে বিঘাত ॥৬৭
স্ত্ৰী-বাল-বৃদ্ধ আছে যত।
থাকোক ৰহিয়া দ্বাৰকাত ॥

প্ৰভাসক চলি যাও আমি।
স্নান দান কৰো জলে নামি ॥৬৮
দানেসে দুৰ্গতি সবে হৰে।
ঐৰ আসা অন্তৰো সত্বৰে ॥
শুনি বাল্য-বৃদ্ধ-তিৰী যত।
সবে আসি বৈলা দ্বাৰকাত ॥৬৯
যতেক পুৰুষ বলিয়াৰ।
নাৱে ভৈলা সাগৰৰ পাৰ ॥
ৰথে চড়ি গৈলা প্ৰভাসক।
অৰ্চ্চিলন্ত দেৱ ব্ৰাহ্মণক ॥৭০
কৃষ্ণকথা শুনা সৰ্ব্বজনে।
উদ্ধাৰিবে কৃষ্ণৰ কীৰ্ত্তনে ॥
মোক্ষ পাইবা গৃহবাসে থাকি।
জানি হৰি হৰি বোলা ডাকি ॥৭১

—•—

ঘোষা ॥ মন শ্ৰীৰাম কৃষ্ণ হৰি বুলিয়ো যতনে।
ধৰিয়ো একান্ত চিত্তে কৃষ্ণৰ চৰণে ॥৭

পদ ॥ ভৈল কাল-গ্ৰস্ত সবে যত যদুজাক।
গণ্ডগোল কৰি পিলে বাৰুণী সুৰাক ॥
মাধৱৰ মায়ায়ে কৰিলা বুদ্ধিহত।
মদ্য লাগি ভৈল সবে পৰম উন্মত্ত ॥৭২

উঠিল পৰম ক্ৰোধ হৰিল চেতন।
অন্যো-অন্যে কৰে সবে অনেক তৰ্জ্জন ॥
অস্ত্ৰ শস্ত্ৰ ধৰি সবে ৰণত প্ৰবুদ্ধ।
আপোনাৰ মাজত লগাইল ঘোৰ যুদ্ধ ॥৭৩
টঙ্কাৰিয়া ধনুক বৰিষে শৰ ধাৰে।
গদা মুদ্গৰ অসি পৰশু প্ৰহাৰে ॥
সাম্ব কামদেৱৰ লাগিল ঘোৰ যুদ্ধ।
কৰে ঘোৰ সমৰ সাত্যকি অনিৰুদ্ধ ॥৭৪
সুভদ্ৰ সংগ্ৰামজিতে কৰে হুলস্থুল।
সুমিত্ৰ সুৰথে দুয়ো কৰন্ত তুমুল ॥
উল্মুকে নিশঠে ভৈল দুৰ্ঘোৰ কন্দল।
শতজিত সমে যুজে ভানু মহাবল ॥৭৫
অক্ৰূৰে সহিতে কৃতবৰ্ম্মা মহাবীৰ।
কৰন্ত সমৰ কোপে কম্পিত শৰীৰ ॥
ভৈল সবে উন্মত্ত চেতন নাহি গাত।
বৰিষন্ত নিশিত সায়ক অসংখ্যাত ॥৭৬
পৰিঘ পট্টিশ অসি কৰন্ত প্ৰহাৰ।
অন্যো অন্যে শত্ৰু বুদ্ধি চিন্তে মহামাৰ ॥
তৰ্জ্জয় গৰ্জ্জয় কতো কৰে হাতাহাতি।
মাধৱৰ মায়ায়ে মোহিত ভৈলা আতি ॥৭৭
ভোজ বৃষ্ণি অন্ধক সাত্বত যদুবংশ।
বিষ্ণুৰ মায়ায়ে সবে ভৈল বুদ্ধি ভ্ৰংশ ॥
হুয়া আতি বিস্মৃতি পিতৃক পুত্ৰে মাৰে।
শ্বশুৰে জামাইক ভাই ভ্ৰাতৃক প্ৰহাৰে ॥৭৮

শ্যালক ভিনিসি মাৰে আজোককক নাতি।
খুড়াতে ভাতিজে কটাকটি কৰে আতি ॥
মিত্ৰমিত্ৰে কৰে যুদ্ধ ভাগিনে মাতুলে।
সুহৃদ সোদৰ যেন নচাৰে বাতুলে ॥৭৯
ঢুকুৰাইলা অস্ত্ৰ ধনু ভাঙ্গিল কোবত।
প্ৰহাৰে মাদুৰি ধৰি পৰম ক্ৰোধত ॥
শৰীৰত পড়ে যেন বজ্ৰৰ সন্ধান।
বিমুৰ্চ্চিত হুইয়া যদুগণে ছাড়ে প্ৰাণ ॥৮০
পাছে ৰাম-কৃষ্ণে উঠি হাতক উচ্চাই।
মাজ পশি সবাকো বাধন্ত দুয়ো ভাই ॥
দেখি যদুবীৰগণো ক্ৰোধে খেদি গৈল।
শক্ৰ বুদ্ধি তাসম্বাক মাৰিবাক লৈল ॥৮১
খঙ্গি ৰাম মাধৱো মাদুৰি লৈলা তুলি।
অনেক যাদৱী সেনা মাৰিলা সমূলি ॥
বিপ্ৰ-শাপ জন্যে সব বংশ ভৈল ছন।
বংশৰ অগনি যেন পোড়ে বংশ বন ॥৮২
সাগৰৰ তীৰক ঢাকিল মৰা-শৰে।
এবেসে গুচিল ভাৰ জানিলা মাধৱে ॥
পাছে বলোভদ্ৰ গৈলা সাগৰৰ তীৰ।
যোগচিন্তি এড়িলন্ত মনুষ্য শৰীৰ ॥৮৩
কৃষ্ণৰ অদ্ভুত লীলা শুনা সৰ্ব্বজন।
প্ৰাণ-থাকে মানে কেহো নেড়িবা কীৰ্ত্তন ॥
হেন জানা অন্তকে কেশত আছে ধৰি।
এড়াইবো যমৰ দায় ডাকি বোলা হৰি ॥৮৪

ঘোষা ॥ ৰাম হৰি বোলা মুখে।
সংসাৰ তৰিয়ো সুখে ॥৮

পদ ॥ দেখিলা কৃষ্ণে ৰাম মহাভাগ।
কৰিলা যোগ-বলে তনুত্যাগ ॥
মাধৱো পাছে প্ৰভাসৰ জলে।
স্নান কৰি গৈলা অশ্বত্থ তলে ॥৮৫
মাটিত বসিয়া ভৈলন্ত চুপ।
ধৰিলা দিব্য চতুৰ্ভুজ ৰূপ ॥
দেহৰ জ্যোতি জ্বলে দিশপাশ।
বিধুম বহ্নিৰ যেন প্ৰকাশ ॥৮৬
নৱ মেঘ যেন শ্যাম আকৃতি।
তাতে পীতবস্ত্ৰে কৰে দীপিতি ॥
বদন-পঙ্কজ আছে প্ৰকাশি।
নুগুচে সদায় ঈষত হাসি ॥৮৭
প্ৰকাশে কপালে অলকা পান্তি।
পদ্মক নিন্দে নয়নৰ কান্তি ॥
কিৰীটি শিৰে সম নাহি তুলে।
কৰ্ণত মকৰ কুণ্ডল দুলে ॥৮৮
আজানুলম্বী চাৰু চাৰি হাত।
কেয়ুৰ কঙ্কণে প্ৰকাশে তাত ॥
আঙ্গুলিগণক দেখন্তে তুষ্টি।
ৰত্নময় পিন্ধি আছে আঙ্গুষ্ঠি ॥৮৮
কম্বুকণ্ঠে আতি কৌস্তুভ জ্বলে।
মুকুতাৰ হাৰ শোভে বক্ষস্থলে ॥

গলত বনমালা কৰে কান্তি।
হিয়াত প্ৰকাশে শ্ৰীবৎস পান্তি ॥৯০
কান্ধে নৰগুণ উত্তৰী পীত।
ৰত্নৰ মেখলা জ্বলে কটিত ॥
নূপুৰে ৰঞ্জে পাদ-পদ্ম দুই।
ভকতে যাক দেখি সুখী হুই ॥৯১
যতেক অস্ত্ৰ চক্ৰ আদি কৰি।
চৌপাশে উপাশন্ত মূৰ্ত্তি ধৰি ॥
দক্ষিণ উৰুত থৈয়া চৰণ।
বসি আছা হৰি ধৰি আসন ॥৯২
মৃগ মুখাকাৰ দেখিয়া ভৰি।
মাৰিলা ব্যাধে শৰ লক্ষ্য কৰি ॥
সন্ধানে কৃষ্ণৰ পাৰক ভেদি।
পড়িল বুলি ব্যাধ গৈলা খেদি ॥৯৩
দেখে বসি আছা জগনিৱাস।
পেহ্লাইলা ধনু হুয়া মহাত্ৰাস ॥
ডৰিল জীৱ যেন ভৈলা মৰা।
কৃষ্ণৰ আগত পড়িল জৰা ॥৯৪
শুনা সৰ্ব্বজনে হৰি চৰিত।
আত পৰে ধৰ্ম্ম নাহি কলিত ॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে।
বোলা হৰি হৰি সমস্ত নৰে ॥৯৫

—০ঃঃ০—

ঘোষা ॥ প্ৰণামো ৰাম প্ৰভু পদ্মপাণি ॥৯

পদ ॥ অনেক বিনয় কৰিলা ব্যাধ ।
ক্ষমিয়ো হৰি মোৰ অপৰাধ ॥
অধম পাপী মঞি দামোদৰ ।
নজানি তোমাক কৰিলো শৰ ॥৯৬

মনুষ্য লোকৰ যত অজ্ঞান ।
যাহাক স্মৰণে কৰে নিৰ্য্যাণ ॥
হেন মাধৱৰ দ্ৰোহ আচৰি ।
কেনে জীওঁ এভো নযাও মৰি ॥৯৭

চাহিবে নলাগে কাটিয়ো মোক ।
পাপীৰ মোৰ প্ৰায়শ্চিত্ত হোক ॥
আউৰ যেন মই অধম পাপ ।
নকৰো মহন্তক উপতাপ ॥৯৮

শঙ্কৰ ব্ৰহ্মা আদি দেৱগণ ।
যাহাৰ মায়ায়ে মোহিত মন ॥
নজানন্ত যাৰ মহিমা আতি ।
জানিবো কিবা আমি অন্ত্য জাতি ॥৯৯

মাধৱে বোলন্ত শুনিয়ো জৰা ।
উঠিয়ো সত্ত্বৰে ভয় নকৰা ॥
কৰিলি আমাৰ বাঞ্ছা সফল ।
মোৰ বৰে আৰে স্বৰ্গক চল ॥১০০

শুনিয়া মাধৱক ভয়ে হীন ।
কৰিলা তিনবাৰ প্ৰদক্ষিণ ॥

প্ৰণামিয়া পাছে বিমানে চড়ি।
সশৰীৰে গৈলা স্বৰ্গক লড়ি ॥১০১
কৃষ্ণৰ সাৰথী পাছে দাৰুকে।
ৰথে চড়ি চাই ফুৰে নিচুকে ॥
কৃষ্ণক বিচাৰ কৰি প্ৰবন্ধে।
পাইলন্ত গৈয়া তুলসীৰ গন্ধে ॥১০২
সম্মুখ হুয়া দেখিলন্ত পাছে।
মূৰ্ত্তি ধৰি অস্ত্ৰ চৌপাশে আছে ॥
প্ৰকাশে দেহা যেন পূৰ্ণ শশী।
অশত্থ তলত আছন্ত বসি ॥১০৩
বজাইল লোতক আকুল ভাৱে।
পড়িলা দাৰুক কৃষ্ণৰ পাৱে ॥
কান্দিলা হুমাহুমি অধোমুখে।
মাতিলা পাছে মহা মনোদুখে ॥১০৪
তোমাৰ চৰণ নেদেখি স্বামী।
গুচিল চক্ষু অন্ধ ভৈলো আমি ॥
নজানোহো একো দিশ বিদিশ।
নাহি সুখ শান্তি জগত ঈশ ॥
যেন চন্দ্ৰ বিনে ৰাতি আন্ধাৰ।
তুমি মুখ্য প্ৰভু প্ৰাণ আমাৰ ॥
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে ॥১০৬

—•—

ঘোষা ॥ **হৰি গোবিন্দ জয় কৃষ্ণ গোপাল ৰাম ॥১০**

পদ ॥ এহিমতে দাৰুকে বোলন্ত পাছে ৰথ ।
আকাশে ধৰিলা বেগে বৈকুণ্ঠৰ পথ ॥
পাছতে লৰিলা চক্ৰ আদি অস্ত্ৰচয় ।
দেখিয়া দাৰুকে ভৈলা পৰম বিস্ময় ॥১০৭

স্তবধ নয়নে চাই আছে উপৰক ।
মাধৱে বুলিলা পাছে বাক্য দাৰুকক ॥
চলিয়োক দাৰুক সত্বৰে দ্বাৰকাক ।
বান্ধৱত কহ গৈয়া আমাৰ বাৰ্ত্তাক ॥১০৮

অন্যো অন্যে জ্ঞাতিগণ মৰিল সমস্ত ।
প্ৰত্যক্ষে দেখিলা বলভদ্ৰো গৈল অস্ত ।
শৰ-ঘাৱে ভৈলো মযো মৃতক-সমান ।
পিতৃত-মাতৃত গৈয়া তুমি দিয়া জান ॥১০৯

দ্বাৰকাত আউৰ নথাকিবা একো নৰে ।
মঞি এড়িলাত আসি বুড়াইবে সাগৰে ॥
সবন্ধু বান্ধৱে সাগৰৰ হৈবা পাৰ ।
নেড়িবাহা বৃদ্ধ পিতৃ-মাতৃক আমাৰ ॥১১০

আসিব অৰ্জ্জুন সখি দেখিবাক মোক ।
তানে লগে যাইবা দ্বাৰকাৰ যত লোক ॥
ৰাখি নিবা পথে ধনঞ্জয় মহাৰথে ।
বঞ্চিবাহা তুমি সবে গৈয়া ইন্দ্ৰপ্ৰস্থে ॥১১১

তুমি আচৰিবা ভাগৱত ধৰ্ম্মচয় ।
জ্ঞাননিষ্ঠ হুয়া সবে এড়িবা বিষয় ।

মায়াৰ ৰচনা ইটো জগতকে জানি।
পাছে মোক পাইবা তুমি কৈলো সত্যবাণী ॥১১২
শুনিলা দাৰুকে পাছে কৃষ্ণৰ আদেশ।
কৰযোড়ে উঠিলা মনত কৰি ক্লেশ ॥
প্ৰদক্ষিণ প্ৰভুক কৰিলা সাতবাৰ।
দুনাই দুনাই পড়িয়া কৰন্ত নমস্কাৰ ॥১১৩
শিৰত আছিলা ধৰি দুখানি চৰণ।
লোতক চল্লল আখি কৰন্ত ক্ৰন্দন ॥
চলিলোহো মঞি প্ৰাণ-প্ৰভুক উপেক্ষি।
ইজন্মত ভৈলো পৰিচ্ছেদা দেখাদেখি ॥১১৪
এহি বুলি লড়িলা কৃষ্ণৰ পাৰ এড়ি।
হা কৃষ্ণ বুলিয়া পাড়ন্তে যায় গেড়ি ॥
অনন্তৰে যতেক আসিল দেৱজাক।
তহিতে মিলিল আসি আৱৰি ব্ৰহ্মাক ॥১১৫
সিদ্ধ মুনি বিদ্যাধৰ কিন্নৰ চাৰণ।
পাৰ্ব্বতী সহিতে আসিলন্ত ত্ৰিনয়ন ॥
কৃষ্ণৰ নিৰ্য্যাণ দেখিবাক অভিলাষে।
বিমানে বেঢ়িয়া আসি ৰহিলা আকাশে ॥১১৬
মাধৱৰ চৰিত্ৰ শুনিয়ো সৰ্ব্বজন।
নেড়িবা সদায় কেহো কৃষ্ণৰ কীৰ্ত্তন ॥
কলিযুগে আন ধৰ্ম্ম নাহি আত পৰে।
হেন জানি হৰি হৰি বোলা নিৰন্তৰে ॥১১৭

—০০—

ঘোষা ॥ কৃষ্ণ নাথ যাদৱ মাধৱ মধুৰিপু ॥১১

পদ ॥ মাধৱক চাই দেৱগণে ।
কৰিলা প্ৰণাম ৰঙ্গমনে ॥
ৰূপ দেখি চান্ত এক দৃষ্টি ।
কৰন্ত আনন্দে পুষ্প বৃষ্টি ॥১১৮
কৰযোড়ে আতি ভক্তি ভাৱে ।
জুমা-জুমি কৃষ্ণ গুণ গাৱে ॥
কতো হৰি কীৰ্ত্তন কৰন্ত ।
তাৰ ছেৱে কতোহো নাচন্ত ॥১১৯
বাজে যন্ত্ৰ আকাশক ছানি ।
কৰে দেৱে দুন্দুভিৰ ধ্বনি ॥
ঘনে ঘনে পুষ্প বৰিষন্ত ।
জয় কৃষ্ণ বুলি জোকাৰন্ত ॥১২০
শুনি হৰি ওপৰক চাইল ।
ব্ৰহ্মাক আগতে ভেট পাইল ॥
আনো সব দেবতাক দেখি ।
মুদিলন্ত কৃষ্ণে দুয়ো আখি ॥১২১
পাছে যোগ ধাৰণা ধৰিলা ।
আপোনাক আত্মাতে থাপিলা ॥
নিমিষেকে নৰ-চেষ্টা এড়ি ।
বৈকুণ্ঠত প্ৰৱেশিলা হৰি ॥১২২
যেন মেঘে বিজুলি ছটাক ।
নোৱাৰিলা কেৱে লক্ষিবাক ॥

কৃষ্ণৰ গতিক সবে দেৱে ।
সেহিমতে নলক্ষিল কেৱে ॥১২৩
যিটো দেহা ধ্যানৰ আলয় ।
দেখি হোন্ত আপুনি বিস্ময় ॥
হেন তনু ভৈল অন্তৰ্দ্ধান ।
বিজুলি ছটাক যেন ঠান ॥১২৪
শ্ৰী ধৰ্ম্ম সত্য ধৃতি যত ।
সবে গৈল কৃষ্ণৰ লগত ॥
হেন দেখি যত দেৱগণ ।
সবাৰো বিস্ময় ভৈল মন ॥১২৫
কৃষ্ণৰ অদ্ভুত যোগ গতি ।
দেখি সবে প্ৰশংসিলা আতি ॥
স্বকী স্বকী স্থানে চলি গৈলা ।
শুক মুনি নৃপতিত কৈলা ॥১২৬
ৰাজা আত বিস্ময় নকৰা ।
মৰা পুত্ৰ অন্তকৰোপৰা ॥
গুৰুক দক্ষিণা আনি দিলা ।
স্বদেহে ব্যাধকো স্বৰ্গে নিলা ॥১২৭
ব্ৰহ্ম অস্ত্ৰে দহিন্তে তোমাক ।
ৰাখিলন্ত ধৰিয়া গদাক ॥
হেন হৰি দেৱ আদি মূল ।
নৰাখিলা ইটো যদু-কুল ॥১২৮
মনুষ্যত নাই স্বস্থ গতি ।
অন্তকালে হোৱে বিসঙ্গতি ॥

হেন দেখাই দেৱ শ্ৰীহৰি ।
গৈলা লড়ি কুলক সংহৰি ॥১২৯
ইটো লীলা চৰিত্ৰ কৃষ্ণৰ ।
কৰয় কীৰ্ত্তন যিটো নৰ ॥
তাৰ হুইবে বৈকুণ্ঠত বাস ।
হেন জানি এৰিয়ো আলাস ॥১৩০
হৰিৰ কীৰ্ত্তন সদা কৰা ।
বৃথা কথা কহিয়া নমৰা ॥
কহে কৃষ্ণ-কিঙ্কৰে শঙ্কৰে ।
হৰি হৰি বোলা সবে নৰে ॥১৩১

—o—

ঘোষা ॥ মন মাধৱ ৰাম
ৰাম জপ অবিশ্ৰাম ॥১২

পদ ॥ শুকমুনি বদতি শুনিয়ো পৰীক্ষিত ।
পাপৰ অন্তক ইটো কৃষ্ণৰ চৰিত্ৰ ॥
এহিমতে মৰিল যতেক যদুজাক ।
অনন্তৰে দাৰুক গৈলন্ত দ্বাৰকাক ॥১৩২
গোৱিন্দৰ বিয়োগে বিহ্বল আতি দুঃখে ।
চাই আছে নৰ-নাৰী কৰি ঊৰ্দ্ধ মুখে ॥
বসুদেৱ উগ্ৰসেনো আছে দুঃখভাৰে ।
পড়িল দাৰুক গৈয়া দুহান্তৰো পাৰে ॥১৩৩
চক্ষুৰ লোতকে তিয়াইলন্ত দুইৰো ভৰি ।
কান্দিলা অনেক ৰাম-কৃষ্ণক সুমৰি ॥

দাৰুকক বেঢ়িয়া সোধন্ত নাৰী নৰে ।
কি ভৈল সাৰথি কথা কহিয়ো সত্বৰে ॥১৩৪
মুচিলন্ত আখি আতি গদ গদ মাত ।
কহিলা দাৰুকে পাছে সকল বৃত্তান্ত ॥
কি কহিবো কথা মোৰ দহয়ে হৃদয় ।
অন্যো অন্যে যদুগণ গৈলা যমালয় ॥১৩৫
নৰৈল জনেকে সমূলঞে ভৈল হত ।
হেন শুনি অগ্নি যেন লাগিল গাৱত ॥
ক্রন্দনৰ ঊর্ম্মি আতি উথলিল বড় ।
প্রভাসক লাগি সবে দিলেক লৱৰ ॥১৩৬
গালত চাপৰ মাৰে শোকে স্মৃতি নাই ।
হা পতি পুত্র বুলি গেৰিয়ান্তে যাই ॥
এহিমতে গৈয়া সবে দেখিলন্ত পাছে ।
প্রভাসৰ তীৰক মৃতকে বেঢ়ি আছে ॥১৩৭
মৰা পতি পুত্র সোদৰৰ গলে ধৰি ।
কান্দে নাৰীগণে আতি আৰ্ত্তৰাৱ কৰি ॥
মহাশোকে বসুদেৱ দৈৱকী ৰোহিণী ।
বলভদ্র কৃষ্ণক চাহন্তে ফুৰে তিনি ॥১৩৮
নপাইলন্ত লাগ খুজি কৰিয়া বিচাৰ ।
হৰাইল চেতন শোকে দেখে অন্ধকাৰ ॥
তিনিয়ো ত্যজিলা প্ৰাণ কৃষ্ণ কৃষ্ণ বুলি ।
মাটিত উফৰি পড়ি মৰিল সমূলি ॥১৩৯
ক্রন্দন এড়িয়া নাৰীগণ অসংখ্যাত ।
স্বামীক আলিঙ্গি আৰোহিলন্ত চিতাত ॥

ৰেৱতী প্ৰমুখ্যে যত আছে নাৰীগণ।
ৰামক আলিঙ্গি প্ৰৱেশিলা হুতাশন ॥১৪০
কৃষ্ণ-মাতৃগণে বসুদেৱক আৱৰি।
চিতাত উঠিয়া সবে গৈলন্ত সৈতৰি ॥
ৰতি আদি মাধৱৰ পুত্ৰ-বধূ যত।
গৈলা সবে স্বকী স্বকী স্বামীৰ লগত ॥১৪১
ৰুক্মিণী প্ৰমুখ্যে অষ্ট মহিষী কৃষ্ণৰ।
নপাইলা বিচাৰি মাধৱৰ কলেৱৰ ॥
প্ৰৱেশিলা বহ্নিত স্বামীক কৰি ধ্যান।
কৃষ্ণক চিন্তিয়া সবে এড়িলন্ত প্ৰাণ ॥১৪২
এহিমতে এড়ি যেৱে গৈলা দামোদৰে।
ক্ষণেকতে দ্বাৰকাক বুৰাইলা সাগৰে ॥
নৰহিল কিছু তল গৈলা সামৰাজে।
ৰুক্মিণী দেবীৰ মুখ্য মন্দিৰত বাজে ॥১৪৩
নেড়ন্ত যাহাক মধুসূদনে ক্ষণেক।
অদ্যাপিও সাগৰত দেখিয়ো প্ৰত্যেক ॥
সূৰ্য্য সম জ্বলে সিটো কৃষ্ণৰ আলয়।
যাক দৰশনে কৰে পাপৰ প্ৰলয় ॥ ১৪৪
কৃষ্ণৰ নিৰ্য্যাণ শুনিয়োক সৰ্ব্বজনে।
তৰিবা সংসাৰ আৰ শ্ৰৱণ কীৰ্ত্তনে ॥
গৃহতে থাকিয়া সুখে মহা পুণ্য সাঞ্চা।
বোলা হৰি হৰি যম যাতনাক বঞ্চা ॥১৪৫

ঘোষা ॥ ৰামে হোক মতি ৰাম-চৰণে গতি ॥১৩

পদ ॥ অৰ্জ্জুন শুনিলা হেন কৃষ্ণৰ প্ৰয়াণ ।
ভৈলন্ত বিহ্বল শোকে নাই স্মৃতি জ্ঞান ॥
মহা মৰ্ম্মে কৃষ্ণক সুমৰি কুন্তীসুত ।
হা প্ৰাণ-কৃষ্ণ বুলি কান্দিলা বহুত ॥১৪৬

কহিয়াছে মাধৱে গীতাত যিটো জ্ঞান ।
প্ৰবন্ধে হিয়াত তাক কৰিলন্ত ধ্যান ॥
চিৰকালে চিত্তক কৰিয়া বীৰে সুস্থ ।
প্ৰেত-কাৰ্য্য জ্ঞাতিৰ কৰাইলা মহাৰথ ॥১৪৭

অনুক্ৰমে দিয়াইলন্ত পিণ্ড জলাঞ্জলি ।
কৃষ্ণৰ আদেশ পাছে শুনি মহাবলী ॥
স্ত্ৰী-বাল্য-বৃদ্ধক কৰিয়া বীৰে স্বস্থ ।
সবাকো লগতে লৈয়া গৈলা ইন্দ্ৰপ্ৰস্থ ॥১৪৮

তহিতে থৈলন্ত নিয়া যত যদুচয় ।
পাছে যুধিষ্ঠিৰক দেখিয়া ধনঞ্জয় ॥
চৰণত নিঢালে পড়িলা অধোমুখে ।
সন্নিধান নেদন্ত মনত মহা দুঃখে ॥১৪৯

আকুল-হৃদয় ভৈলা দেখি যুধিষ্ঠিৰ ।
ভ্ৰাতৃত পুছন্ত পাছে কৰি চিত্ত স্থিৰ ॥
বান্ধৱৰ বাৰ্ত্তাক অৰ্জ্জুন মোত কহ ।
কুশলে কি আছে সিটো সুৰ মাতামহ ॥১৫০

মমা বসুদেৱ কিবা আছন্ত কল্যানে ।
ভালে কি আছন্ত তান পত্নীগণ মানে ॥

সাম্ব কাম অনিৰুদ্ধ ভালে কি আছন্ত ।
সময়ন্ত তাসম্বো কি মোক সুমৰন্ত ॥১৫১

গোৱিন্দৰ বাৰ্ত্তা বাপ কহিয়ো আমাত ।
সুখে কি আছন্ত কৃষ্ণদেৱ দ্বাৰকাত ॥
যদু-বীৰগণ যাৰ বাহুক আশ্ৰয় ।
পৰম আনন্দে সবে নিৰ্ভয়ে ক্ৰীড়ই ॥১৫২

সত্যভামা সতী যাৰ চৰণ-সেৱাত ।
দ্বাৰতে ৰোৱাইলে শচীৰ পাৰিজাত ॥
হেন প্ৰাণ-কৃষ্ণৰ সত্বৰে কহ কথা ।
কিয় হেন ভৈল বাপ তোমাৰ অৱস্থা ॥১৫৩

চিৰকাল প্ৰৱাসত কিবা পাইলি দুঃখ ।
তনু তোৰ নিস্তেজ মলিন দেখো মুখ ॥
প্ৰাৰ্থকক নেদিলাহা প্ৰতিশ্ৰুত দান ।
নকৰিলা প্ৰাণীক ভয়ত পৰিত্ৰাণ ॥১৫৪

অতিথিক নিদি কিবা কৰিলা ভোজন ।
সিজিল পাতক কিবা অগম্য-গমন ॥
অধমে জিনিলে কিবা আসন্তে পথত ।
কিসক মিলিল বাপ দুঃখ হেনমত ॥১৫৫

কহিয়োক বাপু এবে দুঃখৰ কাৰণ ।
বুলিবে খোজন্তে নোহ্লায় মুখত বচন ॥
চক্ষুক মলচি পাছে শোকক স্তম্ভাই ।
কাঢ়িলা নিশ্বাস বীৰে নৃপতিক চাই ॥১৫৬

সৌহৃদ্য সখিত্ব সুমৰিয়া মাধৱৰ ।
বোলন্ত অৰ্জ্জুনে ৰাজা শুনা আথান্তৰ ॥
ভনিল শঙ্কৰে কৃষ্ণ চৰণত ধৰি ।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি ॥১৫৭

—ঃ০ঃ—

ঘোষা ॥ গোপাল হৰি কৰো প্ৰণাম ।
নেড়োক মুখে ৰাম-কৃষ্ণ নাম ॥১৪

পদ ॥ কিবা সোধা ৰাজা মোৰ অৱস্থা ।
সৰ্ব্বনাশ ভৈলো কি কৈবো কথা ॥
বন্ধু ৰূপী হৰি ভৈলো বঞ্চিত ।
কিমতে আৰে সম্বৰিবো চিত্ত ॥১৫৮
যাহাক আশ্ৰয়ে দ্ৰুপদ ঘৰে ।
জিনিলো ৰাজাগণ একেশ্বৰে ॥
মৎস্য ভেদি পাইলো দ্ৰৌপদীক ।
হেন কৃষ্ণ বিনে জীৱন ধিক ॥১৫৯
দহিলো খাণ্ডৱ যাৰ সহায় ।
ভঙ্গাইলো বাসৱক সমুদায় ॥
অদ্ভুত সভা সাজি দিলে ময় ।
কৰিলো ৰাজসূয় যাত গয় ॥১৬০
এড়িয়া গৈলা হেন কৃষ্ণে মোক ।
কিসক জীও নগৈ যমলোক ॥
হৰক যুঝিলো যাহাক গয় ।
দিলা অস্ত্ৰ হৰে হুয়া বিস্ময় ॥১৬১

যাহাৰ প্ৰসাদে ভৈলো স্বৰ্গগামী ।
ইন্দ্ৰৰো অৰ্দ্ধাসন পাইলো আমি ॥
এড়িয়া গৈলা হেন যদুৰায় ।
কেনে জীও এভু প্ৰাণ নযায় ॥১৬২
যাহাৰ তেজে বৃকোদৰ বীৰে ।
দুঃশাসন-হিয়া কুঠাৰে চিৰে ॥
প্ৰতিজ্ঞা সাম্ফলি পিলা ৰুধিৰ ।
ভাঙ্গিলা ঊৰু কুৰু নৃপতিৰ ॥১৬৩
বান্ধৱ বুলি ত্ৰিজগত পতি ।
কৰিলো সাৰথি মঞি কুমতি ॥
ব্ৰহ্মা আদি যত ত্ৰিদশগণে ।
সদায়ে সেৱন্ত যাৰ চৰণে ॥১৬৪
দেবৰো দেব হেন প্ৰভু হৰি ।
মাতন্ত মোক পৰিহাস কৰি ॥
ওবা পাৰ্থ ওবা সখি অৰ্জ্জুন ।
কতেক কহিবো প্ৰভুৰ গুণ ॥১৬৫
ভ্ৰমন্তে ভুঞ্জন্তে কৃষ্ণৰ সঙ্গে ।
নানা উপালম্ভ কৰিলো ৰঙ্গে ॥
সহিলন্ত তাক যেন বান্ধৱে ।
বঞ্চিত ভৈলোহো হেন মাধৱে ॥১৬৬
কিবা সোধা ৰাজা আমাৰ কথা ।
কোননো নভৈল মোৰ অৱস্থা ॥
ৰাখিয়া আনো কৃষ্ণ-পত্নী-জাক ।
গোৱালে কাঢ়ি নিলে তাসম্বাক ॥১৬৭

শ্ৰীকৃষ্ণ যেন জিনিলেক মোকে।
প্ৰাণ ফুটি যায় এহিসে শোকে ॥
কৃষ্ণৰ বিয়োগে দগধ মন।
যাতিবে নোৱাৰো হৰায় চেতন ॥১৬৮
অৰ্জ্জুন এহি বুলি মৌন ভৈলা।
কৃষ্ণৰ চৰণ চিন্তিবে লৈলা ॥
বিষয়-বিষে ভৈল বিৰকতি।
কৃষ্ণ-পাদ-পদ্মে নছাড়ে মতি ॥১৬৯
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৃষ্ণ কথা শুনা সমস্ত জনে ॥
যেৱে সুখে যাইবা সংসাৰ তৰি।
সদায় ডাকি বোলা হৰি হৰি ॥১৭০

ঘোষা ॥ গোপাল গোৱিন্দ ৰাম কৃষ্ণ হৰিগতি।
কি ৰাম হৰি গতি কি ৰাম হৰি গতি ॥১৫

পদ ॥ এহিমতে কৃষ্ণক চিন্তন্তে মহাবীৰ।
বাঢ়িল ভকতি মল গুচিল বুদ্ধিৰ ॥
পাসৰি আছিলা যিটো শিখিবাৰ তত্ত্ব।
দুনাই ভৈল অৰ্জ্জুনৰ মনত বেকত ॥১৭১
ভৈল ব্ৰহ্ম-সম্পত্তি এড়াইলা শোকচয়।
মনত আছিল মানে গুচিল সংশয় ॥
মায়ায়ে এড়িল লিঙ্গ শৰীৰ ভাগিল।
আপোনাৰ আত্মা পৰমাত্মাতে থাপিল ॥১৭২
ভকতিৰ বলে জ্ঞান লাভিলা নিৰ্গুণ।
জীৱন্তে মুকুত হুই ৰহিলা অৰ্জ্জুন ॥

কুন্তী শুনিলন্ত পাছে কৃষ্ণৰ নির্য্যাণ।
কৃষ্ণতে অৰ্পিয়া চিত্ত ছাড়িলন্ত প্ৰাণ ॥১৭৩
কৃষ্ণৰ নির্য্যাণ শুনি ৰাজা যুধিষ্ঠিৰ।
শোক মোহ এড়ি চিত্ত কৰিলন্ত স্থিৰ ॥
হৰি এড়িলাত কলি প্ৰৱেশিলা জানি।
পৰীক্ষিত তোমাক পাতিল ৰাজা আনি॥১৭৪
এড়িলা বিচিত্ৰ বস্ত্ৰ ৰত্ন অলঙ্কাৰ।
পিন্ধিলা বাকলি ৰাজা ভৈলা নিৰাহাৰ ॥
মৌন ব্ৰত ধৰিয়া মুকুত কৰি কেশ।
ভৈলা যেন জড় আতি পিশাচৰ বেশ ॥ ১৭৫
কৃষ্ণ পদ-পঙ্কজক ধৰি হৃদয়ত।
হৰি ভক্তি দহিলে মনৰ মল যত ॥
বিষ্ণুৰ ধ্যানত পৰে আন গতি নাই।
পাইলন্ত পৰম গতি পাছে পাঞ্চো ভাই ॥১৭৬
কৃষ্ণ পদ-পঙ্কজ হৃদয়ে কৰি স্থিৰ।
ধৰিলা উত্তৰ পথ ৰাজা যুধিষ্ঠিৰ ॥
দ্ৰৌপদী দেখিল এড়িলন্ত পঞ্চ পতি।
কৃষ্ণৰ চৰণে পাছে স্থিৰ কৰি মতি ॥১৭৭
কৃষ্ণকেসে সুমৰে কৃষ্ণক কৰে ধ্যান।
হা প্ৰাণকৃষ্ণ বুলি ছাড়িলন্ত প্ৰাণ ॥
পাছে পৰীক্ষিত তুমি পালিলাহা মহী।
ধৰ্ম্মক ৰাখিলা বলে কলিক নিগ্ৰহি ॥১৭৮
তোমাৰ ৰাজ্যত ভৈল সত্যৰ ব্যৱস্থা।
দশো দিশে কহয় তোমাৰ গুণ-কথা ॥

কৃষ্ণৰ নিৰ্য্যাণ শুনিয়োক সৰ্ব্বজনে ।
তৰিবা সংসাৰ ঘোৰ শ্ৰৱণ-কীৰ্ত্তনে ॥১৭৯
ইহ পৰলোকে হৰি চৰণেসে গতি ।
হেন জানি কৰা সবে হৰিত ভকতি ॥
হেন জানা অন্তকে কেশত আছে ধৰি ।
এড়ায়ো যমৰ দায় ডাকি বোলা হৰি ॥১৮০

—০—

ঘোষা ॥ ৰাম গোপাল কৃপাময় নিৰঞ্জন হৰি ।
ভকতৰ নিয়ো নাথ দুঃখক সংহৰি ॥১৬

পদ ॥ নৃপতিত শুকে পাছে কহন্ত কাহিনী ।
গৈলন্ত উদ্ধৱ পায়া কৃষ্ণত মেলানি ॥
বিদুৰে সহিতে যেন কৰিলা আলাপ ।
শুনিয়ো নৃপতি দুনাই উদ্ধৱ বিলাপ ॥১৮১
তীৰ্থ কৰি ফুৰন্তে বিদুৰ মহাভাগ ।
যমুনা-তীৰত উদ্ধৱক পাইলা লাগ ॥
পূৰ্ব্ব-শিষ্য গুৰুৰ কৃষ্ণৰ অনুচৰ ।
দেখি তাঙ্ক আতি প্ৰীতি ভৈল বিদুৰৰ ॥১৮২
আলিঙ্গি ধৰিলা নয়নৰ বহে জল ।
পুছিলন্ত যদু-কুৰু-কুলৰ কুশল ॥
পুৰাণ পুৰুষ ৰাম কৃষ্ণ অৱতৰি ।
সুখে কি আছন্ত পৃথিবীৰ ভাৰ হৰি ॥১৮৩
বসুদেৱ ভিনিসিৰ কহিয়ো কল্যাণ ।
আমাৰ সুহৃদ নাহি তাহান সমান ॥

প্ৰদ্যুম্নৰ বাৰ্ত্তা বাপ কহিয়ো সম্প্ৰতি।
সুখে কি আছন্ত উগ্ৰসেন নৰপতি ॥১৮৪
সাম্ব কাম অনিৰুদ্ধ আছন্ত কুশলে।
বৈষ্ণৱ অক্ৰূৰ কিবা আছে অবিকলে ॥
আনন্দে কি আছন্ত সাত্যকি মহাবল।
দৈৱকী দেৱীৰ আৰে কহিয়ো কুশল ॥১৮৫
চাৰু গদ আদি কৰি কৃষ্ণৰ তনয়।
আছে যদুগণ কিবা পূৰ্ব্ব অভ্যুদয় ॥
কৃষ্ণ ধনঞ্জয় দুইক কৰিয়া আশ্ৰয়।
সুখে কি আছন্ত যুধিষ্ঠিৰ মহাশয় ॥১৮৬
ভীম ধনঞ্জয় সহদেৱ নকুলৰ।
সবাৰো বাৰ্ত্তাক বাপ কহিয়ো সত্বৰ ॥
কৰো অনুশোচ ধৃতৰাষ্ট্ৰক সম্প্ৰতি।
নিজ পাপে গৈল কৌৰন্ততে আধোগতি ॥১৮৭
দেশক ডাকিলা মোক পুত্ৰৰ বিবাদে।
তীৰ্থ কৰি ফুৰো মঞি কৃষ্ণৰ প্ৰসাদে ॥
যাৰ যশ কীৰ্ত্তনে জগত আতি তৰে।
বাৰ্ত্তা কহা সহি হেন কৃষ্ণৰে সত্বৰে ॥১৮৮
পুছিলা বিদুৰ যেৱে কৃষ্ণৰ কুশল।
মাধৱক স্মৰি ভৈলা উদ্ধৱ বিহ্বল ॥
পাঞ্চ বৰিষতে যিটো ভোজনক এড়ি।
শিশু-লালা কৰিয়া পূজন্ত মাত্ৰ হৰি ॥১৮৯
কৃষ্ণৰ সেৱাতে আৰে আসি বৃদ্ধ ভৈলা।
কহিবে নপাৰি কথা মৌন হুয়া ৰৈলা ॥

দুই দণ্ড চিন্তিলন্ত কৃষ্ণৰ চৰণ।
হৰি-ভক্তি অমৃতত মগ্ন ভৈল মন ॥১৯০

শিহৰি শৰীৰ ভৈল সৰ্ব্বাঙ্গ পুলক।
চক্ষু মুদি আছ স্ৰৱে আনন্দে লোতক ॥
মাধৱৰ স্নেহ বসে মগ্ন ভৈলা মন।
বোলা হৰি হৰি সমজ্যাৰ যত জন ॥১৯১

—০ঃ০—

ঘোষা ॥ বনমালী ৰাম মোৰ প্ৰাণ গৈল কোন স্থান।
জীৱেৰ জীৱন কৃষ্ণ বিনে নাই আন ১৭

পদ ॥ কথমপি কৃষ্ণৰ চৰণ এড়ি মন।
বজাইলা উদ্ধৱে পাইলা গাৰত চেতন ॥
হাতে মলচিয়া চক্ষু চান্ত স্থিৰ কৰি।
ত্যজিলন্ত নিশ্বাস কৃষ্ণৰ লীলা স্মৰি ॥১৯২

কৃষ্ণৰ বিৰহে অগ্নি দগ্ধ কৰে মন।
কান্দন্তে দিলন্ত বিদুৰক সন্নিধান ॥
কিবা কথা সোধা সখি দেখো অন্ধকাৰ।
কৃষ্ণ-সূৰ্য্য-অস্ত গৈল প্ৰাণ যে আমাৰ ॥১৯৩

কাল সৰ্পে দংশিলেক সুহৃদ সকল।
কি কহিবো সখি আৰ আমাৰ কুশল ॥
যাদৱ বংশৰ কিনো মিলিল অভাগ।
নজানিলো কৃষ্ণক লগতে পায়া লাগ ॥১৯৪

ক্ষাৰ-সাগৰত আছিলন্ত শশধৰ।
মাছে যেন বোলে ইও এক জলচৰ ॥
সেহিমতে ঈশ্বৰক পায়া যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজন ॥১৯৫
ভূষণৰো ভূষণ পৰম অঙ্গচয়।
যাক দেখি হৰি হন্ত আপুনি বিস্ময় ॥
অপূৰ্ণ প্ৰাণীক অল্প দিয়া দৰশন।
লগতে নিলন্ত যেন লোকৰ লোচন ॥১৯৬
দেখিয়ো কৃষ্ণৰ কেন কৰ্ম্ম বিড়ম্বন।
বসুদেৱ-গৃহত অজৰ উপজন ॥
যাৰ কটাক্ষতে হোৱে জগত বিনাশ।
কংসভয়ে লন্ত তেবে গোকুলত বাস ।১৯৭
বসুদেৱ-দৈৱকীক বুলিলা প্ৰণামি।
কংসভয়ে ব্ৰজত বঞ্চিলো গৈয়া আমি ॥
হে পিতৃ-মাতৃ মোৰ মৰষিয়ো দোষ।
ইহাক সুমৰি মনে মিলে অসন্তোষ ॥১৯৮
হেনয় কৃষ্ণৰ যিটো গাইলে নাম-গুণ।
ডুনাই পাসৰিবে আৰ কোন নিদাৰুণ ॥
ৰাজসূয় যজ্ঞত দেখিলো নেত্ৰে ভৰি।
যেন গতি পালে শিশুপালে দ্বেষ কৰি ॥১৯৯
কৃষ্ণ-মুখ-পদ্মক কৰন্তে নেত্ৰে পান।
অৰ্জ্জুনৰ শৰে কাটে ছাড়ে সুখে প্ৰাণ ॥
পাৱে পৰম-পদ ব্ৰহ্মাদিয়ো যাত গহ।
হেনয় প্ৰভুৰ কোনে সহিবে বিৰহ ॥২০০

উগ্রসেন ৰাজাক বৈসায়া সিংহাসনে ।
কৰযোড়ে আপুনি বোলন্ত নাৰায়ণে ॥
আদেশিয়ো মহাৰাজা কোন কৰ্ম্ম কৰো ।
ইহাক সুমৰি সখি আতিশয় মৰো ॥২০১
কৃষ্ণ গুণ সুমৰন্তে হৰাইলা চেতনা ।
মৰিবাক লাগি স্তন দিলেক পুতনা ॥
তথাপি পাইলেক তাই জননীৰ গতি ।
কিনো কৃপাময় নাৰায়ণ প্ৰাণ-পতি ॥২০২
হেননো স্বামীক এড়ি কিনো মহা অন্ধ ।
আনক ভজিবে লাগি কৰিবে প্ৰবন্ধ ॥
যত দৈত্য আসে মাধৱক ক্ৰোধ কৰি ।
তাহাকো উত্তম গতি দেন্ত শ্ৰীহৰি ॥২০৩
যিটো প্ৰেমভাৱে ভজে হেন ভগৱন্ত ।
তাহাৰ মহিমা কহি কোনে পাৰে অন্ত ॥
হেন পূৰ্ণ ব্ৰহ্মক হাততে পায়া লাগ ।
হৰুৱাইলো দেখা সখি মোহোৰ অভাগ ॥২০৪
সুমৰি সুমৰি সিটো স্বামীৰ চৰণ ।
কহিবে নোৱাৰো কথা দগ্ধ কৰে মন ॥
কৃষ্ণৰ কিঙ্কৰে কহে শুনা সৰ্ব্বলোক ।
হৰি হৰি বোলা সদা পাতক ছাড়োক ॥২০৫

—:*:—

ঘোষা ॥ গোপাল প্ৰাণ গৈলা কোন স্থান।
গোপাল প্ৰাণ ॥১৮

পদ ॥ শুনা সখি যেন ভৈলা অৱস্থা।
পূৰ্ব্বাপৰ কহো কৃষ্ণৰ কথা ॥
খণ্ডিবাক লাগি ভূমিৰ ভাৰ।
দৈৱকী-গৰ্ভে ভৈলা অৱতাৰ ॥২০৬

বসুদেৱে ভয়ে গোকুলে থৈলা।
কৰিলা কৃষ্ণে তৈতে শিশু লীলা ॥
গোপ-শিশু সমে বাচৰু চাৰি।
ভ্ৰমন্ত যমুনা-তীৰে মুৰাৰি ॥২০৭

কংসে পাঞ্চে যত আসে দানৱ।
লীলায়ে মাৰন্ত তাক মাধৱ ॥
ইন্দ্ৰৰ মখকো কৰিলা ভঙ্গ।
বৰষিলা ইন্দ্ৰে কৰিয়া খঙ্গ ॥২০৮

মন্দৰ তুলি পাছে ভগৱন্তে।
ৰাখিলা ব্ৰজক বৃষ্টিৰ হন্তে ॥
শৰত-কালে চন্দ্ৰাৱলী পাই।
কৰিলা ৰাস-ক্ৰীড়া যদুৰায় ॥২০৯

বলো সমে আসি মথুৰাপুৰ।
মাৰিলা তৈতে দুষ্ট কংসাসুৰ ॥
পঢ়িবে লাগি হুয়া গৈলা ছাত্ৰ।
সান্দীপনি গুৰু পঢ়াইলা শাস্ত্ৰ ॥২১০

মৃতক পুত্ৰক দক্ষিণা দিলা ।
অষ্ট মহিষীক বিহা কৰিলা ॥
নৰকক মাৰি ৰূপে গুণে ধন্যা ।
পাইলা আৰো ষোল হাজাৰ কন্যা ॥২১১
সবাতো দশদশ পুত্ৰ জাত ।
ভৈল বল বীৰ্য্যে জগতে খ্যাত ।
দ্বিবিধ মাগধ সম্বৰ বাণ ।
শাল্ব পৌণ্ড্ৰকৰ লৈলন্ত প্ৰাণ ॥২১২
পাণ্ডৱৰ হাতে সমৰ জিনি ।
মৰাইলা অষ্টদশ অক্ষৌহিণী ॥
উত্তৰা গৰ্ভে ভৈলা উতপতি ।
পৰীক্ষিত পাণ্ডু-বংশে সন্ততি ॥২১৩
দ্ৰোণীৰ অস্ত্ৰে দহিলেক গাক ।
ৰাখিলন্ত কৃষ্ণে ধৰি গদাক ॥
কৃষ্ণৰ মহা অনুগ্ৰহ পাই ।
ভুঞ্জিল ৰাজ্য যুধিষ্ঠিৰ ৰায় ॥২১৪
অনেক বৎসৰ আছা মাধৱ ।
যাদৱগণৰ বঢ়াই উৎসৱ ॥
গৃহত পাছে ভৈলা বিৰকতি ।
গুণন্ত মনত জগতপতি ॥২১৫
আছে যদুগণ দুঃসহ বীৰ ।
নুগুচিল কিছু ভাৰ ভূমিৰ ॥
দিয়াইলা বিপ্ৰ-শাপ প্ৰভু ছলে ।
সবাকো নিলা প্ৰভাসৰ জলে ॥২১৬

স্নান কৰি সবে দিলেক দান ।
কৰিলে বাৰুণী সুৰাক পান ॥
কৃষ্ণৰ মায়ায় চেতন হৰিল ।
অন্যে-অন্যে যুজি সবে মৰিল ॥২১৭
মাধৱে পাছে স্নান কৰি জলে ।
বসিলা আসনে অশ্বত্থ-তলে ॥
মোক আদেশিলা জগত-নাহা ।
তুমি বদৰিকাশ্ৰমক যাহা ॥২১৮
তথাপি এড়িবে নোৱাৰো স্বামী ।
আঁৰ হুয়া গৈলো পাছতে আমি ॥
কৃষ্ণৰ বিৰহ সহিবে কোনে ।
বোলা হৰি হৰি সমস্ত জনে ॥২১৯

—০—

ঘোষা ॥ কাঁহা গৈলা মোৰ গোপাল স্বামী ।
কৃষ্ণ বিনে জীৱো কিমতে আমি ॥ ॥১৯

পদ ॥ কৃষ্ণক নেদেখি আকুল মতি ।
বিচাৰি পাছে পাইলো প্ৰাণ-পতি ॥
নিৰ্ম্মল শ্যাম তনু সুকুমাৰ ।
কণ্ঠত কৌস্তুভ মুকুতা হাৰ ॥২২০
চাৰিখান ভুজ ভুষণে জ্বলে ।
আপাদ-লম্বী বনমালা গলে ॥
অৰুণ-লোচন মুখ প্ৰসন্ন ।
প্ৰকাশন্তে আছে পীত বসন ॥২২১

কুণ্ডল কৰ্ণে কৰে জলমল।
কিৰীটি ৰত্নৰ শিৰে উজ্জ্বল ॥
নূপুৰে ৰঞ্জে পাদ-পদ্ম কোষ।
যাক দেখি মিলে মনে সন্তোষ ॥২২২
দাহিন পদে বাম উৰু স্থাপি।
আসনে বসিছা জগত ব্যাপি ॥
শিশু অশ্বত্থত আউজি গাৰ।
দেখিলো প্ৰভু পূৰ্ণনন্দ ভাৰ ॥২২৩
তহিতে মৈত্ৰেয় মিলিল আসি।
মোক দেখি কৃষ্ণে তুলিলে হাসি ॥
কান্দিবে লাগিলা প্ৰভুক চাই।
প্ৰবোধিলা মোক যাদৱ ৰায় ॥২২৪
জানিলো উদ্ধৱ তোমাৰ চিত্ত।
পূৰিবো তোমাৰ মন বাঞ্ছিত ॥
আছিলা বসু পূৰ্ব্ব জনমতে।
পূজিলা তুমি মোক ভালমতে ॥২২৫
মোহোৰ কৃপায়ে লভিলা পাৰ।
আউৰ জন্ম হুনাই নাহি তোমাৰ ॥
সুদৃঢ় ভকতি জ্ঞান বৈৰাগ।
ইজন্মত আসি লৈলেক লাগ ॥২২৬
হেন কৃপা বাক্য শুনি স্বামীৰ।
স্নেহে শিহৰিল সব শৰীৰ ॥
বহয় লোতক নেত্ৰৰ ঝৰি।
বুলিলো পাছে কৃতাঞ্জলি কৰি ॥২২৭

চিন্তে যিটো জনে তযু চৰণ ।
নিসিজে তাৰ কোন প্ৰয়োজন ॥
তথাপি একো বাঞ্ছা নাই মোৰ ।
তোমাৰ চৰণ সেৱাত পৰ ॥২২৮
তুমি পূৰ্ণ-কাম জগতে খ্যাত ।
তথাপি মোক মাতা মন্ত্ৰণাত ॥
সোধা কথা যেন সামান্য জন ।
ইহাক স্মৰি মোহ হোৱে মন ॥২২৯
ব্ৰহ্মাক দিলা যিটো জ্ঞান স্বামী ।
জানিবে যেবে যোগ্য হওঁ আমি ॥
কহিয়ো তেৱে তাক ভগৱন্ত ।
পাও প্ৰভু যেন দুঃখৰ অন্ত ॥২৩০
হেন শুনি হৰি কৃপায়ে হাসি ।
কহিলা ৰহস্য জ্ঞান প্ৰকাশি ॥
পৰম প্ৰসাদ দিলন্ত স্বামী ।
নমিলো পাছে প্ৰদক্ষিণে আমি ॥২৩১
আসিলো ঐক হুয়া কৃতকৃত্য ।
কৃষ্ণৰ বিৰহে আকুল চিত্ত ॥
তোমাক এড়িয়া মঞি অভাগী ।
যাইবো বদৰিকাশ্ৰম লাগি ॥২৩২
তোমাত জ্ঞান কহিবাক প্ৰতি ।
বুলিলা মৈত্ৰেয়ক যদুপতি ॥
বিদুৰে সমে হেন কথা কই ।
আনন্দে তীৰত আছিলা ৰই ॥২৩৩

কথাতে পোহাইলা সমস্তে ৰাতি ।
বিদুৰো ভৈলা আনন্দিত আতি ॥
কৃষ্ণৰ কীৰ্ত্তি শুনা সৰ্ব্বলোক ।
তৰিবা যেৱে ইটো দুঃখ-শোক ॥২৩৪
অন্তকে আসি ধৰিলেক পৰা ;
জানিয়া আন আল জাল এড়া ॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে ।
হৰি হৰি বোলা সমস্ত নৰে ॥২৩৪

শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ সমাপ্ত ।।

—ঃ*ঃ—

### অষ্ট বিংশ ভাগ

## সহস্ৰ-নাম বৃত্তান্ত ।

ঘোষা ॥ কি কৰিলো কি কৰিলো ভকতি নকৰি ।
অন্তকে পাইলেক আসি ৰক্ষা কৰা হৰি ॥১

পদ ॥ নকৰিলো শিৰে মাধৱক নমস্কাৰ ।
ইটো মাথা-গোটা মোৰ ভৈল মহাভাৰ ॥
কৰ্ণ দুই আছে নুশুনিলো হৰি কথা ।
দুগোটা গৰ্ত্তৰ ভাৰ বহিলোহো বৃথা ॥১
জিহ্বা মোৰ আছন্তে নলৈলো ৰাম নাম ।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম ॥
নেদেখিলো নয়নে প্ৰভুৰ যেন ৰূপ ।
সম্যকে জানিলো দুয়ো আখি অন্ধকূপ ॥২

যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰি-ৰূপ নেদেখিলো পাইলো তেন্হু আখি ॥
হৰি-পদ-তুলসীৰ নলৈলোহো ঘ্ৰাণ।
জীৱন্তে মৰিলো নাসা ভাটিৰ সমান ॥৩
পিন্ধিলোহো বাহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলো একবাৰ।
কৃষ্ণ-কৃত নকৰিলো ভৈলেহো বৰ্ব্বৰ।
ইটো হস্ত বাহু মিছা মৃতক শৰৱ ॥৪
পাৱ দুই আছন্তে নগৈলো ক্ষেত্ৰ স্থান।
মোৰ পাৱ ভৈল বৃক্ষ শিফাৰ সমান ॥
হা হা দয়াময় মোৰ কি কৰিলা গতি।
এভু তুৱা নাম লৈবে হৌক মোৰ মতি ॥৫
কৰ্ম্ম দোষে যিবা জন্ম হৌক সংসাৰত।
তাতো নছাড়োক চিত্ত তুৱা চৰণত ॥
সদায় ঘোষোক ৰাম নাম মোৰ মুখে।
সংসাৰ সাগৰে তেবে তৰো মহাসুখে ॥৬
সকল জগত তযু মায়ায়ে মোহিত।
তোমাৰ চৰণে প্ৰভু কেৰে নেদে চিত্ত ॥
পুত্ৰ দাৰা নিহলে বান্ধিলো দুয়ো ভৰি।
মৰন্তে আছোহো তভো নেবোলোহো হৰি ॥৭
দুৰ্ল্লভ মনুষ্য জন্ম ভাৰতত পাইলো।
তোমাক নেসেৰি বৃথা জনম গোৱাইলো ॥
নিচিন্তিলো একবাৰ তোমাৰ চৰণ।
তৰু-বন জীয়ে যেন আমাৰ জীৱন ॥৮

বিষয়ত ভোল হুয়া কৰিলোহো ভোগ ।
তাৰ ফলে শৃগাল শ্বানৰ ভৈলো যোগ ॥
ভৱ তৰিবাৰ যোগ্য লভিলো শৰীৰ ।
বিষয় বতাসে পাই কৰিলে অস্থিৰ ॥৯
কৰে টলবল দেহা কেনে হুইবো পাৰ ।
প্ৰভু দাস বুলি মোক কৰিয়ো উদ্ধাৰ ॥
সুকবি শেখৰ ভুৰা দাসৰো দাস ।
কাতৰ কৰহো দিয়ো চৰণত বাস ॥১০

—o—

ঘোষা ॥ ৰাম জগবন্ধু ত্ৰাহি গোপাল ।
দাস উদ্ধাৰিয়ো দীন-দয়াল ॥২

পদ ॥ কৃষ্ণৰ চৰণে কৰি প্ৰণাম ।
পদ্ম পুৰাণৰ সহস্ৰ নাম ॥
আমি বিৰচিবো কীৰ্ত্তন আৰ ।
শুনি পাতকৰ হুয়ো নিস্তাৰ ॥১১
হৰি নামে পাই সংসাৰৰ পাৰ ।
সমস্ত শাস্ত্ৰৰ এহিসে সাৰ ॥
পুৰাণ ভাৰত আগম যত ।
বেদ বেদান্তৰে এহিসে তত্ত্ব ॥১২
শুনিয়ো হৰি নাম কেন ভাল ।
সম্যকে পাতকৰ যমকাল ॥
যতেক ব্ৰত দান যজ্ঞ কৰ্ম্ম ।
সিদ্ধান্ত হৰিনামে সব ধৰ্ম্ম ॥১৩

কৰান্ত বিষয়ত বিৰকতি।
মিলান্ত কৃষ্ণত প্ৰেম ভকতি ॥
মায়াবন্ধ ছোড়ি জ্ঞানক দেন্ত।
অন্তকালে বিষ্ণু পদক নেন্ত ॥১৪
কৃষ্ণত যেৰে নৰ গৈল লীন।
তেৰেসে হৰি নাম উদাসীন ॥
এহি সাত কাম গণি লৈয়োক।
জানিয়া হৰিনাম ভাবিয়োক ॥১৫
নিন্দকৰ নিন্দা নুশুনি কাণে।
হৰিৰ নাম লৈয়ো সাৱধানে ॥
স্বৰ্গ খণ্ড পদ্মপুৰাণ চাই।
বুলিলো নিশ্চয় আমি বুজাই ॥১৬
চাৰিয়ো বেদৰ তত্ত্ব উদ্ধাৰি।
থৈলন্ত হৰিনাম সাৰ কৰি ॥
সকল জগত হৈবে মুকুত।
সিহেতু মাধৱে কৰি গুপুত ॥১৭
থাপিলা হৰিনাম ঠাৱে ঠাৱে।
বৈষ্ণৱগণেসে বিচাৰি পাৱে ॥
মুকুতিকো এড়ি নাৰদ ঋষি।
হৰিনাম লৈয়া আতি হৰিষি ॥১৮
ফুৰন্ত মাধৱৰ গুণ গাই।
বোলন্ত হৰি বিনে গতি নাই ॥
দুষ্টচিত্তে যদি বোলয় হৰি।
সিয়ো জনে মহা-পাতক তৰি ॥১৯

বৈকুণ্ঠ যাইতে ভৈল কাছ পাৰ ।
কোটি পুৰুষকো কৰি উদ্ধাৰ ॥
হেন হৰিনাম নলৈয়া নৰে ।
আত্মঘাত কৰি মিছাতে মৰে ॥২০
পাৰ্ব্বতীত হৰে কহিলা আক ।
ব্ৰহ্মায়ো কহিলন্ত দেৱতাক ॥
হৰিনাম বিনে নাহিকে আন ।
পুৰাণে বিচাৰি দেখা প্ৰমাণ ॥২১
সুকবিশেখৰে কহে নিশ্চয় ।
কেহো নকৰিবা আত সংশয় ॥
জানিয়া মিছা আন যত কাম ।
সদায়ে ঘুষিয়োক ৰাম ৰাম ॥২২

—০ঃ০—

ঘোষা ॥ হৰি গোৱিন্দ অৰৱিন্দ-লোচন ৰাম ।
মোৰ মুখে নছাড়োক ৰাম-কৃষ্ণ ৰাম ॥৩

পদ ॥ আছিল নাৰদ ঋষি ব্ৰহ্মাৰ সভাত ।
বিচাৰিলা অনেক শাস্ত্ৰৰ অৰ্থ তাত ॥
পিতৃ মুখে বেদৰ আছিলা অৰ্থ শুনি ।
পাছে পৃথিবীক লাগি আসিলন্ত মুনি ॥২৩
বিষ্ণুত ভকত ঋষি বিষ্ণুতেসে ধ্যান ।
সদায়ে বিষ্ণুত পৰে নভাষন্ত আন ॥

হাতে বীণা ধৰি মাধৱৰ গুণ গান্ত।
মাধৱৰ গুণনাম লোকক শুনান্ত ॥২৪
ফুৰন্ত পৱিত্ৰ কৰি তিনিয়ো লোকক।
অনন্তৰে চলিগৈলা ঋষি-সমাজক ॥
নৈমিষাৰণ্যত আছে ঋষিৰ সমাজ।
ৰঙ্গে তৈত প্ৰৱেশ ভৈলন্ত ঋষিৰাজ ॥২৫
দেখিলা ব্ৰাহ্মণ সবে নাৰদ আসিলা।
গাৱ চালি আসন আনিয়া তাঙ্ক দিলা ॥
আতিশয় হৰিষে কৰিলা নমস্কাৰ।
হেন প্ৰশ্ন কৰিলন্ত জগততে সাৰ ॥২৬
বিনা দান ব্ৰত যজ্ঞ তীৰ্থকো নাচৰি।
সমস্তে পাতক তৰে কোন কৰ্ম্ম কৰি ॥
সুখে পুৰুষৰ কেনমতে হোৱে গতি।
কহিয়ো ৰহস্য কথা আমাত সম্প্ৰতি ॥২৭
আৰো এক প্ৰশ্ন আমি কৰিবো তোমাত।
কিহেতু শঙ্কৰে তপ কৰন্ত সাক্ষাত ॥
আপুনি ঈশ্বৰ তিনি জগততে সাৰ।
তান কাক চিন্তিবাক আছে অধিকাৰ ॥২৮
মুখে কিবা জপন্ত ধিয়ান্ত কিবা মনে।
কহিয়োক গুৰু আক শুনো ৰঙ্গমনে ॥
হেন শুনি নাৰদৰ মনে ৰঙ্গ ভৈলা।
পৰম ৰহস্য কথা কহিবাক লৈলা ॥২৯
ভাল কথা তুমি সবে পুছিলা সাম্প্ৰত।
এহি কথা পাৰ্ব্বতী পুছিলা শঙ্কৰত ॥

যোগ ধ্যানে শঙ্কৰ আছন্ত কৈলাসত ।
দেখিলন্ত পাৰ্ব্বতী শিৱৰ ঘোৰ ব্ৰত ॥৩০
নাহিকে বসন গাৱে দিগ পৰিধান ।
ভস্ম ধূলা সকলে অঙ্গৰ ভৈল স্নান ॥
শিৰে আতি প্ৰকট বিকত জটা ভাৰ ।
গাৱে সৰ্পগণ দেখিবাক চমৎকাৰ ॥৩১
হৰি-নাম জপন্ত চিন্তন্ত অহৰ্নিশি ।
হেন দেখি পাৰ্ব্বতীয়ে পুছিলা হৰিষি ॥
স্বামী তুমি সকল দেৱৰ মুখ্য দেৱ ।
তোমাক সমস্ত দেৱগণে কৰে সেৱ ॥৩২
তোমাক সেৱন্ত সদা চন্দ্ৰ সূৰ্য্য বিধি ।
তযু বৰদানে সমস্তৰে হোৱে সিদ্ধি ॥
তোমাৰ নাহিকে জন্ম মৰণ সংসাৰ ।
তযু মহিমাৰ কেহো নপাৱন্ত পাৰ ॥৩৩
হেন দেৱে কাহাক ধিয়াৱা নিৰন্তৰ ।
কি কাৰণে তপ কৰা আপুনি ঈশ্বৰ ॥
কিবা মন্ত্ৰ জপা তুমি কহিয়ো আমাত ।
পৰম কৌতুকে মই পুছিলো তোমাত ॥৩৪
তোমাৰ পৰম প্ৰিয়ত্তম ভাৰ্য্যা আমি ।
ৰহস্য কথাক কহিয়োক মোক স্বামী ॥
দ্বিজ কবিশেখৰে কহিলা হেন সাৰ ।
হৰিনাম লৈয়া সবে হুয়োক নিস্তাৰ ॥৩৫

—০—

ঘোষা ॥ হে করুণাসিন্ধু ভকতবন্ধু কৰিয়ো নিস্তাৰ ।
কেনে হৈবো সংসাৰৰ পাৰ ॥৪

পদ ॥ পাৰ্ব্বতীৰ বাক্য শুনি হৰ ।
পাছে হেন দিলন্ত উত্তৰ ॥
শুনিয়ো পাৰ্ব্বতী মোৰ বাণী ।
ভাল তুমি পুছিলা কাহিনী ॥৩৬
ইটো কথা পৰম গুপুত ।
কহিবাক নুহিকে যুগুত ॥
তুমি মোৰ প্ৰাণ-প্ৰিয় জায়া ।
তাতেসে কহিবে মোৰ দায়া ॥৩৭
সত্য যুগ আছিল পূৰ্ব্বত ।
সবে ভৈল হৰিৰ ভকত ॥
সবাৰো ভৈলেক শুদ্ধ মতি ।
কৃষ্ণৰেসে চৰণত ৰতি ॥৩৮
হৰি পাদ-পদ্ম হৃদি থৈয়া ।
ফুৰে মাধৱৰ নাম লৈয়া ॥
শুনে কৃষ্ণ-কথা মাত্ৰ কাণে ।
হৰি পূজা কৰে সাৱধানে ॥৩৯
জানে হৰি নামেসে নিস্তাৰ ।
হৰি-নাম লৈয়া হোৱে পাৰ ॥
ইহলোকে ভুঞ্জয় ভুকুতি ।
পৰলোকে লভয় মুকুতি ॥৪০
যিটো গতি ইন্দ্ৰ আদি দেৱে ।
নপাৰন্ত কৰ্ম্ম কৰি কেৱে ॥

সিটো গতি পাৱে হৰি স্মৰি ।
কিছু আন পুণ্যক নাচৰি ॥৪১
মোৰ বাক্য শুনি দেৱগণ ।
সমস্তৰে বুদ্ধি ভৈল ছন্ন ॥
আগম পুৰাণ বেদ শুনি ।
নিশ্চয় নপান্ত মনে গুণি ॥৪২
সকল শাস্ত্ৰৰ ভিন্ন মত ।
নপাৱন্ত কেৱে তাৰ তত্ত্ব ॥
দেৱগণে নপাৱন্ত পাৰ ।
মনুষ্যে জানিবে কিবা তাৰ ॥৪৩
দেয় তুলা পুৰুষ দানক ।
অশ্বমেধ যজয় অনেক ॥
বাৰাণসী প্ৰয়াগত স্নান ।
গয়াত পিতৃক পিণ্ড দান ॥৪৪
কৰে কায় ক্লেশ ঘোৰ ব্ৰত ।
বেদ পাঠ নছাড়ে সতত ॥
তপ জপ ধৰ্ম্ম ভূত দায়া ।
আনো যত পূণ্য আচৰিয়া ॥৪৫
যোগ ধ্যান ব্ৰত তত্ত্ব জানি ।
নপায় গতিকে একো প্ৰাণী ॥
হৰিনাম লোৱে মাত্ৰ মুখে ।
সিটো গতি পাৱে মহাসুখে ॥৪৬
থাকে পুত্ৰ দাৰা সমন্বিতে ।
পৰহিংসা কৰয় সততে ॥

নধৰয় ব্ৰহ্মচৰ্য্য ব্ৰত।
নজানয় একো জ্ঞান তত্ত্ব ॥৪৭
এড়িলেক আপোনাৰ ধৰ্ম্ম।
নকৰে বেদৰ যত কৰ্ম্ম ॥
কেৱলে কৃষ্ণৰ নাম লয়ে।
মুকুতিক মহাসুখে পাৱে ॥৪৮
কিনো হৰি নামৰ মহিমা।
কোনে কহি পাইবে তাৰ সীমা ॥
আত পৰে ধৰ্ম্ম নাহি আন।
ৰাম নাম সদা কৰা পান ॥৪৯

—०ঃ+ঃ०

ঘোষা ॥ ৰাম কৃপা কৰা গোপাল ভজিলো তুৱা পাৱে।
সংসাৰ সাগৰে তৰো তুৱা নাম নাৱে ॥৫

পদ ॥ পাৰ্ব্বতীত শঙ্কৰে কহিলা নিষ্ঠ কৰি।
হৰিৰ নামেসে জানা সংসাৰক তৰি ॥
সৰ্ব্বক্ষণে হৰি গুণ নামক ভাবিবা।
হৰিনাম বিনে চিত্ত আনত নিদিবা ॥৫০
সিজে পূণ্যচয় হৰি নামৰ লগত।
পাসৰিলে লাগ লয়ে পাতক সমস্ত ॥
যত পুণ্যচয় হৰি নামৰ কিঙ্কৰ।
তাক পাসৰিলে পাপ হোৱে বহুতৰ ॥৫১

পাছে দেখিলন্ত ব্ৰহ্মা আদি দেৱগণে ।
মনুষ্যৰ পাপ নাই বিষ্ণুক স্মৰণে ॥
যতে মনুষ্য কেৱে সুপূজে দেৱক ।
হৰি স্মৰি ভৈল সবে হৰিৰ সেৱক ॥৫২
মনত গুণন্ত দেৱে কৰি হৃদি খেদ ।
কেনমতে হৰিৰ ভকতি হোৱে ছেদ ॥
আমাক সুপূজে কেৱে পৃথিবী মণ্ডলে ।
আমাক ছড়ায়া সবে বৈকুণ্ঠক চলে ॥৫৩
নপাওঁ যজ্ঞভাগ আমি দেৱ ভৈলো কিক ।
আমাৰ দেৱতা পদ আছে ধিক ধিক ॥
আবে হেন বোলো সবে দেৱগণ আসা ।
সবে মিলি মাধৱক কৰোহো উপাসা ॥৫৪
শঙ্কৰে বোলন্ত মই কৃষ্ণতো অধিক ।
হৈবো বুলি মনে কৰো তানে ভকতিক ॥
যতেক ত্ৰিদশ কোটি দেৱ আছে মানে ।
বিষ্ণুক পূজিবে লাগিলেক স্থানে স্থানে ॥৫৫
ৰহোক আমাৰ ভিক্ষা মনুষ্য লোকত ।
দিয়োক জীৱিকা প্ৰভু ভৈলোহো ভকত ॥
যজ্ঞ ভাগ ভুঞ্জিৱাক নাপাওঁ আমি কেৱ ।
ৰাখিয়ো জীৱিকা তযু পাৱে কৰো সেৱ ॥৫৬
ত্ৰিদশৰ ভকতিত তুষ্ট ভৈলা হৰি ।
আগতে দিলন্ত দেখা দিব্য ৰূপ ধৰি ॥
পৰম মধুৰ মূৰ্ত্তি কোটি সূৰ্য্য সম ।
মুখে মৃদু হাস্য জগতৰে মনোৰম ॥৫৭

চতুৰ্ভুজ শঙ্খ-চক্ৰ-গদা পদ্ম-পাণি।
দেৱক সম্বোধি হেন বুলিলন্ত বাণী ॥
তুষ্ট ভৈলো আমি কৰিবোহো উপকাৰ।
আপুনি মনুষ্য হুয়া হৈবো অৱতাৰ ॥৫৮
তোমৰাসবক পূজা কৰিবো বিশেষ।
তেৱেসে পূজিবে নৰে পায়া উপদেশ ॥
দেৱক পূজিবো যজ্ঞ কৰিবো বহুত।
তেবে মোৰ নাম-ধৰ্ম্ম হৈবেক গুপুত ॥৫৯
এহি বুলি ত্ৰিদশক ভকত-বৎসলে।
বহু বিধ ৰূপ ভৈলা পৃথিবী মণ্ডলে ॥
ৰঘু-কুলে ৰামচন্দ্ৰ ভৈলা অৱতাৰ।
যজ্ঞ কৰি দেৱৰ সাধিলা উপকাৰ ॥৬০
শ্ৰাদ্ধে পিতৃগণৰ কৰিলা মনতোষ।
ব্ৰাহ্মণকো দান দিয়া কৰিলা সন্তোষ ॥
দ্বাপৰ-যুগত যদু-কুলে অৱতৰি।
কৃষ্ণ ৰাম ৰূপে পৃথিৱীৰ ভাৰ হৰি ॥৬১
দেৱ ব্ৰাহ্মণক পূজা কৰিলা অশেষ।
সকল জগতে লৈল কৃষ্ণ-উপদেশ ॥
কৃষ্ণৰ প্ৰসাদে ভৈল দেৱৰ সম্পতি।
বোলা হৰি হৰি আবে হোক সদগতি ॥৬২

ঘোষা ॥ ভাই ৰাম নাম জপ, ভাই ৰাম নাম জপ
ইহাৰ সমান নুই তন্ত্র মন্ত্র তপ ॥

পদ ॥ শুনিয়ো পাৰ্ব্বতী মঞি পূজিলো হৰিক ।
মনে হেন হৈবে সাধো কৃষ্ণতো অধিক ॥
বহুবিধ ভকতি কৰিলো বাহিৰত ।
সদায় মুগুচে মোৰ কপট চিত্তত ॥৬৩
কহিলো পাৰ্ব্বতী হৃদয়ৰ কথা ভাঙ্গি ।
মুগুচিল অহঙ্কাৰ মাধৱক লাগি ॥
যদ্যপি কৰিলো মই কপট ভকতি ।
তথাপিতো তুষ্ট ভৈলা ত্রিজগত-পতি ॥৬৪
কিনো দয়াময় প্রভু ভকত-বৎসল ।
কপট সোৰাতে মোৰ কৰিলা কুশল ॥
দিব্যৰূপে দেখা মোক দিলন্ত মাধৱে ।
চাহিলো নয়ন ভৰি পৰম উৎসৱে ॥৬৫
দণ্ডৱতে প্রণামিলো কৃষ্ণৰ চৰণ ।
পাছে নাৰয়ণে মোক বুলিলা বচন ॥
মোত কৰি তোমাতে অধিক হৈবে মান ।
যেনমতে হৈবে তাৰ কহিবো কাৰণ ॥৬৬
তোমাক পূজিবো মঞি পৃথিবীক গৈয়া ।
তযু যশ বঢ়াইবো তোমাতে বৰ লৈয়া ॥
দ্বাপৰ যুগৰ আদি ত্রেতাৰ অন্তত ।
অৱতাৰ হৈবোহো আপুনি জগতত ॥৬৭
আমাৰ বচনে তুমি হেন কৰিয়োক ।
শাস্ত্র কৰি মানুষ্যৰ লোভ বঢ়ায়োক ॥

আগমত দেখায়োক সংসাৰৰ সুখ।
তাক দেখি হোৱে যেন আমাত বিমুখ ॥৬৮
আমাৰ ভকতি পন্থ সবে হৌক ছন্ন।
আন দেৱ পূজাক সবাৰে হৌক মন ॥
আগম দেখায়া কৰা আমাক গুপুত।
তেৱেসে প্ৰজাৰ সৃষ্টি হৈবেক বহুত ॥৬৯
মাধৱৰ বাক্যে হেন শুনিলোহো আমি।
পাছে ভয় হুয়া হেন বুলিলো প্ৰণামি ॥
সহস্ৰেক ব্ৰহ্মবধ যদি কৰে নৰে।
তোমাক সেৱায়ে তাকো তৰিবাক পাৰে ॥৭০
যদিবা তোমাক প্ৰভু কৰে অহঙ্কাৰ।
সিটো পাতকৰ আৱে নেদেখো নিস্তাৰ ॥
শত কোটি কল্পমানে নৰকত পচে।
কদাচিতো সিটো মহা পাতক নুগুচে ॥৭১
কি কৰি পৱিত্ৰ মঞি হৈবো নাৰায়ণ।
সেই উপদেশ দিয়া পাতক নাশন ॥
যদি হেন তোমাক আগমে কৰো ছন্ন।
তেৱে মোৰ হুইবেক পাতক অমোচন ॥৭২
মাধৱে বোলন্ত শুনা শঙ্কৰ সম্প্ৰতি।
মোৰ নাম লৈলে পাপ যাইবে অধোগতি ॥
সহস্ৰেক নামে মোৰ পাতক তৰিবা।
সবাতো অধিক তুমি মোৰ প্ৰিয় হৈবা ॥৭৩
কৰে মোক নামে তিনি লোকক পৱিত্ৰ।
মুকুতি পদক দেয় আত কোন চিত্ৰ ॥

মোৰ নাম লৈলে মোৰ চৰণক পাৱে ।
পৰম ঐশ্বৰ্য্য দেওঁ যাক যিবা ভাৱে ॥৭৪
জানিবা শঙ্কৰ মোৰ বাক্য নুহি মিছা ।
মোৰ নাম লৈলে পাইবা মনে যেই ইচ্ছা
সহস্ৰেক নাম পাছে আমাৰ আগত ।
কহিলা সকলে হৰি কৰিয়া বেকত ॥৭৫
শুনিলো প্ৰভুৰ মুখে সহস্ৰেক নাম ।
ধৰিলো নিশ্চয় কৰি পূৰ্ণ ভৈলা কাম ॥
সেহি সহস্ৰেক নাম জপো মঞি মনে ।
কহিলো ৰহস্য তুমি ভাৰ্য্যাৰ কাৰণে ॥৭৬
ৰত্নাকৰ কন্দলি কহিলা হেন সাৰ ।
ৰাম নাম বিনা নাই সংসাৰ নিস্তাৰ ॥
জানিয়া যতনে মাধৱৰ নাম ধৰা ।
ৰাম নাম ভাবিয়া সংসাৰ সুখে তৰা ॥৭৭

॥ সহস্ৰ নাম বৃত্তান্ত সমাপ্ত ॥

---

### উনত্ৰিংশৎ ভাগ

## উৰেষা বৰ্ণন ।

ঘোষা ॥ জয় জয় জগন্নাথ প্ৰণামো ৰাম ॥

পদ ॥ নমো নমো জগন্নাথ ভকতৰ নিধি ।
হৰিক স্মৰণে আৰম্ভৰ হৌক সিদ্ধি ॥
উৰেষাৰ কীৰ্ত্তনক শুনিয়ো লোকাই ।
শঙ্কৰে ৰচিলা ব্ৰহ্ম-পুৰাণক চাই ॥১

মুনিগণে ব্ৰহ্মাত পুছিলা প্ৰণিপাতে।
ক্ষেত্ৰৰ মহিমা আৱে কহিয়ো আমাতে ॥
কিবা হেতু ইন্দ্ৰদ্যুম্ন ৰাজা শুদ্ধ-চিত্তে।
কৰিলন্ত অশ্বমেধ উৰেষা-পুৰীতে ॥২
বন্ধাইল অদ্ভুত দৌল আশ্চৰ্য্য মহিমা।
ৰামকৃষ্ণ সুভদ্ৰাৰ সজাইলা প্ৰতিমা ॥
কিবা হেতু দৌলত থাপিলা নৰেশ্বৰ।
সমস্তে বৃত্তান্ত কহিয়োক সৃষ্টিকৰ ॥৩
ব্ৰহ্মায়ে বোলন্ত শুনা মুনিগণ যত।
আছিল অবন্তীপুৰী মালৱ দেশত ॥
তাহাৰ মহিমা মই কি কৈবো সম্প্ৰতি।
ইন্দ্ৰৰ নগৰ যেন দ্বিতীয় অমৰাৱতী ॥৪
সেহি নগৰত ইন্দ্ৰদ্যুম্ন মহাৰাজা।
ধৰ্ম্মপথে থাপিলন্ত পৃথিৱীৰ প্ৰজা ॥
দানী মানী সত্যবাদী সৰ্ব্ব গুণাকৰ।
প্ৰতাপে আদিত্য যেন ভোগে পুৰন্দৰ ॥৫
পৃথিৱীত নাহি ৰাজা তাহান সমান।
যজিল বিবিধ যজ্ঞ দিলা বহু দান ॥
সুবৰ্ণ মাণিক গ্ৰাম গজ বাজী ৰথ।
নিৰন্তৰে বিপ্ৰৰ পূৰিলা মনোৰথ ॥৬
এহিমতে পৃথিৱীক পালন্ত নৃপতি।
দিনেক তাহাৰ হেন উপজিল মতি ॥
কোন কৰ্ম্মে আৱে আৰাধিবো জগন্নাথ।
এহি বুলি শাস্ত্ৰ বিচাৰিলা নৰনাথ ॥৭

আগম পুৰাণ বেদ বেদান্ত যতেক।
গুৰু মুখে জানিলন্ত তত্ত্বক প্ৰত্যেক।
মুকুতি ইচ্ছায়ে এড়িলন্ত ভ্ৰান্তি জ্ঞান।
কিমতে আৰাধো হৰি মনে কৰি ধ্যান ॥৮
নাহিকে নিস্তাৰ আউৰ মাধৱত পৰে।
শঙ্খ চক্ৰ গদা পদ্ম যাৰ চাৰি কৰে ॥
পদ্ম-পত্ৰ সম চাৰু লোচন আয়ত।
গলে বনমালা শোভে কৌস্তুভ কণ্ঠত ॥ ৯
শিৰত কিৰীটি কৰে কঙ্কন কেয়ুৰ।
মকৰ কুণ্ডল কৰ্ণে পাৱত নূপুৰ ॥
শ্যামল শৰীৰে পীত বস্ত্ৰে কৰে কান্তি।
হিয়াত প্ৰকাশে আতি শ্ৰীবৎসৰ পান্তি ॥১০
হেন মাধৱক আৱে আৰাধো কিমতে।
এহি বুলি ৰাজ ভৈলা নগৰৰ হন্তে ॥
ভণিল শঙ্কৰে কৃষ্ণ-চৰণত ধৰি।
সমজ্যাৰ সৰ্ব্বজনে বোলা হৰি হৰি ॥১১

—:*:—

ঘোষা ॥ ত্ৰাহি ত্ৰাহি জগন্নাথ আমি অজ্ঞানী অনাথ ॥২

পদ ॥ ৰাজা যান্ত যত মন্ত্ৰী পাত্ৰ পুৰোহিত।
চতুৰঙ্গ দলে লাগ লৈলেক ত্বৰিত ॥
অসংখ্যাত ৰথ যুথে যুথে যায় চলি।
বাৰু খাণ্ডা ধৰি যায় যত মহাবলী ॥১২

সীমা সংখ্যা নাই লগে লড়ে যত ঘোড়া ।
প্ৰমত্ত হস্তীৰ কোনে কহিবেক ওৰা ॥
কৰ্ণে তাল মাৰে শুনি ঘণ্টাৰ আস্ফাল ।
প্ৰজাৰ ভিৰত যেন যায় ভুমিচাল ।১৩
অন্তেষপুৰত যত নাৰীগণ মানে ।
ৰাজাৰ লগত যায় বহুবিধ যানে ॥
দিব্য বস্ত্ৰ ভূষণে ভুষিত কৰি তনু ।
বীৰগণ যায় সবে কৰে ধৰি ধনু ॥১৪
বাজে বাদ্য বিবিধ টবল ঢমকিল ।
যতেক বৃত্তিয়া মানে পাছতে চলিল ॥
তেলী মালী শিলাকুটি বণিয়া সূতাৰ ।
চৰ্ম্মকাৰ চড়াল কমাৰ কুম্ভকাৰ ॥১৫
চিত্ৰকৰ কঁহাৰ কুণ্ডাৰ বৈদ্য যত ।
অনেক কায়স্থ যায় ৰাজাৰ লগত ॥
নট ভাট নৰ্ত্তকী গায়ন অপৰ্য্যন্ত ।
বিপ্ৰগণ নৃপতিৰ লগত চলন্ত ॥১৬
পৃথিৱীৰ যতেক বৃত্তিয়াগণ আছে ।
চৌত্ৰিশ জাতিয়ো যায় নৃপতিৰ কাছে ॥
পিতৃ আগ কৰি যেন চলে পুত্ৰচয় ।
এহিমতে গৈলা ইন্দ্ৰদ্যুম্ন মহাশয় ॥১৭
পাইলন্ত দক্ষিণ সাগৰৰ গৈয়া তীৰ ।
ঢউগণ নাচে যেন অগাধ গম্ভীৰ ॥
হৰিৰ শয়ন-স্থান নন্দনাদি পতি ।
যাক দৰশনে পায় পৰম মুকুতি ॥১৮

আছে ভয়ঙ্কৰ মৎস্য কচ্ছপ বহুল ।
কুম্ভীৰ মগৰ মৎস্যে কৰে হুলস্থুল ॥
সৰ্ব্বপাপ হৰে ৰম্যাকৰ তীৰ্থৰাজ ॥
দেখিয়া বোলন্ত ৰজা ঐত মোৰ কাজ ॥১৯
কৰিলা নিৱাস পাই মনোহৰ স্থানে ।
দেখি বা তাইত পৃথিৱীৰ গুণ মানে ॥
বহুবিধ বৃক্ষ ফলে-ফুলে সুশোভিত ।
নানাবিধ পক্ষীৰাৱ তেজে সুললিত ॥২০
বিচিত্ৰ বিবিধ মৃগগণে চৰে তাতে ।
অনেক দন্তাল আছে নন্দন বনতে ॥
চাৰু সৰোবৰক পঙ্কজে আছে ৰঞ্জি ।
ৰাজহংসে ভুঞ্জে তাতে মৃণালে উভঞ্জি ॥২১
পৰ্ব্বত যতেক আছে দেখি মনোহৰ ।
উচ্চ শিখৰৰ পৰা বহয় নিৰ্ঝৰ ॥
তেজে নাদ কোকিলে ময়ূৰে কাঢ়ে ৰাৱ ।
বৃক্ষে পথিকক যেন দেয় হাত বাৱ ॥২২
দীৰ্ঘে দশ যোজন পথালি পাঞ্চ সীমা ।
কি কহিবা সিটো মহা ক্ষেত্ৰৰ মহিমা ॥
পৰম আশ্চৰ্য্যময় মনোহৰ স্থান ।
ইন্দ্ৰদ্যুম্ন নৃপতি দেখিলা বিদ্যমান ॥২৩
তুনাই মুনিগণে পাছে পুছিলা ব্ৰহ্মাত ।
পুৰ্ব্বত প্ৰতিমা কিয় নাছিল তথাত ।
কৰিয়ো সংশয় ছেদ প্ৰভু প্ৰজাপতি ।
বোলা হৰি হৰি পাপ যাওক অধোগতি ॥২৪

ঘোষা ॥ ৰাম ৰাম বোলা তাৰে।
নতু যমে ধৰে যাৰে ॥৩

পদ ॥ ব্ৰহ্মায়ে বোলন্ত শুনিয়ো কথা।
যি কাৰ্য্যে প্ৰতিমা নাছিল তথা ॥
পূৰ্ব্বত মেৰুৰ শিখৰে হৰি।
বসিয়া আছন্ত আনন্দ কৰি ॥২৫
প্ৰণামি জানু-শিৰে লক্ষ্মী মাৰে।
কৰিলন্ত প্ৰশ্ন স্বামীৰ পাৰে ॥
কোন কৰ্ম্মভূমি মনুষ্য লোকে।
সদায়ে আক নেৰে দুঃখ-শোকে ॥২৬
কোন কৰ্ম্মে পাৰে সংসাৰ পাৰ।
কহিয়ো মোত কিবা ধৰ্ম্ম সাৰ ॥
কৰুণা আছে দাসী বুলি যদি।
গুচায়ো আমাৰ সংশয় ছেদি ॥২৭
মাধৱে বোলন্ত শুনিয়ো প্ৰিয়া।
আমাৰ কথাত কৰিয়ো হিয়া ॥
আছে মহাক্ষেত্ৰ কৈলো তোমাত।
পূৰুষোত্তম নামে প্ৰখ্যাত ॥২৮
সংসাৰক তৰে তাত নিৰাসে।
হোৱয় সিদ্ধি আতি অপ্ৰয়াসে ॥
কীৰ্ত্তনতে যাৰ পাপ পলাই।
তিনিয়ো লোকে তাৰ সম নাই ॥২৯
নজানে তাক দেৱ সিদ্ধ মুনি।
গুপুত কৰিয়া আছো আপুনি ॥৩০

আজিসে তোমাত কৰো বেকত ।
শুনা সাৱধানে তাৰ মহত ॥৩০
ব্ৰহ্মাক মহা প্ৰলয়ৰ অন্তে ।
স্ৰজিলো নাভি-কমলৰ হন্তে ॥
উপজি মোতে পাছে সৃষ্টিকৰে ।
স্ৰজিল চৰাচৰ নিৰন্তৰে ॥৩১
জগতে নিৰ্ম্মিয়া কৰিলা ধ্যান ।
তেখনে তান ভৈলো বিদ্যমান ॥
সজল মেঘ শৰীৰৰ কান্তি ।
হিয়াত প্ৰকাশে শ্ৰীবৎস পান্তি ॥৩২
তনুক ৰঞ্জে আতি পীতবস্ত্ৰ ।
হাতত চক্ৰ ধৰি আছে অস্ত্ৰ ॥
কমল লোচন মুখ প্ৰসন্ন ।
দেখি ব্ৰহ্মা উঠি দিলা আসন ॥৩৪
অক্ষতে অৰ্ঘে পূজি প্ৰজাপতি ।
কৰিলা আমাক অনেক স্তুতি ॥
ব্ৰহ্মাক পাছে দিলো সন্নিধান ।
কি কাৰ্য্যে আমাক কৰিলা ধ্যান ॥৩৪
হেন শুনি ব্ৰহ্মা মাতিলা পাছে ।
কোন মুখ্য সাধ্য লোকৰ আছে ॥
বিনা যজ্ঞ যোগ ব্ৰত নিয়ম ।
নকৰি তপ তীৰ্থ পৰিশ্ৰম ॥৩৫
পাইবেক মহা সিদ্ধি অপ্ৰয়াসে ।
কহিয়ো আমাত জগনিবাসে ॥

কোনবা উত্তম ক্ষেত্র তোমাৰ।
বোলা হৰি হৰি তৰা সংসাৰ ॥৩৬

—ঃ০ঃ—

ঘোষা ॥ গোপাল গৰুড়-কেতু প্রণামো চৰণে।
নিয়োকনিস্তাৰি হৰি পশিলো শৰণে ॥৪

পদ ॥ হেন শুনি দিলো পাছে ব্রহ্মাক উত্তৰ।
মোহোৰ ক্ষেত্রৰ কথা শুনা সৃষ্টিকৰ ॥
জগততে কৰি মই যিহেতু উত্তম।
সি কাৰণে নাম মোৰ পুৰুষোত্তম ॥৩৭
ভৈলো সিটো ক্ষেত্রে মই আপুনি সাক্ষাত।
পুৰুষোত্তম নামে ক্ষেত্র তাতেসে প্রখ্যাত ॥
বিনা যজ্ঞ দান তপ যোগৰ যুগুতি।
চাৰিয়ো বৰ্ণক দেয় ভুকুতি মুকুতি ॥৩৮
সিটো মহাক্ষেত্র দশ যোজন প্রকট।
দক্ষিণ সাগৰ তীৰে আছে সিদ্ধ বট ॥
যাৰ ছায়া পৰশনে হোৱে মহোদয়।
দৰশম মাত্রে ব্রহ্ম-হত্যা হোৱে ক্ষয় ॥৩৯
প্রদক্ষিণ কৰি যিটো কৰে নমস্কাৰ।
মোৰ থান পাৱে কৰি পুৰুষ উদ্ধাৰ ॥
প্রলয়তো নাহি সিটো বটৰ বিনাশ।
সেই থানে বটৰ উত্তৰ দিশ পাশ ॥৪০

দিব্য দৌল আছে তাৰ কি কৈবো মহিমা ।
বৈদুৰ্য্যৰ আছে তাত আমাৰ প্ৰতিমা ॥
অপ্ৰয়াসে তাকে চাই পাৰে মহোদয় ।
পাপী সবো চলি যায় বিষ্ণুৰ নিলয় ॥৪১
হেন দেখি যমৰাজা কৰিলা গমন ।
বটৰ নিকটে মোক পাইলা দৰশন ॥
প্ৰণামিয়া শিৰে বুলিলন্ত স্তুতি বাণী ।
নমো নমো জগন্নাথ দেৱ চক্ৰপাণি ॥৪২
নমো নমো জ্যোতিঃফল দেৱ সনাতন ।
সৰ্ব্বব্যাপী প্ৰকৃতিৰ পৰ নিৰঞ্জন ॥
বহুবিধ স্তুতি কৰি কৰন্ত প্ৰণাম ।
মঞি বোলো যম কহ সাধো কোন কাম ॥৪৩
যমৰাজা বোলে ইটো ক্ষেত্ৰ মাজে সাৰ ।
ইন্দ্ৰনীলময় আছে প্ৰতিমা তোমাৰ ॥
পাপী অপাপী তাক অপ্ৰয়াসে চাৱে ।
তোমাৰ প্ৰসাদে স্থান শ্বেতদ্বীপে পাৱে ॥৪৪
মোৰ অধিকাৰ ভৈল সকলে লুপুত ।
হেন জানি প্ৰতিমাক কৰিয়ো গুপুত ॥
পাছে ময়ো যমৰায়ৰ বচনত থাকি ।
পুতি থৈলো প্ৰতিমাক বালুকায়ে ঢাকি ॥৪৫
পাছে ইন্দ্ৰদ্যুম্ন হৈতে অশ্বমেধ যজি ।
কৃষ্ণ বলভদ্ৰ সুভদ্ৰাৰ মূৰ্ত্তি সাজি ॥
দিব্য দৌল বান্ধি যেন মতে পূজিলন্ত ।
লক্ষ্মীত কহিলা হৰি সকল বৃত্তান্ত ॥৪৬

ব্ৰহ্মাত পুছিলা মুনি সকলো চুনাই ।
ক্ষেত্ৰে গৈয়া কি কৰিলা ইন্দ্ৰদ্যুম্ন ৰায় ॥
কহিয়ো হৰিষে শুনোহো পাছ কথা ।
বোলা ৰাম ৰাম জন্ম নকৰিয়ো বৃথা ॥৪৭

—০ঃ০—

ঘোষা ॥ হৰি ৰাম হৰি ৰাম ঘোষিয়ো ভাই ।
পাপ সাগৰে আন গতি নাই ॥৫

পদ ॥ বোলন্ত ব্ৰহ্মা শুনা সমূদায় ।
ক্ষেত্ৰক পাইল ইন্দদ্যুম্ন ৰায় ॥
দেখিলা স্থান আতি অনুপাম ।
আছন্ত তীৰ্থ মহানদী নাম ॥৪৮
লোকৰ কৰিয়া পাপ উপান্ত ।
দক্ষিণ সাগৰক বহি যান্ত ॥
গঙ্গাৰ সমান তীৰ্থ বিশেষ ।
দুয়ো কুলে আছে অনেক দেশ ॥ ৪৯
হৃষ্ট পুষ্ট লোক তৈত সদায় ।
বসনে ভূষণে ভূষিত কায় ॥
বেদবিদ বিপ্ৰ আছে অপাৰ ।
প্ৰত্যহে অগ্নিহোত্ৰ সিজে যাৰ ॥৫০
সদায় নুগুচে শাস্ত্ৰ আলাপ ।
বেদধ্বনি শুনি পলায় পাপ ॥
ক্ষেত্ৰত আছে যত নাৰীগণ ।
সবাৰো গাৱে শোভে আভৰণ ॥৫১

আয়ত লোচন পদ্মৰ পাসি ।
নুগুচে মুখত ঈষত হাসি ॥
ৰূপে বিদ্যাধৰী সম সাক্ষাত ।
কৰন্ত লয়-লাসে আয়াযাত ॥৫২
অনেক তপস্বী তপ আচৰে ।
সন্ন্যাসী সবে বসি ধ্যান কৰে ॥
ব্ৰহ্মচাৰীসবো ভ্ৰমন্ত তথা ।
ক্ষেত্ৰৰ কহিবো কত ব্যৱস্থা ॥৫৩
পৰম দুৰ্ল্লভ ক্ষেত্ৰক পাই ।
গুণন্ত পাছে ইন্দ্ৰদ্যুম্ন ৰায় ॥
ঐত আৰাধিবো বিষ্ণুক আমি ।
পৰম পুৰুষ জগতৰ স্বামী ॥৫৪
তাহান পৰম ক্ষেত্ৰ প্ৰকট ।
ঐহিতে আছে কল্প বৃক্ষ বট ॥
যাক পূজি পারে জন্মৰ সীমা ।
নাহিকে বিষ্ণুৰ আত প্ৰতিমা ॥৫৫
বান্ধিবো দৌল কৰি মহাযত্ন ।
এক স্থান কৰি সুৱৰ্ণ ৰত্ন ॥
যজিবো যজ্ঞ দিয়া মহাদান ।
হোৱন্ত হৰি যেন বিদ্যমান ॥৫৬
থাপিবো দৌল তাঙ্ক আমি আনি ।
এহিমতে ৰাজা মনত গুণি ॥
আনিয়া দৈৱজ্ঞ বিপ্ৰ প্ৰধান ।
নিৰ্ণয় কৰিলা যজ্ঞৰ স্থান ॥৫৭

শুভ দিন শুভ যোগ বিচাৰি।
থৈলন্ত পূৰ্ণ কুম্ভ শাৰী শাৰী ॥
বজাই মাঙ্গল্য বাদ্য অনেক।
বেদকো ঘোষন্ত বিপ্ৰ যতেক ॥৫৮
পূজিয়া পৱিত্ৰ কৰিয়া স্থান।
দিলন্ত ৰাজা পাছে অৰ্ঘ্য দান ॥
মিলিল উৎসৱ ক্ষেত্ৰক ভৰি।
পলাওক পাপ বোলা হৰি হৰি ॥৫৯

—০—

ঘোষা ॥ জয় গোৱিন্দ দয়াশীল জয় জগন্নাথ।
মাধৱক প্ৰণামো ভূমিত থৈয়া মাথ ॥৬

পদ ॥ অনন্তৰে ইন্দ্ৰদ্যুম্ন ৰাজা ৰাজ্যেশ্বৰ।
কলিঙ্গ পতিক মাতি দিলন্ত উত্তৰ ॥
বিন্ধ্য পৰ্ব্বতক যাহা ৰাজাগণ লই।
ভদ্ৰেতৰ শিলাক শকটে আনাগই ॥৬০
দৌল সাজি দেৱতাক থাপিবো সম্প্ৰতি।
হেন শুনি চলি গৈলা কলিঙ্গ-নৃপতি ॥
মন্ত্ৰীক মাতিয়া পাছে ৰাজা আদেশয়।
চাৰিয়ো দিশক লাগি পাঞ্চা দূতচয় ॥৬১
আনোক হাঙ্কাৰি ৰাজাগণ নিৰন্তৰ।
চতুৰঙ্গ সেনা লৈয়া আসোক সত্বৰ ॥
ৰাজাৰ অদেশ কহি পৰ্য্যটিলা দূত।
চাৰিয়ো দিশৰ ৰাজা ভাসিলা বহুত ॥৬২

হেন দেখি ইন্দ্রদ্যুম্ন মহা তুষ্ট মন ।
সব নৃপতিক চাহি বুলিলা বচন ॥
ইটো মহা ক্ষেত্র ভূমি মুকুতি কাৰণ ।
আতে অশ্বমেধে যজিবোহো নাৰায়ণ ।।৬৩
বান্ধি দৌল দের থাপিবোহো যেন বিধি ।
কেনমতে মোৰ ইটো কাৰ্য্য হোৱে সিদ্ধি ।।
তোমা সব হোৱা আৱে সহায় আমাৰ ।
হৈবো বুলি সবেও কৰিলা অঙ্গীকাৰ ।।৬৪
স্বৰ্ণ মাণিক মণি মুকুতা অপাৰ ।
গজ বাজী ৰথ বস্ত্র যতেক সম্ভাৰ ।।
ভক্ষ্য ভোজ্য যজ্ঞত লাগিবে যত যত ।
দিলা ৰাজাগণে ইন্দ্রদ্যুম্নৰ আগত ।।৬৫
দেখি ৰাজা ৰত্নময় যজ্ঞৰ সম্ভাৰ ।
আনিলন্ত বিপ্র ঋষি তপস্বী অপাৰ ।।
উপাধ্যায় আচাৰ্য্য সদস্য পাত্র ব্যাক ।
দেখি পুৰোহিতক বুলিলা ৰাজা বাক ।।৬৬
বিপ্র ঋষিগণ সমে চলিয়োক তুমি ।
নিৰ্ম্মিয়োক সবে গৈয়া মহাযজ্ঞ ভূমি ।।
শুনি পুৰোহিতে গৈয়া অনেক যতনে ।
সাজিলন্ত বেদী খণ্ড স্বৰ্ণ ৰতনে ।।৬৭
ৰত্নময় প্ৰসাদ সজাইলা একশত ।
স্বৰ্ণে ৰচিত স্তম্ভ লগাইল গৃহত ।।
ঠাই ঠাই পোতাইলন্ত বৃহত তোৰণ ।
মণি মুকুতাৰ হাৰ কৰি আভৰণ ।।৬৮

ব্ৰাহ্মণক লাগি গৃহ সজাইলা অপাৰ ।
ভক্ষ্য ভোজ্য পঞ্চামৃত মিলাইলা সম্ভাৰ ॥
অনেক নৃপতি ব্ৰাহ্মণৰ ধ্ৰুৰে আল ।
স্বৰ্গক লঙ্ঘিল গৈয়া বাদ্যৰ ঘঞ্চাল ॥৬৯
স্বৰ্ণ বিনাই আন নাহিকৈ ভাজন ।
দেখি ইন্দ্ৰদ্যুম্নৰ আনন্দ ভৈলা মন ॥
আৰম্ভিল যজ্ঞ যেন বিধি ব্যৱহাৰ ।
হৰি হৰি বুলি তৰা দুৰ্ঘোৰ সংসাৰ ॥৭০

—:০:—

ঘোষা ॥ **হৰি গোৱিন্দ কৃষ্ণ জয় জগন্নাথ ॥ৰ**

পদ ॥ যজন্ত বেঢ়ি যত ব্ৰহ্ম ঋষি ।
কৃষ্ণক অৰ্চ্চন্ত ৰাজা হৰিষি ॥
কৰিলন্ত হোম কোটি প্ৰমাণ ।
ৰথ গজ বাজী দিলন্ত দান ॥৭১
কোটি কোটি ৰত্ন গ্ৰাম নগৰ ।
দাসী দাস ধেনু বৃষ বিস্তৰ ॥
যেহি লাগে খোজে যতেক প্ৰজা ।
নাহিকে নেদো নোবোলন্ত ৰাজা ॥৭২
পূৰিলা মনোৰথ সমস্তৰ ।
হৃষ্ট পুষ্ট ভৈলা সমস্তে নৰ ॥
সকল ঋষিক বোলন্ত বাণী ।
প্ৰত্যেক যাৱে নোস্ত চক্ৰপাণি ॥৭৩
প্ৰৱৰ্ত্তোৱা তৱে যজ্ঞ আমাৰ ।
এহি বুলি দান দেন্ত অপাৰ ॥

কোনে কৰিবেক দানৰ সীমা।
যজ্ঞৰ পৰম দেখি মহিমা ॥৭৪
বিস্ময় ভৈলা সুৰাসুৰ নাগে।
উৎসৰ্গি ঘোড়া পাছে মহাভাগে ॥
পুত্ৰগণ মাতি দিলা আদেশ।
যজ্ঞৰ হয় ৰাখা দেশে দেশ ॥৭৫
স্থানে স্থানে ৰচি সুবৰ্ণ ৰত্নে।
বিষ্ণুৰ দৌলত সজাইল যত্নে ॥
কৰিল কৰ্ম্ম যত ৰাজ সুত।
বান্ধিলা দৌল আতি অদভুত ॥৭৬
ৰাজায়ে দৌলক সুসাঙ্গ কৰি।
চিন্তন্ত সদায়ে নিদ্ৰাক এড়ি ॥
কিমতে দেখো দেখো সাক্ষাত।
বিষ্ণুৰ প্ৰতিমা পাইবো কোথাত ॥৭৭
কিমতে আৰে আৰাধিবো হৰি।
প্ৰতিমা থাপো দৌলে কেন কৰি ॥
একোমতে তুষ্ট নাহিকে মন।
নকৰে নৃপতি স্নান ভোজন ॥৭৮
পৰম চিন্তায়ে আকুল ভৈলা।
বিষ্ণুক পাছে অৰ্চ্চিবাক লৈলা ॥
পঞ্চৰাত্ৰ বিধি কৰিয়া পূজা।
কৰন্ত স্তুতি ইন্দ্ৰদ্যুম্ন ৰাজা ॥৭৯
নমো বাসুদেৱ মোক্ষ কাৰণ।
সংসাৰত মোক কৰা তাৰণ ॥

নমো মাধৱক দময়া মাথ।
ত্ৰাহি ত্ৰাহি বিষ্ণু জগত নাথ ॥৮০
ত্ৰাহি নৰসিংহ দৈত্য সংহাৰি।
যিমতে আনিলা ভূমি উদ্ধাৰি ॥
সেহি মতে মোক কৰা উদ্ধাৰ।
ৰবাহ বিষ্ণুক নতি আমাৰ ॥৮১
বলদেৱ আদি মূৰ্ত্তি যতেক।
গৰুড় প্ৰমুখ্যে অংশ অনেক ॥
সবাকো কৰো মই নমস্কাৰ।
হৰি হৰি বুলি হুয়ো নিস্তাৰ ॥৮২

—০—

ঘোষা ॥ হৰি ত্ৰাহি কৰুণাসিন্ধু।
গোবিন্দ জগতবন্ধু ॥৮

পদ ॥ মায়াতেসে দেখয় বিবিধ পৰিচ্ছেদ।
স্বৰূপত তোমাৰ নাহিকে কিছু ভেদ ॥
চৈতন্য স্বৰূপে ব্যাপী এক নিৰঞ্জন।
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন ॥৮৩
নিশ্চল নিৰ্ম্মল সূক্ষ্ম ৰূপ যিটো স্বামী।
দেৱে নজানন্ত তাঙ্ক কেনে জানো আমি ॥
অপৰ তোমাৰ ৰূপ যাত ভুজ চাৰি।
পীতবস্ত্ৰে শোভে শঙ্খ চক্ৰ গদাধাৰী ॥৮৪
পিন্ধি আছা ৰত্নৰ মুকুতাৰ হাড়।
হিয়াত শ্ৰীবৎস গলে বনমালা যাৰ ॥

সেহিসে মূৰ্ত্তিকে আৰাধন্ত দেৱগণে।
তাকেসে ভকতজনে চিন্তে সৰ্ব্বক্ষণে ॥৮৫
বিষয় সাগৰে মজো কমল-লোচন।
ভকত-অভয় দাতা কৰিয়ো মোচন ॥
তুমি ব্যতিৰেকে আন নেদেখো কাৰণ।
শ্ৰীমধুসূদন প্ৰভু হুয়োক প্ৰসন্ন ॥
নানাবিধ ব্যাধি জৰা দুঃখে শোকে পীড়ে।
কৰ্ম্মপাশে বন্ধ ভৈলো লোভ মোহে নেড়ে ॥
সংসাৰ সাগৰে জন্ম বিষয়ৰ ক্লেশ।
ইন্দ্ৰিয় আৱৰ্ত্ত গ্ৰাহ ভৈল ৰাগ-দ্বেষ ॥৮৭
শোক তৃষ্ণাউৰ্ম্মিক দেখন্তে চমৎকাৰ।
অত্যন্ত চঞ্চল অনুমাত্ৰো নুহি সাৰ ॥
মায়ায়ে মোহিলে হেন সংসাৰত আতি।
চিৰকালে ভ্ৰমো প্ৰভু হুয়া নানা জাতি ॥৮৮
লভিলোহো জন্ম প্ৰভু অসংখ্য প্ৰমাণ।
পঢ়িলোহো বেদ শাস্ত্ৰ অনেক পুৰাণ ॥
অসন্তোষ সন্তোষক লভিলো অপাৰ।
ক্ষয় বৃদ্ধি উদয়কো পাইলো বাৰম্বাৰ ॥৮৯
সংযোগ বিয়োগ শত্ৰু-মিত্ৰ বান্ধৱৰ।
দেখিলো সংসাৰে পিতৃ মাতৃক বিস্তৰ ॥
সুখ দুঃখ অনুভৱ ভৈল অসংখ্যাত।
পাইলো পুত্ৰ ভ্ৰাতৃ জ্ঞাতি অনেক ইহাত ॥৯০
বিষ্ঠা মুত্ৰে পচিলো নাৰীৰ উদৰত।
গৰ্ভবাস দুঃখ প্ৰভু পাইলো নানা মত ॥

জানিলোহো দুঃখ শিশু যুবা বৃদ্ধকালে।
মৰণ পীড়াক প্ৰভু জানিলোহো ভালে ॥৯১
যমপুৰে যেন দুঃখ পাইলো সমস্তকে।
জানিলো যাতনা যেন চৌৰাশী নৰকে ॥
ক্ৰিমি কীট হস্তী ঘোড়া মৃগ বৃক্ষ পক্ষী।
গৰু উট মহিষ পশুক যত দেখি ॥৯২
দ্বিজ শূদ্ৰ ধনী দুখী তপস্বী যতেক।
ৰাজ ৰাজভৃত্য আনো মনুষ্য অনেক ॥
সবাৰো গৃহত বাৰে বাৰে ভৈলো জাত।
অনেকৰ ভৈলো প্ৰভু ভৃত্য অসংখ্যাত ॥৯৩
হওঁ কতো দৰিদ্ৰ ঈশ্বৰ অধিকাৰী।
কতো মোক মাৰৈ কতো ময়ো আছো মাৰি ॥
মই আনি কাটো কতো মোক ধৰি কাটে।
ভণিল শঙ্কৰে ৰাম ৰাম বোলা ঝাণ্টে ॥৯৪

—০—

ঘোষা ॥ ও হৰি প্ৰভু জগন্নাথ!
নিস্তাৰ কৰা দাৰুণ সংসাৰে ॥
কৃষ্ণৰ চৰণ ছাড়ি আন গতি।
নেদেখো আমাৰে ॥৯

পদ ॥ পিতৃ মাতৃ ভ্ৰাতৃ ভাৰ্য্যাৰ সংযোগে
কতোহো মিলে সন্তোষ।
তাহাৰ বিয়োগে কতো শোকে কান্দো
পায়া মহা অসন্তোষ॥

দেৱ মনুষ্যত পশু পতঙ্গত
জগত-মধ্যত স্বামী ।
চৈধয় ভুৱনে হেন থান নাহি
যৈক নতু যাও আমি ॥৯৫
কতো নৰকত থাকো কদাচিত
কৰোহো স্বৰ্গক গতি ।
মনুষ্য লোকত থাকো কতো বেলা
পশুৰো হও সঙ্গতি ॥
জল যন্ত্ৰ চক্ৰে জৰী বন্ধ হুয়া
খণ্ড ঘট যেন মতে ।
কতো উৰ্দ্ধগতি কতো অধোগতি
কতোহো থাকো মধ্যতে ॥৯৬
কৰ্ম্মে বদ্ধ হুয়া সংসাৰ চক্ৰত
এহি মতে ভগৱন্ত ।
ভ্ৰমো চিৰকাল কদাচিত মই
দুঃখৰ নেদেখো অন্ত ॥
শোক মোহ তৃষ্ণা আকুল কৰয়
ভৈলো অতি অচেতন ।
কিবা কৰো আৰে একোকে নজানো
তোমাত লৈলো শৰণ ॥৯৭
তোমাৰ ভকত মঞি হওঁ যেৱে
জগন্নাথ কৃপা কৰা ।
সংসাৰ সাগৰে মজিলো মাধৱ
আমাক প্ৰভু উদ্ধাৰা ॥

তুমি ব্যতিৰেকে নাহি বন্ধু আন
যি মোৰ চিন্তা কৰয় ।
তুমি হেন যদি নাথ পাও প্ৰভু
কহিতে নাহিকে ভয় ॥৯৮

তুমি জগদ্ধাতা তোমাৰ চৰণে
ভকতি নভৈল যাৰ ।
তাৰ কুল ক্ৰিয়া বিদ্যা বৃথা সবে
কি কৰে জীৱন ছাৰ ॥

যিটো মূঢ় হুয়া তোমাক নিন্দয়
অসুৰ জনম পাই ।
উপজি উপজি নৰকত পড়ে
তাহাৰ নিস্তাৰ নাই ॥৯৯

যৈতে তৈতে গৈয়া জন্ম লভো মঞি
আপোন কৰ্ম্মৰ গতি ।
তৈতে তৈতে হৰি তোমাৰ চৰণে
থাকোক দৃঢ় ভকতি ॥

দেৱাসুৰ নৰে তোমাক আৰাধি
পাইলেক পৰম সিদ্ধি ।
জানিয়া তোমাক সুপূজিবে কোনে
তুমি ভকতৰ নিধি ॥১০০

স্তুতি কৰিবাক নোৱাৰে তোমাক
ব্ৰহ্মা আদি দেৱৰ্ঝাক ।
মনুষ্য বুদ্ধিৰে কেনমতে মই
কৰিবো স্তুতি তোমাক ॥

যিটো মূঢ় ভাৱে কৰিলোহো স্তুতি
তাকো ক্ষমিয়োক মোক।
যদি অপৰাধ হোৱে তথাপিতো
ক্ষমা কৰে সাধু লোক ॥১০১
হেন জানি প্ৰভু হুয়োক প্ৰসন্ন
তোমাৰ ভকত আমি।
ভক্তিভাৱে যিটো কৰিলোহো স্তুতি
সাঙ্গ হোক সবে স্বামী ॥
প্ৰভু বাসুদেৱ তোমাৰ চৰণে
কৰো মঞি নমস্কাৰ।
আন কাম এড়ি বোলা হৰি হৰি
পুৰুষ হোক উদ্ধাৰ ॥১০২

—০—

ঘোষা ॥ হৰি গোবিন্দ দয়াময় মুৰাৰি ৰাম।
মুখে মোৰ নছাড়োক ৰাম কৃষ্ণ নাম ॥১০

পদ ॥ ব্ৰহ্মায়ে বোলন্ত শুনিয়োক মুনিগণ।
ভৈলন্ত গৰুড়ধ্বজ স্তোত্ৰত প্ৰসন্ন ॥
দিলন্ত ৰাজাক মন-বাঞ্ছিত সকল।
কাৰুণ্য স্তোত্ৰৰ আৱে শুনা যেন ফল ॥ ১০৩
হৰিক পূজিয়া যিটো নিতে কৰে স্তুতি।
তাহাৰ হৈবেক অৱশ্যে মুকুতি ॥
ত্ৰিসন্ধ্যাত পঢ়ে যিতো স্তোত্ৰ শ্ৰেষ্ঠতৰ।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ পাৱে নিৰন্তৰ ॥১০৪

যিবা পঢ়ে যিবা শুনে শুনাৱে আনক।
পাপ ছাৰি সিয়ো যায় বিষ্ণুৰ স্থানক॥
যিটো দুষ্ট শঠে কৰে বেদক লুপুত।
তাত নকহিবা স্তোত্ৰ পৰম গুপুত॥১০৫
বিষ্ণু ভকতক আক দিবা উপদেশ।
কহিলো কাৰুণ্য স্তৱ তোমাৰ নিঃশেষ॥
দেৱ মাধৱক ধ্যান কৰে যিটো নিত।
বিষ্ণুত প্ৰৱেশে যেন অগণিত ঘৃত॥ ১০৬
মহাযজ্ঞ বিদ্যা দানে কোন কাৰ্য্য কৰে।
মহা উগ্ৰ তপ কৰি মিছাতেসে মৰে॥
জগতৰ গুৰু মোক্ষ দাতা নাৰায়ণ।
তাহান নকৰে যিটো শ্ৰৱণ কীৰ্ত্তন॥১০৭
সিসি ধন্য সিসি শুদ্ধ সেহিসে পণ্ডিত।
যজ্ঞ তপে ব্ৰতে সিসি শ্ৰেষ্ঠ অখণ্ডিত॥
সিসি সত্যবাদী দাতা জ্ঞাতা জগতত।
যাহাৰ ভকতি আছে কৃষ্ণ চৰণত॥১০৮
হেন স্তুতি কৰি ইন্দ্ৰদ্যুম্ন মহাৰায়।
ভূমিত পড়িলা বস্ত্ৰ কুশক বিচাই॥
মহা চিন্তাবিষ্ট হুয়া কৰিলা শয়ন।
কেনমতে হৈবে মোৰ কৃষ্ণ দৰশন॥১০৯
হেনমতে চিন্তি নিদ্ৰা গৈলা নৃপবৰ।
স্বপ্নত ৰাজাক দেখা দিলা দামোদৰ॥
জগত-গুৰুক ৰাজা দেখিলা সাক্ষাতে।
আঠ অস্ত্ৰ ধৰি আছা আঠখান হাতে॥১১০

শঙ্খ চক্ৰ গদা পদ্ম চাৰু বাৰু অসি।
সাৰঙ্গক ধৰি আছা গৰুড়ত বসি॥
যেন নীল বৈদুৰ্য্য শৰীৰ কৰে কান্তি।
হৃদয় মধ্যত জ্বলে শুক্ল লোম-পান্তি॥১১১
পীতবস্ত্ৰে শোভে তনু কটিত মেখলা।
কণ্ঠত কৌস্তুভ শোভে গলে বনমালা॥
কিৰীটি কুণ্ডল হাৰ কেয়ুৰ কঙ্কণ।
সৰ্ব্বাঙ্গ প্ৰকাশে মহা ৰত্নৰ ভূষণ॥১১২
নূপুৰে ৰঞ্জিয়া আছে পাদ-পদ্ম দুই।
যাক দেখি ধ্যানত ভকত সুখী হুই॥
প্ৰসন্ন বদন জ্বলে কমল-লোচন।
যাক দৰশনে হোৱে পতিক-মোচন॥১১৩
যুগান্তৰ সূৰ্য্য যেন আছন্ত প্ৰকাশি।
ৰাজাক বুলিলা হেন বাণী হৰি হাসি॥
কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
বোলা হৰি হৰি পাপ যাউক অধগতি॥১১৪

—০—

ঘোষা॥ জয় হৰি গোপালো।
জগন্নাথ কৃপালো॥১১

পদ॥ সাধু সাধু মহাৰাজ।
সাৰ্থক তোমাৰ কাজ॥
যজ্ঞ দানে ভক্তিভাৱে।
তুষিলা আমাৰ পাৱে॥১১৫

কৃষ্ণা অনুশোচ বৃথা ॥
জানিলো তোমাৰ কথা ॥
প্ৰতিমা থাপিবা ঐত ।
শুনা তাক পাইবা যৈত ॥১১৬
ৰজনী প্ৰভাতে বীৰ ।
যাইবা সাগৰৰ তীৰ ॥
বৃক্ষক দেখিবা পাছে ।
জল স্থল মধ্যে আছে ॥১১৭
ঢউ লাগি সাগৰৰ ।
নকম্পন্ত তৰুবৰ ॥
হাতত পৰশু লয়া ।
একলে দেখিবা গয়া ॥১১৮
ছেদিবা নিঃশঙ্ক মতি ।
প্ৰতিমা সাজিবা তৈতি ॥
নিচিন্তিবা মহাৰথ ।
হৈব সিদ্ধি মনোৰথ ॥১১৯
ৰাজাক প্ৰবোধ কৰি ।
অন্তৰ্দ্ধান ভৈলা হৰি ॥
দেখি স্বপ্ন বিপৰীত।
ভৈলা ৰাজা সচকিত ॥১২০
বিষ্ণু-মন্ত্ৰ জপ্য কৰি ।
হৰিক মনত ধৰি ॥
ৰজনী কৰিয়া ক্ষয় ।
উঠি পাছে মহাশয় ॥১২১

সাগৰত কৰি স্নান।
দিলন্ত বিবিধ দান ॥
নিত্য-কৰ্ম্ম সাঙ্গ কৰি।
হাতত পৰশু ধৰি ॥১২২

হৰিক স্মৰিয়া বীৰ।
লড়ি গৈলা ধীৰে ধীৰ ॥
নাহিকে সাৰথি ৰথ।
একেশ্বৰে মহাৰথ ॥১২৩

পাইলা তীৰ সাগৰৰ।
দেখিলন্ত তৰুবৰ ॥
নাহি তাৰ নাম জাতি।
থুলন্তৰ উচ্চ আতি ॥১২৪

মজাঠিৰ বৰ্ণ সম।
দেখি আতি মনোৰম ॥
পড়িয়া জলৰ কাছে।
যেন সুখে শুতি আছে ॥১২৫

বিষ্ণুৰ বৃক্ষক পাই।
আনন্দিত মহাৰায় ॥
কৃষ্ণৰ কিঙ্কৰে ভণে।
হৰি বোলা সৰ্ব্বজনে ॥১২৬

—০—

ঘোষা ॥ ভাই ৰাম কহ ৰাম কহ ৰাম-মন্ত্ৰ সাৰ।
তপ জপ যজ্ঞ যোগে সিদ্ধি নাই আৰ ॥১২

পদ ॥ তীক্ষ্ণতৰ পৰশু উচ্চায়া হাত উড়ি।
ছেদিলন্ত আনন্দে বৃক্ষৰ আগ গুড়ি ॥
দুইফাল কৰিবাক চাহান্তে নৃপতি।
আসিলন্ত হৰি বিশ্বকৰ্ম্মায়ে সহিতি ॥১২৭
দিব্য গন্ধ মালা পিন্ধি ধৰি বিপ্ৰ-ৰূপ।
ৰাজাক বোলান্ত ঐত কি কৰিছা ভূপ ॥
কি কাৰ্য্যে ছেদিলা ইটো মহা তৰুবৰ।
নিৰ্জ্জন স্থানত কেনে আছা একেশ্বৰ ॥১২৮
শুনিয়া নৃপতি তাসম্বাক চাইলা পাছে।
যেন চন্দ্ৰ সূৰ্য্য দুয়ো প্ৰকাশন্তে আছে ॥
নমস্কাৰ কৰি ৰাজা বুলিলা বচন।
শুনিয়োক দুয়ো গুৰু মোৰ প্ৰয়োজন ॥১২৯
মাধৱক আৰাধিবে মোৰ ভৈল মতি।
সাজিবোহো দাৰুময়ী প্ৰতিমা সম্প্ৰতি ॥
স্বপ্নত আদেশ মোক দিলা নাৰায়ণ।
কহিলো তোমাৰ আগে স্বৰূপ বচন ॥১৩০
হেন শুনি বিপ্ৰ-ৰূপ-ধাৰী চক্ৰপাণি।
তুষ্ট হুয়া নৃপতিক বুলিলন্ত বাণী ॥
ধন্য ধন্য ৰাজা বুদ্ধি উত্তম তোমাৰ।
সংসাৰ-সাগৰে আত কিছু নাহি সাৰ ॥১৩১
যেন জল বুদ্‌বুদ্ তিলে হোৱে ছন্ন।
বিষ্ণু আৰাধিবে তযু সম্পজিল মন ॥

কিনো ভাগ্যৱতী সসাগৰা বসুমতী।
যাহাৰ পালক ভৈলা আপুনি নৃপতি ॥১৩২
আসিয়োক ঐক এৰি সাগৰৰ তীৰ।
তৰু-তলে আমি সবে থাকো মহাবীৰ ॥
এহেন্তে ব্ৰাহ্মণ বিশ্বকৰ্ম্মা-সম গুণী।
এখনে দিবন্ত সাজি প্ৰতিমা আপুনি ॥১৩৩
হেন শুনি এড়ি ৰাজা সাগৰৰ তট।
তৰু-তলে বৈলা চাপি বিপ্ৰৰ নিকট ॥
পাছে বিশ্বকৰ্ম্মাক বুলিলা হৰি বাণী।
সাজি তিনি প্ৰতিমা এখনে দিয়ো আনি ॥১৩৪
কৃষ্ণ বলোভদ্ৰ আৰ সুভদ্ৰা ভগিনী।
যাৰ যেনে লক্ষণ নিৰ্ম্মিয়ো ভিন্নি ভিন্নি ॥
শুনি বিপ্ৰ-ৰূপী বিশ্বকৰ্ম্মা গৈলা লড়ি।
তিনিৰো প্ৰতিমা তেতিক্ষণে দিলা গঢ়ি ॥১৩৫
প্ৰথমে নিৰ্ম্মিলা বলোভদ্ৰ শুক্ল কায়।
আৰকত আখি ফণা শিৰত শোভায় ॥
গাৱে নীল বস্ত্ৰ কৰ্ণে এগোটা কুণ্ডল।
এক হাতে গদা আউৰ হাতত মুষল ॥১৩৬
কৃষ্ণক নিৰ্ম্মিলা তনু মেঘ-সম জ্বলে।
পদ্ম-সম লোচন শ্ৰীবৎস বক্ষঃস্থলে ॥
গাৱে পীতবস্ত্ৰ অস্ত্ৰ চক্ৰ আছে কৰে।
যাক দৰশনে জগতৰে পাপ হৰে ॥১৩৭
সাজিলা সুভদ্ৰা তনু সুবৰ্ণ গৌৰাঙ্গ।
ৰত্নময় অলঙ্কাৰে প্ৰকাশে সৰ্ব্বাঙ্গ ॥

দিব্য বস্ত্রে আবৃত উন্নত স্তন দুই ।
বোলা হৰি লাগোক পাপৰ মুণ্ডে জুই ॥১৩৮

—०ः+ः०—

ঘোষা ॥ কমলাকান্ত কৰা কৃপা কমল লোচন ॥১৩

পদ ॥ ক্ষণেকতে সাজিলা প্রতিমা ।
দেখি ৰাজা পৰম মহিমা ॥
বুলিলন্ত বিস্ময়ে বচন ।
নোহা নৰ তোৰা দুয়োজন ॥১৩৯
কিবা তোৰা দুয়ো সূৰ্য্য শশী ।
ব্রহ্মা রুদ্র কিবা আছা আসি ॥
নজানোহো স্বৰূপ সাক্ষাত ।
কৈয়ো সত্য শৰণ তোমাত ॥১৪০
শুনি হৰি বুলিলা বচন ।
নোহো ব্রহ্মা রুদ্র আন জন ॥
মঞি হৰি জগত-ঈশ্বৰ ।
মোতে আছে যত চৰাচৰ ॥১৪১
বেদান্ততো মোকেসে কহৰে ।
মোক স্মৰি পাতক দহৰে ॥
তুষ্ট হুয়া দেখা দিলো আগে ।
লৈয়ো বৰ ৰাজা যেহি লাগে ॥১৪২
স্বপ্নতো নেদেখে পাপী মোক ।
তুমি মোৰ মহাভক্ত লোক ॥

যতেক পূজিলা নাহি লেখা।
তাতেসে তোমাক দিলো দেখা ॥১৪৩
শুনি ৰাজা তনু ৰোমাঞ্চিত।
কৰে স্তুতি পড়িয়া ভূমিত॥
লক্ষ্মীকান্ত তোমাক প্ৰণাম।
তনু যাৰ জ্বলে মেঘ শ্যাম ॥১৪৪
কৰে শঙ্খ চক্ৰ পদ্ম গদা।
তুমি শ্ৰীৰ নিৱাস সৰ্ব্বদা॥
শুতি থাকা ভুজঙ্গ শয্যাত।
তুমি ব্ৰহ্ম ব্যাপক সাক্ষাত॥১৪৫
তুমি সূক্ষ্ম নিৰ্ম্মল নিৰ্গুণ।
সৃষ্টি স্থিতি লয়ত নিপুণ॥
মোক্ষ পদ জগত ঈশ্বৰ।
কৰো পড়ি প্ৰণাম বিস্তৰ ॥১৪৬
দুনাই দুনাই কৰো নমস্কাৰ।
কৰা প্ৰভু আমাক উদ্ধাৰ॥
তুমি দিয়া ভকতি মুকুতি।
কৰো সেৱা এহিসে যুগুতি॥১৪৭
দুনাই ৰাজা পৃথিৱীত পৰি।
বিষ্ণুক বোলন্ত কৰযুৰি॥
ঋষিগণ দেৱাসুৰ বল।
যত যোগী সন্ন্যাসীসকল॥১৪৮
যিটো পদে সদা কৰে ধ্যান।
ইচ্ছা তাক তৈতে দিয়া স্থান॥

মাধৱে বোলন্ত এহি হোক।
অন্তকালে পাইবা গৈয়া মোক ॥১৪৯
নকৰিবা সংশয় ইয়াত।
নিষ্ঠ কৰি বুলিলো তোমাত ॥
কৃষ্ণৰ কিঙ্কৰে এভু ভণে।
হৰি হৰি বোলা সৰ্ব্বজনে ॥১৫০

—০—

ঘোষা ॥ কৃষ্ণ মুৰাৰি ৰাম কৰো পৰিয়া প্ৰণাম।
মোৰ মুখে নছাড়োক হৰি হেন নাম ॥১৪

পদ ॥ নৱ শতাধিক দশ হাজাৰ বৎসৰ।
অখণ্ডে ভুঞ্জিয়ো ইটো ৰাজা নৃপবৰ ॥
পাছে মোৰ পৰম পদক পাইবা তুমি।
থাকিব তোমাৰ কীৰ্ত্তি যাবৈ থাকৈ ভুমি ॥১৫১
যাৱে চন্দ্ৰ সূৰ্য্য থাকে সপত সাগৰ।
ভ্ৰমিবে তোমাৰ যশ ত্ৰৈলোক্য ভিতৰ ॥
যজ্ঞ অৱশেষ যত জল অনুপাম।
হুইবে তীৰ্থ ইন্দ্ৰদ্যুম্ন সৰোবৰ নাম ॥১৫২
আত স্নান কৰিয়া যাইবেক ইন্দ্ৰ স্থানে।
একৈশ পুৰুষ উদ্ধাৰিবে পিণ্ডদানে ॥
অপেস্বৰা গন্ধৰ্ব্বে কৰিবে নৃত্য গীত।
চৈধ্য ইন্দ্ৰ পড়েমানে থাকিবে তহিত ॥১৫৩
হ্ৰদৰ নৈঋত কোণে আছে সিদ্ধ বট।
দিব্য মণ্ডপেক আছে তাহাৰ নিকট ॥

বহুবিধ পুষ্পবনে সদায় আবৃত ।
পতাকা তোৰণ ধ্বজদণ্ডে অলঙ্কৃত ॥১৫৪
আষাৰৰ শুক্লা পঞ্চমীত আমাসাক ।
সেহি মণ্ডপতে ৰথ থৈয়া বেশ্যাজাক ॥
উৎসৱে বিঞ্চিবে চামৰক কৰে ধৰি ।
যতি সিদ্ধ সন্ন্যাসী থাকিবে স্তুতি কৰি ॥১৫৫
আমাক দেখিয়া যিটো প্ৰণামে তহিত ।
মহাৰঙ্গে বঞ্চিবেক বিষ্ণুৰ পুৰীত ॥
দিব্য দশ হাজাৰ বৎসৰ থাকি তৈত ।
চতুৰ্ব্বেদী ব্ৰাহ্মণ হৈবেক আসি ঐত ॥১৫৬
হৈবেক শ্ৰীমন্ত কোটি ধনৰ ঈশ্বৰ ।
ৰাজাক সম্বোধি এহিমতে দিয়া বৰ ॥
বিশ্বকৰ্ম্মে সহিতে ভৈলন্ত অন্তৰ্হিত ।
দেখি নৃপতিৰ তনু ভৈলা ৰোমাঞ্চিত ॥১৫৬
কৃতকৃত্য ভৈল দেখি কৃষ্ণৰ মহিমা ।
ৰথে তুলি লৈয়া গৈলা তিনিবো প্ৰতিমা ॥
অনেক মাঙ্গল্য বাদ্যভাণ্ড বাৰে ছানি ।
বিপ্ৰগণে আগত কৰন্ত বেদধ্বনি ॥১৫৮
বিচিত্ৰ পৱিত্ৰ স্থানে প্ৰতিমা থোৱাইলা ।
শুভ তিথি শুভক্ষণে প্ৰতিষ্ঠা কৰাইলা ॥
দিলা দান দক্ষিণা ঋত্বিজ আচাৰ্য্যক ।
বস্ত্ৰধন দান দিলা আনো ব্ৰাহ্মণক ॥১৫৯
এহিমতে প্ৰতিষ্ঠা কৰিয়া বিধিৱত ।
থাপিলা প্ৰতিমা নিয়া বিচিত্ৰ দৌলত ॥

উত্তৰত কৃষ্ণ বলোভদ্ৰ দক্ষিণত।
শুভদ্ৰাক থৈলা নিয়া দুহানো মধ্যত ॥১৬০
পুজিলন্ত গন্ধে ধূপে নানা উপহাৰে।
শুৱৰ্ণ মুকুতা মণি বস্ত্ৰে অলঙ্কাৰে ॥
দিলন্ত আসন গ্ৰাম নগৰ অশেষ।
দাসী দাস উৎসৰ্গিয়া দিলন্ত বিশেষ ॥১৬১
জগন্নাথ থাপি ৰাজা পৰি মনোৰথ।
ভুঞ্জিলন্ত অকণ্টক ৰাজ্য মহাৰথ ॥
অন্তকালে এড়ি ইটো উত্তৰ সম্পদ।
সুখে পাইলা বিষ্ণুৰ পৰম সিটো পদ ॥১৬২
ব্ৰহ্মায়ে বোলন্ত শুনিয়োক মুনিগণ।
কহিলো ক্ষেত্ৰৰ ইটো যতেক লক্ষণ ॥
বুলিয়োক আৰ কিবা শুনিবাক বাঞ্ছা।
বোলা হৰি হৰি যাৰ বৈকুণ্ঠক ইচ্ছা ॥১৬৩

—:০—:—

ঘোষা ॥ ও ভাই, ভাবিয়ো ৰাম চিন্তিয়ো ৰাম,
ৰাম নাম যোনো ছাড়া।
ৰাম কৃষ্ণ নাম, অস্ত্ৰক ধৰিয়া
পাপ বিপক্ষক তাড়া ॥১৫

পদ ॥ দুনাই মুনিগণে ব্ৰহ্মাত পুছন্ত
কহিয়ো ক্ষেত্ৰৰ বিধি।
কোন সময়ত ক্ষেত্ৰৰ যাত্ৰাক
কৰিলে হৈবেক সিদ্ধি ॥

কৃষ্ণ দৰশনে যেন ফল পাৱে
তাকো কহিবাক লাগে।
হেন শুনি ব্ৰহ্মা কহিবে লাগিলা
ঋষি সমূহৰ আগে॥১৬৪

কুৰুক্ষেত্ৰে গৈয়া নিৰাহাৰ হুয়া
পৰম তপে যুগুত।
ইন্দ্ৰিয়ক জিনি একপদে থাকে
বৰিষ সাত অযুত॥
যিটো জৈষ্ঠ মাসে শুক্ল দ্বাদশীত
কৃষ্ণৰ মুখ কমল।
দেখে উপবাসে সিটো নৰে পাৱে
তাহাতো অধিক ফল॥১৬৫

পঞ্চতীৰ্থ কৰি যিটো দ্বাদশীত
কৃষ্ণমুখ দেখে যাই।
অপ্ৰয়াসে সিটো বিষ্ণু-পুৰী পাৱে
তাহাৰ পতন নাই॥
হেন জানি যত্নে জৈষ্ঠৰ যাত্ৰাক
কৰিবা সমস্ত নৰে।
পঞ্চতীৰ্থ কৰি বিষ্ণুক দেখিয়া
ধৰ্ম্ম নাহি আত পৰে॥১৬৬

বিদূৰতে থাকি যিটো প্ৰতিদিনে
কৃষ্ণৰ কীৰ্ত্তন কৰে।
আতি অপ্ৰয়াসে বিষ্ণু-পুৰী পাৱে
শুদ্ধ হুয়া সিটো নৰে॥

কৃষ্ণৰ যাত্ৰাক কৰে যিটো নৰে
পৰম ভকতিভাৱে ।
সমস্তে পাতক দূৰ কৰি দিয়ো
বিষ্ণুৰ পুৰীক পাৱে ॥১৬৭
মাধৱৰ ধ্বজ দণ্ডক যি নৰে
দেখয় দৌল উপৰে ।
ভূমিত পড়িয়া প্ৰণাম কৰিয়া
পাপ সাগৰক তৰে ॥
আত পৰে শুনা পঞ্চ তীৰ্থ বিধি
যেন ফল স্নান দানে ।
ভণিল শঙ্কৰে শুনা সবে নৰে
হৰি বোলা সাৱধানে ॥১৬৮

—০—

ঘোষা ॥ হৰি ৰাম নাম ৰঘুনাথ হে ।
ৰাম নাম নছাড়োক মুখে নাহে ॥১৬

পদ ॥ মাৰ্কণ্ডেয় হ্ৰদে গৈয়া উত্তৰক মুখ দিয়া
হেন মন্ত্ৰ কৰিবে উচ্চাৰ ।
শুদ্ধ হুয়া ক্ৰোধ জিনি বুৰ দিয়া বাৰ তিনি
শুনিয়োক যেন মন্ত্ৰ তাৰ ॥
সংসাৰ সাগৰে মগ্ন পাপগ্ৰস্ত অচেতন
মোত পৰে নাহি দুৰাচাৰ ।
প্ৰভু ভগনেত্ৰহাৰী ত্ৰাহি ত্ৰাহি ত্ৰিপুৰাৰি
তোমাৰ চৰণে নমস্কাৰ ॥১৬৯

নমো শিৱ মহাশান্ত সমস্ত পাপৰ অন্ত
স্নান কৰে মাৰ্কণ্ডেয় হ্ৰদে।
মোৰ নত পাপচয় নিৰন্তৰে হৌক ক্ষয়
প্ৰণাম কৰোহো তযু পদে॥
নাভি মাত্ৰ জলে নামি বিধিমতে দেৱঋষি
তিলোদকে কৰিবে তৰ্পণ।
স্নান অৱসানে পাছে শিৱৰ দৌলেক আছে
তাক লাগি কৰিবে গমন॥১৭০
তিনি প্ৰদক্ষিণ কৰি পূজি মূল মন্ত্ৰ পঢ়ি
শিৱৰ লিঙ্গক একমতি।
পড়িয়া প্ৰণাম কৰি উঠি পুতাঞ্জলি ধৰি
কৰিব হৰক হেন স্তুতি॥
নমো নমো ত্ৰিনয়ন শিৰে শশী বিভূষণ
প্ৰভু বিৰূপাক্ষ মহাদেৱ।
তুমি বিনা নাহি আন কৰা মোক পৰিত্ৰাণ
তোমাৰ চৰণে কৰো সেৱ॥১৭১
কহিলো তহিৰ কথা হেন কৰ্ম্ম কৰি তথা
দশ অশ্বমেধ ফল পাইব।
শিৱলোকে ভোগ ভুঞ্জি পাছে শিৱযোগ যজি
শিৱৰ শৰীৰে লীন যাইব॥
অনন্তৰে কল্প বৃক্ষ বটৰ মূলক গৈয়া
াদক্ষিণ কৰি তিনিবাৰ।
পৰম ভকাত ভাৱে পূজিব বটৰ পাৱে
হেন মন্ত্ৰ কৰিব উচ্চাৰ॥১৭২

ঘোষা ॥ প্ৰণামো পৰম পুৰুষ ৰাম ।
নুগুচোক মুখে মাধৱ নাম ॥১৭

পদ ॥ নমো ব্ৰহ্মৰূপী প্ৰলয়গামী ।
আছা মহীন্দ্ৰৰ উপৰে তুমি ।
প্ৰণাম কৰো বট তৰুবৰ ।
প্ৰলয় কালত তুমি অমৰ ॥১৭৩
তুমিসি হৰিৰ মুখ্য আশ্ৰয় ।
প্ৰণামো বট পাপ কৰা ক্ষয় ॥
প্ৰণামিয়া হেন মন্ত্ৰ উচ্চাৰি ।
বটক নৰে প্ৰদক্ষিণ কৰি ॥১৭৪
তেতিক্ষণে ছাড়ে সমস্তে পাপ ।
যিমতে জীৰ্ণ চোঞ্চ এড়ে সাপ ॥
বটৰ সিটো ছায়া পৰশনে ।
ব্ৰহ্মহত্যা নষ্ট হোৱে তেখনে ॥১৭৫
আন পাতকৰ কি কৈবো কথা ।
স্বৰূপ বচন নাহি অন্যথা ॥
ৰাজসূয় অশ্বমেধৰ ফল ।
বট দৰশনে পাৱে সকল ॥১৭৬
উদ্ধাৰি বংশ ব্ৰহ্মলোকে যাই ।
এক কল্পমানে পতন নাই ॥
গৰুড় আছন্ত কৃষ্ণ সম্মুখে ।
তাঙ্ক নমস্কাৰ কৰিব সুখে ॥১৭৭
সমস্তে পাপক কৰিয়া দূৰ ।
অপ্ৰয়াসে পাৱে বিষ্ণুৰ পুৰ ॥

দেখিয়া বট গৰুড়ৰ আগে ।
দৌলত পাছে প্ৰৱেশিবে লাগে ॥১৭৮
ৰামক তিনি প্ৰদক্ষিণ কৰি ।
প্ৰণামিব হেন মন্ত্ৰ উচ্চাৰি ॥
নমো হলধৰ ৰেৱতীপতি ।
ভকত বৎসল কৰো প্ৰণতি ॥১৭৯
নমো হলধৰ বলীতে শ্ৰেষ্ঠ ।
প্ৰলম্ব বৈৰী নমো কৃষ্ণ জ্যেষ্ঠ ॥
বলোক এহিমতে স্তুতি কৰি ।
বিষ্ণুপুৰী পাৱে পাতক তৰি ॥১৮০
কল্পেক মানে যেন ভুঞ্জি তৈত ।
বেদবিদ হুয়া উপজে ঐত ॥
মহাসুখে জানি জ্ঞান যুগুতি ।
পৰম দুৰ্ল্লভ লভে মুকুতি ॥১৮১
কৃষ্ণক পূজিবে পাছে সাদৰি ।
দ্বাদশ অক্ষৰ মন্ত্ৰ উচ্চাৰি ॥
সিটো মন্ত্ৰে পাৱে যিমতে গতি ।
নপাই যোগ যজ্ঞে তাক সম্প্ৰতি ॥১৮২
জানিয়া হেন মন্ত্ৰ উচ্চাৰিয়া ।
গন্ধ পুষ্প ধূপ নৈবেদ্য দিয়া ॥
কৃষ্ণক অৰ্চিয়া কৰিবে স্তুতি ।
বোলা হৰি হৰি হৌক মুকুতি ॥১৮৩

ঘোষা ॥ ৰাম ৰাম নিৰঞ্জন ৰাম নিৰঞ্জন ।
ৰাম নিৰঞ্জন হৰি ৰাম নিৰঞ্জন নিৰঞ্জন হৰি ॥১৮

পদ ॥ জয় কৃষ্ণ জয় জয় জগন্নাথ
সৰ্ব্ব পাপ বিনাশন ।
জয়তি চানূৰ কেশীৰ অন্তক
জয় কংস নিসূদন ॥
জয় পদ্ম পত্ৰ সদৃশ লোচন
ধৰি আছা চক্ৰ গদা ।
জয় নীল মেঘ সম শ্যাম তনু
সৰ্ব্ব সুখদাতা সদা ॥১৮৪
জয় জগতৰ পূজ্য জয় ভৱ
নাশন সন্তৰ গতি ।
জয় ভকতৰ বাঞ্ছা ফল দাতা
জয় নাথ লোক পতি ॥
দুৰ্ঘোৰ সংসাৰ আত নাহি সাৰ
অপাৰ সাগৰ যেন ।
কাম ক্ৰোধ গ্ৰাহে সদায়ে আকুল
দুঃখচয় ভৈল ফেন ॥১৮৫
বিষয়-উদকে পলম্পি আছয়
মহামোহে আত পাক ।
লোভে ভৈল ঢৌ ইহাতে মজিলো
উদ্ধাৰা প্ৰভু আমাক ॥
এহিমতে স্তুতি কৰিয়া কৃষ্ণক
দেৱৰ ঈশ্বৰ হৰি ।

মহাবাহু মহা বক্ষঃস্থলে আছা
শঙ্খ চক্র গদা ধৰি ॥১৮৬
ভূষণে ভূষিত গলে বনমালা
পদ্মপত্র সম আখি।
দণ্ডৱতে পড়ি প্ৰণাম কৰিবে
হেনয় কৃষ্ণক দেখি ॥
এহিমতে পড়ি কৃষ্ণক প্ৰণাম
কৰে যিটো ভক্তিভাৱে।
অশ্বমেধ যজ্ঞ সহস্ৰৰ ফল
তাৰক্ষণে সিটো পাৱে ॥১৯৮
সমস্তে তীৰ্থত যজ্ঞত দানত
ব্ৰতত যি ফল পাৱে।
ব্ৰহ্মচাৰী গৃহী বনস্থ সন্ন্যাসী
চাৰিয়ো যি ফল পাৱে ॥
কৃষ্ণ দৰশনে সেহি ফল পাৱে
কি কৈবো আউৰ বিস্তৰ।
কৃষ্ণক দেখিয়া প্ৰণাম কৰিলে
হৈবেক মোক্ষ লোকৰ ॥১৮৮
কোটি কল্পে যত পাপ আছে কৰি
সিয়ো তেতিক্ষণে এড়ে।
একৈশ পুৰুষ উদ্ধাৰি বিমানে
বিষ্ণুৰ পুৰীক লড়ে ॥
তিনি শত কল্প ভোগ ভুঞ্জে তৈতে
যেন চতুৰ্ভুজ হৰি।

দুনাই শ্ৰেষ্ঠ দ্বিজ কুলত উপজে
গুণে নুহি তাক সৰি ॥১৮৯
সৰ্ব্বভূত হিত ৰত শান্ত দাতা
সতব্যাদী সৰ্ব্বজ্ঞান।
অন্তকালে সিয়ো মুকুতিক পাৱে
লভিয়া বৈষ্ণৱী জ্ঞান ॥
তাত পাছে মন্ত্ৰে সুভদ্ৰাক পূজি
প্ৰণামি কৰিব স্তুতি।
নমো ব্ৰহ্মগামী দেৱীক প্ৰণামো
দিয়োক মুখ্য মুকুতি ॥১৯০
কমললোচনী নমো কাত্যায়না
কৰা মোক পৰিত্ৰাণ।
বলোৰ ভগিনী সুভদ্ৰাক নমি
পাৱে বিষ্ণুলোকে স্থান ॥
এক কল্পমানে দেৱ যেন ক্ৰীড়ে
পাছে বিপ্ৰ হোৱে আসি।
অন্তকালে সিয়ো মুকুতিক পাৱে
বৈষ্ণৱ যোগ অভ্যাসি ॥১৯১

—ঃ০ঃ—

ঘোষা ॥ ৰাম গোপাল ত্ৰাহি প্ৰভু পশিলো শৰণে।
কত নিৱেদিবো দুখ তোমাৰ চৰণে ॥১৯

পদ ॥ বলো কৃষ্ণ সুভদ্ৰাক নমি ভক্তিভাৱে।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ সমস্তকে পাৱে ॥

কৃত্য কৃত্য হুয়া পাছে দৌলৰ বজাইব ।
বিষ্ণুৰ থানক নমি আউৰ স্থানে যাইব ॥১৯২
যৈতে আছে ইন্দ্ৰনীলময় বনমালী ।
গুপুত কৰিয়া তাঙ্ক ঢাকি আছে বালি ॥
সেহি ঠাইতো গৈয়া তাঙ্ক নমস্কাৰ কৰি ।
বিষ্ণুপুৰী পাৱে নৰে পুৰুষ উদ্ধাৰি ॥১৯৩
তহিতে আছন্ত নৰসিংহ ৰূপ হৰি ।
মহা ভক্তিভাৱে তাঙ্ক নমস্কাৰ কৰি ॥
নাহিকে সংশয় এড়াই পাতকসকল ।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ পাৱে চাৰি ফল ॥১৯৪
অনন্তক নমে গৈয়া মহা ভক্তি ভাৱে ।
পাপ ছাড়ি পৰম পদক সিয়ো পাৱে ॥
মঞি ইন্দ্ৰে পূজিলোহো ৰামে বিভীষণে ।
হেন অনন্তক আৰ সুপুজিবে কোনে ॥১৯৫
শ্বেত গঙ্গাজলে বিধিৰতে স্নান কৰে ।
পাছে শ্বেতমাধৱক দেখে যিটো নৰে ॥
মৎস্য মাধৱক গৈয়া হোৱে দৰিশন ।
অন্তকালে কৰে শ্বেত দ্বীপক গমন ॥১৯৬
পাছে চলি যাইব যৈতে আছে স্বৰ্গ দ্বাৰ ।
আলিঙ্গিয়া কাষ্ঠক কৰিব নমস্কাৰ ॥
দেখি উগ্ৰসেন গৈয়া সাগৰৰ তীৰ ।
বিষ্ণুক চিন্তিব তৈতে চিত্ত কৰি স্থিৰ ॥১৯৭
জলত নামিয়া পাছে অঙ্গন্যাস কৰি
পঢ়িব কৱচ মনে নাৰায়ণ স্মৰি ॥

তুমি নাৰায়ণ শঙ্খ চক্ৰ গদাপাণি ।
হেন চিন্তি উচ্চাৰিব ইটো মন্ত্ৰ বাণী ॥১৯৮
তুমি অগ্নি সমস্তে ভূততে শ্ৰেষ্ঠ তুমি ।
জীৱৰো ঈশ্বৰ অমৃতৰো জন্মভূমি ॥
নাথ তীৰ্থৰাজ কৰো তোমাক প্ৰণাম ।
হৰিয়ো পাতক দিয়া অভিমত কাম ॥১৯৯
হেন উচ্চাৰিয়া বিধিৰতে স্নান কৰে ।
তেৰেসে স্নানৰ সবে ফল পাৱে নৰে ॥
অন্তৰ্জলে নামি কৰি অৰ্ঘ মৰিষণ ।
তীৰত উঠিয়া পাছে পিন্ধিব বসন ॥২০০
সন্ধ্যা আচৰিব কৰি সূৰ্য্যক বন্দন ।
তিলে জলে বিধিৰতে কৰিব তৰ্পণ ॥
শৰীৰত থৈয়া তিল পিতৃক তৰ্পয় ।
ৰুধিৰ মাংসক সবে পিতৃত অৰ্পয় ॥২০১
জলে থাকি জলাঞ্জলি নিদিব ভূমিত ।
থলে থাকি জলত নিদিব কদাচিত ॥
জলত থাকিয়া কৰে থলত তৰ্পণ ।
ব্যৰ্থ হুই তাৰ নপাৱন্ত পিতৃগণ ॥২০২
দিব জলাঞ্জলি পৃথিৱীত পাড়ি কুশ ।
মহা তুষ্ট হোন্ত তেবে যতেক পুৰুষ ॥
ক্ষেত্ৰৰ মহিমা কহে কৃষ্ণৰ কিঙ্কৰে ।
বোলা হৰি ভস্ম হোক পাপ নিৰন্তৰে ॥২০৩

—:*:—

ঘোষা ॥ ৰঙ্গে ফাগু খেলে চৈতন্য বনমালী।
দুহাতে ফল্গুৰ গুগুা সিঞ্চন্ত মুৰাৰি ॥২০

পদ ॥ আছে যত নদী নদ তীৰ্থ পৃথিৱীত।
জ্যৈষ্ঠ মাসে আসে শুক্লা দশমী তিথিত ॥
প্ৰত্যেকে থাকন্ত তৈতে আসি দিন সাত।
স্নান দান কৰিলে অক্ষয় হোৱে তাত ॥২০৪
দশ পাপ হৰে পদে দশহৰা নাম।
তাত দেখে যি জনে সুভদ্ৰা কৃষ্ণ ৰাম॥
সমস্তে পাতক তাৰ হৰে মধিমুৰ।
অন্তকালে মহাসুখে পাৱে বিষ্ণুপুৰ ॥২০৫
উত্তৰাৰ্ক দক্ষিণাৰ্ক দিনা যিটো নৰে।
ৰাম-কৃষ্ণ সুভদ্ৰাক দেখন্ত সাদৰে ॥
প্ৰণাম কৰন্ত পড়ি হুয়া শুদ্ধ মতি।
সিয়ো বিষ্ণুলোকক আনন্দে কৰে গতি ॥২০৬
ফাল্গুনীত গোৱিন্দক তুলিয়া দোলত।
দোলযাত্ৰা কৰে মহোৎসৱ সিবেলাত ॥
তাত গোৱিন্দক যত্নে দেখে যিটো জনে।
গোৱিন্দৰ পুৰে সিয়ো বঞ্চে ৰঙ্গ মনে ॥২০৭
বিষুদিনা বিধিমতে পঞ্চ তীৰ্থ কৰি।
শুদ্ধমনে দেখয়ে সুভদ্ৰা ৰাম হৰি॥
সিয়ো জনে সমস্ত যজ্ঞৰ ফল পাইব।
পাতক নিস্তৰি বিষ্ণু ভুৱনক যাইব ॥২০৮
বৈশাখ মাসৰ শুক্লা তৃতীয়া তিথিত।
কৰাৱে চন্দন যাত্ৰা আতি বিপৰীত ॥

চন্দনে ভূষিত কৰি কৃষ্ণৰ শৰীৰ।
তাঙ্ক দেখি যাইব নৰ বিষ্ণুৰ মন্দিৰ ॥২০৯
মিলে জ্যৈষ্ঠে মাস জ্যেষ্ঠৰাশি ঋক্ষযোগে।
ক্ষেত্ৰক আসিবে নৰ পৰম উদ্যোগে ॥
উদ্ধাৰি একৈশ কুল তাসম্বে সহিতে।
মহা ৰঙ্গে বঞ্চে সিটো বিষ্ণুৰ পুৰীতে ॥২১০
যেৱে মহা জ্যেষ্ঠা মিলে নক্ষত্ৰ সংযোগে।
ক্ষেত্ৰক যাইবেক নৰ পৰম উদ্যোগে ॥
ৰাম-কৃষ্ণ সুভদ্ৰাক দেখিবে যতনে।
দ্বাদশ যাত্ৰাৰ ফল লভিব তেখনে ॥২১১
প্ৰয়াগ প্ৰমুখ্যে তীৰ্থ আছে যত মানে।
যেন ফল পাৱে তাসম্বাত স্নান দানে ॥
সূৰ্য্য গ্ৰহণতো যত পুণ্য নিৰন্তৰে।
পাৱে মহাজৈষ্ঠিত কৃষ্ণক দেখি নৰে ॥২১২
মহা সুখে একশত পুৰুষ উদ্ধাৰি।
বিষ্ণুলোকে ভুঞ্জে ভোগ্য কল্প সংখ্যা কৰি ॥
দুনাই দ্বিজ হুয়া কৰে বিষ্ণুত ভকতি।
বিষ্ণু যোগ লভি সাধে পৰম মুকুতি ॥২১৩
ব্ৰহ্মায়ে বোলন্ত শুনিয়োক মুনিগণ।
কহিলো তোমাত সবে ক্ষেত্ৰৰ লক্ষণ ॥
বুলিয়োক আৰ কিবা শুনিবাক বাঞ্ছা।
বোলা হৰি হৰি যাৰ বৈকুণ্ঠক ইচ্ছা ॥২১৪

—:*:—

ঘোষা ॥ জয় জগন্নাথ জগন্নাথ জগন্নাথ হৰি ।
নমো ৰাম জগন্নাথ জগন্নাথ হৰি ॥২১

পদ ॥ ব্ৰহ্মায়ে বোলন্ত ইন্দ্ৰদ্যুম্ন নৃপতিক ।
জানিবা উৰেষা সৰ্ব্বতীৰ্থতে অধিক ॥
ক্ষেত্ৰৰ মহিমা মানে কহিলো সকল ।
শুনা জগন্নাথ-নাম কীৰ্ত্তনৰ ফল ॥২১৫
জগন্নাথ নাম ইটো পৰম ৰহস্য ।
আক সদা লৱে যিটো কৰি মন বশ্য ॥
সিটো জনে অপ্ৰয়াসে ছিণ্ডে কৰ্ম্মবন্ধ ।
হাততে মুকুতি তাৰ নলাগে প্ৰবন্ধ ॥২১৬
শিৰত সাক্ষাতে কহি আছন্ত শ্ৰীহৰি ।
নাহি আন ধৰ্ম্ম জগন্নাথ নাম সৰি ॥
জগন্নাথ নাম যিটো সুমৰে সন্তত ।
ক্ষমিব তাহাৰ নিতে অপৰাধ শত ॥২১৭
জগন্নাথ নাম যিটো হেলায়ে উচ্চৰে ।
ব্ৰহ্মহত্যা আদি পাপ পলায় তাক ডৰে ॥
এড়িলে আচাৰ যিটো খাইলে জ্ঞানপুলি ।
বিষ্ণুত প্ৰৱেশে সিও জগন্নাথ বুলি ॥২১৮
জগন্নাথ নামৰ মহিমা কৈবো কত ।
মহা প্ৰসাদৰ আৰে শুনিয়ো মহত ॥
যত ফল পাৱে যজ্ঞ হোম তপ দানে ।
যেন ফল পাৱে তুলা পুৰুষ প্ৰদানে ॥২১৯
যেন ফল লভে ভুঞ্জাই ব্ৰাহ্মণ কোটিক ।
পাৱে মহাপ্ৰসাদ ভক্ষণে ততোধিক ॥

পিতৃ শ্ৰাদ্ধ দিনা আনি বিষ্ণুৰ অন্নক ।
ভক্তিভাৱে দেয় যিটো পিতৃ দেৱতাক ॥২২০
অন্নে পিণ্ডে দেয় যিটো তিল মিহলাই ।
কোটি কল্পমানে তৃপ্তি হোন্ত পিতৃ খাই ॥
মহা প্ৰসাদত যত্নে এড়িবা বিচাৰ ।
নাহি কিঞ্চিতেকে যেন ব্ৰহ্মত বিকাৰ ॥২২১
বিষ্ণুৰ নৈৱদ্য যত অন্ন পিঠা পনা ।
ভক্ষ্যাভক্ষ তাহাৰে বিচাৰে যিটোজনা ॥
হোৱে মন্দৰোগী তাক ভাৰ্য্যা পুত্ৰে এৰে ।
নাহিকৈ নিস্তাৰ ঘোৰ নৰকত পৰে ॥২২২
অন্ত্যবৰ্ণে হীনবৰ্ণে যিটো অন্ন ছোৱে ।
তাক ভুঞ্জি সমস্ত পাতকে মুক্ত হোৱে ॥
ছোৱা গঞ্জা বুলি যিটো অন্ন নখায় মোৰ ।
বিপদক পাৱে তাক কৰো দণ্ড ঘোৰ ॥২২৩
নাহি কাল নিয়ম ব্ৰতত দোষ নাই ।
পাইলে মাত্ৰ খাইবে অন্ন তেবে মোক্ষ পাই ॥
হৃদয়ত ৰূপ হৰি-নাম যাৰ মুখে ।
বিষ্ণুৰ নৈৱেদ্য উদৰত ভৰে সুখে ॥২২৪
পাদোদক নিৰ্ম্মাল্য সমস্তে থাকে যাৰ ।
বোলা হৰি হৰি সেই বিষ্ণু অৱতাৰ ॥
ভণিল শঙ্কৰে কৃষ্ণ-চৰণত ধৰি ।
পাতক ছাড়োক ডাকি বোলা হৰি হৰি ॥২২৫

॥ উৰেষা বৰ্ণনা সমাপ্ত ॥

—*•*—

## ত্রিংশাৎ ভাগ

# ভাগৱতৰ তাৎপৰ্য্য

—০ৼ০—

ঘোষা ॥ কৃষ্ণ-সূৰ্য্য ভৈলন্ত উদিত।
নাম ধৰ্ম্ম কৰিলা বিদিত ॥১

পদ ॥ সত্য যুগে প্ৰথমত ব্ৰহ্মা আদি দেৱ যত
হৰিনাম কৰিলা গুপুত।
কিনো দায়াময় হৰি নামক বেকত কৰি
কলি পাপ কৰিলা লুপুত ॥
যিটো মহা ম্লেচ্ছ জাতি সিও শুদ্ধ হোৱে আতি
মুখে মাত্ৰ হৰি নাম লয়।
কলিৰ ভয়ত গৈয়া নামত শৰণ লৈয়া
ৰহিল সমস্তে ধৰ্ম্মচয় ॥১
ইটো কলিকাল ঘোৰ পাপৰ নাহিকে ওৰ
আত হিত চিন্তিলা প্ৰজাৰ।
জগতৰে পাপ হৰে স্মৰণে নিস্তাৰ কৰে
হেন নাম কৰিলা প্ৰচাৰ ॥
দোষৰ সাগৰ কলি আত হৰি নাম লৈলি
ধৰ্ম্ম অৰ্থ পাৰে মোক্ষ কাম।
সমস্তকে দয়াতৰে আৰে দেৱ দামোদৰে
বিদিত কৰিলা হৰি নাম ॥২

মন্ত্র তন্ত্র যজ্ঞ যত তপ তীর্থ কোটি শত
হৰি নাম অধিক সবাতে।
কিনো ভাগ্য কিনো ভাগ্য হেন হৰি নাম লাগ
পাইলা লোক মুকত সাক্ষাতে॥
যিটো নাম নেৰে মুখে পাইলে মোক্ষ মহাসুখে
জানা কৃষ্ণ তুষ্ট ভৈলা তাৰ।
গুৰু ভৈলা জগতৰে কৰিলেক সিটো নৰে
কোটি কোটি পুৰুষ উদ্ধাৰ॥৩
পাতক শুকান বন হৰি নাম হুতাশন
ক্ষণেকতে দহি কৰে ছন্ন।
হেন নাম প্ৰচাৰিলা পাতকীক নিস্তাৰিলা
পৰম কৃপালু নাৰায়ণ॥
দেৱৰো ঈশ্বৰ হৰি তান্ত মহা যত্ন কৰি
লয়ো এক শৰণ সাক্ষাত।
যাৰ ইচ্ছা মোক্ষ পাইবে নলাগে দূৰক যাইবে
আছা হৰি সবাৰো হিয়াত॥৪
কৃষ্ণৰ কিঙ্কৰে কহে হৰি নামে পাপ দহে
ৰাম নাম সবাতো অধিক।
যিটো জনে নাম স্মৰে সকল পাতক হৰে
অনায়াসে পাৱে মুকুতিক॥
জগত নিস্তাৰ হেতু কৰিলা গৰুড় কেতু
ইবাৰ বিদিত হৰি নাম।
আয়ু যায় আলে জালে কেতিক্ষণে ধৰে কালে
নিৰন্তৰে বোলা ৰাম ৰাম॥৫

ঘোষা ॥ মাধৱ বান্ধৱ উদ্ধাৰা বাপ ।
কতনো সহিবো সংসাৰ তাপ ॥২

পদ ॥ বোলন্ত শুকে শুনা নৃপবৰ্য্য ।
বাঢ়য় স্কন্ধৰ যি তাৎপৰ্য্য ॥
কৃষ্ণ বিনে নাই অপৰ দেৱ ।
জানিয়া কৃষ্ণক কৰিয়ো সেৱ ॥৬
যাহাৰ আছে পুণ্য অসংখ্যাত ।
সিসে পাতে কাণ কৃষ্ণ কথাত ॥
সেহিসে কৃষ্ণক বোলে আপুন ।
শুনিয়ো কৃষ্ণ দেৱতাৰ গুণ ॥৭
ভকতে যত লৱে গুণ নাম ।
তাহাৰ মালা গান্থি অনুপাম ॥
পিন্ধন্ত কণ্ঠত কৰি উৎসৱ ।
হেনসে ভকত বন্ধু মাধৱ ॥৮
যি জনে যায় হৰি নাম সেৰি ।
পাছত ফুৰে যত দেৱ দেৱী ॥
সমস্ত তীৰ্থ তাক স্তুতি কৰে ।
তাৰ বায়ু পাপ সমস্তে হৰে ॥৯
যিটো জনে ফুৰে নাম উচ্চৰি ।
তাৰ পাছে পাছে ভ্ৰমন্ত হৰি ॥
বৎসক স্নেহে যেন ধেনু ধাৱে ।
ভজিয়ো জানি হেন হৰি পাৱে ॥১০
এক জনে যদি নাম সুমৰে ।
শুনে মানে পাপ সবাৰো হৰে ॥

হেনসে আশ্চৰ্য্য দেৱতা হৰি ।
যাহাৰ নাম লৈলে মাত্ৰ তৰি ॥১১
অনিচ্ছাতো যিটো বিষ্ণুক কহে ।
তাহাৰো সমস্তে পাতক দহে ॥
প্ৰেমে ভজে যিটো কৃষ্ণৰ পাৱ ।
কহিবো তাহাৰ কত প্ৰভাৱ ॥১২
সংসাৰ গৰ্ত্তে পৰি আছে লোক ।
মোহতে অন্ধ নেড়ায় দুঃখ শোক ॥
কাল ভুজঙ্গে দংশি লৱে প্ৰাণ ।
কৃষ্ণ বিনে কোনে কৰিবে ত্ৰাণ ॥১৩
যতেক দেখা খোজ সমুদায় ।
হস্তীৰ খোজত সবে লুকায় ॥
এহিমতে যত বিশ্ব সমস্ত ।
কৃষ্ণতে জানা সবে যায় অস্ত ॥১৪
অতি পাতকীও কৰি হৰিষ ।
ধিয়াৱে কৃষ্ণক এক নিমিষ ॥
ভৈল পুণ্যশালী সিও বিচিত্ৰ ।
বিচিত্ৰ কাৰীকো কৰে পৱিত্ৰ ॥১৫
সম্পদকো জানা নুহি সম্পদ ।
জানা আপদকো নুহি আপদ ॥
পৰম সম্পদ হৰি ভকতি ।
আপদ জানা হৰি বিৰকতি ॥১৬
মহাপাপী অতি অধম জাতি ।
তাকো নামে কৰে পৱিত্ৰ আতি ॥

হেনসে নাম ধৰ্ম্ম শিৰোমণি ।
পাপ অৰণ্যৰ যেন অগনি ॥১৭
কলিত পৰম উপায় নাম ।
একদায়ে সিজে ত্রিতয় কাম ॥
ওপজে পুণ্য পাপ হোৱে দূৰ ।
মিলে মহা মোক্ষ সুখ প্রচুৰ ॥১৮
কলিত লোকৰ মলিন মতি ।
নুপজয় আন পুণ্য সম্প্রতি ॥
নামেসে পৰম ধৰ্ম্ম কলিত ।
নামেসে মৰণ সম্বল বিত ॥১৯
হেন জানি তেজি বিষয় ধান্ধা ।
হৰিৰ নামক গলত বান্ধা ॥
কত পুণ্যে পাই মনুষ্য তনু ।
ইহাক বিফল নকৰা পুনু ॥২০
মোহ-নিদ্রা এড়ি লোৱা চেতন ।
হৰিৰ নামত কৰা যতন ॥
সত্বৰে কৰা পৰলোক কাম ।
ঘুষিয়ো ঘনে ঘনে ৰাম ৰাম ॥২১

॥ দ্বাদশ স্কন্ধ ভাগৱত সাৰ কীৰ্ত্তন সমাপ্ত

—০—

একত্ৰিংশাৎ ভাগ

# ঘনুচা কীৰ্ত্তন

—ঃঃ—

ঘোষা ॥ চলি যায় প্ৰভু জগন্নাথ
ঘুনুচা যাত্ৰা কৰি।
সমস্ত জগতে বেঢ়ি বেঢ়ি চাৰে
শকট উপৰে হৰি ॥১

পদ ॥ নমো জগন্নাথ চিত্ত স্থিৰ কৰি
কায় বাক্য সমুদায়।
যাৰ পাদ-পদ্ম চিন্তন্ত মাত্ৰকে
সংসাৰ বন্ধ এড়ায় ॥
হেন কৃষ্ণপাৰে অৱনত ভাৱে
প্ৰণামোহা বাৰ শত।
কৃষ্ণৰ বিজয় যাত্ৰা অতিশয়
বিৰচিব পদ যত ॥১
আষাঢ় মাসৰ শুক্ল তৃতীতায়
শুভক্ষণে বেলা পাই।
দৌল ছাড়ি হৰি ঘুনুচাৰ বাড়ী
চলিযান্ত যদুৰায় ॥
দুইদণ্ড নিশা আছন্তে যাদৱ
বাজ ভৈলা দৌল ছাড়ি।

দশোদিশে ছানি সৰ্ব্বলোকে জানি
দিলে নিশানত বাড়ি ॥২
কাছ পাড় কৰি মতা মতি কৰি
হুই সবে এক স্থান।
নানা অস্ত্র ধৰি উৎসুকে চলিলা
কৃষ্ণৰ ধৰি যোগান ॥
যতেক পৰিচা পাগুা নিৰন্তৰে
আনো যত নৰ-নাৰী।
যাত্ৰা সুমঙ্গল কৰিয়া আনন্দ
চলে লাস বেশ কৰি ॥৩
দধি দুগ্ধ ঘৃত লৈয়া পঞ্চামৃত
ঘট ভৰি ঠাৱে ঠাৱে।
দুৰ্ব্বাক্ষত সিঞ্চি ডালি ফুল দিয়া
যাত্ৰা সুমঙ্গল ভাৱে ॥
দৌল হস্তে তাত ঘনুচাৰ বাৰী
দিব্য ৰাজ আলি আছে।
সুগন্ধ চন্দনে ধূপ দীপ বস্ত্রে
আড়ি আছি দুয়ো কাষে ॥৪
দুশাৰী পথত তোৰণ পুতিল
থোকে আড়ি গুৱাফল।
নানা চিত্ৰ কৰি পথক নিৰ্ম্মিলা
কৰি যাত্ৰা সুমঙ্গল ॥
ৰজনী পুহাইল পূবে সাজ দিল
চৌভিতি সঞ্জ কোবায়।

শকটত চড়ি ঘুনুচাৰ বাড়ী
চলিযান্ত যদুৰায় ॥৫
লক্ষ্মীৰ সেৱক পাণ্ডাগুটি মাত্ৰ
অন্তেষপুৰত ৰৈলা।
যতেক পৰিচা পাণ্ডা নিৰন্তৰে
কৃষ্ণ সঙ্গে চলি গৈলা॥
দাইনে বলোভদ্ৰ মধ্যত সুভদ্ৰা
বামে চলে জগন্নাথ।
চৌভিতি আৱৰি জয়ধ্বনি কৰি
কোটি ব্ৰহ্মাণ্ডৰ নাথ ॥৬
নানা দিব্য নাৰী যাত্ৰা সিদ্ধ কৰি
ডালি ফল লৈয়া হাতে।
উৰুলি জোকাৰ উৎসৱ কৰিয়া
দুৰ্ব্বাক্ষত সিঞ্চে মাথে॥
কেহো পঞ্চামৃত সিঞ্চে দিব্য পুষ্প
বৰিষে শকট ভৰি।
জয় জয় ধ্বনি চৌভিতি ঘোষয়
যাত্ৰা মহোৎসৱ কৰি ॥৭
কাহালী মহৰী ঢাক ঢোল ভেৰি
অসংখ্য বাদ্য বজাই।
কৃষ্ণৰ কীৰ্ত্তন কৰিয়া উৎসুকে
ফাল্গু গুণ্ডি সিঞ্চি যাই॥
অসংখ্যাত লোকে শকট আজোড়ে
মুখে কৃষ্ণ-গুণ গাই।

পৰিচাসকলে ঠাকুৰৰ মাথে
শ্বেত ছত্ৰ ধৰি যায় ॥৮

কতো কতো সবে উৎসৱ কৰিয়া
মাধৱৰ চাপি কোল।
অল্প অল্প কৰি সুৱৰ্ণৰ দণ্ড
ধৰিয়া চামৰ ঢোল॥

পৰম আনন্দে নটী নৃত্য কৰে
চপয় পঢ়য় ভাটে।
জয় কৃষ্ণ বুলি হাত তুলি তুলি
উপৰক চাই ৰটে ॥৯

কৃষ্ণৰ কীৰ্ত্তন কৰিয়া উৎসুকে
চলিযান্ত নিৰন্তৰে।
যত নৰ-নাৰী কৃষ্ণক আবৰি
বিনান্ত নিৰন্তৰে ॥

কেহ শঙ্খ বায়ে মৃদঙ্গ বজায়ে
তাল কৰতাল ঠুকি।
ঊৰ্দ্ধবাহু হুয়া কৰে তাল ধৰি
কীৰ্ত্তন কৰে উৎসুকি ॥১০

সুগন্ধ জ্বালিয়া ধূপ হাতে লৈয়া
নাচে উপৰক চাই।
পৃথিবীৰ হন্তে উল্লাস কৰিয়া
যেন বৈকুণ্ঠক যাই ॥

কেহো আগ বাঢ়ে কেহো পাছে যায়
পৰম আনন্দ ভাৱে।

হতাহতি কৰি কেহো নৰ-নাৰী
ছলে সবে এক ঠাৱে ॥১১
ঘনে ঘনে দেয় উৰুলি জোকাৰ
ডাকে জয় কৃষ্ণ বুলি।
পাইলো পাইলো বুলি দেৱ নাৰী নাচে
উপৰক হাত তুলি ॥
যত ব্ৰতী যোগী সন্ন্যাসী ভিক্ষুক
নৰ-নাৰী যত প্ৰাণী ॥
কৃষ্ণৰ কীৰ্ত্তন বিনা কাৰো মুখে
নাহিকে লৌকিক বাণী ॥১২
গোৱিন্দ ভাৱকে কীৰ্ত্তন কৰন্তে
সৰ্ব্বলোকে গাৱে ছানি।
পৰম উৎসৱে স্বৰ্গকো লঙ্ঘিলে
কৃষ্ণৰ কীৰ্ত্তন ধ্বনি ॥
ঠক ঠক কৰি শকট চলয়
আঝোড়য় গোপদল।
কতো দূৰ গৈয়া ঠগ দিয়া ৰৈল
মাধৱৰ কৌতুহল ॥১৩
আঝোড় পিঝোড় শকট নলৰে
পৰ্ব্বত যেন গম্ভীৰ।
দেখিয়া পৰিচা সবে স্তুতি কৰে
অৱনত কৰি শিৰ ॥
নমো নাৰায়ণ সংসাৰ কাৰণ
নমো ব্ৰহ্মৰূপ হৰি।

যত চৰাচৰ সমস্ত সংসাৰ
আত্মৰূপে আছা ধৰি ॥১৪
নমো নিৰাকাৰ জগত আধাৰ
ভক্তৰ দেখা বিলাই।
আঝোড়ে পিঝোড়ে শকট নলৰে
তোমাৰ কৃপা বিনাই ॥
নমো কৃপাময় হুয়োক সদয়
দুঃখ হৈবে তেবে দূৰ।
এতেকে বোলন্তে শকট চলিল
ভৈল সবে বাঞ্ছা পূৰ ॥১৫
এহিমতে ৰথে প্ৰভু জগন্নাথ
চলি যান্ত শীঘ্ৰ কৰি।
মনক কৌতুকে পৰিচাসকলে
পুনঃ চলে ৰঙ্গ কৰি ॥
নানা ভঙ্গি ভাৱে হৰিগুণ গাৱে
পৰম আনন্দ কৰি।
ধৰ কন্দলি কহে কৃষ্ণকেলি
ডাকি বোলা হৰি হৰি ॥১৬

—ঃ০✻০ঃ—

ঘোষা ॥ জগন্নাথ হৰি নিয়ো দাস কৰি ॥২

পদ ॥ এহিমতে জগন্নাথ নিজ দোল ছাড়ি
কৌতুহলে চলিযান্ত ঘুমুচাৰ বাড়ী ॥

গোপগণে শকট আঝুড়ি নেই বলে ।
কীৰ্ত্তন কৰিয়া যায় পৰিচাসকলে ॥১৭

উৎসৱ কৰিয়া যায় প্ৰজা নিৰন্তৰ ।
আত অনন্তৰে প্ৰভু জগত ঈশ্বৰ ॥
বেলা ভৈল প্ৰহৰেক দেখি দেৱ হৰি ।
লাগি গৈল ক্ষুধা তনু কাম্পে তৰতৰি ॥১৮

ৰহিল শকটখান আগক নচলে ।
শৰীৰৰ বল দিয়া আঝোড়ে গোৱালে ॥
হেন দেখি জিজ্ঞাসিলা পৰিচাসকল ।
জানিলেক ফলাহাৰ বেলা আসি ভৈল ॥১৯

অনন্তৰে দধি মধু ঘনক্ষীৰ ঘৃত ।
দিব্য দ্ৰব্য চিনি চিৰা গুৰ পঞ্চামৃত ॥
আনো নানা ভোগ্যবস্তু আন উপহাৰ ।
আনন্দে কৃষ্ণক কৰাইলেক ফলাহাৰ ॥২০

সুৱৰ্ণ ভৃঙ্গাৰ দিয়া মুখ পখালিলা ।
কৰ্পূৰ তাম্বুল আনি মুখ শুদ্ধি দিলা ॥
ফলাহাৰ কৰি তুষ্ট ভৈলা দেৱ হৰি ।
চলিল শকটখান পুনঃ শীঘ্ৰ কৰি ॥২১

লৰৰা লৰৰি কৰি চলে প্ৰজাগণ ।
পৰম উৎসৱে কৰে কৃষ্ণৰ কীৰ্ত্তন ॥
এহিমতে চলিযান্ত জগত ঈশ্বৰ ।
দিবা অৱসানে পাইলা ঘুনুচাৰ ঘৰ ॥২২

যদ্যপি ঘুনুচাবাড়ী দণ্ড দুইৰ পথ।
তথাপি দিনেক তাত গৈলা জগন্নাথ॥
ইন্দ্রদ্যুম্ন ৰাজা পূৰ্ব্বে মহোৎসৱ কৰি।
কৃষ্ণক দৌলত নিয়া থাপিলা সাদৰি॥২৩

ঘুঞ্চা নামে জীউখানি সৰ্ব্ব সৌভাগিনী।
কৃষ্ণক দিলন্ত বিহা বিধিমতে আনি॥
সৰ্ব্ব সুলক্ষণী কন্যা গুণৰ চাতুৰা।
সাক্ষাতে ভৈলন্ত যেন লক্ষ্মী অৱতৰী॥২৪

কৃষ্ণৰ পৰম প্ৰিয়া ঘুনুচা সুন্দৰী।
তাহাৰ নগৰ ৰঙ্গে পাইলা দেৱ হৰি॥
আগবাঢ়ি কৃষ্ণক আনিয়ো এহি ঠাৱ।
শুনিয়া পৰিচাগণে কৰন্ত উৎসৱ॥২৫

নানা বস্তু লৈয়া আইলা যত নাৰী-নৰ।
বান্ধৱক আগবাঢ়ি চলিলা সত্বৰ॥
কেহো শুক্ল চামৰক লৈয়া শ্বেত ছত্ৰ।
পৰম উৎসৱে চলে লৈয়া দিব্য বস্ত্ৰ॥২৬

কেহো দধি ঘৃত মধু পঞ্চামৃত লৈয়া।
চলি গৈলা নৰ-নাৰী উৎসৱ কৰিয়া॥
হস্তী ঘোৰা শকট চলিলা বহুতৰ।
বাঘ ঘোঙ উট খৰ পশু নিৰন্তৰ॥২৭

আনো যত প্ৰাণী আছে ঘুনুচা নগৰ।
খীৰে সাধু যোগী ভিক্ষু প্ৰাণী নিৰন্তৰ॥

এহিমতে নানা লোক কৰি মহাৰঙ্গে।
বৃত্তি অনুৰূপে লোক চলি গৈলা সঙ্গে ॥২৮

অনন্তৰে দিব্য নাৰী যুৱতী নিঃশেষ।
অলঙ্কাৰ ভূষণে ভূষিত কৰি দেহ ॥
লৈয়া ফল ডালি ঘট কৰি সুমঙ্গল।
কৃষ্ণক বঢ়াইবে আগ চলিলা সকল ॥২৯

ৰাজ পথগোট লিপি সুগন্ধ চন্দনে।
পদূলিত ফুল আনি ৰুলে ৰঙ্গ মনে।
দুৰ্ব্বাক্ষত সিঞ্চি পূৰ্ণ ঘটক স্থাপিলা ॥
ওপৰত আমডালি পুষ্প শাৰী দিলা ॥৩০

এহিমতে আনো নানা কৰি সুমঙ্গল।
আগ বাঢ়িবাক প্ৰজা চলিলা সকল ॥
পৰম উৎসৱ কৰি হৰিগুণ গাই।
কৃষ্ণক কটক সব ভৈলা এক ঠাই ॥৩১

অনন্তৰে প্ৰজাগণ হুয়া এক থান।
উৎসৱে কৰিবে লৈলা কৃষ্ণৰ কীৰ্ত্তন ॥
বাৱে ঢাক ঢোল ভেৰি মৃদঙ্গ অপাৰ।
তাল কৰতাল শঙ্খ বিনাৱে নিশাৰ ॥৩২

খোল ৰুদ্ৰ বীণা কাশ বাৱে স্বৰ তুলি।
উৎসৱ কৰিয়া বাৱে জয় কৃষ্ণ বুলি ॥
জুমা জুমি কৰি গাৱে কৃষ্ণৰ কীৰ্ত্তন।
উৰুলি জোকাৰ ৰঙ্গে দেয় ঘনে ঘন ॥৩৩

ভকতিৰ প্ৰেমভাৰে কেহো নৃত্য কৰে।
চাপৰি চাপৰি কতো জুপি জুপি ফুৰে॥
লৰৰা লৰৰি কৰি হোৰে আগ পাছ।
উৎসুকে কীৰ্ত্তন কৰে ধৰি নানা কাছ॥৩৪

কেহো ধূপ দীপক জ্বালিয়া হাতে লয়।
ডেৰ পাৰি পাৰি ৰঙ্গে কীৰ্ত্তন কৰয়॥
সিঞ্চে কেহো ফাল্গু গুণ্ডি দূৰ্ব্বাক্ষত মাথে।
কীৰ্ত্তন কৰিয়া নাচে ওপৰক হাতে॥৩৫

এহিমতে প্ৰজাগণ হুয়া ৰঙ্গ মন।
উৎসৱ কৰিয়া কৰে কৃষ্ণৰ কীৰ্ত্তন॥
যতী ব্ৰতী যোগী ভিক্ষু আনো যত প্ৰাণী।
কৃষ্ণ-গুণ বিনে কাৰো নাহি আন বাণী॥৩৬

পৰম উৎসৱে কৰে কৃষ্ণৰ কীৰ্ত্তন।
কীৰ্ত্তনৰ ধ্বনি পাইলে ইন্দ্ৰৰ ভুবন॥
নাহি নুপজিবে হেন যাত্ৰাৰ উৎসৱ।
হেন জগন্নাথ প্ৰভু হুৱাছে উদ্ভৱ॥৩৭

অনন্তৰে পৰিচায়ে কৃষ্ণত জনাইলা।
আগ বাঢ়িবাক ঘুনুচাৰ পাণ্ডা আইলা॥
শুনি আতি মন ৰঙ্গ ভৈলা দেৱ হৰি।
চলিল শকটখান ঠক ঠক কৰি॥৩৮

চলিযান্ত জগন্নাথ হৰষিত মন।
উৎসৱে চলন্ত প্ৰজা কৰিয়া কীৰ্ত্তন॥

এহিমতে ৰঙ্গে ঢঙ্গে প্ৰভু নাৰায়ণ।
ঘুনুচাৰ দৌল গৈয়া পাইলা তাৱক্ষণ ॥৩৯

যত প্ৰজা গৈয়া পাছে কৃষ্ণৰ লগত।
সবাকো নিয়মি প্ৰভু থৈলা নগৰত ॥
পৰিচা সবক ৰঙ্গে লৈয়া অনন্তৰে।
পশিলন্ত জগন্নাথ দৌলৰ ভিতৰে ॥৪০

পাছে ঘুনুচাৰ পাণ্ডা পৰিচাসকলে।
কৃষ্ণক কৰিলা পূজা আতি কৌতুহলে ॥
ধূপ দীপ নৈবেদ্য সম্ভাৰ বহুতৰ।
ভোজনৰ বস্তু দিলা নানা ৰুচিকৰ ॥৪১

অনন্তৰে কৃষ্ণক পঞ্চা ভোগ দিলা।
দধি মধু পিঠা পৰমান্ন বিভঞ্জিলা ॥
ভোজনৰ অন্তে শয্যা দিলন্ত বিছাই।
আনন্দে থাকিলা প্ৰভু ঘুনুচাৰ ঠাই ॥৪২

পৰিচাৰ পাণ্ডা মানে গৈলা ঘৰে ঘৰে।
থাকিলন্ত জগন্নাথ দৌলৰ ভিতৰে ॥
ঘুনুচাৰ সঙ্গে ৰঙ্গে প্ৰভু দেৱ হৰি।
থাকিল অনঙ্গ বসে কৌতুকে মুৰাৰি ॥৪৩

এহিমতে মহা ৰঙ্গে প্ৰভু দেৱ হৰি।
সাত দিন বঞ্চিলন্ত ঘুনুচাৰ বাড়ী ॥
শুনিয়োক সাৱধান হুয়া সৰ্ব্বজন।
মহা মহোৎসৱ কৃষ্ণ যাত্ৰাৰ কীৰ্ত্তন ॥৪৪

জগন্নাথ পুৰাণৰ ইটো কথা সাৰ ।
পদবন্ধে নিবন্ধিলো কৰিয়া প্ৰচাৰ ॥
কৃষ্ণেসে পৰম বন্ধু জানিবা সতত ।
কৃষ্ণৰ চৰণ-পদ্ম চিন্তিয়ো মনত ॥৪৫

তেবেসে তৰিবা সুখে সংসাৰ সাগৰে ।
কলিযুগে নাহি গতি কীৰ্ত্তনত পৰে ॥
শ্ৰীধৰকন্দলি কহে এহি মূল কাম ।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥৪৬

ঘোষা ॥ জয় হৰি জগন্নাথ চৰণত শৰণ তোমাৰ
প্ৰভু হওঁ যেন সংসাৰৰ পাৰ ॥৩

পদ ॥ এহিমতে ৰঙ্গে ঢঙ্গে ঘুনুচা নাৰীৰ সঙ্গে
আনন্দে আছন্ত যদুৰায় ।
ছয়দিন বহি গৈলা ৰজনী প্ৰসন্ন ভৈলা
নাসিলন্ত যাদৱ দুনাই ॥
হেন দেখি লক্ষ্মীমাৱে মনে কৰি ক্ৰোধ ভাৱে
আদেশিলা পৰিচা সৱক ।
সাজিয়ো শকটখান কালিপুহা বিদ্যমান
যাইবো মই কৃষ্ণৰ পাশক ॥৪৭
যাইবো যাদৱাৰ পাশে আউৰ ঐক আসে নাসে
আষাৰেক মই পুছি চাওঁ ।
ঘুনুচা মাৱৰ ঘৰে ৰৌক পাছে দামোদৰে
লোকৰ মই দুৰ্যশ এড়াও ॥

এহিমতে লক্ষ্মীমাৱে মনত বৈৰাগ্য ভাৱে
পৰিচা সবক আদেশিলা ।
শুনিয়া পৰিচাগণে পৰম আনন্দমনে
ঝাণ্টে গৈয়া শকট জুড়িলা ॥৪৮
লৰড়া লৰড়ি কৰি সাত্তে পাঞ্চে হাত ধৰি
সাজিলন্ত শকট ত্বৰিত ।
ভোজনৰ বস্তু মানে থৈলা সবে থানে থানে
দধি মধু গুড় পঞ্চামৃত ॥
ৰজনী প্ৰসন্ন ভৈলা সঞ্চক কোবাইবে লৈলা
পূবে ভৈল অৰুণ উদয় ।
পৰিচাসকলে জানি শকট যোগাইলা আনি
কাছপাৰ কৰি অতিশয় ॥৪৯
হেন দেখি লক্ষ্মী সতী কাছপাৰ কৰি আতি
শকটত চড়ি তাৰক্ষণ ।
এতিক্ষণে ৰাজ বাটে শকট চলোক ঝাণ্টে
পৰিচাক বুলিলা বচন ॥
আছে মোৰ যত লোক ঐত নাথাকোক এক
চলিযান্ত সঙ্গতে আমাৰ ।
ঘুনুচা নগৰ আজি সমদলে যাইবো সাজি
নগৰক কৰিব উজাৰ ॥৫০
শুনিয়া পৰিচাগণে পৰম আনন্দ মনে
শকট চলাইলা সেহি ছেগে ।
চলিলন্ত লক্ষ্মী আই কিঞ্চিতকো শঙ্কা নাই
চলিলা শকট বায়ুবেগে ॥

ৰঙ্গ কৰি ঠাৰে ঠাৰে ঢাক ঢোল ভেৰী বাজে
কাহালী মহৰী কৰতাল।
চলি যায় সৰ্ব্ব নৰে লৰড়া লৰড়ি কৰে
ৰঙ্গে কতো নচুৱাৰৈ গাউল ॥৫১
হেৰা পাইলো পাইলো বুলি কৰি যায় হুলাহুলি
সৰ্ব্বলোকে পৰম আটোপে।
অনন্তৰে লক্ষ্মী আই পৰিচা সবক চাই
মাতিলন্ত মাধৱক কোপে ॥
দেখা দেখা সৰ্ব্বজনে বিচাৰ কৰিয়া মনে
কিনো দোষ দিবাহা আমাৰ
এক গোটা তিৰী পাই ভোল গৈলা যদুৰায়
এৰিলেক ঘৰ আপুনাৰ ॥৫২
ষোড়শ বৎসৰ মানে ভাৰ্য্যা নপাই একো থানে
ফুৰিলা বৰলা ভাত খাই।
উপায় কৰিয়া পাছে আসি যাদৱাৰ কাছে
মই পুনঃ ধৰিলো চপাই ॥
মই বিনা ৰক্ষা নাই তথাপিতো যদুৰায়
মোক মনে নপাইলেক গুণি।
টেটন যুৱাৰ নয় মোক আৰ নোসোধয়
ভাৰ্য্যা পাই নাগৰী টেটোনী ॥৫৩
টেটোনীৰ বিলক্ষণে মোক ভঙ্গাইবেক মনে
যাদৱক পিয়ালে ঔষধি।
আপুনাৰ দোল ছাড়ি গৈলা মোক পৰিহৰি
মায়াকৰ শুনিলেক বাণী ॥

যুৱাকাল বহি গৈল বল বীৰ্য্য টুটি গৈল
তথাপিতো তিৰীকেসে মন।
বুজালে যাদৰে হাক নুশুনয় মোৰ বাক
কিনো ভৈলা লুভীয়া টেটোন ॥৫৪
বেঢ়ি হাসে সামৰাজ তথাপি নাহিকে লাজ
কতনো শুনিবো খৰিয়াল।
যদি সবে দেখা ভাল আসৈ নাসে ততকাল
সবে আজি গুচাও জঞ্জাল ॥
কিন্তু লোকে হাসিবেক নুসুধিলে বুলি মোক
দম্ভ কৰিলেক তিৰী হুই।
এতেকেসে চলি যাও আসে নাসে পুছি চাও
সতিনীৰ মাথে দেওঁ জুই ॥৫৫
আজি গৈয়া লাগ পাইবো ঘুনুচাৰ মাথা খাইবো
কৰিবো উচিত যাদৱাৰ।
এহি বুলি যান্ত চলি দণ্ড ছয় ভৈল বেলি
নগৰৰ পাইল গৈয়া দ্বাৰ ॥
শুনিয়োক সৰ্ব্বলোক সুখে মোক্ষ সাধিয়োক
এড়ি দোষ কৰিয়োক কাম।
দুৰ্ঘোৰ সংসাৰ হেলি বৈকুণ্ঠক যাইবা চলি
নিৰন্তৰে বোলা ৰাম ৰাম ॥৫৬

—:০:—

ঘোষা ॥ যদুৰায় যদুৰায় কেনে আইলা।
দোলৰ বজাই যদুৰায় ॥৪

পদ ॥ যাদৱাত আতি কোপ অশেষ।
ভৈলন্ত দ্বাৰত লক্ষ্মী প্ৰৱেশ ॥
পৰিচায়ে দিলে বেতৰ বাড়ি।
পলাইলা দুৱৰী দুৱাৰ ছাড়ি ॥৫৭
শকটক ৰাখি লক্ষ্মী তৈতে ৰৈলা।
কটক মানে নগৰক গৈলা ॥
নগৰী সবে কৰে উসমিস।
ভয়তে গৈলা সবে দশোদিশ ॥৫৮
লৰৰা-লৰৰি কৰি পলাই।
লক্ষ্মীৰ কটকে খেদিয়া যাই॥
কতো দূৰ গৈয়া খেদিয়া ধৰে।
লক্ষ্মীৰ কটকে বেঢ়িয়া মাৰে ॥৫৯
ভুকু লাঠি কিল মাৰে চৰৱ।
হাতৰ এড়াই মাৰে লৰৱ ॥
পসাৰ পাতিয়া আছে পসাৰি।
সাতে পাঞ্চে গৈয়া বেঢ়িয়া ধৰি ॥৬০
বেতবাড়ি মাৰি তাইক খেদাই।
সমস্ত বস্তু লুৰি পুৰি যায় ॥
দুৱাৰ মাৰিয়া গৃহ সোমাই।
সোমাইবে নপাৰি বাৰ কোবাই ॥৬১
ছৱালি ধৰিয়া আস্ফালে তুলি।
কান্দিবে লাগিলা আই বাপ বুলি ॥

কোবায়া ভাঙ্গিল দধিৰ ভাণ্ড।
ঘুনুচা নগৰী কৰি লণ্ডভণ্ড ॥৬২
ভাল ভাল বস্ত্র লয়ে গোৱালে।
আঞ্চলে ধৰি কাৰো বস্ত্র ফালে ॥
লৰৰা লৰৰি কৰি পলাই।
নগৰ ছাড়িয়া দূৰক যায় ॥৬৩
পাইলে পাইলে বুলি উলটি চায়।
আড় হুয়া কতো ভুমুকিয়ায় ॥
প্ৰজাৰ বিপত্তি কি কৈবো আৰ।
সমস্ত নগৰ ভৈল উজাৰ ॥৬৪
পলাইবাক প্ৰজা নপাৰৈ ঠাই।
উপায় আবে চিন্তা যদুৰায় ॥
হেন শুনি পাছে ঘুনুচা নাৰী।
কৃষ্ণক মাতে ধীৰ ধীৰ কৰি ॥৬৫
নমো জগন্নাথ জগতপতি।
ভকত জনৰ তুমিসে গতি ॥
শুনিয়ো কমললোচন হৰি।
তাহান ভয়ে মই আছো ডৰি ॥৬৬
জানো লক্ষ্মী আসি দৌল সোমায়।
ডৰে যেন মোৰ ধাতু উৰায় ॥
লক্ষ্মীয়ে পাইলে কি ৰাখিবে মোক।
মাৰিবে ধৰি হস্থুয়াইবে লোক ॥৬৭
সমস্ত নগৰ কৰিবে ছন্ন।
পলায় সবে নৰ-নাৰীগণ ॥

প্ৰবোধি লক্ষ্মীকে দিয়ো পঠাই।
ঐকলাগি যেন নাসে ভুনাই ॥৬৮

শুনিয়া কৃষ্ণে চপড়াইয়া মাথ।
মাতিবে লৈলে প্ৰভু জগন্নাথ ॥
মাধৱে বোলে পৰিচাক বড়।
লক্ষ্মীৰ পাশক দিয়া লৰড় ॥৬৯

আমাৰ বচনে যাওক বজাই।
কিসক আসন্ত কোপে ইঠাই ॥
সমস্ত বস্তু থৈয়া আইলো ঘৰে।
আসি আছো মই একলশ্বৰে ॥৭০

কিয় লুৰি ছন্ন কৰে নগৰ।
কালি প্ৰাতে মই যাইবো ঘৰ ॥
মোহোক কিয় চান্ত কোপ কৰি।
দৌলক লাগি যাওক বাহুৰি ॥৭১

শুনিয়া পৰিচা গৈলা বজাই।
লক্ষ্মীৰ আগত মাতে বিনাই ॥
শুনিয়ো নৰ জগন্নাথ লীলা।
ৰাম-কৃষ্ণ বুলি বৈকুণ্ঠে চলা ॥৭২

—০[*]০—

**ঘোষা ॥ জয় জগন্নাথ পশিলো শৰণ**
**ৰঙ্গা পাৱে দিয়া ঠাই।**
**আৰু যেন মোৰ সংসাৰ সাগৰে**
**নহৌক জন্ম ভুনাই ॥৫**

পদ ॥ পৰিচায়ে শুনি পাছে কৃষ্ণৰ বচন।
লক্ষ্মীক ভেটিবে গৈলা পৰিচা তেখন ॥
দধি দুগ্ধ পঞ্চামৃত বিবিধ অপাৰ।
নৱনী মোদক ঘৃত লৈলা ভাৰে ভাৰ ॥৭৩
আথেবেথে পৰিচা ত্বৰিতে গৈলা ধাই।
লক্ষ্মীক প্ৰণাম কৰি মাতন্ত বিনাই ॥
অৱনত ভাৱ হুয়া কৃতাঞ্জলি হুই।
লক্ষ্মীক কৰিলা স্তুতি অৱনত হুই ॥৭৪
নমো লক্ষ্মীমাৱ তুমি হুয়োক সদয়।
তুমি জগতৰে আদি প্ৰকৃতি নিশ্চয় ॥
তোমাৰেসে সত্ব ৰজ স্তম তিন গুণ।
তুমি জগতৰে সৃষ্টি-স্থিতিৰ কাৰণ ॥৭৫
তোমাতেসে সমস্ত জগত হোৱে লয়।
তোমাৰেসে মূৰ্ত্তি যত প্ৰকৃতি নিশ্চয় ॥
তুমিসে ঈশ্বৰী আসি আছা অৱতৰি।
বিষ্ণুক আশ্ৰয়ী আছা মহা ৰঙ্গ কৰি ॥৭৬
তোমাক সৰ্ব্বদা বাঞ্ছা কৰে ব্ৰহ্মা হৰ।
তোমাৰেসে প্ৰসাদত জীৱ চৰাচৰ ॥
নমো লক্ষ্মী মাৱ তুমি হুয়ো শান্ত মন।
কোপ পৰিহৰি শুনা কৃষ্ণৰ বচন ॥৭৭
তোমাক লাগিয়া প্ৰভু মাতিয়া পঠাইলা
কি কাৰণে পদ্মা মোক কোপ কৰি আইলা ॥
সকল বস্তুক মই থৈয়া আইলো ঘৰে।
ঘুনুচাৰ বাড়ী লাগি আইলো একেশ্বৰে ॥৭৮

ধন ৰত্ন দৌল দিয়া আসিলো লক্ষ্মীক ।
কি কাৰণে লক্ষ্মী দেৱী খেদি আসে মোক ॥
ঘুনুচাক বিহা কৰি আছোহো নিশ্চয় ।
ঐক কি নাসিলে ভাল লক্ষ্মীয়ে জানয় ॥৭৯
অকাৰণে এতমান কৰয় আক্ৰোশ ।
ছন্ন কৰে নগৰ প্ৰজাত কিবা দোষ ॥
মোৰ বাক্যে এতিক্ষণে ক্ৰোধ পৰিহৰি ।
নগৰক লাগি লক্ষ্মী যাওক বাহুৰি ॥৮০
কালি প্ৰভাততে মই যাইবো সাৰে সাৰ ।
যায়োক উলটি লক্ষ্মী বাক্য ৰাখি মোৰ ॥
তোমাক লাগিয়া বস্তু পঠাই দিলা হৰি ।
হেন জানি লক্ষ্মী দেৱী কোপ ক্ষমা কৰি ॥৮১
পালটিয়া যায়োক মাৰ হুয়া ৰঙ্গ মন ।
শুনি দেৱী পৰিচাক বুলিলা বচন ॥
বস্তুৰ দুঃখিনী মোক যাদৱে জানিলা ।
এতেকেসে মোক লাগি দধি-মধু দিলা ॥৮২
যাদৱৰ বস্তুত মোহোৰ দয়া নাই ।
যাদৱৰ বাক্যে মোৰ গাৱ নুজুড়াই ॥
গুচি আইলা মোক স্নদা গৃহতে পেহ্লাই ।
আৰু যাদৱাত মোৰ কিবা আছে লাই ॥৮৪
যাইবাক নলাগৈ মোৰ গৃহক দুনাই ।
থাকন্তোক যাদৱ উত্তম ভাৰ্য্যা লই ॥
মাৰকৰ ঘৰত থাকোক দামোদৰ ।
চলি যাও আসা সবে আপোনাৰ ঘৰ ॥৮৪

সেনাগণ যাতি লৈলা মনে কোপ কৰি।
তেতিক্ষণে লড়িল ডবাত দিয়া বাড়ি॥
লক্ষ্মীৰ কটকে পাছে শুনি থাকে বেঢ়ি।
লগ ধৰিলেক পাছে আথেবেথ কৰি॥৮৫
চলি গৈলা লক্ষ্মী মাৰ দ্বাৰ পৰিহৰি।
নৃত্য গীত মহোৎসৱ বাদ্যভণ্ড কৰি॥
নগৰীয়া সৱে দেখি যেন ধাতু আইল।
দশোদিশ্ব হন্তে আসি নগৰ সোমাইল॥৮৬
কেহো বোলে এড়াইলোহো লৰড়ৰ বেগে।
কেহো বোলে সাৰিলোহো আমি মহা ছেগে॥
কতো বোলে মোৰ মাত্ৰ ভাঙ্গিলেক ঘৰ।
নিলেক সৰ্ব্বস্ব বুলি কান্দে কতো নৰ॥৮৭
কেহো বোলে লুৰিলেক মোৰ ঐত যাই।
কেহো বোলে মাৰিলেক মোক ঐত পাই॥
কেহো বোলে মোক নপাই মাৰিলে ছৱাল।
কেহো বোলে আজি মঞি এড়াইলোহো ভাল॥৮৮
কেহো বোলে মোৰ বস্তু নিলে এহি ঠাই।
চোৱা চোৱা বুলি কতো পিঠিক দেখায়॥
এহি বুলি নগৰীয়া ৰৈলা সেহি ঠাই।
দৌলক বাহুড়ি চলি গৈলা লক্ষ্মী আই॥৮৯
পৰম উৎসৱ কৰি অনেক সুন্দৰী।
দৌল লাগি আগ বাঢ়ি নিলেক আদৰি॥
দৌলত পশিয়া লক্ষ্মী আনন্দ মিলাইল।
যাদৱাক লাগিয়া পচিশ ভোগ দিল॥৯০

অনন্তৰে লক্ষ্মী গৈয়া ভোজন কৰিলা।
পদ্ম চিনি পিঠা পৰমান্নক ভুঞ্জিলা॥
পৰম উৎসৱে থাকিলন্ত সেহি ঠাৱ।
এহিমানে থৈলো কথা লক্ষ্মীৰ প্ৰভাৱ॥৯১

শুনা জগন্নাথ পাছে যি কৰ্ম্ম কৰিলা।
সপ্তম দিৱস তৈতে কৌতুকে বঞ্চিলা॥
অষ্টম দিৱস ভৈল প্ৰভাত সময়।
দোল লাগি চলি গৈলা প্ৰভু কৃপাময়॥৯৩

শুনিয়োক নৰ-নাৰী হুয়া একমন।
জগন্নাথ পুৰাণৰ কথা বিতোপন॥
নাৰদৰ আগে পূৰ্ব্বে ব্ৰহ্মায়ে কহন্ত।
জগন্নাথ যাত্ৰা ঘুনুচাৰ গৃহাগত॥৯৩

মাধৱৰ পাদ-পদ্ম চিন্তিয়া মনত।
মতি অনুসাৰে নিবন্ধিলো পদ যত॥
নিবন্ধিলো পদ শ্লোক অৰ্থ অৱগাই।
নকৰিবা নিন্দা মোক শাস্ত্ৰক নচাই॥৯৪

আনো শাস্ত্ৰ মত আনি মিশ্ৰ কৰি মাজে।
পদ্যাৰ্থে ৰচিলো যেবে বুজে সামৰাজে॥
শ্ৰীধৰ কন্দলী পদ কৰিল প্ৰচাৰ।
ৰাম-কৃষ্ণ বুলি তৰা দুৰ্ঘোৰ সংসাৰ॥৯৫

ঘোষা ॥ যাদৱ মাধৱ দেৱ দামোদৰ
তজু পাৱে লৈলো বাস।
পুনঃ নকৰা নৈৰাশ দিন কতিপয়
থাকি প্ৰভু চলি যাস ॥৬

পদ ॥ শুনা সৰ্ব্বজনে আত অনন্তৰে
যেন পাচ কথা ভৈলা।
কৃষ্ণৰ আদেশে লক্ষ্মী তাৰক্ষণে
দোল লাগি চলি গৈলা ॥
নগৰীয়াগণে হুয়া ৰঙ্গ মনে
থাকিয়া আপুন ঠাই।
জগন্নাথে ৰঙ্গে ঘুনুচাৰ সঙ্গে
থাকিলা আনন্দ হুই ॥৯৬
ঘুনুচাৰ আগে প্ৰভু জগন্নাথে
বুলিলা ৰঙ্গে বচন।
তুকি থাকা ঐত কালি প্ৰভাতত
মই যাবো নিজ থান ॥
ঘুনুচায়ে শুনি হেঠ মাথে গুণি
অসন্তোষে নম্ৰভাৱে।
গদগদ বাক্যে বুলিবে লাগিলা
মাধৱৰ ধৰি পাৱে ॥৯৭
নমো জগন্নাথ নকৰা অনাথ
মই যে বৰ দুঃখিনী।
দিন কতিপয় থাকা কৃপাময়
কৃপা কৰা যদুমণি ॥

নাহি পিতৃ আই নাহি মোৰ ভাই
সব গৈল পৰলোক।
ইসব সমস্তে তোমাৰ পাৰত
অৰ্পিয়া গৈলেক মোক ॥৯৮
তোমাৰ চৰণে এক চিত্ত মনে
পশিলো মই শৰণ।
তুমি তেজি যদি যাহা এতিক্ষণ
কাহাত জুড়াবো মন ॥
হেৰা আসো বুলি বৎসৰেক অন্তে
আসিলা মোৰ নগৰী।
টাটকীয়া যেন টাটক দেখায়া
কেনে যাহা পৰিহৰি ॥৯৯
নিষ্ফল জীৱন যিটো নাৰীগণে
স্বামীৰ নাহি মিলন।
সমস্তে কহয় ৰমণীৰ গতি
স্বামীৰ পদ অৰ্চ্চন ॥
নেড়িবো ইবাৰ চৰণ তোমাৰ
থাকা প্ৰভু এহিস্থান।
যদি মোক ত্যজি যাহা প্ৰভু তুমি
তেজিবো এথাতে প্ৰাণ ॥১০০
এড়ি গৈলে মোক হাসিবেক লোকে
ঘুনুচাক দুষ্টা জানি।
গৃহক আসিয়া গৈলাহা এড়িয়া
কি কাৰণে চক্ৰপাণি ॥

হেন বাণী বুলি ঘুচনুা সুন্দৰী
কৃষ্ণৰ পড়িয়া পাৰে ।
হুমহুমি কৰি কান্দিবে লাগিলা
মনে অসন্তোষ ভাৰে ॥১০১
নয়নৰ জলে তিয়াইলা সকল
প্ৰভুৰ দুই চৰণ ।
দেখি দেৱহৰি ঘুনুচাক ধৰি
বুলিলা মৃদু বচন ॥
মাধৱে বোলন্ত ঘুনুচা সুন্দৰী
এড়া অসন্তোষ ভাৱ ।
তুমি মোৰ জায়া আতি মোৰ দায়া
আসি আছো তযু ঠাৱ ॥১০২
লক্ষ্মীও যেনয় তুমিও তেনয়
নাহি কিছু ভিন্নাভিন ।
লক্ষ্মীৰ পাশত থাকো যেন মত
ঐত থাকো কতো দিন ॥
লক্ষ্মীৰ যতেক ধন জন গৃহ
সৰ্ব্বস্ব দৌল ভাণ্ডাৰ ।
আনো বস্তু যেন এহি নগৰত
সমস্ত আছে তোমাৰ ॥১০৩
সবাতো কৰিয়া তোমাকেসে স্নেহ
লক্ষ্মীতো কৰি অধিক ।
হেন জানি সতী হুয়ো শান্তমতি
অসন্তোষ কৰা কিক ॥

সাত দিন ভৈল দোল ছাড়ি আইলো
আমাৰ মন আকুলে।
উৰ বুৰ কৰি যাইবে লাগে মোৰ
ইহাত অকাৰ্য্য মিলে ॥১০৪
হুয়ো শান্ত-মন থাকা এহি স্থান
আসিবো মই ভুনাই।
কিন্তু এতিক্ষণে দোল লাগি যাও
সিটো মোৰ নিজ ঠাই ॥
আনো নানা মত বুলিলা বচন
ঘুনুচাক শান্ত কৰি।
প্ৰভাত সময় জানি কৃপাময়
গাৰ চালিলন্ত হৰি ॥১০৫
দেখি দশোদিশে পৰম হৰিষে
নিশানত দিলে বাড়ি।
শকটত চড়ি প্ৰভু গৈলা লড়ি
ঘুনুচাৰ পাশ ছাড়ি ॥
বলো সুভদ্ৰায়ে সহিতে যাদৱ
চলি যান্ত নিজ বাড়ী।
পৰম আনন্দে গোৰালে শকট
টানিবাক লৈলা ধৰি ॥১০৬
কৃষ্ণৰ সঙ্গত আছে প্ৰাণী যত
উৎসৱে কীৰ্ত্তন কৰে।
চলি গৈলা প্ৰভু শকটত চড়ি
আপোনাৰ নিজ ঘৰে ॥

বাদ্য ভণ্ড কৰি চলি গৈলা হৰি
ক্ষণমাত্ৰে যদুৰায় ।
দণ্ড চাৰি বেলা ভৈল মাত্ৰ গৈয়া
নগৰ পাইলা দুনাই ॥১০৭
প্ৰভু আসিবাৰ দেখিয়া আনন্দ
ভৈল সবে নৰ-নাৰী ।
পদূলি পদূলি তোৰণ পুতিল
থৈলা ডালি চাউল ভৰি ॥
উৰুলি জোকাৰ সিঞ্চে দুৰ্ব্বাক্ষত
ঘটৰ ওপৰে ফল ।
সকল প্ৰজায়ে হৰি হৰি ডাকে
কৰি জয় সুমঙ্গল ॥১০৮
এহিমতে পাছে প্ৰভু জগন্নাথে
উৎসৱ কৰিয়া যায় ।
দৌলৰ দ্বাৰত শকট সহিতে
গৈলা প্ৰভু যদুৰায় ॥
দৌলদ্বাৰ পাই শকটৰথাই
ৰৈলা তৈতে যদুপতি ।
নৰ-নাৰী যত পৰিচা সমস্ত
ৰহিলা বেড়ি চৌভিতি ॥১০৯
দেখিয়া দুৰৰী লড়ি তাৰক্ষণে
লক্ষ্মীত জনাইলা যাই ।
শুনা সৰ্ব্বজন কেদিন জীৱন
কেতিক্ষণে প্ৰাণ যায় ॥

নজানি অতিথি মিলিল দুৰ্গতি
কৃষ্ণ বিনে বন্ধু নাই।
এড়া আন কাম ডাকা ৰাম ৰাম
চলিয়ো বৈকুণ্ঠে ঠাই ॥১১০

—০—

ঘোষা ॥ নমো দয়াশীল জগত আধাৰ
দৈৱকী-নন্দন দেৱ।
তোমাৰ চৰণে পশিলো শৰণে
কৃপা কৰা প্ৰভু দেৱ ॥৭

পদ ॥ অনন্তৰে দ্বাৰী পাছে দ্বাৰ পৰিহৰি।
অভ্যান্তৰে চলি গৈয়া অতি শীঘ্ৰ কৰি ॥
লক্ষ্মীৰ আগত কথা কহে হেঁঠ মাথে।
দুৱাৰত ৰহিয়া আছন্ত জগন্নাথে ॥১১১
যেন লাগে মোক আজ্ঞা দিয়ো লক্ষ্মী আই।
শুনি দেবী মাতিলন্ত পৰিচাক চাই ॥
লক্ষ্মীয়ে বোলন্ত শুনা শুনা মোৰ বাক।
দ্বাৰ ছাড়ি আসিবাক নেদা যাদৱাক ॥১১২
যাদৱায়ে আসিবে নলাগে মোৰ ঠাই।
ঘুনুচাৰ বাড়ী লাগি চল্লোক দুনাই ॥
হেন শুনি পৰিচা ত্বৰিতে গৈলা চলি।
দ্বাৰত ৰহিল গৈয়া বান্ধিয়া শিকলি ॥১১৩
তাৰ পাছে প্ৰভু পৰিচাক আদেশিলা।
দ্বাৰ ছাড়ি দেহ বুলি দ্বাৰীক মাতিলা ॥

শুনি দ্বাৰী বলে লক্ষ্মী দিয়া আছে হাক।
দ্বাৰ মেলি দিবাক নোৱাৰা যাদৱক ॥১১৪
তাৰক্ষণে ঠাকুৰত জনায়োক যাই।
দ্বাৰী দ্বাৰ নেদে বাধিলেক লক্ষ্মী আই ॥
হে শুনি কৃষ্ণে পাছে কৰি হেঁঠ মাথ।
পৰিচাক আদেশ বুলিলা জগন্নাথ ॥১১৫
কহ গৈয়া লক্ষ্মী কিয় এত ক্ৰোধ কৰে।
দ্বাৰ মূলে ৰহি আছো মই নিৰন্তৰে ॥
দ্বাৰ মেলি দিয়োক যাও দোলৰ ভিতৰে।
ক্ষুধায়ে তৃষ্ণায়ে দুঃখে মোক আতি পীড়ে ॥১১৬
তাৰক্ষণে পৰিচা দোলক গৈলা চলি।
লক্ষ্মীৰ আগত কহে কৰি কৃতাঞ্জলি ॥
নমো নমো লক্ষ্মী মাৱ হুয়োক প্ৰসন্ন।
তোমাক লাগিয়া কৃষ্ণে বুলিলা বচন ॥১১৭
আঠ দিন ভৈল মই এড়ি গৈলো সঙ্গ।
তাতে লক্ষ্মী কিসক আমাক কৰে খঙ্গ ॥
দ্বাৰ ছাড়ি দিয়ো লক্ষ্মী কোপ পৰিহৰি।
অভ্যান্তৰে লাগি চলি যাও শীঘ্ৰ কৰি ॥১১৮
হেন শুনি পৰিচাক মাতে লক্ষ্মী মাৱ।
যাদৱাৰ বাক্যে মোৰ নুজুড়াই গাৱ ॥
কথাকো নকৈল মোক গৈল পৰিহৰি।
পৰম ভাৰ্য্যাক যেন পৰে যায় এড়ি ॥১১৯
যাদৱাৰ কথা মোত কহিবে নলাগে।
অন্য যিবা কথা আছে কহ মোৰ আগে ॥

মই বিনে যাদৱায়ে বঞ্চিবাক পাৰে।
যাদৱা নভৈলে দিন নযায় কি মোৰে ॥১২০
সুন্দৰী ৰমণী ভাৰ্য্যা পাইলন্ত যাদৱ।
আউৰ কি লাগিয়া আসিবন্ত মোৰ ঠাৱ ॥
ঘুনুচাৰ সম মই নোহো ৰূপৱতী।
নিলে সব মন হৰি নাগৰী যুৱতী ॥১২১
এতেকে আমাক ত্যজি গৈলন্ত আপুনি।
দ্বাৰকাত কত দুঃখ দিয়া আছে মনে ॥
শিশুকাল হন্তে যাদৱাৰ ধৰো আল।
তথাপিকো তান্ত মই নেবোলাইলো ভাল ॥১২২
আৰু তান ভাল বোলাইবেক কোন নাৰী।
ভাল বোলাইবেক পাৰে ঘুনুচা সুন্দৰী ॥
নচাও যাদৱাৰ মুখ নাসন্তোক হৰি।
ঘুনুচাৰ বাড়ী লাগি যায়োক বাহুৰি ॥১২৩
হেন বাক্য বুলি লক্ষ্মী মৌন হুয়া ৰৈলা।
শুনিয়া পৰিচা তাৱক্ষণে চলি গৈলা ॥
কোপ মনে লক্ষ্মী বুলিলন্ত যত বাণী।
ঠাকুৰৰ আগে সব কহিলা কাহিনী ॥১২৪
অশেষ কৰিলো মই লক্ষ্মীক প্ৰবোধ।
তথাপি লক্ষ্মীৰ মনে নপালান্ত ক্ৰোধ ॥
দ্বাৰ ছাড়ি তথাপি নেদন্ত লক্ষ্মী যাৱে।
বোলে বাহুৰিয়া যাউক ঘুনুচাৰ ঠাৱে ॥১২৫
লক্ষ্মীৰ বচন শুনি পাছে জগন্নাথ।
বড় লজ্জা হুয়া পাছে চপৰাইলা মাথ।

সৰ্ব্বজনে শুনিলে লক্ষ্মীৰ কোপ কাৰ্য্য।
নাহি মাত বোল সবে এৰিলেক বাগ্য ॥১২৬
ভৈলেক মধ্যাহ্ন কাল বেলা ষোল দণ্ড।
হৈল ঘোৰ মহাৰৌদ্ৰ মিলিল প্ৰচণ্ড ॥
ক্ষণো মেঘ দিয়া কৰে দেৱে বৰিষণ।
চাপিবাক থান নপাৰন্ত প্ৰজাগণ ॥১২৭
ক্ষুধায়ে তৃষ্ণায়ে পীড়া কৰে আতিশয়।
ৰৌদ্ৰতাপে পোৰে কতো বৃষ্টিত তিতয় ॥
মহা দুঃখ পায়া কতো প্ৰাণী বোলে বাক।
আৰেসে উছিত দণ্ড কৰে যাদৱাক ॥১২৮
যাহাৰ প্ৰসাদে ত্ৰৈলোক্যৰ সুখ হোৱে।
ব্ৰহ্মা মহেশ্বৰে যাক সৰ্ব্বদায়ে সেৱে ॥
কৰযোড় কৰি দেৱগণে আছে চাই।
আমাৰ পাশক লক্ষ্মী পুনঃ আসে ধাই ॥১২৯
তেৱেতো ঐশ্বৰ্য্য মহা হৈবেক আমাৰ
এহি বুলি দেৱগণে বাঞ্ছয় অপাৰ ॥
লক্ষ্মী বিনে সংসাৰত নাহিকে জীৱন।
লক্ষ্মী নভৈলত হোৱে ত্ৰৈলোক্য উচ্ছন ॥১৩০
হেনয় ভাৰ্য্যাক পায়া যদুৰায়।
তথাপিতো তাঙ্ক এৰি চলে অন্য ঠাই ॥
গাৱ নসহন্ত লক্ষ্মী মাৰে কৰে দণ্ড।
লক্ষ্মীত যে দোষ নাহি যাদৱাসে মন্দ ॥১৩১
হেন কথা অন্যো অন্যে সৰ্ব্বজনে কহে।
ক্ষুধায়ে তৃষ্ণায়ে দেহা কাহাৰো নৰহে ॥

পুনৰপি পৰিচাক পঠাইলা মাধৱে ।
তথাপিতো ক্ৰোধ ভাৰ নেড়ে লক্ষ্মী মাৱে ॥১৩২
ধাৰাৰ উপৰি ধাৰা দিলন্ত পঠাই ।
নাসন্তোক যাদৱা ৰোলন্ত লক্ষ্মী আই ॥
এহিমতে যাৱে তিনিপৰ বহি গৈলা ।
শুনিয়োক তাত পাছে যেন কথা ভৈলা ॥১৩৩
ঠাকুৰৰ পাশত সুভদ্ৰা বৰ নাৰী ।
ক্ষুধায়ে তৃষ্ণায়ে দুঃখ সহিতে নপাৰি ॥
মাতি আনি প্ৰবোধ কৰিলা পৰিচাক ।
শীঘ্ৰ কৰি পঠাই দিয়া লক্ষ্মীৰ পাশক ॥১৩৪
দ্বাৰ ছাড়ি দেওক লক্ষ্মী অভ্যন্তৰে যাও ।
ক্ষুধায়ে তৃষ্ণায়ে মই বৰ দুঃখ পাও ॥
হেন শুনি পৰিচা ত্বৰিতে গৈলা ধাই ।
লক্ষ্মীৰ আগত কথা কহন্ত বিনাই ॥১৩৫
সুভদ্ৰা মাতৃয়ে মোক দিলন্ত পঠাই
তোমাৰ ননন্দখানি দুঃখ বৰ পায় ॥
ইবেলিসে চলিগৈলো যাদৱৰ সঙ্গ ।
কি কাৰণে লক্ষ্মীৰ আমাক লাগি খঙ্গ ॥১৩৬
ৰৌদ্ৰত শুকাই কতো বৃষ্টিত তিতয় ।
ক্ষুধায়ে তৃষ্ণায়ে দেহা অধিকে দহয় ॥
বোলা মোক লক্ষ্মী শীঘ্ৰে দ্বাৰ দিউক মেলি ।
আপোন থানোক মই শীঘ্ৰে যাওঁ চলি ॥১৩৭
যেন লাগে প্ৰবোধ দিয়োক লক্ষ্মী আই ।
শুনি লক্ষ্মী মাতিলন্ত পৰিচাক চাই ॥

গালে হাত দিয়া লক্ষ্মী মাতিলন্ত পাছে।
সুভদ্রা ননন্দ তেহো দ্বাৰে ৰহি আছে ॥১৩৮
ননন্দখানি দুঃখ পাৱে সঙ্গে যাদৱাৰ।
ইকি কথা মোত কহি আছে একবাৰ ॥
আপুনিসে গৈল লড়ি যাদৱাৰ সঙ্গে।
ননন্দয়ে দুঃখ পাৱে যাদৱাত থঙ্গে ॥৩৯
সুভদ্রা পাইলেক দুঃখ দোষ ভৈল মোৰ।
দ্বাৰ ছাড়ি দিয়ো দ্বাৰী আসোক সত্বৰ ॥
শুনিয়া পৰিচা পাছে শীঘ্রে গৈলা চলি।
দ্বাৰীত কহিলা গৈয়া দ্বাৰ দিয়ো মেলি ॥১৪০
সুভদ্রাত জনাইলেক দ্বাৰ দিলা এড়ি।
শুনিয়া সুভদ্রা তাৰক্ষণে গৈলা লড়ি ॥
আপোনাৰ গৃহত পশিলা বিদ্যমান।
সুভদ্রাৰ কথা আৱে থও এহিমান ॥১৪১
অনন্তৰে বলোভদ্র বুদ্ধিত সুজান।
দেখন্তে গৈলন্ত সূৰ্য্য বেলা অৱসান ॥
কেন দুঃখ পাও মই বলোৱে বোলয়।
পঠাইলেক পৰিচাক লক্ষ্মীৰ আলয় ॥১৪২
কহ গৈয়া লক্ষ্মী মোক দ্বাৰ দেওক মেলি।
শুনিয়া পৰিচা তাৰক্ষণে গৈলা চলি ॥
লক্ষ্মীৰ আগত কথা কহিলা নিঃশেষ।
তোমাক লাগিয়া বলো মাতিল অশেষ ॥১৪৩
মোক কেনে যাইবাক নেদন্ত লক্ষ্মী আই।
মোৰ দোষ নাহিকয় যাদৱ বিনাই ॥

যাতি নিলা ঠাৱে ঠৱে গৈলো তান সঙ্গ ।
তাতে লক্ষ্মী মোত এতমান কৰে খঙ্গ ॥১৪৪
ক্ষুধায়ে তৃষ্ণায়ে তনু কাম্পে আতি মোৰ ।
যত দুঃখ পাইলো পৃথিৱীৰ অগোচৰ ॥
দ্বাৰ ছাড়ি দিয়োক মই দৌল লাগি যাওঁ ।
ঘোৰ বাত-বৃষ্টিত মই বৰ দুঃখ পাওঁ ॥১৪৫
পৰিচাৰ বাক্য হেন শুনি লক্ষ্মী মাৱে ।
গালে হাত দিয়া বসিলন্ত লজ্জা ভাৱে ॥
কিনো মই নাৰী মন্দ বোলাইলো জগতে ।
যাদৱাৰ গুণে দুঃখ পাইল জেঠালতে ॥১৪৬
মই আজি লজ্জা পাইলো যাদৱাৰ গুণে ।
জেঠালতো মোক ভাল নুবুলিবে মনে ॥
যিহৌক সিহৌক পাছে দ্বাৰ দিয়ো মেলি ।
বলোত জনাইলা কথা কৰি কৃতাঞ্জলি ॥১৪৭
তোমাক যাইবাক দ্বাৰ দিলা লক্ষ্মী মাৱ ।
শুনি বলোভদ্ৰ ভৈল আনন্দিত ভাৱ ॥
তাৱক্ষণে বলোভদ্ৰ গৈল অভ্যন্তৰ ।
থাকিলন্ত বলোভদ্ৰ আপোনাৰ ঘৰ ॥১৪৮
বলোভদ্ৰ কথা আবে এহিমানে থও ।
শুনা আতপৰে কথা যেন ঠান কও ॥
অনন্তৰে মনে বিমৰিষি যদুৰায় ।
পুনৰপি পৰিচাক দিলন্ত পঠাই ॥১৪৯
শীঘ্ৰ বেগে পাণ্ডা গৈয়া হুয়া অৱনত ।
কৰপুট কৰি কহে লক্ষ্মীৰ আগত ॥

লক্ষ্মীকেসে দিয়া গৈলো যত ধনবিত ।
তথাপিতো মোক কোপ কৰে বিপৰীত ॥১৫০
দিন বেলা গৈল ভৈল সূৰ্য্য অৱসান ।
ক্ষুধায়ে তৃষ্ণায়ে মোৰ যেন ফুটে প্ৰাণ ॥
দ্বাৰ ছাড়ি দেওক লক্ষ্মী নকৰি আক্ৰোশ ।
ইবাৰ জানিবে সবে মোৰ ভৈল দোষ ॥১৫১
আউৰ গৃহ ছাড়ি মই নযাওঁ নযাওঁ ।
শুনিয়ো পৰিচা এবে কথা এক কৈয়ো ॥
এহিবাৰ কথা যদি সত্য নপাই মোৰ ।
আৰোবাৰ গৈলে মোক নেদিবে দুৱাৰ ॥১৫২
এহিমতে পৰিচাক দিলন্ত পঠাই ।
দ্বাৰ ছাড়ি প্ৰভুক দিয়োক লক্ষ্মী আই ॥
হেন শুনি লক্ষ্মী মাৰে বুলিলা বচন ।
যাদৱায় মোক আবে দিয়া গৈল ধন ॥১৫৩
মুখত মধুৰ তান কপট হৃদয় ।
বচনেক কৈলে মুখে ধন নাহি হয় ॥
চৈত্ৰ মাসে তান ভাই গোৱিন্দ ঠাকুৰ ।
পুষ্প চোৰ পড়ি গৈলা মালীয়াৰ ঘৰ ॥১৫৪
তাঙ্ক দণ্ডি কৰি তিনি শত টকা লৈলা ।
মোক নেদি সিটো টকা কাক লাগি নিলা ॥
পৰিচায়ে বোলে আই তুমি মহাভাগী ।
প্ৰভু বোলে তাক থৈছো লক্ষ্মীক যে লাগি ॥১৫৫
লক্ষ্মী বোলে যদি মোক লাগি থৈয়া আছে ।
দিয়া পঠায়োক নপাইবোহো পাছে ॥

তাৰক্ষণে পৰিচায়ে কৃষ্ণক জনাইল।
তোমাক লাগিয়া প্ৰভু এক কথা কৈল ॥১৫৬
গোবিন্দ প্ৰভুক চোৰ পায়া স্বৰূপত।
বন্দি কৰি লৈয়া আছে টকা তিনি শত ॥
মোক লাগি দিয়ে যদি প্ৰভু সিটো ধন।
শুনি হাস্য কৰি প্ৰভু বুলিলা বচন ॥১৫৭
লক্ষ্মীকেসে লাগি তাক থৈয়া আছো সাচি।
লক্ষ্মী বিনে আন মোৰ কোন প্ৰিয়া আছি ॥
হাচটি মেলিয়া পাছে টকা তিনি শত।
তাৰক্ষণে বাকি দিলা ৰূপৰ থালত ॥১৫৮
লক্ষ্মীক দিয়োক বুলি আদেশ কৰিলা।
আথেবেথে পৰিচা লক্ষ্মীৰ হাতে দিলা ॥
লক্ষ্মাৰ আগত থৈয়া মাতন্ত বিনাই।
ধন দিয়া মোক পঠাইলন্ত যদুৰায় ॥১৫৯
ধন দেখি হাস্য কৰিলন্ত লক্ষ্মী মাৰে।
ইটো ধন মোক লাগি থৈয়াছে যাদৱে ॥
ঠাকুৰৰ বাক্য সত্য পায়া একবাৰ।
দোল লাগি আসন্তোক ছাড়ি দিয়ো দ্বাৰ ॥১৬০
শুনি ৰঙ্গে পৰিচা ত্বৰিতে গৈলা চলি।
দ্বাৰীত জনাইলা গৈয়া দ্বাৰ দিয়ো মেলি ॥
ঠাকুৰত বাৰ্ত্তা গৈয়া দুৱৰী জনাই।
তোমাক যাইবাৰ আজ্ঞা দিলা লক্ষ্মী আই ॥১৬১
হেন শুনি ঠাকুৰৰ আনন্দ মিলিল।
দশোদিশে শুনি প্ৰজা আনন্দ কৰিল ॥

নানা বাদ্য ভণ্ড কৰে প্রজা যে সকল।
দশোদিশে ছানি কৰে জয় সুমঙ্গল ॥১৬২
উৰুলি জোকাৰ ৰঙ্গে দেই ঘনে ঘন।
পৰিচাসকলে কৰে কৃষ্ণৰ কীৰ্ত্তন ॥
সন্ধ্যা সময়ত কৰি অনেক উৎসৱ।
দৌলৰ ভিতৰ গৈয়া পাইলন্ত মাধৱ ॥১৬৩
আসিলন্ত প্রভু লক্ষ্মী দেখি হাস্য কৰি।
খেদ ছাড়ি আগবাঢ়ি প্রভুক সাদৰি ॥
নিজ থানে থৈলা নিয়া অনেক আশ্বাসে।
মহাৰঙ্গে লক্ষ্মী দেৱী কৃষ্ণক উপাসে ॥১৬৪
বাৱন্ন পঞ্চাশ ভোগ দিলা ভাৰে ভাৰে।
পৰম কৌতুকে ভোগ ভুঞ্জিলা যাদৱে ॥
পৰিচাৰ পাণ্ডামানে গৈলা স্থানে স্থানে।
দৌলত থাকিলা প্রভু আতি ৰঙ্গ মনে ॥১৬৫
জগন্নাথ পুৰাণৰ ইটো কথা সাৰ।
নিবন্ধিলো পদ অৰ্থ কৰিয়া বিচাৰ ॥
শুনা নৰ নাৰী লোক আন কাম হেলি।
ঘুনুচাৰ সঙ্গে যাদৱাৰ যাত্ৰা কেলি ॥১৬৬
কৃষ্ণ বিনে গুৰু গতি দাতা নাহি আন।
এক চিত্তমনে কৰা হৰিপদ ধ্যান ॥
হৰিভক্তি বিনে আয়ু যায় আলে জালে।
উপায় নাপাইবা কেতিক্ষণে ধৰে কালে ॥১৬৭
কলিকালে অল্প আয়ু পাইলে সব নৰ।
ছকুড়ি শতেক ষষ্ঠি পঞ্চাশ বৎসৰ।

আতপৰে কলিত অধিক আয়ু নাই ।
পাতকৰ বলত ইহাৰো ক্ষয় যায় ॥১৬৮
এহি ছয় ভাগে আয়ু কলিকালে লেখা ।
টুটি চাৰি যায় মনে ধৈৰ্য্য ধৰি দেখা ॥
যেতিক্ষণে মাতৃগৰ্ভে শৰীৰক ধৰে ।
আয়ু টুটন্তেসে যায় মনত নধৰে ॥১৬৯
এহিমতে আয়ু যায় সমস্ত লোকৰ ।
শৰীৰ বাঢ়ন্তে যায় হৰিষ সবাৰ ॥
মাৱৰ গৰ্ভত যেতিক্ষণে লৱে ঠাই ।
সেহিক্ষণ হন্তে আয়ু টুটন্তেসে যায় ॥১৭০
দিন পক্ষ মাস ভেদ যেবে গণি চাৱে ।
দশ মাস দশ দিনে গৰ্ভৰ বজাৱে ॥
দিনে দিনে কায় বাঢ়ে দুৰ্ঘোৰ সংসাৰ ।
এহিমতে আছে জানা মৰণৰ ডৰ ॥১৭১
এড়ি আন বৃথা কথা হুয়ো শুদ্ধমতি ।
সততে কৰিয়ো আত্মা কৃষ্ণত ভকতি ॥
নমো নাৰায়ণ তযু চৰণ যুগল ।
ইবাৰঁ আমাৰ জন্ম নকৰা বিফল ॥১৭২
নজানো তোমাৰ স্তুতি মই মূঢ়মতি ।
নকৰা বঞ্চিত প্ৰভু ইবাৰ সম্প্ৰতি ॥
দুখৰ কৰুণানিধি কৃপাৰ সাগৰ ।
মই দুঃখিতক কৃপা কৰা দামোদৰ ॥১৭৩
যেনমতে তৰো ইটো দুৰ্ঘোৰ সংসাৰ ।
পুনু যেন জন্ম মৃত্যু নাহিকে আমাৰ ॥

এহিমানে কৃপাকৰা প্ৰভু দেৱহৰি।
নমো নমো কৃষ্ণ তযু চৰণত ধৰি ॥১৭৪
শ্ৰীধৰ কন্দলী কহে কৃষ্ণৰ বিজয়।
আক এক মনে যিটো শুনয় ভণয় ॥
কৃষ্ণৰ বিজয় ইটো শুনা ৰঙ্গ মনে।
ৰাম-কৃষ্ণ বুলি চলা বৈকুণ্ঠ ভুৱনে ॥১৭৫

॥ ঘুনুচা কীৰ্ত্তন সমাপ্ত ॥

# নাম-খোয়া

# নাম-ঘোষা

—০:•:০—

## ভজন

### ছবি

মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
রসময়ী মাগোঁহো ভকতি।
সমস্ত-মস্তক-মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি ॥ ১

যাৰ ৰাম-কৃষ্ণ- নাম- নাৱে ভৱসিন্ধু তৰি
পাৱে পৰমম্পদ পাপী যত।
সদানন্দ সনাতন হেনয় কৃষ্ণক সদা
উপাসা কৰোঁহোঁ হৃদয়ত ॥ ২

---

(১) নিস্পৃহ—আসক্তি শূন্য। ৰসময়ী—ৰসযুক্ত, ৰসে ভৰা। সমস্ত মস্তকমণি—সকলোৰে মস্তকৰ মণি-স্বৰূপ, সৰ্ব্বশ্ৰেষ্ঠ। ভকতি—ভক্তি ; ই নবিধ :—শ্ৰৱণ, কীৰ্ত্তন, অৰ্চ্চন. বন্দন, দাস্য, সখিত্ব, স্মৰণ, পদসেৱা আৰু আত্মনিবেদন। মুক্তি—পাঁচ বিধ যেনে :—সালোক্য, সামীপ্য, সাযুজ্য, সাৰূপ্য আৰু লীন বা নিৰ্ব্বাণ।

(২) ভৱসিন্ধুতৰি—জন্ম-মৃত্যুৰ হাত সাৰি, মুক্তি লাভ কৰি। পৰম্পদ—শ্ৰেষ্ঠপদ, বৈকুণ্ঠ, মুক্তি। সনাতন—চিৰস্থায়ী, অনন্তকাল থকা, পৰমব্ৰহ্ম। সদানন্দ—সদা প্ৰফুল্ল, মহাদেৱ। কৃষ্ণ—[কৃষ্—পৃথিৱী ণ—আনন্দ] সকলো প্ৰকাৰ আনন্দ দিওঁতা।

## নমস্কাৰ

মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলীৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোঁহো প্ৰণাম ॥ ৩

## উপদেশ

একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠক পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত ॥ ৪
অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন ॥ ৫
কৰ্ম্মত বিশ্বাস যাৰ হিয়াত থাকন্তে হৰি
আতিশয় দূৰ হোন্ত তাৰ।
দূৰতো বিদূৰ হোন্ত তাৰ ॥
অহঙ্কাৰ থাকন্তেও সাক্ষাতে কৃষ্ণক পাৱে
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ ॥ ৬
যিটো জনে শুদ্ধভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।

(৫) অব্যক্ত—অপ্ৰকাশিত, লুকাই থকা, অতি সূক্ষ্ম। ঈশ্বৰ—সকলোতকৈ বৰ, স্বামী। ব্যাপকত—সৰ্ব্বত্ৰ বিৰাজিত।

হৰিৰ প্ৰসাদে সিটো বিপ্ৰিৰ মুগুত ভৰি
দিয়া হৰি গুণ গায়া নাচে ॥ ৭
সকল নিগম লতা তাৰ অবিনাশী ফল
কৃষ্ণনাম চৈতন্য স্বৰূপ।
সুমধুৰ সুমঙ্গল শ্ৰদ্ধায়ে হেলায়ে লৈয়া
নৰ মাত্ৰ তৰে ভৱকূপ ॥ ৮
যিটো জনে কৃষ্ণ কথা বিচাৰে সময়ে মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ স্নান দান দেৱ-পিতৃ যজ্ঞ যাগ
যোগাদিৰো ফলক পাৱয় ॥ ৯
যাৰ পুত্ৰ সবে ঐত হৰিত শৰণ লৈয়া
হৰি-গুণ গায়ে শুদ্ধভাৱে।
দধি দুগ্ধ ঘৃত মধু নদীৰ জলক পিয়া
পিতৃগণে তৃপিতিক পাৱে ॥ ১০
সেহিসে সকল শাস্ত্ৰ পঢ়িলে শুনিলে সি সি
অনুষ্ঠান সমস্তে কৰিল।
নিৰাশা ঈশ্বৰ কৃষ্ণ তাহাঙ্ক সমুখ ভৈল
আশাক যিজনে পিঠি দিল ॥ ১১
অপৱিত্ৰ যিটো আতি পবিত্ৰ হোৱে বা যদি
সমস্তে অৱস্থা আছা পায়া।

---

(৭) শুদ্ধ—পবিত্ৰ, বাসনাৰ চেকা নথকা। শুদ্ধভাৱে—বিষয়ৰ ভাৱনা এৰি অকপট ভাৱে।

(৮) নিগম—বেদাদি শাস্ত্ৰ। চৈতন্য—চেতনা, সংজ্ঞা। কৃষ্ণ নাম চৈতন্য স্বৰূপ—ভগবানৰ নামেই ব্ৰহ্ম। ভৱ-কূপ—সংসাৰৰূপ-গাঁত।

কমললোচন যিটো স্মৰে তাৰেসে শুদ্ধ
বাহিৰে ভিতৰে হোৱে কায়া ॥ ১২

সেহিসে চতুৰ যিটো পুণ্যৰ নিদানভূত
নাৰায়ণ নামক স্মৰে ।
অচতুৰ সিটো অতি পাপৰ নিদানভূত
নামে অৰ্থবাদ যিটো কৰে ॥ ১৩

মহেশ বোলন্ত মোৰ ৰকাৰাদি নাম শুনি
পৰম প্ৰসন্ন হোৱে মন ।
শুনিয়ো পাৰ্ব্বতী মঞি মনত শঙ্কাঞোঁ ৰঙ্গে
ৰাম বুলিবেক ইটো জন ॥ ১৪

কৰ্ণ-পথে ভকতৰ হিয়াত প্ৰৱেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয় ।
জলৰ যতেক মল যেহেন শৰতকালে
স্বভাৱতে নিৰ্ম্মল কৰয় ॥ ১৫

হুয়া দেৱ দিগম্বৰ ভস্মে বিভূষিত অঙ্গ
শিৰত ধৰিয়া জটা ভাৰ ।
মহেশ সেৱন্ত যাক হেন কৃষ্ণ বিনে আন
কোন শ্ৰেষ্ঠ দেৱ আছে আৰ ॥ ১৬

ব্ৰহ্মা আদি দেৱগণে নিশ্চল সম্পত্তি মনে
লক্ষ্মীক সেৱন্ত তপ কৰি ।

---

(১২) অপবিত্ৰ—অশুচি, আচাৰ ভ্ৰষ্ট । অৱস্থা—দশা ।
(১৩) নিদান—কাৰণ । অৰ্থবাদ—অৰ্থ লৈ তৰ্ক, নিন্দা ।
(১৪) শঙ্কাঞোঁ—আন্দাজ কৰোঁ ।
(১৫) ভকত—অনুৰক্ত সেৱক । দুৰ্ব্বাসনা—আত্মজ্ঞান বিৰোধী ভাৱ ।
(১৬) দিগম্বৰ—বিবস্ত্ৰ, উলঙ্গ, মহাদেৱ ।

লক্ষ্মীয়ো সেৱন্ত যাক যেন মহেশ্বৰ বিষ্ণু
আন কোন দেৱ তাঙ্ক সৰি ॥ ১৭
সমস্ত বেদান্ত সাৰ মহা ভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।
পৰম সন্তোষে পান কৰিলে যিজনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই ॥ ১৮
মহা ভাগৱত ৰস মাধৱৰ নাম যশ
আক পান কৰিলে যিজনে।
কৃষ্ণৰ চৰণে চিত্ত দিয়া মোক্ষ আদি ৰসে
ৰতি আন নকৰয় মনে ॥ ১৯
কৃষ্ণৰ নামক সদা কীৰ্ত্তন কৰয় যিটো
মনে দৃঢ় কৰিয়া নিশ্চয়।
নিষ্কাম হোক বা যদি সকাম হোৱয় তাক
কদাচিতো কলি নবাধয় ॥২০
চাণ্ডাল পৰ্য্যন্ত কৰি জগতৰ উপকাৰী
নাহি নাম-গুণ বিনে আন।
সেহিসে কাৰণে হৰি নিজ যশ প্ৰিয় ভৈল
ভগৱন্ত ভকতৰ প্ৰাণ ॥২১
যিহেতু চৈতন্যপূৰ্ণ পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।

---

(১৭) নিশ্চল—অচল, সদায় থকা।
(১৮) যশ—মাহাত্ম্য।
(২০ কলি—মিছা, বেশ্যা, এলাহ, নিদ্ৰা, শোক।

তাতেসে ইন্দ্ৰিয়গণ ভূত প্ৰাণ বুদ্ধি মন
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি ॥২২
ৰাম-কৃষ্ণ-হৰি-ৰাম সৰ্ব্ব-ধৰ্ম্ম অনুপাম
সকল নিগম তত্ত্ব সাৰ
যাত পৰে ধৰ্ম্ম নাহি আৰ।
হেন নাম সুস্মৰি কমন ভাৰসা কৰি
ৰৈয়া আছা ভৱ তৰিবাৰ ॥২৩
বিষ্ণু পাদোদক গঙ্গা মহেশে সহিতে ইটো
জগতকে পবিত্ৰ কৰয়।
হেন কৃষ্ণে বিনে কোন ভগৱন্ত হেন ইটো
শবদৰ স্বৰূপ আছয় ॥২৪
পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম সিংহ
প্ৰকাশ কৰয় আতি বড়ে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তীচয়
পলায় আতি ত্ৰাসত লৱড়ে ॥২৫
আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু
আপুনি আপোন ৰাখে মাৰে।
হৰিক নভজি নৰ আপুনি হোৱয় নষ্ট
হৰি ভজি আপোনাক তাৰে ॥২৬
দুৰ্ল্লভ মনুষ্য তনু লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।

---

(২২) ভূত—মাটি, পানী, তাপ, বায়ু, আৰু আকাশ।
(২৫) ত্ৰাস—ভয়।

সন্তৰ সঙ্গত বসি সুখে হৰিগুণ গায়া
সন্তোষ অমৃত পান কৰা ॥২৭
হৰি নাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তনে কৰন্তে হোৱে সিদ্ধি ॥২৮

## শঙ্কা

বিষয় সম্বন্ধ সুখ সমস্ত যোনিতে পায়
হৰি সেৱা একো স্থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱল মনুষ্য তনু
জানি ফুৰা হৰি গুণ গাই ॥২৯
মৃত্যুৰ মুখত পৰি আছে যিটো সিটো নৰে
হৰি গুণ কীৰ্ত্তন নকৰে।
মৃত্যু তৰিবাৰ জানা নাহিকে উপায় আন
হৰিনাম কীৰ্ত্তনত পৰে ॥৩০
মৃত্যু তৰিবাৰ আন আছয় উপায় যত
বিঘিনি দূষিত নিৰন্তৰে।
বিঘিনি ৰহিত যত মাধৱৰ গুণ কৰ্ম্ম
কীৰ্ত্তন কৰিয়া সুখে তৰে ॥৩১
লুব্ধমতি মনুষ্যৰ হৰি-কীৰ্ত্তনত পৰে
নাহিকে ৰহস্য বিত্ত আৰ।

---

(২৯) সমস্ত যোনি—সকলো জন্ম।

আন আশা পৰিহৰি মাধৱক মনে ধৰি
হৰিৰ কীৰ্ত্তন কৰা সাৰ ॥৩২

শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জনসকল।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল ॥৩৩

শুনা সভাসদচয় নেৰিবা শাস্ত্ৰৰ নয়
হৰিগুণ ভাগৱত সাৰ।
সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ ॥৩৪

বৈৰাগ্যত পৰে ভাগ্য নাহি প্ৰবোধত পৰে
সুখ আৰ নাহি পুৰুষৰ।
হৰি বিনে পৰিত্ৰাণ কৰ্ত্তা আৰ নাহি জানা
ৰিপু নাহি সংসাৰত পৰ ॥৩৫

লক্ষ্মীপতি ভগৱন্ত যাহাৰ প্ৰসন্ন ভৈল
তাহাৰ দুৰ্ল্লভ কিছু নাই।
নাৰায়ণ পৰ ভৈলে তথাপি কিঞ্চিতো আন
নবাঞ্ছয় সেৱা-সুখ পাই ॥৩৬

কৃষ্ণৰ হৃদয় চাৰু লক্ষ্মীৰ নিবাস স্থান
মুখ নয়নৰ পান পাত্ৰ।

---

(৩২) ৰহস্য—গূঢ়তত্ত্ব। বিত্ত—ধন। সূক্ষ্মমতি—সুভীয়া।
(৩৪) নয়—মত।
(৩৫) বৈৰাগ্য—সংসাৰৰ প্ৰতি অনাসক্তি।

দিকপাল সমস্তৰ আশ্ৰয় কৃষ্ণৰ বাহু
ভকতৰ পাদ-পদ্ম মাত্ৰ ॥৩৭

পৰম ঈশ্বৰ দেৱ কৃষ্ণক নপায় লাগ
তপ জপ যাগ যোগ দানে।
একান্ত ভক্তৰ পদ ৰেণু শুদ্ধ চিত্তে মাথে
অভিষেক নকৰয় মানে ॥৩৮

গ্ৰাম্য কথা বিনাশন উত্তম শ্লোকৰ গুণ
প্ৰসৰয় সাধুৰ সঙ্গত।
তাক অনুদিনে যিটো সেৱে তাৰ সতী মতি
হোৱে বাসুদেৱ চৰণত ॥৩৯

সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছনে নোহয় দুৰ্দ্দিন।
হৰি কথা অমৃতৰ সম্যকে আলাপ ৰসে
যিটো দিন হোৱয় বিহীন ॥৪০

আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সতত পায়
নপায় জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাত ॥৪১

---

(৩৭) চাৰু—অসাধাৰণ, সুন্দৰ।

(৩৮) ৰেণু—ধূলা। অভিষেক—ৰাজপদ গ্ৰহণৰ বাবে স্নানাদি অনুষ্ঠান। ইয়াত ভক্তৰ পদধূলি মূৰত লোৱা। (৩৯) গ্ৰাম্যকথা—বিষয় ভাৱৰ কথা। উত্তমশ্লোকৰ—ভগৱন্তৰ। সতী—অকপট, শুদ্ধ।

## নিন্দা

নাৰায়ণ হেন ইটো শৰদ আছন্ত মুখে
বশৱৰ্ত্তী বচন আছয় ।
তথাপি অদ্ভুত কিনো ঘোৰ নৰকত মজি
মলমতি মনুষ্য মৰয় ॥৪২
তৰ্ক শাস্ত্ৰ মহাব্যাঘ্ৰী তাহাত নিপুণ পতি
তাৰ শিষ্য ভৈল পুত্ৰ প্ৰায় ।
সংসাৰ বনত পশি পতি-পুত্ৰ সমন্বিতে
উপনিষৎ-ধেনু ধৰি খায় ॥৪৩
সৰ্ব্ব শ্ৰুতি শিৰোৰত্ন ভাগৱত বনমাজে
হৰিনাম সিংহ প্ৰকাশয় ।
তাৰ মহাধ্বনি শুনি নিজ পৰিবাৰ সমে
তৰ্কব্যাঘ্ৰী পলায় হুয়া ভয় ॥৪৪
স্মৰহ গোবিন্দ মূঢ় বোলহ গোৱিন্দ মূঢ়
ভজহ গোৱিন্দ সৰ্ব্বক্ষণে ।
মৰণ সময় পাইলে গোৱিন্দেসে ৰাখিবন্ত
নৰাখিবে "ডুকৃঞ" কৰণে ॥৪৫
ঈশ্বৰ কৃষ্ণক যিটো অন্য দেৱতাৰ সম
বোলয় অধম মূঢ়মতি ।
চৌৰাশী নৰক ভুঞ্জি পাপৰ যোনিত যিটো
অৱশ্যে হুইবেক উৎপতি ॥৪৬

---

(৪২) নৰকত মজি—সংসাৰত ডুব গৈ । মলমতি—পাপমতি ।
(৪৪) শ্ৰুতি—বেদ ; কাণে কাণে চলি অহা কথা । শিৰোৰত্ন বেদৰ সাৰ ভাগ ;

মায়া আদি কৰি যত সমস্ত জগতে জড়
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এড়ি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ ॥৪৭
তপ জপ তীৰ্থ ব্ৰত যাগ যোগ যজ্ঞ দান
কাকো নুসুমৰে মৃত্যুবেলা।
যৱন্তা জনক বেঢ়ি বোলে সবে ৰাম বোল
হেন নামে এতিক্ষণ হেলা ॥৪৮
পৰলোক সময়ৰ বান্ধৱ হৰিৰ নাম
সবে এৰি যিহেতু সুমৰে।
এতিক্ষণে কি কাৰণে হেনয় হৰিৰ নাম
মলমতি নৰে নুসুমৰে ॥৪৯
দুৰ্ঘোৰ সংসাৰ ইটো ব্যাধিৰ ঔষধ মহা
তেজি হৰি নামক সম্প্ৰতি।
কমন উপায়ে আন পণ্ডিত সকলে আৰে
লভিবেক আপোন মুকুতি ॥৫০
লভিয়া মনুষ্য তনু যিসব পণ্ডিত নৰে
নসাধিলে গতি আপোনাৰ।
কোটি জনমক লাগি সংসাৰ সাগৰে মজি
ফুৰিবেক ভুঞ্জিয়া নিকাৰ ॥৫১
গোৱিন্দক নাৰাধিয়া কোন কালে কদাচিত
সুখী হুয়া আছে কোন জন।

---

(৪৯) বান্ধৱ—লগৰীয়া, সম্বল। (৫০) দুৰ্ঘোৰ—ভয়লগা।

হেন শিক্ষা মনে ধৰি ডাউকে বোলয় সদা
'কোবা কোবা' কোবাক্য বচন।
শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।
তাহাঙ্ক নজানি নৰে জীৱিকাৰ অৰ্থে ফুৰে
আপোনাৰ মহত্ব বখানি ॥৫৩

শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি।
তাঙ্ক এৰি কি কাৰণে আনক বোলয় গুৰু
কিনো লোক মহা মূঢ়মতি ॥৫৪

নজানে শাস্ত্ৰৰ লয় যেহি আসে তাকে কয়
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই তথাপিতো ফুৰিয়া লোকৰ মাজে
মান্য সতকাৰ খুজি লয় ॥৫৫

বচনে কেৱলমাত্ৰ হৰিত শৰণ লয়।
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নহয় ॥৫৬

আগম নিগম তৰ্ক পুৰাণ ভাৰত যত
ইতিহাস তন্ত্ৰ মন্ত্ৰচয়।

---

(৫২) কোবা কোবা—ডাউক চৰাই কৰা শব্দ। কোবাক্য—কুবাক্য, কোনজন।

হে হৰি তোমাতেসে খেলায়ে কেৱল বাদ
তোমাৰ তত্ত্বক নজানয় ॥৫৭
ঐশ্বৰ্য্য ভোগৰ মদে মত্ত হুয়া ঈশ্বৰত
পৰাঙ্মুখ ভৈল যিটো জন।
যেন জীৰ্ণ গাই অতি দুৰ্ঘোৰ সংসাৰ মহা
পঙ্কে পৰি হোৱয় মগন ॥৫৮
হৰিনাম ধ্বজা কৰি বেদ পথ পৰিহৰি
ফুৰে অতি পাষণ্ডসকল।
ইহ পৰলোকে ভ্ৰষ্ট হুয়া পেট পুষি মাত্ৰ
ফুৰিবেক পৰম নিশ্খল ॥৫৯

## প্ৰাৰ্থনা

হে ভগৱন্ত গুৰু তযু পদে মন মোৰ
যিকালত স্থিতিক লভয়।
তোমাৰ কৃপাত তেৱে সমস্তে সাধন-শ্ৰম
এৰাই সুখী হুইবোহো নিশ্চয় ॥৬০
হে প্ৰভু নৰহৰি তোমাৰ চৰণ দুইক
প্ৰেমভাৱে স্মৰণ দুৰ্ল্লভ।
যথা কথঞ্চিৎৰূপে অহৰ্ন্নিশে প্ৰভু মোৰ
সুমৰণ হউক সুলভ ॥৬১
হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ সাগৰ হৰি
কৃপা দৃষ্টি চাহিয়োক মোক।

---

(৫৭) আগম—তন্ত্ৰ শাস্ত্ৰ। (৫৮) মদ—অহঙ্কাৰ। (৫৯) ধ্বজা—পতাকা, চিন। নিশ্খল—নিলোজ ক্ৰুৰ।

সহজ বাসনাৰূপে শৰণ দিয়োক নাথ
মোৰ অহঙ্কাৰ দূৰ হৌক ॥৬২
নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন
নমো দেৱ দৈৱকী দায়াদ।
পৰম অনাথ আমি তোমাৰ চৰণে নমি
মাগো প্ৰভু ভকতি প্ৰসাদ ॥৬৩
ব্ৰহ্মা হৰ পুৰন্দৰ আদি দেৱ নিৰন্তৰ
যাত সদা পশয় শৰণে,
আৰ আন নাহি ত্ৰিভুৱনে।
ভকত জনৰ বন্ধু কেৱল করুণাসিন্ধু
মোৰ গতি তোমাৰ চৰণে ॥৬৪
মায়াৰ নিগ্ৰহে মই পৰম আতুৰ ভৈলো
প্ৰাণ যদুপতি জীৱন যদুপতি।
অনাথৰ নাথ হৰি তুমি কৃপাময় বিনে
মোৰ আৰ নাহি আন গতি ॥৬৫
হে প্ৰভু ভগৱন্ত ইটো সংসাৰত যত
আছে পাপী তাৰ মই সীমা।
চৰণে থাপিও মোক পতিত পাৱন নিজ
দেখায়োক নামৰ মহিমা ॥৬৬
তোমাত বিমুখ হৰি হৈবাক দেখিয়া মায়া
মোৰ মতি কৰিলে মোহিত।

---

(৬৩) দায়াদ—ধনভাগী, পুত্ৰ। প্ৰসাদ—অনুগ্ৰহ।
(৬৫) নিগ্ৰহ—পীড়া।

এবে হৰি তযু পদ সেৱাত যিমতে ৰহোঁ
হেন কৃপা কৰিতে উচিত ॥৬৭

নমো নমো নাৰায়ণ প্ৰসন্ন হুয়োক হৰি
কৰিয়োক মায়াক নিৰ্য্যাণ।
আপোনাৰ মহিমাক আপুনি বেকত কৰি
জীৱক কৰিয়ো পৰিত্ৰাণ ॥৬৮

তোমাৰ মায়ায়ে হৰি কপট গুণক ধৰি
মুহিয়াছে আমাক সমুলি।
গুচায়োক মায়া স্বামী তোমাৰ চৰণে আমি
ভজিলোহোঁ জয় জয় বুলি ॥৬৯

মই অনাথক দয়া কৰহু পৰমানন্দ
দাস বুলি ধৰিয়ো মনত;
থৈয়ো নিজ ভৃত্যৰ সঙ্গত ॥

আঙ্গুলি মুখত কৰোঁ দান্তে তৃণ তুলি ধৰোঁ
কেশ ছিণ্ডি দেওঁ চৰণত ॥৭০

অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলো শৰণে,
আন গতি নাহিকে মৰণে।
অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি
মোক ৰক্ষা কৰিয়ো চৰণে ॥৭১

---

(৭৩) বিনোদ—আমোদিত কৰা, আনন্দদায়ক।

## অনু প্ৰাৰ্থনা

তোমাৰেসে অবিদ্যায় আমাক মুহিলে হৰি
নজানোহো তোমাৰ তত্ত্বক ॥
তোমাৰ চৰণে হৰি শৰণ পশিয়া সাৰ
কৰিলোহো তোমাৰ নামক ॥৭১
হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত ॥৭৩
তযু গুণ নাম হৰি কেৱল নিৰ্গুণ মাত্ৰ
কৰিলোহো সাৰ কৃপাময় ॥৭৪

## মহিমা

কৃষ্ণ পদ পঙ্কজৰ সেৱাৰ মহিমা কথা
শুনি বৰ আনন্দ মিলয়।
যাৰ ভকতৰ সঙ্গে সৰ্ব্ব পুৰুষাৰ্থ শিৰে
চৰি আতি কৌতুক কৰয় ॥৭৫
যদি ভৱ-ভয় ভঙ্গে মনে ইচ্ছা কৰা ভাই
সাধুসঙ্গ সদা কৰা সাৰ।

---

(৭৫) পঙ্কজ—পদ্ম। পুৰুষাৰ্থ—ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ;

একক্ষণ মানে মাত্র কেৱল সাধুৰ সঙ্গে
হোৱে নাও ভৱ তৰিবাৰ ॥৭৬
হৰি কীৰ্ত্তনৰ মহা আনন্দ সুখক আশে
কতো কতো সব মহাজনে।
মুকুতি সুখকো তেজি মহন্ত জনৰ সঙ্গ
খোজে আতি কৃষ্ণৰ চৰণে ॥৭৭
কিন্তু ইটো মহা ধৰ্ম্ম মাধৱৰ জন্ম কৰ্ম্ম
বেদে যাৰ নজানে মহিমা।
হৰিনাম কীৰ্ত্তনত মিলে মোক্ষ আদি যত
কীৰ্ত্তন সুখৰ নাহি সীমা ॥৭৮
মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তন ৰস
মঙ্গলৰো পৰম মঙ্গল।
এতেকেসে মুকুতিকো ত্যজি হৰি গুণ গায়া
ফুৰে মহা মহন্তসকল ॥৭৯
পৰম নিপুণসবে বুজিয়া শাস্ত্ৰৰ তত্ত্ব
হৰি পদ পঙ্কজে ভজিয়া।
হৰি কীৰ্ত্তনৰ মহা নিৰ্ভয়ে আনন্দে মজি
থাকে সুখে মুকুতি তেজিয়া ॥৮০
গোৱিন্দৰ নাম গুণ কীৰ্ত্তন কৰন্তে জানা
কিঞ্চিতেকো নাহিকে প্ৰয়াস।
গুণলব্ধ প্ৰভু হৰি কীৰ্ত্তন কৰন্তে আসি
হৃদয়ত হোৱন্ত প্ৰকাশ ॥৮১

---

(৭৬) ভব—সংসাৰ। ভয়—সংসাৰ ভয়।

যিসব চতুৰ নৰে মাধৱৰ নাম গুণ
কীৰ্ত্তন কৰন্ত সাৱধানে।
দেৱৰো দেৱতা হৰি তাহাৰ হৃদয় এৰি
যাইবাক নপাৰে আন থানে ॥৮২

যিটো দেৱ ভগৱন্ত বেদে যাক নজানন্ত
তেন্তে নিজ কীৰ্ত্তনত বশ্য।
জানি মাধৱৰ নাম কীৰ্ত্তন কৰিয়ো সদা
ইটো সৱে শাস্ত্ৰৰ ৰহস্য ॥৮৩

হৰি ভক্তি সৰোবৰে সন্তোষ অমৃত জলে
কৃষ্ণ পাদ-পদ্ম প্ৰকাশয়।
ৰাম নাম ৰাজহংস ছানিয়া আৱাৰ কৰে
শুনি আতি কৌতুক মিলয় ॥৮৪

সমস্তে তীৰ্থত স্নান কৰিলেক সৰ্ব্ব যজ্ঞ
দীক্ষিত ভৈলক যিটোজন।
সমস্ত দানৰ ফল সি সি জনে পাইল আতি
যিটো কৰে হৰিৰ কীৰ্ত্তন ॥৮৫

মাধৱে বোলন্ত মোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
সদায়ে স্মৰে যিটো জনে।
জল হন্তে যেন পদ্ম নৰকৰ পৰা তাক
আপুনি উদ্ধাৰো ৰঙ্গমনে ॥৮৬

যদ্যপি দুৰ্জ্জন কলি হৰিৰ ভকতি পথ
কৰিলেক বিৰল প্ৰচাৰ।
একান্ত শৰণে যিটো শ্ৰৱণ কীৰ্ত্তন কৰে
ওচৰো নচাপে কলি তাৰ ॥৮৭

পৰম পুৰুষ হৰি পৰম কাৰণ প্ৰভু
পৰম ঈশ্বৰ ভগৱন্ত।
সদানন্দ সদাশিৱ সত্য সনাতন হৰি
জয় জয় অচিন্ত্য অনন্ত ॥৮৮

## আত্ম-উপদেশ

হে জিহ্বা সদা তোৰ মধুৰেসে মাত্ৰ প্ৰিয়
জান তই ৰসৰ সাৰক।
আন তেজি নিৰন্তৰে কৰিয়োক মাত্ৰ পান
নাৰায়ণ নাম অমৃতক ॥৮৯
হে জিহ্বা সদা তই আমাত নিৰ্দ্দয় ভৈলি
কেনে নোবোলস ৰাম বাণী।
সংসাৰ সাগৰে ইটো হৰিসে সুহৃদ নাও
জানি হৰি বুলিয়ো কল্যাণী ॥৯০
হে কৰ্ণ সদা তোৰ শৱদেসে মাত্ৰ প্ৰিয়
তই শব্দ মধুৰ জানস।
কোটি অমৃততোধিক পৰম মধুৰ শব্দ
শুনা সদা কৃষ্ণ নাম যশ ॥৯১
হে মন তোৰ কাম সঙ্কল্প বিকল্প ধৰ্ম্ম
তেজি মিছা কামনাসকল।
সদায়ে সঙ্কল্প মাত্ৰ কৰিয়ো সুহৃদ মন
কৃষ্ণ নাম পৰম মঙ্গল ॥৯২

---

(৮৮) পৰম পুৰুষ—পৰব্ৰহ্ম, পৰমেশ্বৰ। সনাতন—চিৰস্থায়ী। অনন্ত—অক্ষয় ব্ৰহ্ম।

(৯২) সঙ্কল্প—অভিলাষ, মনোৰথ। বিকল্প—ভেদ-বুদ্ধি, ভ্ৰম, সংশয়।

শুনিয়ো হৃদয় হেৰ ব্ৰহ্মাণ্ড ভিতৰে যত
বস্তু আছে তোক নোজোড়য় ।
তাক তেজি কৃষ্ণ নাম অক্ষয় অমৃত পিয়া
সন্তোষক লভিয়ো হৃদয় ॥৯৩

শুনিয়োক বুদ্ধি তোৰ কেৱলে নিশ্চয় ধৰ্ম্ম
তেজি সবে বিনাশী বিষয় ।
সদা শুদ্ধ সুমঙ্গল অক্ষয় কৃষ্ণৰ নাম
তাকে মাত্ৰ কৰিয়ো নিশ্চয় ॥৯৪

শুন হেৰ অহঙ্কাৰ নিশ্চিন্ত আপোন মাৰ
মিছা অহম্মমক তেজিয়ো ।
পৰম ঈশ্বৰ কৃষ্ণ হুয়োক তাহান দাস
সাধু সঙ্গে কৃষ্ণক ভজিয়ো ॥৯৫

শুনিয়োক চিত্ত হেৰ পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয় ।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ
নাছাৰিও তাহান আশ্ৰয় ॥৯৬

কৃষ্ণ নিজ ইষ্টদেৱ আত্মা প্ৰিয়তম গুৰু
সুহৃদ সোদৰ বন্ধু জন ।
কৃষ্ণ মোৰ গতি মতি কৃষ্ণৰ চৰণে ৰতি
কৃষ্ণ পাৰে নিমজোক মন ॥৯৭

---

(৯৫) অহঙ্কাৰ—অহংভাৱ, মই ভাৱ। অহম্মম—মই বৰ ভাৱ।

## আত্ম নিন্দা

শান্ত চিদানন্দ শুদ্ধ অনন্ত মহিমান্বিত
নির্ম্মল তৰঙ্গচয় হীন।
হেনয় পৰমানন্দ অমৃত সাগৰে মজ্জি
আচান্ত নকৰি বুদ্ধি ক্ষীণ ॥৯৮
হে হৰি সাৰ শূন্য মৃগ তৃষ্ণার্ণৰ জলে
শ্ৰান্ত হুইয়া মহামোহ পাওঁ।
স্নান পান আচমন কৰোহো ৰমণ তাত
কতোহো ওপঙ্গো তল যাওঁ ॥৯৯

## বস্তু প্ৰকাশ

পৰম অমূল্য ৰত্ন হৰিৰ নামৰ পেৰা
আতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল ॥১০০
হৰিনাম প্ৰেমৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সৰ্ব্বজনে ॥১০১

(৯৮) শান্ত—শমগুণযুক্ত, শিষ্ট।
(৯৯) মৃগতৃষ্ণা— মৰীচিকা, মৰুভূমি আদিত জলভ্ৰম।
মৃগতৃষ্ণার্ণব—মৰীচিকাব সাগৰ।
(১০১) মুদভাঙ্গি—মুৰ ভাঙ্গি, ঢাকনি গুচাই।

হৰিনাম গুপ্ত ভৈল মনুষ্যত পূজা বৈল
বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব।
যেন হৰি নাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চূৰ কৈলা দেৱতাৰ গৰ্ব্ব ॥১০২

## প্ৰশংসা

বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত
সবে হৰি নামৰ কিঙ্কৰ।
হেন জানি যিটোজনে নামৰ কীৰ্ত্তন কৰে
সেহিসে পৰম সাধু নৰ ॥১০৩

## অনুধিতা

হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক।
হেনয় দ্বাৰত বেত্ৰ প্ৰহাৰ পাইবাৰ যোগ্য
হওঁ আমি কমন বৰাক ॥১০৪

## নাম

অচ্যুত কেশৱ বিষ্ণু হৰি সত্য জনাৰ্দ্দন
হংস নাৰায়ণ অষ্ট নাম।
পৰম মঙ্গল ৰূপ যিটো অহৰ্নিশে লৱে
তাৰ পূৰ্ণ হোৱে মনস্কাম ॥১০৫

---

(১০৪) কমন বৰাক—কিমান ডাঙৰ।
(১০৫) অচ্যুত—বিনাশ শূন্য, অবিনশ্বৰ।

## পৰমাৰ্থ সাৰ

মাধৱ মাধৱ নাম বচনত উচ্চৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধু সৱে মাধৱ নাম
উচ্চৰয় সমস্ত কাৰ্য্যত ॥১০৬

পৰম মঙ্গল ৰূপ মাধৱ মাধৱ নাম
যিটো মহাজনে উচ্চৰয়।
তাৰ অমঙ্গল ৰূপ গুচয় সংসাৰ ভয়
মাধৱৰ নিকট পাৱয় ॥১০৭

দুঃস্বপ্ন নাশন ইটো মাধৱ মাধৱ নাম
দুষ্ট গ্ৰহ ভয় বিনাশন।
পৰম সম্পদ ৰূপ জানি মাধৱৰ নাম
সৰ্ব্বদায়ে কৰিয়ো কীৰ্ত্তন ॥১০৮

মাধৱেসে আত্মা নিজ মাধৱেসে ইষ্ট গুৰু
মাধৱেসে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামী জানি মাধৱক ভজা
মনুষ্যৰ ইসে শ্ৰেষ্ঠ ধৰ্ম্ম ॥১০৯

পৰম চতুৰ সি সি বুদ্ধিত কুশল আতি
যিটো মাধৱৰ গুণ গাৱে।
মিছা কলেৱৰে গোটে মুকুতি বাণিজ্য কৰি
ভৱ তৰি মাধৱক পাৱে ॥১১০

(১১০) মিছা—ক্ষণ ভঙ্গুৰ, নশ্বৰ, অস্থায়ী।

যি জনে একান্ত চিত্তে মাধৱক ভজি নিতে
ফুৰে মাধৱৰ গুণ গাই।
দুৰ্ল্লভ অমৃত যেন সিজনে কৰিলে পান
মধুৰ পিবাক আৰ নাই ॥১১১

ভজ ভাই মাধৱক স্মৰ ভাই মাধৱক
গাৱ ভাই মাধৱৰ গুণ।
নিচিন্তি আপোন মাৰ সুখে আপোনাক তাৰ
হৈয়ো ভাই পৰম নিপুণ ॥১১২

## সাৰ নিৰ্ণয়

ভগৱন্ত ঈশ্বৰৰ গুণ সমূহৰ যিটো
শুনিতে উদ্যম কৰে নৰ।
তেখনবে পৰা সিটো জানিবা নিশ্চয় কৰি
ভৈল আতি শুদ্ধ নিৰ্ম্মৎসৰ ॥১১৩

ঈশ্বৰ কৃষ্ণেসে নিষ্ঠ পৰম আৰাধ্য দেৱ
মোৰ তান নামে নিজ গতি।
হেনয় নিশ্চয় যিটো কৰিলে কলিত অতি
সি সি জন পৰম প্ৰকৃতি ॥১১৪

সংসাৰৰ ইন্দ্ৰ কৃষ্ণ তাহান নামক যিটো
অজ্ঞানতে চণ্ডালে লৱয়।
হেনসে পৱিত্ৰ সিটো জানিবা যজ্ঞত আনি
পাত্ৰ পাতিবাৰ যোগ্য হয় ॥১১৫

---

(১১৩) নিৰ্ম্মৎসৰ—গৰ্ব্বৰহিত। ক্ৰোধ, দ্বেষাচি শূন্য।
(১১৪) প্ৰকৃতি—চৰিত্ৰবান পুৰুষ।
(১১৫) পাত্ৰ—প্ৰধান লোক, আচাৰ্য্য।

ৰাম ৰাম ৰাম বাণী পৰম মঙ্গল ৰূপ
যাৰ মুখে প্ৰকাশ কৰয় ।
চিৰকাল মহাতীৰ্থ কৰিয়া পৱিত্ৰ হুয়া
তাৰ কদাচিতো তুল্য নয় ॥১১৬
জগত ঈশ্বৰ কৃষ্ণ তাহান অব্যয় স্থান
তাক প্ৰতি আছে যেবে মন ।
ভগৱন্ত ঈশ্বৰৰ চৰণ পঙ্কজে সদা
হুয়ো তেৰে একান্ত শৰণ ॥১১৭
পৰম নিৰ্ম্মল ধৰ্ম্ম হৰিনাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ ।
এতেকেসে হৰিনাম সমস্ত ধৰ্ম্মৰ ৰাজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ ॥১১৮
বৰ্ণাশ্ৰম ধৰ্ম্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱলে অধিকাৰ ।
হৰিনাম কীৰ্ত্তনৰ নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্মমাজে সাৰ ॥১১৯
অধমে কেৱল দোষ লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ ।
উত্তমে কেৱল গুণ লৱয় উত্তমোত্তমে
অল্প গুণ কৰয় বিস্তাৰ ॥১২০
দোষৰ সাগৰ কলি তাকো পৰীক্ষিত ৰাজা
গুণ দেখি কৰিলা ৰক্ষণ ।

---

(১১৭) অব্যয়—অক্ষয়, নিত্য ।

মহাপাপী অন্ত্যঃজাতি তৰয় কলিত সুখে
মুখে কৰি হৰিৰ কীৰ্ত্তন ॥১২১

অবিদ্যা জনিত সুখ সত্য লোক আদি কৰি
জাত নিৰপেক্ষ নিৰন্তৰ।
কেৱল চিদাঙ্গ শুদ্ধি- কৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষু জনৰ ॥১২২

বিদ্যা অবিদ্যা জন্য সুখে নিৰপেক্ষ হুয়া
কৰিলে আপোন মন স্থিৰ।
সকল জগত ইটো বাসুদেৱময় মাত্ৰ
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ ॥১২৩

সমস্ত সুখক তেজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকত সবৰ এহি পুৰুষাৰ্থ মনোনীত
আনো সুখ অধিকে পাৰয় ॥১২৪

মুমুক্ষু জনৰ যেবে অবিদ্যা জনিত সুখে
বিৰকতি ভৈল আতিশয়।
কেৱলে আত্মাত মাত্ৰ সদায় ৰমণ কৰে
তেবে বিধি কিঙ্কৰ গুচয় ॥১২৫

জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যা জনিত দুয়ো
সুখে বিৰকতি ভৈল যেবে।

---

(১২২) অবিদ্যা—অজ্ঞান, মায়া। লোক—স্বৰ্গ, মৰ্ত্ত, পাতাল, ত্ৰিলোক। নিৰপেক্ষ=উদাসীন। মুমুক্ষু—মোক্ষৰ কাৰণে ইচ্ছুক, সন্ন্যাসী। চিদাঙ্গ—মন আৰু দেহ।

বাসুদেৱময় মাত্র দেখয় জগৎ ইটো
বিধিৰ কিঙ্কৰ গুচে তেবে ॥১২৬
পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন ।
শৰণ কালৰেপৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন ॥১২৭
ভাৰত ৰত্নৰ দ্বীপ মনুষ্য শৰীৰ নৌকা
ৰাম নাম মহা ৰত্ন সাৰ ।
হেনয় বাণিজ্য পাই যিটো জনে নকৰয়
তাত পৰে দুঃখী নাহি আৰ ॥১২৮

## প্ৰাৰ্থনা

তুমি চিত্তবৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত ।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত ॥১২৯
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ ।
দন্তে তৃণ তুলি লওঁ যিমতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ ॥১৩০

---

(১২৬) জ্ঞাননিষ্ঠজন—তত্ত্বদৰ্শী, জ্ঞানী ।
(১৩০) অন্তৰ্য্যামী—অন্তৰৰ কথা জানোতা ।

তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা-ৰস সাৰ ॥১৩১
তুমি হৰি কৃপাময় বাহিৰত গুৰু ৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰু ৰূপে তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হোক ॥১৩২
হে কৃষ্ণ হে বাসুদেৱ দৈৱকী-নন্দন হৰি
নমো নন্দ গোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোৱিন্দ তযু পদ অৰবিন্দ
কৰো মই লক্ষ নমস্কাৰ ॥১৩৩
পদ্ম সম নাভি যাৰ প্ৰণামোহো বাৰম্বাৰ
নমো দিব্য পদ্মমালাধাৰী।
নমো পদ্ম সম নেত্ৰ পদ যাৰ শতপত্ৰ
নমো ভকতৰ ভয়হাৰী ॥১৩৪
বসুদেৱ সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চানূৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহো বন্দন ॥১৩৫
মোৰ সম পাপী লোক নাহিকে-ই তিনি লোক
তুমি সম নাহি পাপহাৰী।
ই জানি গোৱিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহো গোহাৰি ॥১৩৬

সহস্ৰ সহস্ৰ আতি অপৰাধ দিনে ৰাতি
কৰো মই মহা মূঢ় জন।
আমি প্ৰভু তযু দাস আকে মানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূদন ॥১৩৭
ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মত নিবৃত্তি নোহয়।
হৃদিস্থিত হুয়া তুমি যেন কৰাবাহা স্বামী
হৃষীকেশ কৰিবো তেনয় ॥১৩৮
নজানোহো আৰাহন নজানোহো বিসৰ্জ্জন
পূজা মন্ত্ৰ নজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত ॥১৩৯

## নামান্বয়

কৃষ্ হেন শব্দ ইটো পৃথিবী বাচক ভৈলা
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয় ॥১৪০
ঈশ্বৰৰ পদ-সেৱা কৰন্তে জীৱৰ যত
কৃষতা গুচয় নিৰন্তৰ।
এহি হেতুতেসে জানা ঈশ্বৰক বুলি কৃষ্ণ
প্ৰসিদ্ধ অন্বয় মনোহৰ ॥১৪১

---

(১৪০) আনন্দত প্ৰৱৰ্ত্তয়—আনন্দ দিয়ে যি।
(১৪১) কৃষতা—ক্লেশ।

নিৰন্তৰে নিজানন্দ সুখে পৰিপূৰ্ণ ৰূপ
অখণ্ড আনন্দ নুগুচয় ।
এতেকেসে সদানন্দ নিত্যানন্দ নাম ইটো
ঈশ্বৰক বুলিয় নিশ্চয় ॥১৪২

ক ঈশ পদে ব্ৰহ্মা বিষ্ণু মহেশ্বৰ
প্ৰতি প্ৰতি তিনিৰো অন্বয় ।
ৰ পদে নাৰায়ণে তিনিকো আছয় চান্দি
এহি হেতু কেশৱ বোলয় ॥১৪৩

ঈশ্বৰ কৃষ্ণৰ পদ সেৱন্তে জীৱৰ চ্যুতি
গুচয় সংসাৰ অদভুত ।
এহি হেতুতেসে জানা যতেক মহন্ত সৱে
ঈশ্বৰক বোলন্ত অচ্যুত ॥১৪৪

ঈশ্বৰ কৃষ্ণৰ পদ ভজিয়া অধম সবো
আতিশয় হোৱয় উত্তম ।
এহি হেতুতেসে জানা লোকত প্ৰসিদ্ধ ভৈল
ঈশ্বৰৰ নাম নৰোত্তম ॥১৪৫

ঈশ্বৰক জানি নৰে ভজিয়া মায়াক তৰে
সিংহ যেন ভ্ৰময় নিৰ্ভয় ।
এতেকেসে ঈশ্বৰৰ নাম নৰসিংহ ভৈল
মহাজনসকলে কহয় ॥১৪৬

---

(১৪২) ৰূপ—নিচিনা। নিজানন্দ—আনন্দময়, ঈশ্বৰ।
(১৪৪) চ্যুতি—পতন, হানি,নাশ।

ঈশ্বৰৰ পাদ পদ্ম ভজি শুদ্ধ-চিত্ত হুয়া
অধমো তেজয় বামানয় ।
এহি হেতুতেসে থাকি নিৰন্তৰে মহাজনে
ঈশ্বৰক বামন বোলয় ॥১৪৭

মোক্ষ আদি কৰি সুখ ঈশ্বৰ-সেৱাৰ জানা
অনু এক নুহি সমসৰ ।
একি হেতু মহাজনে জানিবা পৰমানন্দ
নাম ধৰি আছন্ত ঈশ্বৰ ॥১৪৮

যি হেতু কৃষ্ণেসে আত্মা এতেকেসে জীৱ ৰাশি
নিৰন্তৰে আনন্দ লভয় ।
এহি হেতু সৰ্ব্বানন্দ নাম ধৰি আছা হৰি
মহাজনে জানিবা নিশ্চয় ॥১৪৯

যি কাৰণে নাৰায়ণে পঞ্চভূতে পঞ্চবৰ্ণ
মালা পিন্ধি প্ৰকাশ কৰন্ত ।
এহি যেতু নিৰন্তৰে জানিবাহা বনমালী
নাম ধৰি আছা ভগৱন্ত ॥১৫০

ঈশ্বৰ সেৱাৰ সুখ লভিয়া ইন্দ্ৰিয় জন্য
সুখ জীৱে অধস্কৃত কৰে ।
এহি কাৰণত সবে জানিবাহা অধোক্ষজ
নাম ধৰি আছা দামোদৰে ॥১৫১

চৈতন্যত কৰি পৰ মায়াত উপজি যত

---

(১৪৭) বামানয়—লৌকিক আৰু বৈদিক মতৰ বিৰুদ্ধ শাস্ত্ৰ; বৌদ্ধ শাস্ত্ৰ ।

(১৫১) অধস্কৃত—পৰাভূত, পৰাজয় ।

আছে তাঙ্ক ৰমাৱন্ত হৰি ।
এহিসে কাৰণে জানা পৰম ঈশ্বৰ প্ৰভু
পৰশুৰাম নাম আছা ধৰি ॥১৫২
চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমাৰন্ত কৰ্ম্ম অনুৰূপে ।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আক জানিবা স্বৰূপে ॥১৫৩
অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগী জনে সদায়ে ৰময় ।
এহি হেতু ৰাম পদে পৰম ব্ৰহ্ম স্বৰূপক
কহে ৰাম-নামৰ অন্বয় ॥১৫৪

## আত্ম-উপদেশ

### দুলড়ী

স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ-দুঃখ হৰন্ত ।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত ॥১৫৫
আত্মা ৰূপে জানা ইটো জগতত
আছন্ত হুয়া প্ৰবেশ ।

১৫২ ) চৈতন্য—পৰমাত্মা, ঈশ্বৰ, ব্ৰহ্ম ।

এহি হেতুতেসে ঈশ্বৰক বিষ্ণু
বুলিয়ে নাম বিশেষ ॥১৫৬
ইন্দ্রিয়-বৰ্গত যিহেতু ঈশ্বৰ
আছন্ত হুয়া প্ৰৱেশ।
এতেকে মহন্ত সকলে বোলয়
ঈশ্বৰক হৃষীকেশ ॥১৫৭
অন্তৰ্য্যামী ৰূপে যিহেতু জীৱক
সুখ-দুঃখ ভুঞ্জাৱন্ত।
এতেকেসে পৰ- মাত্মা নাম ধৰি
আছন্ত প্ৰভু অনন্ত ॥১৫৮
পৰম ঈশ্বৰ- স্বৰূপে জীৱৰ
আছন্ত হুয়া আশ্ৰয়।
এতেকেসে তাঙ্ক বুলি নাৰায়ণ
নামৰ দিব্য অন্বয় ॥১৫৯
অহঙ্কাৰ আদি একোৱে উপাধি
কৰিতে নপাৰে ছন্ন।
এহিসে কাৰণে মহন্ত সকলে
বোলে তাঙ্ক নিৰঞ্জন ॥১৬০
সত্ত্ব ৰজ তম তিনি গুণ-বৃত্তি
লুপ্ত তাঙ্ক নকৰয়।
সেহিসে কাৰণে বেদ-শাস্ত্ৰগণে
বোলে তাঙ্ক নিৰাময় ॥১৬১

---

১৬০) নিৰঞ্জন—নিৰ্ম্মল। (১৬১) নিৰাময়—নিৰ্গুণ।

যতেক প্ৰাকৃত আকাৰ-বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি ।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি ॥১৬২
মা পদে লক্ষ্মী- দেৱীক বোলয়
তাহান স্বামী ঈশ্বৰ ।
এতেকেসে তাঙ্ক বোলয় মাধৱ
মহাজন নিৰন্তৰ ॥১৬৩
জনা পদে মায়া দেৱীক বুলিয়
ভক্তৰ মায়া মৰ্দ্দন্ত ।
এহি হেতুতেসে জনাৰ্দ্দন নাম
ধৰি আছা ভগৱন্ত ॥১৬৪
মধুমতী মায়া উন্মত্ত কৰায়া
আছে যত জীৱগণ ।
ভক্তৰ মায়াক পীড়ন্ত নিমিত্তে
বুলিয় মধুসূদন ॥১৬৫
গো পদে বেদ ইন্দ্ৰিয়ক বুলি
কৰন্ত তাক পালন ।
এতেকেসে তাঙ্ক বুলিয় গোপাল
জানিবাহা মহাজন ॥১৬৬
ইন্দ্ৰ আদি দেৱে গোৰ ইন্দ্ৰ পাতি
কৰিলন্ত অভিষেক ।

---

(১৬৫) মধুমতী = মধুময় ।

(১৬৬) গোপাল = বেদৰক্ষক, ইন্দ্ৰিয় চলাওঁতা ।

পৰম প্ৰসিদ্ধ গোবিন্দ নামক
ধৰিলা হৰি প্ৰত্যেক ॥১৬৭
দেশে কালে তাঙ্ক একোৱে প্ৰকাৰে
কৰিতে নপাৰে আদি।
এতেকেসে তান পৰম প্ৰখ্যাত
হুইয়াছে নাম অনাদি ॥১৬৮
যত বেদবাদী বেদক বিচাৰি
কৰিতে নপাৰে অন্ত।
এহি হেতুতেসে ঈশ্বৰৰ নাম
প্ৰসিদ্ধ ভৈল অনন্ত ॥১৬৯
অধম পুৰুষো হোৱয় উত্তম
ভজিয়া যাৰ চৰণে।
পুৰুষোত্তম নামক ধৰিয়া
আছন্ত এহি কাৰণে ॥১৭০
ক্ষৰ পদে ইটো দেহক বোলয়
অক্ষৰ শৰদে ব্ৰহ্ম।
দুইতো কৰি হৰি উত্তম নিমিত্তে
প্ৰখ্যাত পুৰুষোত্তম ॥১৭১
কৰ্ম্ম অনুসাৰে ইটো জগতক
পালন্ত হৰি সাক্ষাত।

---

(১৬৯) বেদ বাদী—বেদবিদ্ পণ্ডিত।
(১৭১) ক্ষৰ—বিনাশশীল, নশ্বৰ, অক্ষৰ—বিনাশৰহিত অবিনশ্বৰ, ব্ৰহ্ম।

এহি হেতুতেসে জগন্নাথ নাম্ক
আছয় হয়া প্ৰখ্যাত ॥১৭২
প্ৰকৃতি পুৰুষ দুইতো কৰি পৰ
দুইহানো নিজ কাৰণ।
পৰম ঈশ্বৰ নামক ধৰিয়া
আছা তাতে নাৰায়ণ ॥১৭৩
ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে শুদ্ধ জীৱক বুলিয়
ঈশ্বৰ পৰমব্ৰহ্ম ॥১৭৪
অন্তৰ্য্যামী ৰূপে জীৱ আদি কৰি
নিয়মন্ত সমস্তক।
এহি হেতুতেসে পৰমাত্মা পদে
বুলি জানা ঈশ্বৰক ॥ ১৭৫
ব্ৰহ্ম পৰমাত্মা কৰিয়া যিহেতু
ঐশ্বৰ্য্যৰ নাহি অন্ত।
এহি হেতু মহা মহন্তসকলে
বোলে তাঙ্ক ভগৱন্ত ॥১৭৬
নিজ ভক্ত পদে গৰুড়ক ধ্বজ
কৰিলা হাৰ যিহেতু।
সেহিসে কাৰণে মহন্তে হৰিক
বোলয় গৰুড়কেতু ॥ ১৭৭

(১৭৩) প্ৰকৃতি—শক্তি, স্ত্ৰী, পঞ্চভূতময় দেহ, জগত। ইয়াত সৃষ্টিশক্তি বুজাইছে।

কাল মায়া আদি যাহাৰ মনক
কৰিতে নপাৰে কুণ্ঠ।
এহি হেতুতেসে ঈশ্বৰৰ নাম
প্ৰসিদ্ধ ভৈল বৈকুণ্ঠ ॥১৭৮

জগতত কৰি আছন্ত নিবাস
জগতো তান্তে ৰময়।
এতেকেসে তাঙ্ক বুলি বাসুদেৱ
নামৰ ইটো অন্বয় ॥১৭৯

সদানন্দ আত্মা চৈতন্য অনন্তে
যিহেতু যোগী ৰময়।
এতেকেসে ৰাম পদে পৰমব্ৰহ্ম
ৰূপক বুলি নিশ্চয় ॥১৮০

চৈতন্য স্বৰূপে যিহেতু সদায়ে
ৰমাৱন্ত জগতক।
এতেকেসে ৰাম সুমধুৰ পদে
বুলি জানা ঈশ্বৰক ॥১৮১

হৰিপদ সেৱা নকৰে নিমিত্তে
মায়ায়ে বান্ধি ফুৰাৱে।
তাৰত মায়াক নকৰে ৰহিত
শৰণ নলৱে যাৱে ॥১৮২

---

(১৭৭) ধ্বজ—পতাকা, চিন, লক্ষণ। কেতু—পতাকা, চিন।

## শৰণ

মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ।
ক্ষমিয়োক হৰি লৈয়ো দাস কৰি
পশিলো হেৰা শৰণ ॥১৮৩

হে কৃষ্ণ স্বামী তযু পদে আমি
কেৱল শৰণ চাওঁ।
কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ
তেবেসে প্ৰভু এৰাওঁ ॥১৮৪

হে যদুপতি মই মূঢ়মতি
নজানো সেৱা তোমাৰ।
কেৱল তোমাৰ চৰণ-পঙ্কজে
শৰণ কৰিলো সাৰ ॥১৮৫

পুৰুষ উত্তম পৰম পুৰুষ
পৰম আনন্দ স্বামী।
তযু পাদ-পদ্ম মকৰন্দ আশে
শৰণ পশিলো আমি ॥১৮৬

প্ৰভু ভগৱন্ত অনন্ত ঈশ্বৰ
প্ৰপন্ন-জন তাৰণ।
তুমি প্ৰিয়তম পৰম দেৱতা
জানিয়া লৈলো শৰণ ॥১৮৭

---

(১৮৬) পুৰুষ উত্তম—পুৰুষৰ শ্ৰেষ্ঠ। পৰম পুৰুষ=পৰমাত্মা। পৰ ম আনন্দ—আনন্দময়। মকৰন্দ—ফুলৰ মৌ, ৰেণু।

## ভজন

জয় জয় জয় কৃষ্ণ কৃপাময়
ভজিলো তোমাৰ পাৱে ।
তোমাৰ চৰণ পঙ্কজত মন
মজোক মোৰ স্বভাৱে ॥১৮৮

জয় জয় ৰাম জগত-কাৰণ
জগত-জীৱন স্বামী ।
পৰম দেৱতা জানিয়া তোমাৰ
চৰণে ভজিলো আমি ॥১৮৯

অনাদি অনন্ত হে ভগৱন্ত
ভজো কৰি প্ৰণিপাত ।
মুকুতি ৰসকো তেজি মহাজনে
শৰণ লৱে তোমাত ॥১৯০

## নমস্কাৰ

নমো কৃষ্ণদেৱ পাপী বুলি কেৱ
মোক মোৰ নোবোলয় ।
পতিতপাৱন জানিয়া তোমাত
আপুনি গৈলো বিক্ৰয় ॥১৯১

নমো হৰিপদ পঙ্কজ যুগল
বিমল সুখ-সাগৰ ।
অনাদি অনন্ত সন্ত সদাশিৱ
ভগৱন্ত ভয়হৰ ॥১৯২

মোহ মায়া ৰাগ মদ মল কাম
দম্ভ দ্বেষ আদি ভাব।
যি গুৰুজনত ইসব নথাকে
প্ৰণামো তাহান পাব ॥১৯৩
জয় যদুপতি গোপাল গোবিন্দ
যাদৱ মাধৱ ৰাম।
ভকতৰ ধন জীৱৰ জীৱন
কৰোহো পাৱে প্ৰণাম ॥১৯৪
নমো নিত্যানন্দ জগত-কাৰণ
বাসুদেৱ ভগৱন্ত।
নিত্য শুদ্ধ বুদ্ধ কাম অনিৰুদ্ধ
পুৰুষ প্ৰভু অনন্ত ॥১৯৫
ৰাম নিৰঞ্জন দানৱ গঞ্জন
ভকতৰঞ্জন দেৱ।
তুমিসে পৰম গুৰু নাৰায়ণ
তুৱা পাৱে কৰোঁ সেৱ ॥

## উপদেশ

ৰাম-কৃষ্ণ-নাম ধৰ্ম্ম অনুপাম
হৃদয়ে যিটো স্মৰে।
যত মহাপাপ নাম অপৰাধ
সবে মসিমূৰ কৰে ॥১৯৭

---

(১৯৫) কাম—ইচ্ছা, অনিৰুদ্ধ—বাধা দি ৰা থিব নোৱাৰা।

ঘোৰ সংসাৰৰ ঔষধ হৰিৰ
তেজিয়া নাম সম্প্ৰতি।
আৰৰ কমন উপায়ে পণ্ডিতে
লভিবে আপোন গতি ॥১৯৮

মোৰ ভক্তিযুক্ত যোগীয়ো জানিবা
মোতেসে চিত্ত যাহাৰ।
জ্ঞান কৰ্ম্ম বিনে কেৱল ভক্তিত
পাৰয় সংসাৰ পাৰ ॥১৯৯

কেৱল ভকতি পুৰুষক তাৰে
সহায় কাকো নচাৰে।
জ্ঞান কৰ্ম্ম তাৰে তাৰিতে নপাৰে
ভকতি নপাৰে যাৰে ॥২০০

দুষ্ট কলি-সৰ্পে সবাকো দংশিল
হৰাইল চেতন জ্ঞান।
ইহাৰ ঔষধ সুধা ৰাম নাম
বিনে নাহি নাহি আন ॥২০১

সজল পুণ্যৰ অবিনাশী ফল
হৰি-গুণ-নাম সাৰ।
হৰিক সান্তাষ কৰাইবাৰ হেতু
নাম বিনে নাই আৰ ॥২০২

বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।

হৰিকেসে মাত্র কহয় নিশ্চয়
জানা তত্ত্ব এহিমানে ॥২০৩

সত্য অসত্যৰ জড় চৈতন্যৰ
মাজত যিটো প্রকাশে।
তাকে বুলি মন সেহি সিটো পাৱে
যিজনে তাক উপাসে ॥২০৪

মায়া আদি কৰি সমস্তে অসন্ত
জানিবা জড় নিশ্চয়।
হৰি মাত্র সত্য চৈতন্য ঈশ্বৰ
পৰম তত্ত্ব নির্ণয় ॥২০৫

বাসুদেৱ বাসু- দেৱ বাসুদেৱ
বুলিয়া যিটো স্মৰে।
সিটো পুৰুষৰ জানা যম ৰাজা
লিখন মার্জ্জন কৰে ॥২০৬

দিব্য সহস্রেক নাম তিনিবাৰ
পঢ়ি পাৱে যিটো ফল।
একবাৰ কৃষ্ণ নাম উচ্চাৰিলে
পাৱয় তাক সকল ॥২০৭

যতেক অনর্থ আছে সংসাৰত
তাতে তিনি বিধ সাৰ।
কাম ক্রোধ লোভ আপোন নাশন
জানি কৰা পৰিহাৰ ॥২০৮

(২০৪) সত্য—ব্রহ্ম। অসত্য—নশ্বৰ, মায়া, জড়।

আত্ম নাশ হেতু কাম ক্ৰোধ লোভ
নৰকৰ তিনি দ্বাৰ।
জানি তাক তেজি কেৱল কৃষ্ণৰ
ভকতিক কৰা সাৰ ॥২০৯

কাম ক্ৰোধ লোভ তেজি যিটো জনে
ভজয় কৃষ্ণৰ পাৱে।
কৃষ্ণৰ কৃপাত হোৱয় কৃতাৰ্থ
সুখে মুকুতিক পাৱে ॥২১০

কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি- ক্ৰমি ব্ৰহ্ম-ৰূপ
পাৱে সিটো মহামতি ॥২১১

তিনি গুণময় যত জ্ঞান কৰ্ম্ম
কেৱল বন্ধ-কাৰণ।
জানি তাক তেজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ ॥২১২

ৰজো গুণ তম গুণময় বৃত্তি
কেৱল আসুৰি ভাৱ।
শুদ্ধ সত্ত্ব বৃত্তি দেৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণ-পাৱ ॥২১৩

মহন্তৰ সঙ্গে হৰি কথা ৰসে
মনক ভিজায়ো ভাই।

মায়াক তৰিয়া হৰিক পাইবাৰ
উপায় আৰৰ নাই ॥২১৪
হৰি গুণ-নাম শ্ৰৱণ কীৰ্ত্তনে
ভজিয়ো হৰি চৰণ।
মনুষ্য হুইবাৰ এহিমানে মাত্ৰ
জানা নিজ প্ৰয়োজন ॥২১৫
যাহাৰ জিহ্বাত থাকয় সতত
হৰিৰ নাম মঙ্গল।
সেহিসে মহন্ত তাৰাৰেসে মাত্ৰ
সিজয় ধৰ্ম্ম সকল ॥২১৬
সমস্তে শাস্ত্ৰৰ তত্ত্বক জানিয়া
নেড়য় নাম মুখত।
সিটো মহাজনে অপ্ৰয়াসে তৰে
সংসাৰ ঘোৰ দুঃখত ॥২১৭
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
তেজিয়া লাজ আলাস।
শাস্ত্ৰ আচাৰ্য্যক উপাসা কৰিয়া
বাসনা কৰা বিনাশ ॥২১৮
হৰিৰ কীৰ্ত্তন যি জনে নকৰে
তাত পৰে নাহি দুঃখী।
হৰি- গুণ-নাম সন্তোষ অমৃত
পিয়ে যিটো সিটো সুখী ॥২১৯

২১২ জ্ঞান কৰ্ম্ম—ঈশ্বৰ জ্ঞান লাভৰ অৰ্থে কৰা কাম।

হৰিসে চৈতন্য আত্মা জ্ঞানময়
আৰৰ সমস্তে জড় ।
বেদ বেদান্তৰ সমস্ত শাস্ত্রৰ
এহিসে বিচাৰ বৰ ॥২২০
দেৱৰ দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক
ভকতিসে কৰে বশ্য ।
আগম নিগম গীতা ভাগৱত
শাস্ত্রৰ এহি ৰহস্য ॥২২১
যম কাল মায়া মৃত্যুৰে বেঢ়িয়া
আছে ৰাঘজালি কৰি ।
হেনয় জীৱক কোনে তাৰিবেক
বিনে কৃপাময় হৰি ॥২২২
পাপ সাগৰত তল নিয়াইলেক
বলে কলি দুৰাচাৰ ।
ৰাম নাম বিনে পাপ এড়াইবাৰ
উপায় নাহিকে আৰ ॥২২৩
হৰিত শৰণ লৈয়ো যিটো জন
সদা ৰাম-নাম গাৱে ।
হোক বা সকাম নিষ্কাম তথাপি
কলিৰ দোষে নপাৱে ॥২২৪
হৰি-গুণ-নাম অমৃত সাগৰে
মজায়ো মন নিপুণ ।
সুখে সংসাৰৰ পাপ এড়াইবাহা
নছাড়িবা হৰি গুণ ॥২২৫

সদায়ে ভাবিয়ো ৰাম নাৰায়ণ
আলাস কেনে কৰস।
মুখ মাজে হৰি নামৰ নিৰাস
ভুলিয়া কেমনে ৰস ॥২২৬

গোপাল গোপাল গোপাল গোপাল
গোপাল গোবিন্দ হৰি।
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ
বুলিয়ো আনন্দ কৰি ॥২২৭

শীঘ্র কৰিয়া বোলা ৰাম হৰি
বিলম্ব নকৰা ভাই।
কোননো নায়ক যমৰ দায়ক
হৰিক সুহৃদ পাই ॥২২৮
ৰাম নিৰঞ্জন দানৱ গঞ্জন
ভকত ৰঞ্জন ৰাম।
গোপাল গোবিন্দ মুকুন্দ মুৰাৰী
বোলা ভাই অবিশ্রাম ॥২২৯

হৰি পদে ধৰ অন্যায় নকৰ
দুৰ্জ্জন মন পামৰ।
সাক্ষী হুয়া হৰি হিয়াৰ ভিতৰে
আছা দেৱ দণ্ডধৰ ॥২৩০

---

(২২৮) নায়ক—( নি=পোৱা ) পাব খোজে।

সদা ৰাম কৃষ্ণ হৰি বোলা ভাই
তেজিয়া মনে কপট।
হৰিৰ তলৰ লৈয়া যমদুত
চাপিয়া আছে নিকট ॥২৩১

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
নামে নকৰিবা হেলা।
হৰিৰ নামৰ মাজত সমস্তে
ভকতি সুখৰ মেলা ॥২৩২

ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ভাবিয়ো ভাৱক ভাই।
ৰাম কৃষ্ণ হৰি গোৱিন্দ বুলিয়া
বঞ্চিয়ো যমৰ দায় ॥২৩৩

ৰাম কৃষ্ণ হৰি ৰামকৃষ্ণ হৰি
ৰাম কৃষ্ণ হৰি ৰাম।
ৰাম কৃষ্ণ হৰি বুলিয়া তেজিয়ো
ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥২৩৪

অজ্ঞান-আন্ধাৰে পড়িয়া জীৱৰ
জ্ঞান-পন্থ ভৈল নাশ।
নাম অঞ্জনীয়া বিনে আন মতে
নপাৰে হৰিৰ পাশ ॥২৩৫

---

(২৩১) কপট—বেঁকা ভাব, তলৰ—আদেশ পত্ৰ।
(২৩৪) ধৰ্ম্ম—পুণ্য। অৰ্থ—সম্পত্তি। কাম—কাম্য, কৰ্ম্ম।
মোক্ষ—মুক্তি।

ৰাম কৃষ্ণ নাম অমৃত সাগৰ
যিটো জনে কৰে কেলি।
তৃণ সম কৰি সিটো মহাজনে
মুকুতিকো থৰে ঠেলি ॥২৩৬

হৰিপদ মহা থালী ৰাম নাম
অমৃতে আছে ভৰিয়া।
কপট ঢাকন ভাঙ্গি আবে ভাই
সন্তোষ হুয়োক পিয়া ॥২৩৭

মহন্ত সৱৰ সঙ্গে ৰাম নাম
লৈয়ো অঞ্জনীয়া কৰি।
কপট দুৱাৰ চুৰিয়া হৃদয়
ভাণ্ডাৰে দেখিয়ো হৰি ॥২৩৮

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ
ৰাম কৃষ্ণ ৰাম হৰি।
আলাস তেজিয়া ভজিয়ো হৰিক
জানি এক মন কৰি ॥২৩৯

মহন্তৰ সঙ্গে সদায় মুখত
নছাড়িবা হৰি বাণী।
তেবেসে চঞ্চল দুৰাচাৰ মন
হৈবে আসি একা জানি ॥২৪০

বোলা ৰাম হৰি গোপাল গোৱিন্দ
মুকুন্দ যদু মুৰাৰি।

নিত্য নিৰঞ্জন যাৰ এক নামে
ভৱ তৰিবাক পাৰি ॥২৪১

ৰাম কৃষ্ণ ৰাম বোলা শুনা ভাই
অন্যায় নকৰ মনে।
চৈধ্য সাক্ষী সমে যমৰ দেৱান
দেখিয়োক সৰ্ব্বক্ষণে ॥২৪২

ভজিয়ো হৰিৰ চৰণ-পঙ্কজে
তেজিয়ো অন্যত্ৰ কাম।
সমস্তে ধৰ্ম্মৰ ফল ৰূপ জানি
নেৰিবা হৰিৰ নাম ॥২৪৩

পিয়ু পিয়ু ভাই ভাৱক সকল
হৰি নাম ৰস সাৰ।
যাক পায়া মহা- মহন্তে কৰয়
মুকুতিকো পৰিহাৰ ॥২৪৪
শুনিয়ো সজ্জন ভজা নাৰায়ণ
এৰিয়া বিষয় ৰাগ।
হৰি নুস্মৰে আনক আচৰে
সেহিসে যমৰ ভাগ ॥২৪৫

গোপাল গোৱিন্দ মুকুন্দ শ্ৰীৰাম
জয় সনাতন হৰি।
নিগম নিগূঢ় শ্ৰীহৰিৰ নাম
লৈয়োক যতন কৰি ॥ ২৪৬

কৰ কোন কাম বোলা ৰাম ৰাম
তেজিয়ো মুখে আলাস।
ভকতৰ সঙ্গে হৰি-গুণ গাই
বৈকুণ্ঠে কৰিয়ো বাস ॥২৪৭

আন যত ধৰ্ম্ম হৰিৰ নামৰ
ৰেণুকো নোহে সমান।
হেন হৰিনাম অমৃত সাগৰে
সন্তোষ কৰিয়া পান ॥ ২৪৮

হৰিক আশ্ৰয় জানিবা নিশ্চয়
সুখৰ মূল কাৰণ।
হৰিত বিমুখ দুঃখৰ কাৰণ
জানিবা নিষ্ঠ বচন ॥ ২৪৯

বিধিৰ কিঙ্কৰ যতেক সাধন
তাক পাশ কৰি থৈয়ো।
বিধিৰ ঈশ্বৰ হৰি গুণ-নাম
তাহাতে শৰণ লৈয়ো ॥ ২৫০

মুকুতসকলে গায়ে ৰাম নাম
ৰসত অধিক জানি।
মৃত্যুৰ মুখত পৰি ৰাম নাম
নলৈবেক কোন প্ৰাণী ॥ ২৫১

ৰাম-নাম বিনে মৃত্যু এড়াইবাৰ
আৰৰ উপায় নাই।
মৃত্যু তৰিবাৰ ইচ্ছা আছে যাৰ
ফুৰা ৰাম নাম গাই ॥ ২৫২

শাস্ত্র গুৰু উপ- দেশে শিষ্য সবে
ঈশ্বৰক নেদেখয় ।
বুদ্ধিক সত্ত্বস্থ কৰিয়া আপোন
আত্মাক দেখে নিশ্চয় ॥ ২৫৩
শাস্ত্র গুৰু উপ- দেশ ক্রম মাম
ব্যৱস্থা মাত্র পালন ।
কেৱলে শিষ্যৰ শুদ্ধ বুদ্ধি মাত্র
জ্ঞানৰ হোৱে কাৰণ ॥ ২৫৪
গুৰু-উপদেশ লব্ধ শিষ্য সবে
উপদেশ সাৰ ধৰা ।
যেবে ঈশ্বৰক পাইবা যত্ন কৰি
বুদ্ধিক সত্ত্বস্থ কৰা ॥ ২৫৫
শাস্ত্র গুৰু সবে শিষ্যক কৃপায়ে
শুদ্ধ উপদেশ দিব ।
শিষ্য সবে শুদ্ধ- ভাৱে নাচৰিলে
তাৰাসবে কি কৰিব ॥ ২৫৬
যেবে শিষ্যসবে মহা শুদ্ধ ভাৱে
উপদেশ আচৰয় ।
শাস্ত্র গুৰু আপো- নাকো সিটো শিষ্য
তিনিকো ৰক্ষা কৰয় ॥ ২৫৭
হৃদয় স্তম্ভত কৃষ্ণ চৰণক
প্রেম জৰী দিয়া ছান্দা ।
পৰম সুদৃঢ় ৰাম-কৃষ্ণ নাম
কৰচ গলত বান্ধা ॥২৫৮

ৰাম-কৃষ্ণ নাম অভেদ্য কৱচ
সদায়ে যিটো পিন্ধয়।
তিনি গুণ বৃত্তি অস্ত্রৰ প্রহাৰে
তাক আৰ নিবিন্ধয় ॥ ২৫৯

হিৰণ্যকশিপু প্ৰহ্লাদ পুত্রক
নানান দুৰ্গতি দিল।
হৰিনাম মহা কৱচ প্ৰভাৱে
তান লোম নলৰিল ॥ ২৬০

একান্ত শৰণে যিটো নাম লৱে
ফুৰা হৰি তাঙ্ক ৰাখি।
ইহাত যদ্যপি সঞ্জাত নযাৱা
লোৱা প্ৰহ্লাদত সাক্ষী ॥ ২৬১

জ্ঞানে বা অজ্ঞানে মাধৱৰ নাম
যিজনে ফুৰে সুমৰি।
তাক মোৰ বুলি হাতে চক্ৰ তুলি
ৰাখিয়া ফুৰন্ত হৰি ॥ ২৬২

গ্ৰাহগ্ৰস্ত হুয়া গজেন্দ্ৰে শৰণ
লৈলা ত্ৰাহি হৰি বুলি।
তাহাঙ্ক তেখনে ৰাখিলন্ত আসি
হাতে হৰি চক্ৰ তুলি ॥ ২৬৩

কাল গ্ৰাহে ধৰি সবাকে গিলয়
চেতন নাহিকে মনে।
ত্ৰাহি হৰি বুলি পশিয়ো শৰণে
অভয় হৰি-চৰণে ॥ ২৬৪

ভৃত্য-ভয়হাৰী অপৰ দেৱতা
নাহি হৰি সমসৰ ।
প্ৰপন্নজনৰ জানিবাহা হৰি
বজ্ৰৰ যেন পঞ্জৰ ॥ ২৬৫
হৰিৰ সেৱাত নাহিকে প্ৰয়াস
জানিবা নিশ্চয় কৰি ।
নাম মাত্ৰ লৈলে হোৱন্ত সন্তোষ
কিনো কৃপাময় হৰি ২৬৬
শুনিয়ো চতুৰ মহন্তসকল
ফুৰা হৰি-গুণ গাই ।
দুৰ্ঘোৰ কলিত হৰিনাম বিনে
আনমতে গতি নাই ॥ ২৬৭
ঘোৰ কলিযুগে যত ধৰ্ম্ম-কৰ্ম্ম
সবে কৰিলেক দূৰ ।
যিজনে কেৱলে হৰিনাম লৱে
পুৰুষ সিটো চতুৰ ॥ ২৬৮
বিষয় সম্বন্ধ ইন্দ্ৰিয়ৰ সুখ
সমস্ত যোনিতে পাই ।
পৰম দুৰ্ল্লভ হৰিৰ ভকতি
মনুষ্যত পৰে নাই ॥ ২৬৯
মনুষ্য-জনম লভিবাৰ ফল
হৰিৰ কীৰ্ত্তন মাত্ৰ ।
হৰিৰ কীৰ্ত্তন কৰি মহাসুখে
হোৱে ভকতিৰ পাত্ৰ ॥ ২৭০

হৰি গুণ-নাম শ্ৰৱণ কীৰ্ত্তনে
কৰয় চিত্ত নিৰ্ম্মল।
হৰিৰ চৰণে কেৱল ভকতি
লভিবাহা সুমঙ্গল ॥ ২৭১

## খেদ

কালগ্ৰস্ত হুয়া ভৈলো অচেতন
বয়স গোৱাইলো হেলে।
বান্ধৱ কৃষ্ণৰ নামক নলৈলো
হৰি ভকতৰ মেলে ॥ ২৭২

তুমি নিত্য নিৰ- ঞ্জন নাৰায়ণ
আমিও অংশ তোমাৰ।
তথু সেৱা চোৰ পায়া মহামায়া
মুহিলে মন আমাৰ ॥ ২৭৩

কিনো অপৰাধ কৰি আছো আমি
বান্ধৱ মাধৱ প্ৰাণ।
নাম ধৰি ডাকো হিয়াত থাকিয়া
কেনে নেদা সন্নিধান ॥ ২৭৪

## নিন্দা

মহন্ত সবৰ কেৱলে জীৱন
হৰিৰ নাম মঙ্গল।
হেন হৰিনাম নলৈয়া কলিত
কৰিল জন্ম বিফল ॥ ২৭৫

হৰিৰ পৰম প্ৰিয়তম নাই
হৰি-ভকতত পৰে ।
হেন ভকতক যিজনে নিন্দয়
হৰিকেসে নিন্দা কৰে ॥ ২৭৬
হৰি-ভকতক দোষ নধৰয়
যম কাল আৰ কলি ।
ইসব কথাক যিটো নমানয়
তিনিতো কৰিয়া বলী ২৭৭
হৰি ভকতক ছিদ্ৰে নধৰয়
দুষ্ট-শিৰোমণি কলি ।
হেন ভকতৰ কিঞ্চিৎ ছিদ্ৰেক
সজ্জনে থাকে আকলি ॥ ২৭৮
হৰিৰ চৰণ সদা আৰাধন্ত
ব্ৰহ্মা হৰ পুৰন্দৰ ।
হেন হৰিপদে শৰণ নলৰে
কিনো বুদ্ধিহীন নৰ ॥ ২৭৯
মৃত্যুৰ মুখত সদায়ে পৰিয়া
আছয় যিসব নৰে ।
সিটো নিদাৰুণ হৰি নাম-গুণ
কীৰ্ত্তন কেনে নকৰে ॥ ২৮০
ভাৰত ভূমিত জনম লভিয়া
নভজে হৰি চৰণে ।
সিটো জ্ঞানশূন্য পশুতো অধম
জনম লভিলা কেনে ॥২৮১

মুকুতি সুখক তেজি মহাজনে
সদা ৰামনাম ধৰে ।
হেন হৰিনাম সুখক তেজিয়া
কুমতি মনুষ্য মৰে ॥২৮২

মুকুতি সুখক তেজি মহাজনে
ৰামনাম কৰে আশা ।
হেন হৰিনাম নলৈয়া কেমনে
মৰে মলমতি নাশা ॥২৮৩

মুখ ভৰি ভৰি বোলা হৰি হৰি
অক্ষয় পুণ্যক সঞ্চা ।
ৰাম নাভাবিয়া আন আচৰিয়া
কেনে আপোনাক বঞ্চা ॥২৮৪

হৰি-কীৰ্ত্তনৰ সময়ে যিজনে
থাকে আন কথা পাতি ।
অন্তকালে নিয়া যমদূতে ধৰি
কৰে তাক উগ্ৰ শাস্তি ॥২৮৫

বেদৰ ৰহস্য হৰিৰ কীৰ্ত্তন
নুশুনিলে সাৱধানে ।
যমৰ কিঙ্কৰে তপত শলাক
বাহৰে তাহাৰ কাণে ॥২৮৬

আনন্দ সমুদ্ৰ হৰিৰ কীৰ্ত্তনে
যিটো জনে নেদে চিত্ত ।
সিটো মূঢ়মতি হৰিৰ দুৰ্লভ
প্ৰসাদে ভৈল বঞ্চিত ॥২৮৭

মুকুত সকলো হৰিৰ কীৰ্ত্তনে
কৰন্ত সদায়ে ৰতি ।
হেন কীৰ্ত্তনত যিটো চিত্ত নেদে
যাইবে সিটো অধোগতি ॥২৮৮
কলিত জনম লভিয়া হৰিৰ
নামত নকৰে ৰাত ।
সিটো মূঢ়মতি আন কেন মতে
সাধিবে আপোন গতি ॥২৮৯
শৰদ ব্ৰহ্মাৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই ।
তাৰ মাত্ৰ শ্ৰম শ্ৰমে মাত্ৰ ফল
যেন ৰাখে বাঁজী গাই ॥২৯০
ৰাজা-প্ৰজা জানি- লেক ভক্তিপন্থ
শঙ্কৰৰ মত শুদ্ধ ।
সিটো মত লাড়ি আন আচৰয়
পৰম সিটো মুগুধ ॥২৯১
আপুনি পণ্ডিত নুহি মহন্তক
নোপাসিলে কদাচিত ।
তথাপিতো গুৰু বোলাৱে কৃষ্ণৰ
মায়ায়ে হুয়া মোহিত ॥২৯২
নজানে শাস্ত্ৰক শিষ্যৰ সংশয়
নপাৰে দূৰ কৰিত ।
তাৰ উপদেশে আনো নতৰয়
আপোন ভৈল বঞ্চিত ॥২৯৩

শাস্ত্ৰমত এৰি যি কথা কহয়
কেৱল পাষণ্ড-নয়।
আছোক কৃষ্ণক পাইবে কদাচিত
মুগুচে সংসাৰ ভয় ॥২৯৪

অন্ন যোনি কিছু নকৰে বিচাৰ
জাতি-কুল ভৈল ভ্ৰষ্ট।
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়
বেদপথ কৰি নষ্ট ॥২৯৫

হৰি হৰি হৰি কিনো ভৈলা ইটো
কৃষ্ণৰ মায়াৰ বল।
হৰি ভকতিৰ পথত কপট
পাতিলেক অমঙ্গল ॥২৯৬

শাস্ত্ৰৰ বিচাৰ নজানে ভকতি
পৰমাৰ্থ মতি মূঢ়।
হৰিকথা ছলে কৰ্ণত কুমন্ত্ৰ
কহয় কৰিয়া গূঢ় ॥২৯৭

চাৰিও জাতিৰ নিজ পিতৃ কৃষ্ণ
জানিয়া যিটো নভজে।
এহি পাপে নিজ- ধৰ্ম্মভ্ৰষ্ট হুয়া
ঘোৰ নৰকত মজে ॥২৯৮

হৰিৰ চৰণে নভজি নকৰে
আপোন দুঃখ খণ্ডিত।
পৰমাৰ্থ তত্ত্ব বিচাৰি কহিয়ো
কেমনে সিটো পণ্ডিত ॥২৯৯

আপোনাৰ জন্ম ভাৰত ভূমিত
লভিলেক যিটো নৰ।
হৰিক নভজি কৰিলে বিফল
সিটো শোচ্য সমস্তৰ ॥৩০০
হৰিৰ চৰণ নভজি কেৱলে
পোষে পুত্ৰ ভাৰ্য্যা মাত্ৰ।
যম ৰাজা বুলি- লন্ত সেহি জন
যম যাতনাৰ পাত্ৰ ॥৩০১
হৰিৰ চৰণ নিচিন্তি চিন্তয়
বিষয়ক দিনে ৰাতি।
শাস্ত্ৰৰ সম্মতে জানা সেহি জন
ভৈল নিজ আত্মঘাতী ॥৩০২

## প্ৰাৰ্থনা

তুমি সৰ্ব্বসাক্ষী আত্মা হৃষীকেশ
জানাহা মোৰ চিত্তক।
শৰণাগতক মই আতুৰক
উপেক্ষা কৰা কিসক ॥৩০৩
হে কৃষ্ণদেৱ মই আতুৰক
চৰণে কৰা উদ্ধাৰ।
তিনি তাপময় সংসাৰ নিকাৰ
সহিতে নপাৰো আৰ ॥৩০৪
বাহিৰে ভিতৰে তুমি হৰি গুৰু
আছাহা চৈতন্য ৰূপে।

দিয়োক সুমতি তুমি বিনে গতি
নাহিকে কৈলো স্বৰূপে ॥৩০৫
হৰি ও হৰি কৰুণাসাগৰ
কৰিয়ো কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু
মানিয়া আছো তোমাক ॥৩০৬
হে হৰি মোক দুৰাচাৰ বুলি
নকৰিবা পৰিহাৰ।
তুমি বিনে মহা- পতিত পাৱন
কোন দেৱ আছে আৰ ॥৩০৭
নমো নমো ৰাম কৃষ্ণ প্ৰভু দেৱ
তুমি মোৰ নিজ গতি।
হুয়োক সদয় যিমতে ৰহয়
তোমাত নিৰ্ম্মল মতি ॥৩০৮
চৰণত ধৰো কাতৰ কৰোহো
ইবাৰ নেৰিবা হৰি।
পতিতপাৱন দেৱ নাৰায়ণ
নাহিকে তোমাৰ সৰি ॥৩০৯
নমো নমো কৃষ্ণ তোমাৰ ভকতি
মুকুতিকো কৰি বলে।
মোৰ তাকে মন দিয়োক শৰণ
অৰুণ চৰণ তলে ॥৩১০
এভৱ সাগৰে মজি নাৰায়ণ
আতুৰ ভৈলো অপাৰ।

দীন অনাথক তুমি কৃপাময়
চৰণে কৰা উদ্ধাৰ ॥৩১১
হে হৰি তযু মায়ায়ে আম্মাক
ভাণ্ডিছে কৰি কপট।
দূৰ কৰা মায়া চাপোহো তোমাৰ
চৰণ-ছত্ৰ নিকট ॥৩১২
পতিতপাৱন দেৱ নাৰায়ণ
চৰণে মোক উদ্ধাৰা।
আমি পতিতক পতিতপাৱন
নামৰ পৰীক্ষা কৰা ॥৩১৩
পতিত-পাৱন ৰাম নাৰায়ণ
প্ৰসিদ্ধ সমস্ত জনে।
আমি মহাপাপী শৰণ পশিলো
ৰাখিয়ো নিজ চৰণে ॥৩১৪
হে হৰি মই অনাথক দয়া
কৰিয়োক একবাৰ।
কৃপা-ৰসে তিন্তি অৰুণ বৰণ
চৰণ ভৈল তোমাৰ ॥৩১৫
কৃপাৰ সাগৰ দৈৱকীনন্দন
পূৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গে সদা সুগুছোক
মুখে তুৱা গুণ নাম ॥৩১৬
কোটি কোটি ঘোৰ অপৰাধ নিতে
কৰো আমি দুৰাশয়।

হে হৰি মোক দাস হেন মানি
ক্ষমিয়োক কৃপাময় ॥৩১৭

অনাদি অনন্ত অচিন্ত্য ঈশ্বৰ
তুমিসে নিত্য নিৰ্ম্মল।
গুচায়ো কুমতি ভজোহো কেৱল
তোমাৰ পদ-কমল ॥৩১৮

হে ভগৱন্ত ভজোহো তোমাৰ
অভয় পদ-কমলে।
মই অনাথক ৰাখিয়ো ঈশ্বৰ
অৰুণ চৰণ তলে ॥৩১৯

হে কৃষ্ণ কৃপা- ময় প্ৰভু মোক
কৰা কৃপা এহি মান।
তোমাৰ চৰণে ৰহোক আমাৰ
সদায় নিৰ্ম্মল জ্ঞান ॥৩২০

জয় জগবন্ধু জগত কাৰণ
নাৰায়ণ নিৰাকাৰ।
কেৱল তোমাৰ চৰণ-পঙ্কজে
ৰহোক ৰতি আমাৰ ॥৩২১

দীন দয়াশীল দেৱ দামোদৰ
দীনক নেৰিবা মোক।
হেন কৃপা কৰা তযু পাৱে মোৰ
সহজে ৰতি মিলোক ॥৩২২

তোমাৰ চৰণ সেৱাৰ গোবিন্দ
নজানো একো উপায়।

যিমতে সেরাত বহিবো ককণা
কৰিতে হৰি যুৱায় ॥৩২৩
হে প্ৰাণ হৰি দাস্তে তৃণ ধৰি
মাগোহো তোমাৰ পাৰে।
মোৰ মন মজি তোমাৰ নামত
ৰহোক ৰতি স্বভাৱে ॥৩২৪
জৰা তাপ পীড়া মৰণ সময়ে
কৰা হৰি কৃপা মোক।
তযু গুণ-নাম শ্ৰৱণ স্মৰণ
বচন গোচৰ হোক ॥৩২৫
গোপিনীৰ ধন ব্ৰজৰ জীৱন
মোহন ৰাম গোবিন্দ।
পৰম সাদৰে শিৰে তুলি ধৰো
তযু পদ অৰবিন্দ ॥৩২৬

## নাম-মহিমা

কৃষ্ণৰ পৰম নিৰ্ম্মল উদাৰ
কথাৰ যৈত প্ৰকাশ।
গঙ্গা আদি কৰি যত তীৰ্থ আছে
তৈতেসে কৰে নিৱাস ॥৩২৭
শ্ৰীৰাম নাম ভকত জনৰ
মহাধন হীৰা বিত্ত।
সংসাৰ সাগৰে তাৰ দুৰ্গ পাৰ
শ্ৰীৰাম নাম নিশ্চিত ॥৩২৮

শ্ৰীৰাম নাম মল অৰণ্যক
বাড়ৱ অগনি সম ।
শ্ৰীৰাম নাম মনৰ উৎসৱ
ভদ্ৰতো ভদ্ৰ উত্তম ॥৩২৯

নাৰায়ণ নাম নৰ সমস্তৰ
প্ৰসিদ্ধ চৌৰ বিশেষ ।
অনেক জন্মৰ সঞ্চিত পাতক
স্মৰণে হৰে নিঃশেষ ॥৩৩০

ৰাম শবদৰ 'ৰা' পদ ভৈল
প্ৰচণ্ড বহ্নি নিশ্চয় ।
'ম'-বায়ু সমে অধৰ্ম্ম-অৰণ্য
দহিয়া ভস্ম কৰয় ॥৩৩১

কুকথা পাষণ্ড সংবাদ বিবাদ
পৰ্ব্বত আতি নিষ্ঠুৰ ।
ৰাম-কৃষ্ণ নাম বজ্ৰক প্ৰহাৰি
কৰা তাক মষিমূৰ ॥৩৩২

অপাৰ আনন্দ ৰস ৰাম নাম
মুখত থাকয় যাৰ ।
মুকুতি সুখকো থৰে পাশ কৰি
আন সুখ কোন ছাৰ ॥৩৩৩

যিটো মহাজনে ঈশ্বৰ কৃষ্ণৰ
ভজয় পদ-কমল ।
কুল উদ্ধাৰিল আপোন তৰিল
তাৰেসে জন্ম সফল ॥৩৩৪

সুদৃঢ় বিশ্বাস কৰি যিটো জন
সদা ৰামনাম গাৱে।
তাক বাপ-দায় দিয়া দুষ্ট কলি
দূৰত দূৰ পলাৱে ॥৩৩৫

অলপ অক্ষৰ ৰাম-কৃষ্ণ নাম
কোমলতো সুকোমল।
ৰাম-কৃষ্ণ নাম সবাৰো সুহৃদ
মঙ্গলৰো সুমঙ্গল ॥৩৩৬

মুকুত সবাৰো মনক টানিয়া
আনয় হৰিৰ গুণে।
এক প্ৰাণ হুয়া মহন্তসকলে
গাৱয় কহয় শুনে ॥৩৩৭

হৰিৰ নামৰ অনন্ত প্ৰভাৱ
কোনে কহি পাৰে সীমা।
সংসাৰ বিনাশে হৰিক প্ৰকাশে
নামৰ মহা মহিমা ॥৩৩৮

হৰিৰ নামৰ অনন্ত মহিমা
জানি মহাজনে গান্ত।
আপোন নামৰ মহিমাক হৰি
আপুনি অন্ত নপান্ত ॥৩৩৯

হৰিৰ নামত একোৱে বিঘিনি
নাহিকে জানা নিশ্চয়।
আন যত ধৰ্ম্ম তাহাৰ বিঘিনি
নামেসে দূৰ কৰয় ॥৩৪০

ৰাম নাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি ৰিণি ৰিণি।
পাপময় মত্ত মাতঙ্গ পলায়
মিলিল হেৰা বিঘিনি ॥৩৪১

ৰাম-কৃষ্ণ নাম কীৰ্ত্তন বাড়ৱ
অগনিৰ শিখা লাগি।
অসুৰ ৰাক্ষস পাষণ্ড পিশাচ
পলায় দশ দিশ ভাগি ॥৩৪২

জয় জগজীৱ জগতকাৰণ
জয়তি জগনিৱাস।
তোমাৰ ভকতি ৰসে মুকুতিকো
কৰে অতি উপহাস ॥৩৪৩

কৃষ্ণ নাম ইটো পৰম মঙ্গল
যাহাৰ থাকে বাক্যত।
সিটো পুৰুষৰ ভস্ম হুয়া যায়
মহাপাপ কোটি শত ॥৩৪৪

পৰম উজ্জ্বল হৰি নাম ৰত্ন
কণ্ঠত যিটো পিন্ধয়।
তাহাৰ পুৰুষ যতেক আছয়
সবাকো শোভা কৰয় ॥৩৪৫

পৰম প্ৰশান্ত নাৰায়ণ পৰ
মুক্তৰো মাজে বিৰল।
এহিমানে মাত্ৰ পুৰুষাৰ্থ-সাৰ
হৰিৰ সেৱাৰ বল ॥৩৪৬

ধৰ্ম্মে পৃথিবীৰ আগত কহিলা
মহা ভাগৱত ধৰ্ম্ম।
মুকুতি সুখৰ কেৱল আশ্ৰয়
জানা মাধৱৰ কৰ্ম্ম ॥৩৪৭

কৃষ্ণ গুণ-নাম ধৰ্ম্মেসে পৰম
মঙ্গলৰো সুমঙ্গল।
কৃষ্ণৰ কীৰ্ত্তন ৰসেসে কেৱলে
মুকুতি সুখৰ ফল ॥৩৪৮

যি হেতু কৃষ্ণৰ কীৰ্ত্তন ধৰ্ম্মত
নাহিকে পাত্ৰ নিয়ম।
কেৱল কৃষ্ণৰ কীৰ্ত্তনে কৰয়
সমস্তকে নৰোত্তম ॥৩৪৯

অন্যত্ৰ সাধনে কোন বিচক্ষণ
জনক মোক্ষ দিৱয়।
কৃষ্ণৰ জন্মৰ কৰ্ম্মৰ কীৰ্ত্তনে
মুকুতিকো বিড়ম্বয় ॥৩৫০

'ৰাম' হেন ইটো দুগুটী অক্ষৰ
বলৰ নাহিকে সীমা।
মুকুতি সুখকো কৰিল অধীন
আছোক আন মহিমা ॥৩৫১

যিটো ৰুদ্ৰদেৱে পৰম লীলায়
জগতক সংহৰন্ত।
ৰামৰ নামৰ তেহো হুয়া বশ্য
দিনে ৰাত্ৰি সুমৰন্ত ॥৩৫২

নাৰদ সনত- কুমাৰ অনন্ত
শুক মুনি আদি কৰি।
মুকুতি-সুখক ঠেলি ৰাম-নাম
সদায় ফুৰে সুমৰি ॥৩৫৩

ইটো ৰাম নামে আপোনাৰ গুণে
ঈশ্বৰক কৰে বশ্য।
এতেকে জানিবা ৰাম নাম বিনে
শাস্ত্রৰ নাহি ৰহস্য ॥৩৫৪

চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ
হিয়াত ভৈল প্রকাশ।
কাল-মেঘ-প্রায় অবিদ্যা আন্ধাৰ
তাহাৰ হোৱে বিনাশ ॥৩৫৫

ভালুক বানৰ ৰাক্ষস তৰিল
ৰামক কৰিয়া সেৱ।
হেনয় পৰম কৃপালু দেৱতা
ৰাম বিনে নাহি কেৱ ॥৩৫৬

নিৰ্গুণ কৃষ্ণৰ গুণক প্রকাশ
কৰিলা শ্রীশঙ্কৰে।
শ্রৱণ কীৰ্ত্তন কৰি মহা সুখে
পাপীয়ো সংসাৰ তৰে ॥৩৫৭

পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ
গুণৰ নাহিকে অন্ত।
ইহাৰ তত্ত্বক জানিবা কেৱলে
শঙ্কৰে মাত্র জানন্ত ॥৩৫৮

## নাম

ৰাম কৃষ্ণ হৰি গোপাল গোবিন্দ
মুকুন্দ মধু মুৰাৰি।
ভকতৰ ধন হৃদয়-ৰঞ্জন
ব্ৰজজন অধিকাৰী ॥৩৫৯

ৰাম অনন্ত প্ৰভু ভগৱন্ত
ভকত ভয়-ভঞ্জন।
নিত্য নিৰঞ্জন দানৱ-গঞ্জন
সজ্জন-জন-ৰঞ্জন ॥৩৬০

ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰঘুপতি
ৰাঘৱ ৰঘু-নন্দন।
অনাদি অনন্ত শিৱ সনাতন
অচ্যুত জগ বন্দন ॥৩৬১

দৈৱকী-নন্দন ৰাম নাৰায়ণ
জগত-কাৰণ ৰাম।
সৰ্ব্বদেৱ শিৰো- মণি নাৰায়ণ
সমস্তে সুখৰ ধাম ॥৩৬২

নিৰাকাৰ নিৰা- ময় নৰোত্তম
নাৰায়ণ নিৰঞ্জন।
মুকুন্দ মুৰাৰি ভৱ-ভয়হাৰী
ভকত-জন-ৰঞ্জন ॥৩৬৩

মাধৱৰ নাম বৎস প্ৰায় ভৈল
ভক্তে তাঙ্ক লৈয়া যাস্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে ধাস্ত ॥৩৬৪

## প্ৰশংসা

তাৰা সবে পূজ্য তাৰা সবে ধন্য
তাৰাসে সুহৃদ জন।
কলিযুগে হৰি আনকো বোলাৰে
আপুনি কৰে কীৰ্ত্তন ॥৩৬৫
হৰিক বান্ধৱ বুলিয়া যিজনে
কৰয় হৰি-কীৰ্ত্তন।
সমস্তে শাস্ত্ৰৰ তত্ত্বক জানিল
জানা সিসি মহাজন ॥৩৬৬
যেবে হৰিপদে শৰণ পশিয়া
হৰিনাম লৱে মুখে।
হৰিৰ প্ৰসাদ পাৱয় সিজনে
মায়াকো তৰয় সুখে ॥৩৬৭
ধন্য কলিযুগ ধন্য ৰাম-নাম
ধন্য ধন্য নৰকায়া।
ভাগ্যহীন জনো জপি ৰামনাম
তৰয় দুস্তৰ মায়া ॥৩৬৮
কলিৰ লোকৰ ভাগ্যৰ মহিমা
কোনে কহি পাৰে পাৰ।
হৰি গুণ-নাম কলিৰ স্বধৰ্ম্ম
সমস্ত শাস্ত্ৰৰ সাৰ ॥৩৬৯
হৰি কথা ৰস নিৰ্ম্মল অমৃত
যিটোজনে পান কৰে।

সংসাৰ মধ্যত সিসি জনে মাত্ৰ
সাফল জীৱন ধৰে ॥৩৭০

## বস্তু প্ৰকাশ

হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি ॥৩৭১
গোৱিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিঝৰা
হৰিনামে মূল ধাৰা ॥৩৭২
হৰিভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু ॥৩৭৩
হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম-নাম- ৰত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠ পুৰী ॥৩৭৪
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু ॥৩৭৫

## নিবেদন

কতনো আমোঘ অপৰাধ হৰি
কৰিয়া আছে প্ৰচুৰ।
বুদ্ধিত থাকিয়া নেদাহা স্থবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ ॥৩৭৬
যিহেতু তোমাৰ চৰণ-পঙ্কজে
নভজিলোঁ নাৰায়ণ।
সিহেতু অনাদি অবিদ্যা আমাৰ
কৰিল জ্ঞান উছন্ন ॥৩৭৭
তুমি নিজ পিতৃ গুৰু ইষ্টদেৱ
নভজো তোমাৰ পাৰে।
এহি দোষে মোক যমদূতে ধৰি
যাতনা দুখ ভুঞ্জাৰে ॥৩৭৮
তুমি প্ৰিয় আত্মা পৰম দেৱতা
তোমাত ভৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুখ ॥৩৭৯

## কলিধৰ্ম্ম নিৰ্ণয়

সত্যাদিৰ লোকে কলিত জনম
বাঞ্ছা কৰে নিৰন্তৰ।
হৰি-গুণ গায়া নিশ্চয় কলিত
হৈবে নাৰায়ণ-পৰ ॥৩৮০

ঘোৰ কলিযুগে পাইলে সৰ্ব্ব ধৰ্ম্ম
বৰ্জ্জিত ভৈল নিশ্চয় ।
নাৰায়ণ-পৰ ভৈলে কৃতকৃত্য
হোৱয় নাহি সংশয় ॥৩৮১

হৰি-গুণ-নাম কীৰ্ত্তনে কলিৰ
কল্মষ কৰে বিনাশ ।
অনায়াসে ঘোৰ সংসাৰ তৰিয়া
পাৰয় হৰিৰ পাশ ॥৩৮২

সমস্তে শাস্ত্ৰৰ পৰম নিৰ্ণিত
হৰি-গুণ-নাম মাত্ৰ ।
কলিৰ পৰম মলিন মনুষ্য
সি ধৰ্ম্মৰ ভৈলা পাত্ৰ ॥ ৩৮৩

কলিৰ লোকক পৰম কৃপালু
কৃষ্ণে কৰিলন্ত দায়া ।
মোৰ নাম-গুণ গায়া মহাসুখে
তৰোক দুৰ্ঘোৰ মায়া ॥৩৮৪

কলিৰ মনুষ্য ভৈল ধৰ্ম্মহীন
পাপ-সাগৰত মজি ।
হেন পাপীসবো কৃষ্ণগুণ গায়া
তৰয় কৃষ্ণক ভজি ॥ ৩৮৫

কলিৰ লোকৰ যি ভাগ্য মিলিল
কহিয়া অন্ত নাপায় ।
নিৰন্তৰে লোক নাৰায়ণ-পুৰ
হোৱে হৰিগুণ গাই ॥৩৮৬

মুকুত কোটিৰ মাজত দুৰ্ল্লভ
জানা নাৰায়ণ-পৰ ।
কলিযুগে হেন নাৰায়ণ-পৰ
হৈবে লোক নিৰন্তৰ ॥ ৩৮৭

কলিত হৰিৰ কীৰ্ত্তনত সুখে
সৰ্ব্ব পুৰুষাৰ্থ পাই ।
হৰিৰ কীৰ্ত্তন বিনায়ে কলিত
আন মহালাভ নাই ॥৩৮৮

কলিৰ মলত মজিলো গোবিন্দ
গতি নাহি মোৰ আন ।
তোমাৰ নামক কৰিলো আশ্ৰয়
জানিয়া ধৰ্ম্ম প্ৰধান ॥৩৮৯

## হৰবাব

চৈতন্য-আদিত্য হৃদয়-আকাশে
সৰ্ব্বদায়ে প্ৰকাশয় ।
উদয়াস্ত নাই সন্ধ্যা উপাসনা
কৰিবো কোন সময় ॥৩৯০

যিহেতু গোবিন্দ নিজ-যশ-প্ৰিয়
ভকত-বৎসল হৰি ।
সিহেতু সদায়ে নাম-গুণ শুনি
থাকন্ত আনন্দ কৰি ॥৩৯১

পৰম নিৰ্ম্মল ধৰ্ম্ম হৰিযশ
জগত-পাৱনকাৰী।
তাতেসে আপোন যশত সন্তুষ্ট
ঈশ্বৰ প্ৰভু মুৰাৰি ॥ ৩৯২

## কৃষ্ণৰ পুৰুষ-লক্ষণ

ঈশ্বৰ কৃষ্ণৰ শুনিয়োক মহা
পুৰুষ লক্ষণ সাৰ।
ত্ৰি গম্ভীৰ সপ্ত ৰক্ত পঞ্চ দীৰ্ঘ
উন্নত ছয় প্ৰকাৰ ॥ ৩৯৩

গমন গম্ভীৰ বচন গম্ভীৰ
গম্ভীৰ নাভি-কমল।
এহি ত্ৰিগম্ভীৰ- স্মৰণে কৃষ্ণৰ
মিলয় মহা মঙ্গল ॥ ৩৯৪

অৰুণ নয়ন অধৰ দশন
অৰুণ কৰ চৰণ।
নখ-ৰেখাচয় অৰুণ কৃষ্ণৰ
স্মৰণে দুখ-তৰণ ॥৩৯৫

সুদীৰ্ঘ নয়ন গ্ৰীৱা বাহু পদ
আৰৱ আঙ্গুলিচয়।
এহি পঞ্চ দীৰ্ঘ স্মৰণে কৃষ্ণৰ
মিলে মহা মহোদয় ॥৩৯৬

কন্ধ উন্নত ভ্রূর নাসা পদ
উন্নত নখ হৃদয় ।
এহি ছয় স্থান উন্নত কৃষ্ণৰ
স্মৰণে মোক্ষ মিলয় ॥৩৯৭

## যুগধৰ্ম্ম নিৰ্ণয়

মিনতি বচন বোলো সৰ্ব্বজন
শুনিয়ো শাস্ত্ৰৰ মৰ্ম্ম ।
আপোন কুশল চাৱা যেৱে তেৱে
নেৰিবাহা যুগ-ধৰ্ম্ম ॥ ৩৯৮

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ-যুগত পূজা ।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা ॥৩৯৯

কলিত হৰিৰ কীৰ্ত্তন এৰিয়া
অন্যত্ৰ ধৰ্ম্ম আচৰে ।
মিছাতে কেৱল শ্ৰম মাত্ৰ পাৱে
একোৱে ফল নধৰে ॥৪০০

কলিত হৰিৰ কীৰ্ত্তন এৰিয়া
আন মতে চাহে গতি ।
যেন কুলবধূ নিজ স্বামী তেজি
ভজে গৈয়া উপপতি ॥৪০১

সংসাৰ তৰিতে ইচ্ছা আছে যাৰ
কৰিয়ো হৰি কীৰ্ত্তন।
পৰম নিৰ্ম্মল গতি পাইবা সুখে
ছিণ্ডিয়ো কৰ্ম্ম বন্ধন ॥৪০২

সকল নিগম কল্পতৰু তাৰ
ফল মহাভাগৱত।
সেহি ফলৰস হৰিগুণ যশ
পিয়োক সাধু সঙ্গত ॥৪০৩

পৰম কৃপালু শ্ৰীমন্ত শঙ্কৰে
লোকক কৰিয়া দায়া।
হৰিৰ নিৰ্ম্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চায়া ॥ ৪০৪

## ঈশ্বৰ নিৰ্ণয়

প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ ॥ ৪০৫

## শৰণ

হে কৃষ্ণ তযু পাৰে পশিলো শৰণ।
মই অনাথৰ নাথ তুমি নাৰায়ণ ॥৪০৬

## ভজন

নাৰায়ণ হৰি ৰাম গোপাল গোৱিন্দ।
ভজোহো তোমাৰ দুই পদ অৰবিন্দ ॥ ৪০৭

## নমস্কাৰ

নমো হৰি নাৰায়ণ ৰাম ৰাম ৰাম ।
সৰ্ব্ব ধৰ্ম্ম শিৰোমণি তুৱা গুণ নাম ॥৪০৮
বন্দোহো গোৱিন্দ ৰাম মুকুন্দ মাধৱ ।
যাক স্মৰণে তৰি পাপ পৰাভৱ ॥৪০৯
নমো কি নমো ৰাম নমো নাৰায়ণ ।
অনাদি অনন্ত সন্ত শিৱ সনাতন ॥৪১০
জয় নমো নাৰায়ণ দৈৱকীনন্দন ।
পৰম পুৰুষ সদাশিৱ সনাতন ॥৪১১

## উপদেশ

হৰি বোল হৰি বোল কৰি মন স্থিৰ ।
তেৱেসে সফল হোৱে মনুষ্য শৰীৰ ॥৪১২
হৰিগুণ গাৱ ভাই কৰিয়া উৎসৱ ।
গুণতেসে তুষ্ট গুণলুবুধ মাধৱ ॥৪১৩
আনন্দ কৰিয়া হৰি গুণ গাইবা যেবে ।
ভৱসিন্ধু তৰিয়া হৰিক পাইবা তেবে ॥৪১৪
হৰিগুণ গাৱ ভাই আনন্দ কৰি মনে ।
চিন্তামণি তনু ভাই বিফল কৰ কেনে ॥৪১৫
আন পৰিহৰিয়া হৰিক মনে ধৰ ।
হৰিগুণ গাৱ ভাই জন্ম সফল কৰ ॥৪১৬
লৈয়ো হৰি নাম সাতে পাঞ্চে হুয়া সাজু ।
আপুন হুৰে পলাইবেক কাল-মায়া বাজু ॥৪১৭

চেতন লভিয়া ভাই ভজিয়ো হৰিক ।
আন পৰিহৰি হুয়ো ভকতি ৰসিক ॥৪১৮
লৈয়ো হৰি-গুণ ভাই বিঘিনি বিহীন ।
আনন্দে ভাবিয়ো ৰাম কিবা ৰাত্রি দিন ॥৪১৯
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোল ভাই মুখে ।
ৰাম-কৃষ্ণ সুমৰি বসিয়া থাক সুখে ॥৪২০
ৰাম-কৃষ্ণ হৰি বোল তেজি ভয় লাজ ।
হৈবন্ত বেকত হৰি হৃদয়ৰ মাজ ॥৪২১
যিটো ৰাম-কৃষ্ণ হৰি বোলয় সৰ্ব্বথা ।
তাৰ সঙ্গ তেজি হৰি যাইব আৰ কোথা ॥৪২২
ৰাম কৃষ্ণ বোল ভাই ৰাম কৃষ্ণ বোল ।
কোটি কোটি ব্ৰহ্মাণ্ড নামৰ নোহে মোল ॥৪২৩
ৰাম কৃষ্ণ ভাবিতে ছুটয় কাল পাশ ।
সদা ৰাম হৰি বোল তেজিয়া আলাস ॥৪২৪
হৰি-গুৰু-পদ সেৱা খাণ্ডা ডাটি ধৰা ।
মন বৈৰী কাটি সুখে ভৱ-নদী তৰা ॥৪২৫
ৰাম কৃষ্ণ নিৰঞ্জন নিৰঞ্জন হৰি ।
সদা ৰাম কৃষ্ণ ভাবি যায়ো ভৱ তৰি ॥৪২৬
ভজিয়ো হৰিক যেবে চেতন আছয় ।
তেবেসে এড়াইবা সুখে সংসাৰৰ ভয় ॥৪২৭
ৰাম-কৃষ্ণ ভাবিয়ো মিলোক মহাভাগ ।
ৰাম কৃষ্ণ ভাবিতে কৃষ্ণক পাইবা লাগ ॥৪২৮
হৰিৰ নামত ভাই নেৰিয়ো ভাৰসা ।
সকল ধৰ্ম্মৰ হৰিনাম মাজে বাসা ॥৪২৯

সন্ত উপদেশে হৰি-চৰণে ভজিয়ো।
হৰিনাম নিৰমল আনন্দে মজিয়ো ॥৪৩০
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম।
জনম সফল হোক জপ অবিশ্ৰাম ॥৪৩১
মাধৱৰ ৰঙ্গা দুই চৰণে ধৰিয়া।
ৰামনাম ৰস পিয়ো অঞ্জলি ভৰিয়া ॥৪৩২
গুণময় সাধ্য-সাধনক পৰিহৰি।
কৃষ্ণকথা ৰস পিয়ো কৰ্ণাঞ্জলি ভৰি ॥৪৩৩
যত জীৱৰাশি ফুৰে কুশলক চাই।
হৰি-নাম বিনে তাৰ মহা লাভ নাই ॥৪৩৪
হৰি-গুণ গাৱন্তে কিঞ্চিতো নাহি দুখ।
গুচে ভয় মিলয় পৰমানন্দ-সুখ ॥৪৩৫
হৰি কীৰ্ত্তনত যাৰ মিলয় সন্তোষ।
সৰ্ব্ব-সুখভাগী হোৱে হৰে কলি-দোষ ॥৪৩৬
লৈয়ো হৰিনাম ভাই তেজিয়া আলাস।
মিলিবে মঙ্গল গুচিবেক ভৱ-পাশ ॥৪৩৭
যিটোজনে ফুৰে সদা হৰি-গুণ গায়া।
হৰিৰ কৃপাত সিটো সুখে তৰে মায়া ॥৪৩৮
ৰাম-নাম লৈয়ো ভাই আলাস নকৰ।
নিকট চাপিয়া আছে যমৰ কিঙ্কৰ ॥৪৩৯
হৰিকথা গাৱে শুনে যিটো শ্ৰদ্ধা কৰি।
অল্পকালে হিয়াত প্ৰৱেশ হোন্ত হৰি ॥৪৪০
অপাৰ আনন্দ-ৰস ৰামকৃষ্ণ বাণী।
ৰাম-কৃষ্ণ নাম নছাড়িবা মুখে জানি ॥৪৪১

জপ ৰাম-নাম ভাই তাৰক সকল।
ৰাম-নাম বিনে নাই পৰম মঙ্গল ॥৪৪২
ভাবিয়ো তাৰক ভাই ৰাম-নাম সাৰ।
নিগমে নকহে ৰাম-নাম বিনে আৰ ॥৪৪৩
কৃষ্ণ-পদ সেৱা-সুখ পৰম দুৰ্ল্লভ।
হৰি-সেৱা বিনে আন সকলো সুলভ ॥৪৪৪
কৃষ্ণ-পাদ-পদ্ম ভৈল যাহাৰ আশ্রয়।
তাহাৰেসে গুচয় নিঃশেষ দুখ-ভয় ॥৪৪৫
হৰি-কীৰ্ত্তনত ভাই নকৰিয়ো হেলা।
এহিসে ৰাখিবে ঘোৰ সঙ্কটৰ বেলা ॥৪৪৬
হৰি পদ-পঙ্কজত পশিয়ো শৰণ।
দিয়োক একান্ত চিত্ত কৃষ্ণৰ চৰণ ॥৪৪৭
দুৰ্ল্লভতো দুৰ্ল্লভ হৰিৰ গুণ-নাম।
জানিয়া কীৰ্ত্তন কৰা তেজি আন কাম ॥৪৪৮
হৰি গুণ-কীৰ্ত্তন কলিৰ নিজ ধৰ্ম্ম।
জানিবাহা সমস্তে শাস্ত্ৰৰ তত্ত্ব মৰ্ম্ম ॥৪৪৯
ৰামনাম লৈয়া পাপী জন তৰে সুখে।
হেন ৰামনামৰ ভাণ্ডাৰ ভৈল মুখে ॥৪৫
যি মুখে বুলিবা ৰাম সি মুখে ভাণ্ডাৰ।
সদায়ে ভাবিয়ো ৰাম ক্ষয় নাহি আৰ ॥৪৫১
ভাবিতে ভাবিতে ৰাম বস চড়ে আতি।
আনন্দে ভাবিয়ো ৰাম কিবা দিবা ৰাতি ॥৪৫২
অনন্ত ৰসৰ নিধি ৰাম-কৃষ্ণ নাম।
মুখ ভৰি ভৰিয়া সদায়ে বোলা ৰাম ॥৪৫৩

সদায়ে ভাবিতে ৰাম যাৰ ৰস বাঢ়ে।
ৰাম-কৃষ্ণ নামে আৰ তাহাক নছাড়ে ॥৪৫৪
হৰি সেৱা বিনে আৰ সকলে অসাৰ।
এহি মানে মাত্র সর্ব্ব শাস্ত্রৰ বিচাৰ ॥৪৫৫
নামৰ ভাণ্ডাৰ মুখে ভৈল কত ভাগে।
আনন্দে ভাবিয়ো ৰাম যাৰ যত লাগে ॥৪৪৬
মনে মুখে এক কৰি সদা বোলা ৰাম।
লভিবা পৰমানন্দ দূৰ হৈব কাম ॥৩৫৭
ৰাম-কৃষ্ণ নাম যাৰ মুখে ভৈল গীত।
নামৰ প্রসাদে সিটো ভৈল কৃতকৃত্য ॥৪৫৮
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোল ভাই ঝাণ্টে।
নচলিবা তেৰেসে দুর্ঘোৰ যম-বাটে ॥৪৫৯
ৰাম-কৃষ্ণ নাম ৰসে চিত্তক ভিজাৱ।
বোল ৰাম-কৃষ্ণ হৰি তেজি লাজ ভাৱ ॥৪৬০
ৰাম-কৃষ্ণ নামেসে স্বধর্ম্ম ভৈল যাৰ।
যম-কাল-মায়াৰ গুচিল অধিকাৰ ॥৪৬১
ৰাম-কৃষ্ণ-নাম যাৰ থাকয় মুকত ॥
যম যম-দূতক নেদেখে সপোনত ॥৪৬২
ৰাম কৃষ্ণ নাম সদা লৱে যিটো নৰে।
যম ৰাজা তাহাৰ লিখন দূৰ কৰে ॥৪৬৩
ৰাম কৃষ্ণ নাম সদা ফুৰে যিটো গাই।
তাহাৰেসে সমস্ত বিঘিনি ভৈল ছাই ॥৪৬৪

## মহিমাযুক্ত উপদেশ

ৰাম-কৃষ্ণ নাম যাৰ মুখত থাকয় ।
তাহাৰেসে জানিবা মিলিল মহোদয় ॥৪৬৫
ৰাম-কৃষ্ণ কীৰ্ত্তনে স্বভাৱ ভৈলা যাৰ ।
সিও ভৈল হৰিৰ হৰিও ভৈলা তাৰ ॥৪৬৬
ৰাম-কৃষ্ণ নামক সততে যিটো গাৱে ।
তাক হৰি ৰাখিয়া ফুৰন্ত সৰ্ব্বভাৱে ॥৪৬৭
ৰাম-কৃষ্ণ নাম যিটো সততে সুমৰে ।
হৰিৰ পৰম প্ৰিয় ভৈল সিটো নৰে ॥৪৬৮

## নিন্দা

ৰাম বুলি তৰে মহা মহা অন্ত্য জাতি ।
যিটো নাম নলৰে হীনতো হীন আতি ॥৪৬৯
ৰাম-কৃষ্ণ বুলিয়া সংসাৰ সুখে তৰে ।
ৰাম-কৃষ্ণ নুবুলি জনম ঝুণ্টা কৰে ॥৪৭০
ৰাম-কৃষ্ণ নুবুলি তৰিবা কিসে সমে ।
ৰামনাম নলৈলে ধৰিয়া নিবে যমে ॥৪৭১
হৰিকো প্ৰকাশ কৰে ৰাম কৃষ্ণ নামে ।
হেন নাম নলৈয়া মৰয় কোন কামে ॥৪৭২
গাৱো ভোট যৱনে হৰিৰ নাম লয় ।
হেনয় হৰিৰ নাম সজ্জনে নিন্দয় ॥৪৭৩
হৰিনামে ৰবে অন্ত্য জাতিকো মুকুত ।
সুজ্জনে নামক নিন্দে কিনো অদভুত ॥৪৭৪

মহাপাপী তৰে হৰি নামৰ কীৰ্ত্তনে।
হেন নাম নলৈয়া সজ্জন ভৈল কেনে ॥৪৭৫
দুখময় ক্ষুদ্ৰ বিষয়ক আশা কৰি।
একান্তে নভজে পূৰ্ণানন্দ মহা হৰি ॥৪৭৬
আপুনি নলয়ে নাম আনকো নিন্দয়।
কোটি জনমকো লাগি দুৰ্ঘোৰ সঞ্চয় ॥৪৭৭
হৰিনামে কৰে সংসাৰৰ বন্ধ ছেদ।
হেন নামে নাহি ইচ্ছা কিনো ভৈল খেদ ॥৪৭৮
ৰাম-কৃষ্ণ হৰি নাম নিগম নিগূঢ়।
সদা সুস্মৰে কেনে পাপমতি মূঢ় ॥৪৭৯
হৰি পদসেৱা সুখ ভকতে জানয়।
আন জনে আৰ গন্ধ মাত্ৰো নপাৱয় ॥৪৮০
হৰিপাৱে শুদ্ধ ভাৱে যিজনে ভজয়।
হৰিনাম লৈয়া সুখে দুৰ্গতি তৰয় ॥৪৮১
মানৱী জনম পাই হৰি নভজিলা।
অৱশ্যে হৈবাহা ভাই তৃণ তৰু শিলা ॥৪৮২
হৰি কীৰ্ত্তনক যিটো জনে হেলা কৰে।
আপোনাক আপুনি বঞ্চিলে সিটো নৰে ॥৪৮৩
মনুষ্য শৰীৰ পাই কৃষ্ণক নভজে।
এহিমান দোষে ঘোৰ সংসাৰত মজে ॥৪৮৪
মৃত্যুৰ মুখত পৰি নভজে হৰিক।
সিটো অধমৰ জীৱনত ধিক ধিক ॥৪৮৫
হৰিপদে নভজে শাস্ত্ৰৰ সাৰ বুজি।
বেঙ্গামুৱা যমদূতে তাক ফুৰে খুজি ॥৪৮৬

নৰতনু পায়া হৰি নভজে ৰি নৰে।
সংসাৰৰ অনন্ত যোনিত ভ্ৰমি মৰে ॥৪৮৭
মনুষ্য শৰীৰ পাই হৰি নভজিল।
দুৰ্ঘোৰ সংসাৰে সিটো চিত্ত নিমজিল ॥৪৮৮
কলিযুগে হৰিনাম নকৰে কীৰ্ত্তন।
আপোনাক আপুনি বঞ্চিলে সিটো জন ॥৪৮৯
হৰি ভজি হৰিনাম নলয়ে সাক্ষাত।
আপোনাক আপুনি কৰিল আত্মঘাত ॥৪৯০
ব্ৰহ্মাৰ প্ৰাৰ্থনী ইটো নৰতনু পায়া।
নভজিলে হৰিক বঞ্চিলে বিষ্ণুমায়া ॥৪৯১
একান্ত শৰণে যিটো নভজিলে হৰি।
দুৰ্ঘোৰ যাতনা ভুঞ্জিবেক মৰি মৰি ॥৪৯২
হৰি-পদ-সেৱা সৰ্ব্ব শাস্ত্ৰৰ নিৰ্ণয়।
মূঢ়মতি মনুষ্যে ইয়াক নজানয় ॥৪৯৩
হৰিকো কৰয় বশ্য কীৰ্ত্তন ভকতি।
হেন নাম নধৰিয়া যায় অধোগতি ॥৪৯৪

## মহিমা

ৰাম-কৃষ্ণ হৰিনাম মুখে থাকে যাৰ ॥
সেহিসে হৰিৰ প্ৰিয় হৰি ভৈলা তাৰ ॥৪৯৫
ৰাম-কৃষ্ণ হৰি যিটো সততে বোলয়।
সিটো মহাজনে মুকুতিকো নগণয় ॥৪৯৬
ৰাম-কৃষ্ণ নাম ভকতৰ মহাধন।
সদা নাম লয় আনন্দ কৰি মন ॥৪৯৭

অনন্ত নাৰদ শুক সনতকুমাৰ ।
তাৰা গাৱে হৰিযশ জানি যোগ-সাৰ ॥৪৯৮
হৰিনাম কীৰ্ত্তনৰ শৱদ তুমুল ।
আনন্দৰ ভৰে হোৱে ভকত আকুল ॥৪৯৯
ৰাম-কৃষ্ণ নামৰ দেখিয়ো কেনে বল ।
অধমকো কৰে নামে পৰম নিৰ্ম্মল ॥৫০০
হৰিনামে নাহিকে নিয়ম অধিকাৰী ।
ৰাম বুলি তৰে মিৰি আসম কছাৰী ॥৫০১
ৰাম-কৃষ্ণ নাম সম নাহিকে বান্ধৱ ।
ৰাম-কৃষ্ণ নামে মিলে পৰম উৎসৱ ॥৫০২
ভকত জনৰ হৰি নামেসে সৰ্ব্বস ।
মুকুতিকো ঠেলি আগ হোৱে হৰি-যশ ॥৫০৩
ৰাম-কৃষ্ণ নামেসে ছিণ্ডয় কৰ্ম্ম-বন্ধ ।
মিলয় মনত সুখ পৰম আনন্দ ॥৫০৪
ৰাম-কৃষ্ণ ভাবিতে তেজয় কাল সাপে ।
হৰি ভকতক দুখ দিবে কাৰ বাপে ॥৫০৫
হৰিৰ কীৰ্ত্তন শুনি হুয়া মহাভয় ।
কালমৃত্যু দুয়ো থৰ থৰিয়া কম্পয় ॥৫০৬
কেমনে জানিব হৰি-নামৰ মহিমা ।
ব্ৰহ্মা হৰ অনন্তে নপান্ত যাৰ সীমা ॥৫০৭
হৰি গুণ-নাম যশ ভকতি উত্তম ।
যাৰ ধ্বনি শুনি কম্পে কলি-কাল-যম ॥৫০৮
হৰিনামে যত পাপ সংহৰিতে পাৰে ।
ততেক পাতকী পাপ কৰিতে নপাৰে ॥৫০৯

ৰামকৃষ্ণ গোপাল গোৱিন্দ যদুমণি।
ৰাম-কৃষ্ণ নাম মহা পাপৰ অগনি ॥৫১০
ৰাম-কৃষ্ণ নামৰ মহিমা অদভুত।
নিকট চাপিয়া কি কাৰবে যমদূত ॥৫১১
ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ সাৰ।
ভাবিতে পৰম সুখ ভয় নাহি আৰ ॥৫১২
ৰাম-কৃষ্ণ নাম সৰ্ব্ব সুখৰ নিবাস।
ৰাম-কৃষ্ণ ভাবিতে কৃষ্ণৰ পাৱে পাশ ॥৫১৩
আপোন নামৰ সঙ্গ নছাড়ন্ত হৰি।
যেই নাম সেই হাৰ জানা নিষ্ট কৰি ॥৫১৪
ৰামকৃষ্ণ সম ধৰ্ম্ম নাহিকে নিগমে।
যিটো সদা বোলে ৰাম কি কৰিব যমে ॥৫১৫
হৰিচৰণত প্ৰেম মিলিল যাহাৰ।
আন কোন সম্পত্তি হৰিয়ো ভৈল তাৰ ॥৫১৬
কৰ্ণাঞ্জলি পিয়া হৰি-চৰিত্ৰ অমৃত।
হৰিৰ নিকট পাৱে হোৱে কৃতকৃত্য ॥৫১৭
মাধৱৰ নাম-গুণ কীৰ্ত্তন কৰিয়া।
হৰিক পাৱয় সুখে মায়াক তৰিয়া ॥৫১৮
হৰিনাম কীৰ্ত্তনত নাহি একো হানি।
শুনন্তে অমৃত স্ৰৱে ৰাম-কৃষ্ণ বাণী ॥৫১৯
যাৰ মুখে ৰাম-বাণী আসে সৰসৰি।
জানিবা নিশ্চয় তাৰ বশ্য ভৈল হৰি ॥৫২০
হৰি যাৰ বশ্য ভৈল তাৰ কিবা বৈল।
হৰিৰ কৃপাৰ পাত্ৰ সিসিজন ভৈল ॥৫২১

ৰাম-কৃষ্ণ নামৰ কল্লোল ৰোল শুনি।
বেঙ্কাযুৰা যমদূত পলাৱে আপুনি ॥৫২২

## আত্ম উপদেশ

হৰিনাম এৰি মন কি কাম কৰস।
মায়া-মোহজালে পৰি মিছাত মৰস ॥৫২৩
হৰিনাম ধৰ মন হৰি নাম ধৰ।
আশা নামে নদী মাজে মিছাত নমৰ ॥৫২৪
ৰামনাম লৈয়ো মন ৰামনাম লৈয়ো।
মিছা আশা লাজ কাজ পাশ কৰি থৈয়ো ॥৫২৫
ৰাম-কৃষ্ণ বোল মন ৰাম-কৃষ্ণ বোল।
অসাৰ সংসাৰ-সুখে তাৰ আশা ভোল ॥৫২৬
হৰিপদে ভজ মন হৰিপদে ভজ।
ঘোৰ আশা নদী মাজে মিছাত নমজ ॥৫২৭
ৰামনাম লৈয়ো মন তেজ আশা আন।
ভকতৰ সঙ্গে পাতা নামৰ দোকান ॥৫২৮
ভজ মন কপট তেজিয়া হৰি পাৱে।
সৰ্ব্বসাক্ষী হৰিত কপট সুযুৱাৱে।
গোপাল গোবিন্দ ৰাম বোল পাপী মন।
অন্যায় নকৰ লগে সাক্ষী চৈধ্য জন ॥৫৩০
ৰাম-কৃষ্ণ হৰি মন বুলিয়ো যতনে।
ব্ৰহ্মাৰো দুৰ্ল্লভ নাম তাৰে হেলা কেনে ॥৫৩১
মন বোল ৰাম-কৃষ্ণ পৰম আনন্দে।
মুকুতি তেজিয়া জপে সনক সনন্দে ॥৫৩২

## প্রাৰ্থনা

হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ ঠাকুৰ।
অণু এক কৰা দয়া মায়া হৌক দূৰ ॥৫৩৩
জয় জয় কৃপাময় দেৱ যদুপতি।
তোমাৰ চৰণে মাগো অমূল্য ভকতি ॥৫৩৪
হে হে পৰমানন্দ প্ৰভু কৃপা-সিন্ধু।
ভকতি আনন্দ-ৰস মাগো এক বিন্দু ॥৫৩৫
পতিত পড়িয়া ৰৈলো এভৱ সাগৰে।
পতিত-পাৱন নাম ভৈল কিবা তৰে ॥৫৩৬
অৰুণ চৰণে মই পাপীক তাৰিয়ো।
পতিত-পাৱন নাম সফল কৰিয়ো ॥৫৩৭
আতুৰ ভৈলোহো হৰি বিষয়-বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে ॥৫৩৮
হে কৃষ্ণ কৃষ্ণ নাথ কৰা পৰিত্ৰাণ।
তনু-নাৱ বুৰি আসে নাহিকে গিয়ান ॥৫৩৯
নাম ধন দিয়া মোৰে কিনা বনমালী।
দাস পাই নলৱা কমন ঠাকুৰালি ॥৫৪০
নিজ দাস কৰি হৰি মোৰে কিনা কিনা।
আন ধন নলাগয় নাম-ধন বিনা ॥৫৪১
জয় জয় ৰাম-কৃষ্ণ শৰণ তোমাৰ।
কৃপাৰ সাগৰ কৃপা কৰা একবাৰ ॥৫৪২
দিয়ো দৰশন পাৱে পশিলো শৰণ।
ভকত জনৰ ধন তুমি নাৰায়ণ ॥৫৪৩

## নিবেদন

যাদৱ যাদৱ যাদৱ যাদৱ দেৱ ।
তুমি বিনে সুহৃদ বান্ধৱ নাহি কেৱ ॥৫৪৪
কেমনে ভজিবো হৰি চৰণ তোমাৰ ।
দুৰ্ঘোৰ মায়ায়ে মন মুহিলে আমাৰ ॥৫৪৫
ৰাম বুলি তৰিবে দঢ়াই আছো মন ।
তুমি হৰি দীনবন্ধু পতিত-পাৱন ॥৫৪৬
পতিত-পাৱন ৰামকৃষ্ণ কৃপাসিন্ধু ।
আমি পতিতক নছাড়িবা দীন-বন্ধু ॥৫৪৭
হা হৰি মোৰে প্ৰাণ জীৱন মুৰাৰি ।
অনাথৰ নাথ ভকতৰ ভয়হাৰী ॥৫৪৮

## প্ৰশংসা

শ্ৰীৰাম নামে ৰতি মিলিল যাহাৰ ।
সিসি ভাগ্যৱন্তে পাইলে সংসাৰৰ পাৰ ॥৫৪৯
হৰি-গুণ ভকতৰ কৰ্ণৰ ভূষণ ।
যিটো সদা বোলে ৰাম সিসি মহাজন ॥৫৫০
নিত্যানন্দময় ৰাম ভকতৰ ধন ।
হৰি বিনে আন ধন সবে অকাৰণ ॥৫৫১
আন ধৰ্ম্ম নাহি হৰি নামক উপাম ।
হৰিৰ বল্লভ যিটো সদা বোলে ৰাম ॥৫৫২
কৃষ্ণনাম সদায়ে আনন্দে যিটো ধৰে ।
বংশ সমে তৰয় হৰিকো বশ্য কৰে ॥৫৫৩

হৰি গুণ গাৱে যিটো কৰিয়া নিশ্চয় ।
হৰিক সুহৃদ পাৱে মৃত্যু কোন ভয় ॥৫৫৪
যাৰা সবে ৰামনাম গায়য় হৰিষে ।
তাপ দূৰ হোৱে যেন অমৃত বৰিষে ॥৫৫৫
ৰাম-কৃষ্ণ হৰিনাম পৰম অমৃত ।
যিটো মহাজনে লৱে হোৱে কৃতকৃত্য ॥৫৫৬
হৰিগুণ কীৰ্ত্তনে স্বভাৱ ভৈল যাৰ ।
সংসাৰত দুৰ্ল্লভ থাকিল কিবা তাৰ ॥৫৫৭
কিনো ভাগ্য কিনো ভাগ্য কলিৰ প্ৰজাৰ ।
হৰিগুণ কীৰ্ত্তনে স্বধৰ্ম্ম ভৈল যাৰ ॥৫৫৮
হৰি গুণ নামক কীৰ্ত্তন যিটো কৰে ।
কলিৰ দোষক বঞ্চিলেক সিটো নৰে ॥৫৫৯
ৰামনাম লৈয়া পাপীজনো তৰে সুখে ।
হেন হৰিনাম ভাণ্ডাৰ ভৈল মুখে ॥ ৫৬০
যি সব চতুৰ নৰে বিষ্ণুক ভজয় ।
পৰম কৃতাৰ্থ ভৈল সিটো মহাশয় ॥ ৫৬১

## কলি-ধৰ্ম্ম

ৰামকৃষ্ণ নাম ভকতৰ নৱ নিধি ।
কলিযুগে বেকত কৰিল কোন বিধি ॥৫৬২
ধন্য ধন্য কলিৰ লোকৰ কিনো ভাগ ।
সৰ্ব্ব ধৰ্ম্ম ঠেলি ৰামনাম ভৈল আগ ॥৫৬৩
কলিত কীৰ্ত্তন যিটো কৰে হৰিনাম ।
তাৰ আৰ আচৰিবে নথাকিল কাম ॥৫৬৪

নাহিকে কলিত ধৰ্ম্ম কীৰ্ত্তনৰ সম।
যিটো গাৱে হৰি-গুণ সিসি নৰোত্তম ॥৫৬৫
কলিত কীৰ্ত্তনে মিলিবেক মহাভাগ।
সংসাৰক তৰি মাধৱক পাইবা লাগ ॥৫৬৬

## নাম

কেশৱ কমলাকান্ত অনন্ত অনাদি।
নিত্য নিৰঞ্জন শুদ্ধ বুদ্ধ বেদ-বাদী ॥৫৬৭
জয় জয় জগত-জনক জগজ্জীৱ।
অনন্ত অচ্যুত সনাতন সদাশিৱ ॥৫৬৮
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ নাম।
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম ॥৫৬৯
গোপাল গোৱিন্দ ৰাম-কৃষ্ণ নাৰায়ণ।
কমল-লোচন হৰি পতিতপাৱন ॥৫৭০
ৰাম নাৰায়ণ হৰি ৰাম নাৰায়ণ।
ৰাম-কৃষ্ণ নিৰঞ্জন শিৱ সনাতন ॥৫৭১
গোপাল গোপীনাথ গোৱিন্দ মাধৱ।
জীৱেৰ জীৱন যদুনন্দন যাদৱ ॥৫৭২

## তাৎপৰ্য্য

বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।
ইহাৰ উত্তম ফল হৰিনাম মাত্ৰ ॥৫৭৩
হৰিনামে হৰিনামে হৰিনামে গতি।
হৰিনামে ভকতৰ কেৱল ভকতি ॥৫৭৪

কৃষ্ণ পাদ-পদ্ম দুই মোৰ নিজ গতি।
হৰিনাম বিনে আন নজানো ভকতি ॥৫৭৫
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ সাৰ।
ৰাম কৃষ্ণ বিনে ঝুণ্টা আৰৰ বিচাৰ ॥৫৭৬
শ্ৰীৰাম নাম ভকতৰ বিত্ত সাৰ।
সংসাৰ সাগৰে ৰামনামে দুৰ্গ পাৰ ॥৫৭৭
হৰিনাম কীৰ্ত্তনেসে পৰম মঙ্গল।
পাৱয় পৰমানন্দ গুচে কৰ্ম্মফল ॥৫৭৮
ব্ৰহ্মা হৰে ভজন্ত হৰিৰ দুই পাৱে।
মুকুতসকলে সদা ৰামনাম গাৱে ॥৫৭৯

## বিৰকতি

বিষয়ৰ আশা ভঙ্গে ভক্তৰ হৰিষ।
দেখয় বিষয়-সুখ বিষ্ঠাৰ সদৃশ ॥৫৮০
বিষয়ৰ সুখ যত সকলো অসাৰ।
জানিয়া ভকতে তাক কৰে পৰিহাৰ ॥৫৮১

## স্তুতি

মুৰাৰি মাধৱ মধুৰিপু ৰাম।
তুমি ভকতৰ ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥৫৮২
মুৰাৰি মনোহৰ ভগৱন্ত দেৱ।
তুমি বিনে পতিতৰ গতি নাহি কেৱ ॥৫৮৩
কৃপাৰ সাগৰ কৃপাময় কৃপানিধি।
তুৱা গুণ-নামে ভকতৰ সৰ্ব্বসিদ্ধি ॥৫৮৪

কিনো কৃপানয় দেৱ প্ৰভু যদুৰায় ।
মুখ মাজে থৈলা নাম সৰ্ব্বক্ষণে পায় ॥৫৮৫

## ঈশ্বৰ নিৰ্ণয়

লেচাৰি

কৃষ্ণ এক দেৱ দুঃখহাৰী   কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ  তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ ॥৫৮৬

নমো নমো নিত্য নিৰঞ্জন   নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা ।
পৰম পুৰুষ ভগৱন্ত   নাহি পূৰ্ব্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্তে ভৱ ভাৱন্তা ॥ ৫৮৭

ব্ৰহ্মা মহাদেৱ লক্ষ্মী দেৱী   কায়-বাক্য-মনে স্থিৰ কৰি
পৰম আনন্দে চৰণ সেৱন্ত যাৰ ।
সদা জন্ম জৰা মৃত্যু হীন   শ্ৰীমন্ত সুন্দৰ গুণনিধি
বিষ্ণুত বিনাই কোন দেৱ আছে আৰ ॥৫৮৮

যাৰ পদোদকে দেৱী গঙ্গা  যাৰ বাক্যে হুয়া আছে বেদ
পৰম পৱিত্ৰো তৰয় যাহাৰ নামে ।
সৃষ্টি স্থিতি প্ৰলয়ৰ যিটো   পৰম কাৰণ নাৰায়ণ
হেন ঈশ্বৰক নভজয় কোন কামে ॥৫৮৯

অপাৰ সংসাৰ সিন্ধু আৰ   বিষ্ণুসে পৰম পাৰ যত
পাৰ আছে তাত পৰম্পৰমাত্মা ৰূপে ।

তেন্তে তুমি জানা ব্ৰহ্মপাৰ　　পৰ-পাৰ ভূত যত পাৰ
তাসম্বাৰ পাৰ বিষ্ণুসে পাৰ স্বৰূপে ॥৫৯০

## উপদেশ

সুবাসনা দুৰ্ব্বাসনা দুই　　বন্ধৰ মোক্ষৰ মূল হেতু
শুনা যেন মতে ওপজয় পুৰুষত ।
সন্তৰ কৃপাত সুবাসনা　　সুখে পুৰুষক পাৱে জানা
হোৱে দুৰ্ব্বাসনা সন্তৰ মন কোপত ॥৫৯১
মহন্তৰ বাক্য যিটো কৰে　　তাক সুবাসনা অনুসাৰে
সন্তৰ কৃপাত ভজে গোৱিন্দৰ পাৱে ।
যিটো মহন্তক নিন্দা কৰে　　তাক দুৰ্ব্বাসনা বেঢ়ি ধৰে
কৃষ্ণক ভজিবে নপাৰয় মূঢ়ভাৱে ॥৫৯২
কৃষ্ণপদ মাত্ৰ সেৱা কৰে　　সমস্তে কামনা পৰিহৰে
বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয় ।
কৃষ্ণপদ সেৱা-সুখ মনে　　কৰে অনুভৱ সৰ্ব্বক্ষণে
ইহাক মহন্ত বুলিয়া জানা নিশ্চয় ॥৫৯৩
শুনিয়ো সজ্জন শাস্ত্ৰসাৰ　　সকল সম্পত্তি জানা তাৰ
হৰিভক্তি ৰসে সন্তোষ মন যাহাৰ ।
চৰ্ম্মৰ নিৰ্ম্মিত পানৈ জুড়ি　　চৰণ ঢাকিলে যিটো জনে
যেন-সবে ভূমি চৰ্ম্মাবৃত ভৈল তাৰ ॥৫৯৪
অন্তৰত এক ঈশ্বৰক　　দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড়প্ৰায় ।
বুদ্ধিত সমস্তে তেজিয়োক　　বাহিৰত সঙ্গ দেখায়োক
এহি ভাৱে বাম লোকত ফুৰা বেঢ়াই ॥৫৯৫

## ছবি

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা ইহাক নিশ্চয় ।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয় ॥৫৯৬

## লেছাৰি

তাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৰে নুপুজয় ।
যেবে ভৈল কৃষ্ণকথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে তেজয় ॥৫৯৭
সমস্তে তপক আচৰোক পড়োক পৰ্ব্বতে উঠি যত
তীৰ্থত ভ্ৰমোক পঢ়োক বেদনিচয় ।
যজোক সমস্তে যজ্ঞচয় যোগক জানোক সমস্তয়
হৰিবিনে কদাচিতো মৃত্যু নতৰয় ॥৫৯৮

## মহিমাযুক্ত উপদেশ

ব্যাস নিগদতি লুব্ধমতি শুনিয়ো আনন্দে কৰ্ণ পাতি
দেও উপদেশ উৰ্দ্ধবাহু উচ্চ কৰি ।
এহিমানে মাত্ৰ মহামন্ত্ৰ সংসাৰ দুৰ্ঘোৰ বিষহাৰী
নমো নাৰায়ণ বুলিয়োক মুখ ভৰি ॥৫৯৯
সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভূমিত ভৈলা বিদিত ।
ৰসত চতুৰ যিটো জনে কৃষ্ণৰ চৰণে দিয়া মনে
পৰম সন্তোষে পিয়োক ফল অমৃত ॥৬০০

হৰিক সতত স্মৰা প্ৰজা সমস্ত পুণ্যৰ ইসে ৰাজা
হৰিক স্মৰণে সিজয় পুণ্য কিঙ্কৰ ।
নপাসৰিবাহা কদাচিত শুনা কথা ইটো বিপৰীত
হৰি পাসৰিলে সিজে পাপ নিৰন্তৰ ॥৬০১
শুনিয়ো পাৰ্ব্বতী তুমি এবে ৰাম ৰাম ৰাম বোলা যেবে
তোমাৰ বদন হৈবেক শ্ৰেষ্ঠ অমূল্য ।
ৰাম ৰাম ৰাম ৰাম বুলি ৰাম ৰামতো ৰমোহো সৰ্ব্বক্ষণে
জানা ৰামনাম সহস্ৰ নামৰ তুল্য ॥৬০২
বেদাগম আদি কৰি যত বিস্তৰ শাস্ত্ৰত নাহি কাজ
বিস্তৰ তীৰ্থত নাহি কিছু প্ৰয়োজন ।
সংসাৰ তৰিতে খোজা যেবে আপোন মোক্ষৰ হেতু তেবে
গোবিন্দ গোবিন্দ বেকতে বোলা বচন ॥৬০৩
যাধৰে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো আতিশয়
আন দেৱ তেজি মোকেসে মাত্ৰ ভজয় ।
তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্ব্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক নিশ্চয় ॥৬০৪
ভক্তিৰ মহিমা বিপৰীত অধৰ্ম্ম তেজিয়া ধৰ্ম্ম চিত্ত
হোৱে শীঘ্ৰ মোক ভজি জানা কুন্তীসুত ।
আক যি কুতৰ্কী নমানয় তথা গৈয়া বায়া বাদ্যচয়
বাহু মেলি কৰা অঙ্গীকাৰ অদভুত ॥৬০৫
মোহোৰ পৰম ঈশ্বৰৰ দুৰাচাৰ ভক্তো নোহে নষ্ট
কিন্তু সিটো ভক্ত কৃতাৰ্থ আতি হোৱয় ।
তোমাৰ প্ৰগল্‌ভ প্ৰৌঢ়ি শুনি সমস্তে কুতৰ্ক পৰিহৰি
গুৰুৰে তোমাত কৰিবে সবে আশ্ৰয় ॥৬০৬

আমাৰ নিৰ্ম্মল ভকতিত দুৰাচাৰো তৰে কোন চিত্ৰ
আমাক ভজিয়া চাণ্ডালো তৰে সংসাৰ।
স্ত্রী শূদ্র বৈশ্য আদি যত বিষয়ত সবে মাত্ৰ ৰত
লোক ভজি সুখে ইসবো হোৱে উদ্ধাৰ ॥৬০৭
ব্ৰাহ্মণ ক্ষত্ৰিয় পুণ্য তনু মোক ভজি তৰিবেক পুনু
আত অদভুত নাহিকে কোন সংশয়।
ৰাজ ঋষি তনু আছা পায়া অনিত্য অসুখ লোক জানি
অতি শীঘ্ৰে মোক ভজা সখি ধনঞ্জয় ॥৬০৮
মোতে মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোক কৰা নমস্কাৰ।
কহিয়ো তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ ॥৬০৯
ভগৱন্ত দেৱ নিগদতি শুনিয়ো অৰ্জ্জুন মহামতি
তোমাত কহও পৰম ইটো ৰহস্য।
ঐশ্বৰ্য্য বিভূতি বলে সমে জানে যিটো মোক নৰোত্তমে
সিয়ো ভৈল মোৰ ময়ো ভৈলো তাৰ বশ্য ॥৬১০
অসংমূঢ় ভাৱে যিটো জনে উত্তম পুৰুষ মোক জানে
তাকে সৰ্ব্ববেত্তা বুলিয় সখি অৰ্জ্জুন।
সিটো সমস্তকে পৰিহৰি কায়বাক্য মনে যত্ন কৰি
ভজয় আমাক পুৰুষ সিটো নিপুণ ॥৬১১
মোত হন্তে হোৱে চৰাচৰ মোতেসে প্ৰবৰ্ত্তে নিৰন্তৰ
ইহাক অৰ্জ্জুন জানে যিটো মহাজন।
পৰম বিবেকী সিটো জন মোৰ ভাৱে যুক্ত হুয়া মন
মোকে মাত্ৰ ভজে শ্ৰৱণ কৰি কীৰ্ত্তন ॥৬১২

মোতেসে কেৱলে দিয়া চিত্ত মোতে মাত্র প্রাণ অর্পি নিত
অন্যো অন্যে মিলি মোকেসে বোধ কৰাৱে।
মোকে মাত্র কহে সৰ্ব্বক্ষণে পৰম আনন্দ লভি মনে
আনন্দ-সাগৰে মজি ৰহে প্রেম ভাৱে ॥৬১৩
ৰহস্যক জানে যিটো লোক সততে কীৰ্ত্তন কৰে মোক
ধৰি দৃঢ় ব্রত কৰি যত্ন বিপৰীত।
মোৰ সৰ্ব্বোত্তম দুই পাৱে কৰে নমস্কাৰ ভক্তি ভাৱে
তাৰ মোৰ এড়াএড়ি নাহি কদাচিত ॥৬১৪
মাধৱে কহন্ত অৰ্জ্জুনত শুনা ইটো পৰমাৰ্থ তত্ত্ব
ভকতেসে মোৰ মহিমা জানে নিঃশেষ।
তত্ত্বৰূপে সখি জানি মোক তৰিবা দুৰ্ঘোৰ দুখ শোক
অন্তকালে গৈয়া আমাত হোৱে প্রৱেশ ॥৬১৫
কৃষ্ণ নিগদতি সব্যসাচী পৰমাৰ্থ তত্ত্ব লৈয়ো বাছি
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্র সদা দিয়া চিত্ত গায়ো মোৰ গুণ-নাম গীত
সকলে শাস্ত্রৰ কহিলো সাৰ সাক্ষাত ॥৬১৬

ছবি

ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্রসাদে মিলয়।
কৃষ্ণৰ কৃপাত সুখে গুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয় ॥৬১৭

লেছাৰি

জানা শ্রীৰাম নাম নিজ সমস্তে শাস্ত্রৰে মুল বীজ
সঞ্জীৱনী প্রায় যাৰ মনে প্রবেশয়।

যদি হলাহল পান কৰে প্ৰলয় বহ্নিত যদি পড়ে
মৃত্যুৰ মুখত প্ৰবেশিলা নাহি ভয় ॥৬১৮
পূৰ্ণ শশী পূৰ্ণ দুগ্ধ সিন্ধু সিমত প্ৰকাশ নকৰয়
কমনীয় লক্ষ্মী বদনো সিমত নয় ।
ঈশ্বৰ কৃষ্ণৰ পাদ-পদ্ম ভজি স্পৃহাহীন ভৈল সিটো
সিটো মন গোট যিমতে শোভা কৰয় ॥৬১৯
শ্ৰীমুকুন্দৰ নাম গুণ কীৰ্ত্তন প্ৰকাশৈ যি দিশত
সি দিশক প্ৰতি নমস্কাৰ যিটো কৰে ।
চিদানন্দ ঘন স্বৰূপত ঈশ্বৰ কৃষ্ণত নিত্যাগত
পৰম আনন্দ কৰে সিটো সাধু নৰে ॥৬২০
হৰিভক্তি ৰাজমাৰ্গ গুৰু- পদ-নখ চন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদ পন্থ অনুসৰি ।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজন সবে জানিবা নিশ্চয় কৰি ॥৬২১

## নিন্দা

শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা গোবিন্দৰ গুণ-নাম যশ
জগতৰ লোকে পৰম আনন্দে গাৱে ।
হেনয় শঙ্কৰ গুৰু বিনে কমন কাৰণে আন জনে
লোকৰ মাজত আপুনি গুৰু বোলায়ে ॥৬২২
বিষ্ণুৰ সহস্ৰ নাম সদা আছন্ত জিহ্বায়ে তাক এড়ি
সদায়ে বিৰোধী বচন মাত্ৰ ৰটয় ।
বুদ্ধি বিষ্ণুতত্ত্ব পৰিহৰি অসন্ত বস্তুত ৰতি কৰি
যেন বেশ্যা জাৰ পতিত মাত্ৰ ৰময় ॥৬২৩

সমস্তৰে আদি নৰতনু        উত্তম কোটিয়ো নপায় পুনু
কোনো ভাগ্যোদয়ে পায়া নাৰ দৃঢ় আতি।
গুৰু ভৈলা আত কৰ্ণধাৰ        কৃষ্ণ ভৈলা অনুকূল বায়ু
তথাপি সংসাৰ নতৰয় আত্মঘাতী ॥৬২৪
যাধৰে বোলন্ত শ্ৰুতি স্মৃতি        মোৰ আজ্ঞা বাণী জানা নিষ্ঠ
যিটো জনে আক উলঙ্ঘিয়া প্ৰৱৰ্ত্তয়।
ভৈল সিটো মোৰ আজ্ঞাছেদী        মোৰ দ্বেষ কৰিলেক আতি
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয় ॥৬২৫
যত উগ্ৰ তপ জ্ঞান গুণ        যাগ যোগ যজ্ঞ দান পুণ্য
কিবা প্ৰয়োজন সাধিবেক তাসম্বাৰ।
কৃষ্ণ জগতৰ গুৰু নিষ্ঠ        সুখ-মোক্ষপদ দেৱ ইষ্ট
তাহান চৰণে ভকতি নাহিকে যাৰ ॥৬২৬
শিশুৰ বিষয় আশা আগ        যুবা সেৱা কৰে পায়া লাগ
বৃদ্ধে ভোগ কৰি পিঠি দিলে বিষয়ক।
হৰি ভকতিক পৰিহৰি        বৃদ্ধে বিষয়ক টৈৰ কৰি
পুনু পালটিয়া নিৰেখি আছে কিসক ॥৬২৭
বালকে কৰোক বহুমান        যুবায়ে সেৱোক পাৰেমান
বৃদ্ধে বিষয়ৰ বহিৰ্ভূত হুয়া গৈল।
ভোগ কৰিবাক নপাৰয়        তথাপিতো আশা নছাড়য়
হৰি হৰি হৰি কিনো বিপৰীত ভৈল ॥৬২৮
বৃদ্ধ সবে জানা বিষয়ক        ভোগ কৰিবাক নপাৰয়
ভক্তিহীন বৃদ্ধে তেজিতে সমৰ্থ নয়।
দশনবিহীন কুক্কুৰ যেন        হাড় চোবাইবাক নপাৰয়
জিহ্বা লড়বড় কৰি মাত্ৰ চেলেকয় ॥৬২৯

বৈষ্ণৱ নিন্দুক সূচকক বিষ্ঠা লুণ্ঠা গ্ৰাম্য শূকৰক
বিধাতায়ে দুইকো স্ৰজিলন্ত দায়াতৰে।
সূচকে জানিয়া নিৰন্তৰে সাধু সমস্তক শুদ্ধি কৰে
যিমতে শূকৰে গ্ৰামক শোধন কৰে ॥৬৩০
মৃগ মীন মহাসাধু নৰে মনৰ সন্তোষে তৃণ জলে
হিংসা শূন্য হুয়া থাকয় জীৱন ধৰি।
তথাপিতো ইটো ত্ৰিতয়ৰ কৈৱৰ্ত্ত পিশুন ব্যাধ সব
ইটো জগতত তিনি অকাৰণে বৈৰী ॥৬৩১
সমস্তৰে আত্মা নাৰায়ণ আত্মা-সুখে ৰতি সৰ্ব্বক্ষণ
এহি হেতু হৰি সমস্তে প্ৰাণীত সম।
তাঙ্ক যিটো ভজে সুখে তৰে নভজি সংসাৰে মজি মৰে
কৃষ্ণক বিষম বোলয় কোন অধম ॥৬৩২

## আত্ম-নিন্দা

হৰিসে কেৱলে সঞ্চা মাত্ৰ ৰাম ৰাম ৰাম ৰাম ৰাম
তান্ত বিনে মিছা যত দেখি শুনি মানে।
তাক যিটো মিছা কৰি আশা ৰাম ৰাম ৰাম ৰাম ৰাম
দুৰাচাৰ মন মৰস কেনে অজ্ঞানে ॥৬৩৩

## মহিমা

'ৰা' শবদক উচ্চাৰন্তে ৰাম ৰাম ৰাম ৰাম ৰাম
মুখহন্তে বাজ হুয়া পলায় পাপমানে।
পুণ্যমানে হোৱে অভ্যন্তৰ ৰাম ৰাম ৰাম ৰাম ৰাম
'ম' বুলি আতি কপাট মাৰয় টানে ॥৬৩৪

কৃষ্ণ প্ৰিয়তম আত্মা নিজ রাম ৰাম ৰাম ৰাম ৰাম
যাত হন্তে অণুমাত্ৰকো ভয় নুশুনি।
আক যিটো জানে সেহি জন ৰাম ৰাম ৰাম ৰাম ৰাম
বিদ্যাৱন্ত গুৰু সেহিসে হৰি আপুনি ॥৬৩৫
অনন্ত-শকতি তুমি ৰাম লক্ষ্মণ সুগ্ৰাব বিভীষণ
হনুমন্ত আদি মহা মহা বীৰগণে।
আনি তৰু-লতা পৰ্ব্বতক শতেক যোজন সমুদ্ৰক
সেতু বান্ধি পাৰ ভৈলাহা মহা যতনে ॥৬৩৬
হে প্ৰাণ প্ৰভু ৰঘুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
তোমাত কৰিয়া তযু গুণ নাম ছাৰ।
বিনা সেতু বন্ধ কৰি নৰে ৰাম ৰাম ৰাম ৰাম ৰাম
অপাৰ সংসাৰ সমুদ্ৰৰ হোৱে পাৰ ॥৬৩৭
কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি যিটো অন্তকালে নিজ প্ৰাণ তেজে
আত্মৰ শৰদে মুকুতি তাঙ্ক দিৱয়।
আৰ আক কিবা দিবো বুলি আউৰ দুই পদে লজ্জা হুয়া
ঋণী ভৈলো বুলি দমাইয়া মাথা থাকয় ॥৬৩৮
হে কৃষ্ণ তযু পদমূলে একান্তে শৰণ লোৱে যিটো
কোন লাভ ইটো এড়াইবে কালৰ ভয়।
তযু ভকতৰ সঙ্গ গোটে সৰ্ব্ব পুৰুষাৰ্থৰাশি শিৰে
চড়িয়া কৌতুকে অত্যন্ত নৃত্য কৰয় ॥৬৩৯
পৰম দুৰ্ব্বোধ আত্মতত্ত্ব তাৰ জ্ঞাত অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।
তাহাৰ চৰিত্ৰ সুধাসিন্ধু তাত ক্ৰীড়া কৰি দীনবন্ধু
চাৰি পুৰুষাৰ্থ তৃণৰ সম কৰয় ॥৬৪০

উৰুক্ৰম পদ ৰেণু সেৱি ছয় উৰ্ম্মি জিনিলেক যিটো
সিটো পুৰুষৰ জানিবা আশ্চৰ্য্য নাই।
আকেসে আশ্চৰ্য্য বুলি ধৰি যাৰ নাম একবাৰ স্মৰি
চাণ্ডালো সম্প্ৰতি সংসাৰ-বন্ধ এড়ায় ॥৬৪১
কৃষ্ণক বোলন্ত ধনঞ্জয় তোমাৰ কীৰ্ত্তনে কৃপাময়
অতি অনুৰাগে জগতে কৰে হৰিষ।
তোহ্মাৰ কীৰ্ত্তন অগনিৰ শিখায়ে দগধ হুয়া আতি
ৰাক্ষস পিশাচ পলাই যায় দশো দিশ॥৬৪২

## ভাবাৰ্থ

ভক্তি সৰোবৰে কৃষ্ণ-পাদ পঙ্কজত পড়ি নিৰন্তৰে
পৰম আনন্দে ভকত ভ্ৰমৰ জাকে।
কৃষ্ণ যশ ৰস মধুপানে মত্ত হুয়া আতি সাৱধানে
ৰামনাম ৰাজহংস বাৰ শুনি থাকে ॥ ৬৪৩
ঐকান্তিক মহামুনি যত নিবৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হুয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰ তত্ত্ব কৃষ্ণ কথামৃত সাগৰত
কথনে মথনে সদায়ে ৰমণ কৰে ॥৬৪৪
হৰিৰ গুণৰ দেখা বল লভিলেক যিটো মোক্ষ ফল
তাহাৰা সবাৰো চিত্তক আনয় টানি।
এতেকে নিপুণ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নছাড়িবা সাৰ জানি ॥৬৪৫
শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তমশ্লোকৰ মহিমা গুণে।

কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো মই আপুনে ॥৬৪৬
তোমাত কহিবো সেহি শাস্ত্ৰ তুমি আক শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত মুকুন্দৰ পাদ-পঙ্কজত
আতি শীঘ্ৰে তাৰ হোৱে জানা সতী মতি ॥৬৪৭
সৃষ্টি-স্থিতি-প্ৰলয়ৰ হেতু অনন্ত বিচিত্ৰ কৰ্ম্ম হৰি
কৰা যিটো তাঙ্ক গাৱে শুনে প্ৰশংসয়।
অপবৰ্গ দাতা ভগৱন্ত তাহান চৰণ-পঙ্কজত
তিনিৰো নিশ্চয় উত্তম ভক্তি হোৱয় ॥৬৪৮

## নাম মহিমা

হৰি কীৰ্ত্তনৰ তাপ লাগি পলায় পাপ দশো দিশে ভাগি
হেৰা পাইলে বুলি ভয়ত ভিড়ি লৱড়ে।
ব্ৰহ্মাণ্ড ভিতৰে নপাই ঠাই আৰ ব্ৰহ্মাণ্ডক পলাই যায়
নামে খেদি নেন্ত ব্ৰহ্মাণ্ডোপৰি বাগৰে ॥৬৪৯
পাছে পাছে হৰি নামে খেদে একো ব্ৰহ্মাণ্ডত স্থান নেদে
মহা মহা পাতকৰ গৰ্ব্ব ভৈল দূৰ।
এবে কৈক যাইবো বুলি ডৰি কাম্পে পাপ সব তৰতৰি
হৰিনামে পাই দহি কৰিলেক চুড় ॥৬৫০
নামে পুৰুষক শুদ্ধ কৰি বৈলা নাম তাতে ভৰি পূৰি
ধৰ্ম্মময় তনু ভৈগৈল হৰি ভকত।
হৰিৰ কৰুণা ভৈল তাক উচ্চ কৰি দিয়া হৰি ডাক
পৰম সন্তোষে নাচে অতি আনন্দত ॥৬৫১

শুদ্ধে বা অশুদ্ধে এক নাম বোলে বা শুনে বা মনে স্মৰে
অপৰাধহীন পুৰুষক সন্থে তাৰে।
দেহ ধন জন অৰ্থ লোভে পাষণ্ড বুদ্ধিয়ে যিটো লোৱে
সেহি হৰিনামে তাৰিতে শীঘ্রে নপাৰে ॥৬৫২

## স্তুতি

বসুদেৱ নিগদতি হাসি সাক্ষাতে বিদিত ভৈল আসি
তুমিসে পুৰুষ প্ৰকৃতিতো কৰি পৰ।
সমস্তে জীৱৰ বুদ্ধি সাক্ষী কেৱল আনন্দ অনুভৱ
স্বৰূপ সুখৰ সাগৰ দেৱ ঈশ্বৰ ॥৬৫৩
হে কৃষ্ণ যত জীৱ নিত্য তিনি তাপে হুয়া সন্তাপিত
দুৰ্ঘোৰ সংসাৰ তাপত পৰি আছয়।
তযু পদ শ্বেত-ছত্ৰ প্ৰায় অমৃত বৰিষে সৰ্ব্বদায়
আৰ ছায়াবিনে নেদেখো আন আশ্ৰয় ॥৬৫৪
বলি নিগদতি যদুপতি ৰাম ৰাম ৰাম ৰাম ৰাম
কিনো কৃপা মোক কৰিলাহা নাৰায়ণ।
দেৱৰো দুৰ্ল্লভ আতিশয় ৰাম ৰাম ৰাম ৰাম ৰাম
গৃহতে থাকিয়া দেখিলো তযু চৰণ ॥৬৫৫

## শৰণ

শোক মোহ মহাপঙ্ক মাজে অৰ্জ্জুন মগন ভৈল দেখি
পৰম ঈশ্বৰ দৈৱকী-নন্দ নন্দন।
কৃপায়ে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেন ঈশ্বৰৰ চৰণে লৈলো শৰণ॥৬৫৬

## নমস্কাৰ

হে কৃষ্ণ ধনঞ্জয় সখা বৃষ্ণিকুল শ্ৰেষ্ঠ দুষ্ট ৰাজা
বংশৰ দহন অনন্তবীৰ্য্য গোৱিন্দ।
গো বিপ্ৰ দেৱ দুখহাৰী যোগেশ্বৰ সমস্তৰ গুৰু
নমো ভগৱন্ত তযু পদ অৰবিন্দ ॥৬৫৭

## প্ৰাৰ্থনা

ব্ৰহ্মা আদি জীৱ নিৰন্তৰে ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমটি যাই।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই ॥৬৫৮
ক্ষুদ্ৰ সুখে বহু আশা কৰি ভৱকূপে জীৱ আছে পৰি
কালসৰ্পে দংশি হৰাইল চেতন তাৰ।
মোক্ষৰূপ তযু বাক্যামৃত কৃপায়ে সিঞ্চিয়া প্ৰতিনিত
দয়াময় কৃষ্ণ কৰিয়ো মোক উদ্ধাৰ ॥৬৫৯
সৰোবৰে গ্ৰাহে ধৰি আছে গজেন্দ্ৰে পীড়াক পায়া পাছে
আকাশে গৰুড় স্কন্ধে চক্ৰ ধৰি হৰি।
দেখি সুবৰ্ণৰ পদ্ম ধৰি বোলে দুখে আৰ্ত্তনাদ কৰি
নমো ভগৱন্ত গুৰু লৈয়ো দাস কৰি ॥৬৬০
মধুৰিপু ৰাম ৰঘুপতি তুমি ভকতৰ নিজ গতি
তোমাৰ চৰণে শৰণ কৰিলো সাৰ।
নমো দেৱ দীন-দুখহাৰী দয়াশীল দামোদৰ প্ৰভু
আমি দুখিতক চৰণে কৰা উদ্ধাৰ ॥৬৬১

যে কৃষ্ণ তযু পাদ-পদ্ম পঞ্জৰ ভিতৰে মোৰ মন
ৰাজহংস পশি থাকোক প্ৰভু সৰ্ব্বথা ।
প্ৰাণ প্ৰয়াণৰ সময়ত কফ বাত পিত্ত আদি যত
কণ্ঠ নিৰোধনে তোমাৰ স্মৰণ কথা ॥৬৬২
হে কৃষ্ণ পুত্ৰপত্নী সঙ্গ তেজি তযু পদ চিন্তি নিত
গৰ্ব্ব শূন্য সন্ত সবৰ আশ্ৰমে যাইবো ।
তাসম্বাৰ মুখ পদ্ম মাজে হুইবে তযু কথামৃত নদী
তাতে মগ্ন হুয়া দেহাৰ হাত এড়াইবো ॥৬৬৩

## তাৎপৰ্য্য

চাৰিয়ো দেবৰ চাৰি অক্ষৰ সাৰ কাঢ়ি আনি ব্ৰহ্মাদেৱে
বেকত কৰিয়া থৈলা নাৰায়ণ বাণী ।
সেহি নাৰায়ণ নাম লৈয়া শুদ্ধ কৰো আমি চিত্ত কায়া
হৰি সন্তোষৰ কাৰণ আন নজানি ॥৬৬৪
একে খানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকীতনয় কৈলা যাক
দেবো এক মাত্ৰ দৈৱকী দেৱীৰ সুত ।
দৈৱকী পুত্ৰৰ পদসেৱা কৰ্ম্মো একে এহি মানে মাত্ৰ
মন্ত্ৰো একে তান নাম মাত্ৰ অদভুত ॥৬৬৫
কৃষ্ণযশে ধৌত চিত্ত হুয়া সমস্তে ক্লেশক তৰি পুনু
কৃষ্ণদাসে কৃষ্ণ চৰণ মূল নেড়য় ।
সকলে সম্পুৰ্ণ নিজ গৃহ পথিকসকলে পায়া লাগ
দুঃখ এড়াই পুনু যেন সিটো গৃহ নছাড়য় ॥৬৬৬
সকলে উপনিষদ ধেনু দোগ্ধা ভৈলা তাতে নন্দসুত
তাৰ বৎস ভৈলা কুন্তীসুত ধনঞ্জয় ।
দুগ্ধ ভৈলা মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধিসকলে সন্তোষে পান কৰয় ॥৭৬৭

## বস্তু প্ৰকাশ

আদি সত্য যুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰিনাম
দেৱসবে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্তে ক্লেশক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাঙ্গিলা সবাৰো পট ॥৬৬৮

## আশ্ৰয়

নোহো জানা আমি চাৰিজাতি চাৰিয়ো আশ্ৰমী নোহো আতি
নোহো ধৰ্ম্মশীল দানব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা পদ-কমলৰ
দাসৰ দাসৰ তান দাস ভৈলো আমি ॥৬৬৯

## প্ৰশংসা

সেহি ধন্য লোক শুচিমন্ত সৰ্ব্ব গুণে শ্ৰেষ্ঠ বিদ্যাৱন্ত
যজ্ঞে তপে আতি সি সি জন শুদ্ধমতি।
সি সি জন মহা দাতা জ্ঞানী সি সি সত্যবাদী মহামানী
পুৰুষোত্তমত আছয় যাৰ ভকতি ॥৬৭০

## মহিমাযুক্ত কীৰ্ত্তন প্ৰশংসা

যি দিশত মহাভক্ত সবে শ্ৰীমন্ত কমললোচনক
পৰম সন্তোষে কীৰ্ত্তন যিটো কৰয়।
সি দিশক নমস্কাৰ কৰি দুৰ্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত স্বৰূপ সিটো হোৱয় ॥৬৭১
ব্ৰহ্মানন্দ পদযুগলৰ মকৰন্দ মধুব্ৰতপ্ৰায়
ভকতসকলে যি দিশত প্ৰকাশয়।

সি দিশে জানিবা গঙ্গাদেবী অনেক প্ৰবাহৰূপে আতি
পৰম নিৰ্ম্মল স্বৰূপে শোভা কৰয় ॥৬৭২

শ্ৰীমধুদ্বিষ ঈশ্বৰৰ কীৰ্ত্তন মঙ্গল নিৰন্তৰ
যিটো ভূমিভগে শুদ্ধৰূপে হোৱে জাত।
তাৰ ধূলি যিটো শিৰে ধৰে নিশ্চয়ে জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত ॥৬৬৩

হে দেৱ মহেশ্বৰ হৰি তযু কথামৃত পান কৰি
বাঢ়ায়া ভকতি মনক শুদ্ধ কৰয়।
বৈৰাগ্যেসে সাৰ ভৈল যাৰ হেনয় বোধক লভি সুখে
পৰম নিৰ্ম্মল বৈকুণ্ঠ গৈয়া পাৱয় ॥৬৭৪

হৰি সত্য নিত্য ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত
তাহান চৰিত্ৰ পৰম আনন্দ ৰস।
তাক এড়ি মন দুৰাশয় যতেক বিষয় বিষময়
তাকে আশা কৰি সংসাৰে মজি মৰস ॥৬৭৫

মহন্ত সবৰ সঙ্গ লৈয়া হৰিত একান্ত চিত্ত দিয়া
পৰম আনন্দে গায়ো হৰি গুণনাম।
সহজে কৃপালু দেৱহৰি লৈবা আপোনাৰ দাস কৰি
হৰিদাস ভৈলে হৈবা ভাই পূৰ্ণকাম ॥৬৭৬

## নামান্বয়

কৃষ্ণ নিগদতি অৰ্জ্জুনত দেহাদিক আমি অতিক্ৰমি
হৈয়া আছো শুদ্ধ ব্ৰহ্মতো কৰি উত্তম।
এতেকেসে জানা ইটো লোকে বেদতো প্ৰখ্যাত হুয়া আছে
মোৰ নাম ইটো প্ৰখ্যাত পুৰুষোত্তম ॥৬৫৭

## উপদেশ

যিটো মহামতি গুৰুজনে হৰি ভক্তি পথ উপদেশ
দিয়া দুঃখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰুঋণ সুজিবাক প্ৰতি জানা নিষ্ঠ
অন্যত্ৰ উপায় নাহি অঞ্জলিত পৰে ॥৬৭৮

হৰি ভক্তিদাতা গুৰুঋণ সুজিবাক যিটো অহঙ্কাৰী
অনেক যতনে মনত আলোচে মাত্ৰ।
ঋণ সুজিবাক নপাৰয় জানিবাহা সিটো দুৰাশয়
উপলা সদৃশ বিনোদৰ ভৈল পাত্ৰ ॥৬৭৯

হৰি যেন অতি কৃপাময় ভক্ত গুৰুজনো সেহি নয়
দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।
কৃপাৰসে তুষ্ট হুয়া চিত্ত লোকৰ হিতক চিন্তি নিত
নিজ গুণে তুষ্ট দুয়ো অহঙ্কাৰে হীন ॥৬৮০

## খেদ

আপোন নামক বহুতৰ কৰি নিজ সৰ্ব্ব শক্তি দিয়া
কালৰ নিয়ম নিবিহিলা স্মৰণত।
এতাদৃশী তব কৃপা হৰি মোহোৰ দুৰ্দ্দৈৱ দেখা কিনো
অনুৰাগ প্ৰভু নভৈল তযু নামত ॥৬৮১

কত মহা দুঃখে পুণ্য কৰি অপবৰ্গ যোগ্য নৰতনু
পায়া পৃথিবীত বিষয়ত মজি ৰৈল।
ইটো খেদ হৃৰিসেৰা ত্যেজ আপোনাক আত্মঘাত কাৰ
সিটো মহাপাপী আপুনি বঞ্চিত ভৈল ॥৬৮২

## ভাগৱত প্ৰশংসা

ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানা মত
যত মহাজন সবাৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটি সূৰ্য্য সম প্ৰকাশয়
মহাভাগৱত নোহন্ত যাবে বেকত ॥৬৮৩

## পৰম পুৰুষাৰ্থ

একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা নবাঞ্ছয়
মহা অদভুত হৰিগুণ-নামময়।
পৰম মঙ্গল কৃষ্ণযশ যাত পৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজি ৰহয় ॥৬৮৪

## শৰণছন্দ

যাদৱ যদুনন্দন, মাধৱ মধুসূদন।
তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোমাত লৈলো শৰণ ॥৬৮৫
ইবাৰ কৰুণাময় হৰি কমলাপতি
মোৰে নছাড়িবা নাৰায়ণ।
অৰুণ চৰণ তলে হৰি কমলাপতি
সত্যে সত্যে পশিলো শৰণ ॥৬৮৬
হৰি চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ।
মানৱী জনম সাফল কৈলো এ হৰি নাৰায়ণ ॥৬৮৭
গোপাল গোবিন্দ যদুনন্দন।
কৃষ্ণৰ চৰণে লৈলো শৰণ ॥৬৮৮

ৰাঘৱৰ অভয় চৰণে ।
সত্যে সত্যে পশিলো শৰণে ॥৬৮৯
ৰামৰ চৰণে লৈলো ।
মানবী জনম সাম্ফল কৈলো ॥৬৯০
হৰি ও হৰি চৰণে লাগো ।
অভয় চৰণে শৰণ মাগো ॥৬৯১
ৰাম ৰঘুপতি ৰঘুনন্দন ।
তোমাৰ চৰণে লৈলো শৰণ ॥৬৯২

## ভজন

গোপীনাথ গোৱিন্দ ৰাম-কৃষ্ণ হৰি ।
ভজোহো তোমৰে পদ-কমলত ধৰি ॥৬৯৩
ভজো গোৱিন্দ তোমাৰ পাৱ ।
মোক নছাড়িৱা সেৱক দায় ॥৬৯৪
ৰাম-কৃষ্ণ গোপীনাথ গোৱিন্দ ।
সেবোহো তযু পদ অৰবিন্দ ।৬৯৫
প্ৰণত পালক দেৱ গোবিন্দ ।
ভজোহো তযু পদ অৰবিন্দ ॥৬৯৬
মোৰ প্ৰভু নাৰায়ণ এ
হৰি হৰি তোমাৰ চৰণে মনে ভজো ।
তোমাক নজানি ভৱসিন্ধু মাজে মজো ॥৬৯৭
ভুবন মোহন ৰাম ভজিলো তোমাৰ পাৱ
মহা মহা পাপী যাৰ নাম জপি উত্তম পদক পায় ॥৬৯৮

ৰামকৃষ্ণ নাৰায়ণ নিৰঞ্জন নিৰাকাৰ
নিৰ্ব্বিকাৰ নিৰাময় হৰি ।
চিদানন্দ সদানন্দ পুৰুষ পৰমানন্দ
ভজো তুৱা চৰণত ধৰি ।
হৰি-ৰাম বিভু প্ৰভু অনন্ত দৈত্যাৰি ॥৬৯৯

## নমস্কাৰ

দীনবন্ধু ৰাম দয়াশীল দেৱ ।
তুৱা পদ কমল সদায়ে কৰো সেৱ ॥৭০০
মোৰ প্ৰভু ৰাম কৰুণা সাগৰ ।
আমি দুঃখিতক নছাড়িবা দামোদৰ ॥৭০১
মধুৰিপু ৰাম কমললোচন ।
তুৱা গুণ-নামে ভৱ-ভয় বিমোচন ॥৭০২
বন্দো মাধৱ মধুৰিপু ৰাম ।
তুৱা পদ-কমল যুগল হৰি এ ॥৭০৩

## উপদেশ

পীউ পীউ পীউ অমিয়া মাধুৰী হৰিনাম ৰাম ৰাম ।
দূৰতে তেজিয়া থৈয়ো আন যত মন-কাম ৰাম ৰাম ॥৭০৪
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোলা ভাই এ
সকল নিগমে ওহি সাৰ ।
সুমৰিতে হৰি বশ্য হোৱে ভাই এ,
সুখে পাই ভৱ-নদী পাৰ ॥৭০৫
ভাল উপায় পাইলো ভাই ভাই এ·
ৰামনাম নিগম ৰহস্য ।

এক চিত্ত মনে ভাব ভাই ভাই এ
যাৰে নাম তাকে কৰা বশ্য ॥৭০৬
ৰাম-কৃষ্ণ হৰি বুলিয়ো মুখে ।
হৰি-পদে মন মজায়ো সুখে ॥৭০৭
ৰাম বুলি ফুৰা বাহু আছাড়ি ।
কপটৰ মোট পেলাইয়ো ফাড়ি ॥৭০৮
ভজ ভগৱন্ত ভকতি ভাৱে ।
নাম লৈয়া গতি পতিতে পাৱে ॥৭০৯
ৰামনামখানি ফুৰিয়ো গায়া ।
কি কৰিবেক তাক হৰিৰ মায়া ৭১০
ৰামনামখানি লৈয়োক ডাটি ।
হেলায়ে মাৰিয়ো যমেৰ ঘাটি ॥৭১১
মুখে ৰামনাম গাৱ ।
মায়াৰ বাঝু মাৰিয়া যাৱ ॥৭১২
ৰাম-কৃষ্ণ নাম জপ সঘনে ।
হৰিৰ চৰণ নেড়িবা মনে ॥৭১৩
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোলা ।
আশা-সমুদ্ৰৰ মন তোলা ॥৭১৪
ৰাম-কৃষ্ণ হৰি বুলিয়ো ঝাণ্টে ।
মিলিবে মৰণ হাটে কি বাটে ॥৭১৫
হৰিত শৰণ লৈয়া যিটো জন এ,
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে ।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ,
সিটো মহাজনে অতি মহাসুখে তৰে ॥৭১৬

ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোলে ভাই এ,
পৰম যতনে তেজিয়া যত অন্যায়।
তোমাক মই ভাণ্ডো তুমি মোক ভাণ্ডা এ
চৈধ্যয় সাক্ষীক ভাণ্ডিবা কোন উপায় ॥৭১৭
ভাৰতবৰিষ ধন্য কলিযুগ,
হৰি হৰি হৰি হৰি হৰি এ,
হৰি হৰি হৰি ব্ৰহ্মাৰ প্ৰাৰ্থনী নৰতনু অনুপাম।
হৰিত একান্তে শৰণ পশিয়া, হৰি হৰি হৰি হৰি এ
হৰি হৰি হৰি ধৰ্ম্মশিৰোমণি
ঘুষিয়ো হৰিৰ নাম ॥৭১৮

আত্ম উপদেশ

বিচাৰি দেখস পামৰ মনাই এ,
ইহ পৰলোকে হৰিসে সুহৃদ বন্ধু ৰাম ৰাম ॥৭১৯
মজিয়া ৰহস সুহৃদ মনাই এ
হৰিগুণনাম অপাৰ আনন্দ সিন্ধু ৰাম ৰাম।
নিচিন্তি আছস কেমনে মনাই এ
সুখেৰ সাগৰ হৰিত কৰিয়ো ৰতি ৰাম ৰাম।
আলস তেজিয়ো ভজিয়ো মনাই এ,
ভৃত্য-ভয়হাৰী হৰিসে পৰম গতি ৰাম ৰাম ॥৭২০
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোল ৰে পামৰ মন,
ভুলিয়া কমনে পাপী মৰ।
যাৰ মায়া-পাশে বন্দী, হুয়াছ পামৰু মন,
তান দুই চৰণত ধৰৰে পামৰু মন,
ভুলিয়া কমনে পাপী মৰ ॥৭২১

গোবিন্দ বোল মনাই, মুকুন্দ বোল মনাই,
ব্ৰহ্মা হৰে যাত শৰণ পশয়,
আনৰ কোন বৰই ॥৭২২
বিষয় বিকলে নমৰ মন ।
সদায় চিন্তিয়ো হৰিচৰণ ॥৭২৩
নিগম নিগূঢ় হৰিৰ নাম ।
নলৈয়া মন কৰ কোন কাম ॥৭২৪
ভৱসিন্ধু সেতু হৰিচৰণ ।
যম-কাল-মায়া দুঃখ তাৰণ ॥৭২৫
কপট আচাৰ তেজিয়া মন ।
কেৱলে ভজিয়ো হৰি চৰণ ॥৭২৬
কৈতব তেজিয়া ভজিয়ো হৰি ।
তেৱেসে হৰি লৈবে দাস কৰি ॥৭২৭
হৰিৰ আশ্ৰয় নেড়িয়ো ভাই ।
ঐকান্তিক সুখ তেৱেসে পায় ॥৭২৮
একান্তে হৰিত কৰিয়ো ৰতি ।
হৰিসে নিজে ভকতৰ গতি ॥৭২৯
সৰ্ব্ব পুৰুষাৰ্থ কৈতব জান ।
হৰি মাত্ৰ সত্য বেদ প্ৰমাণ ॥৭৩০
পৰম শ্ৰেয়স হৰি ভকতি ।
জানি হৰিপাৱে কৰিয়ো ৰতি ॥৭৩১
হৰি-গুণ-নাম কৰিয়ো সাৰ ।
নিজ যশ প্ৰিয় জগ-আধাৰ ॥৭৩২

বিধিৰ ঈশ্বৰ হৰিভকতি ।
গায়ো হৰিযশ নির্ম্মল মতি ॥৭৩৩
লৈয়ো একে মাত্র সাধু সঙ্গতি ।
তেৱেসে নির্ম্মল হৈব ভকতি ॥৭৩৪
যাৰত কৈতব নেড়স মন ।
তাৱত নপাইবি হৰি-চৰণ ॥৭৩৫
কৈতৱ অসত্য জান ভাল কৰি ।
ভজিয়ো হৰিক কৈতব এড়ি ॥৭৩৬
হৰিত বিনাই সবে কৈতৱ ।
ভজ হৰিপাৱে কৰি উৎসৱ ॥৭৩৭
ক্ষণিক জীৱন জানি মনাই ।
তৰিয়ো সুখে হৰি-গুণ গাই ॥৭৩৮
দুর্ঘোৰ সংসাৰ নিকাৰ জানি ।
নেড়িবা সদা মুখে হৰি-বাণী ॥৭৩৯
তেবেসে হৰিৰ পাইবা আশ্রয় ।
ভজিয়ো হৰি তেজি লাজ ভয় ॥৭৪০
নিৰ্গুণ হৰিৰ গুণক গায়া ।
পৰমানন্দ পাইবা তেজি মায়া ॥৭৪১
হৰি-গুণ-নাম নিগম তত্ত্ব ।
মুকুত সবৰো মুখ্য সম্মত ॥৭৪২
জানি হৰিপদে নেড়িয়ো আশ ।
কহে মূঢ়মতি মাধৱ দাস ॥৭৪৩

ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ বোল মন ভাই
হৰিয়ো সন্তোষ হয় গুচয় সংসাৰ ভয়,
হৰি পদসেৱা সুখ পায়, হৰি ৰাম ॥৭৪৪

## নিন্দা

হৰিৰ নামৰ কীৰ্ত্তন-সুখ।
নজানে যি জন হৰি-বিমুখ ॥৭৪৫
নকৰে কীৰ্ত্তন যিটো পামৰ।
সিজন অধীন ভৈল যমৰ ॥৭৪৬
হৰি-গুণ-নাম নলৱে মুখে।
যমৰ যাতনা ভুঞ্জিবে দুখে ॥৭৪৭
নকৰে কীৰ্ত্তন হৰি-নামৰ।
কি কাৰ্যে মনুষ্য ভৈল পামৰ ॥৭৪৮
হৰি কীৰ্ত্তনত নকৰে ৰতি।
পশুতো অধম সিটো কুমতি ॥৭৪৯
নুফুৰে সদা হৰি-গুণ গায়া।
জানিবা মুহিলে হৰিৰ মায়া ৭৫০
হৰি-কীৰ্ত্তনত নেদিলে চিত্ত।
সিটো ভাগ্য-শন্য ভৈল বঞ্চিত ॥৭৫১

## আত্মনিন্দা

তুমি প্ৰাণ-প্ৰিয়তম সুহৃদ দেৱ,
প্ৰাণ প্ৰভু পীতাম্বৰ এ,
তুমিসে কেৱলে আত্মা মোৰ।
হৰি হৰি তুমিসে পৰম আত্মা মোৰ।

তোমাক নজানি জড় মিছা শৰীৰক মই,
প্ৰাণ প্ৰভু পীতাম্বৰ এ,
আত্মা বুলি ভৈলো সেৱা চোৰ ।
প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ হৰি এ ॥৭৫২

---

## খেদ

দুৰ্ব্বাৰ দুঃসঙ্গ দুৰ্ব্বাসনা দুষ্ট,
হৰি হৰি হৰি হৰি এ,
অনাদি অবিদ্যা আপুনি ভৈলো মোহিত ।
অনাত্মা দেহক আত্মা বুদ্ধি কৰি,
হৰি হৰি হৰি হৰি এ,
তুমি পৰমাত্মা ঈশ্বৰে ভৈলো বঞ্চিত ।
আত্যন্তিক সুখ তযু পদ সেৱা
হৰি হৰি হৰি হৰি এ,
সেৱা পৰিহৰি সি সুখে ভৈলো বঞ্চিত ॥৭৫৩
মায়াময় ঘোৰ সংসাৰ নিকাৰ,
হৰি হৰি হৰি হৰি এ,
তাকে সুখ মানি মগ্ন ভৈল মোৰ চিত্ত ॥৭৫৪
তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মল নিৰ্গুণ দেৱ,
মোৰ প্ৰভু নাৰায়ণ এ,
স্বৰূপ আনন্দে সদা সুখী ।
হৰি হৰি তুমি নিজানন্দে সদা সুখী ॥

আমি মূঢ়মাত ঘোৰ অবিদ্যা সাগৰে মজি,
মোৰ প্ৰভু নাৰায়ণ এ,
তোমাক নজানি ভৈলো দুঃখী।
হৰি হৰি স্বৰূপ নজানি ভৈলো দুঃখী হৰি এ ॥৭৫৫
অখণ্ডিত সদা শুদ্ধ চৈতন্য শক্তিৰ বলে,
মোৰ প্ৰভু নাৰায়ণ এ,
তুমি দূৰ কৰি আছা মায়া।
হৰি হৰি তোমাৰ নিকটে নাহি মায়া।
তোমাক নভজো পদে মায়ায়ে মুহিলে মোক
মোৰ প্ৰভু নাৰায়ণ এ,
আবে কৃপাময় কৰা দায়া।
হৰি হৰি মায়াক নিবাৰি কৰা দায়া হৰি এ ॥৭৫৬
দৈৱকী নন্দন দেৱ দৈৱকী নন্দন দেৱ,
দীনবন্ধু দামোদৰ এ,
হৰি হৰি চৰণে উদ্ধাৰ কৰা মোক।
প্ৰাণবন্ধু ইবাৰ নেড়িবা হৰি মোক।
ভকতি মিনতি স্তুতি প্ৰণতি নজানো মই,
দীনবন্ধু দামোদৰ এ,
হৰি হৰি আবে মোৰ কেন গতি হৌক।
প্ৰাণবন্ধু মোৰ মন তোমাত ৰহোক হৰি এ ॥৭৫৭
হে কৃষ্ণ তুমি নিজ আত্মা প্ৰিয়তম গুৰু,
মোৰ প্ৰভু নাৰায়ণ এ,
পৰম ঈশ্বৰ ভয়হাৰী,
হৰি হৰ তুমি ইষ্টদেৱ ভয়হাৰী।

এতেকে জানিয়া তযু চৰণে শৰণ লৈলো,
মোৰ প্ৰভু নাৰায়ণ এ
নছাড়িবা ইবাৰ মুৰাৰি ।
হৰি হৰি লৈয়ো মোক মায়াক নিবাৰি হৰি এ ॥৭৫৮

মনুষ্যযোনিৰ কৰ্ম্মে নিঃশেষ যোনিত ফুৰি
দীনবন্ধু দামোদৰ এ,
হৰি হৰি বাৰে বাৰে ভুঞ্জিলো অপাৰ ।
দীনবন্ধু কতবা ভুঞ্জিলো নাহি পাৰ ।

ইবেলি তোমাৰ দুই চৰণে শৰণ লৈলো
দীনবন্ধু দামোদৰ এ,
হৰি হৰি নকৰিবা মোক পৰিহাৰ ।
প্ৰাণবন্ধু চৰণত ৰাখিয়ো ইবাৰ হৰি এ ॥৭৫৯

পুনু পুনু নৰতনু লভিয়া তোমাক তেজি,
দীনবন্ধু দামোদৰ এ,
হৰি হৰি সংসাৰে ভ্ৰমিলো অসংখ্যাত ।
দীনবন্ধু কতবা কৰিলো আয়াযাত ।
ইবেলি কৰুণাময় তোমাৰ কিঙ্কৰ ভৈলো,
দীনবন্ধু দামোদৰ এ,
হৰি হৰি ৰতি মোৰ ৰহোক তোমাত ।
প্ৰাণবন্ধু চৰণত কৰোঁ প্ৰণিপাত হৰি এ ॥৭৬০

মাধৱ মুকুন্দ মুৰাৰি কি গতি হইল আমাৰ
মায়াৰ ৰচনা আশানদী মাজে
মাজিয়া নপাইলো পাৰ ॥৭৬১

## মহিমা

ৰামৰ নামেসে অমিয়া জুৰে ।
ভকত জনৰ মনোৰথ পূৰে ॥৭৬২
ভাল ভাৰসা পায়া আছি হৰি করুণাময়,
ৰাম কৃষ্ণ কৃপাৰ ঠাকুৰ ।
ৰাম বুলিতে পাপী তৰে হৰি করুণাময়,
সকল আপদ হোৱে দুৰ ॥৭৬৩
ভকত সবে ৰামনাম গাৱে ।
কাল-মায়া ডৰে তৰতৰাৱে ॥৭৬৪

## কারুণ্য

জয় জগজীৱ মোৰে প্ৰাণ,
মোৰে প্ৰাণধন বান্ধৱ মুৰাৰি ।
শ্ৰৱণ আনন্দে শুনিছো গোৱিন্দ,
তুমি দীন-দুঃখহাৰী ॥৭৬৫
মোৰ জীৱধন গোপীনাথ,
প্ৰাণ গোপীনাথ পশিলো শৰণে ।
মোৰ প্ৰাণ মন মজিয়া ৰহোক,
তোমাৰ চৰণে ॥৭৬৬
দুগুটি অক্ষৰ ৰাম-নাম,
শ্ৰীৰাম নাম অমিয়া মাধুৰী ঝুৰে ।
আতি সুকোমল পৰম মঙ্গল,
সবে মনোৰথ পূৰে ॥৭৬৭

জয় জয় নিত্য নিৰঞ্জন,
নিত্য নিৰঞ্জন দেৱ শিৱ সনাতন ।
পৰম অভয় তোমাৰ চৰণ,
তাপ তিনি বিনাশন ॥৭৬৮

দয়াশীল দেৱ দামোদৰ তুমি দীন-জন বন্ধু
পতিত পাৱন তুমি কৃপাময়,
কেৱলে করুণাসিন্ধু ॥৭৬৯

হৰি হৰি হৰি হৰি এ, হৰি হৰি হৰি হৰি
তুমি কৃপাময় দীন দুঃখবিনাশন ।
ভৃত্য-ভয়হাৰী জানিয়া তোমাৰ
চৰণে লৈলো শৰণ ॥৭৭০

হে কৃষ্ণ দীন দয়াশীল দায়া নছাড়িবা মোৰে
অজ্ঞান তিমিৰ নাশিয়া বিজ্ঞান,
প্ৰদীপ প্ৰভু দিয়োক ॥৭৭১

ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম,
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ অগতিৰ গতি ।
অচিন্ত্য অনন্ত সুখৰ সাগৰ,
কৃষ্ণৰ পদ ভকতি ॥৭৭২

হে প্ৰাণ প্ৰভু কৃষ্ণ দেৱ, প্ৰাণ কৃষ্ণ দেৱ
দীনক কৰিয়ো দায়া
পৰম তাপিতে মাগোহো তোমাৰ
শীতল চৰণ-ছায়া ॥৭৭৩

প্ৰাণ প্ৰিয়তম যদুদেৱ দিয়ো মোক এহি দান
কৰায়ো তোমাৰ চৰণ সেৱাৰ
সন্তোষ অমিয়া পান ॥৭৭৪

নমো ৰাম-কৃষ্ণ সদাশিৱ,
সদাশিৱ কৃষ্ণ তুমি জগতৰ পতি।
অপায় ৰহিত মাগোহো ভকতি
চৰণে কৰি প্ৰণতি ॥৭৭৫

জগত গুৰু নাৰায়ণ জগত গুৰু নাৰায়ণ
মোৰ প্ৰভু ৰাম-কৃষ্ণ ৰাম।
হৰিতো হৰি ৰাম কৃষ্ণ হৰি ৰাম ॥৭৭৬

ৰাম-কৃষ্ণ নিৰঞ্জন ৰাম-কৃষ্ণ নিৰঞ্জন,
দীনবন্ধু নাৰায়ণ এ
তুমি-প্ৰভু অগতিৰ গতি ॥৭৭৭

গোপীনাথ গোপীনাথ মোৰে কমলাকান্ত,
মোৰ প্ৰভু ৰাম নাৰায়ণ।
অভয় চৰণ পাই পশিলো শৰণ ॥৭৭৮

অনাদি অনন্ত হৰি এ জীৱন বন্ধু,
ৰাম-কৃষ্ণ কৰুণা সাগৰ।
অনাথৰ নাথ দয়াশীল দামোদৰ ॥৭৭৯

পৰম পুৰুষ প্ৰভু এ পৰমানন্দ,
পৰম-কাৰণ নাৰায়ণ
ভকত-ৰঞ্জন তযু অৰুণ চৰণ।
অনন্ত অচ্যুত সদাশিৱ সনাতন ॥৭৮০

জয়তি জগত গুৰু এ গুণেৰ নিধি,
নিত্য নিৰঞ্জন নিৰাকাৰ।
তোমাৰ চৰণে সদা শৰণ আমাৰ ॥৭৮১
দৈৱকীনন্দন প্ৰভু এ পৰম গুৰু,
দায়াশীল দেৱ নিৰঞ্জন।
তযু পদ-কমলে মজোক মেৰি মন ॥৭৮২
জগত জীৱন যদুএ এ যাদৱানন্দ,
জগত-কাৰণ যদুপতি।
তুমিসে কেৱলে নিজ ভকতৰ গতি ॥৭৮৩
ভকত বৎসল প্ৰভুএ ভকত বন্ধু,
ভকত-ৰঞ্জন ভয়হাৰী।
ভকতৰ নিজ গতি তুমিসে মুৰাৰি ॥৭৮৪
পতিত জনৰ গতিএ জগতপতি,
পতিত পাৱন ভগৱন্ত।
পৰম ঈশ্বৰ দেৱ অনাদি অনন্ত ॥৭৮৫

## তাৎপৰ্য্য

করুণাময় ৰাম করুণাময়।
কৰিয়ো কৃপা যেন উচিত হয় ॥৭৮৬
তুমিসে ৰাম কৃপা ৰসেৰ নিধি।
তোমাৰ কৃপাবিনে নাহিকে সিদ্ধি ॥৭৮৭
তোমাৰ কৃপাকেসে কৰিছো আশ।
অৰুণ পদতলে দিয়োক ৰাস ॥৭৮৮
সহজে তুমি ৰাম করুণাসিন্ধু।
তোমাত কৃপা বিনে আন নাহিকে বন্ধু ॥৭৮৯

তোমাৰ কৃপালেশে আমাৰ গতি।
কহয় মাধৱ মূৰুখমতি ॥৭৯০

## কাকুতি

কিমতে ভকতি কৰিবো তোমাত হৰিএ,
মই মূঢ়মতি নজানো তাৰ উপায় ৰাম ৰাম।
মহাবলৱন্ত দুৰ্ব্বাসনা ঘোৰ হৰি এ,
আমাৰ মনক তেজিয়া দূৰ নযায় ৰাম ৰাম ॥৭৯১
তোমাৰ মায়ায়ে মন মুহি আছে হৰি এ,
অজ্ঞান আন্ধাৰে পড়িয়া পাৰ নপাওঁ ৰাম ৰাম।
অভয় চৰণে শৰণ পশিলো হৰিএ,
তুৱা গুণনাম-ভকতি-প্ৰদীপ চাও ৰাম ৰাম ॥৭৯২
ভকতি মিনতি প্ৰণতি নজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীনমতি নাই ৰাম ৰাম
তুমি প্ৰভু কৃপা ৰসেৰ সাগৰ হৰিএ
দিয়া মোক তুৱা পদছায়া তলে ঠাই ৰাম ৰাম ॥৭৯৩
হৰিএ কৰুণাসিন্ধু জীৱনবন্ধু, গতি মতি তুমি নাৰায়ণ।
তুৱা গুণনাম ভকতৰ মহাধন ॥৭৯৪
পতিত বুলিয়া মোকে হৰি হৰি এ ৰাম,
তেজিতে নপাৰা নাৰায়ণ।
পৰম কৰুণা গুণে হৰি হৰি এ ৰাম,
নাম ধৰিছা পতিতপাৱন ॥৭৯৫
দায়াৰ ঠাকুৰ হুয়া দায়া কেনে নকৰা।
ৰাম-কৃষ্ণ নাৰায়ণ দীন দয়াময় ॥৭৯৬

মোকে কৃপা কৰা হৰি এ,
দান্তে ধৰো তৃণ মাথে ধৰো তৃণ,
তুমি কৃপাময়ক নজানো এত দিন ॥৭৯৭
মোকে কৃপা কৰাএ ঐবন্ধু ৰাম, প্ৰাণবন্ধু ৰাম,
নেৰোক মুখে ৰাম-কৃষ্ণ ৰাম,
মোকে কৃপা কৰাএ ॥৭৯৮
পতিতপাৱন বুলি নাৰায়ণএ,
পৰম পতিতে ডাকয় আতুৰ হুয়া ।
তযু বেদ-বাণী আমি আছো শুনিএ,
মহাপাপী তৰে তযু নাম লৈয়া ॥৭৯৯
তুৱা গুণনাম অমৃত আশায় এ,
তোমাৰ চৰণে বিকা গৈলো মূঢ়মতি ।
চৰণত ধৰো কাতৰ কৰো এ
মই অনাথক নছাড়িবা যদুপতি ॥৮০০
তোমাৰ সেৱক ভৈলো নাৰায়ণ এ,
নিশ্চয় তোমাৰ দিবাক লাগে প্ৰসাদ ।
নিজ ভৃত্য কৰি লৈয়ো গোপীনাথএ,
তযু কৃপাময় মিলয় কোন প্ৰমাদ ॥৮০১
হে দয়াশীল দেৱ দামোদৰএ,
তোমাৰ চৰণে বোলোহো কাকুতি বাণী ।
মোক নিজ দাস কৰি লৈলে হৰি এ,
কহিয়ো কৃপাল তোমাৰ কি হয় হানি ॥৮০২
পৰম কৃপালু হৈয়া যদুপতি এ,
কিনো অপৰাধে মোক ভৃত্য পৰিহৰা

শাস্ত্ৰতো প্ৰসিদ্ধ অজ্ঞানতো হৰি এ,
যিটো নাম লয়ে তাকে মোৰ বুলি ধৰা ॥৮০৩
জ্ঞান শূন্য অতি পশু-পক্ষী জাতি এ,
তাকো অনুগ্ৰহ কৰি আছা কৃপাময় ।
আকে জানি হৰি শৰণে পশিলো এ,
আমাক তোমাৰ তেজিতে উচিত নয় ॥৮০৪
তোমাৰেসে নিজ ভৃত্য ভৈলো হৰিএ,
কৃপাৰ সাগৰ তুমি মোৰ নিজ স্বামী ।
মই অনাথক নবঞ্চিবা হৰি এ,
তযু সেৱা ৰস আশা কৰিয়াছো আমি ॥৮০৫
বেদৰ গুপুত বিত্ত নাৰায়ণ এ
দৈৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত ।
জীৱৰ তৰণ হেতু নাৰায়ণ এ,
প্ৰচাৰিলা নিজ যশ ধৰ্ম্ম বিপৰীত ॥৮০৬
ভকতৰ বশ্য হইবাৰ শঙ্কায় এ,
যোনো তুমি মোক দাস পৰিহৰা হৰি ।
ইটো শঙ্কা হৰি দূৰতে তেজিয়া এ,
লৈয়োক তোমাৰ ভৃত্যৰ অধীন কৰি ॥৮০৭
তোমাৰ গুণৰ মহিমা দেখিয়া এ
আন যত কাম দূৰতে তেজিয়া থৈলো ।
তযু পদসেৱা ৰসক আশায় এ,
তোমাৰ একান্ত ভৃত্যৰ কিঙ্কৰ ভৈলো ॥৮০৮
সহজ কৃপালু গুণক প্ৰকাশিএ,
ধৰি আছা হৰি ভকতবৎসল নাম ।

ধেনূ যেন মতে বৎসক পালয় এ,
তুমি সেহি মতে ভকতক পালা ৰাম ॥৮০৯
আমি যত জীৱ তোমাৰ পালন এ, হৰি হৰি হৰি হৰিএ
তুমিসে পালিয়ে ফুৰা হুয়া অন্তৰ্য্যামী।
আবে যেবে নিজ ভৃত্য বুলি পালা, হৰি হৰি হৰি হৰিএ
তেবেসে কৃপাল কৃতকৃত্য হওঁ আমি ॥৮১০
তুমি যাক পালা সিয়ো জন আমি, হৰি হৰি হৰি হৰি
সংসাৰ নিকাৰ ভুঞ্জিয়া ফুৰো বহুত।
তোমাৰ অধীন হুয়া কেনে আমি, হৰি হৰি হৰি হৰিএ,
ভৈলোহো স্বতন্ত্ৰ ইটো কিনো অদভুত ॥৮১১
তোমাক পৰম ঈশ্বৰ নমানি, হৰি হৰি হৰি হৰিএ,
মহা অহঙ্কাৰে দ্ৰোহ আচৰিলো আমি।
আৰে তযু পদে শৰণ পশিলো, হৰি হৰি হৰি হৰিএ,
মই দ্ৰোহীয়াৰ দোষ ক্ষমা কৰা স্বামী ॥৮১২
দাস হুয়া তযু সেৱা নকৰিলো, হৰি হৰি হৰি হৰিএ,
ইটো ঘোৰ অপৰাধৰ চিকিৎসা নাই।
তুমি পুনু প্ৰভু সহজ কৃপালু, হৰি হৰি হৰি হৰিএ,
শৰণ পশিলো ক্ষমিতে প্ৰভু যুৱাই ॥৮১৩
মই অজ্ঞানীৰ যতেক অজ্ঞান, হৰি হৰি হৰি হৰিএ,
কথা কহি কোনে সীমা কৰিবেক তাক।
ইটো মোৰ ঘোৰ দোষ পৰিহৰি, হৰি হৰি হৰি হৰিএ,
কৃপাময় কৃষ্ণ চৰণে ৰাখা আমাক ॥৮১৪
প্ৰিয়তম আত্মা ঈশ্বৰ দেৱতা, হৰি হৰি হৰি হৰিএ,
কৃষ্ণেসে সুহৃদ বান্ধৱ গুৰু আমাৰ।

কৃষ্ণৰ চৰণ-পঙ্কজ বিনাই, হৰি হৰি হৰি হৰিএ,
মই অনাথৰ গতি নাহি নাহি আৰ ॥৮১৫

## প্ৰাৰ্থনা

অচিন্ত্য অনন্ত শকতিৰ পতি, হৰি হৰি হৰি হৰিএ,
তুমি কৃপাময় দেৱ অগতিৰ গতি।
তুমি সত্য সনাতন সদাশিৱ, হৰি হৰি হৰি হৰিএ,
তোমাৰ চৰণে মাগোহো নিৰ্ম্মল ৰতি ॥৮১৬
হে হৰি মোৰ মুখে নছাড়োক, হৰি হৰি হৰি হৰিএ,
পৰম নিৰ্ম্মল তযু গুণ-নাম যশ।
কৰা কৃষ্ণ কৃপা যনত মিলোক, হৰি হৰি হৰি হৰিএ,
তযু পদ সেৱা পৰম অমিয়া ৰস ॥৮১৭
জয় জয় ৰাম করুণা সাগৰ এ,
মোক নাৰায়ণ ইবাৰ কৰিয়ো দায়া।
অভয় চৰণে শৰণ পশিলো এ,
প্ৰভু দামোদৰ দূৰ কৰা মোৰ মায়া ॥৮১৮
যাদৱ যদুনন্দন মুকুন্দ মুৰবিনাশী।'
অবিদ্যা সাগৰে মজিলো মাধৱ উদ্ধাৰ কৰিয়ো আসি ॥'১৯
জীৱন যাদৱৰায় সেৱোহো তোমাৰ পায়,
ৰাম নেৰিবা নফৰ দায় তুৱা পাৱে ৰতি
যিমতে কৰিবো দিয়োক নাথ উপায় ॥৮২০
যাদৱ জয় যদুপতি তোমাৰ চৰণে লাগো।
শ্ৰৱণ কীৰ্ত্তন নিৰ্ম্মল ভকতি কাকুতি কৰিয়া মাগো ॥৮২১

দীন দয়াশীল যাদৱ সেৱক লৈয়ো উদ্ধাৰি,
দান্তে তৃণ কৰো চৰণত ধৰো,
নেড়িবা মোক মুৰাৰি ॥৮২২
করুণাময় করুণাসাগৰ কৃপাৰ করুণাসিন্ধু।
তোমাৰ কৃপাৰ আমি নোহো পাত্র,
তুমি পুনু দীনবন্ধু ॥৮২৩
ৰাম-কৃষ্ণ হৰি গোৱিন্দ দীন-দয়াশীল স্বামী।
তোমাৰ চৰণে সহজ বাসনা শৰণ মাগোহো আমি ॥৮২৪
জয় যদুপতি যাদৱ তুমি অগতিৰ গতি।
দান্তে তৃণ ধৰি তোমাৰ চৰণে,
মাগোহো সাধু সঙ্গতি ॥৮২৫
ৰাম-কৃষ্ণ হৰি গোৱিন্দ সেৱক ভৈলো তোমাৰ।
অভয় চৰণে শৰণ পশিলো চুৰিয়ো মায়া হামাৰ ॥৮২৬
গোৱিন্দ গোপাল গোপীনাথ,
দায়া নছাড়িবা মোৰে।
অপাৰ সংসাৰ আৰ নাহি পাৰ,
মজিলো এ দুঃখ ঘোৰে ॥৮২৭
হৰি হৰি হৰি হৰিএ, ৰাম কৃষ্ণ ৰাম নাৰায়ণ নাৰায়ণ।
কৰা হৰি মোৰ মায়া উপশম নাৰায়ণ নাৰায়ণ ॥৮২৮
গোপীনাথ ইবাৰ মোকে নেড়িয়ো।
তযু মায়া-জাল জঞ্জাল গুচায়া,
চৰণে শৰণ দিয়ো ॥৮২৯
গোপাল গোপাল পালয় কৃপাময়।
তুৱা পাৱে মোৰ মতি ৰতি যেন নছাড়য় ॥৮৩০

ৰাম ৰাঘৱ ৰঘুপতি এ তুমি দেৱ অগতিৰ গতি নাএ
তুৰা পদ-কমলৰ মকৰন্দ ৰসে ৰতি।
কৰিয়া থাকোক মোৰ মতি নাএ ॥৮৩১
জয় জয় যাদৱ যদুপতি এ,
তুৰা পাৱে পশিলো শৰণ নাএ।
ভাল কথা শুনি আছি মনে লৈলো সাৰ বাছি,
তুৰা নাম পতিতপাৱন নাএ ॥৮৩২
প্ৰাণবান্ধৱ মাধৱএ, দয়াশীল দৈৱকীনন্দন নাএ,
তুমি দেৱ দীনবন্ধু, কেৱলে কৰুণাসিন্ধু,
কৰো তযু চৰণে বন্দন নাএ ॥৮৩৩
মোৰ প্ৰাণবন্ধু গোবিন্দ সেৱক কৰিয়া লৈয়ো
আন একো কাম নমাগো তোমাৰ,
ভৃত্যৰ সঙ্গত থৈয়ো ॥৮৩৪
চিদানন্দ ৰাম সদানন্দ হৰি।
নিত্যানন্দ কৃষ্ণ মোক লৈয়ো দাস কৰি ॥৮৩৫
হৰি ও তুমি আনন্দ সিন্ধু।
হামো ভিক্ষাৰী মাগো এক বিন্দু ॥৮৩৬
মধুৰিপু ৰাম ৰঘুপতি।
তোমাৰ চৰণে মোৰ গতি ॥৮৩৭
অৰুণ চৰণে দিয়ো ছায়া ৰাম ৰাম।
তেবেসে তৰিবো তযু মায়া ৰাম ৰাম ॥৮৩৮
দান্তে তৃণ ধৰি হৰি চৰণত লাগো।
তযু কৃপা ৰসৰ কণিকা এক মাগো ॥৮৩৯
দয়া কৰা দয়া কৰা মোৰে হে ৰাম।

তোমাৰ চৰণ হৰি হৃদয়-পঙ্কজে ধৰি,
মুখে লৈবো তুৱা গুণ নাম এ যদুমণিএ ॥৮৪০
ৰাম-কৃষ্ণ বুলি অনাথে ডাকয় এ হৰি নাৰায়ণ।
অনাথক দয়া কৰা কৃপাময় এ হৰি নাৰায়ণ ॥৮৪১
নাৰায়ণ নাৰায়ণ নাৰায়ণ নাৰায়ণ জয় নাৰায়ণ।
তোমাৰ অৰুণ চৰণ-পঙ্কজে নিমজোক মেৰি মন ॥৮৪২
নাৰায়ণ নাৰায়ণ তুৱা চৰণে আমাৰ
মজোক মন জয় ৰাম ॥৮৪৩

## প্ৰাৰ্থনা নিবেদন

এ ৰাম ৰাম ৰাম জয় পৰমানন্দ।
পিয়ো তযু চৰণ-কমল মকৰন্দ ॥৮৪৪
এ ৰাম ৰামকৃষ্ণ ৰাম নাৰায়ণ।
তযু পদ-কমলে মজোক মেৰি মন ॥৮৪৫
এ ৰাম ৰাম ৰাম-কৃষ্ণ ৰাম নিৰঞ্জন।
তুমিসে ঈশ্বৰ দেৱ ভকত ৰঞ্জন ॥৮৪৬
এ ৰাম ৰামকৃষ্ণ ৰামকৃষ্ণ ৰাম।
তুমি গুণনিয়ন্তা নিৰ্গুণ গুণধাম ॥৮৪৭
ৰাম-কৃষ্ণ ৰাম হৰি ৰামচন্দ্ৰ ৰাম ৰাম,
শ্ৰীৰাম দেৱ ৰঘুপতি।
হে প্ৰভু ৰঘুনাথ প্ৰণামো দমায়া মাথ,
তুমি মোৰ হৈবা নিজ গতি হৰি ৰাম
ৰঘুকুলনন্দন মুৰাৰি ॥৮৪৮

গোপাল গোৱিন্দ ৰাম গোপাল গোৱিন্দ ৰাম।
গোপাল গোৱিন্দ জয় ৰাম।
তোমাৰ চৰণে হৰি কেৱল ভকতি বিনে।
মোৰ আৰ নাহি আন কাম হৰি ৰাম ॥৮৪৯
গোপীনাথ গোপীনাথ গোপীনাথ গোপীনাথ
গোপীনাথ গোপীনাথ হৰি।
তোমাৰ অভয় দুই চৰণে শৰণ লৈলো,
লৈয়ো মোক নিজ দাস কৰি হৰি ৰাম ॥৮৫০

## নাম-ছন্দ

কৃষ্ণ ৰাম কৃষ্ণ ৰাম।
কৃষ্ণ ৰাম কৃষ্ণ ৰাম ॥৮৫১
কৃষ্ণ কৃষ্ণ ৰাম, জয় জয় ৰাম
কৃষ্ণ কৃষ্ণ ৰাম, জয় জয় ৰাম ॥৮৫২
কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম ৰাম।
অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ ॥৮৫৩
গোৱিন্দ গোৱিন্দ গোৱিন্দ গোৱিন্দ
গোৱিন্দ ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী ॥৮৫৪
গোৱিন্দ ৰাম মুৰাৰি মুকুন্দ ৰাম মুৰাৰি।
ভকতি ৰোচন দুঃখ বিমোচন,
ভক্তৰ ভয়হাৰী ॥৮৫৫
পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰি।

অনাদি অনন্ত অচ্যুত গোৱিন্দ,
ভকতৰ ভয়হাৰী ॥৮৫৬
জয় যাদৱ এ, মোৰে প্ৰাণ জীৱেৰ জীৱন নাৰায়ণ।
ভকতৰ ধন তয়ু অৰুণ চৰণ ॥৮৫৭
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ হৰি, ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ হৰি।
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ হৰি জয় নাৰায়ণ ॥৮৫৮
ৰাম ৰাম ৰাম ৰাম ৰাম, ৰাম কৃষ্ণ হৰি নাৰায়ণ ॥৮৫৯
ৰাম ৰাম ৰাম ৰাম গোপাল।
জীৱেৰ জীৱন যদুৰায় ॥৮৬০
ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম
ৰাম ৰাম ৰাম ৰাম ৰাম ৰামৰাম এহৰি ৰাম নিৰঞ্জন ॥৮৬১
ৰাম ৰাম ৰাম ৰাম ৰাম,
ৰাম কৃষ্ণ হৰি হৰি হৰি ॥৮৬২
হৰি হৰি ৰাম ৰাম কৃষ্ণ ৰাম ৰাম ৰাম।
শ্ৰীৰাম জয় জয় ৰাম ॥৮৬৩
দীন দয়াশীল দেৱ দামোদৰ হৰি দামোদৰ।
দামোদৰ দামোদৰ দেৱ দামোদৰ ॥৮৬৪
অনাদি অনন্ত সদাশিৱ সনাতন হৰি এ।
নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন ॥৮৬৫
নিত্য নিৰঞ্জন হৰি, নিত্য নিৰঞ্জন।
নিত্য নিৰঞ্জন, নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন ॥৮৬৬
মুৰাৰি মধুৰিপু ৰাঘৱ এ ৰাম ৰঘুপতি।
ৰাম ৰাম ৰাম হৰি ৰাম ৰাম ৰাম।
ৰাম ৰাম ৰাম নাৰায়ণ জয় নাৰায়ণ ॥৮৬৭

যাদৱ যদুপতি মাধৱ এ,
ৰাম ৰাম কৃষ্ণ নাৰায়ণ হৰি নাৰায়ণ।
নাৰায়ণ নাৰায়ণ হৰি নাৰায়ণ ॥৮৬৮
ৰাম-কৃষ্ণ গোবিন্দ গোপীনাথ হৰি গোপীনাথ।
গোপীনাথ গোপীনাথ হৰি গোপীনাথ ॥৮৬৯
করুণাসাগৰ মোৰ বান্ধৱ এ,
ৰাম ৰাম ৰাম, ৰাম ৰাম ৰাম ৰাম ॥৮৭০
ৰাম ৰাম ৰাম ৰাম গোবিন্দ।
ৰাম ৰাম ৰাম ৰাম হৰি, ৰাম ৰাম ৰাম ৰাম ॥৮৭১
ৰাম ৰাম হৰি গোপাল গোবিন্দ মুকুন্দ হৰি মুৰাৰি॥৮৭২
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ, ৰাম-কৃষ্ণ
ৰাম-কৃষ্ণ ৰাম, ৰাম-কৃষ্ণ ৰাম ৰাম,
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম গোবিন্দ জয় ৰাম॥৮৭৩
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ, ৰাম-কৃষ্ণ ৰাম ৰাম-কৃষ্ণ ৰামএ।
ৰাম-কৃষ্ণ ৰাম ৰাম কৃষ্ণ ৰাম ॥৮৭৪
হৰি ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম।
পতিত পাৱন হৰি গুণে অনুপাম ॥৮৭৫
মোৰ প্ৰভু নাৰায়ণ ৰাম-কৃষ্ণ ৰাম।
ভকতবৎসল প্ৰভু গুণে অনুপাম ॥৮৭৬
ৰাম-কৃষ্ণ নাৰায়ণ হৰিৰেহে।
প্ৰভুৰেহে ৰাম ৰাম ৰাম ॥৮৭৭
মুকুন্দ মাধৱ মুৰাৰি মধুৰিপু
জগতজীৱন ৰাম হৰি হৰি ॥৮৭৮
জয়তি যদুপতি জগতজীৱন।

যাদৱ মাধৱ ৰাম হৰি হৰি
পৰম পুৰুষ ৰাম জয় জয় ॥৮৭৯
ৰাম ৰাম কৃষ্ণ ৰাম ৰাম কৃষ্ণ
ৰাম ৰাম কৃষ্ণ ৰাম হৰি হৰি ॥৮৮০
ৰাম ৰাম ৰাম ৰাঘৱ ৰঘুপতি ।
প্ৰণতপালক দেৱ হৰি হৰি,
প্ৰপন্নতাৰক দেৱ জয় জয় ॥৮৮১
হৰিতো হৰি হৰি হৰিতো হৰি হৰি ।
হৰিতো হৰি হৰি ৰাম জয় জয় ॥৮৮২
কৃষ্ণদেৱ তুমি প্ৰভু দীন-দুঃখহাৰী ।
ভকতৰঞ্জন ভয়ভঞ্জন মুৰাৰি ॥৮৮৩
গোপাল গোপীনাথ গোবিন্দ ৰাম ৰাম ।
গোবিন্দ ৰাম-কৃষ্ণ গোবিন্দ ৰাম ৰাম ॥৮৮৪
গোবিন্দ ৰাম গোবিন্দ ৰাম ।
গোপাল গোবিন্দ ৰাম ৰাম ॥৮৮৫
হৰি হৰি হৰি ৰাম গোবিন্দ ।
মুৰাৰি মুকুন্দ জয় ৰাম ॥৮৮৬
ৰাম-কৃষ্ণ হৰি ৰাম ৰাম ।
গোপাল গোবিন্দ জয় ৰাম ॥৮৮৭
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম ।
অমিয়া মাধুৰী তযু নাম ॥৮৮৮
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ জয় ।
ৰাম-কৃষ্ণ দীন দয়াময় ॥৮৮৯

যাদৱ মাধৱ দীন দয়াল।
দৈৱকীনন্দন ৰাম গোপাল ॥৮৯০
ৰাম ৰঘুপতি পৰমানন্দ।
পৰম পুৰুষ দীনবন্ধু গোবিন্দ ॥৮৯১
মোৰ ইষ্টদেৱ যাদৱৰায়।
সেৱা কৰিবাৰ নামে সে উপায় ॥৮৯২
গোবিন্দ এ জয় কৃষ্ণ জগতজীৱন ৰাম ॥৮৯৩
সহজানন্দ হৰি স্বৰূপানন্দ।
হৃদয়ানন্দ হৰি পৰমানন্দ ॥৮৯৪
গোপাল গোবিন্দ ৰাম মাধৱ।
ভকত জনৰ তুমি বান্ধৱ ॥৮৯৫
গোপাল গোবিন্দ ৰাম গৰুড়কেতু।
ভকতৰ ধন জীৱন হেতু ॥৮৯৬
ৰাম নিৰঞ্জন নিৰাময়।
জয় জগন্নাথ দয়াময় ॥৮৯৭
গোবিন্দ গোবিন্দ গোবিন্দ ৰাম।
পতিতপাৱন তোমাৰ নাম ॥৮৯৮
হলিৰাম শ্ৰীৰাম বামন পৰশুৰাম ॥৮৯৯
মুকুন্দ মুৰাৰি দীন দয়াশীল হৰি ৰাম ॥৯০০
কমললোচন দুঃখমোচন মুৰাৰি ৰাম ॥৯০১
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম।
ৰাম নাৰায়ণ ৰাম-কৃষ্ণ ৰাম ॥৯০২
বনমালী গোবিন্দ ৰাম-কৃষ্ণ হৰি ॥৯০৩
জীৱৰ জীৱনধন মুকুন্দ মুৰাৰি নাৰায়ণ ॥৯০৪

ৰাম-কৃষ্ণ হৰি অনন্ত মুৰাৰি এ হৰি নাৰায়ণ।
ভকত জনৰ দুঃখ-ভয়হাৰী এ হৰি নাৰায়ণ ॥৯০৫
নমো নাৰায়ণ নমো নাৰায়ণ।
নিৰঞ্জন নিৰাকাৰ নিৰ্ব্বিকাৰ নিৰাময়।
নৰোত্তম সম সনাতন ॥৯০৬
ৰাম হৃষীকেশ গোৱিন্দ হৃষীকেশ ॥৯০৭
গোৱিন্দ ৰাম গোৱিন্দ ৰাম ৰাম কৃষ্ণ গোৱিন্দ ৰাম ॥৯০৮
এ ৰাম ৰাম কৃষ্ণ ৰাম নাৰায়ণ ॥৯০৯
হৰি ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম ॥৯১০
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম নাৰায়ণ ॥৯১১
জয় ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ হৰি জয় ॥৯১২
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ শিৱ সনাতন।
তুমসে গোবিন্দ ভকতৰ মহা ধন ॥৯১৩
জয় হৰি ৰাম জয় শ্ৰীৰাম,
পৰম মঙ্গল মাধৱৰ গুণ-নাম, জয় হৰি ৰাম ॥৯১৪
কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম,
মধু-মুৰমথন মুৰাৰি হৰি ৰাম, কৃষ্ণ কৃষ্ণ ৰাম ॥৯১৫
ৰাম কমলাপতি তুমি অগতিৰ গতি।
ভকতি মিনতি স্তুতি নজানো পামৰ মতি ॥৯১৬
গোপাল জয় ৰাম, গোৱিন্দ জয় ৰাম ॥৯১৭
গোপাল গোৱিন্দ ৰাম-কৃষ্ণ মুকুন্দ ॥৯১৮
গোৱিন্দ গোৱিন্দ দৈৱকীনন্দন হৰি ৰাম নাৰায়ণ ॥৯১৯
গোপাল গোৱিন্দ মুকুন্দ ৰাম ৰাম ॥৯২০
হৰি ৰাম, শ্ৰীৰাম, জয় জয় ৰাম ৰাম ॥৯২১

এ ৰাম জয়, ৰাম জয়, ৰাম জয় ৰাম,
ও হৰি ৰাম, ৰাম জয়, ৰাম জয় ৰাম ॥৯২২
শিৱ শিৱ শিৱ শিৱ শিৱ।
শিৱ সনাতন জগজীৱ ॥৯২৩
মাধৱ মাধৱ মাধৱ মধুৰিপু গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম॥৯২৪
নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়,
মুৰাৰি এ হৰি হৰি ৰাম ॥৯২৫
প্ৰাণ গোপাল দীনবন্ধু নাৰায়ণ ॥৯২৬
হে হে পৰম গুৰু পুৰুষোত্তম হৰি পুৰুষোত্তম।
পুৰুষোত্তম পুৰুষোত্তম জয় পুৰুষোত্তম ॥৯২৭
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ জয় নাৰায়ণ ॥৯২৮
মোৰ প্ৰভু নাৰায়ণ পৰমানন্দ হৰি পৰমানন্দ।
পৰমানন্দ পৰমানন্দ হৰি পৰমানন্দ ॥৯২৯
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ প্ৰভু দেৱ নাৰায়ণ নাৰায়ন।
নাৰায়ণ ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ প্ৰভু দেৱ ॥৯৩০
গোপাল গোৱিন্দ হৰি ৰাম ৰাম।
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম ৰাম ॥৯৩১
পৰম পুৰুষ শিৱ সনাতন।
অনন্ত অচ্যুত নিত্য নিৰঞ্জন ॥৯৩২
ৰাম নিৰঞ্জন ওঁ ৰাম নিৰঞ্জন।
নিৰাকাৰ হৰি ৰে ৰাম ॥৯৩৩
ৰাম সদাশিৱ ওঁ প্ৰাণ সদাশিৱ সনাতন প্ৰভুৰে ৰাম ॥৯৩৪
ৰাম দয়াশীল, মোৰে প্ৰভু,
দয়াশীল দেৱ দীনবন্ধুৰে ৰাম ॥৯৩৫

হৰি-হৰি পৰমানন্দ প্ৰভু পীতাম্বৰ হৰি পীতাম্বৰ।
পীতাম্বৰ পীতাম্বৰ প্ৰভু পীতাম্বৰ ॥৯৩৬
হৰি হৰি ৰাম বান্ধৱ হৰি ৰাম ॥
হৰি হৰি এ নাৰায়ণ জয় গোৱিন্দ ৰাম ॥৯৩৭
পৰমানন্দ জয় পৰমানন্দ হৰি হৰি হৰি হৰি হৰি হৰি হৰিএ,
হৰি এ পৰমানন্দ জয় পৰমানন্দ ॥৯৩৮
কমলাকান্ত জয় কমলাকান্ত কমললোচন বনমালী।
হৰি এ, বনমালী এ কমলাকান্ত জয় কমলাকান্ত ॥৯৩৯
দামোদৰ প্ৰভু দামোদৰ, দৈৱকীনন্দন দীনবন্ধু।
ৰি এ, দীনবন্ধু এ দামোদৰ দেৱ দামোদৰ ॥৯৪০
জগতজীৱন ৰাম যদুপতি
জগতজীৱন, ৰাম হৰি হৰি, জগতজীৱন ৰাম ॥৯৪১
জগতজীৱন ৰাম যদুপতি
জগতজীৱন ৰাম হৰি হৰি, জগতজীৱন ৰাম ॥৯৪২
জগতজীৱন ৰাম জগজীৱন ৰাম।
জগতৰ সুমঙ্গল তুৱা গুণ-নাম ॥৯৪৩
মধুসূদন দেৱ মধুসূদন দেৱ।
তুমি বিনে অগতিৰ গতি নাহি কেৱ ॥৯৪৪
ৰাম-কৃষ্ণ ৰাম-কৃষ্ণ ৰাম হৰি হৰি।
ৰামতে ৰমোহো অবিৰাম ৰাম ৰাম ॥৯৪৫
ৰামনামে ধৰ্ম্ম অনুপম হৰি হৰি।
পূৰা ভকতৰ মনকাম ৰাম ৰাম ॥৯৪৬
কলিযুগে ৰামনামে সাৰ হৰি হৰি।
ৰামনাম বিনে নাহি আৰ ৰাম ৰাম ॥৯৪৭

ৰাম বুলি পাৰে ভৱ পাৰ হৰি হৰি।
ৰামনাম জগত উদ্ধাৰ ৰাম ৰাম ॥৯৪৮
ৰামনামে অমূল্য ৰতন হৰি হৰি।
ৰামনাম বিনে নাহি ধন ৰাম ৰাম ॥৯৪৯
ৰামনাম মুক্তি বিড়ম্বন হৰি হৰি।
জপ ৰামনাম অনুক্ষণ ৰাম ৰাম ॥৯৫০
ৰাম নামে ভকতি সুগম হৰি হৰি।
নাহি ভক্তি ৰামনাম সম ৰাম ৰাম ॥৯৫১
ৰামনাম ধৰ্ম্মতে উত্তম হৰি হৰি।
ৰামনাম পাতকৰ যম ৰাম ৰাম ॥৯৫২
ৰামনামে ধৰ্ম্ম শিৰোমণি হৰি হৰি।
ৰামনাম পাপৰ অগনি ৰাম ৰাম ॥৯৫৩
ৰামনাম মৃত্যুসঞ্জীৱনী হৰি হৰি।
ৰামনাম ঘুষিয়োক ছান্দি ৰাম ৰাম ॥৯৫৪
জগন্নাথ জগন্নাথ, জগন্নাথ জগন্নাথ, জগন্নাথ জগন্নাথ হৰি,
জগন্নাথ জগন্নাথ, জগন্নাথ জগন্নাথ, জগন্নাথ জগন্নাথ,
হৰি হৰি ৰাম, জগন্নাথ জগন্নাথ হৰি ॥৯৫৫
এ নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন হৰি
নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন নিৰঞ্জন,
হৰি হৰি ৰাম, নিৰঞ্জন নিৰঞ্জন হৰি ॥৯৫৬
গোপাল গোপাল, গোপাল গোপাল,
গোপাল গোপাল ৰাম।
গোপাল গোপাল গোপাল
গোপাল, গোপাল গোপাল ৰাম ॥৯৫৭

ৰাম হৰি হৰি, ৰাম হৰি হৰি, ৰাম হৰি হৰি ৰাস।
ৰাম হৰি হৰি, ৰাম হৰি হৰি, ৰাম হৰি হৰি ৰাম এ ॥৯৫৮

গোবিন্দ ৰাম, গোবিন্দ ৰাম, গোবিন্দ ৰাম,
গোবিন্দ ৰাম, গোবিন্দ ৰাম, গোবিন্দ ৰাম হৰি,
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ।
গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম ॥৯৫৯

মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি
মুকুন্দ মুৰাৰি মুকুন্দ মুৰাৰি হৰিৰে হে।
হৰি হৰি হৰি, হৰি হৰি হৰি, হৰি ৰাম শ্ৰীৰাম ॥৯৬০

ৰাম-কৃষ্ণ হৰি, ৰাম-কৃষ্ণ হৰি, ৰাম কৃষ্ণ হৰি,
ৰাম-কৃষ্ণ হৰি, ৰাম-কৃষ্ণ হৰি, ৰাম-কৃষ্ণ হৰি ৰাম।
ৰাম-কৃষ্ণ হৰি, মুকুন্দ মুৰাৰি, মাধৱ মধুসূদন
হৰি হৰি, যাদৱ যদুনন্দন এ ॥৯৬১

ৰাম ৰাম ৰাম ৰাম, ৰাম ৰাম ৰাম ৰাম, ৰাম
ৰাম ৰাম ৰাম, ৰাম হৰি হৰি ৰাম, ৰাম ৰাম
ৰাম ৰাম ৰাম ॥৯৬২
হৰি হৰি হৰি, হৰি হৰি হৰি, হৰি হৰি হৰি হৰি এ
মোৰ প্ৰাণবন্ধু হৰি হৰি হৰি এ মোৰ প্ৰাণধন হৰি এ
অনাদি অনন্ত প্ৰভু ভগৱন্ত ভজো চৰণত ধৰি এ,
এ হৰি হৰি ভজো চৰণত ধৰি এ।
পতিতপাৱন, প্ৰভু নাৰায়ণ, সেৱক লৈয়ো উদ্ধাৰি
দীনবন্ধু সেৱক লৈয়ো উদ্ধাৰি, গোবিন্দ জয় ৰাম ॥৯৬৩

মুৰাৰি মুকুন্দ ৰাম, মুৰাৰি মুকুন্দ ৰাম
মুৰাৰি মুকুন্দ ৰাম জয়।
সুমৰণে পাপক্ষয়, মিলে মহা মহোদয়,
দুঃখচয় গুচে শোক-ভয় হৰি ৰাম ॥৯৬৪
ৰাম-কৃষ্ণ গোৱিন্দ, ৰামকৃষ্ণ গোৱিন্দ, ৰাম-কৃষ্ণ গোৱিন্দ হৰি
বনমালী বাসুদেৱ, পদ্মনাভ জনার্দ্দন
মাধৱ মুকুন্দ মুৰাৰি হৰি ৰাম ॥৯৬৫
মাধৱ মধুৰ মুৰতি মধুসূদন দনুজ দলন দুঃখহাৰী।
পীতাম্বৰ ধৰ শ্যামসুন্দৰ হৰি
জয় জয় মুকুন্দ মুৰাৰি হৰি ৰাম ॥৯৬৬
ৰাম জয় হৰি জয়, ৰাম-কৃষ্ণ ৰাম হৰি জশ ॥৯৬৭
ৰাম-কৃষ্ণ যিটো সততে সুমৰে তাৰ আৰ কাক ভয় এ
সকলে ধৰ্ম্মৰ উপৰে বসিয়া ৰামনাম প্ৰকাশয় এ ॥৯৬৮
ৰাম-কৃষ্ণ নাম কীৰ্ত্তন বিনায় কৃত্য শেষ নথাকয় এ।
ৰাম-কৃষ্ণ নাম কীৰ্ত্তনে কৃষ্ণৰ কৃপাৰ মন্দিৰ হয় ॥৯৬৯
ৰাম-কৃষ্ণ নাম কীৰ্ত্তন প্ৰভাৱে সংসাৰ সুখে তৰয় এ।
ৰাম-কৃষ্ণ নাম কীৰ্ত্তনে সমস্তে বিঘিনি নাশ কৰয় এ ॥৯৭০
ৰাম-কৃষ্ণ নাম ৰসক লভিয়া মুকুতিকো নগণয় এ।
ৰাম-কৃষ্ণ নাম পৰম আনন্দ সমুদ্ৰে মজি থাকয় এ ॥৯৭১
ৰাম-কৃষ্ণ নাম কীৰ্ত্তন প্ৰসাদে হৰিৰ বল্লভ হয় এ।
ৰাম-কৃষ্ণ নাম কীৰ্ত্তন কৰিয়া হৰিকো বশ্য কৰয় এ ॥৯৭২
ৰাম হৰি জয় ৰাম হৰি
গোপাল গোৱিন্দ ৰাম হৰি জয় ।৯৭৩
ৰাম হৰি জয় ৰাম ৰাম হৰি জয় ৰাম ৰাম ॥৯৭৪

এ হৰি হৰি ৰাম জয় । ৰাম হৰি জয় ৰাম গোবিন্দ ॥৯৭৫
ৰাম জয় জয় ৰাম জয় । মুকুন্দ মুৰাৰি ৰাম হৰি জয় ॥৯৭৬

## খেদ

ঘোষা ঃ—হৰি হৰি, হৰি হৰি, হৰি হৰি হৰি
কি কাম কৰিলো আমি
সাধু সঙ্গ লৈয়া তোমাক নভজি
ভৈলো কিনো অধোগামী ॥৯৭৭

পদ ঃ—নিজদাস হুয়া সেৱাক তেজিলো ।
এহি দোষে ঘোৰ আপদে মজিলো ॥৯৭৮
তুমিসে সুহৃদ আত্মা প্ৰিয়তম ।
তোমাক তথাপি নভজোঁ ক মই অধম ॥৯৭৯
তুমি নিজ পিতৃ গুৰু ইষ্ট মোৰ ।
মই মন্দমতি ভৈলো সেৱাচোৰ ॥৯৮০
অধমকো তাৰে তোমাৰ ভকতি ।
তথাপি তোমাক নভজো কুমতি এ ॥৯৮১
ইষ্টদেৱ বুলি তোমাক নধৰো ।
নিকাৰ ভুঞ্জিয়া সংসাৰত মৰো ॥৯৮২
তুমিসে কেৱলে করুণা সাগৰ ।
তোমাক নভজো কি মই পামৰ ॥৯৮৩
আৱে কৃপাময় দিয়োক শৰণ ।
দোষ মৰিষণ তোমাৰ চৰণ ॥৯৮৪
ইবাৰ ঈশ্বৰ নছাড়িবা মোক ।
মোৰ মন মজি তোমাতে ৰহোক এ ॥৯৮৫

মোৰ প্ৰাণ হৰে জীৱন প্ৰাণ হৰে।
হৰিৰে ৰাম, ৰাম কৃষ্ণ হৰে ॥৯৮৬
কৃষ্ণ হৰি এ, প্ৰাণ হৰি এ, হৰি ৰে ৰাম, ৰাম ৰাম ৰাম ॥৯৮৭
হৰি ৰে হৰি ৰে, ৰাম ৰাম ৰাম ৰাম,
জয় জয় হৰি ৰাম ॥৯৮৮
গোৱিন্দ এ, জয় কৃষ্ণ, জয় ৰাম জয় ৰাম ॥
হৰি হৰি ৰাম বান্ধৱ হৰি ৰাম।
হৰি হৰি এ, নাৰায়ণ জয় গোৱিন্দ ৰাম ॥৯৮৯
কৃষ্ণ ৰাম গোৱিন্দ। হৰি ৰাম গোৱিন্দ জয় জয় ॥৯৯০
গোৱিন্দ কৃষ্ণ ৰাম ৰাম ৰাম।
গোৱিন্দ গোৱিন্দ ৰাম ৰাম ॥৯৯১
গোৱিন্দ মাধৱ প্ৰাণ-বান্ধৱ ৰাম কৃষ্ণ হৰি জয় ॥৯৯২

ঘোষা ঃ—হিয়াৰ মাজে নামৰ ভাণ্ডাৰ মুখে বাজ হয়।
ৰামনামে মৰণা মাৰে পাপ কটকৰ ক্ষয় ॥৯৯৩

পদ ঃ—পাপ বিপক্ষক সংহৰি হৰি নামে খলখলি হাসে।
সকল সুখৰ উপৰে বসিয়া হৰিৰ নাম প্ৰকাশে ॥৯৯৪

মুকুতি সুখক বশ্য কৰি হৰি নামে আনন্দত নাচে।
পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাষে ॥৯৯৫

আপোন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চড়ে।
যিটো নাম লয় হৰি তাৰ হয়, ইপুনু ৰহস্য বৰে ॥৯৯৬

হাৰি গুণনাম ভাবিয়া পুৰুষে ৰহয় হৰিৰ পাশে।
হৰিৰ চৰণ হৃদয়ে ধৰিয়া কহয় মাধৱ দাসে ॥৯৯৭

## শেষ

ঘোষা ঃ—এভাৱ ভাই, ভজ ভগৱন্ত ভক্তিভাৱে।
ভগৱন্তক ভজিয়া পৰম গতি পাৱে ॥৯৯৮

পদ ঃ—ভগৱন্ত নভজি চলয় যম ঠাৱে।
ভগৱন্ত ভকতক শমনে নধাৱে ॥৯৯৯
ভগৱন্ত ভজিয়া জনম বাহুড়াৱে।
আন যত সৱে মিছা ভক্তিৰ অভাৱে ॥১০০০
জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৱে।
এহু ৰস মাধৱ মুকুথমতি গাৱে ॥১০০১

সম্পূর্ণ